

১৯৬১-১৯৭০

অসম

অসম

মৃণাল তালুকদাৰ
কিশোৰ কুমাৰ কলিতা

অসম

(১৯৬১-১৯৭০)

গৱেষণা সহযোগী
কৃষ্ণ কান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, অসম
নন্দ তালুকদাৰ ফাউণ্ডেচন

সূচীপত্ৰ

চীন-ভাৰতৰ যুদ্ধ

ষাঠিৰ দশকৰ অসম বুলি ক'লে প্ৰথমেই মনলৈ আহে ভাৰত-চীন যুদ্ধৰ কথা। অসম তথা উত্তৰ-পূৰ্বাঞ্চল সম্পৰ্কে থকা সম্পূৰ্ণ ধ্যান-ধাৰণাকে বদলাই দিছিল এই যুদ্ধখনে। এফালে যদি ভাৰতৰ সামৰিক শক্তিৰ সামৰ্থ্য সন্দৰ্ভত দেশৰ বাহিৰে-ভিতৰে প্ৰশ্ন উঠিছিল, ঠিক তেনেদৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভূত-ভৱিষ্যৎ সম্পৰ্কেও প্ৰশ্ন তোলা হৈছিল।

যুঁজ যদিও ১৯৬২ চনত আৰম্ভ হৈছিল তাৰ বীজ ৰোৱা হৈছিল ১৯১৩ চনত আৰু তাৰ অংকুৰণ হৈছিল ১৯৫০ চনত। ১৯১৩ চনতেই প্ৰথমবাৰৰ বাবে ব্ৰিটিছে ভাৰত, চীন আৰু

১৯৬১

৩ ফেব্ৰুৱাৰী ঃ উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ লামডিং-বদৰপুৰ শাখাৰ মুপা আৰু লাংটিং ষ্টেচনৰ মাজত নামনিলৈ যোৱা চলন্ত ৰে'লৰ ওপৰত বিদ্ৰোহী নগাৰ গুলীবৰ্ষণ।

৬ ফেব্ৰুৱাৰী ঃ অসমত হোৱা এটা প্ৰচণ্ড বা-মাৰলিৰ ফলত শিলচৰ অঞ্চলত প্ৰায় ১২ জন আৰু ডিব্ৰুগড় চহৰত দুজন লোকৰ মৃত্যু।

১৩ মাৰ্চ ঃ পাণ্ডু-তিনিচুকীয়া শাখা উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ ৰঙাপাহাৰ চাইডিঙৰ ওচৰত এখন সামৰিক টহলদাৰী ট্ৰেইনৰ ওপৰত নগা বিদ্ৰোহীৰ গুলীবৰ্ষণ।

২ এপ্ৰিল ঃ গোৱালপাৰা ৰংপুৰ অঞ্চলেদি পাৰপত্ৰহীন পাকিস্তানী লোকৰ অবাধ সোঁত। অসমৰ চৰকাৰী মহলত এক গুৰুত্বপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি।

৭ এপ্ৰিল ঃ অসমত থকা সকলো চাহ বাগিচাৰ স্কুলসমূহ অসম চৰকাৰে লোৱাৰ সিদ্ধান্ত।

১৯ মে' ঃ কাছাৰৰ শিলচৰত উন্মত্ত জনতাৰ ওপৰত পুলিচে গুলীবৰ্ষণ কৰাত ১১জন লোকৰ মৃত্যু আৰু বহুতো আহত হয়। সান্ধ্য আইন জাৰি কৰাৰ লগতে কাছাৰ সংগ্ৰাম পৰিষদৰ ৬২৭জন লোকক গ্ৰেপ্তাৰ কৰা হয়।

২১ মে' ঃ কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী জগজীৱন ৰামৰ দ্বাৰা উত্তৰপাৰৰ ৰঙাপৰা-উত্তৰ লখিমপুৰ শাখাত জীয়াভৰলী নৈৰ ওপৰত নিৰ্মাণ কৰা ৰে'লৰে দলং আনুষ্ঠানিকভাৱে মুকলি।

১৯ জুন ঃ কাছাৰৰ হাইলাকান্দি মহকুমাত সংগ্ৰাম পৰিষদ আৰু শান্তি পৰিষদৰ সমৰ্থনকাৰী দুদল লোকৰ মাজত হোৱা সংঘৰ্ষত পুলিচে গুলীবৰ্ষণ কৰাত ৫জনৰ মৃত্যু আৰু ১০জন আহত হয়।

৭ জুলাই ঃ অসম-নেফা সীমান্তৰ লখিমপুৰ-ছিয়াং বিভাগ অঞ্চলৰ সীমা চিনাক্তকৰণ হিচাপে স্তম্ভ নিৰ্মাণ কৰিবলৈ অসম চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ।

১৪ জুলাই ঃ প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশ অমান্য কৰি কাছাৰৰ ভাষা আন্দোলনত অংশগ্ৰহণ কৰাৰ বাবে কাছাৰৰ চাৰিজন কংগ্ৰেছ নেতাক দলৰ পৰা বহিষ্কাৰ কৰা হয়। এই চাৰিজন নেতা হ'ল নন্দকিশোৰ সিং, ৰণেন্দ্ৰমোহন দাস জ্যোৎস্না চন্দ আৰু আব্দুৰ ৰহমান

তিব্বতৰ মাজৰ অমীমাংসিত সীমা নির্ধাৰণ কৰিবলৈ চেষ্টা কৰিছিল।

১৯১৩ চনত ব্রিটিছ ভাৰতৰ নেতৃত্ব দিছিল বৈদেশিক সচিব হেনৰী মেক্‌মোহনে। উদ্দেশ্য তিব্বত-ভাৰত-চীনৰ সীমা নির্ধাৰণ কৰা। ৰঙা চিয়াঁহীত শকত পেনৰ নিব্ এটা বুৰাই টনা হৈছিল এখন বিশাল মেপৰ ওপৰেৰে সীমা। সেয়াই মেক্‌মোহন লাইন।

ব্রিটিছ সাম্রাজ্যবাদৰ সম্পূর্ণ ৰং দেখুৱাই হেনৰী মেক্‌মোহনে টানিছিল ৰঙা আঁচডাল। তিব্বতৰ আপত্তি আছিল মেক্‌মোহন লাইনক লৈ। চীনৰো আপত্তি একেই। মাথোঁ আপত্তি নাছিল সাম্রাজ্যবাদী ব্রিটিছৰ।

তিব্বত আৰু চীনে মানি নল'লে চিমলাৰ সিদ্ধান্ত। মেক্‌মোহনে টাৱাঙৰ উত্তৰেৰে টানি লৈ গৈছিল এই মেক্‌মোহন লাইন। ব্রিটিছে অতি বুধিয়কভাৱে তিব্বতক এফালে স্বাধীন দেশ হিচাপে মর্যাদা দিবৰ কাৰণে আলোচনা চলাই গৈছিল, আনহাতে চীন দেশৰ তিব্বতৰ ওপৰত থকা অভিভাৱকত্বও মানি লোৱা যেন দেখুৱাই গৈছিল। এক প্রকাৰৰ 'ডাবল ক্রছ গেম', যিয়ে পৰৱৰ্তী পর্যায়ত ভাৰতৰ কাৰণে সর্বনাশ মাতি আনিছিল।

চিমলাত অঁকা মেপেৰেই টাৱাঙক ব্রিটিছ ভাৰতৰ অধীন কৰি লৈছিল যদিও সঁচা অর্থত সেয়া সম্ভৱ হোৱা নাছিল। উল্লেখযোগ্য যে যদিও টাৱাং বৌদ্ধ বিহাৰৰ মুৰব্বীজনক তিব্বতীয় প্রশাসনে লাছাৰ পৰা অভিষেক কৰিছিল, কিন্তু স্থানীয় মনপা লোকসকলে নিজকে তিব্বতীয় বুলি নাভাবিছিল। সেয়াই আছিল ভাৰতৰ একমাত্র সুবিধা।

ঠিক একে সময়তে মূল চীনত মাও ছে টুঙৰ নেতৃত্বত কমিউনিষ্ট সেনাবাহিনীয়ে চিয়াংকাই ছেকৰ কুওমিণ্টাং চৰকাৰক পৰাভূত কৰি চীনৰ শাসনৰ বাঘজৰী নিজৰ হাতলৈ আনিছিল। এফালে কমিউনিষ্ট চীন আৰু আনফালে সদ্যস্বাধীনতাপ্রাপ্ত ভাৰত; মাজত ধর্মীয় ৰীতি-নীতিৰ মাজতেই আবদ্ধ শান্তিপ্রিয় তিব্বত।

দেশ স্বাধীন হোৱাৰে পৰা মৃত্যুপর্যন্ত প্রধানমন্ত্রী জৱাহৰলাল

চৌধুৰী।

১৬ আগষ্ট ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে বিশ্ববিদ্যালয়ৰ চাৰিজন শীৰ্ষস্থানীয় বিষয়াক পদত্যাগ কৰিবলৈ বাধ্য কৰায়। পদত্যাগ কৰা বিষয়াকেইজন হ'ল— ৰেজিষ্ট্ৰাৰ ফণী দত্ত, ডেপুটী ৰেজিষ্ট্ৰাৰ চিদানন্দ দাস, কলাগুৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ট্ৰেজাৰাৰ কৈলাসচন্দ্ৰ ভট্টাচাৰ্য।

২৬ আগষ্ট ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদত্যাগকাৰী বিষয়া চাৰিজনৰ পুনৰ কামত যোগদান।

৮ ছেপ্টেম্বৰ ঃ কাছাৰত প্ৰশাসনীয় ভাষা বঙলা হ'ব, সেই জিলাত আন কোনো ভাষা ব্যৱহাৰ নহয় বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ লোকসভাত ঘোষণা।

● ৰাজ্যৰ কৃষি আৰু সমবায় মন্ত্ৰীক সভাপতি আৰু সমবায় উপ-মন্ত্ৰীক উপ-সভাপতি হিচাপে লৈ মুঠ ২১জন সদস্যৰে অসম সমবায় কৃষি ব'ৰ্ড গঠন।

২৭ ছেপ্টেম্বৰ ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ দ্বাৰা শ্বিলঙত অসমৰ প্ৰথম বিদ্যুৎ মিটাৰ কাৰখানাৰ আধাৰশিলা স্থাপন।

১৭ নৱেম্বৰ ঃ শ্বিলঙত ভূতত্ত্ব জৰীপ কেন্দ্ৰৰ দুৱাৰ মুকলি কৰে অসমৰ জনজাতীয় আৰু পৰিবহণ বিভাগৰ মন্ত্ৰী মাহাম সিঙে।

১৮ ডিচেম্বৰ ঃ চৰকাৰী খণ্ডত জাগীৰোডত প্ৰতিষ্ঠিত সৰ্বপ্ৰথম ৰেচম সূতা কল মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ দ্বাৰা উদ্বোধন।

নেহৰুৰ লগতে আছিল বৈদেশিক মন্ত্ৰীৰ দপ্তৰ। বেছিভাগ ক্ষেত্ৰতে নেহৰুৰ নিজস্ব চিন্তাই হৈ পৰিছিল দেশখনৰ বৈদেশিক নীতি। বৈদেশিক মন্ত্ৰণালয়ৰ বিষয়াসকলতো বাদেই কেবিনেটক বাৰে বাৰে গুৰুত্বহীন কৰি দিছিল নেহৰুৱে। গতিকে নেহৰুৱে যি ভাবে সেয়াই হয়গৈ দেশৰ বৈদেশিক নীতি।

সেই কাৰণেই কৰি গৈছিল চীন-ভাৰতৰ সীমা বিবাদত এটাৰ পিচত এটা ভুল। সীমা বিবাদক প্ৰথমতে আওকাণ কৰা আৰু তাৰ পিচতেই আলোচনা কৰিবলৈ চেষ্টা কৰা আৰু তাৰ কিছু সময়ৰ পিচত আকৌ আঁকোৰগোঁজ স্বভাৱেৰে নেহৰুৱে সীমা বিবাদক কৰি তুলিছিল জটিলৰ পৰা অধিক জটিল।

মাথোঁ লগত আছিল প্ৰতিৰক্ষা মন্ত্ৰী কৃষ্ণ মেনন। অত্যন্ত চোকা আৰু পণ্ডিত প্ৰকৃতিৰ মেনন আছিল এজন বদমেজাজী আৰু কাজিয়াখোৰ মন্ত্ৰী। নিৰপেক্ষভাৱে বুৰঞ্জীৰ পাতলৈ যদি ঘূৰি চোৱা যায় তেতিয়া হ'লে বাৰে বাৰে দেখা যায় যে চৌ এন লায়ে ১৯৪৯ চনৰ পৰা ১৯৫০ চনলৈকে ভাৰতৰ লগত সীমা সম্পৰ্কীয় বিবাদ সমাধান কৰি এক সিদ্ধান্তলৈ আহিব বিচাৰিছিল। এই সত্যক কোনোপধ্যে নুই কৰিব নোৱাৰি।

আনহাতে নেহৰুৱে ব্ৰিটিছ সাম্ৰাজ্যবাদী নীতিকে অনুসৰণ কৰি চীনৰ লগত সীমা বিবাদৰ পূৰ্ণ সমাধান নকৰি সীমাবোৰ ভিতৰি ভিতৰি ঠেলি আগুৱাই লৈ যাব বিচাৰিছিল। শুনিবলৈ আজি আচহুৱা যেন লাগিলেও সেয়া আছিল সত্য।

নেহৰুৰ প্ৰথম সিদ্ধান্ত আছিল সীমা যেনেকৈ আছে তেনেকৈয়ে থাকক। মেক্‌মোহন লাইনেই হ'ব ভাৰতৰ চীনৰ লগত সীমা। ভাৰতৰ কৌশল আছিল যে মেক্‌মোহন লাইনক সীমা বুলি দেশখন আঁকোৰগোঁজ হৈ থাকিব আৰু কালক্ৰমত চীনে আলোচনাৰ টেবুলত সেয়া মানি ল'বলৈ বাধ্য হ'ব। সেয়াই আছিল নেহৰুৰ মনৰ ভাব আৰু সেয়াই ভাৰতৰ

১৯৬২

১ জানুৱাৰী ঃ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে গুৱাহাটী নুনমাটি শোধনাগাৰ উদ্বোধন কৰে। লগে লগে দুবছৰীয়া শোধনাগাৰ আন্দোলনৰ সফল সমাপ্তি ঘটে।

১০ ফেব্ৰুৱাৰী ঃ অসম চৰকাৰে আনুষ্ঠানিকভাৱে দীঘলীপুখুৰীৰ দক্ষিণপাৰত অৱস্থিত এবিঘা একঠা মাটি অসম সাহিত্য সভাক আবণ্টন দিয়ে। অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক মহেশ্বৰ নেওগে আবণ্টিত মাটিৰ দখলীস্বত্ব চমজি লয়।

১ মাৰ্চ ঃ অসম বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ দলে ৭৯খন আসন লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰে। ১০৫খন আসনৰ ভিতৰত এ পি এইচ এল চি দলে ১১খন, পি এছ পিয়ে ৬খন, আৰ চি পি আয়ে এখন আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে ৮খন আসন লাভ কৰে। জনসংঘ, কমিউনিষ্ট আৰু ছচিয়েলিষ্ট দলে এখনো আসন লাভ কৰিব নোৱাৰিলে।

২ মাৰ্চ ঃ লোকসভা নিৰ্বাচনত অসমৰ ১২খন আসনৰ ভিতৰত কংগ্ৰেছ দলে ৯খন, প্ৰজা ছচিয়েলিষ্ট পাৰ্টীয়ে দুখন আৰু হিল লীডাৰ্ছ কনফাৰেন্সে এখন আসন লাভ কৰে।

৭ মাৰ্চ ঃ গুৱাহাটীৰ কংগ্ৰেছ ভৱনত অনুষ্ঠিত কংগ্ৰেছ সংসদীয় দলৰ এখন মিটিঙত বিমলা প্ৰসাদ চলিহা সৰ্বসন্মতিক্ৰমে সভাপতি নিৰ্বাচিত হয়।

১৫ মাৰ্চ ঃ নগা বিদ্ৰোহীয়ে কাছাৰ জিলাৰ ছখন গাঁৱত লুণ্ঠন চলায়। বিদ্ৰোহীয়ে গাঁওকেইখনৰ ১৯১টা ঘৰ জ্বলাই দিয়ে আৰু বিদ্ৰোহীৰ গুলীত এজন লোক নিহত তথা কেইবাজনো আহত হয়।

২৩ মাৰ্চ ঃ মহেন্দ্ৰ মোহন চৌধুৰী অসম বিধানসভাৰ অধ্যক্ষ হিচাপে পুনৰবাৰৰ বাবে নিৰ্বাচিত হয়।

৪ মে' ঃ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে আজি লোকসভাত ঘোষণা কৰে যে ভাৰত চৰকাৰে অসমত এখন সুকীয়া পাৰ্বত্য ৰাজ্য স্থাপনত কেতিয়াও অনুমোদন নজনায়। তেওঁ অৱশ্যে অসমৰ অন্তৰ্গত পাহাৰীয়া অঞ্চলবোৰক সম্পূৰ্ণ স্বায়ত্ত শাসন দিয়াৰ ক্ষেত্ৰত ভাৰত চৰকাৰে

অঘোষিত বৈদেশিক নীতি।

চীনে লগে লগেই আপত্তি কৰিছিল। কাৰণ চীনৰ নিজৰ মেপৰ মতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰফালে পাহাৰৰ নামনিলৈকে দেশখনৰ সীমাৰেখা বিস্তৃত আছিল বুলি তেওঁলোকে দাবী কৰিছিল। অৰ্থাৎ ভালুকপুঙৰ পৰা গহপুৰৰ উত্তৰে হৈ পাছিঘাটলৈকে।

কিন্তু বিবাদ তাতেই ক্ষান্ত নাথাকিল। ছাৰ্ভে অব ইণ্ডিয়াৰ কৰ্মচাৰীসকল যেতিয়া স্বাধীনতাৰ পিচত মেক্‌মোহন লাইন পাইছিলগৈ তেতিয়া তেওঁলোকে মেক্‌মোহন লাইনৰ বিবদমান আঁচডালৰো কেইবাকিলোমিটাৰ উত্তৰে বহুবাৰ খুঁটা পুতিছিল।

তেওঁলোকৰ যুক্তি হ'ল যে মেক্‌মোহনৰ আনুমানিক আঁচডাল দৰাচলতে যদি সীমালৈ আহি অঁকা হ'লহেঁতেন তেন্তে গিৰিখাত বা নদী বা জানৰ আলমত বহু ঠাইত মেক্‌মোহন লাইনডাল স্থায়ী লাইন হিচাপে উত্তৰে মাৰিলে হয়।

এই যুক্তিৰেই সেই জনশূন্য সীমাবোৰত য'তেই সুবিধা পালে সেইফালেই উত্তৰলৈ ঠেলি দিলে আচল মেক্‌মোহন লাইনডাল। সেয়াই আছিল ভাৰতৰ মতে 'শুদ্ধ মেক্‌মোহন লাইন'। নেহৰু, কৃষ্ণ মেনন আৰু ইণ্টেলিজেঞ্চ ব্যুৰ'ৰ চীফ বি এন মল্লিক— সঁচা অৰ্থত দেশ এই তিনিজনেই চলাইছিল।

মল্লিকৰ মূৰত তেতিয়া শক্তিশালী ভাৰতৰ সপোন। তেওঁৰেই মূল ধ্যান-ধাৰণা যে ব্ৰিটিছে এৰি থৈ যোৱা বিবদমান মেক্‌মোহন লাইনেই ভাৰতৰ উত্তৰ সীমা হওক আৰু সেয়া আলোচনাৰ কাৰণে মুকলি কৰা নহওক। লগতে ইয়াকো ঠিক কৰা হ'ল যে সমগ্ৰ মেক্‌মোহন লাইনত নিৰ্দিষ্ট দূৰত্বত একো একোটা সীমাৰ চকী স্থাপন কৰা হওক।

চীনৰ গৃহযুদ্ধৰ সুযোগ লৈ ভাৰতে মেক্‌মোহন লাইনৰ সুৰতেই আকছাই চীনতো একে ধৰণৰ নীতি প্ৰয়োগ কৰি পেলালে।

বিবেচনা কৰি আছে বুলি জনায়।

২৯ মে' ঃ নেফাৰ বিদ্যালয়ত অসমীয়াক ঐচ্ছিক বিষয় কৰাৰ সিদ্ধান্ত। নেফাৰ শিক্ষা উপ-সমিতিৰ বিষয়ববীয়াসকলৰ সন্মিলনত অসমীয়াক এক ঐচ্ছিক বিষয় হিচাপে গঢ়ি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। নেফাৰ বিদ্যালয়বোৰত ইমানদিনে তৃতীয় শ্ৰেণীপৰ্যন্ত মাতৃভাষাক শিক্ষাৰ মাধ্যম হিচাপে আৰু তৃতীয়ৰ পৰা সপ্তম শ্ৰেণীলৈ অসমীয়াক বাধ্যতামূলক বিষয় হিচাপে গ্ৰহণ কৰা হৈছিল। নেফাক অসমৰ ভৌগোলিক সীমাৰ এক অংশ হিচাপে বিবেচনা কৰি তথা অসমৰ সৈতে সমন্বয় সাধন কৰাৰ প্ৰচেষ্টাক আগুৱাই নিবলৈ অসমীয়া ভাষাৰ ক্ষেত্ৰত এই ব্যৱস্থা লৈ অহা হৈছিল। সম্প্ৰতি লোৱা সিদ্ধান্তই পূৰ্বৰ সমগ্ৰ প্ৰচেষ্টাৰ বিপৰীতে যোৱাৰ সম্ভাৱনা প্ৰকট কৰিব বুলি এচামে অনুভৱ কৰিছে। অসমৰ পাহাৰীয়া জিলাবোৰে অসমীয়া ভাষাৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাক অনুসৰণ কৰিয়েই নেফাৰ বিষববীয়াসকলে বৰ্তমানৰ সিদ্ধান্তটো লৈছে বুলি অনুমান কৰা হৈছে।

৩ জুন ঃ গুৱাহাটীৰ নবীন বৰদলৈ হলত অনুষ্ঠিত এখন ৰাজহুৱা সভাত নেফাৰ প্ৰশাসনিক বিষয়াসকলে অসমীয়াক ঐচ্ছিক বিষয় হিচাপে গঢ়ি তোলা সিদ্ধান্তৰ প্ৰবল প্ৰতিবাদ কৰে আৰু এচাম হিন্দীভাষী লোকে পৰিকল্পিতভাৱে অসমীয়াক ৰাজ্যখনৰ পৰা আঁতৰ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলি মত প্ৰকাশ কৰে। সভাখনৰ সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সম্পাদক মহেশ্বৰ নেওগে। সভাই নেফাৰ সকলো বিদ্যালয়ত শিক্ষাৰ মাধ্যম অসমীয়া কৰাৰ দাবী তোলে।

২৫ জুন ঃ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী মোৰাৰজী দেশায়ে অসমত চাহ নিলাম কেন্দ্ৰ এটা স্থাপন কৰা প্ৰস্তাৱ অগ্ৰাহ্য কৰি কয় যে গুৱাহাটীত চাহ নিলাম কেন্দ্ৰ স্থাপন হ'লে কলিকতাৰ পুৰণি নিলাম কেন্দ্ৰটোৰ ব্যৱসায়ত প্ৰভাৱ পৰিব আৰু ফলত অসমৰ পৰা চাহ ৰপ্তানি ক্ষতিগ্ৰস্ত হ'ব। যোৰহাটত অনুষ্ঠিত এখন সংবাদমেলত দেশায়ে এই কথা সদৰী কৰে।

১৩ জুলাই ঃ ভাৰতৰ ভূ-খণ্ডৰ ভিতৰ ভাগত চীনাসকলে ৯টা নতুন চকী

তাতেই ক্ষান্ত নাথকিল মল্লিক। ইণ্টেলিজেন্স ব্যুৰ'ৰ অধীনত এক অৰ্ধসামৰিক বাহিনী জন্ম দিয়া হ'ল আৰু মেক্‌মোহন লাইনৰ উত্তৰলৈ সীমাৰ চকীবোৰ পাতি তাক ৰক্ষা কৰিবলৈ নিৰ্দেশ দিয়া হ'ল।

১৯৫০ৰ দশকত সেই সীমাৰ চকী বহুওৱাৰ কাম একপ্ৰকাৰ দুঃসাধ্য বুলি ক'লেও ভুল নহ'ব। প্ৰায় ৫ বছৰ লাগিছিল মল্লিকক সেই কাম শেষ কৰিবৰ কাৰণে। সেয়াই ভাৰতৰ বিখ্যাত ফ'ৰৱাৰ্ড পলিচী, যিয়ে পৰৱৰ্তী পৰ্যায়ত ভাৰতলৈ নমাই আনিছিল পৰাজয়ৰ গ্লানি।

মল্লিকৰ যুক্তি আছিল এয়ে যে পাণ্ডৱবৰ্জিত সেই সীমাবোৰত এবাৰ ভাৰতীয় পতাকা তোলাৰ পিচত অৰ্ধসামৰিক বাহিনীয়ে য'তে বিচাৰে তাতেই সীমাৰ চকী পাতিব পাৰে। এই অদ্ভুত যুক্তিৰে য'তেই সুবিধা পালে মেক্‌মোহন লাইনৰ উত্তৰে পাতি গ'ল সীমাৰ চকী।

সেয়াই ফ'ৰৱাৰ্ড পলিচী, যাক নেহৰুৱে বুজাই দিছিল যে দিল্লীত সকলোৱে মানি ল'ব লাগিব। কিন্তু সৈন্যবাহিনীৰ বিষয়াসকল একমত হোৱা নাছিল।

সঠিকভাৱেই তেওঁলোকে সকীয়াই দিছিল যে যেতিয়াই চীনে এইধৰণৰ Sentry Postবোৰ আৱিষ্কাৰ কৰিব, তেতিয়াই সংঘৰ্ষ হ'ব আৰু সেই সংঘৰ্ষত সৈন্যবাহিনী জড়িত হৈ পৰিব লাগিব আৰু সেই সংঘৰ্ষত ভাৰতীয় সৈন্য কেতিয়াও জয়ী হ'ব নোৱাৰিব।

মল্লিকৰ ফ'ৰৱাৰ্ড পলিচীয়ে প্ৰথমটো সংঘৰ্ষ মাতি আনিছিল কংকা পাছত আৰু তাৰ আগতে লংজুত। সেয়া ১৯৫৯ চনৰ নৱেম্বৰ মাহ। প্ৰায় ৯জন ভাৰতীয় সৈন্যৰ মৃত্যু হৈছিল সেই সংঘৰ্ষত।

সেয়াই আৰম্ভণি। দিল্লী আৰু পিকিঙৰ (এতিয়াৰ বেইজিঙৰ) মাজত গৰম গৰম চিঠিৰ আদান-প্ৰদান হৈ গৈছিল আৰু ভাৰতৰ সাধাৰণ ৰাইজৰ কাৰণে চীন হৈ পৰিছিল এক নম্বৰ শত্ৰু।

সংসদতো তোলপাৰ লাগিছিল। ১৯৫৯ৰ প্ৰথমটো সংঘৰ্ষৰ পৰা

স্থাপন কৰা বুলি ভাৰত চৰকাৰে চীনা দূতাবাসক প্ৰদান কৰা প্ৰতিবাদ টোকাত এই কথা প্ৰকাশ কৰে।

৪ আগষ্ট ঃ অসমত প্ৰায় ৩ লাখ পাকিস্তানী লোক আছে বুলি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই অসম বিধানসভাত প্ৰকাশ কৰে।

৬ আগষ্ট ঃ এখন পৃথক নাগালেণ্ড ৰাজ্য গঠনক লৈ বিধানসভাৰ দুয়োপক্ষৰ মাজত আজি অসন্তুষ্টি প্ৰকাশ পায়। অসম বিধানসভাৰ পৰা ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা নাগালেণ্ড বিল, ১৯৬২ক লৈ আলোচনা চলা কালত সদস্যসকলে অসমৰ পৰা পৃথক কৰি এখন সুকীয়া নাগালেণ্ড ৰাজ্য গঠনে সংহতি আৰু ভৌগোলিক অখণ্ডতাত বিৰূপ প্ৰভাৱ পেলাব বুলি মত প্ৰকাশ কৰে।

৭ আগষ্ট ঃ বিধানসভাত নাগালেণ্ড বিল সম্পৰ্কত উত্থাপিত সিদ্ধান্তটো আজি গৃহীত হয়। এখন সুকীয়া নগা ৰাজ্য গঠনে পূব ভাৰতৰ ৰাজনৈতিক স্থিৰতা আৰু একতাত বিৰূপ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা ব্যক্ত কৰি সিদ্ধান্তত কোৱা হয় যে ভাৰত চৰকাৰে তৎসত্বেও এখন সুকীয়া ৰাজ্য গঠনৰ পিনে আগবাঢ়িছে।

১০ আগষ্ট ঃ অসম বিধানসভাত আজি অসম পঞ্চায়ত (সংশোধন) বিধেয়ক, ১৯৬২ গৃহীত হয়।

২৮ আগষ্ট ঃ সংসদত নাগালেণ্ড বিধেয়ক গৃহীত ঃ সংসদত আজি তুমুল হৰ্ষধ্বনিৰ মাজেৰে সংবিধানৰ ১৩তম সংশোধনী বিল গৃহীত হয়। এই বিলৰ জৰিয়তে ভাৰতবৰ্ষৰ ১৬নং ৰাজ্য নাগালেণ্ডৰ গঠন নিশ্চিত হৈ পৰিল। এই বিলখন গ্ৰহণৰ পিছত প্ৰধানমন্ত্ৰী নেহৰুৱে কয় যে নাগালেণ্ডৰ ঐতিহাসিক প্ৰেক্ষাপটলৈ লক্ষ্য ৰাখি সমস্যাটো সামৰিক উপায়েৰে সমাধান নকৰি ৰাজনৈতিকভাৱে কৰাৰ ফলত ভাৰতৰ ভিতৰতে নগাসকলক সমমৰ্যাদা প্ৰদান কৰিব পৰা গ'ল। সংবিধান সংশোধনী বিধেয়কৰ লগতে সদনে নাগালেণ্ড বিধেয়কখনৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰে।

১৩ ছেপ্টেম্বৰ ঃ টাৱাং অঞ্চলৰ মেকমোহন লাইন অতিক্ৰম কৰি চীনা সৈন্যই ভাৰতবৰ্ষৰ ভূখণ্ডত প্ৰৱেশ কৰে। ১৩ ছেপ্টেম্বৰত ভাৰতৰ

১৯৬২ৰ মূল যুদ্ধলৈ অসংখ্যবাৰ লোকসভা আৰু ৰাজ্যসভাই ইয়াক লৈ আলোচনা কৰিছিল। প্ৰায় সকলো সময়তে দোষাৰোপ কৰা হৈছিল চীনক। কোনেও কিন্তু ফ'ৰৱাৰ্ড পলিচীক সমালোচনা নকৰিলে।

বাদ-বিবাদ চলিছিল ঠিকেই, কিন্তু ১৯৫৯ চনলৈকে সংসদে জনা নাছিল ভাৰত-চীন সীমা বিবাদৰ গভীৰতা কিমান! অৱশ্যে বাতৰিকাকতৰ খবৰৰ ভিত্তিত চীন হৈ পৰিছিল ভাৰতৰ মূল শত্ৰু।

লংজুৰ ঘটনা কিন্তু ঢাকিব পৰা নগ'ল। ভাৰতে লাহে লাহে গম পালে যে ভাৰতৰ বুলি দাবী কৰা আকছাই চীনত ইতিমধ্যে চীনে নিজৰ সামৰিক বাহিনীৰ কাৰণে ৰাস্তা সাজি পেলাইছে।

নেহৰুৱে তেতিয়াহে সংসদত জনালে যে চীনৰ লগত সীমা বিবাদ হৈছে। তেওঁ জনালে যে সৰু-সুৰা সীমাৰ শুধৰণি হ'ব পাৰে, কিন্তু মেক্‌মোহন লাইনৰ বিষয়ে চীনৰ সৈতে একেবাৰে আলোচনা নহ'ব। নেহৰুৱে চীনে অসম, ভূটান আৰু নেফাৰ কিছু অঞ্চল সামৰি তৈয়াৰ কৰা কিছুমান মেপকো সমালোচনা কৰিছিল।

মুঠতে ১৯৫৯ চনলৈকে ভাৰতৰ সকলোৱে গম পাইছিল যে ভাৰত আৰু চীনৰ বিবাদ গুৰুতৰ হৈ গৈ আছে।

চীনে ভালুকপুঙৰ পৰা গহপুৰৰ উত্তৰে একেবাৰে লালুক হৈ পাছিঘাট-তেজুপৰ্যন্ত নিজৰ সীমাৰ সম্প্ৰসাৰণ বিচাৰিছিল। চীনৰ হিচাপ মতে প্ৰায় ৫৬,০০০ বৰ্গ কিলোমিটাৰ ভাৰতে দখল কৰিছে।

চীনৰ এই দাবী কোনো ভাৰতীয়ই যিয়েই নহওক কিয় কোনোদিনে মানি ল'ব নোৱাৰিব। সেই কাৰণে বৈদেশিক মন্ত্ৰণালয়ে ধৰিব নোৱাৰিলে যে সেয়া চীনৰ চিঠিৰ ফটকা নে সঁচা দাবী।

ভাৰতে চৌ এন লাইৰ সাহস দেখি স্তম্ভিত হৈছিল। নেহৰুৰ কাৰণে সেয়া আছিল এক ব্যক্তিগত পৰাজয়। তেওঁ ভাবি লৈছিল যে চীনে তেওঁৰ ফ'ৰৱাৰ্ড পলিচীক সমীহ কৰি মেক্‌মোহন লাইন মানি ল'ব।

বৈদেশিক মন্ত্রণালয়ে এই কথা স্বীকাৰ কৰি প্ৰকাশ কৰে যে চীনা সৈন্যই ভূটান-নেফা আৰু তিব্বত ত্ৰি-ভূখণ্ডৰ মিলনস্থলত কেইবাশ গজ পৰ্যন্ত আগুৱাই আহিছে।

১৪ ছেপ্টেম্বৰ ঃ চীনা সৈন্যৰ নেফা অঞ্চলত প্ৰৱেশ কৰাৰ বাবে প্ৰজা ছচিয়েলিষ্ট দলৰ সাংসদ হেম বৰুৱাই প্ৰধানমন্ত্ৰী নেহৰুক শীঘ্ৰে দেশলৈ উভতি অহাৰ আহ্বান জনায়। কমনৱেল্থ দেশসমূহৰ প্ৰধানমন্ত্ৰীসকলৰ সন্মিলনৰ পিচত নেহৰুৱে তেনে কিছু দেশ ভ্ৰমণ কৰাৰ কথা আছিল।

১৫ ছেপ্টেম্বৰ ঃ অসমৰ লোক পিয়ল প্ৰকাশ। এটা দশকৰ ভিতৰত সৰ্বাধিক সংখ্যক বৃদ্ধিৰে অসমৰ জনসংখ্যা ১,১৮,৭২,৭৭২ হয়। ১৯৬১ চনৰ লোকপিয়ল অনুসৰি বিগত দশকত সমগ্ৰ দেশতে ২১.৫০ শতাংশ জনসংখ্যা বৃদ্ধিৰ বিপৰীতে অসমৰ জনসংখ্যা বৃদ্ধিৰ শতকৰা হাৰ হৈছে ৩৪.৪৫ শতাংশ। বৃহৎ পৰিমাণৰ প্ৰব্ৰজনৰ বাবেই এনে অস্বাভাৱিক বৃদ্ধি হোৱা বুলি ঠাৱৰ কৰা হৈছে।

২০ ছেপ্টেম্বৰ ঃ নেফাত অৱস্থিত ভাৰতীয় সেনাৰ চকীৰ পৰা চীনা সৈন্যই ভাৰতীয় সীমান্তৰ ওৰাং লা পাছলৈ পশ্চাদগমন কৰা বুলি ভাৰতৰ বৈদেশিক মন্ত্ৰণালয়ৰ এজন বিষয়াই আজি প্ৰকাশ কৰে। অৱশ্যে চীনাসকলে মেকমোহন লাইনৰ উত্তৰ পাৰে অৱস্থিত নিজৰ শিবিৰলৈ নোযোৱা বুলি বিষয়াজনে দোহাৰে।

২৬ ছেপ্টেম্বৰ ঃ নেফাৰ লংজু এলেকাত উত্তেজনা অব্যাহত। ঢলা অঞ্চলৰ মেকমোহন লাইন বুজোৱা টীলা চূড়াৰ পৰা চীনাসকলে মাত্ৰ ৪০০ গজ নিলগত অৱস্থান কৰা বুলি বাতৰি প্ৰকাশ।

২৮ ছেপ্টেম্বৰ ঃ নেফাৰ ঢলা এলেকাৰ মূল চকীৰ পৰা এমাইল আঁতৰত ভাৰতীয় সেনাবাহিনীৰ এক ভ্ৰমণৰত বাহিনীৰ সৈতে চীনা সৈন্যৰে হোৱা গুলীয়াগুলিৰ ঘটনাত তিনিজন লোক আহত হয়। নিউ চীনা এজেঞ্চীৰ সূত্ৰ অনুসৰি চাৰিজন চীনা সৈন্য এই গুলীয়াগুলিৰ ঘটনাত আহত হয়।

১ অক্টোবৰ ঃ নেফাৰ ঢলাৰ ভাৰতীয় পেট্ৰ'ল চকীত আক্ৰমণ চলাই চীনাসকলে তিনিজন ভাৰতীয় সেনাক

কিন্তু চৌ এন লাইৰ পত্ৰই থানবান কৰি দিছিল দিল্লীৰ বৈদেশিক নীতি। দিল্লীৰ সাম্ৰাজ্যবাদী 'ফ'ৰৱাৰ্ড পলিচী'ৰ যে এনে উত্তৰ চীনৰ পৰা আহিব, সেয়া কোনেও আশা কৰা নাছিল।

কিন্তু পিকিঙৰ দৃষ্টিভংগী আছিল বেলেগ। চীনে ধৰি লৈছিল যে ভাৰতে গোপনে তিব্বতৰ বিদ্ৰোহক সহায় কৰি আছে আৰু সমগ্ৰ তিব্বতৰ বিদ্ৰোহ কালিমপঙৰ পৰাই নিয়ন্ত্ৰণ কৰা হৈছে। কিছু পৰিমাণে সেয়া আছিল সত্য।

দালাই লামাৰ ভাৰতত আশ্ৰয় গ্ৰহণ আৰু কুওমিণ্টাং চৰকাৰৰ কালিমপঙৰ পৰা চলোৱা চীনৰ ভিতৰৰ গেৰিলা আক্ৰমণবোৰে পিকিঙক ভাৰতৰ বিৰুদ্ধে এক কঠোৰ স্থিতি ল'বলৈ বাধ্য কৰাইছিল।

নেহৰুৱে চৌ এন লাইলৈ উত্তৰ লিখিছিল। বুজাইছিল যে বুৰঞ্জীৰ ফালৰ পৰাও চীনৰ দাবী অশুদ্ধ। নেহৰুৱে মানি লৈছিল যে ভাৰত-চীন সীমান্ত যৌথভাৱে চিনাক্তকৰণ হোৱা নাই। কিন্তু ভাৰতে মেক্‌মোহন লাইনকে সীমা বুলি মানি থাকিল।

এই কূটনৈতিক বাদ-বিবাদ চলি থাকোঁতে কিন্তু ভাৰতৰ ফ'ৰৱাৰ্ড পলিচী ভিতৰে ভিতৰে চলি থাকিল। মাথোঁ সত্য এয়ে যে বি এন মল্লিকৰ অৰ্ধসামৰিক বাহিনীৰ ঠাইত সামৰিক বাহিনীয়ে নিবিচৰাকৈ সেই চকীবোৰ পহৰা দিবলৈ বাধ্য হোৱাই নহয় বৰঞ্চ একাধিকবাৰ চীনৰ সৈন্যবাহিনীৰ লগত সংঘৰ্যত লিপ্ত হ'ব লগাত পৰিছিল।

চীনে সন্দেহ কৰিছিল যে ভাৰতে অহিংসাৰ মুখা পিন্ধি দৰাচলতে ব্ৰিটিছৰ সাম্ৰাজ্যবাদী নীতিকে অনুসৰণ কৰিছে।

ভাৰত কিন্তু আলোচনাৰ ক্ষেত্ৰত অটল হৈ থাকিল। চীনক কোৱা হ'ল যে ভাৰতে য'তেই সীমা ঠিক কৰিছে, তাতেই সীমা হ'ব লাগিব আৰু চীনে তাৎক্ষণিকভাৱে ভাৰতে ঠিক কৰা সীমাৰ পৰা ওলাই আহিব লাগিব।

আঘাত কৰা ঘটনাক ভাৰত চৰকাৰে আজি তীব্ৰ ভাষাৰে গৰিহণা দিয়ে আৰু শীঘ্ৰে চীনৰ ভূ-খণ্ডলৈ উভতি যাবলৈ দাবী জনায়।

৭ অক্টোবৰ ঃ চীনা চৰকাৰৰ দ্বাৰা প্ৰকাশিত এক টোকাত চীনৰ সীমান্তৱৰ্তী নিৰাপত্তাৰক্ষীসকলৰ ওপৰত ভাৰতীয় সেনাসকলে চলাই অহা আক্ৰমণ বন্ধ কৰিবলৈ অহা চীন আৰু তিব্বতৰ মাজত অৱস্থিত সীমান্তৱৰ্তী চেংডং এলেকাৰ পৰা ভাৰতীয় সেনাক অপসাৰণ কৰাৰ আহ্বান জনোৱা হয়।

১২ অক্টোবৰ ঃ চীনা নিউজ এজেঞ্চীৰ দ্বাৰা প্ৰকাশিত এটা টোকাত চীনৰ বৈদেশিক মন্ত্ৰণালয়ে ভাৰতৰ দ্বাৰা হোৱা আক্ৰমণত ২২জন চীনা সৈনিক নিহত তথা আহত হোৱাৰ নৈতিক দায়িত্ব ভাৰত চৰকাৰে ল'ব লাগিব বুলি দাবী জনোৱা হয়। টোকাটোত কোৱা হয় যে চেংডং এলেকাত প্ৰৱেশ কৰা তথা ছিটুং দখল কৰি ভাৰতীয় সৈনিকে এখন সমৰসজ্জাৰ পৰিৱেশ ৰচনা কৰিছে আৰু ভৱিষ্যতলৈ দুয়োপক্ষৰ হ'ব লগা ক্ষয়-ক্ষতিৰ বাবে ভাৰতেই জগৰীয়া হ'ব।

১৪ অক্টোবৰ ঃ চীনা কমিউনিষ্ট দলৰ মুখপত্ৰ 'দ্য পিকিং পিপল্‌ছ ডেইলী'ত আজি ঘোষণা আগবঢ়োৱা হয় যে বিদেশী আগ্ৰাসনক বাধা দিয়াৰ গৌৰৱময় পৰম্পৰা থকা চীনা সৈন্যক কোনেও কাহানিও তেওঁলোকৰ নিজ ভূ-খণ্ডৰ পৰা আঁতৰাই পঠাব নোৱাৰিব। ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নেহৰুৱে ভাৰতীয় সৈন্যক উত্তৰ-পূব ভাৰত আৰু চীন অধিকৃত তিব্বতৰ সীমান্তৱৰ্তী ভাৰতীয় ভূ-খণ্ডৰ পৰা চীনা সৈন্যক খেদি দিয়াৰ মন্ত্ৰণা দিয়াৰ পৰিপ্ৰেক্ষিতত কাকতখনৰ সম্পাদকীয়ত এই ঘোষণা আগবঢ়োৱা হয়।

১৫ অক্টোবৰ ঃ প্ৰধানমন্ত্ৰী নেহৰুৱে আজি কলম্বোত কয় যে ভাৰতবৰ্ষই কেতিয়াও চীন তথা এই দেশৰ জনগণৰ ক্ষতিসাধন কৰাত ইচ্ছুক নহয়। তদুপৰি দেশখনে চীনৰ এক ইঞ্চিও মাটি দখল কৰাৰ অভিপ্ৰায় নাৰাখে বুলি প্ৰধানমন্ত্ৰীয়ে দোহাৰে। ভাৰতবৰ্ষই এক শান্তিপূৰ্ণ কাৰ্যপ্ৰক্ৰিয়াত বিশ্বাস ৰাখে যদিও সম্প্ৰতি দেশখনক সম্পূৰ্ণ এক বিপৰীত নীতি গ্ৰহণ

চীন-ভাৰতৰ যুদ্ধ

চীনৰ ক'বলগীয়াখিনি আছিল এয়ে যে যিহেতু সীমা সমস্যা বুৰঞ্জীয়ে এৰি থৈ গৈছে সেয়েহে দুয়োখন দেশেই ইয়াৰ কাৰণে দায়ী নহয়; তেনেস্থলত এৰা-ধৰাৰ মাজেৰে সীমা সমস্যা সমাধান কৰিব লাগিব।

চীনে পুবত মেক্‌মোহন লাইন মানি ল'বলৈ প্ৰস্তুত আছিল যদিহে উত্তৰ-পশ্চিমত আকছাই চীনৰ পৰা ভাৰত আঁতৰি আহে। যদি ভাৰতে এই কথা নামানে চীনেও মেক্‌মোহন লাইন নামানে। শেষত আলোচনা সফল নহ'ল। ভাৰত আঁকোৰগোঁজ হৈ থাকিল।

চীন-ভাৰতৰ সীমা তেনেকৈয়ে থাকিল। কোনো সদুত্তৰ পোৱা নগ'ল। অথচ নেপাল আৰু বাৰ্মাৰ লগত মেক্‌মোহন লাইনৰ ভিত্তিতেই সীমা নিৰ্ধাৰণ কৰা হৈ গৈছিল।

চৌ এন লাই ঘূৰি যোৱাৰ পিচৰে পৰাই আকৌ আৰম্ভ হৈ গ'ল ভাৰতৰ ফ'ৰৱাৰ্ড পলিচী, যাৰ দ্বাৰা সীমা ঠেলাৰ কাম চলি গ'ল পূৰ্ণোদ্যমে।

চীন-ভাৰতৰ সীমা সমস্যাৰ নিচিনা এক সংবেদনশীল বিষয় হৈ পৰিছিল দেশৰ আভ্যন্তৰীণ ৰাজনীতিৰ মূল কেন্দ্ৰবিন্দু। আৱেগ আৰু অন্ধ দেশপ্ৰেমে ভাৰতক তেতিয়া আকছাই চীন ঘূৰাই পোৱাৰ কাৰণে উত্ৰাৱল কৰি তুলিছিল।

ৰাজনীতি আৰু আৱেগিক দেশপ্ৰেমে এফালে যুদ্ধৰ আখৰা চলাইছে অথচ সৈন্যবাহিনীয়ে সেইখিনি সময়ত নিজৰ শক্তি দৌৰাদৌৰিকৈ বৃদ্ধি কৰিবলৈ গৈ একেখিনি প্ৰশাসকৰ ওচৰত হাবাথুৰি খাইছিল। কি যে এই পৰিহাস!

সৈন্যবাহিনীয়ে হেড কোৱাৰ্টাৰৰ পৰা পোৱা অৰ্ডাৰ মতে ১৯৬১ চনৰ ডিচেম্বৰ মাহৰ শেষৰ ফালে মৰ ঠাণ্ডাকো আওকাণ কৰি সেই ১৪,০০০ ফুট উচ্চতাৰ সীমাত নতুন চকী বহুৱাবলৈ ওলাই গৈছিল। উদ্দেশ্য কাৰাকোৰমৰ পৰা ডেমচোকলৈ যিমান পাৰি পূবলৈ আগুৱাই অহা।

আকাশমাৰ্গেৰে ৰচদ-পাতি যোগান ধৰিব লগা হৈছিল এই

কৰিবলৈ বাধ্য কৰোৱা হৈছে।

১৬ অক্টোবৰ ঃ সম্পূৰ্ণ ছদিনৰ বিৰতিত চীনা সৈন্যই নেফাৰ ঢলা এলেকাত থকা ভাৰতীয় সৈন্যলৈ গুলীবৰ্ষণ কৰে। প্ৰত্যুত্তৰত ভাৰতীয় সেনাই গুলী চলায় আৰু ফলত এজন চীনা সৈনিকৰ মৃত্যু হয়। চীনাসকলে মৃতদেহটো এৰি থৈ যোৱাত ভাৰতীয় সেনাই শৱদেহটোৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে।

● অসমৰ বানপানী নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় জলসিঞ্চন আৰু শক্তি মন্ত্ৰী হাফিজ মহম্মদ ইব্ৰাহিমৰ সৈতে অসমৰ বিত্ত মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদ আৰু উদ্যোগ মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীৰ হোৱা এক আলোচনাত ব্ৰহ্মপুত্ৰ নদী খন্দাৰ প্ৰস্তাৱ দাঙি ধৰা হয়। কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে দাঙি ধৰা এই প্ৰস্তাৱত বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এক আশাব্যঞ্জক ফল দিব পাৰিব বুলি আলোচনা কালত স্বীকাৰ কৰা হয়। এই প্ৰকল্পৰ বাবে প্ৰায় এশ কোটিৰ প্ৰয়োজন হ'ব বুলি অনুমান কৰা হৈছে।

১৭ অক্টোবৰ ঃ চীনা সৈন্যই নেফাৰ ঠাঁলা চুড়াত গ্ৰেনেড নিক্ষেপ কৰে। ইয়াৰ ফলত কোনো ভাৰতীয় সেনা হতাহত নহ'ল।

১৮ অক্টোবৰ ঃ চীনা সৈন্যই ঢলা এলেকাৰ দুঠাইলৈ গুলীবৰ্ষণ কৰে। প্ৰত্যুত্তৰত ভাৰতীয় সৈন্যই গুলী চলায়।

১৯ অক্টোবৰ ঃ চীনৰ আগ্ৰাসন সম্পৰ্কত ভাৰতৰ কমিউনিষ্ট দলে (চি পি আই) আজি স্থিতি ঘোষণা কৰে। নেহৰুৰ বৈদেশিক নীতিক সমৰ্থন জনাই দলৰ সভাপতি এছ এ ডাংগেই কয় যে চীনাসকলে মেকমোহন লাইন অতিক্ৰম কৰি ভাৰতৰ ভূ-খণ্ডত প্ৰৱেশ কৰিছে আৰু এই আগ্ৰাসনে শান্তিপূৰ্ণ পৰিৱেশ বিনষ্ট কৰিছে। চীনা সৈন্যই মেকমোহন লাইনৰ দক্ষিণলৈ বুলি অগ্ৰসৰ হোৱা ভাৰত চৰকাৰৰ প্ৰতিবেদনক দলে সমৰ্থন জনাই ইয়াক সত্য বুলি দোহাৰে।

২০ অক্টোবৰ ঃ ভাৰতৰ বিৰুদ্ধে চীনৰ বৃহৎ আক্ৰমণ ঃ আজি পুৱা চীনৰ সামৰিক বাহিনীয়ে পূৰ্বপৰিকল্পিতভাৱে চীন-ভাৰত সীমান্তৰ কেইবাঠাইতো আক্ৰমণ চলায়। পূব আৰু পশ্চিমৰ ভালেমান অঞ্চলত চীনৰ সামৰিক

সৈন্যসকলক। মাইনাছ চৈধ্য (-১৪) ডিগ্ৰী চেলচিয়াছত সকলো গোট মাৰি যায়। সেয়া লেহ সীমান্ত। ভাৰতে বিচাৰে নিজৰ মতে এক সীমা। ভাৰতে বিশ্বাস নকৰে যে বুৰঞ্জীয়ে এৰি থৈ যোৱা এক সমস্যাক আলোচনাৰ মাজেৰে সমাধা কৰিব পৰা যায়।

চীনে আলোচনা বিচাৰিছিল। কিন্তু চীনৰ কথা শুনাৰ সময় নাছিল ভাৰতৰ। ৰাজনীতি, সংসদ বা সংবাদ জগতে নিবিচাৰে চীনক গুৰুত্ব দিয়া হওক। কাৰণ চীন তেতিয়া আজিৰ চীন নহয়। চীনে মেক্‌মোহন লাইনক নীতিগতভাৱে নামানিলেও কেতিয়াও লাইনডাল পাৰ হৈ আহিব নিবিচাৰিছিল আৰু ভাৰতে মেক্‌মোহন লাইনকো নিজৰ সুবিধা মতে চীনৰ আৰু ভিতৰলৈ ঠেলি নিব বিচাৰিছিল।

১৯৬২ চনৰ জুলাই মাহ। পশ্চিম সীমান্তৰ ফ'ৰৱাৰ্ড পলিচী এইবাৰ আৰম্ভ কৰা হ'ল পূব সীমান্তত। প্ৰথমতে সোৱণশিৰিৰ উত্তৰে থকা লংজু আকৌ এবাৰৰ কাৰণে দখল কৰা হ'ল। বেইজিঙৰ প্ৰবল আপত্তি, ধমকি আৰু যুদ্ধভয়লৈ কেৰেপ নকৰি লংজু উপত্যকা দখল কৰি কোঠ মাৰি বহিল ভাৰতীয় সেনা। তাৰ কিছুদিনৰ পিচত ওদালগুৰিৰ উত্তৰ-পূবে আৰু টাৱাঙৰ পশ্চিমে ভাৰত-চীন-ভূটান সীমান্তত থকা ঢলাত চকী বহুৱাবলৈ গ'ল ভাৰতীয় সেনা।

চীনৰ মতে ঢলা চীনৰ ভিতৰত আৰু ভাৰতৰ মতে সেয়া ভাৰতৰ ভিতৰত। ভাৰতীয় সেনা তাতেই ক্ষান্ত নাথাকিল। নামকাছু নামেৰে ঠাই এটুকুৰাত পাহাৰীয়া নৈ এখনৰ কাষত চকী বহুৱাই থাগলা ৰিজ্ নামৰ এটুকুৰা ঠাইত আন এটা নিৰীক্ষণ কেন্দ্ৰ বহুৱালে।

কৌশলগত কাৰণত থাগলা ৰিজ্ খুবেই দৰকাৰী। কাৰণ ইয়াৰ পৰা তিব্বতীয় মালভূমিৰ এক বিস্তীৰ্ণ অঞ্চল দেখা পোৱা যায়। লগতে দেখা পোৱা যায় People's Liberation Army (PLA)ৰ মূল লী কেম্প।

চীনে বুজিছিল শক্তি প্ৰয়োগ কৰাৰ সময় আহিছে। ইফালে ফ'ৰৱাৰ্ড

বাহিনীয়ে আক্ৰমণ চলোৱাত মৰ্টাৰ আৰু মেচিন গান ব্যৱহাৰ কৰে। নামকাছু নদীৰ (যাক চীনাসকলে কাচিলাও বুলি নামকৰণ কৰে) দক্ষিণে অৱস্থিত ঢলা চকী আৰু ঢলাৰ পৰা দহ মাইল পূবত নানজাং নদীৰ পাৰত অৱস্থিত খিনজামানে চকীত আক্ৰমণ চলোৱাৰ পিচত এই দুয়ো অঞ্চল চীনৰ দখললৈ যায়। আনহাতে পশ্চিম সীমান্তৰ লাডাখ অঞ্চলৰ তিনিটা চকীত চীনাসকলে আক্ৰমণ চলায় আৰু দুটা চকী নিজৰ দখললৈ আনে। নেফাত আহত সৈনিকসকলক অনা-নিয়া কৰা এখন হেলিকপ্টাৰো চীনাসকলে ভূপতিত কৰে। আজি পুৱা প্ৰায় ৫ বজাত আৰম্ভ হোৱা এই আক্ৰমণত চীনাসকলে মেকমোহন সীমাৰ দক্ষিণৱৰ্তী ঠাংলা চূড়াৰ খিনজামেন আৰু ঢলা চকী দুটাত নিজৰ দখললৈ নিবলৈ বৃহৎ মাত্ৰাৰ সৈন্যৰ সমাবেশ ঘটায়। ইফালে চীনৰ আক্ৰমণত গৰিহণা দি দেশখনে নিজৰ প্ৰতিশ্ৰুতি ভংগ কৰি অঞ্চলটোত অশান্তিৰ সূত্ৰপাত কৰিছে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰই নিজৰ স্থিতি জাহিৰ কৰে।

২১ অক্টোবৰ ঃ ভাৰতীয় সেনা বাহিনীৰ হাতৰ পৰা সাতটা চকী পুনৰুদ্ধাৰ কৰা বুলি চীনে দাবী কৰে। আজি চীনা সেনা নামকাছু নদীৰ পৰা আৰু অধিক দক্ষিণ দিশে অগ্ৰসৰ হয়।

২২ অক্টোবৰ ঃ নেফাৰ লোহিত সংমগুলৰ অন্তৰ্গত কিবিথোৰ ভাৰতীয় চকীত চীনা সৈন্যই আক্ৰমণ চলায়। এই আক্ৰমণৰ বাবে চীনৰ সামৰিক বাহিনীয়ে সীমান্তৰ সিটো পাৰে ট্ৰেঞ্চ খান্দি লয়।

২৩ অক্টোবৰ ঃ চীনৰ সৈন্যবাহিনীয়ে নেফাৰ বুমলাত অৱস্থিত ভাৰতীয় সেনাৰ ওপৰত আক্ৰমণ চলায়। খিনজামেন-উম্পু অক্ষৰেখাৰ দিশত চীনে ইতিমধ্যে ব্ৰকেনথাং আৰু জিমিথাঙলৈ অগ্ৰসৰ হয়।

২৪ অক্টোবৰ ঃ চীনৰ ভাৰত আক্ৰমণৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই গুৱাহাটীৰ আৰ্ৰ্ত ভৱনত সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধি আৰু অসমৰ সামাজিক অনুষ্ঠানৰ বিষয়ববীয়াৰ লগত মিলিত হয়।

● নেফাৰ টাৱাং চহৰখনৰ পৰা ভাৰতীয়

পলিচী ভাৰতে অব্যাহত ৰাখিলে হয় কিন্তু তেজপুৰ, সোৱণশিৰি আৰু টাৱাঙত তেতিয়াও নাই যুদ্ধৰ পূৰ্ণ আয়োজন। দিল্লীক লাগে আৰু চকী। ইফালে সেনাৰ নাই শক্তি। চাৰিওফালে হাহাকাৰ।

নাই কোনো বাট-পথ। নাই ৰচদ-পাতি। নাই শীতৰ কাপোৰ। নাই সৈন্য-সামন্ত। দিল্লীক মাথোঁ লাগে ফ'ৰৱাৰ্ড পলিচী।

তথাপি জেনেৰেল ক'লৰ নিৰ্দেশত তলতীয়া বিষয়াৰ প্ৰচণ্ড আপত্তি সত্ত্বেও আৰম্ভ হৈছিল ঢলা চকীত ফ'ৰৱাৰ্ড পলিচী। টাৱাঙৰ পৰা ৬০ কিলোমিটাৰ দক্ষিণ-পশ্চিমে এই ঢলা চকী। ১৯৬২ চনৰ যুদ্ধৰ মূল 'স্পাৰ্কিং পইণ্ট।'

ঢলা চীনৰ কাৰণেও অতি স্পৰ্শকাতৰ অঞ্চল। ভাৰত, ভূটান আৰু চীনৰ মাজৰ এই ত্ৰিকোণটোৰ কাষতেই ইয়াৰ অৱস্থান। মেক্‌মোহন লাইনত যিয়ে যি নেদেখুওৱাক কিয় চীনৰ বাবে এই চকী খুবেই স্পৰ্শকাতৰ। ১৯৬০ চনৰ আলোচনাতো ঢলা ভাৰতৰ বুলি চীনে মানি লোৱা নাছিল। চীনৰ মতে ঢলা সম্পূৰ্ণৰূপে চীনৰ ভিতৰত।

তেনে অৱস্থাত স্থানীয় কমাণ্ডাৰ হিচাপে ব্ৰিগেডিয়াৰ ডালভীয়ে বুজিছিল ঠিকেই যে ঢলাত স্থায়ী ভাৰতীয় চকী বহুওৱাটো বৰ সহজ নহ'ব। চকী হয়তো বহুৱাব পৰা যাব, কিন্তু চীনে যে তাৰ ওপৰত ওলোটাই আক্ৰমণ কৰিব তাক তেওঁ ঠিকেই বুজিছিল।

ব্ৰিগেডিয়াৰ ডালভী ঢলা চকী স্থাপন কৰি চীনৰ লগত সংঘৰ্ষ বঢ়াই লোৱাৰ পক্ষপাতী নাছিল। তাৰ কাৰণ দুটা। প্ৰথমে তেওঁ নিজে ঢলা ভাৰতৰ মেপৰ ভিতৰত পৰে বুলি বিশ্বাস কৰা নাছিল আৰু দ্বিতীয়তে ১৯৬২ চনৰ এপ্ৰিলতহে প্ৰথমটো সৈন্যৰ কনভয় বালিপৰাৰ পৰা টাৱাং পোৱাৰ কথা আছিল।

অৰ্থাৎ তেওঁ ভাবিছিল যে ঢলা চকী স্থাপন কৰাৰ আগতে নিজৰ সৈন্যবাহিনীৰ স্থান আৰু অলপ মজবুত হওক।

কৰ্তৃপক্ষই টাৱাং মঠৰ বৌদ্ধ ভিক্ষু আৰু চহৰখনৰ তিনিশ আবাসীক বমডিলালৈ স্থানান্তৰিত কৰে। চীনা সৈন্যৰ সৈতে ভাৰতীয় সৈন্যৰ লগা নেৰানেপেৰা যুদ্ধৰ অন্তত চহৰখন এনেদৰে খালী কৰি দিয়া হয়। চহৰখনৰ পাৰ্শ্ববৰ্তী এলেকাত হোৱা এই যুদ্ধৰ পিচত চহৰখন ভাৰতীয় কৰ্তৃপক্ষই এৰি দিয়ে।

২৬ অক্টোবৰ ঃ চীনৰ ভাৰত আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি ডঃ ৰাধাকৃষ্ণণে দেশত জৰুৰীকালীন শাসন ঘোষণা কৰে।

২৭ অক্টোবৰ ঃ বহিঃআক্ৰমণ প্ৰতিহত কৰাৰ স্বাৰ্থত অতি শীঘ্ৰে জন সুৰক্ষা আঁচনি প্ৰৱৰ্তন কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে তেজপুৰত অনুষ্ঠিত এখন সভাত ঘোষণা কৰে। এই আঁচনিত জনগণক বিমান আক্ৰমণৰ পৰা হাতসৰা ব্যৱস্থা, গাঁত খন্দা, নিষ্প্ৰদীপ আদি ব্যৱহাৰৰ প্ৰশিক্ষণ দিয়া হ'ব।

৩০ অক্টোবৰ ঃ ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী হেৰল্ড মেকমিলানে চীনৰ আগ্ৰাসনক ধিক্কাৰ দিয়ে আৰু হাউছ অব কমনছ্‌ত সদৰী কৰে যে এই আগ্ৰাসনক প্ৰতিহত কৰিবলৈ দেশখনে ভাৰতক সকলো ধৰণে সহায় প্ৰদান কৰিব।

- ভাৰতবৰ্ষই ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত কয় যে যদিহে চীনে এক শান্তিপূৰ্ণ সমাধান বিচাৰে তেন্তে ভাৰত-চীন সীমান্ত সন্দৰ্ভত ভাৰতবৰ্ষই আগবঢ়োৱা যুক্তিযুক্ত সমাধানবোৰ গ্ৰহণ কৰিব লাগিব আৰু ছেপ্টেম্বৰ মাহৰ ৮ তাৰিখৰ আগলৈ চীনে যি অৱস্থাত আছিল সেই অৱস্থান গ্ৰহণ কৰিব লাগিব।

৩১ অক্টোবৰ ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই গুৱাহাটীত আহ্বান কৰা সৰ্বদলীয় সভাই চীনৰ আক্ৰমণৰ তীব্ৰ নিন্দা কৰে আৰু শত্ৰুপক্ষক দেশৰ পৰা বাহিৰ কৰি দিবলৈ সকলোৰে সহায় আৰু সহযোগিতা বিচাৰে।

- ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা পথ আৰু ৰে'লপথ সংলগ্ন দলংখন আজি ৰে'লৰ দ্বাৰা বস্তু সৰবৰাহ কৰাৰ বাবে মুকলি কৰি দিয়া হয়।

২ নৱেম্বৰ ঃ সংযুক্ত আৰব ৰিপাব্লিকৰ ৰাষ্ট্ৰপতি নাছেৰে ভাৰত-চীন সংঘাত সমাধানৰ বাবে আগবঢ়োৱা ফ'ৰ পইণ্ট ফৰ্মুলা চীনে নাকচ কৰে।

কিন্তু দিল্লীয়ে নামানিলে। দিল্লীৰ আওপুৰণি মেপ মতে ঢলা চীনৰ মেপৰ ভিতৰত নপৰে। গতিকে ভাৰতীয় সেনাই চকী স্থাপন কৰিব লাগে। অকল স্থাপন কৰিলেই নহ'ব। তালৈ ছাপ্লাই চেইনডাল অক্ষুণ্ণ ৰাখিব লাগিব।

সম্পূৰ্ণ অনিচ্ছা সত্ত্বেও দিল্লীৰ কঢ়া নিৰ্দেশত জুন, ১৯৬২ চনৰ জুনত বহুওৱা হ'ল ঢলা কেম্প। ১ শিখ ৰেজিমেণ্টৰ কেপ্টেইন মহাবীৰ প্ৰসাদে নিজে বহুৱালে সেই চকী। চীনৰ পৰা লগে লগে নাহিল কোনো প্ৰতিবাদ।

কিন্তু ব্ৰিগেডিয়াৰ ডালভী বা তেওঁৰ ৭ বিগ্ৰেডে আগষ্ট মাহলৈকে নাজানে সীমাৰ সিপাৰে চীনা সৈন্যৰ শক্তি কিমান বা তেওঁলোকৰ উদ্দেশ্য কি? ব্ৰিগেডিয়াৰ ডালভীয়ে সেয়া জানিবলৈ বিচাৰি ভাগৰি গৈছিল। কিন্তু আচল সত্য আছিল যে ভাৰতীয় সৈন্যৰ কোনো চোৰাংচোৱাই নাছিল সেই সময়ত। যদি আছিল সেয়া মাথোঁ অন্ধ অহংকাৰ।

ইফালে ৭ ব্ৰিগেডৰ মূল কাম টাৱাং ৰক্ষা আছিল যদিও ১১ ব্ৰিগেড নাগালেণ্ডত ফিজোৰ এন এন চিৰ লগত যুঁজি থাকিবলগীয়া হোৱাত চেলা পাছ আৰু বমডিলাও ৭ ব্ৰিগেডৰ দায়িত্বৰ ভিতৰত পৰিছিল।

এফালে ফ'ৰৱাৰ্ড পলিচী, আনফালে না আছে সৈন্য, ৰাস্তা, ৰচদ বা বন্দুক। অন্যফালে চীন। যাৰ শক্তি আৰু উদ্দেশ্য এইফালৰ কোনেও নাজানে। সম্পূৰ্ণ অন্ধকাৰেৰে আগবাঢ়িছিল ভাৰতীয় সৈন্য আৰু স্থানীয় কমাণ্ডাৰসকল। নাজানে যে সন্মুখত যুদ্ধৰ জুই অনিবাৰ্য। শেষ মুহূৰ্তলৈকে নাজানে চীনৰ প্ৰস্তুতি কিমান বা শক্তি কিমান।

মুঠতে ভাৰতীয় সৈন্য সম্পূৰ্ণৰূপে অপ্ৰস্তুত যিকোনো যুদ্ধৰ কাৰণে। ১১ ব্ৰিগেড কেতিয়া নাগালেণ্ড এৰি আহিব পাৰিব তাৰ কোনো ঠিক নাই।

১৯৬২ চনৰ ৮ ছেপ্টেম্বৰত ৬০০ চীনা সৈন্যই ঢলা চকী বেৰি

● গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, ছাত্ৰ একতা সভাৰ সম্পাদকমণ্ডলী আৰু এন চি চিৰ আহ্বানত গুৱাহাটীত অনুষ্ঠিত এক সভাই বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলক লৈ এক স্বেচ্ছাসেৱক বাহিনী গঠনৰ সিদ্ধান্ত লয়। সভাই প্ৰাথমিক চিকিৎসা সেৱা প্ৰদানৰ প্ৰশিক্ষণ দিয়া তথা ছোৱালীবোৰক প্ৰশিক্ষণ দিয়াৰ কথাও বিবেচনা কৰে।

৫ নৱেম্বৰ : চীনৰ সৈন্যবাহিনীয়ে লাডাখৰ সকলো দাবী কৰা অঞ্চল নিজৰ দখললৈ নিয়ে। একেলৰে চীনৰ সামৰিক বাহিনীৰ মুখ্য সেনাধিনায়ক জেনেৰেল লিয়ে ব্যক্তিগতভাৱে নেফাত সৈন্যবাহিনীৰ তত্ত্বাৱধান লয়। এইক্ষেত্ৰত জেনেৰেল বাং চিং মিঙে সহকাৰীৰ ভূমিকা লয়। উল্লেখ্য যে ভাৰতৰ পূব দিশত চীনে ১৯৫০ চনৰ অক্টোবৰ মাহত যি আক্ৰমণ চলাইছিল তাৰো নেতৃত্ব লৈছিল বাং চিং মিঙে।

৭ নৱেম্বৰ : প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ভি কে কৃষ্ণ মেননৰ কেবিনেট মন্ত্ৰীসভাৰ পৰা পদত্যাগ-পত্ৰ আজি গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নেহৰুৱে প্ৰতিৰক্ষা দপ্তৰ নিজৰ হাতলৈ নিয়াৰ পিচতে মেননে নিজৰ পদত্যাগ পত্ৰ প্ৰদান কৰিছিল।

চীনৰ প্ৰধানমন্ত্ৰী চৌ এন লাইয়ে ভাৰত-চীন সীমান্ত সংঘাতৰ অন্ত পেলোৱাৰ স্বাৰ্থত পুনৰ আলোচনা আৰম্ভ কৰিবলৈ প্ৰধানমন্ত্ৰী নেহৰুক নকৈ আহ্বান জনায়।

৮ নৱেম্বৰ : বাৰ্মা সীমান্তৰ নিকটবৰ্তী লোহিত সীমান্তৱৰ্তী সংমণ্ডলৰ ৱালং অঞ্চলত ভাৰতীয় সৈন্যৰ সৈতে চীনৰ সামৰিক বাহিনীৰ মুখামুখি সংঘৰ্ষ হয়। বেলেগ বেলেগ ঠাইত হোৱা পাঁচটা সংঘৰ্ষত এজন ভাৰতীয় জোৱানৰ মৃত্যু হয়। চীনৰ আগ্ৰাসন প্ৰতিহত কৰাৰ স্বাৰ্থত অসমৰ সকলো প্ৰান্তৰ লোকে মুখ্যমন্ত্ৰীৰ পুঁজিলৈ স্বতঃস্ফূৰ্ত বৰঙণি দিয়াৰ কথা পোহৰলৈ আহিছে। ধনী-দুখীয়া নিৰ্বিশেষে সকলোৱে ধন-সোণ আদি বৰঙণি দি দেশৰ প্ৰতি জনোৱা অকপট ত্যাগক মুখ্যমন্ত্ৰী চলিহাই শ্ৰদ্ধাৰে স্বীকাৰ কৰে। মুখ্যমন্ত্ৰীয়ে এইপৰ্যন্ত ১,২২,৫৪০ টকা সাহায্য পুঁজিও লাভ কৰিছে আৰু একেলৰে ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিৰ বাবে অসমৰ বাইজে ১৩২২ গ্ৰাম সোণ তথা সোণৰ

ধৰিছিল। যুদ্ধ আৰম্ভ হৈ গৈছিল।

প্ৰতিৰক্ষা মন্ত্ৰণালয়ে সিদ্ধান্ত ল'লে যে ঢলাৰ পৰা বলপূৰ্বক হ'লেও চীনা সৈন্য আঁতৰাব লাগিব। সেয়াই 'অপাৰেচন লেগহৰ্ন।'

সেয়া নিৰ্দেশ কিন্তু নেফাৰ দায়িত্বত থকা ৩৩ ক'ৰৰ কমাণ্ডাৰ জেনেৰেল উমৰাও সিঙে মানি ল'ব নিবিচাৰিলে। জেনেৰেল উমৰাও সিঙৰ মতে ভাৰতীয় সৈন্যৰ সংখ্যা তথা ৰচদ-পাতি কম। গতিকে অপাৰেচন লেগহৰ্ন আৰম্ভ কৰিব নালাগে। বৰঞ্চ শক্তি বৃদ্ধি কৰি অক্টোবৰ মাহলৈ অপাৰেচন স্থগিত ৰখা হওক। ইফালে বাতৰিকাকতৰ জৰিয়তে সমগ্ৰ ভাৰতে গম পাইছিল যে কামেং সীমান্তত চীনা সৈন্যই মেক্‌মোহন লাইন 'অতিক্ৰম কৰি' ভাৰতৰ মাটিত আহি ঢলা কেম্পৰ সন্মুখা-সন্মুখিকৈ বহি লৈছে।

মুষ্টিমেয় ভাৰতীয় সেনাৰ বিষয়া আৰু দিল্লীৰ 'আচল শক্তি'ৰ বাহিৰে কোনেও নাজানিলে যে দৰাচলতে মেক্‌মোহন লাইনৰ তিনি-চাৰি কিলোমিটাৰমান উত্তৰতহে চীনৰ ভিতৰত ঢলা কেম্প ভুলকৈয়ে হওক বা ইচ্ছা কৰিয়েই হওক ইয়াক তেনেধৰণেই পতা হৈছিল। এতিয়া ভাৰতবাসীয়ে বিচাৰিছে চীনা সৈন্যক আঁতৰোৱা হওক।

বৰঞ্চ প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীৰ নিৰ্দেশত আৰু কেবিনেট ডিফেঞ্চ কমিটীৰো কাৰো লগত পৰামৰ্শ নকৰাকৈ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে ২২ ছেপ্টেম্বৰৰ দিনা লিখিতভাৱে চীনা সৈন্যক শক্তিৰে থাগলা পৰ্বতৰ পৰা বাহিৰ কৰিবলৈ নিৰ্দেশ দি দিয়ে।

সৈন্যবাহিনীৰ মাজত সুদক্ষ বিষয়া হিচাপে জেনেৰেল ক'লৰ পৰিচয় বৰ সুবিধাজনক কেতিয়াও নাছিল। কিন্তু জেনেৰেলে জানে যে ৰাজনৈতিক নেতৃত্বই কি বিচাৰে আৰু তেওঁ জানে কেনেকৈ সেয়া দিব পাৰি।

জেনেৰেল ক'লক পাই নেহৰু আৰু কৃষ্ণ মেননৰ যেন মূৰৰ বোজা

অলংকাৰ নদ দিয়াৰ কথা জানিব পৰা গৈছে।

১১ নৱেম্বৰ : লেকাৰ ৱালং আৰু জং এলেকাত হোৱা চীনা সৈন্যৰ তিনিটা আক্ৰমণক ভাৰতীয় সৈন্যই প্ৰতিহত কৰে।

১৫ নৱেম্বৰ : লেকাৰ ৱালং এলেকাত ভাৰতীয় সেনাই চীনা বাহিনীৰ ওপৰত প্ৰচণ্ড আক্ৰমণ চলায়। ৰাতিপুৱা চলোৱা এই আক্ৰমণ সন্ধিয়ালৈ অব্যাহত থাকে।

১৬ নৱেম্বৰ : লেকাৰ ৱালং এলেকাত চীনা সৈন্যই বৃহৎ আক্ৰমণ সংঘটিত কৰে। ভাৰতীয় সেনাৰ দ্বাৰা চীনৰ দখলত থকা এটা পাহাৰীয়া পৰা অধিকৃত হোৱাৰ প্ৰত্যুত্তৰত চীনাসকলে এই আক্ৰমণ সংঘটিত কৰে।

১৮ নৱেম্বৰ : প্ৰায় ২৪ ঘণ্টাতকৈ অধিক সময় ধৰি চীনা সৈন্যৰ সৈতে যুঁজ কৰাৰ পিচত ভাৰতীয় সৈন্যই লোহিত সীমান্তৱৰ্তী সমমণ্ডলৰ ৱালং চহৰ ত্যাগ কৰে। ৱালং চহৰৰ পৰা দহ-বাৰ কিলোমিটাৰ দক্ষিণে চলি থকা এই যুদ্ধত দুয়োপক্ষৰ বিস্তৰ ক্ষতি হয়। চীনা সৈন্যই মেকমোহন সীমাৰ পৰা ভাৰতীয় ভূখণ্ডৰ ২৫ কিলোমিটাৰ অভ্যন্তৰলৈ প্ৰৱেশ কৰা বুলি জানিব পৰা গৈছে। শত্ৰুপক্ষৰ সৈন্যৰ সংখ্যা বিশ হাজাৰতকৈ অধিক বুলি প্ৰকাশ।

১৯ নৱেম্বৰ : বমডিলাৰ পতন : আকাশবাণী দিল্লী কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত এক অনুষ্ঠানত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে বমডিলা চহৰ ১৮ তাৰিখে নিশা চীনা সৈন্যৰ হাতলৈ যোৱা বুলি ঘোষণা কৰে। প্ৰতিৰক্ষা দপ্তৰৰ এক সূত্ৰৰ মতে ১৮ নৱেম্বৰত শত্ৰু সৈন্যই দুবাৰকৈ বমডিলা চহৰ আক্ৰমণ কৰে যদিও ভাৰতীয় সৈন্যই ইয়াক প্ৰতিহত কৰিবলৈ সক্ষম হয়। সন্ধিয়াৰ ভাগত চীনা সৈন্যই তৃতীয়বাৰৰ বাবে আক্ৰমণ চলায় আৰু উক্ত দিনা নিশাৰ ভাগত ভাৰতীয় সৈন্যই বমডিলা চহৰ ত্যাগ কৰে। ইয়াৰ পিচতে ভাৰতীয় সৈন্যই পশ্চাদগমন কৰি বমডিলাৰ পৰা কিছুমাইল দক্ষিণে অৱস্থান কৰে। এনেদৰে ৱালঙৰ ক্ষেত্ৰতো ভাৰতীয় সৈন্যই দক্ষিণলৈ পশ্চাদগমন কৰি অৱস্থান লোৱাৰ কথা সামৰিক সূত্ৰই প্ৰকাশ কৰে।

২০ নৱেম্বৰ : যুদ্ধৰ পৰিপ্ৰেক্ষিতত

পাতলিছিল। তেওঁলোকে ধৰি লৈছিল যে জেনেৰেল উমৰাও সিঙে যিবোৰ বাধাৰ সৃষ্টি কৰিছিল, সেইবোৰ আঁতৰাই জেনেৰেল ক'লে অপাৰেচন লেগহৰ্ন আৰম্ভ কৰি চীনা সৈন্যক থাগলাৰ পৰা আঁতৰাব পাৰিব।

জেনেৰেল ক'লে ৯ শিখ ৰেজিমেণ্টক নিৰ্দেশ দিলে যে ১০ অক্টোবৰৰ দিনা ১৬,০০০ ফুটত থকা য়ামটোছো লালৈ গৈ চীনা সৈন্য ছাউনীক সোঁফালেৰে অতিক্ৰম কৰি পাচফালৰ পৰা অৱস্থান কৰা। জেনেৰেল ক'লৰ মতে চীনা সৈন্যই আক্ৰমণ নকৰিব। কিন্তু সেয়া কিছু সময়ৰ কাৰণেহে মাথোঁ। প্ৰচণ্ড শক্তিৰে চীনে আক্ৰমণ কৰি প্ৰায় বিধ্বস্ত কৰি দিছিল ৯ শিখ ৰেজিমেণ্টক।

জেনেৰেল প্ৰসাদ আৰু ব্ৰিগেডিয়াৰ ডালভীয়ে ইয়াকেই ভয় কৰি আছিল। তেওঁলোকৰ সন্দেহ আখৰে আখৰে ফলিয়াইছিল। জেনেৰেল ক'লেও বুজিছিল যে এই যুদ্ধত টিকি থকা অসম্ভৱ। প্ৰতিজন ভাৰতীয় সেনাৰ বিপৰীতে অতি কমেও ২০জন চীনা সৈন্য। গুলী-বাৰুদো প্ৰচণ্ড শক্তিশালী।

প্ৰায় দুঘণ্টাজোৰা আলোচনাৰ মাজত সিদ্ধান্ত হ'ল যে অপাৰেচন লেগহৰ্ন সাময়িকভাৱে স্থগিত ৰাখি নামকাছুৰ দক্ষিণ পাৰতেই ৭ ব্ৰিগেডক কোঠ পুতি বহিবলৈ কোৱা হওক। আৰু তেওঁলোকক আকাশেৰে ৰচদ-পাতিৰে সহায় কৰক।

ইফালে ২০ অক্টোবৰৰ দিনা হেলাৰঙে চীনা সৈন্য নামকাছু পাৰ হৈ আহিছিল। ভাৰতীয় সেনাৰ ইটো কেম্পৰ পৰা আনটো কেম্পলৈ দূৰত্ব বহু বেছি হোৱা কাৰণে প্ৰথমতে ধৰিবই পৰা নগ'ল চীনা সৈন্যই নামকাছু পাৰ হোৱাৰ কথা। সেয়া পুৱা ৪ বজাৰ পৰা ৪.৩০ বজাৰ কথা।

ঠিক পুৱা ৫ বজাৰ লগে লগে ৩নং দলঙৰ সিপাৰৰ পৰা দুটা 'ভেৰী লাইট ফায়াৰ' কৰা হ'ল। সেয়া আছিল আক্ৰমণৰ ছিগনেল। গোটেই নামকাছুৰ পাৰ দুটা পোহৰাই দিছিল ভেৰী লাইট ফায়াৰে।

তেজপুৰ চহৰ খালী কৰাৰ প্ৰক্ৰিয়া আৰম্ভ।

২১ নৱেম্বৰ ঃ অসমৰ অখণ্ডতা আৰু সুৰক্ষা সমগ্ৰ ভাৰতৰ অখণ্ডতা আৰু সুৰক্ষাৰ সমাৰ্থক বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে আজি মত দোহাৰে। অসমৰ জনগণৰ সৈতে সমগ্ৰ দেশবাসী আছে বুলিও মন্ত্ৰীজনে আশ্বাস প্ৰদান কৰে।

● সমগ্ৰ দেশতে Defence of India Rules আৰু Preventive Detention Actৰ অধীনত ভাৰতীয় কমিউনিষ্ট দলৰ ৩৫০জনতকৈ অধিক সদস্যক আটক কৰা হয়। যোৰহাটত আৰক্ষীয়ে শ্বাহ চৈয়দ হুছেইন, কীৰ্তিনাথ বৰদলৈ, দুলাল খাউণ্ড, চৈয়দ ইক্ৰাম আলী আৰু মনোৰঞ্জন দাসগুপ্তাক আৰু গোলাঘাটত সুৰেন গগৈ আৰু উমাকান্ত শইকীয়াক আটক কৰে। ভাৰত প্ৰতিৰক্ষা বিধান অনুসৰি আৰক্ষীয়ে শিৱসাগৰ জিলাৰ বিভিন্ন স্থানত বসবাস কৰি অহা ২৫জন চীনা লোকক গ্ৰেপ্তাৰ কৰে। শিলচৰতো পাঁচজন কমিউনিষ্ট সদস্যক গ্ৰেপ্তাৰ কৰা হয়। তেওঁলোক হৈছে— বীৰেশ চন্দ্ৰ মিশ্ৰ, তেখেতৰ পত্নী কল্যাণী মিশ্ৰ, অচিন্ত্য কুমাৰ ভট্টাচাৰ্য, দ্বিগেন্দ্ৰ দাসগুপ্তা আৰু শিশিৰ কুমাৰ পুৰকায়স্থ। গুৱাহাটীত অমলেন্দু গুহ আৰু তেজপুৰত বিষ্ণু ৰাভাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

● চীনৰ একপক্ষীয় যুদ্ধবিৰতি প্ৰস্তাৱ ঘোষণা ঃ চীন-ভাৰত সীমান্তত যুদ্ধবিৰতি কৰিবৰ বাবে চীন দেশে আজি এক ঘোষণা আগবঢ়ায়। এই ঘোষণাত কোৱা হয় যে ১৯৬২ চনৰ ১ ডিচেম্বৰৰ পৰা চীনৰ সীমান্তৱৰ্তী প্ৰহৰীসকলে ১৯৫৯ চনৰ ৭ নৱেম্বৰত থকা LAC (Line of Actual Control)ৰ পৰা ২০ কিলোমিটাৰ পিচলৈ পশ্চাদগমন কৰিব। ঘোষণাত কোৱা হয় যে তিনিটা সম্ভাব্য পৰিপ্ৰেক্ষিতত চীনে আত্মৰক্ষাৰ স্বাৰ্থত পুনৰ আক্ৰমণ কৰাৰ অধিকাৰ হাতত ৰাখিব। এনে সম্ভাব্য কাৰকবোৰ হৈছে—

(১) যদিহে চীনা সৈন্যই যুদ্ধবিৰতি কৰাৰ পিচত আৰু পশ্চাদগমন কৰাৰ সময়ত ভাৰতীয় সৈন্যই তেওঁলোকৰ আক্ৰমণ অব্যাহত ৰাখে,

(২) যদিহে চীনাসকলে ২০ কিলোমিটাৰলৈ পশ্চাদগমন কৰাৰ

লগে লগে আৰম্ভ হৈ গ'ল চীনৰ ফালৰ পৰা প্ৰায় ১৫০টামান ৰাইফল আৰু হেভী মৰ্টাৰৰ প্ৰচণ্ড গুলীবৰ্ষণ।

চাংধৰ, দলং-৩, দলং-৪, ব্ৰিগেড হেড কোৱাৰ্টাৰ একো বাচি যোৱা নাছিল সেই প্ৰচণ্ড আক্ৰমণত। ৰাইফলৰ বাহিৰেও চীনা সৈন্যই ব্যৱহাৰ কৰিছিল ৭২ মিলিমিটাৰ অটোমেটিক মেচিন গান আৰু ১২০ মিলিমিটাৰ মৰ্টাৰ। অবিৰত গুলীবৰ্ষণ, প্ৰচণ্ড শব্দ, গুলীবিদ্ধৰ চিৎকাৰ, মৰ্টাৰৰ ধোঁৱাই সৃষ্টি কৰিছিল এক ভয়াৰ্ত পৰিৱেশ।

কিছু মুহূৰ্তৰ কাৰণে ভাৰতীয় সেনা এই আক্ৰমণত স্তম্ভিত হ'লেও ৭ নং ব্ৰিগেডৰ কমাণ্ডাৰ ব্ৰিগেডিয়াৰ ডালভীৰ পৰা ৪নং দলংখনত ৫০টা বুলেট লৈ যুঁজিবলৈ যোৱা জোৱানজনেও বুজিছিল যে এই আক্ৰমণ হ'ল ভাৰতৰ বছৰৰ পিচত বছৰ ধৰি কৰি অহা ইচ্ছাকৃত ভুলবোৰৰ পৰিণতি।

আৰম্ভ হৈ গৈছিল ভাৰত-চীন যুদ্ধ।

সেই প্ৰথম আক্ৰমণটো কিন্তু ঢলা-চাংধৰতেই কেন্দ্ৰীভূত নাছিল। চীনা সৈন্যই কিন্তু আক্ৰমণ কৰিবলৈ এৰি দিয়া নাছিল। খেণ্ডেমেনে, ডিভিজনেল হেড কোৱাৰ্টাৰ জিমিথাং আক্ৰমণ কৰাৰ লগতে তেওঁলোক লুম্পুৰ ফালেও আগবাঢ়ি আহিছিল।

প্ৰায় ডেৰ ঘণ্টামান নিৰৱচ্ছিন্ন গুলীচালনাৰ পিচত পৰ্বতৰ পৰা জাকে জাকে নামি আহিছিল চীনা সৈন্য। পুৱা ৯ বজালৈ নদীৰ পাৰত যুঁজি থকা গোৰ্খা আৰু ৰাজপুত প্লেটুন তেতিয়ালৈ ধ্বংস হৈ গৈছিল। সম্ভৱতঃ কোনো এজনো জীৱিত অৱস্থাত নাছিল সেই দুই প্লেটুনৰ।

ব্ৰিগেডিয়াৰ ডালভীৰ মতে চীনা সৈন্যই দুটা ডিভিজন এই যুদ্ধৰ প্ৰথম দিনাই ব্যৱহাৰ কৰিছিল। ভাৰতৰ মুঠ ৬০০ৰ পৰা ৭০০ সৈনিকৰ বিপৰীতে চীনা সৈন্য আছিল ২০,০০০। হয়তো আৰু বেছি হ'ব।

সঁচা অৰ্থত ক'বলৈ গ'লে, যুদ্ধৰ প্ৰথম আধা ঘণ্টাত ৭ ব্ৰিগেড থৰক-বৰক হৈ পৰিছিল। ব্ৰিগেডিয়াৰ ডালভীৰ কথা নামানি দিল্লীৰ নিৰ্দেশত

পিচতো ভাৰতীয় সৈন্যসকলে পূব প্ৰান্তৰ অবৈধ মেকমোহন লাইন অভিমুখে অগ্ৰসৰ হয় আৰু মধ্য আৰু পশ্চিম সীমান্তৰ এল অ' চিৰ পৰা আঁতৰি আহিবলৈ অস্বীকাৰ কৰে অথবা তাত থাকি যায় আৰু

(৩) যদিহে ২০ কিলোমিটাৰ আঁতৰলৈ গুচি অহাৰ পিচতো ভাৰতীয় সৈন্যই এল অ' চি অতিক্ৰম কৰে তথা ৮ ছেপ্টেম্বৰৰ আগৰ ভূখণ্ডবোৰ পুনৰ অধিকাৰ কৰিব বিচাৰে।

ঘোষণাত কোৱা হয় যে যদিহে উল্লিখিত ঘটনাবোৰ ঘটে তেন্তে চীনে আত্মৰক্ষাৰ স্বাৰ্থত পুনৰ আক্ৰমণ চলাব আৰু তেনে পৰিপ্ৰেক্ষিতত সকলোধৰণৰ বিষময় পৰিস্থিতিৰ বাবে ভাৰত চৰকাৰ দায়ী হ'ব।

২২ নৱেম্বৰ ঃ বমডিলাৰ পাদদেশ, তেজপুৰ আৰু দৰং জিলাৰ চাহ বাগিচাৰ পৰা স্থান ত্যাগ কৰি আহি গুৱাহাটীত উপস্থিত হোৱা লোকসকলক গুৱাহাটীবাসীয়ে গভীৰ আন্তৰিকতাৰে আদৰণি জনায়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দিনে-নিশাই পৰিশ্ৰম কৰি এইসকল লোকক বিভিন্ন স্থানত বাহৰ পতা শিবিৰবোৰত থকা-মেলাৰ ব্যৱস্থা কৰে। কটন কলেজিয়েট বিদ্যালয়ত ৪৮৯জন আৰু সোণাৰাম বিদ্যালয়ত ৩৩০জন লোকক থকাৰ ব্যৱস্থা কৰা হয়।

● চীনৰ তিনি দফীয়া যুদ্ধবিৰতি প্ৰস্তাৱ নাকচ কৰি প্ৰধানমন্ত্ৰী নেহৰুৱে কয় যে শেহতীয়া এই প্ৰস্তাৱৰ জৰিয়তে দেশখনে ভাৰতৰ পৰা আৰু অধিক ভূ-খণ্ড কাঢ়ি লোৱাৰহে পৰিকল্পনা কৰিছে।

২৫ নৱেম্বৰ ঃ গুৱাহাটীৰ পৰা ১৫০ মাইলপৰ্যন্ত নেফাৰ সীমান্তৱৰ্তী পাদদেশত যিসকলে যুদ্ধৰ পৰিপ্ৰেক্ষিতত নিজৰ ঘৰ-দুৱাৰ ত্যাগ কৰিছিল সেইসকলে পুনৰ নিজ স্থানলৈ ঘূৰি যোৱাৰ কথা অসামৰিক কৰ্তৃপক্ষই প্ৰকাশ কৰে। তেজপুৰ চহৰলৈ সাধাৰণ অৱস্থা ঘূৰি অহাৰ কথা প্ৰকাশ। ৰাজ্যপাল বিষ্ণু সহায় আৰু মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ মুখ্য কাৰ্যালয় যুদ্ধৰ পৰিপ্ৰেক্ষিতত সাময়িকভাৱে শ্বিলঙৰ পৰা গুৱাহাটীলৈ স্থানান্তৰিত কৰা হয়।

২৬ নৱেম্বৰ ঃ কি পৰিপ্ৰেক্ষিতত ২০ নৱেম্বৰত তেজপুৰ চহৰ খালী কৰি

সৈন্যৰ কোম্পানীবোৰ ইমান দূৰে দূৰে ৰখা হ'ল যে প্ৰত্যেকৰ লগত সংযোগ স্থাপন কৰা সম্ভৱ নহ'ল। সেয়াই হ'ল কাল।

যুদ্ধৰ প্ৰথম কেইমিনিটমান পিচতেই তেজপুৰৰ লগত সংযোগ বিচ্ছিন্ন হৈছিল যুদ্ধক্ষেত্ৰৰ। বেটেলিয়ন কমাণ্ডাৰৰ লগত সংযোগ হেৰুৱাই পেলাইছিল ব্ৰিগ্ৰেডিয়াৰ ডালভীয়ে। যিকেইজন ৱায়াৰলেছ অপাৰেটৰ আছিল তেওঁলোকেও ৱায়াৰলেছ ছেট বন্ধ কৰি ৰাইফল তুলি লৈছিল। মুঠতে এক বিমূঢ় অৱস্থা। সেয়াই ভাৰতীয় সেনাৰ পৰাজয়ৰ আৰম্ভণি।

চাৰি দিনৰ পিচত আকৌ আৰম্ভ হৈছিল গুলীয়াগুলি। চীনা সৈন্য ৱালঙৰ ফালে আগুৱাব বিচাৰিছিল যদিও ৪ শিখ ৰেজিমেণ্টে বাট ভেটি ধৰিছিল। ৱালঙক ধৰি ৰাখিবলৈ ভাৰতীয় সেনা আছিল দৃঢ়প্ৰতিজ্ঞ। ৱালঙৰ পতন মানে হায়ুলিয়াং আৰু তাৰ পিচত মাথোঁ তেজু। তেজুৰ পৰাই আৰম্ভ হ'ব ব্ৰহ্মপুত্ৰ উপত্যকা। তেজুৰ পৰা তিনিচুকীয়া, টাৱাঙৰ পৰা বমডিলা হৈ তেজপুৰ। সঁচা অৰ্থত অসম চিধাচিধিকৈ চীনা আক্ৰমণৰ লক্ষ্যত।

কিবিথো ইতিমধ্যে চীনে দখল কৰিছিল। ইয়াৰ বাহিৰেও পাহাৰৰ পৰা প্ৰায় সদায়েই গুলীওৱা হৈছিল মিথুন অহা-যোৱা কৰা পথবিলাকত। সেয়া আছিল এক নিত্য-নৈমিত্তিক ঘটনা। উদ্দেশ্য ভাৰতীয় সৈন্যৰ মনোবল ভাঙি দিয়া।

চীনা সৈন্য হাথুলা ট্ৰেকেৰে টাৱাং অভিমুখে আগবাঢ়িছিল। লুমনা হৈ শক্তিৰে টাৱাঙৰ পথ একেবাৰে সুচল। ৪ ইনফেণ্ট্ৰী ডিভিজন টাৱাং পাইছিলগৈ সন্ধিয়া। বুমলাৰেও চীনে সৈন্যই সঞ্চালন আৰম্ভ কৰিছিল। টাৱাঙৰ পিচত একমাত্ৰ প্ৰতিৰোধ কৰিব পৰা স্থান চেলা পাছ। তাৰ পিচত একো নাই। একেবাৰে তেজপুৰ।

ৱালং ছেক্টৰতো একেই দশা। চীনে কিবিথো, দিছু দখল কৰাৰ পিচত এতিয়া ক্ৰমান্বয়ে ঘেৰি ধৰিছে ৱালঙক। ভাৰতীয় সৈন্য টাৱাঙৰ পৰা ৭০ কিলোমিটাৰ পিচ হুঁহকি আহিছিল। এইবাৰ জঙক বচোৱাৰ যুদ্ধ। কিন্তু জং

দিব লগা হ'ল তাক আজি অসমৰ মুখ্য সচিব এন এন কিডৱাইয়ে সাংবাদিকসকলক অৱগত কৰে। এই খালীকৰণ খুব শৃংখলাবদ্ধ তথা ধীৰে-সুস্থিৰে কৰাৰ কথা উল্লেখ কৰি সচিবজনে প্ৰশাসনিক ব্যৱস্থাৱলী এই সময়ছোৱাত সম্পূৰ্ণভাৱে তচনচ হৈ যোৱাৰ কথা অস্বীকাৰ কৰে। প্ৰশাসনিক ব্যৱস্থা এতিয়া সম্পূৰ্ণভাৱে সক্ৰিয় হৈ উঠাৰ কথাও তেওঁ উল্লেখ কৰে।

৪ ডিচেম্বৰ ঃ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা পুঁজিলৈ অসমৰ জনগণে ১৮.৬৫ লাখ টকা (১৮,৬৫,৩৯০.৪২) আৰু ৮,৮৫৫.২০৭ গ্ৰাম সোণ বৰঙণি দিয়া বুলি অসমৰ বিত্ত মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদে প্ৰকাশ কৰে।

৫ ডিচেম্বৰ ঃ অসম ভ্ৰমণলৈ অহা প্ৰধানমন্ত্ৰী নেহৰুৱে অসম আৰু নেফাৰ জনসাধাৰণে চীনৰ সৈতে হোৱা যুদ্ধত প্ৰদৰ্শন কৰা বীৰত্বপূৰ্ণ ভূমিকাৰ শলাগ লয়। গুৱাহাটীত অনুষ্ঠিত এক বিশাল ৰাজহুৱা সভাত নেহৰুৱে বক্তৃতা প্ৰদান কৰে।

৬ ডিচেম্বৰ ঃ চীনে ৮ ছেপ্টেম্বৰৰ আগৰ স্থানলৈ প্ৰত্যাৱৰ্তন নকৰাপৰ্যন্ত দেশখনৰ সৈতে ভাৰতে কোনোধৰণৰ আলোচনা নচলায় বুলি প্ৰধানমন্ত্ৰী নেহৰুৱে আজি তেজপুৰত মত প্ৰকাশ কৰে।

১৩ ডিচেম্বৰ ঃ চীনা সেনাই আটক কৰি ৰখা ২৬জন ভাৰতীয় সৈন্যক আজি ৱালঙৰ কাষত ভাৰতীয় ৰেডক্ৰছ পাৰ্টীৰ হাতত গতাই দিয়া হয়।

১৪ ডিচেম্বৰ ঃ চীনা সৈন্যই জং, মেচুকা আৰু ৱালং পৰিত্যাগ কৰাৰ বাতৰি প্ৰকাশ।

১৭ ডিচেম্বৰ ঃ চীনে পৰিত্যাগ কৰাৰ পিচত আজি বমডিলাত ভাৰতীয় পতাকা উত্তোলন কৰা হয়। বমডিলাৰ ৰাজনৈতিক বিষয়া কে চি জোহৰিয়ে চহৰখনলৈ উভতি অহাৰ পিচত তেওঁৰ বাসভৱনত এই পতাকা উত্তোলন কৰা হয়।

২০ ডিচেম্বৰ ঃ চীনাসকলে ৱালং ত্যাগ কৰে। নেফাৰ প্ৰশাসন তন্ত্ৰই শীঘ্ৰে ৱালঙৰ দায়িত্ব গ্ৰহণ কৰাৰ পদক্ষেপ লোৱাৰ বাতৰি প্ৰকাশ।

- অসম উচ্চ ন্যায়ালয়ৰ প্ৰথম অসমীয়া ন্যায়াধীশ তথা বিশিষ্ট

নিটিকিল। তেজপুৰ আৰু দিল্লীয়ে বুজিছিল যে জঙক ৰক্ষা কৰা সম্ভৱ নহ'ব।

১৯৬২ চনৰ ২৪ অক্টোবৰত চৌ এন লায়ে নেহৰুলৈ পঠিয়াবলৈ লোৱা চিঠিখন শেষবাৰলৈ পঢ়ি লৈছে। ইতিমধ্যে সৈন্যবাহিনীক জঙৰ পৰা আগবাঢ়িবলৈ মানা কৰি দিছে চৌ এন লায়ে।

চীনে আকৌ এবাৰ চেষ্টা কৰিছিল কূটনীতিৰ। ২৪ তাৰিখৰ চিঠিখনত প্ৰস্তাৱ পঠিয়ালে—

- সীমা সমস্যা আলোচনাৰে শেষ হওক।
- দুয়ো দেশে যুদ্ধ বন্ধ কৰক আৰু ২০ কিলোমিটাৰ পিচলৈ হুঁহকি যাওক।
- নেফাৰ উত্তৰৰ পৰা চীন আঁতৰিব।
- আকছাই চীনত আচল সীমাৰ পৰা দুয়ো দেশে আগবঢ়াটো বন্ধ কৰক।

তিনি দিনৰ পিচত নেহৰুৱে উত্তৰ দিছিল। আলোচনাত সন্মতি জনাই নেহৰুৱে জানিব বিচাৰিছিল ২০ কিলোমিটাৰ পিচলৈ হুঁহকি যোৱা মানে কি বুজাইছে। যিহেতু ৱালং, টাৱাং আৰু পশ্চিমৰ আকছাই চীনতো যোৱা মাহকেইটাত ক'ৰবাত ক'ৰবাত ৬০-৭০ কিলোমিটাৰ ভাৰতৰ ভিতৰলৈ সোমাই আহিছে চীন।

১৯৬২ চনৰ ৪ নৱেম্বৰত চৌ এন লায়ে লিখিছিল নেহৰুৰ উত্তৰৰ প্ৰত্যুত্তৰ। ১৯৫৯ চনৰ কথাখিনিকে আকৌ দোহাৰিলে চীনে। চীনে নেফাত মেক্‌মোহন লাইনলৈ ঘূৰি যাব আৰু আকছাই চীনত মেক্‌ড'নাল্ড লাইনক সীমা মানি লোৱা হওক।

নেহৰুৱে উত্তৰ দিয়াৰ সময়তে বুজিছিল যে তেওঁক অতদিনে সামৰিক বাহিনীয়ে তেওঁলোকৰ সক্ষমতা সম্পৰ্কে ভুল ধাৰণা দি আছিল।

মনে মনে সিদ্ধান্ত লৈ পেলাইছিল আমেৰিকাৰ সহায় ল'বৰ কাৰণে। প্ৰেছিডেণ্ট কেনেডী তেতিয়া কিউবা সংকটত ব্যস্ত। ২৯ অক্টোবৰৰ নিশা আমেৰিকান ৰাজদূত জন গলবাৰ্থক নেহৰুৱে ত্ৰিমূৰ্তি ভৱনলৈ মাতি পঠিয়াইছিল। ইতিমধ্যে ৰাছিয়ায়ো যোগ দিছিল ভাৰত-চীন যুদ্ধ শাম

সাহিত্যিক হলিৰাম ডেকাৰ আজি মৃত্যু হয়। ১৯০১ চনত সৰ্থেবাৰীত জন্মগ্ৰহণ কৰা ডেকাই ১৯৪৭ চনত অসম উচ্চ ন্যায়ালয়ৰ পঞ্জীয়ক হিচাপে নিযুক্ত হয় আৰু পিচলৈ ১৯৪৯ চনত জিলা ন্যায়াধীশ হয়গৈ। বিখ্যাত নালিয়াপুল হত্যাকাণ্ডৰ বাবে গঠন কৰি দিয়া এজনীয়া আয়োগৰ ভাৰো তেখেতৰ ওপৰত অৰ্পণ কৰা হৈছিল। ১৯৫১ চনত তেওঁ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি পায় আৰু ১৯৬১ চনত মুখ্য ন্যায়াধীশ হয়। তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থ দুখন হ'ল— 'অলকালৈ চিঠি' আৰু 'যৎকিঞ্চিৎ'।

২২ ডিচেম্বৰ ৬২ঃ চীনৰ আক্ৰমণৰ পিচত মহেন্দ্ৰ মোহন চৌধুৰীৰ নেতৃত্বত লোকসভাৰ তিনিজন আৰু অসম বিধানসভাৰ সাতজন সদস্যৰে গঠিত দহজনীয়া সঁজাতী দলে নেফাৰ সোৱণশিৰি, ছিয়াং বিভাগৰ প্ৰশাসনীয় কেন্দ্ৰ আৰু নেফাৰ বহুতো ভিতৰুৱা গাঁও ভ্ৰমণ কৰে।

কটোৱাৰ প্ৰচেষ্টাত।

নেহৰুৱে ইয়াতে বলীয়ান হৈ ১৪ নৱেম্বৰত চৌ এন লাইলৈ সকলো আলোচনাৰ বাট বন্ধ কৰি আন এখন চিঠি পঠিয়ালে। মানি নল'লে চীনৰ চৰ্ত। সেইদিনা আছিল নেহৰুৰ জন্মদিন।

চীনে ভাৰতৰ আক্ৰমণ প্ৰতিহত কৰিয়েই ক্ষান্ত নাথাকিল। বৰঞ্চ লগে লগেই ওলোটা আক্ৰমণ কৰিছিল। যাৰ উত্তৰ দৰাচলতে ভাৰতৰ নাছিল বা ভবাই নাছিল যে পৰাজয়ৰ সন্মুখীন হ'ব। টাৱাঙৰ পৰা লোহিত জিলালৈ যুদ্ধ বিয়পি পৰিছিল। গোটেই নিশা ৰৈ ৰৈ গুলী চলি থকাৰ মাজতে ভাৰতীয় সৈন্য পিচুৱাইছিল আৰু লোহিতৰ দুই পাৰেৰে চীনা সৈন্য আগবাঢ়িছিল।

ৱালঙৰ পৰা দুই কিলোমিটাৰমান আগলৈ কিবিথোৰ পিনে থকা ওলোমা দলংখন তেতিয়া নাছিল। আছিল এডাল মাথোঁ ষ্টীলৰ তাৰ। সেইডালত ধৰিয়েই পাৰ হৈ আহিছিল চীনা সৈন্য। সিপাৰে থাকি গৈছিল কিছু ভাৰতীয় সৈন্য। সংযোগ হেৰাই গৈছিল কমাণ্ডৰ লগত।

চীনা সৈন্য ঢৌৰ নিচিনাকৈ আহি আছিল। প্ৰতি চাৰি ঘণ্টাৰ মূৰে মূৰে চলিছিল একো একোটা আক্ৰমণ। এটা নহয়, দুটা নহয়, চাৰিটাকৈ আক্ৰমণ প্ৰতিহত কৰিছিল ৪ ডোগ্ৰাই।

ৱালঙৰ পৰা হাৰাইলৈ ভাৰাক্ৰান্ত হৈ উভতিছিল ১১ ব্ৰিগেড আৰু তাৰ পৰা হায়ুলিয়াং। ৱালঙৰ এই যুদ্ধত টাৱাঙৰ পৰা ৭ মাউণ্টেইন ব্ৰিগেডৰ নিচিনাকৈ বিধ্বস্ত হৈ গৈছিল ১১ মাউণ্টেইন ব্ৰিগেড। ভাৰতীয় সেনাৰ সকলোতকৈ ডাঙৰ দুৰ্বলতা আছিল ইয়াৰ কামান বাহিনী, যাক ইংৰাজীত কোৱা হয় Artillery বুলি। সেয়া নোহোৱাকৈয়ে দিল্লীৰ প্ৰৰোচনাত ১৩ নৱেম্বৰৰ দিনা চীনক আক্ৰমণ কৰিছিল ভাৰতীয় সেনাই, যাতে নেহৰুক জন্মদিনৰ দিনা বিজয়ৰ উপহাৰ দিব পাৰে। সেয়া হৈ নুঠিল। ১,৭০০ সৈনিক কোনোৰকমে গ্ৰেপ্তাৰ নোহোৱাকৈ পলাই আহিব পাৰিছিল সেইদিনাখন।

সঁচা অৰ্থত ক'বলৈ গ'লে ৱালং সীমান্তত থকা প্ৰতি তিনিজন

১৯৬৩

৪ জানুৱাৰী ঃ ক'হিমাত প্ৰতিষ্ঠা কৰা অল ইণ্ডিয়া ৰেডিঅ'ৰ অনাতাঁৰ কেন্দ্ৰটোৰ আনুষ্ঠানিক উদ্বোধন। উদ্বোধন কৰে নগা ৰাজ্যৰ মুখ্য প্ৰশাসক শ্বিলু আওৱে।

১৬ জানুৱাৰী ঃ এঘাৰ কোটি টকা ব্যয় কৰি ব্ৰহ্মপুত্ৰৰ ওপৰেদি নিৰ্মাণ কৰা দুখলপীয়া দলংখন যাত্ৰীবাহী ট্ৰেইনৰ কাৰণে মুকলি। দলংখনৰ ওপৰেদি গুৱাহাটীৰ পৰা চলা প্ৰথম ট্ৰেইনখনৰ যাত্ৰীসকলৰ ভিতৰত আছিল, পূৰ্বোত্তৰ সীমান্ত ৰে'লৱেৰ জেনেৰেল মেনেজাৰ বি চি গাংগুলী, চৰকাৰী ৰে'ল পৰিদৰ্শক ই ভাৰা, চীফ মেকানিকেল ইঞ্জিনীয়াৰ এম এল মদনানি আৰু অন্যান্য ৰে'লৱে বিষয়াসকল। উল্লেখযোগ্য যে সেই একেদিনাই ৰঙাপৰাৰ পৰা উত্তৰ লখিমপুৰলৈ প্ৰথমখন যাত্ৰীবাহী ট্ৰেইন ৰাওনা হয়।

২৫ জানুৱাৰী ঃ নতুন দিল্লীত ৰাষ্ট্ৰপতি সৰ্বেপল্লী ৰাধাকৃষ্ণণে অসমৰ অমিয় কুমাৰ দাসক 'পদ্মভূষণ' সন্মানেৰে সন্মানিত কৰে। উল্লেখযোগ্য যে অমিয় কুমাৰ দাসেই 'পদ্মভূষণ' সন্মান লাভ কৰা অসমৰ প্ৰথমজন ব্যক্তি।

২৮ জানুৱাৰী ঃ বান নিয়ন্ত্ৰণ আৰু শক্তি উৎপাদন প্ৰসংগত অসমৰ লোকসভাৰ সদস্যসকলে নতুন দিল্লীত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

- গুৱাহাটীৰ শিলপুখুৰীৰ নোৱাখালি কলনীত হোৱা অগ্নিকাণ্ডত অঞ্চলটোৰ ৭২টা ঘৰ ভস্মীভূত হয়।

২৬ জানুৱাৰী ঃ শিলচৰৰ সোণাই বজাৰত অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই অসমৰ কৃষি উৎপাদন পাঁচ গুণ অধিক কৰাৰ লক্ষ্য ৰাখি 'পেকেজ' আঁচনি উদ্বোধন কৰে। প্ৰাৰম্ভিক অৱস্থাত কাছাৰ জিলাৰ পোন্ধৰটা খণ্ডৰ চাৰিটাত এই আঁচনি কাৰ্যকৰী কৰাৰ কাম হাতত লোৱা হয়। এই অনুষ্ঠানত কেন্দ্ৰীয় কৃষি মন্ত্ৰী ডাঃ ৰাম সুভাগ সিং উপস্থিত থাকে।

১ ফেব্ৰুৱাৰী ঃ দৰং জিলাৰ বিশ্বনাথঘাটত ব্ৰহ্মপুত্ৰত সৰস্বতী প্ৰতিমা বিসৰ্জন কৰিবলৈ যাওঁতে এঘাৰজন ছাত্ৰৰ নাও বুৰি মৃত্যু।

- অসম চৰকাৰে 'দ্য অইল ইণ্ডিয়া

সৈন্যৰ এজন হয় শ্বহীদ হৈছিল বা যুদ্ধবন্দী হৈছিল বা আহত হৈছিল সেই যুদ্ধত। চীনা সৈন্যই কিন্তু টাৱাঙৰ নিচিনাকৈ হায়ুলিয়াঙলৈ ভাৰতীয় সেনাক খেদি অহা নাছিল। তথাপি টাৱাঙৰ ৭ ব্ৰিগেডৰ নিচিনাকৈ ৱালঙত ১১ ব্ৰিগেডৰো একেই দশা হৈছিল।

ৱালঙৰ পতন হোৱাৰ মূল কাৰণ হ'ল সৈন্যবাহিনীৰ উৰ্ধ্বতন বিষয়াৰ মাজত খামখেয়ালি। যিখিনি সময়ত ভাৰতীয় সৈন্যক সাধাৰণ অস্ত্ৰৰে চীনক ৰুধিবলৈ পঠিওৱা হৈছে বা যিখিনি সময়ত তেজুৰ পৰা ৰাস্তা বুলিবলৈ একো নাই, তেনেস্থলত বিষয়াসকলে নিজৰ মাজত খিয়লা-খিয়লিৰে শেষ মুহূৰ্তলৈকে নিজৰ পছন্দৰ বিষয়া বিচাৰি আছিল।

এফালে ৱালং, আনফালে টাৱাং। এফালে লোহিত, আনফালে কামেং। দুয়োফালেই চীনা সৈন্য। দুয়োফালৰ পৰা চেপি আনিছিল চীনে।

ৱালঙৰ পৰা লোহিতৰ পাৰেৰে চীনা সৈন্য আগবাঢ়ি অহা নাছিল। কামেঙৰ ফালেৰে কিন্তু আগবাঢ়ি আহিছিল।

ৱালঙৰ অভাৱনীয় পতনৰ পিচত এইবাৰ সকলোৰে চকু আছিল কামেং সীমান্তত। টাৱাঙৰ ইতিমধ্যে পতন হৈছিল। জঙকো ধৰি ৰাখিব পৰা নগ'ল।

এইবাৰ ৪ ডিভিজন গোট খাইছিল চেলা-বমডিলাত। টাৱাং-বমডিলাৰ দূৰত্ব প্ৰায় ১৭০ কিলোমিটাৰ। বমডিলা পাৰ হৈয়ে নামি যাব লাগে ডিৰাঙলৈ। ডিৰাং এক সপোন যেন লগা উপত্যকা। সোঁফালে ডিৰাং নৈখন। জিৰজিৰকৈ বৈ গৈ আছে।

ডিৰাঙৰ পৰা উঠি যাব লাগে চেলা পাছলৈ। উচ্চতা ১৩,৮০০ ফুট। তেজপুৰ-টাৱাং পথৰ সেয়া বিন্দু। বতাহত অক্সিজেনৰ পৰিমাণ কম। চাৰিওফালে মাথোঁ বৰফ। তাপমাত্ৰা শূন্যৰ তলত। পথৰ ওপৰত এফুটমান বৰফ থাকেই।

তাতেই গোট খাইছিল ভাৰতীয় সেনা। এইবাৰ সংখ্যাৰ ফালৰ

লিমিটেড'ক উজনি অসমৰ ডুমডুমা অঞ্চলৰ ১২৯০ বৰ্গমাইল-জোৰা ঠাইত তেল উদঘাটনৰ বাবে অনুমতি প্ৰদান কৰে।

● শিলচৰত হোৱা এক দলীয় সংঘৰ্ষৰ পিচত প্ৰশাসনে তিনিদিনৰ কাৰণে সান্ধ্য আইন জাৰি কৰে। এই সংঘৰ্ষত ৮জন লোকৰ মৃত্যু হয়।

৫ ফেব্ৰুৱাৰী ঃ অসম চৰকাৰে এক বিশেষ ঘোষণাযোগে চলিত বছৰৰ ৫ ফেব্ৰুৱাৰীৰ পৰা অসমত দুমাহৰ বাবে কলিকতাৰ বাংলা দৈনিক বাতৰিকাকত 'যুগান্তৰ'ৰ প্ৰৱেশ বন্ধ কৰে। ৰাজ্য চৰকাৰে উক্ত বাতৰিকাকতখনে 'অসম বিশেষ ক্ষমতা প্ৰেছ আইন ১৯৬০' উলংঘা কৰাৰ অভিযোগত এই সিদ্ধান্ত গ্ৰহণ কৰে।

৭ ফেব্ৰুৱাৰী ঃ অসম, নগাৰাজ্য, মণিপুৰ, ত্ৰিপুৰা আৰু নেফাক লৈ এই অঞ্চলটোৰ বাবে সুকীয়াকৈ গঠন কৰা পোষ্টমাষ্টৰ জেনেৰেলৰ সদৰ কাৰ্যালয়টো শ্বিলঙত আৰম্ভ কৰা হয়।

৪ মাৰ্চ ঃ অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যবাহী সমিতিয়ে দলৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী দেৱেশ্বৰ শৰ্মাক দলৰ দুজন কেবিনেট পৰ্যায়ৰ মন্ত্ৰী আৰু চৰকাৰী নীতিৰ বিৰুদ্ধাচৰণ কৰি ভুৱা অভিযোগ অনাৰ দোষত ৫ বছৰৰ বাবে দলৰ পৰা বহিষ্কাৰ কৰে।

১৯ মাৰ্চ ঃ অসম বিধানসভাত অসমৰ বিত্ত মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদে শিলিগুৰি আৰু যোগীঘোপাৰ মাজৰ ব্ৰডগজ ৰে'ললাইনৰ সম্প্ৰসাৰণৰ প্ৰস্তাৱক ভাৰত চৰকাৰৰ ৰে'ল মন্ত্ৰণালয়ে অনুমোদন জনোৱাৰ কথা ঘোষণা কৰে।

২০ মাৰ্চ ঃ নেফাক অসমৰ লগত চামিল কৰিবৰ বাবে নেফা আৰু অসমৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিসকলৰ মাজত এক গুৰুত্বপূৰ্ণ বৈঠক শ্বিলঙত অনুষ্ঠিত হয়। এই সভাত অসম আৰু নেফাৰ ৰাজ্যপাল বিষ্ণু সহায়, মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, নেফাৰ কেন্দ্ৰীয় সংসদীয় সচিব দাই ইৰিং আৰু ৰাজ্যপালৰ অতিৰিক্ত উপদেষ্টা পি এ লুথৰাও উপস্থিত থাকে। এই সভাত লোৱা সিদ্ধান্তসমূহ হৈছে—

(ক) পৰৱৰ্তী সময়ত অসমত নিযুক্ত আই এ এছ বিষয়াসকল নেফাৰ বিভাগ আৰু উপ-বিভাগসমূহতো

পৰা তাকৰ নহয় ভাৰতীয় সৈন্য। ১০টাকৈ বেটেলিয়ন মজুত। অর্থাৎ প্রায় ১২,০০০ সেনা। ইয়াৰ বাহিৰেও আছে ফিল্ড আর্টিলাৰী, হেভী মর্টাৰ আৰু এক ডজন পাতল টেংক। মুঠতে মজবুত অৱস্থা।

কিন্তু সমস্যা আছিল। সেয়া হ'ল যে সৈন্যবাহিনী প্রায় ৭৫ কিলোমিটাৰ অঞ্চলত বিয়পি আছিল। মূল সৈন্যবাহিনী আছিল চেলাত। ৬২ ব্রিগেডৰ দায়িত্বত চেলা। ব্রিগেডিয়াৰ হোছিয়াৰ সিঙৰ তলত পাঁচ বেটেলিয়ন। সকলো সাজু যুঁজৰ কাৰণে।

আনফালে ৪৮ ব্রিগেড আছিল বমডিলাত। তাতে আছিল আৰু তিনিটা বেটেলিয়ন। দায়িত্বত ব্রিগেডিয়াৰ গুৰবক্স সিং।

ইয়াৰ বাহিৰেও বমডিলা-চেলাৰ মাজত ডিৰাঙত অৱস্থান কৰিছিল ৪, ডিভিজনৰ হেড কোৱার্টাৰে। তাৰ বাহিৰেও তাত আছিল ৬০ ব্রিগেড আৰু দুটাকৈ ইনফেণ্ট্রী ডিভিজন। ডিৰাঙত খোপনি পুতিছিল ৪ ডিভিজনৰ কমাণ্ডাৰ মেজৰ জেনেৰেল এ এছ পাথানিয়াই। মেজৰ জেনেৰেলৰ সন্দেহ চীনা সৈন্যই এই ট্রেক ব্যৱহাৰ কৰিব। সঁচাকৈয়ে নৱেম্বৰৰ ১৫ তাৰিখলৈ এই ট্রেকত চীনা সৈন্যক দেখা পোৱা গৈছিল। সেইদিনাখনেই পছীলা ৰ পৰা খবৰ আহিছিল যে চীনা সৈন্যৰ এক সম্পূর্ণ বেটেলিয়ন আগবাঢ়িছে সেই পথেৰে।

আগভেটিবলৈ চেষ্টা কৰিছিল বমডিলাৰ পৰা নামি যোৱা প্লেটুনকেইটাই। কিন্তু ভাৰতীয় সৈন্যৰ প্লেটুনকেইটাক ধ্বংস কৰি পেলাইছিল চীনা সৈন্যই। ১৬ নৱেম্বৰৰ পুৱা বমডিলাৰ পৰা ৫, গার্ডছক বেইলী ট্রেকলৈ পঠিওৱা হৈছিল। কাৰণ চীনা সৈন্য পূর্ণোদ্যমে আগবাঢ়িছিল ডিৰাং অভিমুখে।

ইফালে ১৬ নৱেম্বৰৰ সন্ধিয়া বমডিলাক প্রতিৰক্ষা দিবৰ কাৰণে মাথোঁ ছটা কোম্পানীহে আছিলগৈ। সেয়া আছিল বমডিলাক ৰক্ষা কৰিবলৈ দৰকাৰ হোৱা তিনিভাগ সৈন্য সংখ্যাৰ এভাগ। বাকীবোৰক ইতিমধ্যে বেইলী ট্রেকলৈ পঠিওৱা হৈছিল।

নিযুক্ত হ'ব। তাৰ বিপৰীতে নেফাৰ আই এফ এ এছ বিষয়াসকলক অসমত নিয়োগ কৰা হ'ব।

(খ) অসম আৰু নেফাৰ বন বিভাগীয় পদবী দুটা একেলগ কৰা হ'ব।

(গ) অসম চৰকাৰৰ চাকৰিয়াল, ডাক্তৰ আৰু শিক্ষকসকলক নেফালৈ 'ডেপুটেচন'ত পঠোৱা হ'ব।

(ঘ) অসম বিদ্যুৎ ব'ৰ্ডৰ এলেকা নেফালৈ সম্প্ৰসাৰিত হ'ব।

(ঙ) পৰৱৰ্তী সময়ত নেফাৰ ছাত্ৰসকলে অসম চৰকাৰৰ বৃত্তি পাব।

(চ) নেফাৰ ৰাইজ ভৈয়ামলৈ হাট-বাট কৰিবলৈ আহোঁতে যাতে অসমত থাকিবহি পাৰে, সেই বাবে অসম চৰকাৰে ভৈয়ামত কিছুমান বাহৰ তৈয়াৰ কৰিব।

(ছ) নেফালৈ যোৱা মানুহৰ বাবে দিয়া 'ইনাৰলাইন' অনুমতি-পত্ৰবোৰ আগতকৈ অতি সহজ কৰি পেলোৱা হ'ব আৰু

(জ) অসম আৰু নেফাৰ মাজত সাংস্কৃতিক দলৰ আদান-প্ৰদান হ'ব।

৯ এপ্ৰিল ঃ মৰিয়নী আৰু লামডিং শাখা ৰে'লৱেৰ ৰঙাপাহাৰ আৰু ধনশিৰি ষ্টেচনৰ মাজত বিদ্ৰোহী নগাই বিস্ফোৰণ আৰু গুলীবৰ্ষণেৰে এখন যাত্ৰীবাহী ট্ৰেইনৰ ওপৰত আক্ৰমণ চলায়। এই আক্ৰমণত ৬জন যাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ২৭জন লোক গুৰুতৰভাৱে আহত হয়।

১৯ এপ্ৰিল ঃ ধুবুৰী মহকুমাৰ ২০খন গাঁৱত অহা এক বা-মাৰলিত ১০৬জন লোকৰ মৃত্যু হোৱাৰ লগতে ১০০০জনতকৈও অধিক লোক গুৰুতৰভাৱে আহত হয়।

২১ এপ্ৰিল ঃ নাজিৰাত অনুষ্ঠিত অসম সাহিত্য সভাৰ ত্ৰিংশ বাৰ্ষিক অধিৱেশনত নেফাক অসমৰ লগত চামিল কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

২৫ এপ্ৰিল ঃ শ্বিলঙত অনুষ্ঠিত ভাৰতৰ নিৰ্বাচনী সমষ্টি নিৰূপক আয়োগৰ বৈঠকত অসম বিধান সভাৰ আসনৰ সংখ্যা ১০৫খনৰ পৰা ১২৬খনলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ। ১৯৬১ চনৰ লোকপিয়লত হোৱা জনসংখ্যা বৃদ্ধিৰ হাৰ অনুসৰি বিধানসভাৰ আসনৰ সংখ্যা বৃদ্ধি কৰা হয়। পিয়লত পোৱা প্ৰত্যেক জিলাৰ জনসংখ্যা অনুসৰি মিকিৰ পাহাৰত এখন, কাছাৰত এখন,

১৭ নৱেম্বৰৰ পুৱা ৫ গাৰ্ডছ বেইলী ট্ৰেক পাইছিলগৈ। দুপৰীয়ালৈ আৰম্ভ হৈ গৈছিল মুখামুখি সংঘৰ্ষ। ১,৫০০ চীনা সৈনিকৰ হাতত ১০০ ভাৰতীয় সেনাৰ কোনো আশাই নাছিল। তথাপি মনৰ সাহতে তিনি ঘণ্টা যুঁজিছিল।

৪, ডিভিজনে ৫ গাৰ্ডছৰ বাচি থকা জোৱানক বমডিলালৈ ঘূৰি আহিবলৈ নিৰ্দেশ দিছিল। গুলী শেষ হৈ বাছি থকা জোৱানবোৰ বমডিলালৈ ঘূৰি আহিবলৈ চেষ্টা কৰিছিল যদিও প্ৰায়বোৰেই বাট হেৰুৱাই এসপ্তাহৰ মূৰত জামুগুৰিৰ পিনে ওলাইছিলহি। তেতিয়ালৈকে যুদ্ধ শেষ হৈ গৈছিল।

আকৌ টাৱাঙৰ নিচিনাকৈ ভাৰতীয় সৈন্য দিশহাৰা হৈ পৰিছিল। ৬২ ব্ৰিগেড চেলাত আবদ্ধ। অথচ চেলাৰে নাহি বেইলী ট্ৰেকেৰে আগুৱাই আহি ভাৰতীয় সেনাৰ সুৰক্ষা ব্যৱস্থাকে থানবান কৰি পেলাইছিল চীনে।

৫, গাৰ্ডছক ধ্বংস কৰি আগুৱাই অহা চীনা সৈন্যই প্ৰথমতে বমডিলা-ডিৰাং পথছোৱা কাটি দিলে। অৰ্থাৎ বমডিলাৰ পৰা ডিৰাং পাৰ হৈ চেলাৰ লগত পোনপটীয়া সংযোগ নোহোৱা কৰি পেলালে।

আনহাতে একে সময়তে চেলাত চীনা সৈন্যই চলাইছিল মূল আক্ৰমণটো। এবাৰ নহয়, দুবাৰ নহয়, বৰঞ্চ পাঁচবাৰকৈ ৪ গাৰোৱাল ৰাইফল্‌ছে চীনা আক্ৰমণক প্ৰতিহত কৰিব পাৰিছিল। হয়তো যোগান সঠিকভাৱে আহি থাকিলে বাহিনীটোৱে আৰু অধিক সময় যুঁজিব পাৰিলেহেঁতেন।

১৯৬২ চনৰ ১৮ নৱেম্বৰত চেলাত ৬২ ব্ৰিগেডৰ পাঁচোটাকৈ বেটেলিয়ন যুঁজৰ কাৰণে সাজু হ'ল। ব্ৰিগেডিয়াৰ হোছিয়াৰ সিঙে বেটেলিয়ন কমাণ্ডাৰবোৰক স্পষ্টকৈ জনাই দিছিল যে সেই নিশা পিচুওৱা নহ'ব। বৰঞ্চ যুঁজিব লাগিব। তাৰ পিচৰ নিশাহে পিচুৱাব লগা হ'ব পাৰে।

মেজৰ জেনেৰেল পাথানিয়াই আকৌ বিচাৰিছিল যে ৬২ ব্ৰিগেড চেলা এৰি আহক। জেনেৰেল ক'লৰ নিৰ্দেশটোতো পাথানিয়াকে দায়িত্ব

গোৱালপাৰাত তিনিখন, কামৰূপত পাঁচখন, দৰঙত তিনিখন, নগাঁৱত তিনিখন, শিৱসাগৰত দুখন আৰু লখিমপুৰত তিনিখন আসন বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুঠতে পৰ্বতীয়া জিলা পাঁচখনত আগৰ ১৫খন আসনৰ ঠাইত ১৬খন আৰু ভৈয়ামৰ ৭খন জিলাত ৯০খনৰ ঠাইত ১১০খনলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

১ মে'ঃ ভাৰতৰ উত্তৰ-পূব সীমান্ত সুদৃঢ় কৰিবলৈ ভাৰত চৰকাৰে পশ্চিম বংগ আৰু অসমক লৈ নতুন ইষ্টাৰ্ন কমাণ্ড গঠন কৰে। এই কমাণ্ডৰ সদৰ কাৰ্যালয় কলিকতাত স্থাপন কৰা হ'ব।

২৪ মে'ঃ চতিয়া পুলিচ থানাৰ অন্তৰ্গত দৰং জিলাৰ চৰ অঞ্চলত প্ৰায় দুমাহৰ আগতে অনুপ্ৰৱেশ কৰা প্ৰায় দুহেজাৰ পাকিস্তানীক অসম পুলিচে চিনাক্ত কৰে।

৭ জুন ঃ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ব্ৰহ্মপুত্ৰ দলং আনুষ্ঠানিকভাৱে মুকলি কৰি, দলংখনক 'শৰাইঘাট দলং' হিচাপে নামকৰণ কৰে।

৮ জুন ঃ তেজপুৰত প্ৰধানমন্ত্ৰী নেহৰু, ৰাজ্যপাল বিষ্ণু সহায়, মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু নেফাৰ অতিৰিক্ত উপদেষ্টা লুথ্ৰাওৰ মাজত অসম, নগাৰাজ্য আৰু নেফা এই তিনিটা গোটৰ মাজত প্ৰশাসনীয় সমন্বয় সম্বন্ধে আলোচনা হয়। এই আলোচনাত প্ৰধানমন্ত্ৰীগৰাকীয়ে মাৰ্চ মাহত নেফাক অসমৰ লগত চামিল কৰিবৰ বাবে শ্বিলঙত অনুষ্ঠিত বৈঠকত নেফা আৰু অসমৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিসকলে লোৱা প্ৰস্তাৱসমূহত সন্মতি জনায়।

১০ জুন ঃ বৰঝাৰ বিমানকোঠত প্ৰধানমন্ত্ৰী নেহৰুৰ সৈতে পাৰ্বত্য নেতা সন্মিলনৰ ১২জনীয়া এটা সঁজাতী দলে তেওঁলোকৰ সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবী সম্পৰ্কে আলোচনা কৰে। পাৰ্বত্য নেতা সন্মিলনৰ সঁজাতী দলে প্ৰধানমন্ত্ৰী নেহৰুক দিয়া স্মাৰকপত্ৰখনত অসমৰ পাৰ্বত্য জিলাকেইখনত হৈ যোৱা উপ-নিৰ্বাচনৰ ফলাফললৈ চাই তেওঁলোকৰ পৃথক পাৰ্বত্য ৰাজ্যৰ দাবী মানি ল'বলৈ হেঁচা প্ৰয়োগ কৰে যদিও প্ৰধানমন্ত্ৰীগৰাকীয়ে পাৰ্বত্য ৰাজ্যৰ দাবী অগ্ৰাহ্য কৰে। তেওঁ পাৰ্বত্য অঞ্চলৰ নেতাসকলৰ আগত

দিয়া হৈছিল। গতিকে পাথানিয়াই সিদ্ধান্ত লৈ পেলাইছিল। মনা নাছিল মাথোঁ ব্ৰিগেডিয়াৰ হোছিয়াৰ সিঙে।

লাহে লাহে চেলাত নিশা নামি আহিছিল। ট্ৰিগাৰত হাত থৈ সাজু হৈছিল পাঁচ হেজাৰ ভাৰতীয় সেনা। চাৰিওফালে কুঁৱলী। মৰ ঠাণ্ডা। বৰফ পৰা আৰম্ভ হৈছেই।

দূৰত চীনা সৈন্যই জ্বলোৱা জুই। মাজে মাজে দুটা-এটা কুকুৰৰ ভুকভুকনি। সকলোৱে বুজিছিল পুৱা যুদ্ধ আৰম্ভ হ'ব। চীনা সৈন্য চেলালৈ আগুৱাই আহি আছে।

মাজনিশাৰ পিচত হোছিয়াৰ সিঙক মেজৰ জেনেৰেল পাথানিয়াই আকৌ ফোন কৰিছিল। হোছিয়াৰ সিঙৰ শত আপত্তি নামনি জেনেৰেল পাথানিয়াই চেলাৰ পৰা কিছু তললৈ নামি আহিবলৈ বাধ্য কৰাইছিল হোছিয়াৰ সিঙক। বুজাইছিল যে সেয়া সামৰিক কৌশলহে মাথোঁ, পশ্চাদগমন নহয়।

সেয়াই আছিল ইণ্ডো-চীন যুদ্ধৰ সবাতোকৈ মাৰাত্মক ভুল। অতদিনৰ পৰা ট্ৰেন্স খান্দি যুদ্ধলৈ সাজু পাঁচ হাজাৰ সৈন্যক মাজনিশাৰ পিচতেই নমাই আনিছিল মেজৰ জেনেৰেল পাথানিয়াই। তেওঁৰ যুক্তিতো সবলতা নথকা নহয়। কিন্তু এবাৰ খোপনি এৰা ৬২ ব্ৰিগেডে আৰু তৰ্কিবই নোৱাৰিলে। যুদ্ধৰ সেয়াই নিৰ্মম সত্য। চীনা সৈন্যই লগে লগে আগুৱাই আহি চেলা দখল কৰিছিল।

আনফালে ডিৰাঙো তেতিয়া পতন হওঁ হওঁ। বমডিলা অসুৰক্ষিত। মুঠতে নেতৃত্বৰ অভাৱৰ কাৰণে কোনো যুদ্ধ নোহোৱাকৈ ধ্বংস হৈ গৈছিল ভাৰতীয় সেনা। এটাৰ পিচত এটাকৈ মাৰাত্মক ভুল কৰি গৈছিল সেনাৰ নেতৃবৃন্দই।

৬২ ব্ৰিগেডে যুঁজ দিবলৈ নাপালে। দুৰ্বল নেতৃত্বৰ কাৰণে পিচ হুঁহকি আহিল আৰু অৱশেষত ব্ৰিগেডিয়াৰ হোছিয়াৰ সিঙে সম্পূৰ্ণভাৱে পিচুৱাবলৈ হুকুম দিলে। তেতিয়ালৈকে বহু দেৰি হৈ গৈছিল।

'স্কটলেণ্ডৰ আৰ্হিৰ প্ৰশাসন' ব্যৱস্থাৰ প্ৰস্তাৱ দাঙি ধৰে। এই ব্যৱস্থা অনুসৰি অসমৰ স্বায়ত্তশাসিত জিলাকেইখনে দৈনন্দিন প্ৰশাসনত শতকৰা ১০০ ভাগ স্বায়ত্ত শাসন ভোগ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে স্বায়ত্ত শাসনমূলক ব্যৱস্থাৰ বিভিন্ন বিষয় সম্পৰ্কে বিবেচনা কৰিবৰ বাবে এখন আয়োগ গঠন কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

২ জুলাই ঃ তেজপুৰৰ ডিকৰাই চাহ বাগিচাত এদল শ্ৰমিকে অসমৰ শ্ৰমমন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীৰ ওপৰত আক্ৰমণ কৰে।

১০ জুলাই ঃ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাই ১৯৬২ চনৰ অসম প্ৰাথমিক শিক্ষা আইনৰ অধীনত স্থাপন কৰা প্ৰাথমিক শিক্ষাৰ ৰাজ্যিক ব'ৰ্ডৰ প্ৰথম সভা উদ্বোধন কৰে। প্ৰাথমিক শিক্ষাক সমগ্ৰ ৰাজ্যত সম্প্ৰসাৰণ কৰাই এই আইনৰ মূল উদ্দেশ্য বুলি বৰুৱাই উদ্বোধনী অনুষ্ঠানত দোহাৰে।

১৬ জুলাই ঃ অসমৰ কাছাৰ জিলাৰ ভাৰত-পাক সীমান্তত পাঁচখন বিবদমান গাঁও পূব-পাকিস্তানে সামৰিক বলেৰে অধিকাৰ কৰিবলৈ প্ৰস্তুতি চলোৱাত অসম চৰকাৰে এই কাৰ্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনায়। ভাৰত-পাক সীমান্তৰ প্ৰায় তিনি মাইল দীঘল অঞ্চলৰ ভিতৰত থকা ৫ খন গাঁৱৰ ভিতৰত ডুমাবাৰী গাঁও আৰু লাঠিটিলা গাঁও অন্যতম। যোৱা ফেব্ৰুৱাৰী মাহত পাকিস্তানে লাঠিটিলা গাঁও আক্ৰমণ কৰে। বৰ্তমান পাকিস্তানে লাঠিটিলা গাঁৱলৈ ভাৰতীয় লোক যোৱা বন্ধ কৰি তাত অসামৰিক বেশত সামৰিক বাহিনীৰ লোক সমাবেশ কৰাইছে।

২২ জুলাই ঃ অসম আৰু ত্ৰিপুৰাত পাকিস্তানীৰ অবৈধ অনুপ্ৰবেশৰ বিষয়টো কূটনৈতিক পৰ্যায়ত বিবেচনা কৰাৰ পক্ষত প্ৰধানমন্ত্ৰী নেহৰু আৰু মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই একমতত উপনীত হয়।

১৪ আগষ্ট ঃ পাকিস্তানৰ স্বাধীনতা দিৱসৰ দিনা কৰিমগঞ্জৰ ওচৰৰ ভাৰতীয় অঞ্চলত পাকিস্তানী সৈন্যই পোন্ধৰখন পাকিস্তানী পতাকা উত্তোলন কৰে তথা সেই অঞ্চলত পাকিস্তানী সৈন্যই গুলীবৰ্ষণ কৰে।

১৯ আগষ্ট ঃ অসম বিধানসভাত স্বাধীনতাৰ পিচত পোনপ্ৰথমবাৰৰ বাবে

১৯ নৱেম্বৰৰ পুৱালৈ চেলাৰ পৰা নামি আহিছিল ৬২ ব্ৰিগেড। দুয়োফালৰ পৰা আক্ৰমণ কৰিছিল চীনা সৈন্যই। ১০মান বজালৈ চীনা সৈন্যৰ গুলী ডিৰাঙৰ ডিভিজনেল হেড কোৱাৰ্টাৰ পাইছিলগৈ।

মেজৰ জেনেৰেল পাথানিয়া ৰোৱা নাছিল। ৬৫ ব্ৰিগেডক বমডিলালৈ নামি যাবলৈ দি নিজে ফুংটাঙৰ ফালে নামি গৈছিল, য'ত আন এটা বাহিনী আগদিনাখন পঠোৱা হৈছিল। যেতিয়ালৈকে মেজৰ জেনেৰেলে ফুংটাং পাইছিলগৈ, বমডিলাৰো অৱস্থা বেয়া।

ইফালে ডিৰাঙৰ পৰা দুই বেটেলিয়ন ইনফেণ্ট্ৰী, এক স্কোৱাড্ৰন লাইট টেংক, এক বেটেৰী ফিল্ড গান আৰু ডিভিজনেল আৰু ব্ৰিগেড হেড কোৱাৰ্টাৰৰ শতাধিক সৈন্য কিছু মেজৰ পৰ্যায়ৰ বিষয়াৰ দ্বাৰা এক গোট হৈ চীনা সৈন্যৰ আক্ৰমণ প্ৰতিহত কৰি বমডিলা পাৰ হৈ আহিব বিচাৰিছিল। মাথোঁ এটা বেটেলিয়নহে সুৰক্ষিত অৱস্থাত মিছামাৰী পাইছিলহি।

তাচপাতৰ দৰে খহি পৰিছিল ভাৰতীয় সেনাৰ সমৰসজ্জা। ১৪ নৱেম্বৰৰ পৰা ১৮ নৱেম্বৰলৈকে একাধাৰে আহিছিল পৰাজয় আৰু পতন তথা আত্মসমৰ্পণৰ লজ্জাজনক বাতৰি। বাচি থকা সৈন্যবোৰ নামি আহিছিল ৰূপালৈ। আশা কৰিছিল বাটত আহি থকা বেটেলিয়ন দুটা পাব। ৰূপা পাই দেখিছিল এটা বেটেলিয়ন ৰূপা পাবলৈ এদিন বাকী। ৪৮ ব্ৰিগেড সেই নিশাই ৰূপাত গোট খাবলৈ আৰম্ভ কৰোঁতেই তেজপুৰৰ পৰা ব্ৰিগেডলৈ নিৰ্দেশ আহিল যে ৰূপা নহয়, ভালুকপুঙতহে কোঠ পাতিব লাগে।

ব্ৰিগেডিয়াৰে অনিচ্ছা সত্ত্বেও মাথোঁ ১০ কিলোমিটাৰমান নামি আহিছিলহে, জেনেৰেল ক'লে আকৌ ৰূপালৈ ঘূৰাই পঠিয়ালে গোটেই ব্ৰিগেডটোক। তেতিয়ালৈকে বহু দেৰি হৈ গৈছিল। চীনা সৈন্যই ইতিমধ্যে ক্ষিপ্ৰতাৰে ৰূপা দখল কৰি পেলাইছিল আৰু ওলোটাই আক্ৰমণহে কৰিছিল। ৰূপাৰো পতন ঘটিছিল।

১৯ নৱেম্বৰৰ দিনা গোটেই দিনটো ব্ৰিগেডটোৱে খোজকাঢ়ি আহি

চৰকাৰৰ বিৰুদ্ধে অনাস্থাৰ প্ৰস্তাৱ উত্থাপন কৰা হয়। বিধানসভাৰ শৰৎকালীন অধিৱেশন আৰম্ভ হওঁতে বিৰোধী পক্ষৰ এঘাৰজন সদস্যৰ নামত জাননী দিয়া এই প্ৰস্তাৱটো আলোচনা কৰিবলৈ অনুমতি বিচাৰি ওঠৰজন সদস্যই থিয় দিয়ে। অধ্যক্ষই ২৩ আগষ্ট শুকুৰবাৰে প্ৰস্তাৱৰ আলোচনাৰ দিন ধাৰ্য কৰে।

● অসমৰ বিজ্ঞানী ড° কুমুদ বৰাক নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ বিজ্ঞান বিভাগৰ সচিব নিযুক্ত কৰা হয়। উল্লেখযোগ্য যে ড° বৰা ৰাষ্ট্ৰসংঘৰ এই পদত নিযুক্ত প্ৰথম অসমীয়া ব্যক্তি।

৩১ আগষ্টঃ ভাৰতীয় সীমা নিৰ্ধাৰণ আয়োগে (Delimitation Commission) ১৯৬১ চনৰ লোকপিয়লৰ ওপৰত ভিত্তি কৰি অসম বিধানসভাৰ আসনৰ সংখ্যা ১০৫খনৰ পৰা ১২৬খনলৈ আৰু অসমৰ পৰা লোকসভাৰ আসনৰ সংখ্যা ১৩ৰ পৰা ১৪খনলৈ বৃদ্ধি কৰি এক চৰকাৰী সূচনা পত্ৰ জাৰি কৰে।

● গুৱাহাটী বাসিন্দা সন্থাৰ আৱেদন অনুযায়ী অসম চৰকাৰে গুৱাহাটী নগৰত চৰকাৰী মাটি বন্দৰস্তি দিয়া সম্পৰ্কে এক নতুন ঘোষণা আগবঢ়ায়।

৫ ছেপ্টেম্বৰঃ নতুন দিল্লীত অসমৰ পাৰ্বত্য অঞ্চলসমূহৰ সমস্যা সমাধানৰ প্ৰসংগত প্ৰধানমন্ত্ৰী নেহৰু আৰু অসমৰ সৰ্বদলীয় পাৰ্বত্য সন্মিলনৰ ছজনীয়া প্ৰতিনিধি দলৰ মাজত এক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নেহৰুৱে পূৰ্বতে প্ৰস্তাৱ দিয়া স্কটলেণ্ড আৰ্হিৰ স্বায়ত্ত শাসনতকৈও অধিক উদাৰ আন এটা প্ৰস্তাৱ দাঙি ধৰে। এই প্ৰস্তাৱত অসমৰ ৰাজ্যক্ষেত্ৰৰ কোনো হেৰফেৰ নকৰাকৈ পাৰ্বত্য অঞ্চলসমূহক নিজৰ বিষয়ত সম্পূৰ্ণ স্বায়ত্ত শাসনৰ অধিকাৰ দিয়া হয়। প্ৰধানমন্ত্ৰীৰ প্ৰস্তাৱ অনুসৰি পাৰ্বত্য অঞ্চলসমূহৰ প্ৰশাসনৰ দায়িত্ব দিবলৈ অসমৰ মন্ত্ৰীসভাত এজন মন্ত্ৰী বা আৰু পাৰ্বত্য অঞ্চলসমূহৰ প্ৰশাসন আৰু উন্নয়নৰ ব্যৱস্থা ল'বলৈ অসম সচিবালয়ত এটা পৃথক শাখা গঠন কৰা হ'ব। পাৰ্বত্য অঞ্চলসমূহৰ পৰা নিৰ্বাচিত এম এল এ সকলক লৈ এখন আঞ্চলিক কমিটী গঠন কৰা হ'ব আৰু সেই কমিটীক পাৰ্বত্য অঞ্চল সম্পৰ্কত ৰাজ্যিক বিধানসভাই কৰা যিকোনো

সন্ধিয়া চাকু পাইছিলহি। চাকু ভালুকপুঙৰ পৰা মাথোঁ ১৫ কিলোমিটাৰমান আগত।

সাৰিব পৰা নাছিল ভাৰতীয় সেনা। দুপৰনিশা চাকুত চীনা সৈন্যই এম্বুশ্ব কৰিছিল। একো বাকী ৰখা নাছিল ভাৰতীয় সেনাৰ। টাৱাঙৰ পৰাই প্ৰতিবাৰে চীনা সৈন্যৰ ক্ষিপ্ৰগতিৰ আক্ৰমণে তচ্‌নচ্‌ কৰি দিছিল ভাৰতীয় সেনাক। চাকুতো একেই হ'ল।

৪৮ ব্ৰিগেড অৱশেষত যুঁজ দি ভাগি গ'ল। সৰু সৰু দলেৰে ভৈয়ামলৈ পলাল ভাৰতীয় সেনা। চাকু চীনৰ দখলত। তেজপুৰ মাথোঁ ৫০ কিলোমিটাৰ।

২০ নৱেম্বৰ, ১৯৬২লৈ সমগ্ৰ নেফাত কোনো সংগঠিত ভাৰতীয় সেনা নাছিল। যি আছিল সেয়া অসংগঠিত দুৰ্বল পলৰীয়া ভাৰতীয় সেনা। কাৰ্যতঃ নেফা চীনৰ দখলত। টাৱাঙৰ পৰা চাকুলৈ, কিবিথোৰ পৰা ৱালঙলৈ সকলোতে ভাৰতীয় সেনা বিধ্বস্ত। সেইবোৰ এলেকা সম্পূৰ্ণ চীনৰ দখলত। সামৰিকভাৱে চীনৰ জয় সম্পূৰ্ণ। ভাৰত সম্পূৰ্ণৰূপে পৰাজিত।

শেহনিশা চীনে ঘোষণা কৰিছিল—

- Begining from 00.00 hours of November 21, 1962 the Chinese Frontier Guards will ceasefire along the entire Sino-Indian border.
- Begining from December 1, 1962 the Chinese Frontier Guards will withdraw to positions 20 kilometer behind the line of actual control which existed between China and India on November 7th, 1959.

বিশ্ব স্তম্ভিত হৈ গৈছিল। ভাৰত আৰু স্তম্ভিত। ইমান ওচৰলৈ আহি চীনা সৈন্য ঘূৰি কিয় গ'ল? তেজপুৰতো অনায়াসে দখল কৰিব পাৰিলেহেঁতেন। ঠিক তেনেকৈ তিনিচুকীয়াৰো পতন হ'লহেঁতেন।

আইন অনুমোদন কৰা আৰু আইন কৰিবলৈ দিহা দিয়াৰ ক্ষমতা দিয়া হ'ব। পাৰ্বত্য অঞ্চল সম্পৰ্কীয় বাৰ্ষিক বাজেট প্ৰস্তাৱ পৰীক্ষা আৰু বিবেচনা কৰাৰ ক্ষমতাও এই কমিটীৰ হাতত থাকিব।

১১ অক্টোবৰ ঃ অসমৰ আগশাৰীৰ কংগ্ৰেছ নেতা, ভূতপূৰ্ব বিত্ত মন্ত্ৰী মতিৰাম বৰাৰ মৃত্যু।

১২ অক্টোবৰ ঃ শৰৎ চন্দ্ৰ সিংহ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি হিচাপে অপ্ৰতিদ্বন্দ্বীভাৱে নিৰ্বাচিত।

১২ অক্টোবৰ ঃ পাকিস্তানী লোকে হঠাতে ভাৰতীয় সীমান্ত অতিক্ৰম কৰি আহি খাছীয়া জয়ন্তীয়া পাহাৰ আৰু চিলেটৰ মাজত অৱস্থিত তামাবিলৰ শেষ ভাৰতীয় তালাচী চকীটো অতিক্ৰম কৰে আৰু তাত থকা কেইবাজনো ভাৰতীয় পুলিচক মাৰপিট কৰি গুৰুতৰভাৱে আহত কৰে। পাকিস্তানী লোকসকলে পূব পাকিস্তান ৰাইফল্‌ছৰ সহায়ত এই আক্ৰমণ চলায়।

১৩ নৱেম্বৰ ঃ পাকিস্তানী অনুপ্ৰৱেশকাৰীবিলাকক বহিষ্কাৰ কৰাৰ পূৰ্বে সিহঁতৰ বিষয়ে পৰীক্ষা কৰি চাবৰ বাবে ভাৰত চৰকাৰে অসমত দুখন বিচাৰ বিভাগীয় ট্ৰিবিউনেল গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই ট্ৰিবিউনেলত অৱসৰপ্ৰাপ্ত জিলা ন্যায়াধীশসকলক অন্তৰ্ভুক্ত কৰা হ'ব। এই কথা ঘোষণা কৰে কেন্দ্ৰীয় মন্ত্ৰী গুলজাৰিলাল নন্দই।

২৬ নৱেম্বৰ ঃ প্ৰধানমন্ত্ৰী নেহৰুৱেই অসমৰ পাৰ্বত্য জিলাকেইখন সন্দৰ্ভত আগবঢ়োৱা নতুন প্ৰস্তাৱ সন্দৰ্ভত ভাৰত চৰকাৰে এক আয়োগ গঠন কৰাৰ কথা ৰাজ্যসভাত ঘোষণা কৰে।

১ ডিচেম্বৰঃ ক'হিমাৰ ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত বিশেষ উৎসৱত ভাৰতৰ ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণে ভাৰতৰ ১৬তম ৰাজ্য নগাৰাজ্য আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ১৯৬০ চনৰ ১ আগষ্টৰ দিনা প্ৰধানমন্ত্ৰী নেহৰুৱে ভাৰতৰ ভিতৰত চৰকাৰে ১৬তম ৰাজ্য এখন সৃষ্টি কৰিবলৈ সিদ্ধান্ত লোৱাৰ কথা ঘোষণা কৰিছিল। তাৰ দুবছৰৰ পিচত অৰ্থাৎ ১৯৬২ চনৰ আগষ্ট মাহত নগাৰাজ্য স্থাপন কৰাৰ বাবে সংসদত এখন বিল উত্থাপন কৰা হৈছিল। লোকসভাত সেই বিল গৃহীত হয় আৰু ভাৰতবৰ্ষৰ

তেন্তে ঘূৰি কিয় গৈছিল চীনা সৈন্য?

বিশ্বৰ জানিবৰ বাকী নাছিল যে ভাৰতৰ ফ'ৰৱাৰ্ড পলিচী বা বাৰে বাৰে সীমা ঠেলাৰ ভয়ানক শাস্তি দিব বিচাৰিছিল চীনে। সেই কাৰণেই ভাৰতীয় সেনাৰ কামিহাড় ভাঙি চীন উভতি গৈছিল।

১৯৬২ চনৰ পৰা কোনো দলৰে কেন্দ্ৰীয় চৰকাৰে ভাৰত-চীন সমস্যা সমাধানৰ কাৰণে আগ্ৰহ নেদেখুৱালে। বৰঞ্চ ভাৰত কঠোৰহে হৈ পৰিল। চীন-ভাৰত সীমান্ত সমস্যা তেনেকৈয়ে পৰি ৰ'ল। ৫০ বছৰৰ পিচতো নতুন নতুন তথ্য ওলায়েই আছে। চীনৰ ফালৰ পৰা বহুতে ক'ব খোজে যে ১৯৬২ চনত চেয়াৰমেন মাওৰ দেশখনৰ ওপৰত নিজৰ শক্তি কমি আহিছিল আৰু সেই কাৰণেই ভাৰতক এশিকনি দিয়াৰ ছলেৰে নিজকে অধিক শক্তিশালী কৰি তুলিছিল চীনৰ দলীয় পলিটব্যুৰ'ত।

কিমান সত্য সেয়া গৱেষণাত ওলাব। কিন্তু সত্য এয়ে যে ১৯৬২ৰ ভাৰত-চীন যুদ্ধত ভাৰতীয় সৈন্যৰ হতাহতি আৰু নিখোজৰ পৰিসংখ্যা আছিল এনেধৰণৰ—

মৃত	১,৩৮৩
নিখোজ	১,৬৯৬
যুদ্ধবন্দী	৩,৯৬৮
মুঠ	৭,০৪৭

ৰাষ্ট্ৰপতিয়ে পহিলা ডিচেম্বৰত ৰাজ্যখন বিহিতভাৱে উদ্বোধন কৰাৰ দিন স্থিৰ কৰে।

উদ্বোধনীৰ দিনাখন নগাৰাজ্যৰ মুখ্য সচিব উমানাথ শৰ্মাই উদ্বোধনী উৎসৱৰ আৰম্ভণিতে বিষ্ণু সহায়ক নগা ৰাজ্যৰ ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰায়। সহায়ে তাৰ পিচত নগাৰাজ্যৰ মুখ্যমন্ত্ৰী পি শ্বিলু আও আৰু তেওঁৰ মন্ত্ৰীসভাৰ আন চাৰিজন সদস্য হোকিশ্বে চেমা, জাছুকি আংগামী, আৰ চিতেন জমিৰ আৰু আক্‌ম ইমলুঙক শপত গ্ৰহণ কৰায়। ৰাজ্যপালে অসম উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ নাইডুক নগাৰাজ্যৰ 'পিউনী' ন্যায়াধীশ হিচাপে শপত গ্ৰহণ কৰায়।

● অসমলৈ হোৱা পাকিস্তানী অনুপ্ৰৱেশ সম্পৰ্কে আলোচনা কৰিবলৈ গুৱাহাটীত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই ৰাজহুৱা সভাই ১৯৬৪ চনৰ ১ জানুৱাৰীৰ দিনা অসমজুৰি পাকিস্তানী অনুপ্ৰৱেশ বিৰোধ দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সভাত মধুসূদন দাসক (এম এল এ)ক স্থায়ী সভাপতি আৰু ত্ৰৈলোক্য নাথ ফুকনক সাঃ সম্পাদক হিচাপে লৈ সদৌ অসম পাকিস্তানী অনুপ্ৰৱেশ নিৰোধ সভাৰ এখন প্ৰাদেশিক কমিটী গঠন কৰা হয়। সভাত অম্বিকাগিৰী ৰায়চৌধুৰী আৰু জনসংঘ দলৰ পূব অঞ্চলৰ সংগঠক নানাজী দেশমুখো উপস্থিত থাকে।

১৭ ডিচেম্বৰ ঃ প্ৰধানমন্ত্ৰী নেহৰুৱে ৰাজ্যসভাত অসম আৰু নেফাৰ মাজত থকা 'ইনাৰলাইন' নামৰ বাধা-নিষেধ ৰেখাডালক শিথিল কৰাৰ পৰামৰ্শ অগ্ৰাহ্য কৰে।

২৭ ডিচেম্বৰ ঃ মধ্য প্ৰদেশৰ ৰায়পুৰত সদৌ ভাৰত সৰ্বোদয় সন্মিলনৰ পঞ্চদশ অধিৱেশনত সভাপতিত্ব কৰিবৰ বাবে অসমৰ বিশিষ্ট সমাজ সেৱিকা অমলপ্ৰভা দাস নিৰ্বাচিত হয়।

নাগালেণ্ডৰ আত্মপ্ৰকাশ

নাগালেণ্ড গঠন সন্দৰ্ভত ইয়াৰ আগৰ খণ্ডতেই এটি ঐতিহাসিক পাতনি দাঙি ধৰা হৈছে। ইয়াত নগা ৰাজ্য গঠন সম্পৰ্কীয় আন কিছুমান ঐতিহাসিক পৰিঘটনাৰ বিষয়ে উল্লেখ কৰাৰ প্ৰয়াস কৰা হৈছে। পঞ্চাশৰ দশকৰ মাজভাগৰ পৰা আৰম্ভ কৰি শেষৰ সময়ছোৱালৈকে আত্মগোপনকাৰী নগা বিদ্ৰোহী আৰু সুৰক্ষা বাহিনীসমূহৰ ধাৰাবাহিক হিংসাত্মক কাৰ্যত নাগালেণ্ডত শান্তিৰ বাতাৱৰণ পূৰ্ণ ৰূপত বিনষ্ট হৈ পৰিছিল। হিংসাৰ বিৰুদ্ধে ভালেসংখ্যক লোকে মুকলিভাৱে মত প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছিল।

১৯৬৪

১ জানুৱাৰী ঃ যোৰহাটত অৱস্থিত ভাৰতীয় চাহ সংস্থাৰ টোকলাই পৰীক্ষা কেন্দ্ৰটোৰ প্ৰশাসনিক দায়িত্ব আজি চাহ গৱেষণা সংস্থাই গ্ৰহণ কৰে।

১২ জানুৱাৰী ঃ সুকীয়া ৰাজ্যৰ বাবে আন্দোলন চলাই যোৱা মিজো নেচনেল ফ্ৰণ্টে যদিহে ইয়াৰ বিচ্ছিন্নতাবাদী কাৰ্যকলাপ অব্যাহত ৰাখে তেন্তে শীঘ্ৰেই এই সংগঠনটোক নিষিদ্ধ ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই এক বক্তব্য ৰাখে।

২৬ জানুৱাৰী ঃ মধুপুৰ সত্ৰত নকৈ নিৰ্মাণ কৰা গুৰুগৃহত শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পবিত্ৰ স্মৃতিচিহ্ন সংস্থাপন কৰা হয়। খোল, ৰৰতাল আৰু কীৰ্ত্তনেৰে মুখৰিত এক অনুষ্ঠানত প্ৰায় ১,৫০০ ভকতৰ উপস্থিতিত মহাপুৰুষ শংকৰদেৱে ব্যৱহাৰ কৰা এযোৰ চন্দন কাঠৰ পাদুকা, চিয়াঁহীৰ এক পাত্ৰ আৰু এটি কলম আৰু তেওঁৰ মৃতাৱশেষ আৰু তেওঁৰ দ্বাৰা লিখিত কীৰ্ত্তন পুথি সংস্থাপন কৰা হয়। এখন সুসজ্জিত থাপনাত আশীৰ উৰ্দ্ধৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত আতৈ বুঢ়াগোসাঁয়ে সামগ্ৰীসমূহ স্থাপন কৰে।

২ ফেব্ৰুৱাৰী ঃ মিজো পাৰ্বত্য জিলাত বাস কৰা মাৰাছ (লাখেৰ) সকলে এক সুকীয়া জিলা পৰিষদৰ দাবী তোলে। অসমৰ ৰাজ্যপাল বিষ্ণু সহায়ৰ ওচৰত দাখিল কৰা এক স্মাৰকপত্ৰত এই জনজাতিটোৱে লুছাই আৰু পইছসকলৰ আগ্ৰাসনত নিজৰ অস্তিত্বক লৈ শংকিত হোৱা বুলি ৰাজ্যপালজনক অৱগত কৰায়। সেয়েহে প্ৰায় ১,৫০০ বৰ্গমাইল এলেকাত বাস কৰা প্ৰায় ১২,০০০ মাৰাছ লোক মিজো পাৰ্বত্য জিলা পৰিষদৰ অধীনত সুৰক্ষিত নহয় বুলি স্মাৰকপত্ৰত সদৰী কৰা হয়।

৩ ফেব্ৰুৱাৰী ঃ অসম চৰকাৰে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী এইচ চি দাসগুপ্তাৰ হাতত প্ৰদান কৰা এখন স্মাৰকপত্ৰযোগে অসম আৰু ভাৰতবৰ্ষৰ মাজত দ্ৰুত ৰে'লসেৱা শীঘ্ৰে প্ৰৱৰ্তন কৰাৰ দাবী জনায়। স্মাৰকপত্ৰত ৰঙিয়া হৈ বঙাইগাঁৱৰ পৰা গুৱাহাটীলৈ ব্ৰডগজ ৰে'ললাইনৰ সম্প্ৰসাৰণ তথা সুৰক্ষা আৰু উন্নয়নৰ স্বাৰ্থত অসমৰ অন্যান্য প্ৰান্ত, ত্ৰিপুৰা আৰু মণিপুৰলৈও এই সেৱা পৰিবৰ্ধন

একেদৰে সেই সময়ছোৱাতে ভালেসংখ্যকে ফিজোৰ দাবীৰ ন্যায্যতা মানি লৈছিল আৰু এচামে ইয়াক এক অসাৰ দাবী বুলি গণ্য কৰিবলৈ আৰম্ভ কৰিছিল। বহুতো নগা নেতাই নাগা নেচনেল কাউঞ্চিলৰ পৰা পদত্যাগ কৰে আৰু এইসকলৰ ভিতৰত উল্লেখযোগ্য ব্যক্তিজন আছিল টি ছাখ্ৰে। নিজৰ বৌদ্ধিক প্ৰজ্ঞাৰে ছাখ্ৰেই নগা সমস্যাটোৰ সমাধান শান্তিপূৰ্ণ এক গণতান্ত্ৰিক পন্থাৰে হোৱাটো বিচাৰিছিল। ফিজো বাহিনীৰ আপত্তি আছিল তাতেই। সেয়েহে ১৯৫৬ চনৰ জানুৱাৰী মাহত আত্মগোপনকাৰী সশস্ত্ৰ বাহিনীৰ দ্বাৰা ছাখ্ৰেক অপহৰণ কৰি নি হত্যা কৰা হয়। নগা বিদ্ৰোহীৰ সশস্ত্ৰ পন্থাৰ বিৰুদ্ধে মাত মাতি জীৱন দিব লগা হোৱা এইটোৱেই আছিল প্ৰথম হত্যাকাণ্ড। নগা বিদ্ৰোহীৰ হাতত পৰৱৰ্তী সময়ত জীৱন হেৰুৱাব লগা হোৱা আন দুগৰাকী ব্যক্তি আছিল ড° ইমকোঙলিবা আও আৰু কাইটো ছেমা। এওঁলোকৰ অপৰাধ আছিল এটাই— ফিজোৰ বিৰুদ্ধাচৰণ কৰা আৰু নগা সমস্যাৰ এক বিকল্প সমাধান প্ৰসংগ উত্থাপন কৰা।

সশস্ত্ৰ বিদ্ৰোহৰ বিৰোধিতা কৰা উদাৰ ভাবপন্থী লোকসকলে ১৯৫৬ চনৰ আগডোখৰত নাগা পীচ অৰ্গেনাইজিং কমিটী (Naga Peace Organizing Committee) শীৰ্ষক এটা সংগঠনৰ জন্ম দিয়ে আৰু এই কমিটীৰ সভাপতি আৰু যুটীয়া সম্পাদক হয়গৈ লেভি আৰু জাছোকি। এই কমিটীখনৰ মূল উদ্দেশ্যসমূহ আছিল এনেধৰণৰ— (১) নগা বসতিপ্ৰধান এলেকাবোৰত শান্তিপূৰ্ণ পৰিৱেশ প্ৰতিষ্ঠা কৰা, (২) অশান্তজৰ্জৰ পৰিৱেশত আক্ৰান্ত নিৰপৰাধী নগা লোকসকলক সকাহ প্ৰদান কৰা, (৩) বিদ্ৰোহী নগাসকলক হিংসাত্মক পন্থাৰ পৰা আঁতৰি আহিবলৈ সৈমান কৰা।

১৯৫৬ চনৰ ২৪ মাৰ্চত এই কমিটীখনৰ ফালৰ পৰা খেদ প্ৰকাশ কৰি কোৱা হয় যে হিংসাত্মক কাৰ্যাৱলীয়ে কেৱল নগা লোকৰ স্বাৰ্থৰ বিৰুদ্ধেহে কাম কৰিব আৰু এই হিংসাই ভীষণ কষ্টৰ মাজলৈ জাতিটোক ঠেলি পঠিয়াব।

কৰাৰ দাবী তোলে।

১০ ফেব্ৰুৱাৰী : পূব পাকিস্তানৰ পৰা অসমলৈ অহা শৰণাৰ্থীসকলৰ সামগ্ৰিক সাহায্য আৰু পুনঃসংস্থাপনৰ খৰচ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিব বুলি অসম চৰকাৰৰ মুখপাত্ৰই আজি সদৰী কৰে।

২৩ ফেব্ৰুৱাৰী : প্ৰসিদ্ধ নৃতত্ত্ববিদ আৰু অসমৰ ৰাজ্যপালৰ জনজাতীয় বিষয়ক উপদেষ্টা ড° ভেৰিয়াৰ এলুইনৰ নতুন দিল্লীত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬১ বছৰ। মধ্য প্ৰদেশ তথা উত্তৰ-পূব ভাৰতৰ বিভিন্ন জনজাতিৰ ওপৰত নৃতত্ত্বমূলক গৱেষণা কৰা এলুইনে প্ৰায় আঠাইবোৰ জনজাতিৰে কথিত ভাষা ক'ব পাৰিছিল। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা এইজনা ব্ৰিটিছ পণ্ডিতে খ্ৰীষ্টান আৰু হিন্দুৰ মাজত থকা সম্পৰ্ক তথা অতীন্দ্ৰিয়বাদৰ বিষয়ত তিনিখন গ্ৰন্থ ৰচনা কৰিছিল আৰু পৰৱৰ্তী কালত নৃতত্ত্ব আৰু জনজাতীয় ধৰ্মতত্ত্ব বিষয়ত কৰা গৱেষণাৰ ক্ষেত্ৰত এই গ্ৰন্থকেইখন আধাৰ হৈ পৰিছিল। মহাত্মা গান্ধীৰ সংস্পৰ্শলৈ অহাৰ পিচত তেওঁ ভাৰতৰ জাতীয় আন্দোলনবো সমৰ্থক হৈ পৰিছিল। ১৯৫৩ চনত ভাৰত চৰকাৰৰ নৃতত্ত্ব বিভাগৰ সঞ্চালক পদত তেওঁ নিযুক্ত হয় আৰু একেটা বৰ্ষতে তেওঁ দেশৰ নৃতত্ত্ব উপদেষ্টা পদত অধিষ্ঠিত হয়। ১৯৫৪ চনত প্ৰধানমন্ত্ৰী নেহৰুৰ আহ্বানমৰ্মে তেওঁ নেফাৰ প্ৰশাসনত ৰাজ্যপালৰ জনজাতীয় উপদেষ্টা হিচাপে যোগদান কৰে। তেওঁৰ দ্বাৰা ৰচিত বিখ্যাত গ্ৰন্থ দুখন হৈছে 'A New Deal for Tribal India', আৰু 'A Philosophy for NEFA'। ১৯৬১ চনত তেওঁক ভাৰত চৰকাৰে পদ্মভূষণ সন্মান প্ৰদান কৰিছিল।

১৭ মাৰ্চ : অসম ভ্ৰমণলৈ অহা কেন্দ্ৰীয় গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দই সকলো অবৈধ প্ৰব্ৰজনকাৰীয়ে ভাৰতবৰ্ষ এৰি যাবলৈ বাধ্য বুলি গুৱাহাটীত ঘোষণা আগবঢ়ায়। যিসকলে যথাযথ নথি অবিহনে ভাৰতত প্ৰৱেশ কৰি বাস কৰি আছে সেইসকলৰ বিৰুদ্ধে প্ৰশাসনে কঠোৰ স্থিতি গ্ৰহণ কৰিব বুলি তেওঁ মত ব্যক্ত কৰে। এইক্ষেত্ৰত ভাৰতীয় মুছলমানসকলে প্ৰশাসনক সহায় কৰাটো প্ৰয়োজনীয় বুলি তেওঁ কয়।

১৯৫৭ চনৰ ২২ৰ ২৬ আগষ্টৰ ভিতৰত ক'হিমাত প্ৰথম নগা জাতীয় অভিৱৰ্তন বা চমুকৈ এন পি চি (Naga People's Convention) অনুষ্ঠিত হয়। এই অভিৱৰ্তনত নগা পাহাৰ আৰু টুৱেনচাং ফ্ৰণ্টিয়াৰ ডিভিজনৰ ১৫টা নগা জনগোষ্ঠীৰ ১,৭৩৫জন প্ৰতিনিধিয়ে যোগ দিছিল। ড° ইমকোঙলিবা আওৰ সভাপতিত্বত অনুষ্ঠিত এই অভিৱৰ্তনত প্ৰায় দুহেজাৰ লোক দৰ্শক হিচাপে উপস্থিত আছিল। এই অভিৱৰ্তনত লোৱা সিদ্ধান্তবোৰ আছিল এনেধৰণৰ—

(১) নগা সমস্যাবোৰক কেৱল এক সন্তোষজনক ৰাজনৈতিক মীমাংসাৰেহে সমাধা কৰিব পৰা যায়।

(২) যিহেতু নগা পাহাৰৰ বহু লোকে আত্মগোপন কৰি আছে আৰু নগা পাহাৰ জিলাত মুক্ত চলাচল আৰু বাক স্বাধীনতাৰ পৰিবেশ বিৰাজ কৰি থকা নাই, সেয়েহে বুজাবুজিৰ বাবে প্ৰাথমিক আলোচনা এনে এক পৰিৱেশত ৰচনা কৰাটো সম্ভৱপৰ নহয়।

(৩) এক ৰাজনৈতিক সু-মীমাংসা কৰিবলৈ হ'লে অসমৰ নগা পাহাৰ জিলা আৰু নেফাৰ টুৱেনচাং ফ্ৰণ্টিয়াৰ ডিভিজন তথা ১৯২১ চনৰ সংস্কাৰৰ পিচত নগা পাহাৰ জিলাৰ পৰা নিলগ কৰা সংৰক্ষিত বনাঞ্চলসমূহক একেলগ কৰি এটা সুকীয়া প্ৰশাসনিক গোট গঠন কৰিব লাগে। অসমৰ ৰাজ্যপালৰ অধীনত এই প্ৰশাসনিক গোটটোক প্ৰত্যক্ষভাৱে ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰণালয়ৰ অধীনত ৰাখিব লাগে।

(৪) ভাৰত ৰাষ্ট্ৰই বিদ্ৰোহ দমনৰ বাবে ব্যৱহাৰ কৰা সামৰিক তথা পুলিচ বাহিনী উঠাই নিব লাগে আৰু একেদৰে নগাসকলেও সশস্ত্ৰ বিদ্ৰোহ পৰিত্যাগ কৰিব লাগে।

এই অভিৱৰ্তন চলি থকাৰ সময়তে অসমৰ ৰাজ্যপালে ১৯৫৭ চনৰ ২৫ আগষ্টত বাৰ্তা প্ৰেৰণ কৰি জনালে যে যদিহে অভিৱৰ্তনৰ প্ৰতিনিধিসকলে সঁচাকৈয়ে ৰাজনৈতিক সমাধান বিচাৰে তেন্তে ই ভাৰত চৰকাৰৰ

১৮ মাৰ্চ ঃ পূব পাকিস্তানৰ পৰা অসমলৈ ব্যাপক পৰিমাণত ভগনীয়াৰ প্ৰব্ৰজন হোৱাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰ তথা নেফাৰ প্ৰশাসনে প্ৰায় তিনি হেজাৰ ভগনীয়াক টিৰাপ পাৰ্বত্য সংমণ্ডল এলেকাত পুনৰ্সংস্থাপন দিয়াৰ কথা ঘোষণা কৰে।

১৯ মাৰ্চ ঃ প্ৰায় ৫০টা সংগঠন আৰু দুশৰো অধিক লোকে গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দক তেওঁৰ অসম ভ্ৰমণৰ কালছোৱাত সাক্ষাৎ কৰি পূব পাকিস্তানৰ পৰা অসমলৈ হোৱা অবৈধ প্ৰব্ৰজন প্ৰতিহত কৰিবলৈ নানা দিহা-পৰামৰ্শ প্ৰদান কৰে। অসম-পাকিস্তান সীমান্তৱৰ্তী এলেকাত বাস কৰি থকা নাগৰিকসকলৰ বাবে পৰিচয়পত্ৰ বাধ্যতামূলক কৰাৰ উপদেশো ইয়াত সামৰা হৈছে।

৩০ মাৰ্চ ঃ ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মৃত্যু ঃ অসমৰ বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ আজি গুৱাহাটী উজানবজাৰৰ ঘৰত মৃত্যু ঘটে। মৃত্যুৰ সময়ত বয়স হৈছিল ৫৬ বছৰ। ১৯০৮ চনৰ ১৬ অক্টোবৰত নগাঁৱত জন্মগ্ৰহণ কৰা বৰুৱাই ১৯৩৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পালি ভাষাত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল। একে বিশ্ববিদ্যালয়ৰ পৰা বৰুৱাই আইনৰ স্নাতক ডিগ্ৰীও গ্ৰহণ কৰিছিল। ১৯৪৭ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা 'A Cultural History of Assam' শীৰ্ষক বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে। পালি আৰু সংস্কৃত ভাষাৰ এগৰাকী বিদগ্ধ পণ্ডিত বৰুৱাই ১৯৩৮ চনত কটন মহাবিদ্যালয়ত অসমীয়া ভাষাৰ শিক্ষক হিচাপে যোগ দিয়ে আৰু ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাত তাৰ অসমীয়া বিভাগৰ অধ্যাপক হয়। তেওঁ বিশ্ববিদ্যালয়খনৰ কলাগুৰু আসনতো অধিষ্ঠিত হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত লোক-সংস্কৃতি বিভাগ স্থাপনৰ বীজো অংকুৰণ কৰিছিল ড° বিৰিঞ্চি কুমাৰ বৰুৱাই। বীণা বৰুৱা আৰু ৰাস্না বৰুৱা ছদ্মনামত সাহিত্য চৰ্চা কৰা এইজনা প্ৰখ্যাত সাহিত্যিকৰ 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী' উপন্যাস দুখনক অসমীয়া সাহিত্যৰ ইতিহাসত দুখন শ্ৰেষ্ঠ উপন্যাস হিচাপে মৰ্যাদা দিয়া হয়।

অধীনতে হ'ব লাগিব আৰু এক গ্ৰহণযোগ্য ৰাজনৈতিক সমাধানৰ বাবে সকলোৱে আগ্ৰহ প্ৰকাশ কৰা উচিত। এই বাৰ্তাৰ পিচত ১৯৫৭ চনৰ ২৬ আগষ্টত এন পি চিৰ ফালৰ পৰা এটা প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল আৰু ড' ইমকোঙলিবা আওৰ নেতৃত্বত ভাৰত চৰকাৰৰ সৈতে আলোচনাত বহিবলৈ এখন নজনীয়া প্ৰতিনিধি কমিটী গঠন কৰি দিয়া হ'ল। এই প্ৰতিনিধি দলটোৱে প্ৰথমতে অসমৰ ৰাজ্যপালজনক সাক্ষাৎ কৰি পৰৱৰ্তী সময়ত ১৯৫৭ চনৰ ২৫ আৰু ২৬ ছেপ্টেম্বৰত ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰীয়ে অভিৱৰ্তনে গ্ৰহণ কৰা নতুন প্ৰশাসনিক গোটৰ দাবীটো মানি লয়। ১৯৫৭ চনৰ ১ ডিচেম্বৰত নতুন প্ৰশাসনিক গোটটোৱে নগা হিল-টুৱেনচাং এৰিয়া (NHTA) নামেৰে আত্মপ্ৰকাশ কৰে আৰু ইয়াক অসমৰ পৰা ফালৰি কাটি আনি প্ৰত্যক্ষভাৱে বৈদেশিক মন্ত্ৰণালয়ৰ অধীনত ৰখা হয়।

ভাৰতবৰ্ষৰ সাংবিধানিক গাঁথনিটোৰ ভিতৰতে এক ৰাজনৈতিক সমাধানসূত্ৰ বাহিৰ হৈছিল যদিও বিদ্ৰোহী নগাসকলে এন পি চিয়ে লোৱা পন্থাক সমূলি সমৰ্থন কৰা নাছিল। ফলত দুয়ো পক্ষৰ মাজত দ্বন্দ্ব দিনক দিনে বাঢ়িহে গৈছিল। ১৯৫৮ চনৰ ২১ ৰ পৰা ২৩ মে'ৰ ভিতৰত মোককচাং জিলাৰ উঙমাত দ্বিতীয় নগা জাতীয় অভিৱৰ্তনখন অনুষ্ঠিত হয়। এই সভাই সকলোধৰণৰ হিংসাত্মক কাৰ্যৰ তীব্ৰ সমালোচনা কৰে আৰু বিদ্ৰোহীসকলৰ সৈতে সম্পৰ্ক স্থাপনৰ বাবে এখন কমিটী গঠন কৰি দিয়ে। এই কমিটীৰ সদস্যসকলে বিদ্ৰোহী নগাসকলৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰিছিল। অথচ এই সম্পৰ্ক স্থাপনে বিশেষ একো কাম নিদিলে। আত্মগোপনকাৰী বিদ্ৰোহীসকলে তেওঁলোকৰ চৰকাৰক স্বীকৃতি দিয়া তথা ভাৰত চৰকাৰৰ সৈতে আলোচনা কৰাৰ আগতে স্বাধীনতাৰ দাবীটোক পূৰ্বচৰ্ত হিচাপে মানি লোৱাত জোৰ দি থাকিল।

১৯৫৯ চনৰ ২২ৰ পৰা ২৬ অক্টোবৰৰ ভিতৰত হোৱা এন পি চিৰ তৃতীয়খন অভিৱৰ্তনত ১৬ দফীয়া সিদ্ধান্ত গ্ৰহণ কৰা হয়। নগা সমস্যাটোৰ

৬ এপ্ৰিল ঃ অসম বিধানসভাত অসম পঞ্চায়ত (সংশোধনী) বিধেয়ক ১৯৬৪ গৃহীত হয়।

৯ এপ্ৰিল ঃ পাক-ভাৰত গৃহ মন্ত্ৰী সন্মিলনত অসম আৰু ত্ৰিপুৰাত অবৈধভাৱে প্ৰৱেশ কৰা পাকিস্তানী অনুপ্ৰৱেশকাৰীৰ বিষয়টো সন্নিৱিষ্ট হোৱাৰ প্ৰতিবাদত অসমৰ পৰা নিৰ্বাচিত সাংসদসকলে গৃহ মন্ত্ৰীৰ ওচৰত তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰে। ভাৰতৰ এক আভ্যন্তৰীণ সুৰক্ষাজনিত বিষয়ত পাকিস্তানৰ গৃহ মন্ত্ৰীয়ে মাত মতাৰ কোনো অধিকাৰ নাই বুলিও সাংসদসকলে গৃহ মন্ত্ৰীক জানিবলৈ দিয়ে। গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দৰ সৈতে হোৱা এক যোগাযোগত অসম সংসদ সমিতিৰ আহ্বায়ক লীলাধৰ কটকীয়ে কয় যে অবৈধ অনুপ্ৰৱেশকাৰীসকলক বহিষ্কাৰ কৰাৰ আগতে সেই সকলক সূক্ষ্মভাৱে পৰীক্ষণ কৰা হৈছে। পাকিস্তানৰ ফালৰ পৰা তোলা অভিযোগৰ ভিত্তি এয়ে যে বহিষ্কৃতসকলৰ ভিতৰত ৯৮.৫ শতাংশ লোকে ভাৰতীয় মুছলমান বুলি ন্যায়িক অনুসন্ধানৰ অন্তত প্ৰমাণিত হৈছে। অসমৰ মুখ্যমন্ত্ৰীজনে এনে অভিযোগ ভিত্তিহীন বুলি কোৱাৰ লগতে গৃহ মন্ত্ৰী নন্দয়ো পাকিস্তানে এই ক্ষেত্ৰত বিচৰা আন্তঃৰাষ্ট্ৰীয় ট্ৰিবিউনেল গ্ৰহণযোগ্য নহয় বুলি কয়।

১১ এপ্ৰিল ঃ গুৱাহাটীৰ নবীন চন্দ্ৰ বৰদলৈ হলত অনুষ্ঠিত এখন ৰাজহুৱা সভাত এবছৰৰ ভিতৰতে পাকিস্তানী অনুপ্ৰৱেশকাৰীসকলক বহিষ্কাৰ কৰাৰ বাবে ভাৰত চৰকাৰে ব্যৱস্থা ল'ব লাগে বুলি দাবী তোলা হয়।

১৫ এপ্ৰিল ঃ কেন্দ্ৰীয় গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দই আজি লোকসভাত কয় যে অবৈধ অনুপ্ৰৱেশ ৰোধ কৰিবলৈ শেহতীয়া ভ্ৰমণ কালত তেওঁ অসমবাসীক যি প্ৰতিশ্ৰুতি দিছিল তাক বাস্তৱায়িত কৰিবলৈ চৰকাৰে এক ছয় দফীয়া আঁচনি প্ৰস্তুত কৰি উলিয়াইছে।

১৮ এপ্ৰিল ঃ তুৰাত অনুষ্ঠিত সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনত প্ৰধানমন্ত্ৰী নেহৰুৰ স্বায়ত্ত শাসন সম্পৰ্কীয় প্ৰস্তাৱটো গ্ৰহণ কৰা হয়। অসমৰ ভিতৰতে থকা পাৰ্বত্য এলেকাবোৰৰ বাবে বৃহৎ পৰিসৰৰ স্বায়ত্ত শাসনৰ ব্যৱস্থা ৰখা এই আঁচনিক অসমত

ৰাজনৈতিক সমাধানৰ বাবে গ্ৰহণ কৰা এই সিদ্ধান্তৰ জৰিয়তে ভাৰতবৰ্ষৰ ভিতৰত নাগালেণ্ড ৰাজ্য গঠনৰ দাবী তোলা হয়। ভাৰতবৰ্ষৰ বৈদেশিক মন্ত্ৰণালয়ৰ অধীনত থকা নগা পাহাৰ-টুৱেনচাং এৰিয়াক লৈ গঠন কৰিব লগা এই ৰাজ্যখনৰ কাৰ্যবাহী ক্ষমতা ৰাজ্যপালৰ হাতত ন্যস্ত থাকিব আৰু ৰাজ্য গঠন হোৱা ৰূপান্তৰৰ সময়ছোৱাত ৰাজ্যপালৰ হাতত ৰাজ্যখনৰ শান্তি-শৃংখলাৰ দায়িত্ব বিশেষভাৱে অৰ্পণ কৰা হ'ব। তদুপৰি ৰাজ্যপালক সহায় আৰু পৰামৰ্শ প্ৰদান কৰিবলৈ এখন মন্ত্ৰীসভা গঠন কৰা হ'ব, যিয়ে নেকি নাগালেণ্ড বিধানসভাৰ প্ৰতি দায়বদ্ধ হ'ব। এই বিধানসভা বিভিন্ন জনজাতিৰ নিৰ্বাচিত প্ৰতিনিধিৰে গঠন কৰা হ'ব তথা প্ৰতিটো জাতি-জনগোষ্ঠীৰ বাবে গ্ৰাম পৰিষদ, ক্ষেত্ৰীয় পৰিষদ আৰু জনজাতি পৰিষদ থাকিব। ১৬ দফীয়া সিদ্ধান্ত অনুসৰি এই পৰিষদবোৰে নিৰ্দিষ্ট জনগোষ্ঠী, এলেকা আদিৰ প্ৰশাসনিক কাৰ্যাৱলীসমূহৰ তদাৰকী কৰিব আৰু লগতে এই পৰিষদসমূহৰ হাতত বিবাদ তথা পাৰম্পৰিক নীতি-নিয়ম ভংগৰ বিচাৰ কৰাৰ ক্ষমতাও থাকিব। টুৱেনচাং এলেকাৰ বাবে বিশেষ প্ৰশাসনিক সুবিধাৰ দাবী তোলা হ'ল আৰু কোৱা হ'ল যে যেতিয়ালৈকে এই এলেকাৰ জনগোষ্ঠীবোৰে এক আধুনিক প্ৰশাসনিক ব্যৱস্থাৰ সৈতে মোকাবিলা কৰিব নোৱাৰিব তেতিয়ালৈকে এই এলেকাৰ প্ৰশাসন ৰাজ্যপালৰ হাতত থাকিব। ইয়াৰ বাবে দহ বছৰ কাল বিচৰা হৈছিল। ১৬ দফাৰ অন্তৰ্গত আন দাবীসমূহৰ ভিতৰত উল্লেখযোগ্য আছিল নগা বসতিপ্ৰধান সীমামূৰীয়া এলেকাবোৰক নাগালেণ্ডত অন্তৰ্ভুক্ত কৰা, ভাৰতবৰ্ষৰ সামৰিক বাহিনীত নাগা ৰেজিমেণ্ট নামেৰে এটি সুকীয়া গোট গঠন কৰা আৰু ইনাৰলাইন ব্যৱস্থা অব্যাহত ৰখা। এই ১৬ দফীয়া প্ৰস্তাৱবোৰ ১৯৬০ চনৰ এপ্ৰিল মাহত অসমৰ ৰাজ্যপালৰ হাতত উপস্থাপন কৰা হয়। ইয়াৰ পিচত এন পি চিৰ ফালৰ পৰা প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ সাক্ষাৎ বিচৰা হৈছিল যদিও ইংলেণ্ডত অনুষ্ঠিত কমনৱেল্‌থ ৰাষ্ট্ৰসমূহৰ প্ৰধানমন্ত্ৰীসকলৰ সন্মিলনলৈ নেহৰু যাব লগা হোৱা হেতুকে এই সাক্ষাৎ কিছুদিনলৈ পিচুৱাই দিয়া হয়। ১৯৬০

পাহাৰীয়া জিলাবোৰৰ বাবে স্কটলেণ্ডসদৃশ প্ৰশাসনীয় আৰ্হি (Scottish Pattern of Administration) বুলিও জনা যায়।

৩১ মে' ঃ যোৱা ২৭ মে'ত পণ্ডিত জৱাহৰলাল নেহৰুৰ মৃত্যুৰ পিচত তেওঁৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ স্বাৰ্থত গুৱাহাটীৰ ষ্টেডিয়ামখনক নেহৰুৰ নামত ৰখাৰ সিদ্ধান্ত লোৱা হয়। গুৱাহাটী ষ্টেডিয়াম কমিটীৰ সভাপতি ৰাধাগোৱিন্দ বৰুৱাই এই কথা ঘোষণা কৰি শীঘ্ৰে এই বিষয়ত আনুষ্ঠানিক সিদ্ধান্ত লোৱাৰ কথা সদৰী কৰে।

৬ জুন ঃ গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিষয়ত আসন ৰখাৰ প্ৰস্তাৱ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত পণ্ডিত জৱাহৰলাল নেহৰুৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ এখন আসন ৰখাৰ প্ৰস্তাৱ লোৱা হয়। বিশ্ববিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° ভি ভেংকট ৰাওৱে এই প্ৰস্তাৱটো আগবঢ়াই তেওঁৰ সমগ্ৰ জীৱনৰ সঞ্চিত পুঁজি এক লাখ পঁচিশ হাজাৰ টকা এই আসনখনৰ বাবে দান দিয়াৰ কথা ঘোষণা কৰে। যদিহে এই আসনখন প্ৰস্তাৱ কৰা ধৰণে আৰম্ভ কৰা হয় তেন্তে সেই আসনত অধিষ্ঠিত অসমীয়াৰ অধ্যাপকজনক 'জৱাহৰলাল নেহৰু প্ৰফেছাৰ অব আছামিছ' বুলি জনা যাব বুলিও পঁচপন্ন বছৰ বয়সৰ অধ্যাপকজনে জনায়।

১৮ জুন ঃ কেন্দ্ৰীয় পুনৰ্সংস্থাপন মন্ত্ৰণালয়ে নতুনকৈ অহা পাঁচশ প্ৰব্ৰজিত পৰিয়ালক অসমৰ গাৰো পাহাৰ জিলাৰ ৩০০০ একৰ মাটিত সংস্থাপিত কৰিবলৈ ১৪.৫ লাখ টকাৰ অনুমোদন দিয়ে। ইয়াৰে ৮ লাখ টকা ঋণ হিচাপত আৰু ৬ লাখ টকা আবণ্টন হিচাপত দিয়া হয়।

২৩ জুন ঃ ৰাধানাথ ফুকনৰ মৃত্যু ঃ অসমীয়া ভাষা-সাহিত্যৰ এগৰাকী অগ্ৰজ কাণ্ডাৰী ৰাধানাথ ফুকনৰ যোৰহাটত আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯১ বছৰ। শিৱসাগৰত জন্মগ্ৰহণ কৰা ফুকনে ১৮৯৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞান বিষয়ত এম এ ডিগ্ৰী লাভ কৰিছিল। আইনৰ ডিগ্ৰী লোৱা ফুকনে এগৰাকী অধিবক্তা

চনৰ ২৬ জুলাইত ড° ইমকোঙলিবা আওৰ নেতৃত্বত যোৱা এন পি চিৰ প্ৰতিনিধি দলটোৱে প্ৰধানমন্ত্ৰী নেহৰুক সাক্ষাৎ কৰে। পোন্ধৰজনীয়া এই দলটোৱে প্ৰধানমন্ত্ৰীৰ আগত ১৬ দফীয়া প্ৰস্তাৱবোৰ উত্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিনিধি দলটোৰ আগত ভাৰত চৰকাৰে যে নগাসকলক আভ্যন্তৰীণ বিষয়ত সৰ্বোচ্চ মাত্ৰাত স্বায়ত্ত শাসন দিবলৈ প্ৰস্তুত আছে তাক দোহাৰে আৰু নগা পাহাৰ-টুৱেনচাং এলেকা লৈ এখন সুকীয়া ৰাজ্য গঠন কৰাৰ প্ৰস্তাৱটোৰ প্ৰতি সন্মতি জনায়। ১৯৬০ চনৰ ২৭ আৰু ২৮ জুলাইত এন পি চিৰ প্ৰতিনিধি দলটোৰ সৈতে ভাৰত চৰকাৰৰ বৈদেশিক সচিব আৰু আন আন বৰমুৰীয়াসকলৰ এক দীঘলীয়া আলোচনা অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ ফালৰ পৰা এই ১৬ দফীয়া প্ৰস্তাৱত ভালেমান সংশোধনী বিচৰা হয় আৰু এন পি চিৰ দলটোৱে এনে সংশোধনীৰ প্ৰতি সন্মতি প্ৰকাশ কৰে। ১৯৬০ চনৰ ১ আগষ্টত প্ৰধানমন্ত্ৰী নেহৰুৱে লোকসভাত উল্লিখিত আলোচনাৰ ফলাফল সম্পৰ্কত এক ঘোষণা আগবঢ়ায়। এই ঘোষণাৰ সাৰমৰ্ম আছিল এনে ধৰণৰ— নগা পাহাৰ আৰু টুৱেনচাং এলেকাক লৈ শীঘ্ৰে ভাৰতবৰ্ষৰ সীমাৰেখাৰ মাজত নাগালেণ্ড নামৰ এখন নতুন ৰাজ্য গঠন কৰা হ'ব। অসমৰ ৰাজ্যপালেই নাগালেণ্ডৰ ৰাজ্যপাল হ'ব তথা অসম উচ্চ ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ (Jurisdiction) ৰাজ্যখনপৰ্যন্ত ব্যাপ্ত হ'ব। জিলাৰ পৰা ৰাজ্যলৈ ৰূপান্তৰিত হোৱাৰ সময়ছোৱাত এখন অন্তৰ্বৰ্তীকালীন পৰিষদ গঠন কৰা হ'ব য'ত প্ৰতিটো নগা জনগোষ্ঠীৰে প্ৰতিনিধি থাকিব। নৱগঠিত এই ৰাজ্যখনৰ মন্ত্ৰী পৰিষদ বিধানসভাৰ প্ৰতি দায়বদ্ধ হ'ব। সংবিধানৰ ষষ্ঠ অনুসূচীত থকাৰ নিচিনা কিছু সুৰক্ষা ব্যৱস্থা নগাসকলৰ ধৰ্মীয় তথা সামাজিক ব্যৱস্থা, নগা প্ৰথাগত নীতি-নিয়ম, ভূমিৰ মালিকীস্বত্ব আৰু হস্তান্তৰ আদি বিষয়ত প্ৰয়োগ কৰা হ'ব। ইয়াৰ বাহিৰে আন আন বিষয়সমূহৰ ক্ষেত্ৰত দেৱানী আৰু ফৌজদাৰী বিধি প্ৰযোজ্য হ'ব। টুৱেনচাং এলেকাৰ অধিবাসীসকলৰ আকাংক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এই এলেকাৰ ক্ষেত্ৰত বিশেষ ধৰণৰ প্ৰশাসনিক ব্যৱস্থা গঢ়ি তোলাৰ

হিচাপে পেছাগত জীৱনৰ আৰম্ভণি ঘটায় যদিও পিচলৈ তেওঁ অসম অসামৰিক সেৱাতো যোগ দিয়ে। এগৰাকী জিলা আৰু সত্ৰ ন্যায়াধীশ হিচাপে পৰৱৰ্তী সময়ত তেওঁ অৱসৰ লয়।

অসমীয়া ভাষা-সাহিত্যৰ এগৰাকী অগ্ৰজ পুৰুষ ৰাধানাথ ফুকন আছিল অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ এগৰাকী প্ৰধান উদ্যোক্তা। পিচলৈ তেওঁ অসম সাহিত্য সভাৰ লগতো জড়িত হৈ পৰে। বিজ্ঞানৰ ছাত্ৰ হৈও সংস্কৃত সাহিত্যত অসাধাৰণ ব্যুৎপত্তি দেখুওৱা ফুকনে 'সাংখ্য দৰ্শন', 'বেদান্ত দৰ্শন' আৰু 'ভগৱৎ গীতা' সংস্কৃতৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। তেওঁৰ পাণ্ডিত্যৰ প্ৰতি স্বীকৃতি জনাই যোৱা সমাৱৰ্তনত গুৱাহাটী বিশ্ববিদ্যালয়ে সাহিত্যৰ ডক্টৰেট ডিগ্ৰী প্ৰদান কৰিছিল।

৫ জুলাই ঃ ড° সূৰ্য কুমাৰ ভূঞাৰ মৃত্যু ঃ প্ৰসিদ্ধ ইতিহাসবিদ, সাহিত্যিক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° সূৰ্য কুমাৰ ভূঞা আজি হৃদৰোগত আক্ৰান্ত হৈ গুৱাহাটীত মৃত্যুমুখত পৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৭০ বছৰ। ১৮৯৪ চনত নগাঁৱৰ ফৌজদাৰীপট্টিত জন্মগ্ৰহণ কৰা ভূঞাই ১৯২৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৩৮ চনত লণ্ডন বিশ্ববিদ্যালয়ে তেওঁক 'Anglo Assamese Relation' শীৰ্ষক বিষয়ত কৰা গৱেষণাৰ বাবে বুৰঞ্জী বিষয়ত ডক্টৰেট ডিগ্ৰী আৰু ১৯৫১ চনত একেখন বিশ্ববিদ্যালয়ে ডি লিট উপাধি প্ৰদান কৰে। কটন মহাবিদ্যালয়ত ইংৰাজী বিষয়ৰ অধ্যাপক হিচাপে যোগদান কৰা ভূঞা ১৯৪৬ চনত মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ পদত নিযুক্ত হয়। ১৯৫৭ চনত তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদত নিযুক্ত হয় আৰু ১৯৬০ চনলৈ সেই পদতে অধিষ্ঠিত থাকে। ১৯৫২ চনৰ পৰা ১৯৫৪ চনলৈ তেওঁ ৰাজ্যসভাৰো সদস্য আছিল। ১৯৩৬ৰ পৰা ১৯৩৮ চনলৈ লণ্ডন বিশ্ববিদ্যালয় School of Oriental Studiesৰ তেওঁ অসমীয়া বিষয়ৰ অধ্যাপক আছিল। ১৯৩৬ চনত ব্ৰিটিছ চৰকাৰে তেওঁক ৰায়বাহাদুৰ

ব্যৱস্থা কৰা হ'ব।

এখন সুকীয়া নগা ৰাজ্যৰ সীমাৰেখা কি হ'ব তাক লৈ সেই সময়ত ভালেমান বাদানুবাদ চলিছিল আৰু সেই বিতর্ক আজিপর্যন্ত অব্যাহত আছে। কেৱল আত্মগোপনকাৰী নগা বিদ্ৰোহীসকলেই নহয় এন পি চিৰ লেখীয়া সংগঠনবোৰেও নগা পাহাৰ জিলাৰ সীমান্তৱৰ্তী অসম আৰু মণিপুৰৰ নগা অধ্যুষিত এলেকাসমূহক নাগালেণ্ডত সন্নিৱিষ্ট কৰিবলৈ বিচাৰিছিল। এই বিষয়ক লৈ যেতিয়া এন পি চি আৰু ভাৰত চৰকাৰৰ আলোচনা চলি আছিল তেতিয়া বৈদেশিক সচিবজনে এন পি চিক স্পষ্টভাৱে কৈছিল যে ভাৰতৰ সংবিধানৰ প্ৰথম অনুসূচীত নাগালেণ্ডৰ ক্ষেত্ৰভূমিৰ কথা স্পষ্টভাৱে উল্লেখ কৰা হৈছে আৰু সীমা সলনি কৰাৰ আগতে সংবিধানৰ সেই উপবন্ধবোৰ মানি ল'ব লাগিব। সচিবজনে উল্লেখ কৰিছিল যে সংবিধানৰ ৩ আৰু ৪নং অনুচ্ছেদ অনুযায়ী কোনো ৰাজ্যৰ সীমাৰেখাৰ সাল-সলনি ঘটাব পাৰে। কিন্তু চৰকাৰে এইক্ষেত্ৰত নিশ্চিতভাৱে কোনো প্ৰতিশ্ৰুতি প্ৰদান কৰিব নোৱাৰে।

এই আলোচনাৰ পিচত ১৯৬০ চনৰ ১৯ৰ পৰা ২২ আগষ্টলৈ এন পি চিৰ কাৰ্যকৰী কমিটীৰ এখন সভা মোককচাঙত অনুষ্ঠিত হয় আৰু এই সভাই ভাৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। অৱশ্যে এখন সুকীয়া উচ্চ ন্যায়ালয় গঠন কৰা বিষয়টোৰ ক্ষেত্ৰত এন পি চিৰ ফালৰ পৰা বিশেষ তৎপৰতা লোৱা উচিত বুলিও কমিটীয়ে মত ব্যক্ত কৰে। এন পি চিৰ ফালৰ সকলো নগা লোকলৈ হিংসা পৰিত্যাগ কৰি ৰাজনৈতিকভাৱে নগা সমস্যাৰ সমাধান উলিয়াবলৈ আহ্বান জনোৱা হৈছিল। এনে এক আহ্বান জনোৱাৰ সময়তে ১৯৬০ চনৰ ২৫ আগষ্টত প্ৰায় ৪০০ বিদ্ৰোহীয়ে টুৱেনচাং জিলাৰ পুৰত অৱস্থিত আছাম ৰাইফল্‌ছৰ শিবিৰত এক ভয়ংকৰ আক্ৰমণ সংঘটিত কৰে। একেদৰে এখন ডাকোটা বিমানৰ ওপৰত বিদ্ৰোহীয়ে গুলীবৰ্ষণ কৰি বিমানখনক অৱতৰণ কৰিবলৈ বাধ্য কৰায়। বিদ্ৰোহীসকলে বিমানখনৰ কৰ্মচাৰীসকলক অৱৰুদ্ধ কৰি ৰাখিছিল যদিও পিচলৈ তেওঁলোকক

উপাধি প্ৰদান কৰে আৰু ১৯৫৬ চনত ভাৰত চৰকাৰৰ পৰা তেওঁ পদ্মশ্ৰী সন্মান লাভ কৰে। ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়, বিশ্ববিদ্যালয় অনুদান আয়োগ আদি প্ৰতিষ্ঠানৰ লগতো তেওঁ বিভিন্ন ধৰণে জড়িত আছিল।

এগৰাকী প্ৰসিদ্ধ ইতিহাসবিদ আৰু সাহিত্যিক ড° সূৰ্য কুমাৰ ভূঞাৰ উল্লেখনীয় গ্ৰন্থকেইখন হৈছে— Anglo Assamese Relations, Assamese Literature : Ancient and Modern, Aton Buragohain and His Times, Studies in the Literature of Assam, অসমৰ পদ্য বুৰঞ্জী, বৰফুকনৰ গীত, পঞ্চমী ইত্যাদি। ১৯৫৩ চনত শ্বিলঙত অনুষ্ঠিত অসম সাহিত্য সভাৰ সভাপতি পদ অলংকৃত কৰা ভূঞা ১৯৫২ চনত গুৱাহাটীত অনুষ্ঠিত সৰ্বভাৰতীয় ইতিহাস সন্মিলনৰ আধুনিক ইতিহাস শাখাৰ সভাপতি আছিল।

- যতীন্দ্ৰনাথ দুৱৰাৰ মৃত্যু ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু প্ৰসিদ্ধ কবি যতীন্দ্ৰ নাথ দুৱৰাৰ আজি শিৱসাগৰত মৃত্যু হয়। ১৯৫৫ চনত 'বনফুল' শীৰ্ষক কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমী বঁটা লাভ কৰা দুৱৰাৰ কেইখনমান উল্লেখনীয় গ্ৰন্থ হৈছে ওমৰ তীৰ্থ (১৯২৬), কথা-কবিতা (১৯৩৩) আৰু আপোন সুৰ (১৯৩৮)।

২৬ জুলাই ঃ মাদ্ৰাজৰ ভূতপূৰ্ব ৰাজ্যপাল বিষ্ণুৰাম মেধিয়ে নাগালেণ্ড শান্তি কমিটীৰ এগৰাকী সদস্য ৰেভাৰেণ্ড মাইকেল স্কটক দেশৰ পৰা বহিষ্কাৰ কৰাৰ দাবী তোলে। স্কটৰ মন্তব্য তথা কাৰ্যকলাপে ভাৰতবৰ্ষৰ আভ্যন্তৰীণ সুৰক্ষা বিনষ্ট কৰিব পাৰে বুলি তেওঁ শংকা ব্যক্ত কৰে।

১৪ আগষ্ট ঃ নাগালেণ্ডত অহা ৬ ছেপ্টেম্বৰৰ পৰা চৰকাৰে যুদ্ধবিৰতি প্ৰক্ৰিয়া আৰম্ভ কৰিব বুলি অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই সাংবাদিকসকলক জানিবলৈ দিয়ে।

১৮ ছেপ্টেম্বৰ ঃ শিক্ষা মন্ত্ৰণালয় আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে যুটীয়াভাৱে নিযুক্তি দিয়া কমিটীখনে সংসদীয় আৰ্হিৰ বিশ্ববিদ্যালয় এখন শ্বিলঙৰ কাযত প্ৰতিষ্ঠা কৰাৰ বাবে অনুমোদন কৰে। এই কমিটীখনক উত্তৰ-পূব ভাৰতত বিশ্ববিদ্যালয় এখন স্থাপন কৰাৰ বাবে বিভিন্ন দিশ

মোকলাই অনা হয়।

১৯৬১ চনৰ ১৮ ফেব্ৰুৱাৰীত অসমৰ ৰাজ্যপালে নাগালেণ্ডৰ অন্তৰ্বৰ্তীকালীন পৰিষদখনৰ উদ্বোধন কৰে। এই পৰিষদখন ৪২জনীয়া সদস্যৰে গঠিত হৈছিল আৰু ইয়াৰ সভাপতি হৈছিলগৈ ড° ইমকোঙলিবা আও। ইয়াৰ পিচতে এখন কাৰ্যবাহী পৰিষদ গঠন কৰা হয় আৰু ইয়াৰ সদস্যসকল আছিল শ্বিলু আও, জাছোকি আংগামি, হোকিশ্বে চেমা, চিটেন জমিৰ আৰু আকুম ইমলং। বিদ্ৰোহীসকলে এই নতুন পৰিৱৰ্তনক মুঠেও সমৰ্থন কৰিব পৰা নাছিল আৰু ইয়াক নিষ্ফল কৰাৰ প্ৰয়াসেৰে এন পি চিৰ শীৰ্ষ নেতৃত্বক হত্যা কৰাৰ পৰিকল্পনা ৰচে। সেই অনুসাৰে ১৯৬১ চনৰ ২২ আগষ্টত মোককচাঙত বিদ্ৰোহীসকলে ড° ইমকোঙলিবা আওক হত্যা কৰে। আওক হত্যা কৰাৰ পিচত টি এন আংগামি অন্তৰ্বৰ্তীকালীন পৰিষদখনৰ সভাপতি হয়গৈ।

১৯৬২ চনৰ The State of Nagaland Act অনুযায়ী নগা পাহাৰ-টুৱেনচাং এলেকাক লৈ সুকীয়া নাগালেণ্ড ৰাজ্য গঠনৰ প্ৰস্তুতিপৰ্ব আৰম্ভ হয়। এই আইন অনুযায়ী ৰাজ্যখনৰ বাবে লোকসভা আৰু ৰাজ্যসভাত এখনকৈ আসন থাকিব। ৰাজ্যখনৰ বিধানসভাৰ মুঠ সদস্যসংখ্যা হ'বগৈ ষাঠিজন। অৱশ্যে সংবিধানৰ ৩৭১ এ অনুচ্ছেদৰ ২নং উপদফা অনুযায়ী প্ৰথম দহ বছৰৰ বাবে এই আসনৰ সংখ্যা হ'বগৈ ৪৬ খন। এই ৪৬খন আসনৰ ভিতৰত টুৱেনচাং জিলাৰ বাবে ৬খন আসন থাকিব আৰু এই আসনসমূহ টুৱেনচাং আঞ্চলিক পৰিষদ সদস্যসকলৰ দ্বাৰা মনোনীত লোকৰ দ্বাৰা পূৰণ কৰা হ'ব। বাকী ৪০খন আসন ক'হিমা আৰু মোককচাং জিলাৰ বাবে থাকিব আৰু এই আসনসমূহ প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা পূৰণ কৰা হ'ব।

১৯৬২ চনত সংবিধানৰ ১৩নং সংশোধনীটো ঘটোৱা হয় আৰু এই সংশোধনীত নাগালেণ্ডৰ বাবে বিশেষ কিছু উপবন্ধ সন্নিৱিষ্ট কৰা হয়। এই সংশোধনীৰ জৰিয়তে নগাসকলৰ

পৰ্যালোচনা কৰিবলৈ দিয়া হৈছিল।

১৯ ছেপ্টেম্বৰ ঃ নামনিমুৱা লক্ষ্ণৌ এক্সপ্ৰেছ আৰু গুৱাহাটীমুখী কামৰূপ এক্সপ্ৰেছৰ মাজত কৈঠালকুছিত মুখামুখি সংঘৰ্ষ লগাত ২৫জন লোক নিহত আৰু ১০০জন লোক গুৰুতৰভাৱে আহত হয়।

২৫ ছেপ্টেম্বৰ ঃ বাওঁপন্থী ৰাজনৈতিক দলবোৰে মূল্যবৃদ্ধি আৰু খাদ্য সংকটৰ প্ৰতিবাদত আহ্বান দিয়া অসম বন্ধৰ প্ৰতি সঁহাৰি জনাই সমগ্ৰ অসমতে সৰ্বাত্মক বন্ধ পালন কৰা হয়।

১ অক্টোবৰ ঃ পাকিস্তানী অনুপ্ৰৱেশকাৰী সন্দৰ্ভত চৰকাৰৰ স্থিতি স্পষ্ট কৰিবলৈ বিৰোধী দলৰ দুগৰাকী নেতা ৰথীন্দ্ৰ নাথ সেন আৰু দুলাল ৰয়ে সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰে আৰু অধ্যক্ষ মহেন্দ্ৰমোহন চৌধুৰীয়ে এই প্ৰস্তাৱ সদনৰ কাৰ্যক্ৰমণিকাত অন্তৰ্ভুক্ত কৰে।

৩ অক্টোবৰ ঃ অসমৰ বান আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ অসমৰ আঠাইকেইজন সাংসদে বিত্ত মন্ত্ৰী কৃষ্ণমাছাৰীৰ ওচৰত ৬ দফাৰ স্মাৰকপত্ৰ প্ৰদান কৰে।

২৩ নৱেম্বৰ ঃ অসমত কলেৰাই মহামাৰীৰ ৰূপ ধাৰণ কৰিছে। অসমৰ বিভিন্ন জিলাত বিভীষিকাৰ ৰূপ লোৱা কলেৰাত ৪০০জন লোকৰ মৃত্যু ঘটিছে। ইয়াৰ ভিতৰত নগাঁৱত ২৫, বৰপেটাত ৮৯, কাছাৰত ২৫০ আৰু গোৱালপাৰাত ৪৯জনৰ মৃত্যু নিশ্চিত হৈছে। শিলচৰত এই ৰোগে অধিক ভয়াৱহ ৰূপত দেখা দিছে। এই ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা অধিক হ'ব পাৰে বুলি অনুমান কৰা হৈছে।

২৮ নৱেম্বৰ ঃ অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ লক্ষেশ্বৰ বৰুৱাৰ মৃত্যু হয়।

২৭ ডিচেম্বৰ ঃ কেন্দ্ৰীয় তথ্য আৰু অনাতাঁৰ মন্ত্ৰী ইন্দিৰা গান্ধীয়ে নাৰেংগীত নিৰ্মিত ১২.৫ মেগাৱাট শক্তিসম্পন্ন শক্তি কেন্দ্ৰৰ উদ্বোধন কৰে।

(১) ধৰ্মীয় বা সামাজিক আচাৰ-নীতি

(২) নগাৰ প্ৰথাগত আইন আৰু ব্যৱস্থা

(৩) নগা প্ৰথাগত বিধি অনুযায়ী হোৱা দেৱানী আৰু ফৌজদাৰী প্ৰশাসনৰ ক্ষেত্ৰত আৰু

(৪) ভূমি সম্পত্তিৰ মালিকীস্বত্ব আৰু হস্তান্তৰ কৰা বিষয়ত

নাগালেণ্ড বিধানসভাই সন্মতি নিদিয়া পৰ্যন্ত ভাৰতবৰ্ষৰ সংসদত প্ৰণয়ন কৰা কোনো আইন নাগালেণ্ডত প্ৰযোজ্য নহ'ব। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল কাশ্মীৰৰ বাদে ভাৰতবৰ্ষৰ কোনো এখন ৰাজ্যই স্বশাসনৰ ক্ষেত্ৰত ইমান পৰ্যায়ত ক্ষমতা লাভ কৰাৰ সুযোগ পোৱা নাই। সংবিধানৰ ৩৭১ এ অনুচ্ছেদে প্ৰকৃতাৰ্থত ভাৰতবৰ্ষৰ সাংবিধানিক গাঁথনিৰ ভিতৰতে এখন স্বতন্ত্ৰ ৰাজ্য গঠনৰ সম্পূৰ্ণ সুযোগ প্ৰদান কৰিছিল।

একেদৰে টুৱেনচাং এলেকাৰ বাবেও এক বিশেষ উপবন্ধৰ ব্যৱস্থা কৰা হৈছিল। এই ব্যৱস্থা অনুযায়ী ৰাজ্যখন আনুষ্ঠানিকভাৱে গঠন হোৱাৰ পৰা দহ বছৰলৈ নাগালেণ্ড বিধানসভাই গ্ৰহণ কৰা কোনো আইন এই এলেকাত প্ৰত্যক্ষভাৱে প্ৰয়োগ কৰিব পৰা নাযাব। টুৱেনচাং আঞ্চলিক পৰিষদৰ অনুমোদন পালেহে ৰাজ্যপালে এনে আইন টুৱেনচাং এলেকাত প্ৰয়োগ কৰিব বুলি ঘোষণা দিব পাৰিছিল।

অৱশেষত ১৯৬৩ চনৰ ১ ডিচেম্বৰত ভাৰতবৰ্ষৰ তদানীন্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণে সুকীয়া নাগা ৰাজ্য আনুষ্ঠানিক উদ্বোধন কৰে। এখন সুকীয়া ৰাজ্য গঠনৰ পিচতো বিদ্ৰোহী নগাসকলে কিন্তু এই নতুন ব্যৱস্থাৰ প্ৰতি সামান্যতমো সমৰ্থন প্ৰকাশ নকৰিলে। বৰঞ্চ ৰাজ্য গঠনৰ পিচত নাগালেণ্ড আৰু সীমান্তৱৰ্তী মণিপুৰ আৰু অসমৰ কিছু এলেকাত বিদ্ৰোহীৰ দ্বাৰা হিংসা, হত্যা, লুটপাত, আক্ৰমণ আদি ঘটনা সঘনাই সংঘটিত হৈ থাকিল। ১৯৬৪ চনৰ ১০ৰ পৰা ১৬ জানুৱাৰীলৈ হ'ব লগা নিৰ্বাচনটো যাতে সম্পূৰ্ণৰূপে বিফল হয় তাৰ বাবে বিদ্ৰোহীসকলে চূড়ান্ত হিংসাত্মক পন্থা

১৯৬৫

২ জানুৱাৰী ঃ গুৱাহাটীত ভাৰত প্ৰাচ্যতত্ত্ব সন্মিলনৰ ২২ সংখ্যক অধিৱেশন আৰম্ভ। অসম আৰু নাগালেণ্ডৰ ৰাজ্যপাল বিষ্ণু সহায়ে এই সন্মিলন উদ্বোধন কৰে।

● অসম সাহিত্য সভাৰ গুৱাহাটীত নকৈ নিৰ্মাণ কৰি উলিওৱা ভৱন উদ্বোধন। এক লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই ভৱন উদ্বোধন কৰে সৰ্বভাৰতীয় প্ৰাচ্যতত্ত্ব সন্মিলনৰ সভাপতি ড° ভি এছ আগৰৱালাই।

৫ জানুৱাৰী ঃ নগাঁৱত অনুষ্ঠিত অসম প্ৰদেশ জনসংঘৰ প্ৰতিনিধি সভাত অসমৰ নগৰীয়া সম্পত্তি কৰৰ বিৰোধিতা কৰা হয়। চৰকাৰে ধান কিনা-বেচাৰ বাবে সমবায়বোৰক অধিকাৰ দিয়াকো সংঘই সমালোচনা কৰে। সংঘই অহা মাৰ্চ মাহত অসম সুৰক্ষা সপ্তাহ পালন কৰি নাগালেণ্ড আৰু নেফাক অসমৰ অন্তৰ্ভুক্ত কৰা, অসমৰ পৰা বিদেশী খ্ৰীষ্টান মিছনেৰী আৰু মৌলবীসকলক বহিষ্কাৰ কৰা আদি দাবী উত্থাপন কৰাৰ সিদ্ধান্ত লয়।

১২ জানুৱাৰী ঃ অসমৰ বিশিষ্ট সাহিত্যিক, পাফু ছিৰিজৰ স্ৰষ্টা প্ৰেমনাৰায়ণ দত্তৰ মৃত্যু। গুৱাহাটীৰ উজানবজাৰৰ নিজ বাসভৱনত মৃত্যু হোৱা দত্তৰ বয়স হৈছিল ৬৬ বছৰ।

১৭ জানুৱাৰী ঃ অসম সাহিত্য সভাৰ ৩২ সংখ্যক তিনিদিনীয়া অধিৱেশন নলবাৰীত আৰম্ভ।

● ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ দ্বাৰা ৰচিত 'অসমৰ লোকসংস্কৃতি' শীৰ্ষক গ্ৰন্থখনৰ বাবে বৰুৱাক মৰণোত্তৰভাৱে সাহিত্য অকাদেমী বঁটা প্ৰদানৰ ঘোষণা।

১৯ জানুৱাৰী ঃ অসম সাহিত্য সভাৰ তিনিদিনীয়া অধিৱেশনৰ অন্ত পৰে। সভাই অসম ৰাজ্যভাষা আইনখন কাৰ্যকৰী নকৰাত ক্ষোভ প্ৰকাশ কৰি অহা বৰ্ষৰ ১৩ ছেপ্টেম্বৰৰ আগতে আইনখন কাৰ্যকৰী কৰিবলৈ দাবী জনায়। অসম সাহিত্য সভাই নেফাৰ বিদ্যালয়সমূহত অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে গঢ়ি তুলিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনায়। লগতে নাগালেণ্ড চৰকাৰে ৰাজ্যখনত যিসকলে অসমীয়া ভাষা শিকিব খোজে তেওঁলোকৰ বাবে তাৰ ব্যৱস্থা গঢ়ি দিবলৈ আহ্বান কৰে।

অৱলম্বন কৰিলে। এই সময়তে ফিজোৱে আন্তঃৰাষ্ট্ৰীয় মঞ্চত ভাৰতবিৰোধী স্থিতি গ্ৰহণ কৰা তথা নগাসকলক ভাৰত ৰাষ্ট্ৰই পৰিকল্পিতভাৱে দমন কৰি ৰখা বুলি ৰাষ্ট্ৰসংঘত আৱেদন দাখিল কৰা আদি কাৰ্যই সমগ্ৰ নগা সমস্যাটোক আৰু অধিক জটিল কৰি তুলিলে। নাগালেণ্ড আৰু পূব পাকিস্তানৰ মাজত ব্যাপক পৰিমাণৰ অস্ত্ৰ সৰবৰাহ তথা উত্তৰ-পূব ভাৰতৰ ক্ষেত্ৰত চীনৰ নতুন ৰণনীতিয়েও নগা সমস্যাটোক সমস্যাৰ ভৰপকৰ মাজলৈ ঠেলি পঠিয়ালে।

১৯৬৪ চনৰ জানুৱাৰী মাহত নাগালেণ্ডত বিধানসভাৰ নিৰ্বাচন হয় আৰু ১১ ফেব্ৰুৱাৰী, ১৯৬৪ৰ দিনা নাগালেণ্ড বিধানসভাৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। ৩০জনীয়া বিধান পৰিষদৰ নেতা আছিল পি শ্বিলো আও আৰু তেওঁ প্ৰথম মুখ্যমন্ত্ৰী হিচাপে শপত লৈছিল। ১৯৬৩ চনৰ ১ ডিচেম্বৰৰ পৰা ১৯৬৬ চনৰ ১৪ আগষ্টলৈ তেখেত মুখ্যমন্ত্ৰী আছিল আৰু তাৰ পিচত ১৯৬৬ চনৰ ১৪ আগষ্টৰ পৰা ১৯৬৯ চনৰ ২২ ফেব্ৰুৱাৰীলৈ টি এন আংগামি মুখ্যমন্ত্ৰী হয়। তৃতীয় জন মুখ্যমন্ত্ৰী আছিল হোকিশ্বে চেমা আৰু আটাইকেইজনেই নাগা নেচনেলিষ্ট অৰ্গেনাইজেচনক প্ৰতিনিধিত্ব কৰিছিল।

২০ জানুৱাৰী ঃ ১৫ জানুৱাৰীৰ পৰা ১৮ জানুৱাৰীলৈ ইম্ফলৰ পৰা ৪২ মাইল দূৰৈত অৱস্থিত চুড়াচান্দপুৰৰ সমীপৱৰ্তী কৰনপুৰীত মণিপুৰ, ত্ৰিপুৰা, নাগালেণ্ড, মিজো পাহাৰ জিলা, উত্তৰ কাছাৰ (পাৰ্বত্য) জিলা আৰু কাছাৰ (সমতল) জিলাৰ বিভিন্ন মিজো জনগোষ্ঠীৰ ৮২জন নেতা এখন সন্মিলনত মিলিত হয়। এই সন্মিলনে মিজোসকলে বাস কৰা ভূ-খণ্ডক সামৰি 'মিজোৰাম' নামৰ এখন সুকীয়া ৰাজ্যৰ দাবী উত্থাপন কৰে।

১৫ জানুৱাৰী ঃ বৰপেটাত অনুষ্ঠিত হৈ যোৱা উপ-নিৰ্বাচনত কংগ্ৰেছৰ ধনীৰাম তালুকদাৰ বিধানসভালৈ নিৰ্বাচিত হয়।

১৬ জানুৱাৰী ঃ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিয়ে হিন্দী ৰাষ্ট্ৰভাষা হিচাপে জাপি দিয়াৰ বিৰোধিতা কৰি ইংৰাজীক হিন্দীৰ সৈতে এক সহযোগী ভাষা হিচাপে চলাই নিয়াৰ পোষকতা কৰে।

৪ মাৰ্চ ঃ অসম বিধানসভাত ৩২৫ লাখ টকাৰ ঘাটি বাজেট উত্থাপন।

১১ মাৰ্চ ঃ অসমৰ যোগ্য লোকবোৰক সংস্থাপন দিয়াৰ উদ্দেশ্য আগত ৰাখি 'The Assam Reservation of Industrial Employment Bill 1965' শীৰ্ষক প্ৰাইভেট মেম্বাৰ বিল এখন বিধানসভাত উত্থাপন কৰা হয়।

• ৰাজ্যভাষা আইনখন কাৰ্যকৰী কৰাৰ দাবীত অসমজুৰি 'ৰাজ্যভাষা দিৱস' পালন। অসম সাহিত্য সভাই এই দিৱস পালন কৰিবলৈ আহ্বান জনাইছিল।

২৮ মাৰ্চ ঃ অসমৰ এগৰাকী বিশিষ্ট চাহ খেতিয়ক হেৰম্ব প্ৰসাদ বৰুৱাৰ কলিকতাত মৃত্যু। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৭৩ বছৰ।

১ এপ্ৰিল ঃ অসম কৰ্মচাৰী সন্থাৰ কৰ্মবিৰতিৰ আজি ত্ৰিংশ দিনত পৰিস্থিতিয়ে সাংঘাতিক ৰূপ লয়। আপোচ মীমাংসাৰ চেষ্টা ব্যৰ্থ হোৱাৰ পিচত যোৱা মাজনিশা পুলিচে ভাৰত প্ৰতিৰক্ষা আইন অনুসৰি অসম বিধানসভাৰ বিৰোধী দলৰ দুজন সদস্য, ক্ৰমে দুলাল চন্দ্ৰ বৰুৱা আৰু তাৰাপদ ভট্টাচাৰ্য, দুজন বাওঁপন্থী কমিউনিষ্ট নেতা বিনয় কুমাৰ লাহিড়ী আৰু প্ৰফুল্ল চন্দ্ৰ মিশ্ৰ আৰু অসম সচিবালয় কৰ্মচাৰী সন্থাৰ পাঁচজন নেতাক গ্ৰেপ্তাৰ কৰে। আনহাতে অসম সচিবালয়

মিজোৰামৰ সশস্ত্ৰ বিদ্ৰোহ

এখন সুকীয়া ৰাজ্য গঠনৰ দাবীটো মিজো পাহাৰ জিলাত পঞ্চাশৰ দশকতে উত্থাপিত হৈছিল। ১৯৫৩ চনত ইউ এম এফ অ'ৱে (United Mizo Freedom Organisation) মণিপুৰ, ত্ৰিপুৰা, অসমৰ স্বায়ত্তশাসিত জিলাবোৰ তথা নেফাক (বৰ্তমানৰ অৰুণাচল প্ৰদেশ) লৈ এখন পাহাৰীয়া ৰাজ্য গঠনৰ বিষয়টো উলিয়াইছিল। এনে এখন সুকীয়া পাহাৰীয়া ৰাজ্য গঠনৰ দাবীটো উত্থাপন হোৱাৰ অন্তৰালত দুটা কাৰক লুকাই আছে বুলি ঠাৱৰ কৰা গৈছিল। প্ৰথমতে এই অঞ্চলটোৰ জনজাতীয় লোকসকলে আশা কৰিছিল যে ভাৰত চৰকাৰৰ উদাৰ আৰ্থিক সাহায্য তেনে এখন ৰাজ্যই

কৰ্মচাৰী সন্থাৰ ধৰ্মঘটৰ প্ৰতি সহানুভূতি জনাই বিধানসভা ভৱনৰ বিৰোধী দলৰ কোঠাত অনশন কৰা দুজন সদস্যক গ্ৰেপ্তাৰ কৰাৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি সম্পৰ্কে আলোচনাৰ উদ্দেশ্যে উত্থাপন কৰিব বিচৰা সভাস্থগিত প্ৰস্তাৱ এটা অধ্যক্ষ মহেন্দ্ৰ মোহন চৌধুৰীয়ে নামঞ্জুৰ কৰে। অধ্যক্ষৰ ৰুলিঙত অসন্তোষ প্ৰকাশ কৰি বিৰোধী দলৰ সদস্যসকলে সদনকক্ষ ত্যাগ কৰে।

- শিৱসাগৰ চহৰত ধুমুহাৰ ফলত এটা ঘৰ ভাগি এঘাৰজন লোকৰ মৃত্যু হয় আৰু প্ৰায় ১০০জন লোক আহত হয়।

২ এপ্ৰিল ঃ অধ্যক্ষৰ আগতীয়া অনুমতি নোলোৱাকৈ বিধানসভাৰ দুজন সদস্যক বিধানসভা ভৱনৰ চৌহদৰ ভিতৰত পুলিচে মাজনিশা গ্ৰেপ্তাৰ কৰাটোৱে বিধানসভা আৰু ইয়াৰ সদস্যসকলৰ বিশেষাধিকাৰ খৰ্ব কৰিছেনে নাই তাক লৈ অসম বিধানসভাত বিতৰ্কৰ সৃষ্টি হয়।

৪ এপ্ৰিল ঃ বিৰোধী দলসমূহৰ এটা সংযুক্ত মৰ্চা গঠন কৰি চৰকাৰৰ 'সমাজবিৰোধী নীতি'সমূহৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ গুৱাহাটীত সমন্বয় সাধনকাৰী কমিটী গঠন কৰা হয়। অসম বিধানসভাৰ বিৰোধী দলৰ সদস্য খগেন্দ্ৰ নাথ বৰবৰুৱাৰ আহ্বানক্ৰমে আজি দুপৰীয়া গুৱাহাটীৰ নবীন বৰদলৈ হলত প্ৰজা ছচিয়েলিষ্ট দল, সংযুক্ত ছচিয়েলিষ্ট দল, বিপ্লৱী কমিউনিষ্ট দলৰ সভা বহে। বিশ্ব গোস্বামী, গৌৰীশংকৰ ভট্টাচাৰ্য, গোলাপ বৰবৰা, ধীৰেশ্বৰ কলিতা, প্ৰভাত শৰ্মা, অজিত শৰ্মা, অমৃত নাগ, অধ্যাপক বাণেশ্বৰ শইকীয়া আৰু বিপিন চক্ৰৱৰ্তীয়ে আলোচনাত অংশগ্ৰহণ কৰে।

৫ এপ্ৰিল ঃ অসম বিধানসভাই আজি বাছনি কমিটীৰ প্ৰতিবেদনৰ সৈতে ডিব্ৰুগড় বিশ্ববিদ্যালয় বিল, ১৯৬৫খন গ্ৰহণ কৰে। বিধানসভাই লগতে অসম বিনিয়োগ বিল (৩নং) ১৯৬৫; বংগ, আগ্ৰা আৰু অসম চিভিল কৰ্টছ (অসম সংশোধন) বিল ১৯৬৫; অসম চহৰ অস্থাৱৰ সম্পত্তি কৰ (সংশোধন) বিল ১৯৬৫; অসম আমোদ-প্ৰমোদ আৰু বাজী কৰ (সংশোধন বিল) ১৯৬৫, অসম ভূদান বিল ১৯৬৫ গ্ৰহণ কৰে।

৬ এপ্ৰিল ঃ অসম বিধানসভাৰ সংযুক্ত

লাভ কৰিবলৈ সক্ষম হ'ব আৰু এনে আৰ্থিক সহায়তাই জনজাতীয় লোকসকলৰ পশ্চাদপদতা দূৰ কৰিব পাৰিব। দ্বিতীয়তে, জনজাতীয় লোকসকলে অসমীয়া ভাষা আৰোপ আৰু অসমীয়া মানুহৰ ৰাজনৈতিক আধিপত্যক মুঠেই মানি ল'ব পৰা নাছিল। এখন সুকীয়া ৰাজ্যৰ জৰিয়তেহে এই আধিপত্যৰ পৰা মুক্তি পাব পাৰি বুলি তেওঁলোকে মনে-প্ৰাণে বিশ্বাস কৰিছিল।

১৯৫৮ চনৰ মিজো পাহাৰ জিলাত হোৱা দুৰ্ভিক্ষৰ কথা ইতিমধ্যে ইয়াৰ আগৰ খণ্ডত উল্লেখ কৰা হৈছে। 'মৌতম' বা দুৰ্ভিক্ষৰ ফলত মিজো পাহাৰত কেইবাটাও স্বেচ্ছাসেৱী সংগঠনৰ জন্ম হয়। দুৰ্ভিক্ষত আক্ৰান্তসকলক সাহায্য দিয়াৰ উদ্দেশ্যে জন্মলাভ কৰা এনে সংগঠনবোৰৰ ভিতৰত ১৯৬০ চনত আত্মপ্ৰকাশ কৰা মিজো নেচনেল ফ্ৰণ্টে পৰৱৰ্তী সময়ত সমগ্ৰ উত্তৰ-পূব ভাৰতৰ সামাজিক-ৰাজনৈতিক পৰিমণ্ডলত সশস্ত্ৰ আন্দোলনৰ এক নতুন জোৱাৰ আনে। ১৯৬০ চনত জন্মলাভৰ সময়ত সংগঠনটোৰ সম্পূৰ্ণ নাম আছিল মিজো নেচনেল ফেমাইন ফ্ৰন্ট (Mizo National Famine Front)। ১৯৬১ চনৰ ২২ অক্টোবৰৰ পৰা সংগঠনটোৱে 'ফেমাইন' শব্দটো বাদ দিয়ে আৰু মিজো নেচনেল ফ্ৰন্ট নামে ৰাজনৈতিক দললৈ ৰূপান্তৰিত হয়। এম এন এফৰ সভাপতি লালডেংগাই এম এন এফৰ মূল লক্ষ্য স্বাধীন আৰু সাৰ্বভৌম মিজোৰাম বুলি ঘোষণা আগবঢ়ায়। পিচলৈ EITU আৰু ইউ এম এফ অ'ৰ কিছুসংখ্যক সদস্যয়ো এম এন এফত যোগ দিয়েহি। শাসনৰত মিজো ইউনিয়নৰ কৰ্মকাণ্ডত অসন্তুষ্ট কিছুসংখ্যক মুখিয়াল আৰু প্ৰাক্তন চৰকাৰী বিষয়ায়ো (বিশেষতঃ দ্বিতীয় অসম ৰেজিমেণ্টৰ পৰা যিসকলক অৰাজনৈতিক কাৰণত নিলম্বিত কৰা হৈছিল) পৰৱৰ্তী সময়ত এই সংগঠনত যোগদান কৰে।

১৯৬২ চনৰ তৃতীয় সাধাৰণ নিৰ্বাচনত APHLC (All Party Hill Leaders Conference) দলে অসমৰ পাহাৰীয়া জিলাসমূহৰ প্ৰায় আটাইকেইখন আসন লাভ কৰে। APHLCৰ দ্বাৰা স্বীকৃত মিজো ইউনিয়নে

বিৰোধী দলে তেওঁলোকৰ এখন বিশেষ সভাত বৰ্তমানে কাৰাবাস খটা দুলাল বৰুৱাক দলৰ পৰা বহিষ্কাৰ কৰিবলৈ সিদ্ধান্ত লয়। ইয়াৰ উপৰি জে'লত থকা আনজন সদস্য তাৰাপদ ভট্টাচাৰ্যক নিয়মানুৱৰ্তিতা ভংগৰ অভিযোগত দলৰ পৰা সাময়িকভাৱে বৰ্খাস্ত কৰে। গ্ৰেপ্তাৰ হোৱাৰ পিচত দলৰ সন্মান হানিকাৰক কাম কৰাৰ অভিযোগত এওঁলোক দুজনৰ বিৰুদ্ধে এনে ব্যৱস্থা লোৱা হৈছে বুলি দলীয় সূত্ৰত প্ৰকাশ।

● অসম বিধানসভাত ডিব্ৰুগড় বিশ্ববিদ্যালয় বিল গৃহীত : অসম বিধানসভাত ১৯৬৫ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় বিলখন গ্ৰহণ কৰা হয়। যোৱা এপ্ৰিল মাহৰ ৫ তাৰিখে বিধানসভাৰ বাছনি কমিটীয়ে এই বিলখনৰ কিছু সালসলনিৰ পৰামৰ্শ আগবঢ়াইছিল। আজি বিধানসভাত বাছনি কমিটীৰ পৰামৰ্শৰ উপৰি কেইটামান সাধাৰণ সংশোধন সদনে গ্ৰহণ কৰে। শিক্ষা মন্ত্ৰীয়ে বিলখন গ্ৰহণ হোৱাত সন্তোষ প্ৰকাশ কৰি কয় যে প্ৰস্তাৱিত এই বিশ্ববিদ্যালয়খনে বিজ্ঞান আৰু কাৰিকৰী বিষয়ৰ শিক্ষাদানৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব পাৰিব।

৭ এপ্ৰিল : কৰিমগঞ্জ চহৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ আঁতৰত সীমান্তৰ নতুন ঠাই এড়োখৰত কুৰিখাল আৰু গোবিন্দপুৰ গাঁৱৰ মাজত পূব পাকিস্তানী ৰাইফল বাহিনীয়ে গুলীবৰ্ষণ কৰে।

৯ এপ্ৰিল : ভাৰতৰ চতুৰ্থ বিত্ত আয়োগৰ আগত অসম চৰকাৰে আয়কৰৰ শতকৰা অন্ততঃ ৯০% ৰাজ্যসমূহক দিয়াৰ দাবী তোলে। সম্প্ৰতি ৰাজ্যসমূহক ৬৬.৬% দিয়া হয়।

১০ এপ্ৰিল : অস্ত্ৰ সম্বৰণ অৱমাননা কৰি কৰিমগঞ্জ অঞ্চলত পাকিস্তানৰ প্ৰচণ্ড গুলীবৰ্ষণ।

২৩ এপ্ৰিল : জকাই আছাম টী কোম্পানীৰ হাটিয়ালী চাহ বাগিচাৰ ইউৰোপীয় মেনেজাৰ ৰবাৰ্ট জেম্‌ছ ৰ'লষ্টনক পুলিচে ১৫৩ আৰু ৫০৪ ধাৰামতে গ্ৰেপ্তাৰ কৰে। যোৱা গণৰাজ্য দিৱসত হাটিয়ালী চাহ বাগিচাৰ শ্ৰমিকসকলে উত্তোলন কৰা ৰাষ্ট্ৰীয় পতাকা এই মেনেজাৰজনে নমাই আনি জোতাৰে মোহাৰি পেলোৱা বুলি

মিজোৰামৰ তিনিখন আসনৰ ভিতৰত দুখন আৰু ই আই টি ইউৱে (Eastern India Tribal Union) তৃতীয়খন আসন পায়। ১৯৬২ চনৰ ২৪ অক্টোবৰত এ পি এইচ এল চিৰ ফালৰ পৰা ডিমাণ্ড ডে' (Demand Day) পালন কৰা হয় আৰু দলটোৰ সকলো বিধায়কক অসম বিধানসভাৰ সদস্য পদৰ পৰা পদত্যাগ কৰিবলৈ আহ্বান জনোৱা হয়। মিজো ইউনিয়নৰ সদস্য দুজনে এই আহ্বানমৰ্মে বিধায়ক পদ ইস্তফা দিয়ে যদিও ই আই টি ইউৰ সদস্যজনে ইস্তফা নিদিলে। খালী হোৱা এই আসন দুখন পূৰাবৰ বাবে ১৯৬৩ চনত উপ-নিৰ্বাচন অনুষ্ঠিত হয় আৰু এই নিৰ্বাচনত এম এন এফৰ প্ৰাৰ্থী এফ মনলিয়ানা আৰু লালমাৱইৱ (কনিষ্ঠ) ক্ৰমে পশ্চিম আইজল আৰু লুংলেইৰ পৰা বিজয়ী হয়।

ক্ৰমে এম এন এফ আৰু মিজো ইউনিয়নৰ মাজত গঢ় লৈ উঠা ৰাজনৈতিক বিৰোধে তীব্ৰ ৰূপ ধাৰণ কৰিবলৈ আৰম্ভ কৰে। যদিও এম এন এফে বিধানসভাৰ তিনিখন আসনৰ ভিতৰত দুখনতে বিজয়ী হৈছিল তথাপি ১৯৬৩ চনত গ্ৰাম পৰিষদৰ নিৰ্বাচনত মিজো ইউনিয়নে ২২০খন আসন লাভেৰে তৃণমূল পৰ্যায়ত নিজৰ প্ৰভাৱ থকাটো প্ৰতিপন্ন কৰিব পাৰিছিল। এই সংখ্যাৰ বিপৰীতে এম এন এফে লাভ কৰিছিল মুঠ ১৪৫খন আসন। গ্ৰাম পৰিষদৰ নিৰ্বাচনত কংগ্ৰেছ দলে ১৬খন, ই আই টি ইউৱে ১২খন আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে ১০খন আসন লাভ কৰিছিল। ই আই টি ইউৰ নেতা থানলিৰাক (Thanlira) অসম লোকসেৱা আয়োগৰ সদস্য হিচাপে নিয়োগ কৰাৰ পিচত ১৯৬৪ চনত এই আসনখনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হয় আৰু ইয়াত মিজো ইউনিয়নৰ সভাপতি চুংগাই এম এন এফৰ প্ৰাৰ্থীজনক পৰাস্ত কৰে।

ইয়াৰ আগতে ১৯৬৩ চনৰ ৫ অক্টোবৰত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে অসমৰ ৰাজনৈতিক সমস্যাৱলীৰ বাবে এক সমাধানসূত্ৰ বাহিৰ কৰি উলিয়াইছিল। 'স্কটিছ আৰ্হি' শীৰ্ষক এই সমাধানসূত্ৰ অনুসৰি অসমৰ

অভিযোগ কৰা হৈছিল।

২৮ এপ্ৰিল ঃ কাছাৰ জিলাৰ লাঠিটিলা-ডুমাবাৰী সীমান্তত পাকিস্তানে বিপুল সৈন্য সমাৱেশ কৰাৰ বাতৰি প্ৰকাশ। পাক বাহিনীয়ে ভাৰত আক্ৰমণৰ প্ৰস্তুতি চলোৱাৰ উদ্দেশ্যে পাকিস্তানী কৰ্তৃপক্ষই অঞ্চলটোৰ অসামৰিক বাসিন্দাসকলক স্থানান্তৰ কৰিছে।

১ মে' ঃ কাছাৰ-চিলেট সীমান্তৰ সুৰমা নদীৰ সীমাৰ পৰা লাঠিটিলা-ডুমাবাৰী খণ্ডলৈ আৰু তাৰ পৰা ধৰমনগৰ-কৈলাশ্বৰ খণ্ডলৈ গোটেই সীমান্তজুৰি পাকিস্তানে সামৰিক প্ৰস্তুতি চলায়। জুৰি, আমালছিদ্দ, শ্বমশ্বেৰ নগৰ, শ্বালুটিকৰ আৰু অন্যান্য ঠাইত পাকিস্তানে সামৰিক বাহিনীৰ বিৰাট সংখ্যক সৈন্যৰ সমাৱেশ ঘটায়।

৩ মে' ঃ অসমৰ ব্ৰডগজ ৰে'লৱে লাইনটো আজি মালগাড়ী চলাচল কৰিবৰ বাবে মুকলি কৰা হয়। পশ্চিম বংগৰ ৰাণীনগৰৰ পৰা অসমৰ বঙাইগাঁৱলৈকে ১৬২.২০ মাইল দূৰত্বৰ লাইনটো বঙাইগাঁৱক সংযুক্ত কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ যোগীঘোপালৈ গৈছে।

৪ মে' ঃ উন্মত্ত ছাত্ৰৰ দল এটাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ টেইলৰক ভীতি প্ৰদৰ্শন কৰি, তেওঁৰ চেম্বাৰৰ দুৱাৰখন ভাঙে, খিৰিকীবিলাকত শিল দলিয়ায় আৰু তেওঁক ছঘণ্টা আটক কৰি ৰাখে। এম এ পৰীক্ষা স্থগিত ৰখাৰ উদ্দেশ্যে ছাত্ৰসকলে এনে ভীতি আৰু হিংসাত্মক আচৰণ কৰিছিল।

৬ মে' ঃ লাঠিটিলাত পাকিস্তানীৰ গুলীত এজন ভাৰতীয় নিহত। পুলিচ বাহিনী অপসাৰিত কৰি সুসজ্জিত সামৰিক বাহিনী নিয়োগ।

- ডিব্ৰুগড়ৰ টিংৰাই চাৰ্কোলত অনুষ্ঠিত অসম চাহ মজদুৰ সংঘৰ বাৰ্ষিক অধিৱেশনত বন্ধ কৰা চাহ বাগিচাবোৰ চৰকাৰৰ অধীনলৈ অনাৰ দাবী উত্থাপন কৰা হয়।

১০ মে' ঃ পূব পাকিস্তান ৰাইফল্‌ছে অসম-পূব পাকিস্তান সীমান্তৰ লাঠিটিলা-ডুমাবাৰী তথা ত্ৰিপুৰা সীমান্তত শেহতীয়া ধৰণৰ মৰ্টাৰ আৰু মেচিনগানেৰে গুলীবৰ্ষণ কৰে।

- গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ এইচ জে টেইলৰৰ পদত্যাগ পত্ৰ

পাহাৰীয়া অঞ্চলৰ বিধান মণ্ডলীৰ সদস্যসকলক লৈ এখন কমিটী গঠন কৰা হ'ব। এই কমিটীৰ অনুমোদন ক্ৰমেহে অসমৰ পাহাৰীয়া এলেকাৰ পৰা কেবিনেট মন্ত্ৰীসভাত স্থান পাব লগা মন্ত্ৰীসমূহ নিৰ্ণয় কৰা হ'ব তথা পাহাৰীয়া এলেকাৰ বিধান প্ৰণয়ন আৰু প্ৰশাসন এই কমিটীৰ উপদেশমৰ্মে হ'ব। এ পি এইচ এল চিৰ ফালৰ পৰা এই আৰ্হিৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰা হ'ল আৰু আৰ্হি অনুসৰি আঁচনি ৰূপায়ণ কৰিবলৈ ১৯৬৫ চনৰ ১৬ মাৰ্চত কেন্দ্ৰীয় চৰকাৰে এইচ ভি পাটষ্কাৰক সভাপতি হিচাপে নিযুক্তি দি এখন আয়োগ গঠন কৰে। যিহেতু মিজো ইউনিয়নৰ ফালৰ পৰা মাথোঁ সুকীয়া মিজো ৰাজ্যৰ দাবী বাৰম্বাৰ উঠাই থকা হৈছিল, সেয়েহে ইউনিয়নে এই আয়োগ বৰ্জন কৰিলে। ইয়াৰ পিচত আয়োগৰ প্ৰতিবেদনত বিচৰা ধৰণে স্বায়ত্ত শাসনৰ ব্যৱস্থা নথকা বাবে এ পি এইচ এল চিয়েও আয়োগৰ প্ৰতিবেদন অগ্ৰাহ্য কৰে। আনহাতে এম এন এফে সম্পূৰ্ণ স্বাধীনতাৰ কাৰণে যুঁজ দিবলৈ প্ৰস্তুতি চলাই গ'ল।

১৯৬৬ চনৰ পৰা মিজো পাহাৰ জিলাত সশস্ত্ৰ বিদ্ৰোহীৰ পূৰ্ণ কূটাঘাত আৰম্ভ হ'বলৈ ধৰে। ২৮ ফেব্ৰুৱাৰীৰ পৰা সশস্ত্ৰ এম এন এফৰ বিদ্ৰোহীসকলে নিৰৱচ্ছিন্নভাৱে আইজল, লুংলেই, ভৈৰেংগেটে, চাৰংটে আদি ঠাইত অৱস্থিত চৰকাৰী প্ৰতিষ্ঠানসমূহত আক্ৰমণ চলাবলৈ আৰম্ভ কৰে। প্ৰায় এহেজাৰ এম এন এফ বিদ্ৰোহীয়ে ২৮ ফেব্ৰুৱাৰীৰ দিনাখন লুংলেইত অৱস্থিত আছাম ৰাইফল্‌ছৰ শিবিৰত আক্ৰমণ চলায় আৰু এই আক্ৰমণত কিছুসংখ্যক বিদ্ৰোহীৰ লগতে সেনাবাহিনীৰ দুজন লোক নিহত হয় তথা আন বহুকেইজনে গুৰুতৰ আঘাত পায়। ২৮ ফেব্ৰুৱাৰী আৰু ১ মাৰ্চৰ ভিতৰত আইজলৰ চৰকাৰী কোষাগাৰত বিদ্ৰোহীয়ে আক্ৰমণ সংঘটিত কৰে। আক্ৰমণকাৰীসকলে লুংলেইৰ মহকুমাধিপতিজনকো অপহৰণ কৰিছিল। আইজলৰ কোষাগাৰ আক্ৰমণ কৰি এম এন এফ বিদ্ৰোহীসকলে টকা-পইচাকে আদি কৰি অস্ত্ৰ-শস্ত্ৰও লুট কৰিছিল। ইয়াৰ পিচতে বিদ্ৰোহীসকলে আইজললৈ যোৱা বাটত ভৈৰেংগেটে

বিশ্ববিদ্যালয়ৰ আচাৰ্য ৰাজ্যপাল বিষ্ণু সহায়ে গ্ৰহণ কৰে। ৪ মে'ৰ নিশা ঘটা ঘটনাৰ পিচত টেইলৰে পদত্যাগপত্ৰ দাখিল কৰিছিল। বিশ্ববিদ্যালয় কাৰ্যপালিকা পৰিষদে বিশ্ববিদ্যালয়ৰ ছাত্ৰ ইউনিয়নৰ প্ৰধান সম্পাদক নৃপেন গোস্বামীক বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰে আৰু তেওঁৰ বি এ ডিগ্ৰী প্ৰত্যাহাৰ কৰে। আন এজন ছাত্ৰ বালকিষেণ ছুন্দুকো বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰা হয়।

১১ মে' ঃ কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তৰ পিচত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে শ্ৰেণীত যোগদানৰ পৰা বিৰত থাকে আৰু বিশ্ববিদ্যালয় অফিচৰ কৰ্মচাৰীসকলে শান্তিপূৰ্ণভাৱে পিকেটিং কৰে। ছদিনলৈ বিশ্ববিদ্যালয় বন্ধ থাকিব বুলি উপাচাৰ্য টেইলৰে ঘোষণা কৰে।

১৯ মে' ঃ লাঠিটিলা-ডুমাবাৰীত পাকিস্তানী সৈন্যই প্ৰচণ্ড গুলীবৰ্ষণ কৰে। ত্ৰিপুৰা সীমান্তত ভাৰতীয় সীমান্তৰক্ষী বাহিনীৰ এজন জোৱান আহত হয়।

২০ মে' ঃ খাদ্য বস্তুত ভেজাল দিয়াৰ অভিযোগত গুৱাহাটীৰ কেইবাজনো ব্যৱসায়ীক দণ্ড বিহা হয়। পাণবজাৰৰ কল্যাণী হোটেলৰ হৰিপদ দে', পাণবজাৰৰ গুৱাহাটী ডায়েৰীৰ তপন কুমাৰ দেৱ, ভীমৰাজ সিং, ৰাজস্থান ষ্ট'ৰৰ মদনলাল, নাগেশ্বৰ পোদ্দাৰ এই কেইজন ব্যৱসায়ীক ভেজাল খাদ্য বিক্ৰীৰ অভিযোগত জৰিমনা বিহা হয়। এই আটাইকেইটা গোচৰ গুৱাহাটী মিউনিচিপালিটীৰ স্বাস্থ্য বিষয়া ডাঃ পি শৰ্মাই অনুসন্ধান কৰিছিল।

৭ জুন ঃ পাৰ্বত্য এলেকাৰ উন্নয়ন সন্দৰ্ভত গঠন কৰি দিয়া পাটস্কাৰ আয়োগৰ অধ্যক্ষ এইচ ভি পাটস্কাৰে বিভিন্ন সংগঠনৰ মতামত গ্ৰহণ কৰি কলিকতালৈ উভতি যায়।

১৪ জুন ঃ অবৈধ নাগৰিকক বহিষ্কাৰৰ নামত মুছলমান লোকক হাৰাশাস্তি কৰাৰ অভিযোগ তুলি অসম বিধানসভাৰ ১৩ গৰাকী মুছলমান বিধায়কে আজি ইস্তফা দিয়াৰ ভাবুকি প্ৰদান কৰে। বিত্ত মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদ আৰু কৃষি মন্ত্ৰী মইনুল হক চৌধুৰীলৈ প্ৰেৰণ কৰা এক পত্ৰত কংগ্ৰেছৰ এই বিধায়ককেইজনে অসমৰ পৰা পাকিস্তানী প্ৰব্ৰজনকাৰীক

নামৰ ঠাইটুকুৰাত উৰুৱাই দিয়ে। বিদ্ৰোহীসকলে পথৰ কালভাৰ্টসমূহ বোমাৰে উৰুৱাই দিয়াৰ লগতে পথত ডাঙৰ গছবোৰ কাটি পথত বগৰাই দিছিল।

এম এন এফৰ স্বাধীনতা ঘোষণা

১৯৬৬ চনৰ ১ মাৰ্চত এম এন এফে মিজোৰামক স্বাধীন বুলি ঘোষণা কৰে। এই ঘোষণাপত্ৰত লালডেংগাৰ লগতে আন যাঠিজন বিদ্ৰোহীয়ে স্বাক্ষৰ কৰিছিল। ঘোষণাপত্ৰ প্ৰকাশৰ সমান্তৰালভাৱে সংগঠনটোৰ ফালৰ পৰা মিজোৰামক স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিবলৈ পৃথিৱীৰ সমূহ স্বতন্ত্ৰ ৰাষ্ট্ৰৰ প্ৰতি আহ্বান জনাইছিল।

এম এন এফৰ ফালৰ পৰা চলোৱা ধাৰাবাহিক আক্ৰমণৰ পিচত পাহাৰীয়া জিলাখনৰ ভালেখিনি অঞ্চল বিদ্ৰোহীৰ অধীনলৈ গুচি যায় যদিও আইজলৰ প্ৰথম আছাম ৰাইফল্‌ছৰ মুখ্য সদৰ কাৰ্যালয় বিদ্ৰোহীয়ে নিজৰ কবললৈ নিব নোৱাৰিলে। ১৯৬৬ চনৰ ২ মাৰ্চত অসম চৰকাৰে জিলাখনক অশান্ত অঞ্চল হিচাপে ঘোষণা কৰি সামৰিক বাহিনী মোতায়েন কৰে। ৩ মাৰ্চৰ পৰা সমগ্ৰ আইজলত সামৰিক বাহিনীয়ে হেলিকপ্টাৰেৰে সৈন্য নমায় আৰু ৪ মাৰ্চৰ পুৱাৰে পৰা চহৰখনৰ আবাসীসকলে চহৰ এৰি গুচি যাবলৈ আৰম্ভ কৰে। ইতিমধ্যে উল্লেখ কৰা হৈছে আইজলৰ আছাম ৰাইফল্‌ছৰ মুখ্য শিবিৰটোৰ বাদে সমগ্ৰ চহৰখনৰ ওপৰতে এম এন এফে কব্জা কৰি লৈছিল। ৫ মাৰ্চৰ দিনাখন ভাৰতীয় বিমান বাহিনীৰ কিছুসংখ্যক জেট এয়াৰক্ৰাফ্‌টে এম এন এফে চহৰখনত কৰা অৱস্থানবোৰত গুলীবৰ্ষণ কৰে তথা বোমা পেলায়। ইয়াৰ আগতে ৪ মাৰ্চৰ দিনাখন সামৰিক বাহিনীয়ে স্থলপথেৰে আহি কোলোশিব পায়হি আৰু কোনোধৰণৰ বাধা নোপোৱাকৈ বিদ্ৰোহীয়ে আবদ্ধ কৰি ৰখা চৰকাৰী বিষয়াসকলক মোকলাই নিয়ে। ৫ মাৰ্চৰ দিনাখনে স্থলবাহিনীটোৱে আইজলৰ পাৰ্শ্বৱৰ্তী বুংকাৱন নিজৰ দখললৈ আনে। বিমানবাহিনীৰ বোমা তথা গুলীবৰ্ষণ ৫ মাৰ্চপৰ্যন্ত অব্যাহত আছিল আৰু

বহিষ্কাৰৰ নামত মুছলমান লোকক হাৰাশাস্তি কৰা বুলি যিবোৰ অভিযোগ উঠিছে সেইবোৰৰ ক্ষেত্ৰত অসম চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি বিধায়কসকলে আপত্তি দৰ্শায়।

২০ জুন ঃ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ বাবে যাৱতীয় অনুসন্ধান সমাপ্ত নকৰাৰ বাবে পৰিকল্পনা আয়োগে এই প্ৰকল্পৰ কাম পঞ্চম পৰিকল্পনালৈ পিচুৱাই দিয়াৰ সিদ্ধান্ত লয়।

২৯ জুন ঃ ফ্লায়িং অফিচাৰ উৎপল বৰবৰালৈ বীৰ চক্ৰ সন্মান প্ৰদান।

২৪ জুলাই ঃ ডিব্ৰুগড় অভিমুখী উজনিমুৱা ৩নং অসম মেইলখন চেলেংহাট ষ্টেচনত দুৰ্ঘটনাগ্ৰস্ত হৈ ১১জন লোক নিহত আৰু ৩০জন লোক আহত হয়।

৬ ছেপ্টেম্বৰ ঃ অসমৰ চৰকাৰৰ ৰাজপত্ৰত প্ৰকাশিত এটা ঘোষণা অনুসৰি অহা ১৩ ছেপ্টেম্বৰৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ভাষা আৰু বৰাক উপত্যকাত বাংলা ভাষা প্ৰৱৰ্তিত হ'ব বুলি কোৱা হয়।

২৭ অক্টোবৰ ঃ পাকিস্তানে নিজৰ জলভাগত সা-সামগ্ৰীসহ ভাৰতীয় জাহাজ আটক কৰি থোৱাৰ পৰা উদ্ভৱ হোৱা জৰুৰী পৰিস্থিতিৰ বাবে ভাৰত চৰকাৰে ব্ৰহ্মদেশৰ পৰা অসমলৈ জাহাজ ভাৰালৈ আনিব লগা হয়।

২৯ অক্টোবৰ ঃ প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে অসম ভ্ৰমণৰ কাৰ্যসূচী লৈ গুৱাহাটীত উপস্থিত হয়। গুৱাহাটীত অনুষ্ঠিত কংগ্ৰেছ কৰ্মীৰ সভাত শাস্ত্ৰীয়ে কয় যে পাকিস্তানৰ লগত শান্তিপূৰ্ণভাৱে সমস্যা সমাধানৰ অশেষ চেষ্টা কৰিও বিফল হোৱা বাবেহে ভাৰতে বাধ্য হৈ অস্ত্ৰৰে উত্তৰ দিব লগা হৈছে।

২৮ নৱেম্বৰ ঃ ব্ৰিটিছ শাসনৰ সময়ছোৱাত মণিপুৰৰ মুখ্য ন্যায়াধীশ হৈ থকা তথা অসমৰ এগৰাকী অগ্ৰজ আইনবিদ কামাখ্যাৰাম বৰুৱাৰ গুৱাহাটীত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৮২ বছৰ।

২ ডিচেম্বৰ ঃ পাটস্কাৰ কমিছনৰ সদস্যবৃন্দই ডিফু আৰু হাফলঙত বিভিন্ন সংগঠন তথা সদস্যক সাক্ষাৎ কৰে। মিকিৰ পাৰ্বত্য জিলা পৰিষদ 'কাৰ্বি দৰবাৰ' আৰু মিকিৰ পাৰ্বত্য জিলা কংগ্ৰেছৰ প্ৰতিনিধিসকলে জিলাখনত বৃহৎ পৰিসৰৰ স্বায়ত্ত

বোমাবৰ্ষণৰ ফলত আইজল চহৰৰ বৰাবাজাৰৰ বেছিভাগ দোকানেই ভস্মীভূত হৈছিল। ৬ মাৰ্চত চৰকাৰী বাহিনীয়ে আইজল চহৰখনক বিদ্ৰোহীৰ হাতৰ পৰা মোকলাবলৈ সক্ষম হয় আৰু শিলচৰ-আইজল পথটো পুনৰায় মোকলাই দিয়ে।

আইজলত পৰাজয়বৰণ কৰিলেও এম এন এফে তেতিয়ালৈ লুংলেই আৰু আন আন ভিতৰুৱা এলেকাবোৰ নিজৰ দখলত ৰাখিব পাৰিছিল। সামৰিক বাহিনীয়ে আইজল পুনৰুদ্ধাৰ কৰাৰ পিচত ৭ মাৰ্চৰ পৰা আইজল পৰিত্যাগ কৰি গুচি যোৱা আবাসীসকলে প্ৰত্যাৱৰ্তন কৰিবলৈ আৰম্ভ কৰে। অৱশ্যে ১২ মাৰ্চপৰ্যন্ত চহৰখনত অশান্তজৰ্জৰ অৱস্থা অব্যাহত থাকিল। ১৪ মাৰ্চত সামৰিক বাহিনীৰ লোকে কোনোধৰণৰ সংঘৰ্ষ নকৰাকৈ লুংলেই চহৰখন বিদ্ৰোহীৰ কবলৰ পৰা মোকলাবলৈ সক্ষম হয়। ক্ৰমাগতভাৱে সামৰিক বাহিনীয়ে মিজোৰামৰ ভিতৰুৱা প্ৰান্তত প্ৰৱেশ কৰিবলৈ সক্ষম হয় আৰু এই এলেকাবোৰ বিদ্ৰোহীৰ হাতৰ পৰা মোকলায়। এম এন এফ বিদ্ৰোহীসকলে পূব পাকিস্তানৰ চিটাগঙৰ পাহাৰীয়া দুৰ্গম এলেকা, চীন পাহাৰ তথা ব্ৰহ্মদেশলৈ (বৰ্তমানৰ ম্যানমাৰলৈ) পলাই যায়। এই এলেকাবোৰত বাহৰ পাতি এম এন এফে পুনৰ বিদ্ৰোহীসকলক সংগঠিত কৰিবলৈ লয় আৰু পূব পাকিস্তানৰ পৰা এখন অস্থায়ী চৰকাৰ পৰিচালনা কৰিবলৈ লয়।

এম এন এফৰ সৈতে হোৱা এই হিংসাত্মক ঘটনাৰ ফলাফল আছিল সুদূৰপ্ৰসাৰী। আইজল চহৰত ভাৰতীয় বিমানবাহিনীৰ জোৱানসকলে বোমা নিক্ষেপ কৰা কাৰ্যক উত্তৰ-পূব ভাৰতৰ সৰহভাগ জনজাতীয় লোকে উচিত কাৰ্য বুলি গণ্য কৰা নাছিল আৰু ই আছিল স্বাধীন ভাৰতৰ নিজৰ প্ৰজাৰ ওপৰত বোমা নিক্ষেপ কৰাৰ প্ৰথম উদাহৰণ। বিদ্ৰোহী দমন কাৰ্য সফল বুলি প্ৰতিপন্ন হোৱাৰ পিচত ভাৰত চৰকাৰে উগ্ৰবাদবিৰোধী বিভিন্ন পন্থা হাতত ল'বলৈ আৰম্ভ কৰে। বিদ্ৰোহ দমনৰ এক কৌশল হিচাপে ১৯৬৬ চনত মিজো পাহাৰ জিলাত ভালেসংখ্যক পি পি ভি (Protected and Progressive

শাসনৰ দাবী জনায়।

১০ ডিচেম্বৰ ঃ অসমৰ পৰা বহিষ্কাৰ কৰা বাংলা দেশীসকলক পূব পাকিস্তান কৰ্তৃপক্ষই বাধা প্ৰদান কৰি পুনৰ ঘূৰাই পঠোৱা বুলি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই বিধানসভাক অৱগত কৰে।

২৮ ডিচেম্বৰ ঃ ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ ১৭জন সদস্যই গুৱাহাটী জিলা কাৰাগাৰত অনশন কাৰ্যসূচী পালন কৰে ১৯৬৪ চনৰ ডিচেম্বৰ মাহৰ পৰা কাৰাবন্দী হৈ থকা এইসকল লোকে কাৰাগাৰৰ ভিতৰত যথাযথ খাদ্য সামগ্ৰী, কাপোৰ আৰু আন আন আচবাব নোপোৱাৰ প্ৰতিবাদত এই অনশন পালন কৰে। অনশনকাৰীসকলৰ ভিতৰত চি পি আইৰ কেন্দ্ৰীয় কমিটীৰ সদস্য অচিন্ত্য ভট্টাচাৰ্য আৰু ৰাজ্যিক গোটৰ সহকাৰী সম্পাদক নন্দেশ্বৰ তালুকদাৰো আছিল।

Villages) গাঁও স্থাপন কৰা হয়। বিদ্ৰোহীসকলে যাতে খাদ্য, থকা-মেলা আৰু অন্যান্য সা-সুবিধা ভিতৰুৱা গাঁওবোৰৰ পৰা লাভ কৰিব নোৱাৰে তাৰ বাবে ভিতৰুৱা গাঁওবোৰৰ পৰা আবাসীসকলক স্থানান্তৰিত কৰি নতুন গাঁও পতাৰ পৰিকল্পনা চলিল। শিলচৰৰ পৰা আহি মিজোৰামত প্ৰৱেশ কৰা স্থানডোখৰৰ পৰা (ভৈৰেংগেটে) আইজললৈ আৰু দক্ষিণৰ লুংলেইলৈ এই পথটো বিদ্ৰোহীৰ পৰা মুক্ত কৰিবলৈ নতুন আদৰ্শ গাঁওসমূহ পথৰ দাঁতিত স্থাপন কৰাৰ সিদ্ধান্ত ৰচনা হ'ল। ভৈৰেংগেটে-আইজল-লুংলেই পথটো বিদ্ৰোহীৰ হাতৰ পৰা সম্পূৰ্ণ মুক্ত কৰাৰ পিচত চৰকাৰৰ বাবে খাদ্য তথা অন্যান্য সামগ্ৰী যোগান সুচল হৈ পৰিছিল। এই আদৰ্শ গাঁওবোৰ স্থাপন কৰাৰ দায়িত্ব সামৰিক বাহিনীৰ হাতত অৰ্পণ কৰা হৈছিল। পুৰণি গাঁওবোৰ এৰি পথৰ নিকটৱৰ্তী স্থানসমূহত গাঁও স্থাপন কৰিবলৈ মিজোবাসীক সকলোধৰণৰ সহায় আগবঢ়োৱা হৈছিল। ঘৰ নিৰ্মাণৰ বাবে মাটি দিয়াৰ লগতে মানুহক গৃহ নিৰ্মাণ সামগ্ৰীও প্ৰদান কৰা হৈছিল। এনেদৰে ভৈৰেংগেটে-আইজল-লুংলেই পথত ১৮খন পি পি ভি স্থাপন কৰা হৈছিল আৰু এনে গাঁওবোৰক পাঁচটা গ্ৰুপত ভগাই প্ৰতিটো গ্ৰুপক এগৰাকীকৈ আঞ্চলিক প্ৰশাসনিক বিষয়াৰ অধীনত ৰাখিছিল। এই বিষয়াজনৰ মুখ্য কাম আছিল গাঁওবাসীক সুলভ মূল্যৰ বস্তু যোগান ধৰা, বিদ্যালয়, চিকিৎসালয় আৰু সমবায় পৰিচালনা কৰা, মানুহৰ আহ-যাহৰ অনুমতি প্ৰদান কৰা তথা সৰু-সুৰা বিবাদ নিষ্পত্তি কৰা। প্ৰতিখন পি পি ভিতে একোটাকৈ সুৰক্ষা চকী নিৰ্মাণ কৰা হৈছিল আৰু চকীবোৰৰ মূল কাম আছিল বিদ্ৰোহীসকলক এই নতুন গাঁওবোৰত প্ৰৱেশ কৰাত বাধা প্ৰদান কৰা।

১৯৬৬ চনৰ হিংসাত্মক আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনাৰ পিচত The Assam Disturbed Area Act আৰু The Assam and Manipur Armed Forces (Special Powers) Actৰ অধীনত মিজো পাহাৰ জিলাক অশান্তজৰ্জৰ অঞ্চল হিচাপে ঘোষণা কৰা হয়। পি পি ভিবোৰৰ কিছু এলেকাক

১৯৬৬

৩ জানুৱাৰী ঃ মিজো নেচনেল ফ্ৰণ্টৰ লুংলেহ গোটৰ সচিব লাইমানাক দুষ্কৃতিকাৰীৰ দ্বাৰা হত্যা। চৰকাৰক গোপন খবৰ সৰবৰাহ কৰাৰ অভিযোগত কিছুদিন আগতে তেওঁক বিদ্ৰোহী গোটটোৰ পৰা বহিষ্কাৰ কৰা হৈছিল। আইজল চহৰৰ ছাইৰংৰোডত তেওঁৰ গুলীবিদ্ধ মৃতদেহ পোৱা যায়।

৯ জানুৱাৰী ঃ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মাধৱৰাও সদাশিৱৰাও গোলৱালকাৰে গুৱাহাটীৰ চাৰ্চ ফিল্ডত অনুষ্ঠিত এক গণসমাৱেশত ভাষণ প্ৰদান কৰি পাকিস্তানে যুদ্ধত পৰাস্ত হ'লেও নিজৰ শক্তি পুনৰ আহৰণ কৰাৰ প্ৰচেষ্টা কৰি আছে বুলি ৰাইজক সতৰ্ক কৰি দিয়ে।

১৪ জানুৱাৰী ঃ গুৱাহাটীত অটোমেটিক টেলিফোন একচেঞ্জ ব্যৱস্থাৰ প্ৰৱৰ্তন। ইয়াৰ জৰিয়তে এতিয়াৰে পৰা গ্ৰাহকে নিজৰ টেলিফোনৰ পৰা টেলিফোন অপাৰেটৰৰ সহায় নোলোৱাকৈ প্ৰত্যক্ষভাৱে ফোন নম্বৰ ডায়েল কৰি আন কোনো নম্বৰৰ সৈতে যোগাযোগ স্থাপন কৰিব পাৰিব।

২৫ জানুৱাৰী ঃ ফখৰুদ্দিন আলী আহমেদক কেন্দ্ৰীয় মন্ত্ৰী হিচাপে নিযুক্তি দিয়াত তেখেতে অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ হাতত ইস্তফাপত্ৰ দাখিল কৰে আৰু মুখ্যমন্ত্ৰীয়ে এই পত্ৰ গ্ৰহণ কৰে।

২৭ জানুৱাৰী ঃ বকোৰ কাষত হোৱা এটা পথ দুৰ্ঘটনা ৬জন লোক থিতাতে নিহত আৰু ২০জন লোক আহত হয়। বাছখন হাহিম বজাৰৰ পৰা গুৱাহাটী অভিমুখে আহি আছিল।

২৯ জানুৱাৰী ঃ ফখৰুদ্দিন আলী আহমেদে কেন্দ্ৰীয় জলসিঞ্চন আৰু শক্তি মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

৬ ফেব্ৰুৱাৰী ঃ উত্তৰ লক্ষীমপুৰৰ কুলজানত অনুষ্ঠিত অসম মিচিং বানে কেবাঙৰ মুকলি সন্মিলনত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী উপস্থিত থাকে।

১৬ ফেব্ৰুৱাৰী ঃ উত্তৰ-পূব সীমান্ত

Defence of India Rulesৰ অধীনত সুৰক্ষিত এলেকা বুলি ঘোষণা কৰাৰ লগতে সন্ধিয়া ৬ৰ পৰা পুৱা ৪.৩০ বজালৈ সমগ্ৰ অশান্ত এলেকাতে সান্ধ্য আইন বলৱৎ কৰা হয়।

মিজো পাহাৰত অশান্তিকৰ পৰিৱেশ সংঘটিত হৈ থকাৰ সময়তে অসমৰ পাহাৰীয়া লোকৰ আশা-আকাংক্ষাৰ বুজ ল'বলৈ গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দৰ নেতৃত্বত এক কেবিনেট কমিটী ১৯৬৬ চনৰ জুন মাহত শ্বিলঙলৈ আহে। তেওঁ এই বিষয়ত এক নতুন আঁচনি দাঙি ধৰে আৰু এই আঁচনি অনুসৰি পাহাৰীয়া এলেকাবোৰ অসমৰ ভিতৰত ৰাখিও তেওঁলোকৰ বাবে পৃথক বিধান মণ্ডলী তথা কেবিনেট মন্ত্ৰীসভা গঠনৰ প্ৰস্তাৱ আগবঢ়োৱা হয়। এ পি এইচ এল চিৰ ফালৰ পৰা এই প্ৰস্তাৱ চিধাই নাকচ কৰা হয় আৰু সংগঠনটোৱে ১৯৬৭ চনৰ নিৰ্বাচন বৰ্জন কৰাৰ সিদ্ধান্ত লৈ প্ৰত্যক্ষ সংগ্ৰামৰ পৰিকল্পনা গ্ৰহণ কৰে। পৰিস্থিতিৰ অধিক অৱনতি হোৱালৈ লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী শ্বিলঙলৈ আহে আৰু পাহাৰীয়া নেতাসকলৰ লগত কেইবালানিও আলোচনাত মিলিত হয়। ১৯৬৭ চনৰ ১৮ জানুৱাৰীত ভাৰত চৰকাৰে অসমৰ পুনৰ গঠনৰ বাবে এখন নতুন আঁচনিৰ ঘোষণা আগবঢ়ায়। কেইবাটাও সংঘীয় গোটৰ (Federating Units) সৈতে অসমৰ বাবে এক ফেডাৰেল গাঁথনিৰ প্ৰস্তাৱ লোৱা হয়। এই আঁচনি ৰূপায়ণৰ বাবে ১৯৬৭ চনৰ ২২ জুলাইত অশোক মেহতাৰ সভাপতিত্বত এখন কমিটী গঠন কৰি দিয়া হয়। এই কমিটীয়ে প্ৰতিখন পাহাৰীয়া এলেকাৰ বাবে বিধায়িনী আৰু কাৰ্যবাহী পৰিষদ তথা কিছু পৰিমাণৰ স্বায়ত্ত শাসনৰ অনুমোদন কৰিছিল যদিও এ পি এইচ এল চিয়ে কমিটীৰ এনে অনুমোদনবোৰ নাকচ কৰে।

১৯৬৮ চনৰ ১১ ছেপ্টেম্বৰত ভাৰত চৰকাৰে এখন স্বায়ত্তশাসিত ৰাজ্যৰ ঘোষণা আগবঢ়ায়। গাৰো পাহাৰ, খাছী পাহাৰ, জয়ন্তীয়া পাহাৰক লৈ গঠিত এই স্বায়ত্তশাসিত ৰাজ্যখন অসমৰ ভিতৰতে থাকিব আৰু ইচ্ছা কৰিলে মিকিৰ তথা উত্তৰ কাছাৰ পাহাৰে এই স্বায়ত্তশাসিত ৰাজ্যখনত যোগ দিব

ৰে'লৰেৰ মৰিয়নী আৰু ফৰকাটিং শাখাৰ ফৰকাটিং আৰু কমাৰবন্ধাৰ মাজত থ্ৰী-আপ আছাম মেইল দুৰ্ঘটনাগ্ৰস্ত হয়। এই ঘটনাত ৩৮জন লোক নিহত আৰু ৩৪জন লোক আহত হয়।

২২ ফেব্ৰুৱাৰী ঃ বৰঝাৰ বিমানবন্দৰত বিমানবাহিনীৰ এখন জেট বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ ১৭জন লোকৰ মৃত্যু আৰু বিশজনতকৈ অধিক লোক আহত হয়। এই ঘটনাত ৩০টা ঘৰ ভস্মীভূত হয়।

২৮ ফেব্ৰুৱাৰী ঃ প্ৰায় ১০ হাজাৰ সশস্ত্ৰ মিজো লোকে আজি মাজনিশা একে সময়তে আইজল আৰু লুংলেৰ ট্ৰেজাৰী আৰু অস্ত্ৰাগাৰ লুণ্ঠন কৰে। মিজো নেচনেল ফ্ৰণ্টৰ সদস্য বুলি সন্দেহ কৰা এইসকল লোকে সকলো অস্ত্ৰ-শস্ত্ৰ, টকা-পইচা লৈ যায়।

১ মাৰ্চ ঃ অসমত ৰে'ললাইন মিটাৰ গজৰ পৰা ব্ৰডগজলৈ ৰূপান্তৰ কৰিবলৈ ভাৰত চৰকাৰক আৱেদন জনাই অসম বিধানসভাত এটা বেচৰকাৰী প্ৰস্তাৱ গৃহীত হয়। প্ৰস্তাৱৰ উত্থাপক দেবেন্দ্ৰনাথ শৰ্মাই গুৱাহাটীলৈ তৎকালে ব্ৰডগজ লাইন সম্প্ৰসাৰিত কৰিব লাগে বুলিও দাবী তোলে।

২ মাৰ্চ ঃ প্ৰজা ছচিয়েলিষ্ট দলৰ সদস্য হেম বৰুৱাৰ মনোযোগ আকৰ্ষক প্ৰশ্ন এটাৰ উত্তৰত গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দই ভাৰতৰ সদনত ঘোষণা কৰে যে মিজো বিদ্ৰোহীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। স্বাধীনতাৰ বাবে মিজোসকলে জনোৱা দাবীটো অসম্ভৱ বুলিও তেওঁ কয়।

৩ মাৰ্চ ঃ মিজো বিদ্ৰোহীসকলে গোটেই নিশা আইজলৰ চৰকাৰী প্ৰতিষ্ঠানসমূহৰ ওপৰত গুলীবৰ্ষণ অব্যাহত ৰাখে।

৪ মাৰ্চঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই বিধানসভাত দাখিল কৰা অসমৰ ১৯৬৬-৬৭ চনৰ বাজেটৰ হিচাপত ৫.২২ লাখ টকাৰ ৰাহি প্ৰদৰ্শন কৰা হয়। বাজেটত কোনো নতুন কৰৰ প্ৰস্তাৱ ৰখা হোৱা নাই যদিও অসম মটৰ ভেহিকল্‌ছ টেক্সেচন অনুযায়ী কৰৰ হাৰ বৃদ্ধি কৰি ৫৫ লাখ টকাৰ অতিৰিক্ত ৰাজহ তোলাৰ ব্যৱস্থা কৰা হৈছে।

পাৰিব। ভাৰতবৰ্ষৰ সংসদে ১৯৬৯ চনৰ ২৪ ডিচেম্বৰত মেঘালয় নামৰ ৰাজ্যখনৰ বাবে বিধি পালন কৰে আৰু ১৯৭০ চনৰ ২ এপ্রিলত এই স্বায়ত্তশাসিত ৰাজ্যখন প্রধানমন্ত্রীয়ে উদ্বোধন কৰে।

সশস্ত্র বিদ্রোহ দমন কৰাৰ পিচত ১৯৬৭ আৰু ১৯৬৮ চনত মিজো পাহাৰত বিদ্রোহী কাৰ্যকলাপ স্তিমিত হৈ গৈছিল যদিও ১৯৬৯ চনৰ শেহৰ ফালৰ পৰা এম এন এফৰ সক্রিয়তা পুনৰ বৃদ্ধি পাবলৈ ধৰে। মিজো, নগা আৰু কুকি বিদ্রোহীসকলৰ বাবে পাকিস্তানে চিটাগং পাহাৰীয়া এলেকাৰ ছাজেক অঞ্চলত প্রশিক্ষণৰ ব্যৱস্থা কৰি দিছিল আৰু ১,৫০০ জনীয়া এই প্রশিক্ষণপ্রাপ্ত বিদ্রোহীসকলক ভাৰতত সশস্ত্র বিদ্রোহ চলাই নিয়াৰ সকলো ব্যৱস্থা কৰি দিয়া হৈছিল। এই বিদ্রোহীসকলে চীনৰ গেৰিলা প্রশিক্ষণৰো সুযোগ লাভ কৰিছিল। ১৯৭০ চনৰ ১৬ ফেব্রুৱাৰীত বিদ্রোহীৰ হাতত মিজো পাহাৰৰ মাৰপাৰাত এগৰাকী মেজৰকে ধৰি সামৰিক বাহিনীৰ ছজন জোৱান নিহত হয়। একেদৰে ২ জুলাইত বিদ্রোহীৰ হাতত ত্রিপুৰাৰ সীমান্তৱৰ্তী গাঁৱৰ কেইবাজনো লোক নিহত হয়। আক্রমণৰ ঘটনাৰ সমান্তৰালভাৱে সামৰিক বাহিনীৰ হাততো ব্যাপক হাৰত বিদ্রোহী নিহত হ'বলৈ ধৰে আৰু ১৯৭০ চনৰ শেষৰ ফাললৈ সমগ্র মিজো পাহাৰতে হিংসাৰ জুইকুৰাৰ প্রাবল্য তীব্রতৰ হৈ পৰিবলৈ ধৰে।

বিদ্রোহাত্মক কাৰ্যৰ সমান্তৰালভাৱে উত্তৰ-পূবৰ পুনৰ গঠনৰ প্রক্রিয়াটোৱে এক ত্বৰান্বিত গতি লাভ কৰে। মেঘালয় গঠন হোৱাৰ পিচত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰক অসম চৰকাৰে অতিৰিক্ত আৰ্থিক আৰু প্রশাসনিক সুবিধা আগবঢ়োৱাত জিলা দুখনে মেঘালয়ৰ সৈতে যোগ নিদিয়াৰ সিদ্ধান্ত লয়। মিজো পাহাৰৰ ভৱিষ্যতক লৈ গুণাগঁথা চলি থকাৰ সময়তে মিজো জিলা পৰিষদ পৰিচালনা কৰা সংযুক্ত মিজো সংসদীয় দলৰ অধীনস্থ মিজো ইউনিয়ন আৰু মিজোৰাম কংগ্রেছ দলে ১৯৭১ চনৰ ১৪ এপ্রিলত এক প্রস্তাৱযোগে সুকীয়া মিজোৰাম ৰাজ্য গঠনেহে পাহাৰীয়া জিলাখনলৈ

৮ মাৰ্চ ঃ ১৫ এপ্ৰিলৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ভাষা আৰু কাছাৰ জিলাত বাংলা ভাষা জিলা পৰ্যায়ত সকলো কামৰ কাৰণে ব্যৱহাৰ কৰা হ'ব বুলি অসম চৰকাৰে গেজেটযোগে ঘোষণা কৰে।

২৬ মাৰ্চ ঃ মাটি অধিগ্ৰহণ কৰা সংক্ৰান্তত ৰঙিয়াৰ ওচৰৰ দ্বাৰকুছিৰ ওচৰৰ বৰালকুছি গাঁৱত জনজাতীয় আৰু ভগনীয়া লোকৰ মাজত সংঘৰ্ষ ঘটাৰ ফলত পুলিচে গুলীচালনা কৰে।

২৮ মাৰ্চ ঃ কেন্দ্ৰীয় শক্তি আৰু জলসিঞ্চন মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদ ৰাজ্যসভালৈ নিৰ্বাচিত। ৰাজ্যসভালৈ নিৰ্বাচিত আন দুগৰাকী প্ৰাৰ্থী হৈছে মহিতোষ পুৰকায়স্থ (কংগ্ৰেছ) আৰু উষা বৰঠাকুৰ (কংগ্ৰেছ)।

২৯ মাৰ্চ ঃ ৰাজ্য বিধানসভাত বান নিয়ন্ত্ৰণ মন্ত্ৰী মইনুল হক চৌধুৰীয়ে অসম বান নিয়ন্ত্ৰণ ব'ৰ্ডে পৰীক্ষামূলকভাৱে কেতবোৰ ঠাইত ব্ৰহ্মপুত্ৰ নদীৰ তলি খন্দা সম্পৰ্কে সিদ্ধান্ত লৈছে বুলি জনায়। সদনত তাৰাপদ ভট্টাচাৰ্যৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীজনে কেন্দ্ৰীয় পৰিবহণ মন্ত্ৰী দপ্তৰৰ পৰা ড্ৰেজাৰৰ যোগান পালেই এই কাম আৰম্ভ কৰা হ'ব বুলি অৱগত কৰায়।

৩০ মাৰ্চ ঃ আইজল-ছাইৰং পথত এম এন এফৰ বিদ্ৰোহীয়ে আক্ৰমণ চলাই নজন সামৰিক বহিনীৰ লোকক আহত কৰে আৰু ইয়াৰে পাঁচজনৰ মৃত্যু হয়।

৩১ মাৰ্চ ঃ ১৯৬৫ চনৰ ১৪ এপ্ৰিলত গঠন কৰি দিয়া পাটস্কাৰ আয়োগে অসমৰ পাৰ্বত্য অঞ্চলবোৰৰ বাবে বিধায়িনী ক্ষমতাসহ এক ষ্টেণ্ডিং কমিটী গঠন কৰাৰ বাবে অনুমোদন জনায়। আয়োগে অসমৰ পাহাৰীয়া অঞ্চলসমূহৰ বাবে অসম চৰকাৰৰ এক সুকীয়া মন্ত্ৰী দপ্তৰ গঠন কৰাৰ বাবেও পৰামৰ্শ দিয়ে।

৫ এপ্ৰিল ঃ চুবুৰীয়া ব্ৰহ্মদেশ কৰ্তৃপক্ষই এইপৰ্যন্ত এহেজাৰজন মিজো বিদ্ৰোহীক দেশখনৰ পৰা খেদি পঠায় বুলি প্ৰকাশ কৰে।

৬ এপ্ৰিল ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে গুৱাহাটীত বহা অধিৱেশনত পাটস্কাৰ আয়োগৰ দ্বাৰা অনুমোদিত মিজো পাহাৰৰ আঁচনিক অবাস্তৱ আৰু অগ্ৰহণযোগ্য বুলি কয়। কমিটীয়ে কয়

শান্তি কঢ়িয়াই আনিব বুলি মত প্ৰকাশ কৰে। এই সিদ্ধান্ত অনুযায়ী জিলা পৰিষদৰ এটা প্ৰতিনিধি দলে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক ১৯৭১ চনৰ মে' মাহত সাক্ষাৎ কৰি মিজোসকলৰ বাবে এখন সুকীয়া ৰাজ্যৰ দাবী তোলে। অৱশ্যে জিলা কংগ্ৰেছৰ এচাম সদস্যই ৰাংচুৱানাৰ নেতৃত্বত পোনতে এম এন এফৰ সৈতে এক বুজাবুজি হোৱাৰ পিচতহে এনে এটা দাবী তোলাটো উচিত আছিল বুলি বিবেচনা কৰিছিল। সি যি নহওক, বাংলা দেশৰ মুক্তি আন্দোলনৰ বাবে এম এন এফে ক্ৰমান্বয়ে পাকিস্তানত আশ্ৰয় হেৰুৱাবলৈ আৰম্ভ কৰিলে আৰু ১৯৭১ চনৰ ডিচেম্বৰ মাহত বাংলা দেশ স্বাধীন হোৱাৰ পিচত বিদ্ৰোহীসকলে সেই ঠাই পৰিত্যাগ কৰিব লগা হ'ল। প্ৰায় এহেজাৰ এম এন এফ বিদ্ৰোহী জিলা প্ৰশাসনৰ ওচৰত আত্মসমৰ্পণ কৰিলে আৰু ৫০০মান বিদ্ৰোহী জিলাখনৰ অ'ত-ত'ত সিঁচৰতি হৈ পৰিল।

১৯৭১ চনৰ শেষৰ ফালে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূবৰ পুনৰ্গঠনৰ চূড়ান্ত ৰূপ প্ৰদান কৰিলে। সেই অনুসাৰে মেঘালয়ক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হ'ল। তেতিয়ালৈ কেন্দ্ৰীয়শাসিত অঞ্চল হৈ থকা মণিপুৰ আৰু ত্ৰিপুৰাক ৰাজ্যৰ মৰ্যাদা দিয়া হ'ল। নেফা আৰু মিজো পাহাৰক কেন্দ্ৰীয়শাসিত অঞ্চল (Union Territories) হিচাপে পুনৰ্গঠন কৰাৰ সিদ্ধান্ত লোৱা হ'ল। সিদ্ধান্তমৰ্মে ১৯৭২ চনৰ ২১ জানুৱাৰীত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে কেন্দ্ৰীয়শাসিত অঞ্চল মিজোৰামৰ শুভ উদ্বোধন কৰে আৰু এনেদৰে অসমৰ এখন জিলা চিৰদিনৰ বাবে ৰাজ্যখনৰ পৰা পৃথক হৈ পৰে। ইমানৰ পিচতো কিন্তু মিজো বিদ্ৰোহৰ অগনি শান্ত হোৱা নাছিল। পৰৱৰ্তী দুটা দশক ধৰি সেই জুই আৰু দাউদাউকৈ জ্বলি থাকিল আৰু ১৯৮৫ চনৰ মিজো চুক্তি নোহোৱাপৰ্যন্ত মিজোৰাম অশান্ত হৈয়ে থাকিল।

যে অসমৰ পৰা নগা পাহাৰক বিচ্ছিন্ন কৰা কাৰ্যই কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰিলে আৰু সেয়েহে মিজোৰামৰ ক্ষেত্ৰত আয়োগে দিয়া পৰামৰ্শাৱলী গ্ৰহণীয় নহয় বুলি কমিটীয়ে মত ব্যক্ত কৰে।

৯ এপ্ৰিল ঃ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, কংগ্ৰেছ সভাপতি কামৰাজ আৰু গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দক সাক্ষাৎ কৰি অসমৰ আৰ্থিক, ৰাজনৈতিক আৰু সামাজিক সমস্যাৰাজি পৃথকতাবাদী মনোভাবেৰে সমাধান কৰিব পৰা নাযাব বুলি দোহাৰে। আঞ্চলিক স্বায়ত্ত শাসন আৰু যথাযথ পুঁজিৰ আবণ্টন দিয়েই এই অঞ্চলৰ মানুহৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰিব পৰা যাব বুলি তেওঁ কয়। অসম পাৰ্বত্য অঞ্চল আয়োগৰ সভাপতি এইচ ভি পাটস্কাৰে মিজো পাহাৰক অসমৰ পৰা পৃথক কৰাৰ বাবে দিয়া পৰামৰ্শ তথা ইয়াক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে শাসন কৰাৰ প্ৰস্তাৱক লৈ বৈঠকত আলোচনা চলে।

১৩ এপ্ৰিল ঃ অসমৰ পৰা নিৰ্বাচিত কংগ্ৰেছ সাংসদসকলে পাটস্কাৰ আয়োগৰ অনুমোদনৰ বিৰোধিতা কৰে। মিজো পাহাৰক অসমৰ পৰা পৃথক কৰি কেন্দ্ৰীয়শাসিত অঞ্চল কৰিলে সমস্যা অধিক তীব্ৰ হ'ব বুলি তেওঁলোকে মত প্ৰকাশ কৰে।

২০ এপ্ৰিল ঃ লামডিং ষ্টেচনত নামনিমুৱা ২০নং তিনিচুকীয়া-নিউ জলপাইগুৰি যাত্ৰীবাহী ৰে'লখনৰ এটা বগীত বোমা বিস্ফোৰণ ঘটি ৪৩জন লোক নিহত আৰু ১২২জন আহত হয়।

২১ এপ্ৰিল ঃ অসম চৰকাৰৰ দ্বাৰা প্ৰকাশিত এক প্ৰেছ বিজ্ঞপ্তিত লামডিঙৰ বোমা বিস্ফোৰণত নিহতৰ সংখ্যা ৫৫জনলৈ বৃদ্ধি পায় বুলি প্ৰকাশ। আহতৰ সংখ্যাও একেদৰে ১৩৫জন বুলি বিজ্ঞপ্তিত প্ৰকাশ কৰে।

২৫ এপ্ৰিল ঃ কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী এছ কে পাটিলে লোকসভাত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ যাত্ৰীবাহী ৰে'লত নগা বিদ্ৰোহীয়ে বিস্ফোৰণ কৰাৰ প্ৰত্যুত্তৰ স্বৰূপে বিদ্ৰোহীসকলৰ বিৰুদ্ধে যথাযথ আৰু প্ৰতিশোধমূলক আক্ৰমণ চলোৱাৰ সপক্ষে মত ব্যক্ত

কংগ্ৰেছৰ আভ্যন্তৰীণ ৰাজনীতি

জন্মলগ্নৰে পৰা অসমত কংগ্ৰেছ নিজৰেই আভ্যন্তৰীণ ৰাজনীতিত জুৰুলা হৈ আহিছে যদিও আন দলৰ নিচিনাকৈ দলটো চূৰমাৰ হৈ যোৱা নাই। কেইবাবাৰো ফাট মেলিছিল যদিও ক্ষমতাৰ লোভত দলটোলৈ বেছিভাগেই ঘূৰি আহিছিল। তথাপি কংগ্ৰেছৰ আভ্যন্তৰীণ ৰাজনীতি প্ৰতিটো দশকতেই গৰম হৈয়েই থাকিল।

যদিও সেয়া সাধাৰণতে দেখা নগৈছিল বা সংবাদ জগতে বৰকৈ নাজানিছিল কিন্তু কংগ্ৰেছত বিসম্বাদ সদায়েই আছিল।

সেই ধাৰা আৰম্ভ হৈছিল স্বাধীনতাৰ

কৰে। যদি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ যাত্ৰীবাহী ৰে'লত নগা বিদ্ৰোহীয়ে বিস্ফোৰণ সংঘটিত কৰা প্ৰমাণিত হয় তেন্তে বিদ্ৰোহীসকলৰ লগত আলোচনা কৰাৰ বিষয়টো পুনৰ বিবেচনা কৰা হ'ব বুলি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে লোকসভাক আশ্বাস প্ৰদান কৰে।

২৬ এপ্ৰিল ঃ আত্মগোপনকাৰী নগা বিদ্ৰোহীসকলে উত্তৰ-পূব সীমান্ত ৰে'লৱেত সংঘটিত বোমা বিস্ফোৰণৰ নিন্দা কৰে আৰু এই কাৰ্যৰ সৈতে নগা বিদ্ৰোহী জড়িত নহয় বুলি প্ৰধানমন্ত্ৰী, অসমৰ মুখ্যমন্ত্ৰীলৈ তাঁৰবাৰ্তা প্ৰেৰণ কৰে।

২৭ এপ্ৰিল ঃ ৰে'ল ৰাজ্যমন্ত্ৰী ৰাম সুভাগ সিঙে সংসদত শেহতীয়াভাৱে অসমত ঘটা ৰে'ল বিস্ফোৰণ এক পৰিকল্পিত কাৰ্য বুলি কৈ ইয়াত বিদেশী শক্তিৰ হাত থকাৰ শংকা প্ৰকাশ কৰে।

২৯ এপ্ৰিল ঃ গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দই সংসদত কয় যে যোৱা ৭ মাৰ্চত যোৰহাটত জব্দ কৰা এখন জীপত যিবোৰ নথি পোৱা গৈছে তাৰ পৰা শেহতীয়া ৰে'লৰ বোমা বিস্ফোৰণ কাৰ্যত নগা লোক যে জড়িত আছে তাৰ প্ৰমাণ স্পষ্ট। পি এছ পিৰ এছ এন দ্বিবেদীয়ে ড° ৰাম সুভাগ সিঙৰ মন্তব্যৰ উদ্ধৃতি দি প্ৰশ্ন কৰে যে যদিহে নিৰাপত্তা বাহিনী আৰু আৰক্ষীৰ হাতত যথাযথ প্ৰমাণ আছিলেই তেন্তে লামডিঙত বোমা বিস্ফোৰণ ঘটাৰ পিচত কিয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। সংসদত এই প্ৰসংগত তুমুল বাক-বিতণ্ডাৰ সূত্ৰপাত হয়।

৩০ এপ্ৰিল ঃ আজি দিনৰ ১২.৪৫ বজাত গুৱাহাটীৰ পৰা দহ মাইল পূবৰ পানীখাইতী ষ্টেচনত ৩নং উজনিমুৱা অসম মেইলখন দুৰ্ঘটনাত পতিত হোৱাত ২৬জন লোক আহত হয়।

৩ মে' ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটী আৰু আৰু কংগ্ৰেছ সংসদীয় দলৰ কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠকত মুখ্যমন্ত্ৰী চলিহাই তেওঁৰ শান্তি মিছন ত্যাগ কৰাৰ সিদ্ধান্ত প্ৰকাশ কৰে। কমিটীয়ে গ্ৰহণ কৰা এটা প্ৰস্তাৱত চলিহাৰ সিদ্ধান্তত শলাগ লৈ কমিটীয়ে দাবী কৰে যে শান্তি মিছন ভাঙি দিব লাগে আৰু বিদ্ৰোহী নগাৰ বিৰুদ্ধে কঠোৰ নিৰাপত্তামূলক ব্যৱস্থা ল'ব লাগে।

আগৰে পৰা। দৰাচলতে বহু আগৰে পৰা। তৰুণৰাম ফুকনৰ পৰা সত্তৰৰ দশকত শৰৎ চন্দ্ৰ সিংহৰ উত্থানলৈকে বুৰঞ্জীৰ পাত ভালকৈ খুঁচৰিলে দেখা যায় যে কংগ্ৰেছৰ বাদ-বিসম্বাদ দলৰ বাহিৰতকৈ ভিতৰতহে বেছি।

একেবাৰে প্ৰথমে বিদ্ৰোহ আৰম্ভ হৈছিল তৰুণৰাম ফুকনৰ পৰা। কংগ্ৰেছৰ নীতি-আদৰ্শৰ মাজত খেলি-মেলি দেখি ফুকন আঁতৰি আহিছিল দলটোৰ পৰা। ফুকনে তেওঁৰ সংগী ৰোহিণী কুমাৰ চৌধুৰীৰে লগ লাগি 'মিলিত জনসংঘ' নামেৰে এটা ৰাজনৈতিক দল গঠন কৰিছিল। সেয়া স্বাধীনতাৰ বহু আগৰ কথা।

তাৰ পৰৱৰ্তী পৰ্যায়ত হোৱা নিৰ্বাচনত মিলিত জনসংঘ আৰু কংগ্ৰেছে পৰস্পৰৰ বিৰোধিতা কৰি নিৰ্বাচন খেলিছিল। কংগ্ৰেছৰ লক্ষ্য আছিল স্বৰাজ। সেই সময়ত মিলিত জনসংঘৰ তেনে কোনো লক্ষ্য নাছিল।

ইয়াৰ পিচৰ পৰ্যায়টো আছিল বৰদলৈ-তৈয়বুল্লাৰ মাজৰ সংঘাত। তৈয়বুল্লা সম্পূৰ্ণৰূপে বৰদলৈবিৰোধী আছিল আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি হৈ থকা সময়ছোৱাত নিজৰ কৰ্তৃত্ব খটুৱাই বাৰে বাৰে বৰদলৈবিৰোধী স্থিতি এটা লৈ পেলাইছিল।

অৱশ্যে এইটো কথা অনস্বীকাৰ্য যে গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, তৈয়বুল্লা, সিদ্ধিনাথ শৰ্মা বা দেৱেশ্বৰ শৰ্মা ইমানেই ওখ খাপৰ নেতা আছিল যে দৰাচলতে মতানৈক্য এৰাই চলাটো প্ৰায় অসম্ভৱ কথা আছিল। কিন্তু তাৰ মাজতেই তেতিয়াই ব্যক্তিগত স্বাৰ্থবোৰ পৰিস্ফুট হৈ উঠিছিল।

কংগ্ৰেছত বিসম্বাদৰ ৰাজনীতি দৰাচলতে সত্তৰৰ দশকলৈ চাৰিটা ঢৌত আহিছিল। ত্ৰিশৰ দশকত সেয়া তৰুণৰাম ফুকনৰ দ্বাৰা। চল্লিশৰ দশকত সেয়া ৰূপান্তৰিত হৈছিল গোপীনাথ বৰদলৈ-তৈয়বুল্লাৰ মাজত। পঞ্চাশৰ দশকত সেয়া হৈছিল বিষ্ণুৰাম মেধি আৰু দেৱেশ্বৰ শৰ্মাৰ মাজত। যাঠিৰ দশকত এইবাৰ হৈছিল দেৱেশ্বৰ শৰ্মা আৰু দেৱকান্ত বৰুৱাৰ মাজত।

একপ্ৰকাৰ সেই চল্লিশ বছৰত কংগ্ৰেছৰ অভ্যন্তৰ আছিল সদায়েই

● ভাৰত চৰকাৰে নগা শান্তি মিছনৰ সদস্য ৰেভাৰেণ্ড মাইকেল স্কটক শীঘ্ৰে ভাৰত এৰি যাবলৈ নিৰ্দেশ দিয়ে। ভাৰতৰ স্বাৰ্থবিৰোধী কাৰ্যকলাপত জড়িত থকাৰ কাৰণেই তেওঁক এই নিৰ্দেশ দিয়া হয়।

৬ মে'ঃ আইজলৰ পৰা ১৬ মাইল আঁতৰৰ শ্বেৰখানত এটা কনভয়ৰ ওপৰত বিদ্ৰোহী মিজোৱে গুলীবৰ্ষণ কৰাৰ ফলত ৫জন লোক আহত হয়।

১২ মে' ঃ পাণ্ডু বন্দৰত হোৱা এটা অনুষ্ঠানত কেন্দ্ৰীয় পৰিবহণ দপ্তৰৰ ফালৰ পৰা অসম চৰকাৰক ১০খন নতুনকৈ নিৰ্মিত ফেৰী প্ৰদান কৰা হয়। প্ৰায় ৫১ লাখ টকা ব্যয় কৰি ভাৰতত প্ৰথমবাৰৰ বাবে তৈয়াৰ কৰা এনে ফেৰীসমূহৰ প্ৰতিখনে ৫০ টন ওজন কঢ়িয়াব পাৰিব। এফস্ক নামৰ ব্ৰিটিছ প্ৰতিষ্ঠান এটাই এই ফেৰীসমূহ নিৰ্মাণ কৰি উলিয়াইছে।

১৯ মে' ঃ শ্বিলঙত অসমৰ ৰাজহ, বন বিভাগ আৰু পৰিবহণ মন্ত্ৰী সিদ্ধিনাথ শৰ্মাৰ ইনফেক্টিভ হেপাটাইছিছ ৰোগত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৬ বছৰ।

২৪ মে'ঃ বিগত সপ্তাহত আইজলৰ পৰা ৮৭ মাইল দূৰৈৰ লুংলেৰ পথত মিজো বিদ্ৰোহী আৰু নিৰাপত্তা বাহিনীৰ মাজত সংঘৰ্ষ ঘটি ১২জন মিজো বিদ্ৰোহী নিহত হয়।

২ জুন ঃ সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে এক প্ৰেছ বিজ্ঞপ্তিযোগে ঘোষণা কৰে যে বৰ্তমানৰ অসম ৰাজ্যৰ পৰা সুকীয়া পাৰ্বত্য ৰাজ্য এখন গঠন কৰাটোৱেই সন্মিলনৰ দাবী আৰু অসমৰ ভিতৰত যিকোনো প্ৰকাৰৰ স্বায়ত্ত শাসন ব্যৱস্থাকে তেওঁলোকে গ্ৰহণ নকৰে। শ্বিলঙত কেন্দ্ৰীয় গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দই পাৰ্বত্য নেতাসকলৰ লগত আলোচনা কৰাৰ পিচত দিয়া কিছুমান ধাৰণাৰ ভুল আঁতৰাবলৈ আৰু পাৰ্বত্য ৰাজ্য সম্পৰ্কত সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ দাবী সুস্পষ্ট কৰিবলৈ এই প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰা হৈছে বুলি সন্মিলনে বিবৃতিত কয়।

● ৰাষ্ট্ৰীয় নাট্যশালা আন্দোলন সমিতিয়ে গুৱাহাটীত নিৰ্মীয়মাণ ৰবীন্দ্ৰ ভৱনক ৰাষ্ট্ৰীয় নাট্যশালাৰ ৰূপ দি অহা ১৫ আগষ্টৰ দিনা এই ভৱন মুকলি

গোলমলীয়া। স্বাধীনতাৰ বতাহজাক সেই চাৰিটা দশকত কম-বেছি পৰিমাণে প্ৰবাহিত হৈ আছিল কাৰণে বিসম্বাদৰ প্ৰতিচ্ছবি সাধাৰণ ৰাইজৰ চকুত আজিৰ দৰে ধৰা পৰা নাছিল। কিন্তু ভিতৰি আছিল সি তীব্ৰতৰ।

১৯৩৮ চনৰ কথা। শাসনত গোপীনাথ বৰদলৈৰ কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা। ডিগবৈৰ সংগঠিত শ্ৰমিক আন্দোলনত তিনিজন শ্ৰমিকৰ মৃত্যুৰ পিচত সেয়া এক ৰাজনৈতিক আন্দোলনলৈ ৰূপান্তৰিত হৈছিল। সেই আন্দোলনৰ লগত মোকাবিলা কৰি থকাৰ সময়তেই বৰদলৈৰ বিৰুদ্ধে আৰম্ভ হৈ গৈছিল এক ডাঙৰ খোৰা-কামোৰাৰ যুঁজ।

ডিগবৈৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত বৰদলৈ মন্ত্ৰীসভাখন ভাঙি দিবলৈ দাবী কৰিছিল তেতিয়াৰ কংগ্ৰেছ সভাপতি হেমচন্দ্ৰ বৰুৱাকে ধৰি বিষ্ণুৰাম মেধি, মহম্মদ তৈয়বুল্লা আৰু সিদ্ধিনাথ শৰ্মাই।

এই নেতাসকলে বৰদলৈবিৰোধী স্থান ল'বলৈ গৈ পাহৰি গ'ল যে মন্ত্ৰীসভাৰ সন্মুখত পমুৱাৰ আগমন বহু বেছি ডাঙৰ সমস্যা। ডিগবৈৰ শ্ৰমিক আন্দোলন নিতান্তই এক সাধাৰণ প্ৰশাসনিক সমস্যা। বৰদলৈয়ে ভাবিছিল পদত্যাগ কৰাতকৈ সমস্যা সমাধানতহে গুৰুত্ব দিব লাগে।

এই নেতাসকলে বৰদলৈক বিপাঙত পেলাবলৈ আৰু শ্ৰমিকৰ প্ৰতি সহানুভূতি দেখুৱাবলৈ উজনিৰ চাহ খেতি অঞ্চলত আৰু ডিগবৈৰ আশে-পাশে নিজৰ চৰকাৰৰ বিৰুদ্ধেই মাত মাতিছিল।

ক্ষুব্ধ বৰদলৈয়ে চৰ্দাৰ পেটেললৈ লিখিছিল— 'আমাৰ প্ৰাদেশিক কংগ্ৰেছে সেইকণ শৃংখলাও অনুগামীসকলৰ মাজত প্ৰৱৰ্তন কৰিবলৈ অক্ষম হ'ল যি এটা মহান সংগঠনৰ এটা অংশই আনটো অংশৰ লগত মিলা-প্ৰীতিৰে কাম কৰিবৰ কাৰণে অত্যাৱশ্যকীয়।'

দলীয় বিসম্বাদ কিন্তু শাম কটা নাছিল। বৰঞ্চ বাঢ়িহে গৈছিল। বৰদলৈয়ে এইসকল নেতাৰ খোঁচনিতেই পদত্যাগ কৰিছিল। সেই কাৰণেই ছাৰ ছাদুল্লাই কৈছিল—It is my conviction that if the Assam Premier

কৰিবলৈ ৰাজ্য চৰকাৰৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰে।

৮ জুন ঃ অসমৰ প্ৰথম নাৰ্ছিং হোম উদ্বোধন ঃ গুৱাহাটীৰ গোপীনাথ নগৰত অসম মেডিকেল কৰ্প'ৰেচন প্ৰাইভেট লিমিটেডৰ (এমকৰ) নাৰ্ছিং হোম আৰু পলী ক্লিনিকখন আজি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই উদ্বোধন কৰে। কালাপাহাৰৰ ওচৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মৃতি যক্ষ্মা হাস্পতালৰ ওচৰতে এই প্ৰতিষ্ঠানখন স্থাপন কৰা হৈছে। দহখন বিছনাযুক্ত এই নাৰ্ছিং হোমখন অসমৰ ভিতৰতে প্ৰথম নাৰ্ছিং হোম। অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি শৰৎ চন্দ্ৰ সিংহৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত মুখ্যমন্ত্ৰীৰ উপৰি মুখ্য অতিথি হিচাপে বিষ্ণুৰাম মেধিয়ে ভাষণ প্ৰদান কৰে। ভাষণত মেধিয়ে এনেধৰণৰ অনুষ্ঠান যাতে আৰু গঢ়ি উঠে আৰু সম্ভৱ হ'লে সমবায় পদ্ধতিত যাতে এনে অনুষ্ঠান আৰম্ভ হয় তাৰ বাবে পৰামৰ্শ আগবঢ়ায়।

১১ জুন ঃ উত্তৰ কামৰূপ আৰু নগাঁৱত প্ৰলয়ংকৰী বান। অসমৰ সৈতে ৰে'ল সংযোগ বিচ্ছিন্ন।

১৭ জুন ঃ বিগত এসপ্তাহ ধৰি হোৱা প্ৰলয়ংকৰী বানত অসম ৰাজ্যখন বিধ্বস্ত হোৱাৰ পিচত মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই আজি অসমৰ ৰাইজক সাহস আৰু আত্মবিশ্বাসেৰে দুৰ্যোগটোৰ সন্মুখীন হ'বলৈ আহ্বান জনায়। আকাশবাণী গুৱাহাটীযোগে প্ৰচাৰ কৰা এটা বাণীত মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে কয় যে কেন্দ্ৰীয় চৰকাৰে অসমক খাদ্য শস্যৰ ক্ষেত্ৰত সহায় কৰাৰ ইচ্ছা থাকিলেও চাউলৰ যোগান ধৰা অসম্ভৱ।

২০ জুন ঃ অসমৰ মুখ্য সচিব এ এন ডিৰাইয়ে চাউলৰ মিল মালিকসকলৰ আগত অসম চাউল আৰু ধানৰ মূল্য নিয়ন্ত্ৰণ আদেশৰ কাৰ্যকাৰিতা সাময়িকভাৱে স্থগিত ৰখা হৈছে বুলি ঘোষণা কৰে। সমবায়ৰ যোগেদি ধান সংগ্ৰহ কৰাৰ চৰকাৰী আঁচনিখন ব্যৰ্থ হোৱা বাবে ৰাজ্য চৰকাৰে মিল মালিক আৰু চাউলৰ ব্যৱসায়ীসকলক মুকলি বজাৰত ধান সংগ্ৰহ কৰিবলৈ আৰু গ্ৰাহকক চাউল সীমাবদ্ধ মূল্যত বিক্ৰী কৰিবলৈ আহ্বান জনায়।

is forced to resign, it will be mainly due to the state of the things which the left wing of the Congress has created in Assam...'

ইয়াৰ পিচত আহিল দ্বিতীয় বিশ্বযুদ্ধ আৰু সত্যাগ্ৰহৰ ৰাজনীতি। সত্যাগ্ৰহৰ সীমাবদ্ধতা উপলব্ধি কৰি বৰদলৈয়ে বিধায়কসকলৰ পৰা উপায় বিচাৰি এখন দীঘল চিঠি ৩৩জন বিধায়কলৈ পঠিয়ালে। বৰদলৈৰ পত্ৰৰ উত্তৰত ৩৩জন কংগ্ৰেছী বিধায়কৰ ভিতৰত মাথোন ৭জনহে সম্পূৰ্ণ সত্যাগ্ৰহত থাকি বিধান সভাবৰ্জন কৰাৰ পক্ষে মত প্ৰকাশ কৰিলে। বাকীবিলাকে কিন্তু বিধানসভাত যোগদান কৰাৰ পক্ষপাতী আছিল।

বৰদলৈয়ে বিচাৰিছিল সত্যাগ্ৰহৰ সৈতে চৰকাৰখন চলি থাকক। কিন্তু প্ৰদেশ কংগ্ৰেছৰ সভাপতি তৈয়বুল্লা আছিল বৰদলৈৰ ভূমিকাৰ ঘোৰ বিৰোধী। তৈয়বুল্লাই কংগ্ৰেছ সভাপতি ৰাজেন্দ্ৰ প্ৰসাদলৈ চিঠি লিখিলে যে কংগ্ৰেছে সংসদীয় ৰাজনীতিৰ পৰা আঁতৰি অহা উচিত।

তৈয়বুল্লাৰ মূল কথা কিন্তু দলৰ নীতি-আদৰ্শ নাছিল। তেওঁ মাথোঁ বিচাৰিছিল বিধানসভাৰ কাম-কাজত কংগ্ৰেছ সভাপতি হিচাপে তেওঁৰ সম্পূৰ্ণ কৰ্তৃত্ব।

ইয়াৰ পিচতো মন্ত্ৰীসভা গঠন, ভূমিপট্টন আৰু পমুৱাৰ আগমনক লৈ যি ত্ৰিপাক্ষিক চুক্তি ছাদুল্লা-চৌধুৰী-বৰদলৈৰ মাজত হৈছিল তাতো হেঙাৰ হিচাপে থিয় দিছিল তৈয়বুল্লাই। তৈয়বুল্লাই তাতেই ক্ষান্ত নাথাকি নেহৰু আৰু আজাদৰ ওচৰত গোচৰ দি চুক্তিখনকে বিফল কৰি পেলাইছিল। নেহৰু আৰু আজাদে বৰদলৈৰ স্বাধীনচিতীয়া নেতৃত্ব সহ্য কৰিব পৰা নাছিল আৰু প্ৰতিটো পদক্ষেপতেই বৰদলৈক হেয়জ্ঞান কৰি আহিছিল।

স্বাধীনতা লাভৰ পিচত বৰদলৈয়ে তৈয়বুল্লাক মন্ত্ৰীৰ পদ যাচি প্ৰদেশ কংগ্ৰেছৰ সভাপতি পদৰ পৰা আঁতৰালে। তৈয়বুল্লায়ো কিন্তু মন্ত্ৰী হিচাপে পঞ্চায়ত বিভাগ ল'বলৈ অস্বীকাৰ কৰি আবকাৰী বিভাগ লৈহে

৩০ জুন ঃ খাছীয়া আৰু জয়ন্তীয়া পাহাৰ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি এল শ্বিলাৰ নেতৃত্বত এটা প্ৰতিনিধি দলে আজি শ্বিলঙৰ ৰাজভৱনত কেন্দ্ৰীয় গৃহ মন্ত্ৰী গুলজাৰিলাল নন্দক লগ ধৰে আৰু খাছীয়া আৰু জয়ন্তীয়া পাহাৰ জিলাক লৈ এখন পৃথক ৰাজ্য গঠনৰ বিষয়ত তেওঁলোকে কৰা দাবীৰ কথা নন্দৰ আগত উল্লেখ কৰে।

২ জুলাই ঃ সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে আজি স্পষ্টভাৱে কয় যে বৰ্তমানৰ অসম ৰাজ্যৰ পৰা ফালি গঠন কৰা এখন পৃথক পাৰ্বত্য ৰাজ্যৰ কাৰণেহে তেওঁলোকে দাবী জনাইছে। এক প্ৰেছ বিজ্ঞপ্তিযোগে অসমৰ ভিতৰতে থাকি কোনোধৰণৰ স্বায়ত্ত শাসন গ্ৰহণ কৰা নহ'ব বুলি তেওঁলোকে জনায়।

৪ জুলাই ঃ চৰকাৰৰ খাদ্য সংগ্ৰহৰ নীতি আৰু মূল্য নীতিৰ প্ৰতিবাদত নলবাৰীৰ কাৰ্যপালিকা দণ্ডাধীশৰ কাৰ্যালয়ৰ সন্মুখত কমিউনিষ্ট দলৰ নেতা তৰুণসেন ডেকাৰ অনিৰ্দিষ্টকালৰ বাবে অনশন। ৫০জনক আটক।

- লুংলেৰ পৰা দক্ষিণলৈ টাৱাইপুই নামৰ ঠাইত নিৰাপত্তা বাহিনী আৰু বিদ্ৰোহী মিজোসকলৰ মাজত হোৱা এক আচম্বিত সংঘৰ্ষৰ ফলত চাৰিজন বিদ্ৰোহী মিজো নিহত হয়।

২২ জুলাই ঃ বান নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসমৰ জলসিঞ্চন মন্ত্ৰী মইনুল হক চৌধুৰীয়ে ছয় দফীয়া দাবী উত্থাপন কৰে।

২৩ জুলাই ঃ মিজো পাহাৰ জিলাৰ লুংলে মহকুমাৰ চাংগৌ গাঁৱৰ ওচৰত মিজো বিদ্ৰোহী আৰু ভাৰতীয় নিৰাপত্তা বাহিনীৰ মাজত এক প্ৰচণ্ড সংঘৰ্ষ লাগে।

২৫ জুলাই ঃ প্ৰজা ছচিয়েলিষ্ট পাৰ্টীৰ তৰফৰ পৰা চৰা দাম প্ৰতিৰোধ আৰু খাদ্য সমস্যা সমাধানৰ দাবী জনাই গুৱাহাটীত বিক্ষোভ প্ৰদৰ্শন কৰা হয়।

৪ আগষ্ট ঃ চৰা দাম, চোৰাং ব্যৱসায় আৰু খাদ্য নাটনিৰ বিৰুদ্ধে আজি সমগ্ৰ অসমৰ ছাত্ৰ শক্তিয়ে বিক্ষোভ প্ৰদৰ্শন কৰে।

৯ আগষ্ট ঃ যোৰহাটত ছাত্ৰ সমদলকাৰীৰ ওপৰত এচিডৰ বটল আৰু ইটা দলিওৱাৰ ফলত অশান্তিৰ সৃষ্টি হোৱাত শিৱসাগৰ জিলাৰ

এৰিলে। তাতেই গম পোৱা যায় ১৯৪৭ চনতেই পদবীৰ কাৰণে কিমান লালায়িত একো একোজন স্বাধীনতা যুঁজৰ বিয়াগোম আৰু আদৰণীয় নেতা!

ইয়াৰ পিচত ক্ষমতাৰ আন এক নতুন কেন্দ্ৰ হৈ পৰিছিল বিধানসভাৰ প্ৰথমজন অধ্যক্ষ দেৱেশ্বৰ শৰ্মা। দেৱেশ্বৰ শৰ্মা স্বাধীন মনৰ লোক আছিল আৰু ভালেকেইটা স্বাধীন চিন্তাৰে দিয়া ৰুলিঙে চৰকাৰখনক বিব্ৰত কৰিছিল। দৰাচলতে সেই ৰুলিংবোৰো একপ্ৰকাৰ নিজৰ কৰ্তৃত্ব জাহিৰ কৰাৰ এক পন্থাহে আছিল।

বৰদলৈয়ে তৈয়বুল্লাক আবকাৰী মন্ত্ৰী পাতি লেকাম লগালে যদিও দেৱেশ্বৰ শৰ্মাকো গতি লগাবলৈ সুযোগৰ অপেক্ষাত বৈ থাকিল। সুযোগ আহিছিল যেতিয়া মণিপুৰৰ ডমিনিয়ন বা পলিটিকেল এজেণ্টৰ কাৰণে এজন যোগ্য নেতাৰ আৱশ্যক হ'ল। বৰদলৈয়ে গৃহ মন্ত্ৰী বল্লভভাই পেটেলৰ হতুৱাই দেৱেশ্বৰ শৰ্মাক মণিপুৰৰ ডমিনিয়ন এজেণ্ট পাতি দেৱেশ্বৰ শৰ্মাকো একেবাৰে ইম্ফল পোৱালেগৈ যাতে চৰকাৰখনক অনাহকত হকা-বধা কৰি থাকিব নোৱাৰে।

দেৱেশ্বৰ শৰ্মা কিন্তু ইম্ফলত বেছিদিন নিটিকিল। স্ব-ইচ্ছাৰে তেওঁ ইম্ফলৰ পৰা গুচি আহিল; কিন্তু আনৰ মতে মণিপুৰীসকলৰ আপত্তিৰ বাবে সেই পদবীটোকে বিলোপ কৰা হ'ল আৰু শৰ্মা অসমলৈ ঘূৰি আহিবৰ কাৰণে বাধ্য হ'ল।

কিন্তু দেৱেশ্বৰ শৰ্মাৰ পুনৰ আগমনে আউল লগালে বৰদলৈৰ ৰাজনীতিত। ইতিমধ্যে দেৱেশ্বৰ শৰ্মা কংগ্ৰেছৰ সভাপতি হ'ল। বৰদলৈৰ কাৰণে ভাল হওক ছাৰি বেয়াহে হ'ল।

ঠিক তেতিয়াৰ পৰা ১৯৭০ চনলৈ দেৱেশ্বৰ শৰ্মাক কেন্দ্ৰ কৰি তেওঁৰ সপক্ষে বা বিপক্ষে কংগ্ৰেছৰ বিসম্বাদী ৰাজনীতি চলি থাকিল। একপ্ৰকাৰ দেৱেশ্বৰ শৰ্মা চিৰবিসম্বাদী হৈয়েই থাকিল।

ইতিমধ্যে ভাৰতীয় জাতীয় কংগ্ৰেছত ১৯৫০ চনৰ পৰাই কংগ্ৰেছৰ

উপায়ুক্তই চহৰখনত সান্ধ্য আইন জাৰি কৰে। সমদলটোত বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰই অংশগ্ৰহণ কৰি ডিব্ৰুগড়ত গ্ৰেপ্তাৰ হোৱা ছাত্ৰসকলৰ মুক্তিৰ দাবী কৰিছিল। উল্লেখ্য যে ৮ আগষ্টত ডিব্ৰুগড়ত ব্যৱসায়ী আৰু ছাত্ৰসকলৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল আৰু কেইবাখনো দোকানত লুটপাতৰ ঘটনা সংঘটিত হৈছিল।

১০ আগষ্ট ঃ খাদ্য আন্দোলনৰ সমৰ্থক ছাত্ৰৰ ওপৰত শ্বিলঙত পুলিচৰ গুলীবৰ্ষণ, ৪জনৰ মৃত্যু।

১২ আগষ্ট ঃ শ্বিলং আৰু শিৱসাগৰত পুলিচৰ গুলীচালনা আৰু আন্দোলন সংক্ৰান্তত ছাত্ৰক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত সমগ্ৰ অসমতে শান্তিপূৰ্ণভাৱে হৰতাল পালন কৰা হয়। এই হৰতাল আহ্বান কৰিছিল সংযুক্ত ছাত্ৰ আন্দোলন পৰিষদ আৰু বাওঁপন্থীৰ উদ্যোগত সদৌ অসম সংযুক্ত আন্দোলন পৰিষদৰ সমৰ্থকসকলে।

১৮ আগষ্ট ঃ বানপানীৰ ফলত অসমৰ ক্ষতিগ্ৰস্ত অঞ্চলত স্বাভাৱিক জীৱন ঘূৰাই আনিবৰ কাৰণে গ্ৰহণ কৰা বিভিন্ন সাহায্যমূলক কামৰ কাৰণে তৎকালীন ঋণ হিচাপে কেন্দ্ৰীয় চৰকাৰে ৫০ লাখ টকা মঞ্জুৰ কৰে।

১৯ আগষ্ট ঃ সংযুক্ত আন্দোলন পৰিষদৰ আহ্বানমৰ্মে ৰাজ্যজুৰি অন্ন দিৱসৰ হৰতাল পালন। আন্দোলন সমিতিত অন্তৰ্ভুক্ত নথকা প্ৰজা ছচিয়েলিষ্ট পাৰ্টীয়ে ৰাজ্যখনৰ অন্যান্য ৰাজনৈতিক বিৰোধী দলৰ সৈতে লগ হৈ এই হৰতালৰ প্ৰতি সমৰ্থন জনাইছিল। হৰতালত অংশ লোৱা আঢ়ৈশ লোকক পুলিচে গ্ৰেপ্তাৰ কৰে।

২৭ আগষ্ট ঃ বছৰটোৰ চতুৰ্থবাৰৰ বানপানীত ৰাজ্যৰ বিস্তৰ ক্ষতিসাধন। এক লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত।

- অসমৰ তিনিজন পাৰ্বত্য নেতা কেপ্টেইন উইলিয়ামছন চাংমা, ষ্টেনলী নিকল্‌ছ ৰয় আৰু জি জি ছোৱেলে আজি দিল্লীত পাৰ্বত্য জিলাকেইখনৰ বাবে এখন সুকীয়া ৰাজ্যৰ দাবীটো সজোৰে উত্থাপন কৰে।

৩১ আগষ্ট ঃ অসমত এই বছৰ বানপানীত ৪৭জন লোকৰ মৃত্যু হোৱা বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰে।

৫ ছেপ্টেম্বৰ ঃ আইজলৰ পৰা ৪৫ মাইল উত্তৰ-পূবে দাৰলনৰ ওচৰত

ভিতৰৰে এটা গোটে সমাজবাদী বুলি চিনাকি দি লাহে লাহে কংগ্ৰেছৰ পৰা ফাটি যাবলৈ ধৰিছিল। ইয়াৰ আগভাগ লৈছিল আচাৰ্য কৃপালিনী আৰু ৰফি আহমেদ কিদৱাই। অসমতো দেৱেশ্বৰ শৰ্মাই এই ফালটোৰ লগত সহমৰ্মিতা প্ৰকাশ কৰিছিল আৰু এই ঠালটোৰ সংবিধানখনো লিখি পেলাইছিল। সেয়া কিন্তু কংগ্ৰেছৰ ভিতৰত থাকিয়েই তেওঁ কৰি গৈছিল।

কালক্ৰমত কংগ্ৰেছৰ এই সংকট আঁতৰাবৰ কাৰণে সভাপতি পুৰুযোত্তম দাস টেণ্ডনক পদত্যাগ কৰাবলৈ বাধ্য কৰোৱা হয়। তাৰ ঠাইত দলে লৈ আনে প্ৰধানমন্ত্ৰী নেহৰুক। সেয়া ১৯৫১ চনৰ কথা। তেতিয়াৰে পৰা দৰাচলতে কংগ্ৰেছৰ পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ সূত্ৰপাত হয় আৰু আজি কংগ্ৰেছৰ সেয়াই মূল চিনাকি আৰু মূলধন।

১৯৫২ চনত আহে প্ৰথমটো নিৰ্বাচন। আচাৰ্য কৃপালিনী গোটৰ লগত সম্পৰ্ক থকাৰ কাৰণেই হওক বা দেৱেশ্বৰ শৰ্মাৰ স্বভাৱসিদ্ধ তীক্ষ্ণ বুদ্ধিমত্তাৰ কাৰণেই হওক তেওঁক লোকসভালৈ আঁতৰাই পঠোৱা হ'ল।

তদানীন্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে দেৱেশ্বৰ শৰ্মাক অসম বিধানসভালৈ নিৰ্বাচিত কৰি অনোৱাটোক নিজৰেই বিপদ বুলি ভাবিলে। কাৰণ দেৱেশ্বৰ শৰ্মা মুখ্যমন্ত্ৰিত্বৰ দাবীদাৰ হ'ব পৰা ব্যক্তিত্বৰ লোক আছিল।

গোপীনাথ বৰদলৈৰ মৃত্যুৰ পিচত বিষ্ণুৰাম মেধি মুখ্যমন্ত্ৰী হোৱাটোও অৱধাৰিত আছিল যদিও মেধিপন্থীসকলে বাটৰ কাঁইটবোৰ গুচাবলৈ সষ্টম হৈ পৰিছিল।

সেই কাৰণেই দেৱেশ্বৰ শৰ্মাক যোৰহাটৰ লোকসভা সমষ্টিৰ কাৰণে মনোনীত কৰা হ'ল। ঠিক একেই কাৰণতে ফখৰুদ্দিন আলী আহমেদকো লোকসভালৈ মনোনীত কৰা হ'ল। দুয়োজনকেই অসমৰ পৰা আঁতৰাই ৰখাৰ উদ্দেশ্যতে এই মনোনয়ন দিয়া হৈছিল।

দুয়োৰে বুজিবলৈ বাকী নাথাকিল যে সেয়া বিষ্ণুৰাম মেধিৰ গোপন অভিসন্ধি, যাতে অহা পাঁচ বছৰ প্ৰাদেশিক ৰাজনীতিৰ পৰা দুয়োজনেই আঁতৰি

নিশাৰ ভাগত হোৱা এক প্ৰচণ্ড সংঘৰ্ষত ৩১জন বিদ্ৰোহী মিজো আৰু সীমান্ত নিৰাপত্তা বাহিনীৰ এজন নিহত হয়।

৮ ছেপ্টেম্বৰঃ প্ৰস্তাৱিত ৯ ছেপ্টেম্বৰৰ 'অসম বন্ধ' স্থগিত ৰাখিবলৈ সংযুক্ত আন্দোলন পৰিষদ সন্মত হোৱা বুলি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই আজি বিধানসভাৰ সদস্যসকলক অৱগত কৰায়। সংযুক্ত আন্দোলন পৰিষদৰ দহজনীয়া প্ৰতিনিধি দলৰ সৈতে তেওঁ কৰা আলোচনাত অসমৰ সাম্প্ৰতিক খাদ্য সমস্যাটো বিক্ষোভৰ কাৰ্যপন্থাৰে সমাধান কৰাটো সম্ভৱপৰ নহয় বুলি আন্দোলন পৰিষদৰ সদস্যসকল পতিয়ন যোৱা বুলি মুখ্যমন্ত্ৰীয়ে বিধানসভাক জনায়। খাদ্য আন্দোলন সম্পৰ্কত ভাৰত প্ৰতিৰক্ষা বিধিমতে আটক কৰা লোকসকলক দুই-এদিনতে মুক্তি দিয়া হ'ব বুলিও চলিহাই প্ৰকাশ কৰে।

৯ ছেপ্টেম্বৰ ঃ অসম মন্ত্ৰীসভাৰ বিৰুদ্ধে বিৰোধী দলে উত্থাপন কৰা অনাস্থা প্ৰস্তাৱ আজি অসম বিধানসভাত ৭৭-১৩টা ভোটত বাতিল হয়।

১০ ছেপ্টেম্বৰঃ অসম বিধানসভাই আজি অসম নগৰ অঞ্চল ভাৰা নিয়ন্ত্ৰণ বিল (১৯৫৬) সংশোধনীৰে সৈতে গ্ৰহণ কৰে। এই বিল সম্পৰ্কত দুলাল চন্দ্ৰ বৰুৱা আৰু ওমৰুদ্দিনে উত্থাপন কৰা সংশোধনীকেইটা ৰাজ্যিক মন্ত্ৰী ৰাধিকাৰাম দাসৰ দ্বাৰা উত্থাপিত সংশোধনীৰ অনুকূলে প্ৰত্যাহাৰ কৰা হয়। বিনা সংশোধনীৰে বিধানসভাত আজি গৃহীত হোৱা আন বিলসমূহ হৈছে— অসম নগৰ আৰু গাঁও পৰিকল্পনা (সংশোধনী) বিল, অসম চাহ খেতি ভৱিষ্য নিধি আঁচনি (সংশোধনী বিল), অসম মিউনিচিপাল (সংশোধনী) বিল, অসম বিক্ৰীকৰ (দ্বিতীয় সংশোধনী) বিল আৰু অসম বিত্ত (বিক্ৰীকৰ) (দ্বিতীয় সংশোধনী) বিল।

১২ ছেপ্টেম্বৰ ঃ বিলাসীপাৰাত এটা চিনেমা হলৰ সন্মুখত ক্ৰোধান্বিত জনতাৰ ওপৰত পুলিচে সন্ধিয়া গুলীচালনা কৰাত ৩জন লোকৰ মৃত্যু হয়। চিনেমা ঘৰৰ গে'টকীপাৰৰ লগত কিছুমান মানুহৰ বাদানুবাদ লাগিয়েই

থাকিব লগাত পৰে আৰু বিষ্ণুৰাম মেধিৰ কোনো প্ৰতিদ্বন্দ্বী ৰাজনৈতিক আকাশত নাথাকে।

দুয়োজনেই লোকসভাত প্ৰতিদ্বন্দ্বিতা কৰিব নিবিচাৰিলে। জাতীয় কংগ্ৰেছৰ হৈ শ্ৰীপ্ৰকাশ আৰু বিষ্ণুৰাম মেধিয়ে এই যো-জা কৰিছিল। শৰ্মা আৰু আহমেদ তেতিয়া একেবাৰে নলে-গলে লগা বন্ধু। তেতিয়া লোকসভাতকৈ বিধানসভাৰ আকৰ্ষণ বহুগুণে বেছি।

ৰফি আহমেদ কিদৱাইৰ যোগেৰে দেৱেশ্বৰ শৰ্মা নেহৰুৰ কাষ চাপিল। নিশা ১০ বজাত নেহৰুক দেখা কৰা হ'ল। মেধিৰ ৰাজনীতি আৰু ফখৰুদ্দিন আলী আহমেদে ৰাজনৈতিক জীৱন এৰিব লগা হ'ব পৰা পৰিস্থিতিৰ কথা জনোৱা হ'ল। নেহৰুৱে শৰ্মাৰ কথা শুনিলে আৰু শ্বিলঙতো অসমৰ ৰাজনৈতিক মহলত ইয়াক লৈ বহু চৰ্চা হ'ল।

সেই আলোচনাৰ ফলত মেধি আৰু শ্ৰীপ্ৰকাশ এফালে হ'ল আৰু দেৱেশ্বৰ শৰ্মা-ফখৰুদ্দিন আলী আহমেদ এফালে হ'ল। ফখৰুদ্দিন চাহাবে নিৰ্বাচনত প্ৰাৰ্থী হ'বলৈ খাটাংকৈ অস্বীকাৰ কৰিলে। কিন্তু দেৱেশ্বৰ শৰ্মাক বিমলা প্ৰসাদ চলিহাই ঘৰলৈ গৈ নিৰ্বাচন খেলিবলৈ মান্তি কৰালে।

দেৱেশ্বৰ শৰ্মা লোকসভালৈ নিৰ্বাচিত হ'ল। কিন্তু স্বৰাজোত্তৰ কালৰ কংগ্ৰেছী প্ৰকাশ্য বিসম্বাদ আনুষ্ঠানিকভাৱে আৰম্ভ হ'ল।

দেৱেশ্বৰ শৰ্মাক দিল্লীলৈ পঠিয়াই সেই ঠাই পূৰাবলৈ যত্ন কৰিলে দেৱকান্ত বৰুৱাই। এইবাৰ আৰম্ভ হ'ল বিখ্যাত দেৱকান্ত বৰুৱা আৰু দেৱেশ্বৰ শৰ্মাৰ যুঁজ। এই যুঁজ বহু দীঘলীয়া আৰু তেতিয়াৰ পৰা প্ৰায় তিনি দশক কাল ধৰি চলি থাকিল।

কিন্তু এই যুঁজৰ মাজেৰেই অসমৰ কংগ্ৰেছী নেতৃত্ব নামনি অসমৰ পৰা উজনি অসমলৈ গুচি গ'ল। ১৯২১ চনত অসমত কংগ্ৰেছ দল প্ৰতিষ্ঠা হোৱা দিনৰে পৰা ১৯৫৫ চনলৈ ৰাজ্যিক নেতৃত্ব সাধাৰণতে নামনি অসমৰ হাতত আছিল।

এই ঘটনা সংঘটিত হয়। এই ঘটনাত বিলাসীপাৰা টাউন কমিটীৰ চেয়াৰমেন জে চক্ৰৱৰ্তীৰো মৃত্যু হয়। পুলিচৰ প্ৰথম জাঁই গুলীৰ শব্দ শুনিয়েই চক্ৰৱৰ্তীয়ে জনতাক শান্ত কৰিবৰ বাবে ঢপলিয়াই আহিছিল। এনে অৱস্থাত জনতালৈ লক্ষ্য কৰি কৰা এটা গুলী তেওঁৰ গাত লাগে।

১৪ ছেপ্টেম্বৰ ঃ অসম সাহিত্য সভাৰ আগন্তুক ডিব্ৰুগড় অধিৱেশনৰ বাবে প্ৰবীণ সাহিত্যিক নকুল চন্দ্ৰ ভূএগ্ৰাক সভাপতি নিৰ্বাচন কৰা হয়।

২৫ ছেপ্টেম্বৰ ঃ ছয়গাঁও আৰু বকোৰ মাজৰ কাৱৈমাৰীত এটা সাংঘাতিক বাছ দুৰ্ঘটনা সংঘটিত হৈ দুজন যাত্ৰী নিহত আৰু ২০জন আহত হয়।

২৮ ছেপ্টেম্বৰ ঃ মিজো পাহাৰৰ সীমান্তত অৱস্থিত কাছাৰ জিলাৰ কাটলিচেৰা পুলিচ থানাৰ এলেকাৰ জয়গাংপুৰী পুলিচ শিবিৰত মিজো বিদ্ৰোহীয়ে অতৰ্কিতে আক্ৰমণ কৰাত তিনিজন পুলিচ নিহত হয় আৰু ১১জন গুৰুতৰভাৱে আহত হয়।

১১ অক্টোবৰ ঃ অসম চৰকাৰে তিনিশ কোটি টকা পৰিমাণৰ মুঠ নিৰ্ধাৰিত ব্যয় ধাৰ্য কৰি অসমৰ চতুৰ্থ পৰিকল্পনাৰ খচৰা প্ৰস্তুত কৰে।

১৭ অক্টোবৰ ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু দেৱকান্ত বৰুৱাৰ মাজত সংঘাত চলি থকাৰ সময়তে কংগ্ৰেছ সভাপতি কামৰাজে শিক্ষা মন্ত্ৰী দেৱকান্ত বৰুৱাক চলিহা মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিবলৈ পৰামৰ্শ দিয়ে।

২০ অক্টোবৰ ঃ যোৱানিশা ৩.৩০ বজাত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰঙিয়া জংছন আৰু ঘগ্ৰাপাৰ ষ্টেচনৰ মাজত ২নং উজনিমুৱা মেইল ৰে'লগাড়ীখন লাইনচ্যুত হৈ বাগৰি পৰাত এজন লোক নিহত আৰু ১৩জন আহত হয়।

২১ অক্টোবৰ ঃ সংগ্ৰহ, বিতৰণ আৰু খাদ্য যোগানৰ অন্যান্য দিশ সম্পৰ্কে অনুসন্ধান কৰিবলৈ ৰাজ্য চৰকাৰে নিয়োগ কৰা কমিটীয়ে ধান সংগ্ৰহৰ ক্ষেত্ৰত থকা তিনি তৰপীয়া ব্যৱস্থাৰ পৰা এপেক্স মাৰ্কেটিং ছ'চাইটীক আঁতৰাই এটা সৰল দুই তৰপীয়া ব্যৱস্থা প্ৰস্তুত কৰি উলিয়াবলৈ চৰকাৰক পৰামৰ্শ দিয়ে।

- প্ৰবীণ কংগ্ৰেছী নেতা গৌৰীকান্ত

তৰুণৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, অমিয় কুমাৰ দাস, ফখৰুদ্দিন আলী আহমেদ, ৰোহিণী চৌধুৰী আদি সকলো আছিল নামনি অসমৰ।

উজনি অসমৰ নেতা আছিল দেৱেশ্বৰ শৰ্মা আৰু বিমলা প্ৰসাদ চলিহা। তাৰ পিচত আহিল অত্যন্ত মেধাৱী কিন্তু লেতেৰা ৰাজনীতিত সিদ্ধহস্ত দেৱকান্ত বৰুৱা। তেতিয়াৰ পৰাই নেতৃত্ব গ'ল উজনি অসমলৈ।

দেৱকান্ত বৰুৱা অসমৰ ৰাজনীতিৰ এগৰাকী অতি বুদ্ধিমান আৰু কৌশলী প্ৰকৃতিৰ লোক আছিল আৰু তেওঁৰ মুখ্য শত্ৰু আছিল দেৱেশ্বৰ শৰ্মা। সঁচা অৰ্থত সেয়া উচ্চ বৰ্ণৰ যুঁজ। দুয়োজনেই ৰাজনীতিত চাণক্য।

ইতিমধ্যে ১৯৫৬ চনত অসমত দ্বিতীয়খন মন্ত্ৰীসভা গঠন হ'ল। আশা কৰা হৈছিল বিষ্ণুৰাম মেধি মুখ্যমন্ত্ৰী নহ'ব। নিৰ্বাচনৰ পিচত এদলে বিচাৰিলে মেধিক আৰু আন এদলে বিচাৰিলে বিমলা প্ৰসাদ চলিহা আৰু দেৱেশ্বৰ শৰ্মাৰ মাজৰ এজনক।

বিমলা প্ৰসাদ চলিহাৰ নিৰ্বাচনত অপ্ৰত্যাশিত পৰাজয়ে মুখ্যমন্ত্ৰীৰ যুঁজখন মেধি বনাম দেৱেশ্বৰ শৰ্মাৰ মাজতেই সীমাবদ্ধ কৰি পেলালে।

দেৱেশ্বৰ শৰ্মাৰ লগত থাকিল ফখৰুদ্দিন আলী আহমেদ আৰু বিষ্ণুৰাম মেধিৰ পক্ষত মতিৰাম বৰা আৰু সিদ্ধিনাথ শৰ্মা। দলপতি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে তীব্ৰতৰ হ'ল কংগ্ৰেছৰ ভিতৰৰ খোৱা-কামোৰা। ভোট হ'ল। দুটা ভোটত মেধি দলপতি হ'ল। দেৱেশ্বৰ শৰ্মাৰ পৰাজয় আছিল অপ্ৰত্যাশিত। কাৰণ ফখৰুদ্দিন আলী আহমেদে সকলো হিচাপ-নিকাচ কৰি পেলাইছিল। তথাপি বিষ্ণুৰাম মেধিয়ে তিনিজনক নানাধৰণৰ টোপ দি ৰাতিৰ ভিতৰতে নিজৰ ফলীয়া কৰিলে।

মেধি দলপতি নিৰ্বাচিত হ'ল। কিন্তু দেৱেশ্বৰ শৰ্মা, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী আৰু ফখৰুদ্দিন আলী আহমেদ মন্ত্ৰীসভাত সোমাবলৈ সন্মত নহ'ল। কাৰণ দলপতিৰ লগত থকা মতৰ অমিল।

তালুকদাৰৰ উজানবজাৰৰ নিজ বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৯ বছৰ।

২৭ অক্টোবৰ ঃ শিক্ষা মন্ত্ৰী দেৱকান্ত বৰুৱাই ৰাজ্যিক মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰে। মুখ্যমন্ত্ৰী চলিহাৰ সৈতে মতবিৰোধ হৈ থকা বৰুৱাই তেওঁৰ পদত্যাগ-পত্ৰত কংগ্ৰেছৰ সভাপতি কামৰাজৰ পৰামৰ্শক্ৰমে পদত্যাগ কৰা বুলি প্ৰকাশ কৰিছে।

২৯ অক্টোবৰ ঃ ধান সংগ্ৰহৰ ক্ষেত্ৰত দিয়া গোস্বামী আয়োগৰ পৰামৰ্শৱলী অসম চৰকাৰে গ্ৰহণ কৰে।

৩০ অক্টোবৰ ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰবীণ নেতা অসম প্ৰদেশ কংগ্ৰেছৰ ভূতপূৰ্ব সভাপতি মৌলানা মহম্মদ তৈয়বুল্লাৰ আজি গুৱাহাটীৰ নিজ গৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৩ বছৰ।

১ নৱেম্বৰ ঃ যোৱানিশা বিদ্ৰোহী মিজোসকলে লুংলে মহকুমাৰ দাৱালনত থকা সশস্ত্ৰ পুলিচ চকীত এক প্ৰচণ্ড আক্ৰমণ সংঘটিত কৰে। ৩০০জনীয়া বিদ্ৰোহী মিজো দলটোৱে হাতত স্বয়ংক্ৰিয় অস্ত্ৰ, উচ্চ ক্ষমতাসম্পন্ন মৰ্টাৰ আৰু হাত বোমা আদি লৈ আক্ৰমণ চলাইছিল। এতিয়ালৈ মিজো বিদ্ৰোহীয়ে চলোৱা আক্ৰমণৰ ভিতৰত এইটোৱেই সৰ্ববৃহৎ বুলি জানিব পৰা গৈছে। এই সংঘৰ্ষৰ ফলত এজন মিজো দুৰ্বৃত্ত নিহত আৰু কেইবাজনো আহত হয়।

২ নৱেম্বৰ ঃ হস্তশিল্প উদ্যোগত ১৯৬৫ চনৰ কাৰণে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰা সৰ্থেবাৰীৰ হৰেশ্বৰ ডেকাক গুৱাহাটীত ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়।

৮ নৱেম্বৰ ঃ বদৰপুৰৰ প্ৰস্তাৱিত কাগজ কলটো আৰু বোকাজানৰ চিমেণ্ট কাৰখানাটো কেন্দ্ৰীয় চতুৰ্থ পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হ'ব বুলি পৰিকল্পনা আয়োগে অসম চৰকাৰক আশ্বাস দিয়া বুলি ৰাজ্যিক উদ্যোগ আৰু পৰিকল্পনা মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে জনায়।

২১ নৱেম্বৰ ঃ ব্ৰহ্মপুত্ৰত চলাবৰ কাৰণে ৫১ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা দহখন জাহাজৰ ভিতৰত ৮খন জাহাজেই ৰেজিষ্ট্ৰাৰ হোৱাৰ অনুপযোগী বুলি বিভাগীয় কৰ্তৃপক্ষই অভিমত দিয়ে।

- কাছাৰ আৰু মিজো জিলাক লৈ

অৱশেষত বহু বুজোৱা মেলাৰ পিচত দেৱেশ্বৰ শৰ্মা আৰু ত্ৰিপাঠী মন্ত্ৰীসভাত সোমাবলৈ সন্মত হ'ল। কিন্তু মতিৰাম বৰাক মন্ত্ৰী কৰাৰ কাৰণে ফখৰুদ্দিন আলী আহমেদে মন্ত্ৰীপদ গ্ৰহণ নকৰি মইনুল হক চৌধুৰীক আগবঢ়াই দিলে। এইবাৰ মতিৰাম বৰা আন এটা বিসম্বাদৰ কেন্দ্ৰ হৈ পৰিল।

বাহিৰত থাকি গৈছিল দেৱকান্ত বৰুৱা। বিষ্ণুৰাম মেধিয়ে তেওঁক অধ্যক্ষ পাতিব বিচৰা নাছিল। দেৱকান্ত বৰুৱাই যে তেওঁৰ বিৰুদ্ধে তলে তলে বিসম্বাদ চলাই গৈছে তাক মেধিয়ে ভালদৰে জানিব পাৰিছিল। তাতে মতিৰাম বৰা মন্ত্ৰী হোৱা কাৰণে দেৱকান্ত বৰুৱা ক্ষোভত ফাটি গৈছিল।

ইতিমধ্যে দেৱকান্ত বৰুৱাৰ নেতৃত্বত নেহৰুক লাহে লাহে জনোৱা হৈছিল যে পাকিস্তানৰ পৰা অহা মুছলমান শৰণাৰ্থী আৰু পাহাৰৰ জনজাতীয় লোকসকলৰ কাৰণে বিষ্ণুৰাম মেধি গ্ৰহণযোগ্য নহয়। নেহৰুৰো মেধিৰ ওপৰত বিশ্বাস লাহে লাহে কমি আহিছিল। দেৱকান্ত বৰুৱা আছিল ক্ষমতালোভী অন্ধ নেতা। বিষ্ণুৰাম মেধিৰ বিৰুদ্ধে ৰাজনীতি কৰাটো তেতিয়া তেওঁৰ মুখ্য কাম।

চলিহা মিতভাষী। দেৱেশ্বৰ শৰ্মাৰ মুখ চোকা। ফখৰুদ্দিন আলী আহমেদ মেধিৰ পক্ষত নহয়। প্ৰথমবাৰৰ বাবে সোলোক-ঢোলোক হৈ পৰিছিল অসম মন্ত্ৰীসভা আৰু অসম কংগ্ৰেছ। সকলোৱে যেন সকলোৰে বিৰুদ্ধাচৰণ কৰিছে।

এবছৰ হ'বলৈ নাপালেই, মেধিয়ে নিজেই বিসম্বাদৰ উৎপাতত মুখ্যমন্ত্ৰিত্ব এৰিব বিচাৰিলে। এৰিব বিচৰাতকৈও এৰিবলৈ বাধ্য কৰোৱা হ'ল। মাদ্ৰাজৰ ৰাজ্যপাল হ'লগৈ মেধি। মেধি স্বাস্থ্যৰ কাৰণেই আঁতৰিব বিচাৰিলেও, দৰাচলতে দেৱকান্ত বৰুৱা বিধানসভাৰ অধ্যক্ষ হিচাপে আৰু দেৱেশ্বৰ শৰ্মা তেওঁৰ প্ৰতিদ্বন্দ্বী হিচাপে থকা কাৰণেই তেওঁ এবাৰো সহজ হ'ব নোৱাৰিলে আৰু বেছি অপমানিত হোৱাৰ আগতেই নিজেই আঁতৰিলে।

দেৱকান্ত বৰুৱাকো মেধিয়ে বাধ্য হৈহে কেন্দ্ৰৰ নেতৃত্বৰ হেঁচাত অধ্যক্ষ পাতিছিল। বিধানসভাৰ ৪/৫জন নেতৃস্থানীয় সদস্যই চল পালেই প্ৰধানমন্ত্ৰী

পৃথক প্ৰশাসনীয় গোট গঠন। অঞ্চল দুটা পৰিচালনাৰ বাবে যুটীয়া আয়ুক্ত এজন ৰাজ্য চৰকাৰে নিয়োগ কৰে।

১২ ডিচেম্বৰ ঃ ব্ৰহ্মপুত্ৰ টী ইষ্টেট লিমিটেডে ইয়াৰ তিনিখন চাহ বাগিচা ক্ৰমে নেঘেৰিটিং, ৰঙামাটি আৰু মেছামৰা অহা ১ জানুৱাৰীৰ পৰা বন্ধ কৰা হ'ব বুলি কৰ্মচাৰীসকললৈ জাননী জাৰি কৰে। ইয়াৰ ফলত বাগিচা তিনিখনৰ ৩৪৭০জন স্থায়ী কৰ্মচাৰী আৰু ১৩,০০০ অতিৰিক্ত বনুৱাই কৰ্মসংস্থাপন হেৰুৱাব।

● ভাৰতীয় সেনাবাহিনীৰ চাৰ্জেণ্ট মেজৰ তথা অসমৰ সন্তান ভোগেশ্বৰ বৰুৱাই বেংককত অনুষ্ঠিত পঞ্চম এছিয়ান গেম্‌ছত পুৰুষৰ ৮০০ মিটাৰ দৌৰত এছিয়ান গেম্‌ছৰ ৰেকৰ্ড ভংগ কৰি সোণৰ পদক লাভ কৰে। বৰুৱাই ১ মিনিট ৪৯.৪ ছেকেণ্ডত নিৰ্দিষ্ট লক্ষ্য অতিক্ৰম কৰি প্ৰথম স্থান দখল কৰে।

১৯ ডিচেম্বৰ ঃ অসমত থকা ৩৪০খন ব্ৰিটিছ চাহ বাগিচাৰ আধাসংখ্যক ব্ৰিটিছ কৰ্মচাৰীয়ে অহা বছৰৰ ভিতৰতে অসম এৰাৰ সিদ্ধান্ত লয়। বৰ্ধিত কৰ তথা মূল্যমান হ্ৰাসৰ ফলত এসময়ত লোভনীয় চাকৰি বুলি পৰিচিত বাগিচাৰ চাকৰিবোৰৰ দা-দৰমহাৰ অৱনতি ঘটা বাবেই ব্ৰিটিছ কৰ্মচাৰীসকলে এনে সিদ্ধান্ত লৈছে বুলি জানিব পৰা গৈছে।

২১ ডিচেম্বৰ ঃ আইজলৰ পৰা ৩০ কিলোমিটাৰ দক্ষিণ-পূবত অৱস্থিত ছাইলহাউত সশস্ত্ৰ মিজো বিদ্ৰোহী আৰু পহৰাদাৰী সামৰিক বাহিনীৰ মাজত সংঘৰ্ষ লগাত ৩জন অসামৰিক লোক নিহত হয়।

২৩ ডিচেম্বৰ ঃ অসমৰ ১২৬খন বিধানসভাৰ আসন আৰু ১৪খন লোকসভাৰ আসনৰ বাবে ১৯৬৭ চনৰ ১৭ আৰু ২১ ফেব্ৰুৱাৰীৰ দিনা দুটা নিৰ্বাচনী দিন ধাৰ্য কৰা হয়।

● মিজো সশস্ত্ৰ বাহিনীয়ে পহৰাৰত সশস্ত্ৰ বাহিনীৰ দল এটাৰ ওপৰত আক্ৰমণ চলাই ১১জন লোকক নিহত কৰে।

২৭ ডিচেম্বৰ ঃ সৰ্বদলীয় পাৰ্বত্য জিলা সন্মিলনৰ নেতৃবৃন্দক প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে তেওঁলোকৰ অসমৰ পাহাৰীয়া অঞ্চলবোৰ সামৰি গঠন কৰিব খোজা সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবীটো আলোচনা কৰিবলৈ অহা মাহত দিল্লীলৈ নিমন্ত্ৰণী জনায়।

নেহৰু প্ৰমুখ্যে কেন্দ্ৰৰ নেতাসকলৰ কাণত শুনাইছিল যে মেধিৰ নেতৃত্বত অনা-অসমীয়া লোকসকল অসন্তুষ্ট হৈ পৰিছে; মেধি মুখ্যমন্ত্ৰী হৈ থাকিলে পৰ্বত-ভৈয়ামৰ সম্পৰ্ক অধিক তিক্ততাপূৰ্ণহে হ'ব। নেহৰুৱে লাহে লাহে কথাবোৰ মানি লৈছিল।

ইয়াৰ পিচত ১৯৫৮ চনত আহিল বিমলা প্ৰসাদ চলিহা। চলিহাৰ মুখ্যমন্ত্ৰিত্বৰ ক্ষেত্ৰত বিষ্ণুৰাম মেধিৰ নিচিনা খোৰা-কামোৰা হোৱা নাছিল। দেৱেশ্বৰ শৰ্মা প্ৰতিদ্বন্দ্বী নাছিল। বৰঞ্চ এইবাৰ প্ৰতিদ্বন্দ্বী আছিল সিদ্ধিনাথ শৰ্মা।

কেণা লাগিল তাৰ কিছুদিনৰ পিচতেই। দেৱেশ্বৰ শৰ্মাৰ পৰা বিত্ত বিভাগটো চলিহাই ফখৰুদ্দিন আলী আহমেদক দিব বিচাৰিলে। তাতে বেয়া পাই দেৱেশ্বৰ শৰ্মাই পদত্যাগ কৰিলে। অৱশ্যে পিচত সেয়া সকলোৱে চেষ্টাত উঠাই লোৱা হ'ল।

মন্ত্ৰীসভাত থাকিলেও বিমলা প্ৰসাদ চলিহাৰ বিৰুদ্ধে বিসম্বাদৰ মূল খুঁটা হিচাপে দেৱেশ্বৰ শৰ্মা থিয় হৈ থাকিল। দুয়োজনেই জ্যেষ্ঠ কংগ্ৰেছী। দেৱেশ্বৰ শৰ্মাই নামানে বিমলা চলিহাক। চলিহাই নামানে শৰ্মাক।

যাঠিৰ দশকৰ পৰা আৰম্ভ হ'ল আন এক কংগ্ৰেছী আভ্যন্তৰীণ ৰাজনীতি। যাৰ ফল অসমে এতিয়া প্ৰতিদিনে ভোগ কৰি আছে আৰু অনন্ত কাললৈ চলি থাকিব।

সেয়া হৈছে বিদেশী সমস্যা। পাকিস্তানী অনুপ্ৰৱেশকাৰীক এচাম কংগ্ৰেছীয়ে নিজৰ ৰাজনৈতিক উত্থানৰ কাৰণে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে।

ইয়াৰ প্ৰধান নায়ক আছিল ফখৰুদ্দিন আলী আহমেদ আৰু মইনুল হক চৌধুৰী। তাৰে আলী আহমেদৰ সপোন আছিল ভাৰতৰ লগত থাকি এখন মুছলিমপ্ৰধান প্ৰদেশৰ মুখ্যমন্ত্ৰী হোৱা। আনহাতে মইনুল হক চৌধুৰীৰ কাৰণে ক্ষমতাই সকলো; গতিকে তেওঁৰ কাৰণে পাকিস্তান বা ভাৰত

১৯৬৭

২ জানুৱাৰী : অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ দেহাৱসান। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮২ বছৰ।

১০ জানুৱাৰী : ৰাজ্যক খণ্ডিত কৰাৰ বিৰোধিতা কৰি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই আজি তীব্ৰ বিষোদ্‌গাৰ প্ৰকাশ কৰে। তেওঁ ঘোষণা কৰে, 'অসমক খণ্ডিত কৰি দেশত পূৰ্বাঞ্চলৰ নিৰাপত্তা বিপন্ন কৰিব খোজা যিকোনো প্ৰস্তাৱৰ বিৰোধিতা কৰিবলৈ আমি দৃঢ়প্ৰতিজ্ঞ আৰু আমাৰ মত উপেক্ষা কৰা হ'লে তাৰ সকলো ফলাফলৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগিব।'

১১ জানুৱাৰী : অসমৰ পাৰ্বত্য জনসাধাৰণে সামগ্ৰিকভাৱে উচ্চ পৰ্যায়ৰ এক উমৈহতীয়া সংযোগ ব্যৱস্থাসহ যথোপযুক্ত মৰ্যাদা যাতে পাব পাৰে তেনেধৰণৰ প্ৰশাসনিক গাঁথনি এটা তেওঁলোকক দিবলৈ ভাৰত চৰকাৰে বিচাৰে বুলি প্ৰধানমন্ত্ৰীয়ে অসমৰ সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ প্ৰতিনিধি দলক আশ্বাস দিয়ে।

১২ জানুৱাৰী : প্ৰজা ছচিয়েলিষ্ট পাৰ্টী অসমত পাৰ্বত্য ৰাজ্য গঠন কৰাৰ বিৰোধী বুলি নিখিল ভাৰত পি এছ পিৰ চেয়াৰমেন এন জি গোৰে গুৱাহাটীত সাংবাদিকৰ আগত মত প্ৰকাশ কৰে।

১৩ জানুৱাৰী : পাৰ্বত্য নেতা প্ৰতিনিধিৰে আলোচনাৰ অন্তত অসমক অহা ছমাহৰ ভিতৰত ইয়াৰ ভৈয়াম আৰু পাৰ্বত্য অঞ্চলক লৈ ফেডাৰেল গাঁথনিৰে পুনৰ গঠন কৰা হ'ব বুলি ভাৰত চৰকাৰে ঘোষণা কৰে।

১৮ জানুৱাৰী : অসম ৰাজ্যক ফেডাৰেল গাঁথনিৰে পুনৰ গঠন কৰাৰ কেন্দ্ৰীয় প্ৰস্তাৱৰ প্ৰতি সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে আদৰণি জনায়। কিন্তু তেওঁলোকে চৰ্ত সাপেক্ষেহে প্ৰস্তাৱিত কমিটীত অংশগ্ৰহণ কৰিবলৈ সন্মত হয়।

১৯ জানুৱাৰী : খাছীয়া পাহাৰ জিলা কংগ্ৰেছে খাছীয়া-জয়ন্তীয়া পাহাৰ জিলাক লৈ এখন পূৰ্ণাংগ ৰাজ্য গঠনৰ দাবী আজি পুনৰ উত্থাপন কৰে আৰু কয় যে অসমত এখন আঞ্চলিক ফেডাৰেল গঠন কৰিবলৈ

বিচাৰ্য বিষয় নাছিল।

এওঁলোক দুজনৰ হেঁচাতেই প্ৰধানতঃ বিমলা প্ৰসাদ চলিহাই পাকিস্তানৰ পৰা অহৰহ আহি থকা অনুপ্ৰৱেশকাৰীসকলৰ প্ৰতি কঠোৰ নোহোৱা হ'ল।

সেয়াই অসমৰ কাল হ'ল। দেৱকান্ত বৰুৱা আৰু ফখৰুদ্দিন আলী আহমেদে ৰাজ্যিক ৰাজনীতিত নিজৰ ভেটি সুদৃঢ় কৰিবলৈ পাক অনুপ্ৰৱেশকাৰীক সহযোগ কৰিয়েই ক্ষান্ত নাথাকি প্ৰথমবাৰৰ বাবে সংখ্যালঘু ভোট বেংকৰ ৰাজনীতি আৰম্ভ কৰি অসমৰ সৰ্বনাশ মতাই আনিলে। সংখ্যালঘুৰ ভোটৰ ৰাজনীতি আৰম্ভ কৰিছিল এই তিনিজনাই আৰু তেতিয়াৰে পৰাই কংগ্ৰেছে এক নতুন চৰিত্ৰ পাবলৈ ধৰিলে।

বিমলা প্ৰসাদ চলিহাই নিজৰ গাদীৰ কাৰণে বৰকৈ দুয়োজনৰ বিৰোধিতা নকৰিলে। দেৱেশ্বৰ শৰ্মাই কিন্তু চিঠি, টেলিগ্ৰাম আৰু ভাষণৰ মাজেৰে অনুপ্ৰৱেশৰ বিৰুদ্ধে প্ৰতিবাদ কৰি গ'ল। তেখেতৰ প্ৰব্ৰজনবিৰোধী স্থিতিক দেৱকান্ত বৰুৱা আৰু ফখৰুদ্দিন আলী আহমেদে বিসম্বাদলৈ ৰূপান্তৰিত কৰি পেলালে। দেৱেশ্বৰ শৰ্মাক সজোৱা হ'ল সাম্প্ৰদায়িক।

সেয়াই কংগ্ৰেছৰ সংখ্যালঘু তোষণ ৰাজনীতিৰ আৰম্ভণি আৰু যোৱা চাৰিটা দশকত অসমখনক আজি ক'ত পোৱালেহি তাক আকৌ এবাৰ দোহৰাৰ প্ৰয়োজন নাই। সংখ্যালঘু তোষণৰ মূল পৃষ্ঠপোষক দেৱকান্ত বৰুৱা, মইনুল হক চৌধুৰী আৰু ফখৰুদ্দিন আলী আহমেদৰ হেঁচাত দেৱেশ্বৰ শৰ্মাক মন্ত্ৰীসভাৰ পৰা আঁতৰাবলৈ আৰম্ভ হৈ গ'ল ভীষণ কুচকাৱাজ। দেৱেশ্বৰ শৰ্মায়ো সুবিধা পালেই বিসম্বাদ কৰি থাকিল।

এইবাৰ আহিল প্ৰদেশ কংগ্ৰেছৰ সভাপতি নিৰ্বাচনৰ সময়। শৰৎ চন্দ্ৰ সিংহ তেতিয়া ডেকা নেতা। দেৱেশ্বৰ শৰ্মাই বিচাৰিলে শৰৎ চন্দ্ৰ সিংহ সভাপতি হওক। সিংহ মান্তি নহ'ল। আনফালে সিদ্ধিনাথ শৰ্মাই আকৌ এবাৰ সভাপতি হ'বলৈ মন মেলিলে। দেৱেশ্বৰ শৰ্মাই পুনৰ শৰৎ চন্দ্ৰ সিংহক মান্তি কৰিবলৈ চেষ্টা কৰিলে যদিও সিংহ মান্তি নহ'ল। অৱশেষত দেৱেশ্বৰ

ভাৰত চৰকাৰে শেহতীয়াকৈ যি সিদ্ধান্ত কৰিছে সি এই জিলাৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব নোৱাৰে। একমাত্ৰ বৰ্তমানৰ খাছীয়া-জয়ন্তীয়া পাহাৰ জিলাক লৈ নাগালেণ্ডৰ দৰে এখন পূৰ্ণাংগ ৰাজ্য সৃষ্টি কৰা হ'লেহে সেই আশা-আকাংক্ষা পূৰ্ণ হ'ব বুলি কমিটীয়ে কয়।

২১ জানুৱাৰী ঃ মিজো ইউনিয়নৰ ৪জনীয়া প্ৰতিনিধি দল এটাই মিজো জিলা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যপালিকা সদস্য এইচ কে বাবিচুৱাকাৰ নেতৃত্বত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক সাক্ষাৎ কৰি মিজো জিলাক পূৰ্ণ পৰ্যায়ৰ ৰাজ্যলৈ ৰূপান্তৰিত কৰাৰ দাবী দাঙি ধৰে। দলটোৱে প্ৰস্তাৱিত ফেডাৰেল গাঁথনিয়ে মিজো ৰাইজৰ আশা-অকাংক্ষা সম্পূৰ্ণ নকৰে বুলিও অভিমত দাঙি ধৰে। আনহাতে পৰেশ চন্দ্ৰ চৌধুৰীৰ সভাপতিত্বত বহা শিলচৰ মিউনিচিপাল ব'ৰ্ডৰ সভা এখনত অসমৰ প্ৰস্তাৱিত 'ফেডাৰেল' গাঁথনিত কাছাৰ জিলাকো সুকীয়া গোট হিচাপে লৈ আনবোৰ 'ফেডাৰেটিং' গোটৰ দৰে সমমৰ্যাদা দিয়াৰ দাবী তোলে। ফেডাৰেচনৰ সুকীয়া গোট হিচাপে কাছাৰ জিলাক পুনৰ গঠিত নকৰিলে ত্ৰিপুৰাৰ দৰে কেন্দ্ৰীয়শাসিত অঞ্চল কৰি ৰখাৰ দাবী সভাই উত্থাপন কৰে।

২৩ জানুৱাৰী ঃ আগন্তুক সাধাৰণ নিৰ্বাচনৰ কাৰণে মনোনয়ন-পত্ৰ প্ৰত্যাহাৰ কৰাৰ শেষদিনাখনত অসম বিধানসভালৈ ৪জন প্ৰাৰ্থী আৰু লোকসভালৈ ৩জন প্ৰাৰ্থী বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়।

২৬ জানুৱাৰী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব উপাচাৰ্য তথা বিদগ্ধ পণ্ডিত কৃষ্ণকান্ত সন্দিকৈক 'পদ্মভূষণ' প্ৰদান।

৩ ফেব্ৰুৱাৰী ঃ জনসংঘৰ সাধাৰণ সম্পাদক দীনদয়াল উপাধ্যায়ে অসমৰ পুনৰ্গঠনৰ বিৰোধিতা কৰি কলিকতাত কয় যে এনেধৰণৰ ফেডাৰেল গাঁথনিয়ে ভাৰতৰ আন ৰাজ্যবোৰৰো সংহতিত আঘাত হানিব।

৪ ফেব্ৰুৱাৰী ঃ ফেডাৰেল আৰ্হিত অসমৰ পুনৰ গঠনৰ বিৰোধিতা কৰি সদৌ অসম ছাত্ৰ সন্থাই জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসমৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত উপস্থিত

শৰ্মাই তেতিয়া সিদ্ধিনাথ শৰ্মাৰ পক্ষে তেওঁৰ সমৰ্থন দি দিলে।

কিন্তু শেষ মুহূৰ্তত শৰৎ চন্দ্ৰ সিংহই এইবাৰ বিমলা প্ৰসাদ চলিহাৰ প্ৰাৰ্থী হিচাপে সভাপতি পদৰ কাৰণে নিৰ্বাচন খেলিলে। মন্ত্ৰীসভাৰ বেছি ভাগে শৰৎ চন্দ্ৰ সিংহক সভাপতিৰূপে সমৰ্থন দিলে।

১৯৫৯ চনৰ ৪ আৰু ৫ নৱেম্বৰত হোৱা সেই নিৰ্বাচনত সিদ্ধিনাথ শৰ্মা জিকিল, শৰৎ চন্দ্ৰ সিংহ হাৰিল।

বিসম্বাদ বাঢ়ি গ'ল। দেৱেশ্বৰ শৰ্মা একাষৰীয়া হ'ল। কাৰণ তেওঁ আছিল সবাতোকৈ জ্যেষ্ঠ আৰু মুখ্যমন্ত্ৰীৰ প্ৰত্যাশী। আকৌ তেৱেঁই সিদ্ধিনাথ শৰ্মাক সমৰ্থন দিছিল।

ইয়াৰ পিচৰ বিসম্বাদৰ ৰাজনীতিৰ ঢৌ আহিল ১৯৫৯ চনৰ ২৯ নৱেম্বৰত হোৱা নগাঁও সদৰ বিধানসভাৰ উপ-নিৰ্বাচনত। দেৱকান্ত বৰুৱা অপ্ৰত্যাশিতভাৱে ফণী বৰাৰ হাতত ৫৫৪৪টা ভোটৰ ব্যৱধানত হাৰিল।

কংগ্ৰেছত হাহাকাৰ লাগিল। কেনেদৰে হাৰিল তাৰ তদন্ত হ'ল।

তদন্ত কমিটী গঠন কৰি দিয়া হ'ল। তাত আছিল ড° বালিংগে, বিজয় চন্দ্ৰ ভাগৱতী আৰু শৰৎ চন্দ্ৰ সিংহ। পিচত অৱশ্যে বিজয় চন্দ্ৰ ভাগৱতীয়ে কমিটীৰ পৰা পদত্যাগ কৰে।

নগাঁও কংগ্ৰেছ জিলা কমিটীয়ে অভিযোগ দিলে যে মতিৰাম বৰা, গিৰিকান্ত শৰ্মা, পূৰ্ণচন্দ্ৰ শৰ্মা (ৰাজ্যসভাৰ সদস্য) আৰু দেৱেশ্বৰ শৰ্মাৰ দলাদলিৰ কাৰণে দেৱকান্ত বৰুৱাৰ পৰাজয় হ'ল।

বিমলা প্ৰসাদ চলিহা, মহেন্দ্ৰ মোহন চৌধুৰী, পদ্ম কুমাৰ গোহাঁই, গিৰীন গগৈ, কমল কুমাৰী বৰুৱা, নুৰুল ইছলাম আৰু মহীকান্ত দাসে সাক্ষ্য দিলে আৰু বেছিভাগেই দেৱেশ্বৰ শৰ্মাৰ বিপক্ষে গ'ল।

কংগ্ৰেছত ধৰি লোৱা হ'ল যে নিৰ্বাচনী যুঁজখন প্ৰকৃততে কংগ্ৰেছৰ মাজতহে হৈছিল। দেৱকান্ত বৰুৱাৰ মূল প্ৰতিদ্বন্দ্বী আছিল নিজৰেই দলৰ সতীৰ্থ মতিৰাম বৰা, ফণী বৰা নহয়। দেৱেশ্বৰ শৰ্মাই এই যুঁজখনত কংগ্ৰেছৰ

থকাৰ পৰা বিৰত থাকে আৰু সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে।

৬ ফেব্ৰুৱাৰী ঃ যোৰহাটত বহা অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাই অসমৰ পুনৰ গঠনৰ বিৰোধিতা কৰে আৰু শীঘ্ৰে এই আঁচনি উঠাই ল'বলৈ দাবী তোলে।

৯ ফেব্ৰুৱাৰী ঃ মিজো পাহাৰৰ লুংলেই মহকুমাৰ অন্তৰ্গত পুকপুলত মিজো বিদ্ৰোহীয়ে আক্ৰমণ চলোৱাত নিৰাপত্তা বাহিনীৰ ১২জন লোক নিহত আৰু কিছুসংখ্যক লোক আহত হয়।

১১ ফেব্ৰুৱাৰী ঃ অসমত এখন আঞ্চলিক ফেডাৰেচন গঢ়াৰ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তটোৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত সৰ্বাত্মক ৰূপত হৰতাল পালন কৰা হয়।

- প্ৰয়াত অম্বিকাগিৰী ৰায়চৌধুৰীক তেখেতৰ 'বেদনাৰ উল্কা' শীৰ্ষক কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাদেমী বঁটাৰ বাবে নিৰ্বাচিত কৰা হয়।

১৩ ফেব্ৰুৱাৰী ঃ জালুকবাৰীত হোৱা সদৌ অসম ছাত্ৰ সন্থাৰ এখন গুৰুত্বপূৰ্ণ সভাত সংগঠনটোৱে সমাগত নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ কথা ঘোষণা কৰে। পূৰ্বতে সংগঠনটোৱে এই নিৰ্বাচন বৰ্জন কৰিব বুলি কৈছিল যদিও ৫০জনীয়া প্ৰতিনিধিৰ আজিৰ সভাখনে নিৰ্বাচনত সক্ৰিয় হোৱাৰ সিদ্ধান্ত লয়। সভাই লগতে এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলে যদি জয়লাভ কৰে তেন্তে বিধানসভা বা সংসদত যাতে পুনৰগঠনৰ বিৰোধিতা কৰে তাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হোৱাৰো দাবী তোলে।

১৬ ফেব্ৰুৱাৰী ঃ অসমত বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ বাবে ভোটগ্ৰহণ আৰম্ভ।

২৩ ফেব্ৰুৱাৰী ঃ অচিনাক্ত দুৰ্বৃত্তৰ দ্বাৰা শ্বিলঙৰ মুখ্যমন্ত্ৰীৰ বাসভৱনত গুলীবৰ্ষণ। এখন টেক্সিৰ পৰা চলোৱা এই গুলীবৰ্ষণত কোনো ব্যক্তি হতাহত নহ'ল।

২৫ ফেব্ৰুৱাৰী ঃ অসম বিধানসভাৰ নিৰ্বাচনত শাসনাধিষ্ঠিত কংগ্ৰেছ দলে ৭২খন আসন লাভ কৰি পুনৰ শাসন ক্ষমতা নিজৰ হাতলৈ নিয়ে। ১২৪খন আসনৰ ভিতৰত কংগ্ৰেছে ৭২খন আসন লাভ কৰে যদিও বিগত

বিপক্ষে ইন্ধন যোগাইছিল বুলি এটি বু-বা সেই সময়ত প্ৰচাৰ হৈছিল। কিছু পৰিমাণে সেয়া সত্যও আছিল।

বাঢ়ি গ'ল অসম কংগ্ৰেছৰ বিসম্বাদ। ১৯৬০ চনৰ ২২ জানুৱাৰীৰ দিনা দেৱেশ্বৰ শৰ্মাই তেওঁৰ বিৰুদ্ধে অনা অভিযোগবোৰৰ প্ৰতিবাদ কৰি মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিলে।

দেৱেশ্বৰ শৰ্মাই নিজকে নিৰ্দোষী প্ৰমাণিত কৰিব বিচাৰিলেও বুৰঞ্জীয়ে কয় যে আৰম্ভণিৰে পৰাই বিমলা প্ৰসাদ চলিহাৰ বিপৰীত মেৰুত অৱস্থান কৰিছিল দেৱেশ্বৰ শৰ্মাই। সেয়াই তেওঁৰ কাৰণে কাল হ'ল।

চলিহা এই বিসম্বাদত নিজে প্ৰত্যক্ষভাৱে জড়িত আছিল নে নাই ধৰিব পৰা নাযায়। কিন্তু দেৱেশ্বৰ শৰ্মা-বিৰোধী দলৰ নেতৃত্ব দিছিল দেৱকান্ত বৰুৱা আৰু মইনুল হক চৌধুৰীয়ে।

ষাঠিৰ দশকৰ বিসম্বাদে কংগ্ৰেছ দলটোক দৰাচলতে জুৰুলা কৰি পেলাইছিল। প্ৰত্যেকে প্ৰত্যেকৰ বিৰোধিতা কৰা যেন এক ধৰ্মহি হৈ পৰিছিল আৰু ইয়াৰ উল্লেখ বাৰে বাৰে বুৰঞ্জীৰ পাতত পোৱা যায়।

১৯৬৩ চনৰ ৪ মাৰ্চত দলৰ বিধায়ক আৰু প্ৰাক্তন মন্ত্ৰী দেৱেশ্বৰ শৰ্মাক দলৰ দুজন কেবিনেট পৰ্যায়ৰ মন্ত্ৰী আৰু চৰকাৰী নীতিৰ বিৰুদ্ধাচৰণ কৰি ভুৱা অভিযোগ অনাৰ দোষত ৫ বছৰৰ বাবে দলৰ পৰা বহিষ্কাৰ কৰে।

সেই বছৰতে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে শৰৎ চন্দ্ৰ সিংহ নিৰ্বাচিত হয়।

ইয়াৰ পিচত আৰম্ভ হ'ল বিমলা প্ৰসাদ চলিহা আৰু দেৱকান্ত বৰুৱাৰ যুদ্ধ। এইবাৰ দেৱকান্ত বৰুৱা মন্ত্ৰিত্বৰ পৰা পদচ্যুত হ'ল।

চলিহাৰ লগত মতানৈক্য হোৱাত ১৯৬৬ চনৰ ২৭ অক্টোবৰত দেৱকান্ত বৰুৱাই শিক্ষা মন্ত্ৰী পদ ত্যাগ কৰিব লগা হয়।

এইবাৰ দেৱকান্ত বৰুৱা হৈ পৰে চলিহাৰ মুখ্য প্ৰতিদ্বন্দ্বী। ১৯৬৭ চনৰ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছে সহজেই ৭২জন বিধায়কৰে শাসনলৈ আহে।

নিৰ্বাচনৰ তুলনাত এইবেলি কংগ্ৰেছৰ আসন সংখ্যা হ্ৰাস পায়। আন দলবোৰে লাভ কৰা আসনৰ সংখ্যা এনেধৰণৰ— এ পি এইচ এল চি (APHLC)-৯, চি পি আই-৭, পি এছ পি-৫, এছ এছ পি-৪, স্বতন্ত্ৰ ২ আৰু নিৰ্দলীয়-২৫। ১২৬জনীয়া অসম বিধানসভাৰ দুখন আসনৰ নিৰ্বাচন অনুষ্ঠিত হোৱা নাই।

২ মাৰ্চ ঃ সন্দেহযুক্ত নগা বিদ্ৰোহীয়ে তিতাবৰ আৰু খৰিকটীয়াৰ মাজৰ ২৫ ফুট ৰে'ললাইন বোমাৰে উৰুৱাই দিয়াৰ ফলত উজনিমুৰা আছাম মেইলখন লাইনচ্যুত হয়। এই ঘটনাৰ ফলত এজন লোকৰ ঘটনাস্থলীতে মৃত্যু হয় আৰু পাঁচজন লোকে আঘাত পায়।

৪ মাৰ্চ ঃ আইজল মহকুমাৰ চাৰ্ছিপপৰ পৰা ২০ কিলোমিটাৰ দূৰত অৱস্থিত এক স্থানত সামৰিক বহিনীৰ হাতত ৯জন মিজো বিদ্ৰোহীৰ মৃত্যু হয়।

৭ মাৰ্চ ঃ কংগ্ৰেছ বিধায়িনী দলৰ নেতা হিচাপে বিমলা প্ৰসাদ চলিহাক একেৰাহে তৃতীয়বাৰৰ বাবে নিৰ্বাচিত কৰা হয়। নেতৃত্বৰ বাবে হোৱা নিৰ্বাচনত চলিহাই ৭২জন কংগ্ৰেছী বিধায়কৰ ভিতৰত ৫২জনৰ ভোট লাভ কৰে আৰু তেওঁৰ প্ৰতিদ্বন্দ্বী দেৱকান্ত বৰুৱাই ১৮জনৰ ভোট লাভ কৰে। বৰুৱা আৰু চলিহাই ভোটদানত অংশগ্ৰহণ কৰা নাছিল।

- আইজল চহৰৰ মাজমজিয়াত অৱস্থিত কাৰাগাৰৰ পৰা মিজো নেচনেল ফ্ৰণ্টৰ ২২গৰাকী বিদ্ৰোহীৰ পলায়ন।

১৪ মাৰ্চ ঃ অসম, পশ্চিম বংগ, বিহাৰ, উৰিষ্যা আৰু আন ৰাজ্যসমূহক লৈ কেন্দ্ৰীয় চৰকাৰে গঠন কৰিব খোজা পূব খাদ্য সংমণ্ডলৰ বিৰোধিতা কৰি অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই কয় যে যিহেতু খাদ্যশস্য উৎপাদনৰ ক্ষেত্ৰত অসমৰ অৱস্থা শোচনীয় সেয়েহে এই ৰাজ্যখনক পশ্চিম বংগ বা বিহাৰৰ নিচিনা ৰাজ্যৰ লগত জোৰা দিয়াটো সঠিক নহ'ব।

- সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত মিজো পাহাৰত পাঁচজন মিজো বিদ্ৰোহী নিহত আৰু ১৭জনক কৰায়ত্ত কৰা হয়। উল্লেখ্য যে কিছুদিন আগতে মিজো নেচনেল ফ্ৰণ্টৰ

দলপতিৰ নিৰ্বাচনত দুই প্ৰতিদ্বন্দ্বী বিমলা প্ৰসাদ চলিহা আৰু দেৱকান্ত বৰুৱা। চলিহাই পালে ৫২টা ভোট আৰু দেৱকান্ত বৰুৱাই ১৮টা ভোট। বৰুৱা আৰু চলিহাই কিন্তু ভোটদানত ভাগ লোৱা নাছিল।

দেৱকান্ত বৰুৱা আৰু মইনুল হক চৌধুৰীয়ে ষাঠিৰ দশকৰ মাজৰে পৰা তলে তলে বিমলা প্ৰসাদ চলিহাৰ বিৰোধিতা কৰি আহিছিল।

১৯৬৬ চনৰ পৰা এই যুদ্ধ যেন বেছিহে হ'ল আৰু এটা সময়ত দেৱকান্ত বৰুৱাই হাৰ মানিবলৈ বাধ্য হ'ল। মুখ্যমন্ত্ৰী চলিহাই শিক্ষা মন্ত্ৰী দেৱকান্ত বৰুৱাক পদত্যাগ কৰিবলৈ বাধ্য কৰাইছিল।

সেই খং দেৱকান্ত বৰুৱাই পাহৰা নাছিল। ইয়াৰ আগতে ১৯৬২ চনত কংগ্ৰেছ দলৰ সভাপতিৰ নিৰ্বাচনতো শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু দেৱেশ্বৰ শৰ্মাৰ যুঁজখনতো কংগ্ৰেছীৰ লেতেৰা ৰাজনীতিৰ আভাস পোৱা যায়। মাত্ৰ দুটা ভোটত জয়ী হৈছিল প্ৰফুল্ল গোস্বামী, কিন্তু এৰি গৈছিল কংগ্ৰেছৰ তিতা-কেঁহা ৰাজনীতি— য'ত শৰৎ চন্দ্ৰ সিংহ আৰু সিদ্ধিনাথ শৰ্মাই দেৱেশ্বৰ শৰ্মাক শেষ মুহূৰ্তত পৰিত্যাগ কৰিছিল। মন্ত্ৰিত্বৰ টোপ দি দুটা ভোট কিনি পেলাইছিল।

বিমলা প্ৰসাদ চলিহাই পৰোক্ষভাৱে ৰাজনৈতিক পাশা খেলেৰে তেওঁৰ প্ৰায়বোৰ প্ৰতিদ্বন্দ্বীকে ধৰাশায়ী কৰি পেলাইছিল যদিও নিজে কোনো ৰাজনীতিতে প্ৰত্যক্ষভাৱে যোগদান কৰা নাছিল। যিকোনো প্ৰকাৰে তেওঁ আৰু একাংশ মন্ত্ৰীয়ে দেৱেশ্বৰ শৰ্মাক বিধানসভাৰ নিৰ্বাচনৰ পৰা আঁতৰাই ৰাখিব বিচাৰিছিল। মোৰাৰজী দেশাইৰ প্ৰত্যক্ষ হেঁচাতহে দেৱেশ্বৰ শৰ্মাক ১৯৬৭ চনত তিতাবৰ বিধানসভাত টিকট দিয়া হৈছিল। নহ'লে টিকট পোৱাৰ কোনো আশাই নাছিল।

তিলক গগৈৰ নেতৃত্বৰ কংগ্ৰেছীসকলৰ সম্পূৰ্ণ বিৰোধিতা সত্ত্বেও দেৱেশ্বৰ শৰ্মা জয়ী হৈ আহিল। বিধানসভাৰ অধ্যক্ষ পদ যচা হৈছিল যদিও দেৱেশ্বৰ শৰ্মাই গ্ৰহণ নকৰিলে। দেৱেশ্বৰ শৰ্মাক লৈ চলা কংগ্ৰেছী ৰাজনীতি লাহে

সভাপতি লালডেংগাই গ্ৰেট ব্ৰিটেইনলৈ পলাই গৈছিল।

১৬ মাৰ্চ ঃ নৱগঠিত অসম মন্ত্ৰীসভাৰ সদস্যসকলে শ্বিলঙৰ ৰাজভৱনত শপত গ্ৰহণ কৰে।

১৭ মাৰ্চ ঃ বিশ্ব হিন্দু পৰিষদৰ অসম শাখাৰ তিনিদিনীয়া অধিৱেশন মুকলি কৰি দ্বাৰকাৰ জগতগুৰু শংকৰাচাৰ্যই চৰকাৰক অনুসূচিত জাতি, জনজাতি আদি বিভাজনেৰে সমাজক বিভক্ত নকৰি সকলোকে হিন্দু হিচাপে মান্যতা দিবলৈ আহ্বান জনায়।

২০ মাৰ্চ ঃ কংগ্ৰেছ বিধায়ক হৰেশ্বৰ গোস্বামী বিধানসভাৰ অধ্যক্ষ পদলৈ নিৰ্বাচিত হয়। গোস্বামীয়ে তেওঁৰ প্ৰতিদ্বন্দ্বী লক্ষ্যধৰ চৌধুৰীক ২৫টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। গোস্বামীয়ে ৬৭টা আৰু চৌধুৰীয়ে ৪২টা ভোট লাভ কৰিছিল।

২৫ মাৰ্চ ঃ অসম চৰকাৰে অশান্তজৰ্জৰ মিজো জিলাত কাম কৰা লোকসকলক পৰিচয়পত্ৰ প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই প্ৰক্ৰিয়াৰ যোগেদি অসম চৰকাৰে বিদ্ৰোহী মিজোসকলৰ প্ৰৱেশ উক্ত অঞ্চলবোৰত প্ৰতিহত কৰিব পাৰিব বুলি আশা ৰাখিছে।

৬ এপ্ৰিল ঃ ফেডাৰেল গাঁথনিৰে অসমক পৰ্বত আৰু ভৈয়াম অঞ্চলৰ একাধিক গোটেৰে পুনৰ্গঠন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে যি আঁচনি কৰিছে তাক অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে বিৰোধিতা কৰে।

৯ এপ্ৰিল ঃ মিজো নেচনেল ফ্ৰণ্টৰ মুৰব্বী লালডেংগা বা তেওঁৰ কোনো সহচৰক ধৰিবলৈ নিৰাপত্তা বাহিনীক কোনোবাই সহায় কৰিলে বা তেওঁলোকৰ কিবা সম্ভেদ দিব পাৰিলে নগদ ১০ হাজাৰ টকাৰ বঁটা দিয়া হ'ব বুলি অসম চৰকাৰে ঘোষণা কৰে।

- অসমৰ অন্যতম অসমীয়া দৈনিক 'নতুন অসমীয়া'ৰ প্ৰতিষ্ঠাপক ইন্দ্ৰকমল বেজবৰুৱাৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৪৮ বছৰ।

১৬ এপ্ৰিল ঃ অসমৰ চাহপাতৰ ওপৰত ধাৰ্য কৰা পশ্চিম বংগৰ প্ৰৱেশ শুল্ক প্ৰত্যাহাৰ কৰি চাহৰ ওপৰত বৰ্ধিত আকাৰে আবকাৰী শুল্ক নিৰূপণ কৰিব লাগে আৰু ইয়াৰ পৰা পোৱা অতিৰিক্ত ৰাজহ দুয়োখন

লাহে কমি আহে যদিও এইবাৰ আৰম্ভ হয় মহেন্দ্ৰ মোহন চৌধুৰীৰ ক্ষমতালিপ্সা।

বিমলা প্ৰসাদ চলিহাৰ শাৰীৰিক অসুস্থতা আৰম্ভ হোৱাৰ আগৰে পৰাই মহেন্দ্ৰ মোহন চৌধুৰীয়ে মুখ্যমন্ত্ৰিত্বৰ জাল পেলাবলৈ আৰম্ভ কৰিছিল। চৌধুৰীয়ে লীলা বৰুৱা আৰু গিৰীন চৌধুৰীৰ দ্বাৰা কংগ্ৰেছী বিধায়কসকলৰ মনৰ জোখো লৈছিল। কিন্তু সময়ত চৌধুৰীয়ে মূৰ পোলোকা মাৰিলে।

চলিহাৰ স্বাস্থ্যৰ অৱনতি ঘটাৰ কাৰণে তেওঁ ১৯৬৯ চনতেই পদত্যাগ কৰিবলৈ চিন্তা-চৰ্চা কৰিছিল। আৰম্ভ হৈছিল উত্তৰাধিকাৰী নিৰ্বাচনৰ প্ৰতিযোগিতা। আৰম্ভ হৈছিল ৰাজনৈতিক কুচ-কাৱাজ।

১৯৭০ চনৰ ২১ জানুৱাৰীত মহেন্দ্ৰ মোহন চৌধুৰীয়ে ঘোষণা কৰিলে যে চলিহাই পদত্যাগ কৰিলে তেওঁ মুখ্যমন্ত্ৰীৰ দাবীদাৰ হ'ব। আনহাতে আনজন সম্ভাব্য প্ৰাৰ্থী বিজয় চন্দ্ৰ ভাগৱতীয়ে ঘোষণা কৰিলে যে দলৰ সংহতি অক্ষুণ্ণ ৰাখি সৰ্বসন্মতভাৱে উত্তৰাধিকাৰী বাছনি কৰা যাব।

ইতিমধ্যে ২ ফেব্ৰুৱাৰীত প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিজয় চন্দ্ৰ ভাগৱতীক দলৰ পৰা বহিষ্কাৰ কৰা হয়। কংগ্ৰেছৰ সাংগঠনিক সভাপতি নিজলিংগপাই দলৰ অনুমতি অবিহনে ভাগৱতীয়ে তেজপুৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব খোজা কাৰণে ভাগৱতীক বহিষ্কাৰ কৰিছিল। সেয়া কিন্তু সঁচা অৰ্থত কাৰ্যকৰী নহ'ল।

বুৰঞ্জীৰ চকা খুব খৰকৈ ঘূৰিছিল সেইকেইদিন। মাথোঁ পাঁচ দিন পিচত চলিহাই স্বাস্থ্যজনিত কাৰণত পদত্যাগ কৰে আৰু সভাপতি জগজীৱন ৰামে সেই পদত্যাগ-পত্ৰ গ্ৰহণ কৰে।

১৬ ফেব্ৰুৱাৰীৰ দিনা অসুস্থ গাৰে চলিহাই মুখ্যমন্ত্ৰিত্বৰ দুই প্ৰত্যাশী মহেন্দ্ৰ মোহন চৌধুৰী আৰু বিজয় চন্দ্ৰ ভাগৱতীক নিজৰ ঘৰলৈ মতাই আনে। দুয়োজনকে সৈমান কৰাৰ কাৰণে চেষ্টা কৰা হ'ল। এজনো সৈমান নহ'ল। বৰঞ্চ পিচদিনাখন বিজয় ভাগৱতীয়ে নিজৰ প্ৰাৰ্থিত্ব ৰাজহুৱাকৈ ঘোষণা কৰিলে।

ৰাজ্যৰ মাজত বিতৰণ কৰিব লাগে বুলি অসম চৰকাৰে কেন্দ্ৰৰ ওচৰত পৰামৰ্শ আগবঢ়ায়।

২৪ এপ্ৰিল ঃ আইজলৰ ওচৰত নিৰাপত্তা বাহিনী আৰু মিজো বিদ্ৰোহীৰ মাজত হোৱা সংঘৰ্ষত এজন মিজো বিদ্ৰোহী নিহত আৰু তিনিজন আহত হয়।

২৬ এপ্ৰিল ঃ মাৰ্কিন বন্যজন্তু বিশেষজ্ঞ জে জে স্পাইলেটে ভাৰত চৰকাৰৰ ওচৰত দিয়া এখন প্ৰতিবেদনত কাজিৰঙা অভয়াৰণ্যক আইনগতভাৱে এখন ৰাষ্ট্ৰীয় উদ্যান হিচাপে গঢ়ি তুলিবলৈ পৰামৰ্শ প্ৰদান কৰে।

- ১৯৬৬ চনৰ অৰ্জুন পুৰস্কাৰৰ বাবে অসমৰ ভোগেশ্বৰ বৰুৱা মনোনীত।

৭ মে' ঃ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ এক গুৰুত্বপূৰ্ণ অধিৱেশনে ফেডাৰেল প্ৰস্তাৱৰ বিৰোধিতা কৰে আৰু অসমৰ জনমতে কেন্দ্ৰীয় চৰকাৰৰ এই প্ৰস্তাৱ কোনোপধ্যে গ্ৰহণ নকৰে বুলি অভিমত দিয়ে।

৮ মে' ঃ সংসদীয় প্ৰতিনিধি দলে নেফা সম্পৰ্কত দাখিল কৰা প্ৰতিবেদনৰ সৰহভাগকে কেন্দ্ৰীয় চৰকাৰে অগ্ৰাহ্য কৰে। বৰ্তমানে শ্বিলঙত থকা নেফা সচিবালয়টো শ্বিলঙৰ পৰিৱৰ্তে নেফাত স্থাপন কৰিবৰ বাবে সংসদীয় দলটোৱে আগবঢ়োৱা পৰামৰ্শকো চৰকাৰে অগ্ৰাহ্য কৰে। 'ইনাৰলাইন' ব্যৱস্থা উঠাই দিবৰ বাবে দিয়া প্ৰস্তাৱটোক অগ্ৰাহ্য কৰি চৰকাৰে মত দাঙি ধৰে যে ইনাৰলাইন সম্পৰ্কত যি অনুমতিপত্ৰ দিয়াৰ নিয়ম আছে তাক যথেষ্ট ঢিলাই দিয়া হৈছে। জনজাতীয় লোকক শোষণ কৰা বুলি সন্দেহ উপজিলে বা নিৰাপত্তাৰ কাৰণ থাকিলে ইনাৰলাইন পাৰমিট দিয়া নহ'ব বুলিও চৰকাৰী বিবৃতিত কোৱা হয়।

১২ মে' ঃ অসম আৰু নাগালেণ্ডৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে পাৰ্বতী কুমাৰ গোস্বামীক মুখ্য ন্যায়াধীশ চন্নকপল্লী সঞ্জীৱ ৰাও নাইডুৱে শপত গ্ৰহণ কৰোৱায়। স্থানীয় উচ্চ ন্যায়ালয়ৰ অধিবক্তা সন্থাৰ সভ্যসকলৰ ভিতৰৰ পৰা এজনক ন্যায়াধীশ পদত নিযুক্ত কৰাৰ উদাহৰণ

বিজয় ভাগৱতী আছিল ইন্দিৰা গান্ধীৰ প্ৰাৰ্থী আৰু অসমৰ কংগ্ৰেছী বিধায়কৰ পছন্দৰ প্ৰাৰ্থী আছিল মহেন্দ্ৰ মোহন চৌধুৰী।

দলৰ সংকট গভীৰ হোৱা যেন দেখি সকলোৰে অনুৰোধত নৰিয়া গাৰেও চলিহাই ১৯ ফেব্ৰুৱাৰীত নিজৰ পদত্যাগপত্ৰ উঠাই ল'লে। কিছু সময়ৰ কাৰণে দলীয় সংকটৰ শাম কাটিলেও, সকলোৱে বুজিছিল যে বিসম্বাদ আঁতৰা নাই, সেয়া ঘূৰি আহিব। আহিছিলো।

ইফালে দিল্লীত মূল কংগ্ৰেছতো কেৰোণ। ইন্দিৰা গান্ধীৰ লগত যাব নে মূল কংগ্ৰেছত থাকিব? সেয়া আছিল এক নতুন অংক। অসমৰ কংগ্ৰেছে কিন্তু শাসক কংগ্ৰেছী পক্ষৰ লগত থকাটো ঠিক কৰিলে। ইন্দিৰাৰ লগ নিদিলে। চলিহাৰো স্বাস্থ্যৰ অধিক অৱনতি হ'বলৈ ধৰিলে। কিন্তু অসমৰ কংগ্ৰেছী বিধায়কসকলে ইন্দিৰা গান্ধীৰ পছন্দৰ প্ৰাৰ্থী বিজয় চন্দ্ৰ ভাগৱতীক মানি নল'লে। বৰঞ্চ মানি ল'লে মহেন্দ্ৰ মোহন চৌধুৰীক। ১৯৭০ৰ ৩০ অক্টোবৰৰ দিনা মহেন্দ্ৰ মোহন চৌধুৰী কংগ্ৰেছ বিধায়িনী দলৰ দলপতি নিৰ্বাচিত হ'ল আৰু ৬ নৱেম্বৰত অসমৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল।

কিন্তু বিসম্বাদ শেষ নহ'ল। যাঠিৰ দশকত পূৰ্ণাংগ ৰূপ লোৱা কংগ্ৰেছৰ বিসম্বাদে সত্তৰৰ দশকত এক নতুন ৰূপ ল'লে। এইবাৰ কংগ্ৰেছৰ মূল ক্ষমতাৰ কেন্দ্ৰবিন্দু হৈ পৰিল দেৱকান্ত বৰুৱা।

এয়েই প্ৰথম।

১৫ মে' ঃ কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ড° ত্ৰিগুণা সেনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

১৭ মে' ঃ অসমৰ জনমতৰ বিৰুদ্ধে গৈ কেন্দ্ৰই অসমৰ ওপৰত ফেডাৰেল গাঁথনি জাপি নিদিয়ে বুলি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে অসম সাহিত্য সভাক আশ্বাস দিয়ে বুলি অসম সাহিত্য সভাৰ সম্পাদক হৰিপ্ৰসাদ নেওগে প্ৰকাশ কৰে। উল্লেখ্য যে যোৱা ১১ মে'ত অসম সাহিত্য সভাৰ এটা সঁজাতী দলে নতুন দিল্লীত প্ৰধানমন্ত্ৰীক লগ ধৰিছিল।

২০ মে' ঃ কেন্দ্ৰীয় গৃহ মন্ত্ৰী ৱাই বি চৱনে গুৱাহাটীত উপস্থিত হৈ অসম মন্ত্ৰীসভা আৰু ৰাজ্যখনৰ বিভিন্ন ৰাজনৈতিক দলৰ সৈতে আলোচনা আৰম্ভ কৰে। প্ৰদেশ কংগ্ৰেছকে ধৰি সৰ্বমুঠ ১৩টা সঁজাতী দলৰ পৰা তেওঁ ফেডাৰেল আঁচনিৰ ভিত্তিত অসম পুনৰ গঠন সম্পৰ্কত প্ৰতিক্ৰিয়া আৰু মতামত গ্ৰহণ কৰে।

২৩ মে' ঃ ভাৰতীয় নিৰাপত্তা বাহিনী আৰু মিজো বিদ্ৰোহীৰ মাজত হোৱা সংঘৰ্ষত নিৰাপত্তা বাহিনীৰ ১৪জন লোক নিহত হয়।

২৮ মে' ঃ অসমকে ধৰি ৬খন ৰাজ্যই ভূমি ৰাজহ বাতিল নকৰাৰ সিদ্ধান্ত লয়। ৰাজহত যাতে ঘাটি নপৰে তাৰ বাবে ৰাজ্যকেইখনে এই ব্যৱস্থা লৈছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে ভূমি ৰাজহ বাতিল কৰাৰ কথা ভাবিবলৈ ৰাজ্যসমূহক আহ্বান জনাইছিল।

২৯ মে' ঃ ৰাজহ আৰু বান নিয়ন্ত্ৰণ মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে শিলচৰত অনুষ্ঠিত সংবাদমেলত বৰাক, মানাহ আৰু পাগলাদিয়া নৈক বান্ধ দিবৰ কাৰণে অসম চৰকাৰে নিৰ্বাচন কৰা বুলি জানিবলৈ দিয়ে।

৩১ মে' ঃ অসম বিধান সভাত উত্থাপিত ১৯৬৭-৬৮ চনৰ ৰাজ্যিক বাজেটত দহ কোটিৰো অধিক টকা ঘাটি দেখুওৱা হয়। ৰাজ্যিক বাজেটখনত কেঁচা মৰাপাট আৰু চামৰাৰ ওপৰত ক্ৰয় কৰ, সুৰা আৰু মাদক দ্ৰব্যৰ ওপৰত বিক্ৰী কৰ আৰু মটৰ স্পিৰিট আৰু লুব্ৰিকেণ্টকে ধৰি কেইপদমান বস্তুৰ ওপৰত থকা বিক্ৰী

বৰাকৰ ভাষা আন্দোলন

১৯৬০ চনৰ ৰাজ্যভাষা আন্দোলনৰ পিচৰ সময়ছোৱাত অসমত ভাষিক সংঘৰ্ষৰ বিষবাষ্প চৌদিশে বিয়পি পৰা দেখা গৈছিল। উক্ত বছৰতে ভাৰতবৰ্ষৰ সংসদত অসমৰ ৰাজ্যভাষা সম্পৰ্কত দীঘলীয়া বাদ-বিবাদ হৈছিল। অথচ সংসদে এইক্ষেত্ৰত কোনো সমাধানসূত্ৰ বাহিৰ কৰিব পৰা নাছিল। সংসদত বাদানুবাদ চলি থকাৰ সময়তে অসম চৰকাৰে গৃহ মন্ত্ৰী গোবিন্দ বল্লভ পণ্টৰ উপদেশ অনুযায়ী প্ৰস্তুত কৰি উলিওৱা খচৰা বিলখন বিধানসভাত উত্থাপন কৰাৰ যো-জা চলায়। এই বিধেয়কখনে অসম সাহিত্য সভাকে ধৰি অসমৰ বিভিন্ন দল-সংগঠনকে সন্তুষ্ট কৰিব পৰা

কৰৰ মাত্ৰা বৃদ্ধি কৰা হয়। প্ৰস্তাৱিত কৰৰ পৰা গোটেই বছৰত ২৫০ লাখ টকা ৰাজহ আদায় হ'ব। ১৯৬৭-৬৮ চনৰ বছৰটোত ৰাজহ শিতানত ৮৬ কোটি ৭৬ লাখ টকা আদায় হ'ব আৰু ৰাজহ শিতানত ৮৮ কোটি ১০ লাখ টকা ব্যয় হ'ব। বছৰি দিয়া ইনক্ৰিমেণ্ট আৰু মিজো পাহাৰৰ অশান্তিৰ বাবে ব্যয়ৰ পৰিমাণ বৃদ্ধি পাইছে বুলি বিত্ত মন্ত্ৰীয়ে সদনক জনায়।

৫ জুন ঃ 'দ্য কনটিনেণ্ট অব চাৰ্চি' নামৰ কিতাপখনত প্ৰসিদ্ধ লেখক নিৰোদ চি চৌধুৰীয়ে অসম আৰু অসমীয়া সন্দৰ্ভত আপত্তিজনক মন্তব্য ৰখাৰ প্ৰতিবাদত বিধানসভাত ড° ভূপেন হাজৰিকাই 'দৃষ্টি আকৰ্ষণ' প্ৰস্তাৱ উত্থাপন কৰে। ইয়াৰ উত্তৰত শিক্ষা মন্ত্ৰী জে বি হাগজেৰে এনে মন্তব্যৰ বিৰুদ্ধে কাৰ্যকৰী ব্যৱস্থা লোৱাৰ আশ্বাস প্ৰদান কৰে। অসম আৰু অসমীয়া সম্পৰ্কে দিয়া মন্তব্যই চৌধুৰীৰ অসম সম্পৰ্কে থকা অজ্ঞতাকে প্ৰকাশ কৰিছে বুলি হাগজেৰে সদনক জনায়।

৮ জুন ঃ লুংলেৰ ১৫ মাইল উত্তৰ-পূবৰ নাচিং নামৰ ঠাইত মিজো বিদ্ৰোহী আৰু নিৰাপত্তা বাহিনীৰ মাজত হোৱা এক সংঘৰ্ষত ১১জন বিদ্ৰোহী আৰু নিৰাপত্তা বাহিনীৰ এজন বিষয়া নিহত হয়।

১৯ জুন ঃ পাৰ্বত্য ছাত্ৰ সংযুক্ত মঞ্চাই ১৩ জুলাইৰ ভিতৰত অসমত ফেডাৰেল গাঁথনি কাৰ্যকৰী কৰিবলৈ ভাৰত চৰকাৰৰ ওচৰত দাবী জনায়। অন্যথা তেওঁলোকে সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনক প্ৰত্যক্ষ সংগ্ৰাম চলাই যাবলৈ জোৰ দি ধৰিব বুলি কয়।

২৬ জুন ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই অসম বিধানসভাত এখন পৃথক পাৰ্বত্য ৰাজ্য গঠনে পাৰ্বত্য জিলাৰ সমস্যাৱলীৰ সমাধানত সহায় নকৰে বৰঞ্চ সমস্যাৱলী বৃদ্ধিহে কৰিব বুলি মত ব্যক্ত কৰে। সুকীয়া নাগালেণ্ড ৰাজ্য গঠন কৰিলে সেই অঞ্চলৰ সমস্যা সমাধান হ'ব বুলি যি আশা কৰা হৈছিল সেই আশা এতিয়া মিছাত পৰিণত হোৱা বুলি তেওঁ কয়। এই ৰাজ্যখনৰ সৃষ্টিয়ে অসম আৰু কেন্দ্ৰৰ কাৰণে অধিক সমস্যাহে সৃষ্টি কৰিছে বুলি মুখ্যমন্ত্ৰীজনে বিধানসভাক জনায়।

২৯ জুন ঃ অসম বিধানসভাৰ কংগ্ৰেছ

নাছিল আৰু একে সময়তে বৰাক উপত্যকাৰ অধিবাসীসকলে এই বিধেয়কখনক এখন অগ্ৰহণীয় বিধেয়ক হিচাপে বিবেচনা কৰিছিল। এই বিধেয়ক অনুসৰি অসমৰ সকলো অথবা যিকোনো চৰকাৰী কাম-কাজত অসমীয়া ভাষা ব্যৱহাৰ কৰা হ'ব বুলি উল্লেখ কৰা হৈছিল। তদুপৰি এই বিলখনত কোৱা হৈছিল যে যেতিয়ালৈকে পৰা যায় তেতিয়ালৈকে সচিবালয় তথা বিভাগসমূহৰ মুখ্য কাৰ্যালয়ত ইংৰাজী ব্যৱহাৰ কৰি থকা হ'ব আৰু পিচলৈ ইংৰাজীৰ ঠাইত হিন্দী ব্যৱহাৰ কৰা হ'ব।

বিধেয়কখনৰ এই ব্যৱস্থাক লৈ বৰাকবাসী মুঠেও সন্তুষ্ট হ'ব পৰা নাছিল। ৰমেন্দ্ৰ মোহন দাস নামৰ কাছাৰৰ কংগ্ৰেছ নেতা এজনে এই বিধেয়কখন সম্পৰ্কত মত প্ৰকাশ কৰি কৈছিল যে সংখ্যাগৰিষ্ঠতাৰ বলত বিধানসভাত বিধেয়কখন গৃহীত কৰিব পৰা যাব, কিন্তু এইখনে মূল সমস্যাটোৰ একো সমাধান কৰিব নোৱাৰিব। ১৯৬০ চনৰ অসম ৰাজ্যভাষা আইনখনৰ প্ৰতি বিতুষ্ট হৈ নিখিল অসম বংগভাষা সমিতিৰ পৰা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিলৈ এই সংক্ৰান্তত এখন স্মাৰকপত্ৰও প্ৰদান কৰা হৈছিল। তেওঁলোকৰ মূল দাবীটো আছিল বাংলা ভাষাকো সমগ্ৰ ৰাজ্যখনতে চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়া। এই দাবীটোৰ লগতে নিম্নোক্ত বিষয়সমূহৰ ক্ষেত্ৰতো বাংলা ভাষাই স্বীকৃতি পাব লাগে বুলি এই সমিতিৰ ফালৰ পৰা দাবী তোলা হৈছিল—

(১) অসম বিধানসভাৰ সকলো চৰকাৰী বিধেয়ক তথা অন্যান্য বিধায়িনী বিষয়ত বাংলা ভাষাক স্বীকৃতি প্ৰদান।

(২) অসমৰ চৰকাৰ তথা ইয়াৰ অধীনস্থ সকলো কাৰ্যালয়ৰ চৰকাৰী নথি-পত্ৰৰ ক্ষেত্ৰত বাংলা ভাষাৰ প্ৰয়োগ।

(৩) অসম চৰকাৰ আৰু অসমৰ সমূহ জনগণ তথা চৰকাৰৰ বিভিন্ন বিভাগৰ মাজত বাংলা ভাষাত যোগাযোগ স্থাপনৰ দিহা কৰা।

(৪) উচ্চ ন্যায়ালয় পৰ্যায়লৈ অসমৰ আদালতৰ কাম-কাজত বাংলা ভাষাৰ প্ৰয়োগ।

দলৰ চীফ হুইপ যদুনাথ ভূঞাই সংযুক্ত বিধায়িনী দলৰ উপ-দলপতি দুলাল চন্দ্ৰ বৰুৱাক বিধানসভাৰ পৰা এবছৰৰ কাৰণে বহিষ্কাৰ কৰিবলৈ এটা প্ৰস্তাৱ দাঙি ধৰে। ২৮ জুন তাৰিখে সদন আৰু এজন সদস্য তথা মন্ত্ৰীৰ বিশেষাধিকাৰ ভংগ কৰা বুলি ভূঞাই বৰুৱাৰ বিৰুদ্ধে এটা অভিযোগ আনিছিল। সংযুক্ত বিধায়িনী দলৰে ৰথীন্দ্ৰ নাথ সেনে এক সংশোধনৰ প্ৰস্তাৱ আনি বৰুৱাক মাথোঁ বৰ্তমান চলি থকা বাকী কালছোৱাৰ বাবে বহিষ্কাৰ কৰিবলৈ প্ৰস্তাৱ দিয়ে। সেইমৰ্মে ৩০ জুন তাৰিখে অসম বিধানসভাত বৰ্তমান অধিৰেশনৰ বাকী কালছোৱাৰ বাবে দুলাল চন্দ্ৰ বৰুৱাক বহিষ্কাৰ কৰা প্ৰস্তাৱ এটা গৃহীত হয়।

৪ জুলাই ঃ অসমৰ এসময়ৰ বিখ্যাত ফুটবল আৰু ক্ৰিকেট খেলুৱৈ নলিনী চৌধুৰী পুৱা ঘৰৰ পৰা নিৰুদ্দেশ হয়। পিলিক চৌধুৰী ৰূপে খ্যাত এই খেলুৱৈজনৰ বয়স ৪২ বছৰ হৈছিল।

৭ জুলাই ঃ নতুনকৈ অহা পূব-পাকিস্তানৰ ৬ হাজাৰৰ পৰা ৭ হাজাৰ ভগনীয়া পৰিয়ালক কাছাৰ, নগাঁও আৰু গোৱালপাৰা জিলাত আৰু বৰপেটা মহকুমাত ১৮ হাজাৰ একৰ মাটিত পুনৰ সংস্থাপিত কৰা হয়। কেন্দ্ৰীয় পুনৰ সংস্থাপন মন্ত্ৰী দপ্তৰৰ ১৯৬৬-৬৭ চনৰ প্ৰতিবেদনত এই কথা প্ৰকাশ পায়।

১১ জুলাই ঃ সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ চেয়াৰমেন কেপ্টেইন উইলিয়ামছন চাংমাই কলিকতাত কয় যে পাৰ্বত্য নেতা সন্মিলনে অসম ৰাজ্যৰ পুনৰ গঠন হোৱাটোহে বিচাৰিছে, প্ৰশাসনীয় গাঁথনিৰ পুনৰ গঠন নহয়।

১৩ জুলাই ঃ ভাৰত আৰু পাকিস্তানৰ পূব খণ্ডৰ কমাণ্ডাৰসকলে টাছখণ্ড ঘোষণাৰ পিচত উপনীত হোৱা সামৰিক সীমা চুক্তি অনুযায়ী অসমৰ লাঠিটিলা আৰু ডুমাবাৰী গাঁও দুখন পাকিস্তানলৈ হস্তান্তৰিত কৰা বুলি বৈদেশিক মন্ত্ৰী এম চি চাগলাই লোকসভাক জানিবলৈ দিয়াৰ লগে লগে লোকসভাত হৈ-চৈ লাগে।

১৪ জুলাই ঃ ৰাজ্যৰ প্ৰথমখন সমবায় বিভাগীয় ভাণ্ডাৰ 'সহায়িকা' গুৱাহাটীত মুকলি কৰা হয়। ভাণ্ডাৰৰ আনুষ্ঠানিক

(৫) গুৱাহাটী বিশ্ববিদ্যালয় তথা ইয়াৰ অধীনত অন্যান্য শিক্ষানুষ্ঠানৰ শিক্ষণকে ধৰি সকলো শৈক্ষিক বিষয়ত বাংলা ভাষাৰ ব্যৱহাৰ।

(৬) অন্যান্য সকলো বিষয়তে, যিবোৰত মাননীয় ৰাষ্ট্ৰপতিয়ে বাংলা ভাষা প্ৰয়োগ হোৱাটো উচিত বুলি বিবেচনা কৰে।

সমিতিয়ে প্ৰদান কৰা এই স্মাৰকপত্ৰৰ পিচত কাছাৰ সংগ্ৰাম পৰিষদৰ নেতৃত্বত ভাষা আন্দোলন আৰম্ভ হয়। এই আন্দোলনৰ মূল বক্তব্য আছিল এয়ে যে কৃত্ৰিমভাৱে অসমীয়াক অসমত সংখ্যাগৰিষ্ঠ লোকৰ ভাষা বুলি কোৱা হৈছে। চহৰ অঞ্চলৰ অধিবাসীসকলৰ সমৰ্থনত গঢ় লৈ উঠা এই সংগঠনটোৱে বাংলা ভাষাকো অসমৰ ৰাজ্যভাষা হিচাপে স্বীকৃতি দিয়াৰ দাবী তুলিছিল। পৰিষদৰ এই দাবীৰ প্ৰতি শৰণাৰ্থীসকলেও সমৰ্থন ব্যক্ত কৰাৰ পিচত কৰিমগঞ্জক কেন্দ্ৰ কৰি (উল্লেখ্য যে এই কৰিমগঞ্জতে পূব পাকিস্তানৰ পৰা অহা সৰ্বাধিকসংখ্যক শৰণাৰ্থীয়ে বাহৰ পাতিছিল। বাংলা ভাষাক ৰাজ্যভাষা হিচাপে স্বীকৃতি দিব লাগে বুলি সংগ্ৰাম পৰিষদে উত্থাপন কৰা দাবীটোৰ সমৰ্থনত পৰিষদে মেল-মিটিং আদি অনুষ্ঠিত কৰিছিল আৰু আন্দোলনটোক এক সংগঠিত ৰূপ দিয়াৰ ক্ষেত্ৰত কাছাৰৰ কংগ্ৰেছীসকলে এক উল্লেখনীয় ভূমিকা লৈছিল) কাছাৰ জিলা গণ সংগ্ৰাম পৰিষদৰ জন্ম দি কংগ্ৰেছীসকলে অসম ৰাজ্যভাষা আইন, ১৯৬০ৰ বিৰোধিতা কৰা মঞ্চখনৰ সৃষ্টি কৰিছিল। কংগ্ৰেছৰ শীৰ্ষ নেতা তথা প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশক অৱজ্ঞা কৰি উপত্যকাটোৰ পৰা নিৰ্বাচিত বিধায়ক আৰু কংগ্ৰেছ সদস্যসকলে মুকলিভাৱে আইনখনৰ বিৰুদ্ধে থিয় দিছিলহি আৰু জন্ম দিছিল 'ভাষা আন্দোলন সমিতি'ৰ।

১৯৬১ চনৰ ১৯ মে'ৰ দিনা কাছাৰ সংগ্ৰাম পৰিষদে এক সৰ্বাত্মক ধৰ্মঘট আয়োজন কৰে। এই ধৰ্মঘটৰ লগতে সকলো চৰকাৰী কাৰ্যালয়ত পিকেটিং পালন কৰা হয় আৰু পৰিবহণ ব্যৱস্থা সম্পূৰ্ণ ৰূপে ব্যাহত হৈ পৰে। উক্ত দিনাখন আৰক্ষীৰ গুলীত শিলচৰত কেইবাজনো আন্দোলনকাৰী

উদ্বোধন কোনো বিশিষ্ট ব্যক্তি বা মন্ত্ৰীৰ দ্বাৰা নকৰি গ্ৰাহকৰ দ্বাৰা কৰোৱা হয়।

১৫ জুলাই ঃ শ্বিলঙত সামৰণি পৰা সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ দুদিনীয়া অধিৱেশনে অসমৰ পুনৰ গঠন সম্পৰ্কত গঠিত মেহতা কমিটী বৰ্জন কৰিবলৈ সিদ্ধান্ত লয়। সন্মিলনে প্ৰত্যক্ষ সংগ্ৰামৰ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত লয় যদিও পাৰ্বত্য লোকসকলক সুকীয়া ৰাজ্য বা ফেডাৰেল ভিত্তিত অসমৰ পুনৰ্গঠনৰ দাবী জনাবৰ বাবে আন্দোলন কৰিবলৈ আহ্বান কৰিলেই ওলাই আহিব পৰাকৈ সাজু থাকিবলৈ কয়।

১৬ জুলাই ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ অধিৱেশনত গৃহীত এটা প্ৰস্তাৱযোগে অসমৰ পুনৰ গঠন সমস্যা পাটস্কাৰ আয়োগৰ পৰামৰ্শৰ ভিত্তিতে সমাধান হ'ব লাগে বুলি মত প্ৰকাশ কৰা হয়। অসমৰ কাৰণে ফেডাৰেল গাঁথনি বা সুকীয়া পাৰ্বত্য ৰাজ্য কোনোটোৱেই মংগলজনক নহয় বুলি কমিটীয়ে মত দাঙি ধৰে।

২২ জুলাই ঃ বড়ো সাহিত্য সভাই ওদালগুৰিত হোৱা অধিৱেশনত ৰোমান লিপিক বড়ো ভাষাৰ বাবে গ্ৰহণ কৰে।

২৫ জুলাই ঃ দেশৰ আন ঠাইৰ লগতে গুৱাহাটীৰ জীৱন বীমা নিগমৰ কৰ্মচাৰীসকলে অটোমেচন ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি ২৪ ঘণ্টাজোৰা প্ৰতীক ধৰ্মঘট পালন কৰে।

১ আগষ্ট ঃ কোকৰাঝাৰ সংসদীয় আসনখনৰ বাবে হোৱা উপ-নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰূপনাথ ব্ৰহ্মই নিৰ্দলীয় অমৃতলাল বসুমতাৰীক ৩১,০৮০টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি পুনৰ নিৰ্বাচিত হয়।

৬ আগষ্ট ঃ অসম চৰকাৰে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে গোৱালপাৰাৰ পৰা উত্তৰ লক্ষীমপুৰলৈ ভূটান আৰু নেফা সংযোগী এলেকাবোৰৰ পৰা বিদেশী মিছনেৰীসকলক আঁতৰাই পঠোৱাৰ সিদ্ধান্ত লয়। অসমত থকা ২৯৯ বিদেশী মিছনেৰীৰ ভিতৰত ১৫০ গৰাকী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত আছে আৰু এওঁলোকক দিয়া থকাৰ অনুজ্ঞাপত্ৰসমূহ পুনৰ নবীকৰণ কৰা

নিহত আৰু ২১গৰাকী আহত হয়। পিচলৈ নিহতৰ সংখ্যা এঘাৰজনলৈ বৃদ্ধি পায়। পৰিস্থিতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰালৈ লক্ষ্য ৰাখি সামৰিক বাহিনী মোতায়েন কৰা হয় আৰু প্ৰায় এহেজাৰ লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। এই আন্দোলনে গোটেই সুৰমা উপত্যকাত প্ৰচণ্ড বিক্ষোভৰ জন্ম দিয়ে। জন বিক্ষোভৰ সমান্তৰালভাৱে কাছাৰৰ কংগ্ৰেছ দলৰ ৬জন বিধায়কে আৰক্ষীৰ গুলীবৰ্ষণ আৰু আন্দোলনকাৰীক নিপীড়ন কৰাৰ প্ৰতিবাদত বিধায়ক পদ ইস্তফা দিয়াত পৰিস্থিতিৰ আৰু অধিক অৱনতি ঘটিবলৈ ধৰে। ১৯ মে'ৰ গুলীবৰ্ষণৰ প্ৰতিবাদত ২৯ মে'ত সমগ্ৰ কাছাৰ জিলাতে ধৰ্মঘট পালন কৰা হয় আৰু আন্দোলনত পুলিচৰ গুলীবৰ্ষণত নিহত হোৱা ১১জন লোকৰ দেহভস্ম লৈ চহৰখনত সমদল বাহিৰ কৰা হয়। সংগ্ৰাম পৰিষদৰ মুখ্য নেতা পৰিতোষ পাল চৌধুৰীয়ে এই সমদলৰ নেতৃত্ব লয় আৰু যেতিয়ালৈ বাংলা ভাষাক ৰাজ্যভাষাৰ মৰ্যাদা দিয়া নহয় তেতিয়ালৈ আন্দোলন অব্যাহত থাকিব বুলি হুংকাৰ দিয়ে। এনে এক সন্ধিক্ষণত কংগ্ৰেছ হাইকমাণ্ডৰ এজন নেতাৰ জৰিয়তে বিষয়টোৰ ক্ষেত্ৰত এক আপোচলৈ অহাৰ বাবে পৰিকল্পনা কৰা হ'ল। কংগ্ৰেছ নেতৃবৃন্দই আগবঢ়োৱা এই প্ৰস্তাৱটোৰ সাকাৰ ৰূপ দিবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে এক ফৰ্মুলা প্ৰস্তুত কৰি উলিয়ায়। এই ফৰ্মুলাটোকে শাস্ত্ৰী ফৰ্মুলা বুলি জনা যায়।

শাস্ত্ৰী ফৰ্মুলাটোৰ মূল উদ্দেশ্য আছিল অসমৰ ভাষা সমস্যা তথা ৰাজ্যভাষা আইন আৰু কাছাৰৰ ভাষা আন্দোলনটোৰ পৰিপ্ৰেক্ষিতত এক সমাধানসূত্ৰ বাহিৰ কৰা। অসম চৰকাৰ, কাছাৰৰ কিছুসংখ্যক জনসাধাৰণ আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সৈতে আলোচনা কৰাৰ পিচত কেন্দ্ৰীয় গৃহ মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে এই ফৰ্মুলাটো প্ৰস্তুত কৰি উলিয়াইছিল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল এনে এক সমাধান উলিয়াবলৈ কেন্দ্ৰীয় মন্ত্ৰীজনে অসমৰ কোনো এটা জাতীয় অনুষ্ঠানৰ সৈতে আলোচনা কৰাৰ প্ৰয়োজন অনুভৱ নকৰিলে। অসম সাহিত্য সভাৰ নিচিনা অনুষ্ঠানক এই প্ৰক্ৰিয়াৰ পৰা

নহ'ব। জনজাতীয় লোকসকলৰ মাজত ভাৰতীয়ত্বৰ ভাবনা জাগ্ৰত কৰাত মিছনেৰীসকল ব্যৰ্থ হোৱা আৰু এইসকলৰ উপস্থিতি ৰাজ্যখনৰ স্বাৰ্থৰ পৰিপন্থী হোৱা বাবেই এনে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অসম চৰকাৰে আগবাঢ়িছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰে।

৭ আগষ্ট ঃ গোৱালপাৰা জিলাৰ অভয়াপুৰীত পূব পাকিস্তানৰ পৰা অহা ভগনীয়া আৰু স্থানীয় সংখ্যালঘু সম্প্ৰদায়ৰ খেতিয়কৰ মাজত হোৱা সংঘৰ্ষত এজন লোক নিহত আৰু কেইবাজনো আহত হয়। ভগনীয়াবোৰে স্থানীয় খেতিয়কবোৰৰ ঘৰতো জুই জ্বলাই দিয়ে।

১০ আগষ্ট ঃ নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত মণিপুৰৰ চূড়াচান্দপুৰ মহকুমাৰ গভীৰ অৰণ্যত ৬জন মিজো আৰু কুকি বিদ্ৰোহী নিহত হয়।

১৮ আগষ্ট ঃ অসমৰ পৰা নিৰ্বাচিত হোৱা কংগ্ৰেছী সাংসদসকলে কেন্দ্ৰীয় পৰিকল্পনা, পেট্ৰ'লিয়াম আৰু ৰসায়ন দপ্তৰৰ মন্ত্ৰী অশোক মেহতাৰ ওচৰত তিনিটা দাবী উত্থাপন কৰে। এই দাবীসমূহ হ'ল— নুনমাটি শোধনাগাৰৰ সম্প্ৰসাৰণ, ৰুদ্ৰসাগৰ আৰু লাকুৱাত পোৱা খাৰুৱা তেলৰ শোধনৰ বাবে দ্বিতীয় এক শোধনাগাৰৰ নিৰ্মাণ আৰু অসমত এক যথাযথ ৰাসায়নিক প্ৰকল্প গঢ়ি তোলা।

২৫ আগষ্ট ঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন চহৰত 'অসম কেৱল অসমীয়াৰ বাবে' আৰু 'স্বাধীন অসম' শীৰ্ষক পোষ্টাৰ পৰিলক্ষিত। গুৱাহাটীত প্ৰথমতে আৱিৰ্ভাৱ ঘটা বেনামী এই পোষ্টাৰবিলাকৰ এখনত অসম সদায় স্বাধীন আছিল বুলি কোৱা হৈছে আৰু অসমীয়াই পুনৰ স্বাধীনতা লাভ নকৰালৈ অসমীয়াৰ সংগ্ৰাম অব্যাহত থাকিব বুলি কোৱা হৈছে।

৩০ আগষ্ট ঃ অসমৰ পাৰ্বত্য জিলাকেইখনক স্বায়ত্তশাসিত ৰাজ্য হিচাপে গঠন কৰিবৰ বাবে অশোক মেহতা কমিটীয়ে আগবঢ়োৱা অনুমোদন সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে পোনপটীয়াভাৱে অগ্ৰাহ্য কৰিব বুলি দলৰ সাধাৰণ সম্পাদক

বাহিৰত ৰখাৰ বাবে স্বাভাৱিকতে ব্ৰহ্মপুত্ৰ উপত্যকাত এক বিক্ষোভৰ সৃষ্টি হোৱা দেখা গৈছিল। শাস্ত্ৰী ফৰ্মুলাটোৰ গুৰুত্বপূৰ্ণ সমাধানসূত্ৰবোৰ আছিল এনেধৰণৰ—

(ক) মহকুমা পৰিষদৰ বাবে থকা ব্যৱস্থাবোৰৰ নোহোৱা কৰিবলৈ ১৯৬০ চনৰ ৰাজ্যভাষা আইনখন সংশোধন কৰা।

(খ) ৰাজ্যৰ সদৰৰ সৈতে কাছাৰ তথা স্বায়ত্তশাসিত জিলাৰ যোগাযোগ ইংৰাজী ভাষাতে হ'ব আৰু যেতিয়ালৈকে এই স্থান হিন্দীয়ে পূৰণ নকৰে সেইপৰ্যন্ত এই ব্যৱস্থা বাহাল থাকিব।

(গ) ৰাজ্যিক পৰ্যায়ত অসমীয়াৰ লগতে ইংৰাজী ভাষাও ব্যৱহাৰ কৰা হ'ব।

(ঘ) ১৯৫৬ চনৰ ১৯ ছেপ্টেম্বৰত ভাৰত চৰকাৰৰ স্মাৰকপত্ৰত উল্লেখ কৰা ধৰণে ৰাজ্যখনৰ ভাষিক সংখ্যালঘুসকলক সুৰক্ষা প্ৰদান কৰা হ'ব।

(ঙ) ৰাজ্যভাষা আইনৰ ৩নং দফাৰ দ্বিতীয় উপবন্ধ অনুযায়ী সকলো আইন, বিধেয়ক, অধ্যাদেশ, বিনিময় (Regulation), আদেশ আদি চৰকাৰী ৰাজপত্ৰত অসমীয়া ভাষাত প্ৰকাশিত হ'লেও, সেইবোৰ সংবিধানৰ ৩৪৮নং অনুচ্ছেদ অনুযায়ী ইংৰাজী ভাষাতো প্ৰকাশ হৈ থাকিব।

শাস্ত্ৰী ফৰ্মুলাৰ জৰিয়তে এক সমাধান অনাৰ প্ৰয়াস কৰা হৈছিল যদিও বাস্তৱত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়, অসম চৰকাৰ, বিভিন্ন দল-সংগঠন আদিয়ে এই সমাধানৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান নকৰিলে। বৰঞ্চ বহুতে ইয়াক শাসকীয় কংগ্ৰেছ দলৰ এক নিৰ্বাচনকেন্দ্ৰিক ৰণকৌশল বুলিহে বিবেচনা কৰিলে। শাস্ত্ৰী ফৰ্মুলাই সংগ্ৰাম পৰিষদক সন্তুষ্ট কৰাৰ সলনি বিতুষ্টহে কৰিলে। ১৯৬১ চনৰ ৯ জুনত কৰিমগঞ্জত অনুষ্ঠিত পৰিষদৰ কাৰ্যকৰী সমিতিৰ সভাত শাস্ত্ৰী ফৰ্মুলাই মূল বিষয়টোক অগ্ৰাহ্য কৰা বুলি অভিমত প্ৰকাশ কৰা হ'ল। বাংলা ভাষাক ৰাজ্যখনৰ এক ৰাজ্যিক ভাষা হিচাপে

ষ্টেনলী নিকল্‌ছ ৰয়ে সাংবাদিকক জনায়।

৪ ছেপ্টেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই কলিকতাত কয় যে ৰাজ্য চৰকাৰখনে অসমৰ বিভিন্ন শিক্ষানুষ্ঠান আৰু চিকিৎসামূলক কেন্দ্ৰবোৰত কাম কৰি থকা বিদেশী মিছনেৰীসকলৰ ঠাইত যোগ্য ভাৰতীয় লোকক মকৰল কৰাৰ নীতি অনুসৰণ কৰিছে।

৬ ছেপ্টেম্বৰ ঃ উত্তৰ কাছাৰ জিলা পৰিষদে চৰ্তহীনভাৱে মেহতা কমিটীৰ পৰামৰ্শাৱলী গ্ৰহণ কৰা বুলি পৰিষদখনৰ মুখ্য কাৰ্যবাহী সদস্য এছ আৰ থাওছেনে শ্বিলঙত মত প্ৰকাশ কৰে।

১১ ছেপ্টেম্বৰ ঃ চৰকাৰৰ খাদ্যনীতিৰ প্ৰতিবাদত সমগ্ৰ ৰাজ্যতে ১২ ঘণ্টাজোৰা অসম বন্ধ পালন। অসম বন্ধৰ আহ্বান দিছিল সংযুক্ত আন্দোলন পৰিষদৰ পক্ষৰ পৰা ভাৰতৰ কমিউনিষ্ট পাৰ্টী, ভাৰতৰ কমিউনিষ্ট পাৰ্টী (মাৰ্ক্সিষ্ট), এছ ইউ চি, বিপ্লৱী কমিউনিষ্ট পাৰ্টী আৰু পি এছ পিয়ে। জনসংঘ আৰু এছ এছ পিয়ে এই বন্ধৰ প্ৰতি সহযোগিতা আগবঢ়োৱা নাছিল।

১৫ ছেপ্টেম্বৰ ঃ অসম মাটি অধিগ্ৰহণ আইন অবৈধ ঃ মুখ্য ন্যায়াধীশ কে এ ৰাঞ্চৰ সভাপতিত্বত উচ্চতম ন্যায়ালয়ৰ কনষ্টিটিউচন বেঞ্চৰ এখন বৈঠকত অসম উচ্চ ন্যায়ালয়ৰ এক সিদ্ধান্তক মানি লোৱা হয়। ১৯৫৫ চনৰ বান নিয়ন্ত্ৰণ আৰু খহনীয়া প্ৰতিৰোধৰ বাবে অসম ভূমি অধিগ্ৰহণ আইন (৬) সংবিধানবিৰোধী আৰু অবৈধ বুলি অসম উচ্চ ন্যায়ালয়ে ঘোষণা কৰিছিল আৰু উচ্চ ন্যায়ালয়ৰ এই ৰায়ৰ বিৰুদ্ধে অসমে উচ্চতম ন্যায়ালয়ত আপীল কৰিছিল। এই আপীল অগ্ৰাহ্য কৰি উচ্চতম ন্যায়ালয়ে কয় যে অবৈধ আইনৰ ভিত্তিত অধিগ্ৰহণ কাৰ্য বৈধ বুলি আইন প্ৰণয়ন কৰিবলৈ ৰাজ্য বিধানসভাৰ কোনো ক্ষমতা নাই।

১৮ ছেপ্টেম্বৰ ঃ তেজপুৰত বহিব লগা অসম সাহিত্য সভাৰ ৩৫সংখ্যক অধিৱেশনৰ সভাপতি পদৰ বাবে জ্ঞাননাথ বৰা নিৰ্বাচিত হয়।

২৫ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰ

স্বীকৃতি দিয়াৰ সলনি ফৰ্মুলাটোৱে ভাষাটোৰ অস্তিত্ব নস্যাৎহে কৰিলে বুলি পৰিষদে ক্ষোভ ব্যক্ত কৰিছিল। কৰিমগঞ্জ মহকুমাৰ কংগ্ৰেছ ভাষা আন্দোলন কমিটী, শিলচৰ ভাষা আন্দোলন সমিতি আদি সকলোৱে শাস্ত্ৰী ফৰ্মুলাক অগ্ৰাহ্য কৰিছিল আৰু তেওঁলোকৰ ন্যায্য দাবীটোক এই ব্যৱস্থাটোৱে পৰিহাৰ কৰা বুলি মত প্ৰকাশ কৰিছিল। কাছাৰৰ তিনিখন জিলা কংগ্ৰেছ কমিটীৰ ফালৰ পৰা শাস্ত্ৰী ফৰ্মুলাক নাকচ কৰা হৈছিল। কাছাৰ জিলা সংগ্ৰাম পৰিষদৰ নেতা পৰিতোষ পাল চৌধুৰীয়ে কৈছিল যে যেতিয়ালৈকে বাংলা ভাষাক ৰাজ্য ভাষাৰ মৰ্যাদা দিয়া নহ'ব তেতিয়ালৈকে পৰিষদৰ ফালৰ পৰা আন্দোলন অব্যাহত ৰখা হ'ব। এই সময়তে জয়প্ৰকাশ নাৰায়ণে উচটনিমূলকভাৱে মন্তব্য দিলে যে বাংলাভাষী জনগণে সংগ্ৰাম অব্যাহত ৰাখিব পাৰিলে হিন্দীৰ লগতে বাংলা ভাষায়ো সমমৰ্যাদা লাভ কৰিব পাৰিব। সন্দেহ নাই যে জয়প্ৰকাশ নাৰায়ণৰ মই মন্তব্যই পৰিস্থিতিৰ আৰু অধিক অৱনতি হোৱাত সহায়হে কৰিছিল।

বাংলাভাষীসকলৰ এই স্থিতিৰ সময়তে কাছাৰৰ আন্দোলনে এক নতুন গতি লাভ কৰিলে। কাছাৰৰ খিলঞ্জীয়া জনগোষ্ঠী, মুছলমান আৰু মণিপুৰীসকলে একগোট হৈ 'শান্তি পৰিষদ' নামৰ সংগঠন এটিৰ জন্ম দিলে আৰু সংগ্ৰাম পৰিষদৰ দাবীসমূহৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰিলে। গৃহ মন্ত্ৰীক প্ৰদান কৰা এখন স্মাৰকপত্ৰত শান্তি পৰিষদৰ ফালৰ পৰা কোৱা হ'ল যে অসমৰ একমাত্ৰ ৰাজ্যভাষা অসমীয়া হোৱা উচিত। শান্তি পৰিষদে উত্থাপন কৰা এই দাবীৰ সমৰ্থনত পৰিষদৰ ফালৰ পৰা কাছাৰৰ বিভিন্ন ঠাইত সভা-সমিতি, মিটিং আদিৰ আয়োজন চলিল। স্বাভাৱিকতে এনে এক পৰিস্থিতিয়ে হিংসাত্মক ৰূপ ধাৰণ কৰিলে। ১৯৬১ চনৰ ১৯ জুনত সংঘটিত হ'ল আটাইতকৈ দুৰ্ভাগ্যজনক ঘটনাটো। হাইলাকান্দিত পুলিচ বাহিনীৰ গুলীবৰ্ষণত ৫জন লোক নিহত আৰু ১০জন আহত হ'ল। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অসম চৰকাৰৰ ফালৰ পৰা সামৰিক বাহিনী মোতায়েন কৰিব

আৰু সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ প্ৰতিনিধিৰ মাজত হোৱা এদিনীয়া বৈঠকত অশোক মেহতা কমিটীৰ প্ৰস্তাৱৰ বিবেচনা স্থগিত ৰাখিবলৈ সিদ্ধান্ত লোৱা হয়। লগতে বৈঠকে অসমৰ পুনৰ গঠনৰ বিষয়ে সংসদত আলোচনা কৰিবলৈ একমত প্ৰকাশ কৰে।

২৭ ছেপ্টেম্বৰ ঃ অসম পুনৰ গঠন সমস্যাটো সন্দৰ্ভত অবাস্তৱ দৃষ্টিভংগী গ্ৰহণ কৰাৰ ফলত যদি ৰাজ্যখনত ব্যাপক পৰ্যায়ৰ অশান্তিয়ে দেখা দিয়ে তেনেহ'লে ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰ দায়ী হ'ব বুলি অসম চৰকাৰে সতৰ্কবাণী শুনায়। কেন্দ্ৰীয় চৰকাৰে অসমক অকল ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰাই নহয়, লগতে পৰ্যায়ক্ৰমে ৰাজ্যখনৰ সংহতি হানি কৰিবলৈ লৈছে বুলি অসম চৰকাৰে অভিযোগ উত্থাপন কৰে।

২৮ ছেপ্টেম্বৰ ঃ আলিপুৰদুৱাৰৰ ওচৰত ৪নং নামনিমুৱা অসম মেইল লাইনচ্যুত হোৱাত ১৪জন লোকে প্ৰাণ হেৰুৱায় আৰু ৩৮জন আহত হয়।

৫ অক্টোবৰ ঃ চাউল আৰু অন্যান্য নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ অনাটনৰ প্ৰতিবাদত ডিব্ৰুগড়ৰ ছাত্ৰসকলে হৰতাল পালন কৰাৰ সময়ত পৰিস্থিতি অশান্তিজনক হৈ উঠাত চহৰখনত ১৪৪ ধাৰা জাৰি।

৮ অক্টোবৰ ঃ কেন্দ্ৰীয় চৰকাৰে নেফাৰ পাঁচোখন জিলাক লৈ কেন্দ্ৰীয়শাসিত অঞ্চল গঠন কৰিবলৈ স্থিৰ কৰিছে। কামেং, সোৱণশিৰি, ছিয়াং, লোহিত আৰু টিৰাপ জিলাৰে গঠিত নেফাৰ ৰাজধানী প্ৰতিষ্ঠাৰ বাবে ঠাই নিৰ্বাচন কৰিবলৈ এখন কমিটী গঠন কৰি দিয়া হৈছে। উল্লেখ্য যে ১৯৬৪ চনত নেফাত স্বায়ত্ত শাসনৰ মৰ্যাদা দিয়া সম্পৰ্কে বিবেচনা কৰিবলৈ গঠিত কমিটীৰ চেয়াৰমেন দাহী ইৰিঙে ১৯৬৫ চনৰ জানুৱাৰী মাহত প্ৰতিবেদন দাখিল কৰে। এই কমিটীয়ে এজেঞ্চী পৰ্যায়ত আৰু জিলা পৰ্যায়ত উপদেষ্টা পৰিষদ গঠনৰ পৰামৰ্শ দিয়ে।

১৬ অক্টোবৰ ঃ সমবায় বিভাগৰ মন্ত্ৰী লক্ষ্মীপ্ৰসাদ গোস্বামীয়ে 'অসম ৰাইজ' নামৰ সাপ্তাহিক অসমীয়া কাকত এখন উদ্বোধন কৰে। কাকতখনৰ সম্পাদক হৈছে দেৱেন্দ্ৰ নাথ শৰ্মা।

লগা হ'ল। অশান্তিময় পৰিৱেশৰ ধাৰাবাহিকতালৈ লক্ষ্য ৰাখি ১৯৬১ চনৰ ২১ ছেপ্টেম্বৰপৰ্যন্ত সমগ্ৰ কাছাৰ জিলাখনকে অশান্তজৰ্জৰ এলেকা বুলি ঘোষণা কৰা হ'ল।

১৯৬১ চনৰ ২৪ ছেপ্টেম্বৰত অসম চৰকাৰী ভাষা আইনখনৰ সংশোধনৰ বাবে অনা খচৰা বিধেয়কখনক কেবিনেটে অনুমোদন জনায়। এই সংশোধন শাস্ত্ৰী ফৰ্মুলাৰ সৈতে সংগতি ৰাখি কৰিব বিচৰা হৈছিল। আইনখনৰ ৫নং অনুচ্ছেদৰ মহকুমা পৰিষদ বিষয়ক উপবন্ধবোৰ নোহোৱা কৰি এই সংশোধন অনা হৈছিল।

অসম চৰকাৰে আনিব বিচৰা এই সংশোধনীক লৈ আটাইতকৈ তাৎক্ষণিক আৰু বৃহৎ অসন্তুষ্টি প্ৰকাশ কৰিছিল অসম সাহিত্য সভাৰ ফালৰ পৰা। কেন্দ্ৰীয় গৃহ মন্ত্ৰীলৈ প্ৰেৰণ কৰা এখন স্মাৰকপত্ৰত সাহিত্য সভাই কৈছিল যে অসমৰ একমাত্ৰ ৰাজ্যিক চৰকাৰী ভাষা হিচাপে অসমীয়া ভাষাই যথাযথভাৱে স্বীকৃতি পাব লাগে আৰু ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইনে তাক আংশিকভাৱেহে পূৰণ কৰিছে। যদিহে এই আইনখনৰ পুনৰ সংশোধন কৰা হয় তেন্তে অসমীয়া ভাষাৰ প্ৰতি বৃহৎ অন্যায় কৰা হ'ব। হৰেশ্বৰ গোস্বামীৰ দৰে ৰাজনীতিকে এনে সংশোধনীক সংবিধানবিৰোধী বুলি অভিহিত কৰিছিল। ইয়াৰ বিপৰীতে প্ৰখ্যাত বাঁওপন্থী নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই সংশোধনী প্ৰক্ৰিয়াক স্বাগতম জনাই আশা কৰিছিল যে অসমত অসমীয়া ভাষাই পূৰ্ণ পৰ্যায়ৰ চৰকাৰী ভাষা হিচাপে আইনগত বৈধতা লাভ কৰিব পাৰিব। কাছাৰ সংগ্ৰাম পৰিষদে নিজৰ আন্দোলন অব্যাহত ৰাখিছিল যদিও অৱশেষত ৰাজ্যৰ বিধান মণ্ডলীয়ে শাস্ত্ৰীয়ে আগবঢ়োৱা অনুমোদনসমূহ মানি লয় আৰু ১৯৬১ চনৰ ৭ অক্টোবৰত ভাষা আইনখনৰ সংশোধনী বিধেয়কখন বিধানসভাত গৃহীত হয়।

ভাষা আন্দোলনক কেন্দ্ৰ কৰি অসমৰ ৰাজনৈতিক দলসমূহৰ মাজতো আভ্যন্তৰীণ দ্বন্দ্ব, খাম-খেয়ালি আদি দেখা গৈছিল। ভাৰতৰ জাতীয় কংগ্ৰেছে

• বিশ্ব গিৰ্জা পৰিষদৰ উপ-সভাপতি ড° জে আৰ চন্দ্ৰনে শ্বিলঙত ঘোষণা কৰে যে মিজো পাহাৰ আৰু নাগালেণ্ড ভাৰতৰ অবিচ্ছেদ্য অংগ আৰু সেইবাবে এইবোৰ অঞ্চলত স্বাধীনতাৰ বাবে হোৱা আন্দোলনত পৰিষদে সমৰ্থন জনাব নোৱাৰে।

১৭ অক্টোবৰ ঃ শ্বিলঙৰ অসম সচিবালয়ত আজি নিশা ১০.৩০ বজাত এক বিস্ফোৰণ ঘটাত তলৰ মহলা আৰু দ্বিতীয় মহলাৰ ৪৫খন খিৰিকীৰ আইনা চূৰ্ণ-বিচূৰ্ণ হৈ যায়। পশ্চাদঘাতী কোনো দুৰ্বৃত্তৰ দ্বাৰা ঘটা এই বিস্ফোৰণত কোনো লোক হতাহত নহ'ল। অসমৰ পুনৰ গঠন সম্পৰ্কীয় সমস্যাৰ সৈতে এই ঘটনাৰ এক সম্পৰ্ক থকা বুলি এচামে সন্দেহ কৰাৰ লগতে এচামে এই ঘটনাত মিজো দুৰ্বৃত্ত জড়িত থাকিব পাৰে বুলি সন্দেহ প্ৰকাশ কৰিছে।

২০ অক্টোবৰ ঃ যোৰহাটত খাদ্যৰ দাবী সন্দৰ্ভত তিনিজন লোকৰ অনশন ধৰ্মঘট আৰু পুলিচে লাঠীচালনা কৰা বিষয়টোৰ ওপৰত বিধানসভাত বিৰোধী সদস্যসকলে আগবঢ়োৱা দুটা সভাস্থগিত প্ৰস্তাৱ অধ্যক্ষই নামঞ্জুৰ কৰে।

২৬ অক্টোবৰ ঃ উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ বিৰুদ্ধে উত্থাপিত বিশেষাধিকাৰ প্ৰস্তাৱত অসম বিধানসভাৰ অধ্যক্ষৰ ৰুলিং স্থগিত। অসম আৰু নাগালেণ্ডৰ উচ্চ ন্যায়ালয়ৰ ৰেজিষ্ট্ৰাৰৰ বিৰুদ্ধে তোলা এটা বিশেষাধিকাৰ প্ৰস্তাৱৰ ক্ষেত্ৰত অধ্যক্ষই তেওঁৰ ৰুলিং আগৰ সপ্তাহলৈ স্থগিত ৰাখে। কমিউনিষ্ট সদস্য গোবিন্দ কলিতাই তোলা এই প্ৰস্তাৱটোত কোৱা হয় যে ১৯৫০ চনৰ ভাষা আইনত (অসমৰ চৰকাৰী ভাষা) থকা ব্যৱস্থা সত্ত্বেও মুখ্য ন্যায়াধীশৰ নিৰ্দেশানুক্ৰমে ৰেজিষ্ট্ৰাৰে অসমৰ জিলা আৰু ছেছন জজ্‌সকললৈ ন্যায়ালয়ৰ সকলো আদেশ (চূড়ান্ত বা তাৰ আগৰ ডিক্ৰী) বিচাৰৰ ৰায় ডিক্ৰী আদি ইংৰাজীতে লিখা হ'ব লাগিব বুলি নিৰ্দেশ দিয়ে। কলিতাই কয় যে এনে নিৰ্দেশে সদনৰ মৰ্যাদা ক্ষুণ্ণ কৰিছে, কিয়নো সদনে প্ৰণয়ন কৰা বিধিক 'আওকাণ' কৰিবলৈ এই নিৰ্দেশে বিচাৰ বিভাগীয় বিষয়াসকলক সুবিধা কৰি দিছে। এই

ইয়াৰ সৰ্বভাৰতীয় নীতিক সাৰোগত কৰি অসমীয়া ভাষাই সাংবিধানিক মৰ্যাদা লাভ কৰিব লাগে বুলি মতামত ব্যক্ত কৰিছিল, আৰু এই কাম সহযোগিতা আৰু পাৰস্পৰিক বুজাপৰাৰ মাজেৰে হ'ব লাগে বুলি মত দোহাৰিছিল।

প্ৰজা ছচিয়েলিষ্ট পাৰ্টীৰ (PSP) ফালৰ পৰা কোনো সৰ্বভাৰতীয় নীতি গ্ৰহণ কৰা হোৱা নাছিল। অথচ একে সময়তে ৰাজ্যিক কমিটীবোৰে নিজাববীয়া স্থিতি লৈছিল। অসমৰ ক্ষেত্ৰত পি এছ পিয়ে সক্ৰিয় ভূমিকা গ্ৰহণ কৰা দেখা গৈছিল আৰু ইয়াকে লৈ ৰাজ্যখনৰ পি এছ পি দুটা গোটত বিভক্ত হৈ পৰিছিল। অসমীয়া মানুহে বাংলা ভাষাৰ আগ্ৰাসনক লৈ যি শংকাত ভুগিছিল তাক যথাযথ বুলি কৈ দলটোৱে ভাষা আন্দোলনৰ নেতৃত্ব লৈছিল। ইয়াকে লৈ কাছাৰ পি এছ পিৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ পি এছ পি নেতাসকলৰ তীব্ৰ দ্বন্দ্ব লাগিছিল। ফলত কাছাৰ পি এছ পিৰ প্ৰায় সকলো সদস্যই দল ত্যাগ কৰিছিল। হৰেশ্বৰ গোস্বামীয়ে (যি অসম ৰাজ্যিক কমিটীৰ সভাপতি আছিল) মুকলিভাৱে অসমীয়া ভাষাৰ হকে মাত মতাৰ বিপৰীতে বংগ পি এছ পিৰ ড° ঘোষে অসম চৰকাৰ আৰু অসমীয়াৰ বিৰুদ্ধে থিয় দিছিলহি তথা কাছাৰ সংগ্ৰাম পৰিষদৰ আন্দোলনক উচটাইছিল।

ছচিয়েলিষ্ট পাৰ্টীয়ে অসমৰ দ্বিতীয়টো চৰকাৰী ভাষা হিচাপে বাংলা ভাষাক স্বীকৃতি দিয়াটো বিচাৰিছিল। জয়প্ৰকাশ নাৰায়ণে মুকলিভাৱে সংগ্ৰাম পৰিষদৰ দাবীক সমৰ্থন জনাই অসমত বাংলা ভাষাক দ্বিতীয়টো চৰকাৰী ভাষাৰ মৰ্যাদা দিব লাগে বুলি কৈছিল।

ভাষাক লৈ হোৱা সমস্যাটোৰ ক্ষেত্ৰত কমিউনিষ্ট দলৰ স্থিতি আছিল এয়ে যে অসমীয়া ভাষাক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়াক লৈ কোনো ধৰণৰ জোৰ-জবৰদস্তি হ'ব নালাগে। পাহাৰীয়া ভাষিক সংখ্যালঘু আৰু কাছাৰৰ লোকসকলে যাতে ইয়াক এক আৰোপ বুলি গণ্য নকৰে তাক লৈ অসম চৰকাৰ সতৰ্ক হ'ব লাগে। ১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনত কমিউনিষ্ট দলে অসমত চাৰিখন আসন লাভ কৰিছিল আৰু ইয়াৰে তিনিখন আসনেই

নির্দেশ সদন আৰু লগতে অসমৰ ৰাইজৰ কাৰণে মৰ্যাদা হানিকৰ আৰু সেয়ে বিশেষাধিকাৰ ভংগৰ অভিযোগ তোলাৰ এয়া এক যথোপযুক্ত ক্ষেত্ৰ বুলি কলিতাই মত দোহাৰে।

২৭ অক্টোবৰ ঃ গোবিন্দ কলিতাই বিশেষাধিকাৰ ভংগৰ বাবে তোলা প্ৰস্তাৱত ৰুলিং দি অধ্যক্ষ হৰেশ্বৰ গোস্বামীয়ে এই প্ৰস্তাৱ নাকচ কৰে। অধ্যক্ষই কয় যে সদনৰ কোনো সদস্যই বিশেষাধিকাৰ ভংগৰ প্ৰস্তাৱ উত্থাপন কৰোঁতে অতি সতৰ্ক হ'ব লাগে আৰু বিশেষাধিকাৰ যে ভংগ হৈছে সেই বিষয়ে সদনে নিশ্চিতভাৱে পতিয়ন যাব লাগে। গোস্বামীয়ে কয় যে কাৰ্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰাৰ পিচৰ পৰা উচ্চ ন্যায়ালয়ৰ অধীনৰ আদালত আৰু ন্যায়াধিকৰণসমূহৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰেই সম্পূৰ্ণ ক্ষমতা আছে আৰু কি ভাষা ব্যৱহাৰ কৰা হ'ব সেই বিষয়ে নির্দেশ দিবলৈ ইয়াৰ অধিকাৰ আছে। এই সম্পৰ্কত সংবিধানৰ ৩৪৮ ছেদটো আওকাণ কৰিব পৰা নাযায়।

৩১ অক্টোবৰ ঃ ভাৰত আৰু পাকিস্তান উভয় দেশৰে ভূমি অভিলেখ বিভাগৰ সঞ্চালক আৰু জৰীপ বিভাগীয় উপ-সঞ্চালকৰ যুটীয়া পৰিদৰ্শনেৰে অসম আৰু পূব পাকিস্তানৰ মাজৰ সীমা নিৰ্ধাৰণ কৰিবলৈ সিদ্ধান্ত লৈ শ্বিলঙত অনুষ্ঠিত ভাৰত-পাক জৰীপ বিষয়াসকলৰ দুদিনীয়া সন্মিলনৰ সামৰণি পৰে।

৮ নৱেম্বৰ ঃ অসম বিধানসভাত চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিবলৈ অধ্যক্ষ হৰেশ্বৰ গোস্বামীয়ে সন্মতি দান কৰে। প্ৰস্তাৱটো আগবঢ়ায় সংযুক্ত বিধায়িনী দলৰ দলপতি গৌৰীশংকৰ ভট্টাচাৰ্যই আৰু আন ৩০জন বিৰোধী সদস্যই তাত সমৰ্থন দিয়ে। ৮ নৱেম্বৰত অনাস্থা প্ৰস্তাৱৰ ওপৰত হোৱা আলোচনাত কমিউনিষ্ট নেতা ফণী বৰাই চৰকাৰে ৰাজ্যখনত বিশৃংখলতা আৰু বিভ্ৰান্তিৰ সৃষ্টি কৰা বুলি অভিযোগ তোলে। বৰাই কয় যে চৰকাৰক ওফৰাবলৈ আৰু তাৰ ঠাইত বিৰোধী দলক প্ৰতিষ্ঠা কৰিবলৈ বিৰোধী দলে লোৱা মনোভাব সুস্পষ্ট। তেওঁ অভিযোগ কৰে যে কংগ্ৰেছৰ কুৰি বছৰীয়া

আছিল বাংলা অধ্যুষিত এলেকাত। সেইবাবে পাৰ্টীয়ে ভোটৰ স্বাৰ্থতে এক মধ্যম পন্থা ল'বলৈ বাধ্য হৈছিল। ১৯৬০ চনৰ শেষৰ ফালে যেতিয়া অসমীয়া ভাষাৰ দাবীটো জোৰদাৰ হৈ পৰিল তেতিয়া পাৰ্টীয়ে আন্দোলনৰ প্ৰতি সমৰ্থন জনালে। ইয়াতে বিক্ষুব্ধ হৈ নীলমণি বৰঠাকুৰে কমিউনিষ্ট দল ত্যাগ কৰে। চি পি আইৰ আন এগৰাকী নেতা অচিন্ত্য কুমাৰ ভট্টাচাৰ্যই কাছাৰ সংগ্ৰাম পৰিষদৰ আন্দোলনৰ সৈতে মুকলিকৈ জড়িত হৈ পৰিছিল।

১৯৬০ চনৰ ভাষা আন্দোলনটোক কেন্দ্ৰ কৰি প্ৰায় আটাইকেইটা ৰাজনৈতিক দলেই ভোটকেন্দ্ৰিক ৰাজনীতিৰ খেল খেলাটো পৰিলক্ষিত হৈছিল। অসমীয়া বা বঙালী মধ্যবিত্তৰ সমৰ্থন লাভৰ চেষ্টা খুব দৃষ্টিকটুভাৱে ৰাজনৈতিক দলসমূহে অনুশীলন কৰিছিল। পৰৱৰ্তী সময়ত ভাষাভিত্তিক আধিপত্যৰ বাবেই অসমৰ পাহাৰৰ জনগোষ্ঠীবোৰে সুকীয়া ৰাজ্যৰ দাবী জোৰদাৰ কৰিছিল বুলি এচামে প্ৰচাৰ চলাইছিল যদিও দেখা যায় যে ভাষিক বা জাতিগত আধিপত্যৰ উপৰি পাহাৰীয়া জনগোষ্ঠীবোৰৰ মাজত ক্ৰমান্বয়ে গঢ় লৈ উঠা শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৰ উত্থানেও বিচ্ছিন্নতাবাদী আন্দোলনত মূল সাৰ-পানী যোগাইছিল। তথাপি ষাঠিৰ দশকৰ এই ভাষা আন্দোলনটোৱে পিচৰ দশকসমূহত ঘটা বহুতো সামাজিক-ৰাজনৈতিক পৰিঘটনাক প্ৰভাৱিত কৰিছিল বুলি ক'ব পৰা যায়।

শাসনে দেশক দেৱলীয়া অৱস্থা আৰু দাৰিদ্ৰ্যৰ মুখলৈ ঠেলি দিছে। এই আলোচনা কালত বিৰোধী পক্ষৰ বিভিন্ন সদস্যই চৰকাৰী পক্ষক তীব্ৰ ভাষাৰে সমালোচনা কৰে। অৱশেষত ৯ নৱেম্বৰত অনাস্থা প্ৰস্তাৱ ৬২-৩৮ ভোটত বাতিল হয়।

৯ নৱেম্বৰ ঃ অক্টোবৰ বিপ্লৱৰ ৫০সংখ্যক বাৰ্ষিকী উপলক্ষে ভাৰতত অনুষ্ঠিত উজবেক সাংস্কৃতিক উৎসৱত যোগ দিবলৈ আহি গুৱাহাটীত উপস্থিত হোৱা ১৬জনীয়া উজবেক শিল্পীৰ দলটোক গুৱাহাটীত বিপুল সম্বৰ্ধনা জনোৱা হয়।

১১ নৱেম্বৰ ঃ ভাৰতীয় নিৰাপত্তা বাহিনীৰ হাতত বিদ্ৰোহী মিজোৰ সাতজন লোক নিহত হয় আৰু আন সাতজনক বন্দী কৰা হয়।

১৫ নৱেম্বৰ ঃ ৰঙিয়াৰ ওচৰৰ সূতাৰকুছিত উত্তৰ ট্ৰাংক ৰোডৰ ওপৰত হোৱা এটা গুৰুতৰ পথ দুৰ্ঘটনাত ১৬জন লোক নিহত আৰু ২৬জন আহত হয়। ৫০জন লোক কঢ়িয়াই নিয়া এখন সামৰিক ভানে এখন তেলবাহী টেংকাৰত খুন্দা মৰাত এই দুৰ্ঘটনাটো ঘটে।

১৭ নৱেম্বৰ ঃ অসমৰ পাৰ্বত্য অঞ্চলৰ ৫জন এম এল এই দিল্লীত প্ৰকাশ কৰা এক যুটীয়া বিবৃতিযোগে অসমৰ পুনৰ গঠনৰ ক্ষেত্ৰত অশোক মেহতা কমিটীয়ে আগবঢ়োৱা পৰামৰ্শাৱলীক মুঠেও পলম নকৰি কাৰ্যকৰী কৰিব লাগে বুলি দাবী জনায়। অসম পুনৰ গঠন প্ৰশ্নটোলৈ কেন্দ্ৰীয় নেতৃবৰ্গৰ লগত আলোচনা কৰা এই এম এল এ পাঁচজন হৈছে— ডি আৰ ৰংপি, (মিকিৰ পাহাৰ জিলা পৰিষদৰ মুখ্য কাৰ্যনিৰ্বাহক সদস্য), এছ আৰ থাওছেন (উত্তৰ কাছাৰ জিলা পৰিষদৰ মুখ্য কাৰ্যনিৰ্বাহক বিষয়া), এ থাংলুৰা (মিজো জিলা), এছ এছ তেৰাং (মিকিৰ পাহাৰ) আৰু ছত্ৰছিং টেৰণ (মিকিৰ পাহাৰ)।

১৮ নৱেম্বৰ ঃ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ গুৱাহাটীৰ উজানবজাৰৰ নিজ বাসভৱনত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯০ বছৰ।

২৯ নৱেম্বৰ ঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা কেৱল অসমৰ পাৰ্বত্য অঞ্চলেই

সদৌ অসম ছাত্ৰ সন্থা

ঐতিহাসিক পটভূমি

সমাজৰ শিক্ষিত চামৰ মাজত সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক বা অন্যান্য সংগঠন গঢ়াৰ পৰিৱেশ নৱজাগৰণৰ পিচৰ সময়ছোৱাত ইউৰোপত বিভিন্ন ধৰণে গঢ় লৈ উঠিছিল আৰু এনে এক প্ৰেক্ষাপটতে জাৰ্মানী, ফ্ৰান্স, ইংলেণ্ড আদি দেশসমূহত বিভিন্ন অনুষ্ঠানে আত্মপ্ৰকাশ কৰিছিল। ভাৰতবৰ্ষত যিবোৰ সামাজিক সংগঠন আছিল তাৰ চৰিত্ৰ আছিল সম্পূৰ্ণৰূপে ধৰ্মৰ ওপৰত প্ৰতিষ্ঠাপিত। পশ্চিমীয়া শিক্ষা আৰু ৰাজনীতি ভাৰতবৰ্ষৰ মাটিলৈ সম্প্ৰসাৰিত হোৱাৰ পিচতহে অন্যান্য সামাজিক-ৰাজনৈতিক

নহয়, লগতে কাছাৰো বেলেগ হৈ যোৱাটো সংসদৰ স্বতন্ত্ৰ দলে বিচাৰে বুলি দলটোৰ সভাপতি এন জি ৰংগই গৃহ মন্ত্ৰী ৰাই চৱনলৈ পত্ৰ প্ৰেৰণ কৰে।

৪ ডিচেম্বৰ ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যনিৰ্বাহক সমিতিয়ে অসমৰ অখণ্ডতাৰ প্ৰতি ভাবুকি স্বৰূপ সকলোধৰণৰ আঁচনিৰ বিৰুদ্ধে থিয় দিব বুলি মত প্ৰকাশ কৰে লগতে কমিটীয়ে পাহাৰীয়া লোকৰ আশা-আকাংক্ষাৰ সফল ৰূপায়ণৰ বাবে সৰ্বোচ্চ পৰিমাণৰ আঞ্চলিক স্বায়ত্ত শাসন দিয়াৰ পোষকতা কৰে।

১৭ ডিচেম্বৰ ঃ মিজো বিদ্ৰোহীসকলৰ সৈতে সহযোগ নকৰাৰ প্ৰতিশোধত বিদ্ৰোহীয়ে মিজো পাহাৰৰ বুংটলা গাঁৱৰ আটাইবোৰ ঘৰ জ্বলাই দিয়ে।

২৪ ডিচেম্বৰ ঃ মিকিৰ জিলা পৰিষদৰ শীতকালীন অধিৱেশনত পৰিষদে সৰ্বসন্মতিক্ৰমে ফেডাৰেল ভিত্তিতে হওক অথবা সুকীয়া ৰাজ্য গঠনৰ ভিত্তিতে হওক অসম পুনৰ গঠনৰ বিৰোধিতা কৰে।

২৫ ডিচেম্বৰ ঃ গুৱাহাটীত অনুষ্ঠিত সৰ্বভাৰতীয় বিজ্ঞান শিক্ষক সংঘৰ বাৰ্ষিক সন্মিলনীৰ কৃষ্ণণ মেম'ৰিয়েল বক্তৃতা প্ৰদান কৰি পৰিকল্পনা আয়োগৰ সদস্য ড° বি ডি নাগ চৌধুৰীয়ে অসমক জনমূৰি ভিত্তিত সৰ্বোচ্চ সম্পদ থকা দুখীয়া ৰাজ্য হিচাপে অভিহিত কৰে।

২৮ ডিচেম্বৰ ঃ অসম সংসদী সদস্য আৰু বিধানসভাৰ সদস্যসকলৰ দ্বাৰা গঠিত এক যৌথ প্ৰতিনিধি দলৰ আগত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে মেহতা কমিটীৰ অনুমোদনে অসমৰ পাহাৰীয়া সমস্যা সমাধান কৰিব নোৱাৰিব বুলি মত ব্যক্ত কৰে। যিহেতু এই কমিটীত পাহাৰীয়া নেতাসকলে যোগদান কৰা নাছিল সেয়েহে কমিটীৰ অনুমোদনবোৰ ফলপ্ৰসূ নহ'ব বুলি তেওঁ প্ৰতিনিধি দলটোক জানিবলৈ দিয়ে।

সংগঠনসমূহে বিকাশ লাভ কৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছ, বাঁওপন্থী দল আদিৰ উত্থান ঘটিছিল এই পৰিৱৰ্তিত সামাজিক-ৰাজনৈতিক পটভূমিত। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল উনবিংশ আৰু বিংশ শতিকাৰ সৰহভাগ ৰাজনৈতিক, সামাজিক অথবা সাংস্কৃতিক অনুষ্ঠানৰ গুৰি ধৰিছিল নব্য শিক্ষিত ছাত্ৰসকলে। ভাৰতীয় জাতীয়তাবাদৰ শ্ৰীবৃদ্ধি ঘটোৱা তথা আঞ্চলিক পৰ্যায়ত ভাষিক জাতীয়তাবাদ সংঘবদ্ধ কৰাৰ ক্ষেত্ৰতো ছাত্ৰসকলেই মূল কাণ্ডাৰীৰ ভূমিকা গ্ৰহণ কৰিছিল।

অসমৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বাবে কলিকতালৈ গৈছিল সেইসকলক বংগীয় নৱজাগৰণৰ বতাহজাকে ভালদৰে প্ৰভাৱিত কৰিছিল। পশ্চিমীয়া গণতান্ত্ৰিক ভাবধাৰা আৰু শিক্ষা ব্যৱস্থাটোৱে বংগৰ শিক্ষিত চামটোক প্ৰাচীন পৰম্পৰা, কুসংস্কাৰ আদিৰ পৰা মুক্ত কৰি এক উদাৰ সমাজ গঢ়াৰ বাবে অনুপ্ৰাণিত কৰিছিল। একেদৰে এই প্ৰভাৱৰ ফলতে বংগত ভাষিক জাতীয়তাবাদৰ এক প্ৰাচুৰ্যময় উত্তৰণৰ অংকুৰণ ঘটিছিল। শিল্প-সাহিত্য আদি সকলোতে সেই জাগৰণৰ প্ৰভাৱ পৰিছিল। ইয়াৰ লগতে সম্পূৰ্ণৰূপে পশ্চিমীয়া সংস্কৃতি-দৰ্শনত উটি-ভাহি নগৈ ভাৰতীয় দৰ্শন-ঐতিহ্যৰ সৈতে পশ্চিমীয়া দৰ্শন-সংস্কৃতিৰ এক সমন্বয় সৃষ্টিৰেও এচামে নতুন সমাজ গঢ়াৰ সোপান ৰচিছিল। ১৮৬৯ চনত কলিকতাত অধ্যয়নৰত অসমৰ ছাত্ৰসকলে 'টী ক্লাব' (Tea Club) নামৰ এটি অনুষ্ঠানৰ জন্ম দিয়ে। নিজৰ ভাষা আৰু সাহিত্যৰ পশ্চাদপদ ৰূপটি অনুধাৱন কৰি এইসকল ছাত্ৰই ১৮৭২ চনত কলিকতাত 'অসমীয়া ছাত্ৰৰ সাহিত্য সভা' শীৰ্ষক এটা অনুষ্ঠান গঢ়ি তোলে। তদানীন্তন ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড মেয়োৰ মৃত্যুত শোকসভা অনুষ্ঠিত কৰি এই অনুষ্ঠানে নিজৰ যাত্ৰা আৰম্ভ কৰিছিল। ইয়াৰ পিচতে ১৮৮৮ চনৰ ২৫ আগষ্টত 'টী ক্লাব'ৰ সদস্যসকলৰ তৎপৰতাত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' শীৰ্ষক অনুষ্ঠানটোৰ জন্ম হয়। এই সংগঠন প্ৰতিষ্ঠাত গুৰিব'ঠা ধৰিছিল

১৯৬৮

১ জানুৱাৰী ঃ গুৱাহাটীৰ চিটী বাছত মহিলাৰ কাৰণে আসন সংৰক্ষণৰ ব্যৱস্থা আৰম্ভ। এতিয়াৰে পৰা প্ৰত্যেকখন চিটী বাছত মহিলাৰ বাবে ৮ খনকৈ আসন ৰখাৰ ব্যৱস্থা।

৭ জানুৱাৰী ঃ অসম পুনৰ গঠনৰ বিৰুদ্ধে সৰ্বদলীয় ভিত্তিত আন্দোলন গঢ়ি তোলাৰ বাবে 'ফেডাৰেল অসম গঠন বিৰোধী কৰ্ম পৰিষদ'ৰ বৈঠকত সিদ্ধান্ত লোৱা হয়।

১০ জানুৱাৰী ঃ লালবাহাদুৰ নগৰত অনুষ্ঠিত কংগ্ৰেছৰ ৭১সংখ্যক পূৰ্ণাংগ অধিৱেশনত অসম প্ৰদেশ কংগ্ৰেছ নেতৃবৃন্দই কংগ্ৰেছ সভাপতি এছ নিজলিংগপাক লগ ধৰে আৰু ৰাজ্য পুনৰ গঠন সমস্যাৰ এক পাৰস্পৰিক সন্মতিসূচক সমাধান উলিয়াবলৈ আৱেদন জনায়।

১৭ জানুৱাৰী ঃ কাহিলিপাৰাত ভাৰতৰ প্ৰথম চৰকাৰী ষ্টুডিঅ'ৰ উদ্বোধন ঃ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১৭সংখ্যক মৃত্যু দিৱসৰ পুৱা গুৱাহাটীৰ কাহিলিপাৰাত ১৫ লাখ টকা ব্যয়ৰে অসমৰ সৰ্বপ্ৰথম কথাছবি ষ্টুডিঅ' আৰু দেশৰ ভিতৰতে প্ৰথম চৰকাৰী খণ্ডৰ ষ্টুডিঅ'টো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই ষ্টুডিঅ' মুকলি কৰি কয় যে শিল্পীসকলে কথাছবিৰ মাধ্যমেৰে তেওঁলোকৰ কথা-শিল্প আৰু সংগীত সৃষ্টিৰে অসমবাসীৰ মাজত ঠাই পোৱা প্ৰতিক্ৰিয়াশীল বিভেদকামী শক্তিক মষিমূৰ কৰিব লাগিব। ৰূপকোঁৱৰৰ 'মোৰে ভাৰতৰে' গীতটিৰে উদ্বোধনী অনুষ্ঠানৰ পাতনি মেলা হয়। ৰাজ্য চৰকাৰৰ তথ্য আৰু প্ৰচাৰ বিভাগে 'ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা' ৰচিত প্ৰসিদ্ধ 'ভদৰী' গল্পৰ আলমত নিৰ্মাণ কৰিবলৈ লোৱা চুটি কাহিনী চিত্ৰৰ শুভমহুৰৎ উক্ত অনুষ্ঠানত উদ্বোধনী কৰা হয়। অনুষ্ঠানত ড° ভূপেন হাজৰিকা, সৰ্বেশ্বৰ চক্ৰৱৰ্তী, গিৰীশ চৌধুৰী, ফণী শৰ্মা আদি প্ৰথিতযশা ব্যক্তিয়ে নিজস্ব মত ব্যক্ত কৰে।

১৯ জানুৱাৰী ঃ ভাৰত চৰকাৰৰ সাহায্য আৰু পুনঃসংস্থাপন মন্ত্ৰীদপ্তৰে

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰ কুমাৰ আগৰৱালাদেৱে। কলিকতাত অধ্যয়ন কৰি থকা এই ছাত্ৰ দুজনেই অসমীয়া ভাষা-সাহিত্যক সকলো দিশতে সমৃদ্ধ কৰাৰ মহায়োজন কৰিছিল। এই দুজনাৰ প্ৰচেষ্টাত ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত যুগান্তকাৰী মাহেকীয়া আলোচনী 'জোনাকী'য়ে আত্মপ্ৰকাশ কৰে। আৰম্ভ হয় অসমীয়া ভাষিক জাতীয়তাবাদৰ নতুন অধ্যায়।

ইয়াৰ পিচতে আনন্দৰাম বৰুৱাই কলিকতাত অধ্যয়ন কৰি থকা সময়ছোৱাত চহৰখনৰ অসমীয়া ছাত্ৰসকলে জন্ম দিয়ে 'আছাম ষ্টুডেণ্ট লিটাৰেৰী ক্লাব' (ASL Club) শীৰ্ষক সংগঠনটোৰ। এই সংগঠনটোৰ তৎপৰতাত অসমীয়া সাহিত্যৰ গতিপ্ৰবাহ সম্পৰ্কত নিয়মীয়াভাৱে আলোচনা-বিলোচনা হৈছিল আৰু ইয়াৰ নেতৃত্ব লৈছিল অম্বিকানাথ বৰা আৰু যতীন্দ্ৰনাথ দুৱৰাই। ১৯০১ চনত এই ক্লাবৰ অনুকৰণত গুৱাহাটীতে ASL ক্লাব গঢ় লৈ উঠে আৰু কলেজৰ ছাত্ৰসকল এই ক্লাবৰ অধীনত একত্ৰিত হয়।

১৯০৫ চনত গুৱাহাটীৰ উজানবজাৰৰ ছাত্ৰ সমাজে একতা সভা নামৰ এটি সংগঠনৰ জন্ম দিয়ে। এই সংগঠনটোৰ লগত জড়িত ব্যক্তিসকল আছিল অম্বিকানাথ বৰা, জ্ঞাননাথ বৰা আৰু নাৰায়ণ গোস্বামী। উল্লিখিত সংগঠন তিনিটিয়ে অসমৰ সকলো ছাত্ৰ সমাজক সামৰি এক সমূহীয়া ছাত্ৰ সংগঠন গঢ়াৰ প্ৰাথমিক ভেটিটোৰ জন্ম দিছিল। ১৯১৬ চনত চন্দ্ৰনাথ শৰ্মাৰ নেতৃত্বত গঠিত হোৱা অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলনৰ বিষয়ে এইক্ষেত্ৰত উল্লেখ কৰা উচিত হ'ব। প্ৰথমবাৰৰ বাবে অসমৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক এই সন্মিলনলৈ নিমন্ত্ৰণ জনোৱা হৈছিল। এই সন্মিলনৰ সভাপতিত্ব কৰিছিল লক্ষ্মীনাথ বেজবৰুৱাদেৱে। বেজবৰুৱা আৰু বাণীকান্ত কাকতিৰ উদ্যোগত এই সন্মিলনে এটা সংগঠন গঢ়াৰ প্ৰস্তাৱ লয় আৰু সংগঠনটোৰ নামকৰণ কৰা হয় 'অসম ছাত্ৰ সন্মিলন'। এই সংগঠনটোৰ উল্লেখযোগ্য সদস্যসকল আছিল— চন্দ্ৰনাথ শৰ্মা, অম্বিকানাথ বৰা, হেৰম্ব

ভগনীয়াসকলৰ বাবে এখন নতুন আঁচনি গ্ৰহণ কৰে। এই আঁচনি অনুসৰি ব্যক্তিগতভাৱে মাটি কিনিবলৈ ভগনীয়াসকলক টকা দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

২০ জানুৱাৰী ঃ অসম চৰকাৰৰ নতুন ভূমি নীতি গ্ৰহণ।

২১ জানুৱাৰী ঃ অসম প্ৰদেশ কংগ্ৰেছ আৰু প্ৰদেশ কংগ্ৰেছ সংসদীয় দলৰ কাৰ্যনিৰ্বাহকৰ যুটীয়া বৈঠকত অসম পুনৰ গঠন সম্পৰ্কত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ২৮ ডিচেম্বৰত যোৰহাটত প্ৰদান কৰা বক্তব্যৰ গভীৰ উদ্বেগ প্ৰকাশ কৰা হয়। বৈঠকত পাৰ্বত্য অঞ্চলক সৰ্বাধিক পৰিমাণৰ স্বায়ত্ত শাসন দি অসমৰ মৰ্যাদা আৰু অখণ্ডতা ৰক্ষাৰ কাৰণে দাবী তোলা হয়। বিজয় চন্দ্ৰ ভাগৱতীৰ সভাপতিত্বত কংগ্ৰেছ ভৱনত অনুষ্ঠিত সভাখনত মুখ্যমন্ত্ৰী চলিহাই অসমক খণ্ডিত কৰাৰ বিৰুদ্ধে দৃঢ় মত পোষণ কৰে আৰু কয় যে অসম কাৰো যৌতুকৰ সম্পত্তি নহয়। অসমবাসী ৰাইজ যদি একগোট হৈ দেশৰ অখণ্ডতাৰ বাবে থিয় দিয়ে তেনেহ'লে অসমক যৌতুকৰ সম্পত্তিৰ দৰে যাৰে যিদৰে ইচ্ছা সেইদৰে ব্যৱহাৰ কৰিবলৈ কাৰো শক্তি নাই বুলি তেওঁ দৃঢ় মত পোষণ কৰে।

২২ জানুৱাৰী ঃ ব্যক্তিগত মাটিৰ সৰ্বোচ্চ পৰিমাণ হ্ৰাস। একোজন মানুহে অধিকাৰ কৰি থাকিব পৰা মাটিৰ সৰ্বোচ্চ পৰিমাণ বৰ্তমানৰ ১৫০ বিঘাৰ ঠাইত ১০০ বিঘালৈকে হ্ৰাস কৰিবৰ বাবে অসম চৰকাৰে প্ৰস্তাৱ গ্ৰহণ কৰে। ৰাজ্য চৰকাৰৰ নতুন ভূমিনীতি ঘোষণা কৰি চৰকাৰী মুখপাত্ৰ এজনে আজি শ্বিলঙত কয় যে নিজ নাম বা পৰিয়ালৰ আন কোনোবা লোকৰ নামত দহ বিঘাৰ অধিক খেতিৰ মাটি থকা লোকসকলক কোনো নতুন চৰকাৰী মাটিত খেতি-বাতিৰ উদ্দেশ্যে সংস্থাপিত কৰা নহ'ব। এই নীতি অসম মন্ত্ৰীসভাত গৃহীত কৰা হৈছে।

বৰ্তমান দহ বিঘাৰ কম মাটি থকা পৰিয়ালে মুঠতে দহ বিঘা হোৱালৈকে মাটি পাবৰ যোগ্য হ'ব। কিন্তু নিম্নোক্ত ক্ৰমতহে অগ্ৰাধিকাৰ নিৰ্ধাৰণ কৰা হ'ব— (১) যিসকলৰ

প্ৰসাদ বৰুৱা, জ্ঞাননাথ বৰা, সৰ্বেশ্বৰ শৰ্মা কটকী, উমেশ চৌধাৰী আৰু দৈৱচন্দ্ৰ তালুকদাৰ। এই সন্মিলনে এখন কাৰ্যবাহী পৰিষদ গঠন কৰে আৰু হেৰম্ব প্ৰসাদ বৰুৱাক সন্মিলনৰ সাধাৰণ সম্পাদক তথা জ্ঞাননাথ বৰাক সহকাৰী সম্পাদক হিচাপে নিৰ্বাচিত কৰে। অসমৰ সকলো ছাত্ৰক সামৰি তথা প্ৰদেশখনৰ সমস্যাবোৰক লৈ সৰৱ হৈ পৰা অসম ছাত্ৰ সন্মিলনকে অসমৰ প্ৰথমটো অসমভিত্তিক ছাত্ৰ সংগঠন বুলি আখ্যায়িত কৰিব পাৰি। তদুপৰি এই সন্মিলনৰ বুকুতে উন্মেষ ঘটিছিল অসম সাহিত্য সভাৰ বীজটো। পৰৱৰ্তী সময়ত ছাত্ৰ সন্মিলনে ১৯২০ চনৰ অসহযোগ আন্দোলনতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

ৰাজনৈতিকভাৱে মুক্ত হৈ থকা অসম ছাত্ৰ সন্মিলনে ১৯৩৯ চনত এক ৰাজনৈতিক ৰূপ পৰিগ্ৰহণ কৰে। ১৯৪০ চনত ই সৰ্বভাৰতীয় ছাত্ৰ সন্মিলনৰ (All India Student Federation) স্বীকৃতি লাভ কৰে আৰু আছাম ষ্টুডেণ্ট ফেডাৰেচন বা অসম ছাত্ৰ সন্মিলন নামেৰে আত্মপ্ৰকাশ কৰে। বাঁওপন্থী ভাবধাৰাৰ এই সন্মিলনৰ সম্পাদক নিৰ্বাচিত হয় গৌৰীশংকৰ ভট্টাচাৰ্য আৰু সন্মিলনৰ মুখপত্ৰ 'মিলন'ৰ সম্পাদকৰ দায়িত্ব দধি মহন্তৰ হাতত ন্যস্ত হয়। দ্বিতীয় বিশ্বযুদ্ধৰ কালত অসম ছাত্ৰ সন্মিলনে সাম্ৰাজ্যবাদী যুদ্ধৰ বিৰুদ্ধে নিজৰ স্থিতি জাহিৰ কৰিছিল। ১৯৪০ চনত অসম ছাত্ৰ সন্মিলনৰ পৰা গুৱাহাটীৰ সলনি শ্বিলঙত অসম চৰকাৰে বিশ্ববিদ্যালয় পাতিব খোজাক লৈ এক আন্দোলনৰ কাৰ্যসূচী লোৱা হৈছিল। ১৯৪১ চনৰ ১৬ আগষ্টত সমগ্ৰ অসমজুৰি 'অসম বিশ্ববিদ্যালয় দিৱস' আয়োজন কৰিবলৈ সন্মিলনৰ ফালৰ পৰা সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰতি এক আহ্বান জনোৱা হৈছিল।

১৯৪৫ চনৰ পিচত অসমৰ ৰাজনৈতিক পৰিক্ৰমাত অসম ছাত্ৰ সন্মিলনৰ গুৰুত্ব ক্ৰমান্বয়ে কমি আহিবলৈ ধৰে আৰু কংগ্ৰেছ নেতৃত্বাধীন ছাত্ৰ সংগঠনটোৱে অসমৰ ছাত্ৰ সমাজৰ নিৰ্ণায়ক ভূমিকা ল'বলৈ আৰম্ভ

মাটি নাই, (২) যিসকলৰ মাটি পাঁচ বিঘাৰ কম, (৩) যিসকলৰ মাটি পাঁচ আৰু আঠ বিঘাৰ ভিতৰত, (৪) যিসকলৰ মাটি আঠ বিঘাৰ ওপৰত। এই নীতি অনুসৰি গৃহহীন গাঁৱলীয়া পৰিয়ালক সৰ্বোচ্চ হিচাপে দুই বিঘালৈকে বস্তিৰ মাটি দিয়া হ'ব পাৰে। ওপৰোক্ত দহ বিঘাৰ সীমাৰ বাহিৰেও সেয়া ধৰা হৈছে। বানপানী, খহনীয়া, চৰকাৰী অধিগ্ৰহণ আদিৰ ফলত গৃহহীন হোৱাসকলৰ ক্ষেত্ৰত বস্তিৰ মাটি সংস্থাপনত অগ্ৰাধিকাৰ দিয়া হ'ব। গ্ৰামদান আইন অনুসৰি গাঁওসভালৈ এশ বিঘাৰ অধিক মাটিৰ খণ্ড দিয়া হ'ব। ৰাজ্যখনৰ জটিল ভূমি সমস্যা সমাধান কৰাৰ মানসেৰে অসম চৰকাৰে খেতি কৰিব পৰা সকলো চৰকাৰী মাটিতে 'প্ৰকৃত খেতিয়ক'ক সংস্থাপিত কৰিবলৈ বাজেট অধিৱেশনত বিল এখন উত্থাপন কৰাৰ সম্ভাৱনাও মুখপাত্ৰজনে দোহাৰে।

২৩ জানুৱাৰী ঃ সংসদীয় সদস্য আৰু অসমৰ প্ৰাক্তন নেতা ৰূপনাথ ব্ৰহ্মাৰ আজি পুৱা ৩.২৫ বজাত কোকৰাঝাৰত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৮ বছৰ।

২৫ জানুৱাৰী ঃ সুকীয়া পাৰ্বত্য ৰাজ্য অথবা ফেডাৰেল ভিত্তিত অসমৰ পুনৰ গঠনৰ বিৰোধিতা কৰি আৰু প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে যোৱা ২৮ ডিচেম্বৰত যোৰহাটত পুনৰ গঠন সম্পৰ্কত দিয়া বিবৃতিৰ লগতে যুৱক সমাজৰ ওপৰত প্ৰধানমন্ত্ৰীয়ে কৰা কটূক্তিৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানক্ৰমে সমগ্ৰ অসমতে ১২ ঘণ্টীয়া হৰতাল পালন কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ অসম সম্পৰ্কীয় মনোভাবৰ প্ৰতিবাদকল্পে ২৬ জানুৱাৰীত অসমৰ সমূহ ছাত্ৰ আৰু ৰাইজক গণৰাজ্য দিৱসৰ অনুষ্ঠানত যোগদান কৰাৰ পৰা বিৰত থাকিবলৈ ছাত্ৰ সন্থাই আহ্বান জনায়।

২৬ জানুৱাৰী ঃ গুৱাহাটীত সান্ধ্য আইন। সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ আহ্বানৰ প্ৰতি সঁহাৰি দি জনসাধাৰণে গুৱাহাটীৰ জজ ফিল্ডত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত যোগ দিয়াৰ পৰা বিৰত থাকে। পুৱা ১০

কৰে। অসমৰ কংগ্ৰেছ ছাত্ৰ সংগঠনটোৰ নেতৃত্ব লৈছিল সুৰেন্দ্ৰনাথ শৰ্মাই। অসম ছাত্ৰ সন্মিলনৰ আগৰ শক্তি ভালেমান কমি আহিছিল যদিও ফণী বৰাৰ (সম্পাদক) নেতৃত্বত সংগঠনটোৱে নিয়মীয়া কাৰ্যপ্ৰক্ৰিয়া চলাই থাকিল। একেদৰে উপেন চন্দ্ৰ দাসৰ প্ৰাদেশিক ছাত্ৰ ফেডাৰেচন (The Provincial Students Federation) কঠোৰপন্থী ছাত্ৰসকলৰ এক মঞ্চ হৈ পৰিল। চমুকৈ ক'বলৈ গ'লে বাওঁপন্থী ভাবধাৰাৰ ছাত্ৰ সংগঠনকেইটাৰ শক্তিশালী উপস্থিতিৰ পিচতো কিন্তু অসমৰ সামাজিক-ৰাজনৈতিক ঘটনা প্ৰবাহত আটাইতকৈ শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰিছিল কংগ্ৰেছ দলৰ সংগঠন অসম ছাত্ৰ সংস্থাই (Assam Student's Union)। ১৯৪৬ চনত বিজয় চন্দ্ৰ ভাগৱতীৰ সভাপতিত্বত অসম ছাত্ৰ সংস্থাই প্ৰদেশখনৰ সকলো প্ৰান্ততে শাখা খোলাৰ প্ৰস্তাৱ লয় আৰু 'মুক্তিৰ অভিযান' শীৰ্ষক এখন মুখপত্ৰ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। সেই সময়ছোৱাত মুছলিম লীগৰ সমৰ্থনত মুছলিম ছাত্ৰ ফেডাৰেচনেও শক্তিশালীভাৱে সাংগঠনিক কাম কৰিবলৈ আগবাঢ়ি অহাটো পৰিলক্ষিত হয়। একেদৰে আহোম ছাত্ৰ ফেডাৰেচন, আছাম ষ্টুডেণ্টছ ট্ৰাইবেল ইউনিয়ন আদি ছাত্ৰ সংগঠনবোৰেও নিজ নিজ সম্প্ৰদায়ৰ সামাজিক-ৰাজনৈতিক বিকাশ সাধনৰ বাবে তৎপৰতা দেখুৱাবলৈ আৰম্ভ কৰে।

স্বৰাজোত্তৰ কালত অসমৰ ছাত্ৰ সংগঠন

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিচতে অসম ছাত্ৰ সংস্থাৰ নাম সলনি হয় আৰু ই ছাত্ৰ কংগ্ৰেছ বা ষ্টুডেণ্ট কংগ্ৰেছ নাম গ্ৰহণ কৰে। স্বাধীনতাৰ পিচতে স্বৰাজোত্তৰ ভাৰতবৰ্ষৰ ৰাজনীতিত ছাত্ৰ সমাজৰ কৰণীয় একো এটা নাই বুলি প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ছাত্ৰ কংগ্ৰেছ ভংগ কৰি দিয়ে আৰু ১৯৫৫ চনপৰ্যন্ত কংগ্ৰেছ দলৰ ফালৰ পৰা ছাত্ৰ সংগঠনৰ দিশত তৎপৰতা প্ৰদৰ্শন বন্ধ হৈ পৰে। অৱশ্যে কমিউনিষ্ট দলৰ ছাত্ৰ

বজাত জজ ফিল্ডৰ পৰা ছাত্ৰ সন্থাৰ উদ্যোগত এটা সমদল বাহিৰ হয় আৰু সমদলটোৱে অসমৰ পুনৰ গঠন সম্পৰ্কত কেন্দ্ৰৰ মনোভাবৰ বিৰুদ্ধে ধ্বনি দি পথ পৰিভ্ৰমণ কৰে। সেই সুযোগতে একাংশ উদণ্ড লোকে কেইবাটাও শিক্ষানুষ্ঠান আৰু চৰকাৰী অনুষ্ঠানৰ পৰা ৰাষ্ট্ৰীয় পতাকা নমাই আনি জ্বলাই দিয়ে আৰু তাৰ পিচতে নগৰৰ বিভিন্ন অঞ্চলত ধ্বংস কাৰ্য আৰম্ভ হয়। উল্লেখ্য যে জজ ফিল্ডত ৯ বজাৰ পৰা আৰম্ভ হোৱা গণৰাজ্য দিৱসৰ আনুষ্ঠানিক পতাকা তেনেই কমসংখ্যক নাগৰিকৰ উপস্থিতিত বিত্ত মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে উত্তোলন কৰিছিল।

পুৱাৰে পৰা ৩ ঘণ্টাজুৰি একেলেথাৰিয়ে নগৰৰ প্ৰধান ব্যৱসায় কেন্দ্ৰ পাণবজাৰ, ফাঁচীবজাৰ, আঠগাঁও আদিত হিংসাত্মক কাৰ্য চলাৰ পিচত দুপৰীয়া ১২.৩০ বজাৰ পৰা প্ৰশাসনে ১৮ ঘণ্টাৰ বাবে সান্ধ্য আইন জাৰি কৰে। ২৭ জানুৱাৰীৰ পুৱা ৬ বজাত এই সান্ধ্য আইনৰ ম্যাদ শেষ হোৱাত পুনৰ ২৪ ঘণ্টাৰ বাবে ইয়াক বঢ়াই দিয়া হয়। প্ৰায় শতাধিক লোকক এই সন্দৰ্ভত আটক কৰা হয় আৰু পুলিচ আৰু অগ্নিনিৰ্বাপক বাহিনীৰ লোককে ধৰি ৩৫জন লোক আহত হয়। গুৱাহাটী ছাত্ৰ সন্থাই সমাজবিৰোধী এই হিংসাত্মক কাৰ্যৰ তীব্ৰ গৰিহণা দিয়ে আৰু এক শ্ৰেণী সমাজবিৰোধী লোকৰ কাৰ্যত ক্ষতিগ্ৰস্ত হোৱাসকলৰ প্ৰতি সমবেদনা জনায়। মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই গুৱাহাটীৰ অশান্তিৰ অন্তৰালত বিদেশী শক্তিৰ হাত থকাৰ সম্ভাৱনাও প্ৰকট কৰে। ১০ ফেব্ৰুৱাৰীলৈ নগৰখনত সান্ধ্য আইন অব্যাহত থাকে। এই সময়ছোৱাত ১৪৪ ধাৰা জাৰি কৰা হয়। অৱশ্যে প্ৰশাসনে সময়ে সময়ে সান্ধ্য আইন শিথিল কৰিও দিছিল।

৩১ জানুৱাৰী ঃ কেন্দ্ৰীয় গৃহ মন্ত্ৰী ৱাই বি চৱনে গুৱাহাটী পৰিদৰ্শন কৰি গণৰাজ্য দিৱসত ঘটা হিংসাত্মক কাৰ্যত দুখ প্ৰকাশ কৰে। তেওঁ ৰাইজক ৰাষ্ট্ৰবিৰোধীৰ প্ৰৰোচনাত নপৰিবলৈ আহ্বান জনায়। কেন্দ্ৰীয়

সংগঠনসমূহ এই সময়ছোৱাত পূৰ্বতকৈ অধিক তৎপৰ হৈ পৰাটো পৰিলক্ষিত হ'বলৈ ধৰে।

কংগ্ৰেছৰ ছাত্ৰ সংগঠনটো স্বাধীনতাৰ পিচৰ সময়ছোৱাত নিষ্ক্ৰিয় হৈ পৰাত অসমৰ ছাত্ৰ সমাজৰ মাজত এক অৰাজনৈতিক, দলীয় মতাদৰ্শৰ উৰ্ধ্বত থকা সংগঠনৰ প্ৰয়োজনীয়তা অধিক গাঢ় হৈ দেখা দিবলৈ আৰম্ভ কৰে। নকৈ স্বাধীনতা লাভ কৰা দেশখনত ছাত্ৰসকলৰ সামগ্ৰিক আশা-আকাংক্ষাক লৈ চিন্তা-চৰ্চা কৰা সংগঠনৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰি ১৯৫৮ চনত সদৌ গুৱাহাটী ছাত্ৰ ইউনিয়নৰ জন্ম হয়। ইয়াৰ আগতে অসমৰ প্ৰথম শোধনাগাৰ আন্দোলনটোত ছাত্ৰসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল আৰু এই আন্দোলনটোৱে ছাত্ৰসকলক সংগঠিত কৰাৰ ক্ষেত্ৰতো অনুপ্ৰেৰণা যোগাইছিল।

১৯৫৯ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ ছাত্ৰসকলে শিৱসাগৰ জিলা ছাত্ৰ সংগঠন গঠন কৰে। ১৯৫৯ চনৰ আগষ্ট মাহত শ্বিলঙৰ কিছুসংখ্যক ছাত্ৰৰ পৃষ্ঠপোষকতাত আন্তঃকলেজ ছাত্ৰ ইউনিয়ন (Inter College Student's Union) নামৰ সংগঠনটো গঢ় লৈ উঠে। এই সংগঠনটোত অসমৰ ৩০খন মহাবিদ্যালয়ৰ প্ৰতিনিধিৰ অন্তৰ্ভুক্তি ঘটিছিল যদিও বিদ্যালয়ৰ ছাত্ৰসকলক এই সংগঠনটোত সদস্যপদ দিয়া হোৱা নাছিল। ফলত অসমৰ ছাত্ৰ সমাজৰ সামূহিক আশা-আকাংক্ষাক এই সংগঠনটোৱে প্ৰকৃতাৰ্থত প্ৰতিফলিত কৰিবলৈ সমৰ্থ নহ'ল। এক বৃহত্তৰ ছাত্ৰ সংগঠনৰ প্ৰয়োজনীয়তাৰ স্বাৰ্থত ১৯৫৯ চনৰ ছেপ্টেম্বৰ মাহৰ ১৯-২০ তাৰিখে গুৱাহাটীত এখন ছাত্ৰ অভিৱৰ্তন অনুষ্ঠিত হয়। গুৱাহাটী ছাত্ৰ সংস্থাৰ (Guwahati Student's Association) পৃষ্ঠপোষকতাত হোৱা এই অভিৱৰ্তনৰ মূল লক্ষ্য আছিল ৰাজনৈতিকভাৱে নিৰপেক্ষ আৰু অসাম্প্ৰদায়িক বৃহত্তৰ ছাত্ৰ সংগঠন এটা জন্ম দিয়া— যাৰ জৰিয়তে ছাত্ৰসকলৰ ন্যায্য দাবীসমূহ উপস্থাপন কৰাৰ এখন সঠিক মঞ্চ প্ৰতিষ্ঠা

গৃহ মন্ত্ৰীয়ে এই হিংসাত্মক কাৰ্যৰ তদন্ত কৰিবলৈ তদন্ত আয়োগ গঠন কৰিবলৈ মুখ্যমন্ত্ৰী বিমলা চলিহাক আহ্বান জনায়।

১ ফেব্ৰুৱাৰী ঃ গণৰাজ্য দিৱসত গুৱাহাটী আৰু ওচৰ-চুবুৰীয়া অঞ্চলত ঘটা হিংসাত্মক কাৰ্যৰ অনুসন্ধান কৰিবলৈ অসম চৰকাৰে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ অধীনত এজনীয়া কমিটী গঠন কৰাৰ সিদ্ধান্ত ঘোষণা কৰে।

৮ ফেব্ৰুৱাৰী ঃ গুৱাহাটীৰ অৱস্থা শান্তিপূৰ্ণ। ১৪৪ ধাৰা প্ৰত্যাহাৰ।

● সাহিত্য অকাদেমীৰ সাধাৰণ সদস্য হিচাপে সাংসদ বিশ্বনাৰায়ণ শাস্ত্ৰীক নিৰ্বাচিত কৰা হয়।

৯ ফেব্ৰুৱাৰী ঃ পাৰ্বত্য ৰাজ্য গঠনৰ দাবী জনাই শ্বিলঙত সৰ্বদলীয় নেতা সন্মিলনত স্বেচ্ছাসেৱক সংগঠক কমিটীয়ে মটৰগাড়ীৰ দীঘল শোভাযাত্ৰা উলিয়ায়।

১০ ফেব্ৰুৱাৰী ঃ পোন্ধৰ দিনৰ মূৰত গুৱাহাটীত সান্ধ্য আইন প্ৰত্যাহাৰ।

১৩ ফেব্ৰুৱাৰী ঃ লোকসভাত গৃহ মন্ত্ৰী ৱাই বি চৱনে গুৱাহাটীৰ ঘটনাৱলীক 'সংকীৰ্ণ আঞ্চলিক আৱেগৰ অতি অস্বস্তিকৰ প্ৰকাশ' বুলি অভিহিত কৰে আৰু পক্ষপাতমূলক মনোভাবেৰে নাচাই ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে ঘটনাৱলী বিশ্লেষণ কৰি চাবলৈ সকলো ৰাজনৈতিক দলক আহ্বান জনায়।

● ২৬ জানুৱাৰীত গুৱাহাটী আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলত হোৱা অশান্তি সম্পৰ্কে তদন্ত কৰিবলৈ অসম চৰকাৰে অসম আৰু নাগালেণ্ড উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ কমলেশ চন্দ্ৰ সেনক লৈ তদন্ত আয়োগ গঠন কৰাৰ কথা ঘোষণা কৰে। আয়োগে ১৩ এপ্ৰিলৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব লাগিব।

১৪ ফেব্ৰুৱাৰী ঃ অসম পুনৰ গঠন সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে কৰা পৰস্পৰবিৰোধী আৰু দায়িত্বহীন ঘোষণাই গুৱাহাটীৰ অশান্তিৰ ঘাই কাৰণ বুলি অভিযোগ তুলি কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে বিৰোধী পক্ষই অনা এটা ভৰ্ৎসনাসূচক প্ৰস্তাৱ লোকসভাই আজি অগ্ৰাহ্য কৰে।

কৰিব পৰা যায়। এই অভিবৰ্তনে সৰ্বশেষত সদৌ অসম ছাত্ৰ সংগঠন, চমুকৈ আছা (All Assam Students Association) প্ৰতিষ্ঠা কৰে। অসমৰ প্ৰায় ১৯২খন বিদ্যালয়-মহাবিদ্যালয়ৰ প্ৰতিনিধিৰে গঠিত অৰাজনৈতিক, ধৰ্মনিৰপেক্ষ এই সংগঠনটোৰ মূল লক্ষ্য আছিল অসমৰ ছাত্ৰ সমাজৰ সাংস্কৃতিক আৰু নৈতিক ভাবাদৰ্শৰ উন্নতি সাধন কৰা। ১৯৫৯ চনত এই সংগঠন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত প্ৰফুল্ল বৰুৱা, জাহিদ চৌধুৰী, ভুবনেশ্বৰ বেজবৰুৱা আদিয়ে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল আৰু সংগঠনটোৰ প্ৰথম সভাপতি নিৰ্বাচিত হৈছিল বিমান কৰ। ১৯৬০ চনৰ ভাষা আন্দোলনত আছাই গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। চীনৰ আক্ৰমণৰ পাচৰে পৰা সংগঠনটোৰ শক্তি ক্ষয় হৈ আহিবলৈ ধৰে। চীনা আক্ৰমণৰ পিচত প্ৰফুল্ল বৰুৱা, পৰাগধৰ চলিহা আদি ব্যক্তিয়ে সংগঠনটো পুনৰুজ্জীৱিত কৰিবলৈ প্ৰয়াস কৰিছিল যদিও সেই প্ৰচেষ্টাই বিশেষ ফল নিদিলে।

খাদ্য আন্দোলন

যাঠিৰ দশকৰ খাদ্য আন্দোলনে অসমত ছাত্ৰসকলক সংগঠিত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল আৰু এই আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত ছাত্ৰসকলৰ ভাবাদৰ্শগত সংঘাতসমূহেও এক স্পষ্ট ৰূপ গ্ৰহণ কৰিছিল। ১৯৬৬ চনৰ আগষ্ট মাহত খাদ্য আন্দোলনৰ সময়ছোৱাত সদৌ গুৱাহাটী ছাত্ৰ ইউনিয়ন বা সংস্থাই যথেষ্ট পৰিমাণে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰে। এই মাহতে অসমৰ বাওঁপন্থী দলবোৰে অসম চৰকাৰৰ খাদ্যনীতি, আকাল, চোৰাংকৈ খাদ্য দ্ৰব্য মজুতকৰণ আদিৰ বিৰুদ্ধে কেইবালানিও আন্দোলনৰ কাৰ্যসূচী হাতত ল'বলৈ আৰম্ভ কৰে। এটা অসমভিত্তিক সমূহীয়া ছাত্ৰ সংগঠনৰ অনুপস্থিতিত ছাত্ৰসকলে অসম জুৰি খাদ্য আন্দোলন চলাই নিব পৰা নাছিল। অৱশ্যে বাওঁপন্থী দলবোৰৰ

২০ ফেব্ৰুৱাৰী ঃ অসম বিধানসভাৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে আজি বিৰোধী দলৰ সদস্যসকলে ৰাজ্যপালৰ ভাষণ বৰ্জন কৰি সদন ত্যাগ কৰে। সংযুক্ত বিধায়িনী দলৰ উপ-দলপতি দুলাল চন্দ্ৰ বৰুৱাই গুৱাহাটীৰ অশান্তি সম্পৰ্কে তোলা সভাস্থগিত প্ৰস্তাৱটোক অগ্ৰাধিকাৰ দিব লাগে বুলি বৰুৱাই দাবী কৰে। তেওঁ উল্লেখ কৰে যে ৰাজ্যখনৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি হিচাপে ৰাজ্যপালে গণৰাজ্য দিৱসৰ অশান্তি ৰোধৰ ব্যৱস্থা গ্ৰহণত ব্যৰ্থ হৈছে, সেয়েহে বিৰোধী দলে তেওঁৰ ভাষণ ধৈৰ্যসহকাৰে শুনিব নোৱাৰে। কমিউনিষ্ট দলৰ নেতা ফণী বৰা আৰু সংযুক্ত ছচিয়েলিষ্ট দলৰ অতুল গোস্বামীয়ে বৰুৱাৰ কথাত সমৰ্থন জনায়।

২১ ফেব্ৰুৱাৰী ঃ অসম বিধানসভাত ফণী বৰা আৰু ১৩জন বিৰোধী সদস্যই গুৱাহাটীত হোৱা অশান্তি সম্পৰ্কত অসম চৰকাৰৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ অধ্যক্ষ হৰেশ্বৰ গোস্বামীয়ে আলোচনাৰ বাবে গ্ৰহণ কৰে।

২৩ ফেব্ৰুৱাৰী ঃ অসম বিধানসভাত বিৰোধী দলে গুৱাহাটীৰ অশান্তি সম্পৰ্কত উত্থাপন কৰা অনাস্থা প্ৰস্তাৱটো ৬৪-৩৬টা ভোটত অগ্ৰাহ্য হয়।

৩ মাৰ্চ ঃ কৰিমগঞ্জত দুদল লোকৰ সংঘৰ্ষত ৭জন লোক নিহত হয়। এই ঘটনাৰ পিচত চহৰখনত সান্ধ্য আইন বলৱৎ কৰা হয়।

৪ মাৰ্চ ঃ কাজিৰঙাক ৰাষ্ট্ৰীয় উদ্যান কৰাৰ বিল ঃ বিত্ত মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে আজি বিধানসভাত মুঠ ৩,৮৮,৪৮,৬৬১ টকাৰ পৰিপূৰক দাবী কৰে আৰু অসম ৰাষ্ট্ৰীয় উদ্যান বিলকে (১৯৬৮) ধৰি আঠখন বিল সদনত আগবঢ়ায়। ৰাষ্ট্ৰীয় উদ্যান বিলখন উত্থাপন কৰি বন মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে কয় যে অসমৰ বিৰল এশিঙীয়া গঁড়ক সংৰক্ষণ কৰিবৰ বাবে কাজিৰঙা অভয়াৰণ্যক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰাৰ প্ৰয়োজন হৈ পৰিছে। এবাৰ ৰাষ্ট্ৰীয় উদ্যানলৈ ৰূপান্তৰ কৰাৰ পিচত বিধানসভাৰ আইন বা

নেতৃত্বত হোৱা খাদ্য আন্দোলনত সদৌ গুৱাহাটী ছাত্র সংস্থাৰ দৰে ছাত্র সংগঠনবোৰে পৰোক্ষভাৱে সমৰ্থন দিছিল আৰু ইয়ে এক উদাৰ ভাবধাৰাৰ ছাত্র সংগঠন গঢ়াৰ পথো প্ৰশস্ত কৰি তুলিছিল। ১৯৬৬ চনৰ জুলাই মাহৰ ২৮ তাৰিখে কটন মহাবিদ্যালয়ৰ ইউনিয়ন হলত সদৌ গুৱাহাটী আন্তঃমহাবিদ্যালয় ছাত্র ইউনিয়নৰ এখন জৰুৰী বৈঠক অনুষ্ঠিত হয়। এই সভাত আগষ্ট মাহৰ ৪ তাৰিখে সমগ্ৰ ৰাজ্যত 'সদৌ অসম ছাত্র প্ৰতিবাদ দিৱস' পতাৰ সিদ্ধান্ত লোৱা হয়। বানপানী, খাদ্য সংকট, অসম্ভৱ ধৰণে হোৱা মূল্যবৃদ্ধি সমস্যা সমাধানৰ দাবীত এই দিৱস পতাৰ সংকল্প গ্ৰহণ কৰা হৈছিল। সদৌ গুৱাহাটী আন্তঃমহাবিদ্যালয় ছাত্র সংস্থাৰ (All Gauhati Inter College Student's Union বা চমুকৈ AGICSU) সাধাৰণ সম্পাদকজনে বাতৰি কাকতৰ বিবৃতিযোগে অসমৰ সকলো প্ৰান্তৰ ল'ৰা-ছোৱালীক উক্ত দিনা শ্ৰেণীকক্ষ বৰ্জন কৰি প্ৰতিবাদ দিৱস পালন কৰিবলৈ আহ্বান জনাইছিল। সদৌ অসম ছাত্র ফেডাৰেচন (All Assam Student's Federation), গোৱালপাৰা জিলা ছাত্র সংগঠন আদিয়েও ৪ তাৰিখে দিৱস পালন কৰিব বুলি বাতৰিকাকতলৈ প্ৰেছ বিজ্ঞপ্তি প্ৰেৰণ কৰিছিল।

৪ আগষ্টৰ দিনাখন প্ৰায় ৫০০০ ছাত্ৰৰ সমাবেশেৰে গুৱাহাটীত প্ৰতিবাদ দিৱস পালন কৰা হয়। চহৰৰ মাজমজিয়াৰে ওলোৱা প্ৰায় এমাইল দীঘল শোভাযাত্ৰাই বিভিন্ন ধৰণৰ শ্লোগান দি ভৰলুমুখৰ দলঙৈলে আগবাঢ়ে আৰু তাৰ পৰা এ টি ৰোড হৈ পুনৰ গুৱাহাটী টাউন ক্লাবৰ পথাৰলৈ উভতি আহে। জি টি চি পথাৰত অনুষ্ঠিত এখন সভাত বিভিন্ন বক্তাৰ লগতে সদৌ গুৱাহাটী ছাত্র সংস্থাৰ সাধাৰণ সম্পাদক আৰু সভাপতিজনে বক্তৃতা প্ৰদান কৰে। এই সভাত তিনিটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই প্ৰস্তাৱ তিনিটা হৈছে—

(১) বানপানী সমস্যা সমাধানৰ স্থায়ী আৰু যথাযথ ব্যৱস্থা গ্ৰহণ কৰা।

(২) বানপানী আক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলক সাহায্য প্ৰদান আৰু

প্ৰস্তাৱ বিনে সেই ব্যৱস্থা প্ৰত্যাহাৰ কৰিব নোৱাৰিব বুলি তেওঁ কয়। এই বিলখনৰ বাদেও সদনত উত্থাপিত আজিৰ আন বিলসমূহ হৈছে— অসম বিত্ত বিল ১৯৬৮, ভাৰতীয় মুদ্ৰাংক (অসম সংশোধনী) বিল ১৯৬৮; অসম উপকণ্ঠ এলেকা ভাষা নিয়ন্ত্ৰণ (সংশোধনী) বিল ১৯৬৮' অসম উপকণ্ঠ এলেকা ভাষা নিয়ন্ত্ৰণ (সংশোধনী) বিল ১৯৬৮; অসম অকৃষিজীৱী উপকণ্ঠ ৰায়তৰ স্বত্ব (সংশোধনী) বিল ১৯৬৮; অসম মাটিৰ নিৰিখ নিৰ্ধাৰণ (সংশোধনী) বিল ১৯৬৮; অসম স্বায়ত্তশাসিত জিলা ন্যায় বিচাৰ (সংশোধনী) বিল ১৯৬৮ আৰু অসম ঋণদাতা (সংশোধনী) বিল ১৯৬৮।

৫ মাৰ্চ ঃ অসম প্ৰাপ্য আদায়ৰ সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ সময় হৈছে ঃ অসম বিধানসভাৰ বাজেট বিতৰ্কত আলোচনাৰ পাতনি মেলি সংযুক্ত বিধায়িনী দলৰ নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই কয় যে অসমৰ জনগণ আৰু চৰকাৰে ভাৰত চৰকাৰৰ পৰা তেওঁলোকৰ প্ৰাপ্যখিনি আদায় কৰি ল'বৰ বাবে সংগ্ৰাম কৰাৰ লগ্ন উপস্থিত হৈছে। তেওঁ কয় যে বিদেশী বা ভাৰতীয় একচেটিয়া পুঁজিপতিয়ে বিনাবাধাই শোষণ চলাই যাব পৰাকৈ অসমক এখন ঔপনিৱেশিক পশ্চাৎভূমি কৰি ৰাখিবৰ বাবে চলা ষড়যন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ অসমৰ জনগণক সংগঠিত কৰাৰ সময় কেতিয়াবাই হ'ল। ভাৰত চৰকাৰক জনাই দিবৰ সময় হৈছে যে সম্পদৰ কৰ্তৃত্ব হস্তান্তৰৰ বাবে সংবিধানত বৰ্তমান যি বিধান আছে তাতকৈ অধিক শিথিল বিধান নিৰ্ধাৰণ কৰিবৰ সময় হৈছে আৰু সেয়ে সেই অনুক্ৰমে সংবিধানৰ সংশোধন হ'ব লাগে। তেওঁ পুনৰ কয় যে অসমৰ হেজাৰ হেজাৰ একৰ মাটি চাহ বাগিচাৰে আৱৰা আৰু চাহে লাখ টকাৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰে। কিন্তু দুৰ্ভাগ্যৰ কথা যে ৰাজ্যখনে তাৰ অতি সামান্য ভাগ এটাহে পায়। চাহ শিল্পৰ লগতে তেওঁ খাৰুৱা তেলৰ ক্ষেত্ৰত অসমে ভুগি অহা বঞ্চনাৰ কথা উল্লেখ কৰে। তেওঁ কয় যে

(৩) খাদ্য মজুতকাৰী, চোৰাং বেপাৰী আদিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি খাদ্যবস্তুৰ দাম নিয়ন্ত্ৰণ আৰু সেই সময়ছোৱাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা খাদ্য আন্দোলনত জড়িত হৈ গ্ৰেপ্তাৰ বৰণ কৰা ছাত্ৰসকলক নিঃচৰ্ত মুক্তি দিয়া।

এই আন্দোলন শ্বিলঙতো সফলভাৱে অনুষ্ঠিত হৈছিল আৰু ৰাজধানী চহৰখনত এই আন্দোলনৰ নেতৃত্ব লৈছিল ছেইণ্ট এডমাণ্ডছ আৰু ছেইণ্ট এন্থনী মহাবিদ্যালয়ৰ ছাত্ৰসকলে। ৪ আগষ্টৰ আন্দোলনৰ পিচত ৬ আগষ্টত সদৌ গুৱাহাটী আন্তঃমহাবিদ্যালয় ছাত্ৰ সংস্থাৰ এটি প্ৰতিনিধি দলে অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাক সাক্ষাৎ কৰে আৰু বানপানী, মূল্যবৃদ্ধি আদি বিষয়ত চৰকাৰে কি স্থিতি গ্ৰহণ কৰিছে তাক জানিব বিচাৰে। উল্লেখ্য যে ৪ আগষ্টৰ প্ৰতিবাদ দিৱসত ডিব্ৰুগড়ত পুলিচে আন্দোলনকাৰী ছাত্ৰৰ ওপৰত লাঠীচালনা কৰিছিল। প্ৰতিনিধি দলটোৱে এই ঘটনাৰো এক তদন্তৰ দাবী তোলে। ইফালে সদৌ গুৱাহাটী ছাত্ৰ সংস্থাৰ সাধাৰণ সম্পাদকজনে ডিব্ৰুগড়ৰ ঘটনাৰ নিন্দা কৰি ছাত্ৰসকলক কোনোধৰণৰ অসামাজিক অথবা হিংসাত্মক ঘটনাত জড়িত নহ'বলৈ সতৰ্ক কৰি দিছিল।

৬ আগষ্টত সদৌ অসম সংযুক্ত আন্দোলন পৰিষদৰ এখন সভা গুৱাহাটীত অনুষ্ঠিত হয় আৰু এই সভাত ৯ ছেপ্টেম্বৰত অসম বন্ধ পালন কৰাৰ সিদ্ধান্ত লোৱা হয়। বিভিন্ন ছাত্ৰ সংগঠনৰ আন্দোলনমুখী তৎপৰতাৰ মাজতে ১০ আগষ্টত শ্বিলঙত ছাত্ৰসকলৰ ওপৰত পুলিচে গুলীবৰ্ষণ কৰাত চাৰিজন লোকৰ মৃত্যু ঘটে আৰু এই ঘটনাই সমগ্ৰ অসমতে ক্ষোভৰ উদ্‌গীৰণ ঘটায়। বামপন্থী ভাবাদৰ্শৰ সংযুক্ত আন্দোলন পৰিষদে শিৱসাগৰ আৰু শ্বিলঙত ঘটা হিংসাত্মক ঘটনাৰ প্ৰতিবাদত ১২ আগষ্টত হৰতালৰ আহ্বান দিয়ে যদিও সদৌ গুৱাহাটী আন্তঃমহাবিদ্যালয় ছাত্ৰ সংস্থাই এই হৰতালৰ প্ৰতি নিজকে বিৰত ৰাখে। সংস্থাই পাঠ গ্ৰহণৰ

অসমৰ খাৰুৱা তেলক ৰাজ্যখনৰ বাহিৰলৈ বোৱাই নিয়া হৈছে অথচ এই তেলৰ বাবদ অসমে প্ৰতি টনত পায় মাথোঁ ৭.৫০ টকা। অসমৰ জাতীয় স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে ভট্টাচাৰ্যই ৰাজ্য চৰকাৰলৈ কেতবোৰ পৰামৰ্শও আগবঢ়ায়।

১১ মাৰ্চ ঃ নেফাত কিছুদিন আগতে গঠিত নতুন ৰাজনৈতিক দল 'নেফা সংগমে' নেফাক এখন সুকীয়া ৰাজ্য হিচাপে গঠন কৰিবলৈ দাবী জনায়। তেওঁলোকৰ মূল দাবী সমূহ হ'ল — (১) নেফাক এজন লেফটেনেণ্ট গভৰ্নৰৰ তলত এখন সুকীয়া ৰাজ্য কৰা (২) অসমৰ লগত থকা নেফাৰ সীমা শিলৰ খুঁটা দি স্থায়ীভাৱে পৃথক কৰা (৩) শ্বিলঙৰ পৰা নেফাৰ প্ৰধান কাৰ্যালয় নেফাৰ এখন মাজ ঠাইলৈ ততালিকে উঠাই অনা আৰু (৪) নেফাৰ স্কুলসমূহত ইংৰাজীক শিক্ষাৰ মাধ্যম ৰূপে প্ৰচলন কৰা।

১২ মাৰ্চ ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই আজি ৰাজ্য বিধানসভাত কয় যে মাধ্যমিক পৰ্যায়লৈকে শিক্ষাৰ মাধ্যম বড়ো ভাষা হ'ব লাগে বুলি দায়িত্বশীল বড়ো নেতাসকলে বিবেচনা কৰিলে অসম চৰকাৰে তাত হেঙাৰ ৰূপেতো থিয় নিদিয়েই বৰঞ্চ তেওঁলোকৰ এই অনুভূতিক চৰকাৰে মৰ্যাদা দিবলৈহে চেষ্টা কৰিব।

১৩ মাৰ্চ ঃ দৈয়াং ৰিজাৰ্ভত খেতিয়কক মাটি দিবৰ বাবে, উচ্ছেদ কৰাটো বন্ধ কৰিবলৈ আৰু কৃষিৰ বাবে আন আন সা-সুবিধা পাবলৈ দাবী জনাই গোলাঘাট আদালত প্ৰাংগণত কৃষক সত্যাগ্ৰহীসকলে কৰা সত্যাগ্ৰহত পুলিচে লাঠীচালনা কৰাত ২৮জন সত্যাগ্ৰহী আহত হয়।

২২ মাৰ্চ ঃ লোকসভাত আজি 'লাচিত সেনা' বিষয়টোৱে ঠাই লয়। জনসংঘৰ সদস্য চাঁদ গোৱেলে অনা-অসমীয়া লোকক ৬ জুনৰ ভিতৰত অসম এৰি যাবলৈ লাচিত সেনাই প্ৰচাৰপত্ৰযোগে নিৰ্দেশ দিয়া বুলি ব্যক্ত কৰি বিষয়টোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। গৃহমন্ত্ৰী চৱনে লোকসভাত জনায় যে ৰাজ্য চৰকাৰে ২৯জন লোকৰ বিৰুদ্ধে নিবাৰক নিৰোধ আইন জাৰি কৰিছে আৰু তাৰে ২০জনক ইতিমধ্যে পুলিচে

পৰা বিৰত থাকি ছাত্ৰসকলক হৰতালৰ পৰা নৈতিক সমৰ্থন দিবলৈ আহ্বান জনায় আৰু অসম চৰকাৰে ঘটনাটোৰ এক ন্যায়িক তদন্ত কৰিব লাগে বুলি দাবী তোলে।

১৪ আগষ্টত গুৱাহাটীৰ জজ খেলপথাৰত গুৱাহাটীৰ ছাত্ৰসকলৰ এখন সভা অনুষ্ঠিত হয় আৰু সভাত ৪ আগষ্টৰ প্ৰতিবাদ দিৱস তথা তাৰ পৰৱৰ্তী সময়ৰ ঘটনা প্ৰৱাহৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা হয়। এই সভাত সভাপতিত্ব কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মনোমোহন হাজৰিকাই। সদৌ গুৱাহাটী আন্তঃমহাবিদ্যালয় ছাত্ৰ সংস্থাৰ সাধাৰণ সম্পাদক সুশীল গোস্বামীয়ে এক প্ৰতিবেদনযোগে এসপ্তাহৰ ভিতৰত সংস্থাৰ দাবী পূৰণ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। অন্যথা সংস্থাৰ ফালৰ পৰা পৰৱৰ্তী সময়ত তীব্ৰতৰ আন্দোলন গঢ়ি তোলাৰ ভাবুকি প্ৰদান কৰা হয়। আন্তঃকলেজ ছাত্ৰ সন্থাৰ পৃষ্ঠপোষকতাত গঠিত ছাত্ৰ কাৰ্যকৰী কমিটীৰ (Student Action Committee) আন এখন সভাত AGICSUৰ সভাপতি পদৰ পৰা লক্ষ্মীকান্ত শইকীয়াই দিয়া পদত্যাগপত্ৰ গ্ৰহণ কৰা হয় আৰু কাৰ্যকৰী কমিটীখন নিম্নোক্ত ধৰণে গঠন কৰে।

সভাপতি : মনোমোহন হাজৰিকা
সাধাৰণ সম্পাদক : সুশীল গোস্বামী
আহ্বায়ক : জ্যোতি কাকতী
যুটীয়া সম্পাদক : মোহিনী মোহন বুঢ়াগোহাঁই, মহানন্দ মেধি, ফাতেমা বেগম আৰু শৈলেন কলিতা।

এই কমিটী গঠন হোৱাৰ পিচতেই সংযুক্ত আন্দোলন পৰিষদৰ সৈতে AGICSUৰ এক স্পষ্ট বিৰোধিতা আৰম্ভ হ'বলৈ ধৰে। অসম সংযুক্ত আন্দোলন পৰিষদে ১৯ আগষ্টত অসমজুৰি 'অন্ন দিৱস' পতাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই আন্দোলনলৈ চি পি আই, পি এছ পিয়ে

আটক কৰিছে।

২৫ মাৰ্চ ঃ ৰাজ্যত কৃষি বিশ্ববিদ্যালয় স্থাপনৰ দাবীত ছাত্ৰসকলে এসপ্তাহ ধৰ্মঘট চলাই থকাৰ ফলত আজি অসম কৃষি কলেজৰ অধ্যক্ষই কলেজৰ দুৱাৰ অনিৰ্দিষ্ট কাললৈ বন্ধ ৰাখে।

২৯ মাৰ্চ ঃ অসমত জানুৱাৰী মাহৰ ২৬ তাৰিখে হোৱা ঘটনা সম্পৰ্কত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰিবলৈ জনোৱা দাবী লোকসভাত অগ্ৰাহ্য হয়। পঞ্জাবৰ কংগ্ৰেছ সদস্য ডি চি শৰ্মাই অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তনৰ বাবে আৱেদন জনাইছিল।

২ এপ্ৰিল ঃ ৰাজ্য বিধানসভাত পোনপ্ৰথমবাৰৰ বাবে গোটেই মন্ত্ৰীসভাক বাদ দি কেৱল বিশেষ মন্ত্ৰী এগৰাকীৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰা হয়। কমিউনিষ্ট নেতা ফণী বৰাই পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ মন্ত্ৰী লক্ষ্মীপ্ৰসাদ গোস্বামীৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱটো উত্থাপন কৰে। আনহাতে তিনিচুকীয়াত বিগত সময়ছোৱাত হৈ থকা হিংসাত্মক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবৰ বাবে ১ এপ্ৰিলত দুলাল চন্দ্ৰ বৰুৱাই বিধানসভাত উত্থাপন কৰা সভাস্থগিত প্ৰস্তাৱটো অধ্যক্ষ হৰেশ্বৰ গোস্বামীয়ে আজি অনুমোদন জনায়।

৩ এপ্ৰিল ঃ লক্ষ্মীপ্ৰসাদ গোস্বামীৰ বিৰুদ্ধে ফণী বৰাই উত্থাপন কৰা প্ৰস্তাৱটো বিধিবহিৰ্ভুত বুলি অধ্যক্ষ হৰেশ্বৰ গোস্বামীয়ে অভিমত দিয়ে। ৰাজ্যিক বন আৰু ৰাজহ মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে বিধানসভাত অসম ৰাষ্ট্ৰীয় উদ্যান বিলখন বিবেচনাৰ বাবে উত্থাপন কৰে।

১৪ এপ্ৰিল ঃ গুৱাহাটীত সামৰিক লোকৰ উদ্ভণ্ডালি ঃ আজি নিশা গুৱাহাটীৰ উজানবজাৰ অঞ্চলত জধে-মধে মাৰধৰ কৰাৰ ফলত মুঠ ৫জন লোক আহত হয়। উন্মত্ত সামৰিক লোকৰ দ্বাৰা তিনিজন সাংবাদিক আক্ৰান্ত হয় আৰু ইয়াৰে দুজন আহত হয়। নিশা ৮ বজাত উজানবজাৰৰ ৰে'লৱে লেভেল ক্ৰছিঙৰ ওচৰত প্ৰথমে সামৰিক বাহিনীৰ তিনিজন লোকে উন্মত্ত হৈ ৰাইজৰ ওপৰত মাৰধৰ কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পিচতে সেই

মুকলিকৈ সমৰ্থন আগবঢ়াইছিল। উল্লেখ্য যে খাদ্য সংকটৰ পৰিপ্ৰেক্ষিতত উক্ত বছৰত কমিউনিষ্ট দলে ভাৰতৰ স্বাধীনতা দিৱস বৰ্জন কৰিছিল আৰু ক্ষোভ প্ৰকাশ কৰিবলৈ 'অন্ন দিৱস' উদ্‌যাপন কৰিবলৈ তৎপৰ হৈ উঠিছিল। অন্ন দিৱসৰ কাৰ্যসূচী সফল নহ'বলৈ আৰক্ষীয়ে সমগ্ৰ অসম, বিশেষকৈ শ্বিলং, যোৰহাট আৰু গোলাঘাটত বহুসংখ্যক কমিউনিষ্ট সদস্যক আটক কৰে। গোটেই অসমত আটক হোৱা ৫০জন কমিউনিষ্টৰ ভিতৰত উল্লেখযোগ্য আছিল অধ্যাপক নলিনী মিশ্ৰ, বি কে লাহিড়ী, প্ৰফুল্ল মিশ্ৰ, গুৰুচৰণ সিং, ঊষা মুখাৰ্জী, অৰুণ সিংহ আদি। খাদ্য আন্দোলনৰ লগত ইমান দিনে সক্ৰিয়ভাৱে জড়িত হৈ থকা সদৌ গুৱাহাটী আন্তঃকলেজ ছাত্ৰ সংস্থাই 'অন্ন দিৱস'ৰ প্ৰতি মাথোঁ নৈতিক সমৰ্থন প্ৰদান কৰা বিষয়টোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। বামপন্থীসকলৰ লগত থকা মতাদৰ্শগত বিৰোধৰ বাবেই সংস্থাই পৰিষদৰ আহ্বানত হোৱা 'অন্ন দিৱস'ৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা নাছিল বুলি ভবা হৈছিল।

সদৌ অসম ছাত্ৰ সন্থাৰ গঠন

খাদ্য আন্দোলনত বামপন্থী দলবোৰে প্ৰদৰ্শন কৰা সক্ৰিয়তাৰ পিচতে সমগ্ৰ অসমতে জিলা পৰ্যায়ত থকা ছাত্ৰ সংগঠনসমূহৰ মাজত এক তৎপৰতা আৰম্ভ হ'বলৈ ধৰে আৰু অসমভিত্তিক এক ছাত্ৰ সংগঠন গঢ়াৰ প্ৰয়োজনীয়তাও সকলো ঠাইতে উচ্চাৰিত হ'বলৈ আৰম্ভ আৰম্ভ কৰে। ৩ ছেপ্টেম্বৰত প্ৰকাশিত এক বাতৰিযোগে সদৌ গুৱাহাটী ছাত্ৰ সংস্থাৰ কাৰ্যকৰী কমিটীয়ে ৬ ছেপ্টেম্বৰত এখন অভিৱৰ্তন অনুষ্ঠিত কৰাৰ কথা সদৰী কৰে আৰু এই অভিৱৰ্তনলৈ অসমৰ প্ৰতিখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু এজন ছাত্ৰক নিমন্ত্ৰণ জনোৱা হয়। ৬ ছেপ্টেম্বৰত অনুষ্ঠিত অভিৱৰ্তনে ৯ ছেপ্টেম্বৰত সংযুক্ত আন্দোলন পৰিষদে আহ্বান জনোৱা আন্দোলনলৈ সমৰ্থন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ঠাইত ট্ৰাকত প্ৰায় ৪০জন সশস্ত্ৰ সামৰিক লোক উপস্থিত হয় আৰু উপস্থিত ৰাইজক মাৰধৰ কৰিবলৈ ধৰে। প্ৰথমেই উন্মত্ত মিলিটাৰীয়ে এখন ৰিক্সাত আহি থকা এগৰাকী পুৰুষ আৰু মহিলাক ৰিক্সাৰ পৰা নমাই আনি মাৰধৰ কৰে আৰু পিচত এখন ৰখাই থোৱা মটৰৰ আৰোহীসকলক টনা-আঁজোৰা কৰি জুলুম কৰে। সেনাৰ লোকসকলে ইয়াতে ক্ষান্ত নহৈ চিঞৰ-বাখৰ কৰি ওচৰত থকা ঘৰসমূহৰ ভিতৰলৈ সোমায় আৰু মানুহৰ ওপৰত অত্যাচাৰ চলায়। ইয়াৰ পিচতে সেনাৰ জোৱানে প্ৰেছ ট্ৰাষ্ট অব ইণ্ডিয়া চৌহদৰ ভিতৰত সোমাই পি টি আই মেনেজাৰ মাণিক চক্ৰৱৰ্তী আৰু তেওঁৰ ভনীয়েকক মাৰধৰ কৰে।

সাংবাদিক প্ৰহৃত হোৱা এই ঘটনাৰ বিষয়ে লোকসভাত আলোচনা কৰিবলৈ ১৬ এপ্ৰিলত প্ৰজা ছচিয়েলিষ্ট দলৰ সদস্য হেম বৰুৱাই দাবী জনায় আৰু উক্ত ঘটনা সম্পৰ্কে প্ৰতিৰক্ষা মন্ত্ৰীয়ে বিবৃতি দিয়াটো বিচাৰে। অধ্যক্ষৰ অনুমতি নোলোৱাকৈ সদনত বৰুৱাই ভাষণ প্ৰদান কৰা হেতুকে অধ্যক্ষই বৰুৱাক তিৰস্কাৰ কৰে আৰু প্ৰত্যেক সদস্যকে এনে কামত অনুমতি প্ৰদান কৰিলে সদনৰ কোনো কামেই চলাব পৰা নাযাব বুলি মত প্ৰকাশ কৰে। ১৮ এপ্ৰিলত গুৱাহাটী নগৰৰ মাজত অৱস্থিত সামৰিক বিভাগৰ সদৰ কাৰ্যালয়টো স্থানান্তৰ কৰা সম্পৰ্কীয় দাবী এটা লোকসভাত কেন্দ্ৰীয় গৃহ মন্ত্ৰী ৱাই বি চৱনে অগ্ৰাহ্য কৰে। উল্লেখ্য যে পি টি আইৰ সাংবাদিকক ধৰি ৰাইজক মাৰধৰ কৰাৰ প্ৰতিবাদত এই দাবীটো উত্থাপন কৰা হৈছিল।

২০ এপ্ৰিল ঃ তেজপুৰত অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই পুনৰ গঠনৰ উদ্দেশ্যে অসমক খণ্ডিত কৰিলে ভাৰতে এই ৰাজ্যখনক সম্পূৰ্ণভাৱে হেৰুৱাব লগা হ'ব পাৰে বুলি মত ব্যক্ত কৰে। অসমৰ যিকোনো খণ্ডিতকৰণৰে বিৰোধী বুলি তেওঁ নিজৰ দৃঢ় স্থিতি দাঙি ধৰে।

২১ এপ্ৰিল ঃ মঙলদৈ অঞ্চলত খাদ্য

অৱশ্যে পিচলৈ অসমৰ মুখ্যমন্ত্ৰীজনৰ প্ৰতিশ্ৰুতিমৰ্মে পৰিষদে আন্দোলনৰ কাৰ্যসূচী উঠাই লয়।

১৯৬৬ চনৰ ১৫ ছেপ্টেম্বৰত অসমৰ বিভিন্ন ঠাইৰ ছাত্ৰসকলৰ এটা প্ৰতিনিধি দলে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু গৃহমন্ত্ৰী জি এল নন্দক লগ ধৰিবৰ বাবে দিল্লীলৈ যায়। এই প্ৰতিনিধি দলৰ নেতৃত্ব লৈছিল সদৌ গুৱাহাটী আন্তঃকলেজ ছাত্ৰ সংস্থাৰ সাধাৰণ সম্পাদক সুশীল গোস্বামীয়ে। অসমৰ বিভিন্ন সমস্যা ৰাষ্ট্ৰীয় পৰ্যায়ত দাঙি ধৰাৰ উদ্দেশ্যে যোৱা এই প্ৰতিনিধি দলটোৱে প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতি আৰু কেন্দ্ৰীয় জলসিঞ্চন আৰু শক্তি মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদক লগ ধৰে। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ হাতত দিয়া স্মাৰক-পত্ৰখনত ছাত্ৰ প্ৰতিনিধি দলটোৱে ৰাজ্যখনৰ খাদ্য সমস্যা, নিবনুৱা আৰু পাহাৰীয়া লোকৰ সমস্যা আদিৰ বিষয়ে উল্লেখ কৰে। ৰাজ্যখনত অধিকসংখ্যক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান গঢ় দিয়া, ব্ৰডগজৰ সম্প্ৰসাৰণ, বানপানীৰ স্থায়ী সমাধান আদি বিষয়ো প্ৰতিনিধি দলটোৱে প্ৰধানমন্ত্ৰীৰ আগত সজোৰে উত্থাপন কৰে।

প্ৰথম অধিৱেশন

ছাত্ৰ প্ৰতিনিধি দলটোৱে অসমলৈ ঘূৰি অহাৰ পিচতে এক জাতীয় ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ সংগঠন গঢ় দিয়াৰ বিষয়টো বিভিন্ন মহলত চৰ্চিত হ'বলৈ ধৰে আৰু এনে এক বাতাৱৰণৰ মাজতে ১৯৬৬ চনৰ ১ আৰু ২ অক্টোবৰত যোৰহাটত এখন ছাত্ৰ সন্মিলন অনুষ্ঠিত হয়। উল্লেখযোগ্য যে সেই অভিৱৰ্তনখনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল তৰুণ গগৈ, যি পৰৱৰ্তী পৰ্যায়ত অসমৰ মুখ্যমন্ত্ৰী হয়। অৱশ্যে অভিৱৰ্তনৰ ঠিক আগে আগে লোকেল ব'ৰ্ডৰ নিৰ্বাচনত জড়িত হৈ পৰাৰ বাবে তেওঁ সভাপতিৰ বিষয়-বাব এৰি দিছিল। অসমৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ প্ৰায়

সংকট। চাউল খুজিবলৈ যাওঁতে ৰঙাগড়া পাথৰ গাঁৱৰ এজন লোকৰ অনাহাৰত মৃত্যু।

৩ মে'ঃ পৰিকল্পনা আয়োগৰ জনজাতীয় উন্নয়ন কাৰ্যসূচী দলৰ চেয়াৰমেন পি শ্বিলু আওৱে নেফাৰ আটাইবোৰ স্কুলতে শিক্ষাৰ মাধ্যম তৎকালেই অসমীয়া প্ৰৱৰ্তন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে নেফাৰ জনসাধাৰণে বাহিৰলৈ আহিলেই চুবুৰীয়া লোক হিচাপে ব্ৰহ্মপুত্ৰ উপত্যকাৰ লোকক পায় আৰু সেয়েহে নেফাৰ জনস্বাৰ্থৰ বাবেই তেওঁলোকক অসমীয়া ভাষাৰ শিক্ষা দিব লাগে। নেফাক ভাৰতৰ বাকী অংশৰ সৈতে একীভূত কৰাৰ সম্ভাৱনাও কেৱল অসমৰ যোগেদিহে হ'ব পাৰে বুলি তেওঁ অভিমত আগবঢ়ায়।

৮ মে'ঃ দৰং জিলাৰ মঙলদৈ মহকুমাত প্ৰায় ৪ লাখ লোক অনাহাৰৰ কবলত পৰা বুলি চৰকাৰী সূত্ৰত প্ৰকাশ। গোৱালপাৰা জিলাতো খাদ্য সংকট।

১০ মে'ঃ অসম বিধানসভাৰ অধ্যক্ষ, বিশিষ্ট আইনজীৱী আৰু ৰাজনীতিজ্ঞ হৰেশ্বৰ গোস্বামীৰ আকস্মিকভাৱে শিলপুখুৰীত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫১ বছৰ।

১৬ মে'ঃ গুৱাহাটীত ২৬ জানুৱাৰীত ঘটি যোৱা অশান্তি সংক্ৰান্তত অসম চৰকাৰে গঠন কৰা ন্যায়াধীশ কে চি সেনৰ এজনীয়া আয়োগে ৰবীন্দ্ৰ ভৱনত প্ৰথম সাক্ষ্য গ্ৰহণ কৰে। সাক্ষ্যদান কালত ফাঁচীবজাৰৰ তামোল-পাণ বিক্ৰী কৰা বঙালী মহিলা ব্যৱসায়ীয়ে ফাঁচীবজাৰ পৌৰসভাৰ বজাৰৰ আশে-পাশে আৰু ভিতৰত গোলমাল কৰা লোকসকল অসমীয়া নাছিল বুলি কয়। ঘটনাৰ প্ৰত্যক্ষদৰ্শী হিচাপে সাক্ষ্যদান কৰা মহিলাগৰাকীয়ে প্ৰশ্নোত্তৰ প্ৰসংগত গোলমাল কৰা ডেকাবিলাক মাৰোৱাৰী যুৱক বুলি কয়।

২৮ মে'ঃ প্ৰাদেশিক পি এছ পিৰ চেয়াৰমেন হেম বৰুৱাই কামৰূপ, দৰং, গোৱালপাৰা আৰু গাৰো পাহাৰৰ অনাটনগ্ৰস্ত অংশক

শতাধিক প্ৰতিনিধিয়ে এই অভিৱৰ্তনত সৰ্বসন্মতিৰে 'সদৌ অসম ছাত্ৰ সন্থা' (All Assam Student's Union) নামৰ সংগঠন এটি জন্ম দিয়াৰ প্ৰস্তাৱ লয়। প্ৰস্তাৱমৰ্মে সদৌ অসম ছাত্ৰ সন্থাৰ তদৰ্থ কমিটী এখন গঠন কৰা হয়। অভিৱৰ্তনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সম্পাদক লক্ষ্মীকান্ত শইকীয়াক তদৰ্থ কমিটীখনৰ সভাপতি আৰু যোৰহাট আইন মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক দিলীপ কুমাৰ ভট্টাচাৰ্যক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰে। অভিৱৰ্তনে তদৰ্থ কমিটীখনক সদৌ অসম ছাত্ৰ সন্থাৰ বাবে সংবিধান প্ৰণয়ন তথা এই সংবিধানখনক অসমৰ সকলো শৈক্ষিক প্ৰতিষ্ঠানৰ দ্বাৰা অনুমোদিত কৰি লোৱাৰ কৰ্তৃত্ব প্ৰদান কৰে।

এনেদৰে যোৰহাট অভিৱৰ্তনত জন্ম পালে অসমৰ আন এক সৰ্ববৃহৎ জাতীয় সংগঠনৰ। আনুষ্ঠানিকভাৱে জন্মগ্ৰহণ কৰাৰ কিছুদিনৰ ভিতৰতে সদৌ অসম ছাত্ৰ সন্থাই (আছু) অসমৰ প্ৰায় সকলো সামাজিক-ৰাজনৈতিক বিষয়ত মাত মাতিবলৈ আৰম্ভ কৰিলে। ১৬ অক্টোবৰত আছুৰ ফালৰ পৰা এক প্ৰেছ বিজ্ঞপ্তি বাতৰিকাকতত প্ৰকাশ পালে। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰীজনে ছাত্ৰ আন্দোলনৰ ক্ষেত্ৰত গ্ৰহণ কৰা স্থিতিৰ ভূয়সী প্ৰশংসা কৰি সংগঠনটোৰ সাধাৰণ সম্পাদকজনৰ দ্বাৰা যোৰহাটৰ পৰা এই বিজ্ঞপ্তি প্ৰকাশ কৰা হৈছিল। সম্ভৱতঃ সেয়াই আছিল সদৌ অসম ছাত্ৰ সন্থাৰ বেনাৰত প্ৰকাশ পোৱা প্ৰথম প্ৰেছ বিজ্ঞপ্তি।

সংগঠনটো গঢ় লৈ উঠাৰ পিচত খাদ্য আন্দোলন আৰু অসমৰ পুনৰ গঠন বিষয়ত আছু আটাইতকৈ সৰৱ হ'বলৈ আৰম্ভ কৰিলে। ১৯৬৭ চনৰ ১৭ জানুৱাৰীত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি লক্ষ্মীকান্ত শইকীয়াই প্ৰেছলৈ দিয়া এটা বিবৃতিত অসমক পুনৰ সংগঠন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্তৰ বিৰোধিতা কৰে। সংগঠনটোৱে অৱশ্যে পাৰ্বত্য জিলাকেইখনক স্বায়ত্ত শাসন প্ৰদান কৰাৰ প্ৰতি নিজৰ সমৰ্থন প্ৰকাশ

দুৰ্ভিক্ষপীড়িত অঞ্চল বুলি ঘোষণা কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়।

৬ জুন ঃ দিল্লীত বহা কংগ্ৰেছ সংসদীয় দলৰ কাৰ্যনিৰ্বাহকৰ সৰহভাগ সদস্যাই আইন-শৃংখলাকে সামৰি বিস্তৃত ক্ষমতাদানেৰে অসমত স্বায়ত্তশাসিত পাৰ্বত্য ৰাজ্য গঠনৰ বাবে কেন্দ্ৰই আগবঢ়োৱা আঁচনিৰ বিৰোধিতা কৰে।

৯ জুন ঃ ক'হিমাৰ পৰা আঠ মাইল দূৰত অৱস্থিত জেটচোমা গাঁৱত নিৰাপত্তা বাহিনী আৰু বিদ্ৰোহী নগাৰ মাজত হোৱা সংঘৰ্ষত ২০০ লোক নিহত হয়।

১১ জুন ঃ অসমত দ্বিতীয় তেল শোধনাগাৰ স্থাপন কৰাৰ দাবীত আহ্বান জনোৱা 'তেল শোধনাগাৰ দাবী দিৱস' আজি গোটেই অসমতে শান্তিপূৰ্ণভাৱে পালন কৰা হয়।

১৭ জুন ঃ আকাশবাণীৰ আইজল কেন্দ্ৰ প্ৰাংগণত ঘটা এক বিস্ফোৰণত কেন্দ্ৰীয় সশস্ত্ৰ সংৰক্ষিত বাহিনীৰ এগৰাকী লোক নিহত হয়।

২৭ জুন ঃ অসমত হোৱা ব্যাপক বানপানীত তেৰজনৰ সলিল সমাধি ঘটে আৰু বহু লোকৰ প্ৰাণহানি হয়।

৪ জুলাই ঃ নগাঁৱৰ চামগুৰি সমষ্টিৰ পৰা বিগত অসম বিধানসভাৰ নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰা গোলক চন্দ্ৰ বৰুৱাই অসম আৰু নাগালেণ্ড উচ্চ ন্যায়ালয়ৰ নিৰ্বাচনী আদালতত দাখিল কৰা নিৰ্বাচন-আবেদন পত্ৰখন মঞ্জুৰ কৰি ন্যায়াধীশ কমলেশ চন্দ্ৰ সেনে চামগুৰি সমষ্টিৰ পৰা নিৰ্বাচিত দেৱকান্ত বৰুৱাৰ নিৰ্বাচন অবৈধ বুলি ঘোষণা কৰে।

৭ জুলাই ঃ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে আজি চন্দ্ৰপুৰ থাৰ্মেল পাৱাৰ ষ্টেচনৰ তৃতীয় জেনেৰেটৰটো উদ্বোধন কৰে। ১৪০ মেগাৱাট ক্ষমতা সম্পন্ন এইটোৱেই হৈছে দেশৰ আটাইতকৈ বৃহত্তম জেনেৰেটৰ।

১৪ জুলাই ঃ ভাৰতীয় জনসংঘই সমগ্ৰ দেশতে আজিৰ দিনটো 'অসম দিৱস' হিচাপে পালন কৰিবৰ কাৰণে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই জনসংঘৰ অসম শাখাই গুৱাহাটীত এই দিৱস পালন কৰে। চাৰ্চ ফিল্ডত

কৰিছিল। এই বিজ্ঞপ্তি দিয়াৰ সময়ত লক্ষ্মীকান্ত শইকীয়া গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থা আৰু সদৌ গুৱাহাটী আন্তঃকলেজ ছাত্ৰ সংস্থাৰো সভাপতিৰ দায়িত্বত আছিল। সদৌ অসম ছাত্ৰ সন্থাই ফেডাৰেল আঁচনিৰ বিৰোধিতা কৰি কেন্দ্ৰীয় চৰকাৰৰ লগতে অসম চৰকাৰৰ ওচৰতো স্মাৰকপত্ৰ প্ৰদান কৰিছিল।

সদৌ অসম ছাত্ৰ সন্থাৰ দ্বিতীয় তেজপুৰ অধিৱেশন

সদৌ অসম ছাত্ৰ সন্থাৰ দ্বিতীয় অধিৱেশনখন তেজপুৰত অনুষ্ঠিত হয়। তিনিদিনীয়া এই অধিৱেশনত সদৌ অসম ছাত্ৰ সন্থাৰ সংবিধানখন সৰ্বসন্মতিক্ৰমে গৃহীত হয় আৰু একেদৰে এই অধিৱেশনতে আছুৰ কেন্দ্ৰীয় কমিটীখন গঠন কৰা হয়। অধিৱেশনত অসমৰ প্ৰতিটো অঞ্চলৰ পৰা বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ৰ প্ৰতিনিধিয়ে যোগ দিছিল। ৭ আগষ্টত অধ্যক্ষ বিপিনপাল দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত কেইবাটাও প্ৰস্তাৱ গৃহীত হয়। এই প্ৰস্তাৱসমূহ হৈছে —

(১) অসাধু ব্যৱসায়ীৰ পৰা অসমৰ খাদ্য শস্যৰ ব্যৱসায় সুৰক্ষিত কৰা তথা এই বিষয়ত চৰকাৰী আঁচনি সলনি কৰা।

(২) অসমত দ্বিতীয় এটা শোধনাগাৰ প্ৰতিষ্ঠা।

(৩) কাশ্মীৰ চৰকাৰৰ লেখীয়াকৈ কলেজ পৰ্যায়লৈ অসমত বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰা।

(৪) গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ ব্ৰডগজ লাইনৰ সম্প্ৰসাৰণ কৰা।

(৫) ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন দলং নিৰ্মাণ আৰু

(৬) কেন্দ্ৰীয় চৰকাৰে অসমৰ ক্ষেত্ৰত লোৱা ফেডাৰেল আঁচনিৰ বিৰোধিতা কৰি পাহাৰীয়া লোকৰ হাতত অধিক ক্ষমতা প্ৰদান কৰা।

এই অধিৱেশনত নিজৰ সাৱলীল বক্তৃতাত বিপিনপাল দাসে ছাত্ৰ ৰাজনীতিৰ প্ৰাসংগিকতা বাৰুকৈয়ে দোহাৰিছিল। সদৌ অসম ছাত্ৰ সন্থাৰ

অনুষ্ঠিত এক ৰাজহুৱা সভাত কেইবাজনো বক্তাই পুনৰ গঠনৰ প্ৰস্তাৱৰ বিৰোধিতা কৰে আৰু এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক সতৰ্কতা অৱলম্বন কৰিবলৈ দাবী জনায়।

১৫ জুলাই ঃ দ্বিতীয় তেল শোধনাগাৰৰ দাবীত গুৱাহাটীত দুদিনীয়াকৈ বহা ৰাজ্যিক অভিৱৰ্তনত তেল শোধনাগাৰ আন্দোলন পৰিচালনা কৰিবলৈ অভিৱৰ্তনত যোগ দিয়া প্ৰায় ৫৬টা অনুষ্ঠানৰ পৰা এখন ৭৩জনীয়া তেল শোধনাগাৰ সংগ্ৰাম পৰিষদ গঠন কৰা হয়।

২০ জুলাই ঃ এই বছৰ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ প্ৰলয়ংকৰী বানপানীত ১৮জন লোকৰ মৃত্যু হয় বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰে।

● মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই লাকুৱা মৰাণ পাইপলাইন উদ্বোধন কৰি এই উদ্যোগত স্থানীয় লোকে সুবিধা পাব লাগে বুলি মত ব্যক্ত কৰে।

২ আগষ্ট ঃ মাচুল বৃদ্ধিৰ প্ৰতিবাদত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰায় ৩,৫০০ ছাত্ৰ-ছাত্ৰীয়ে অনিৰ্দিষ্ট কালৰ বাবে ধৰ্মঘট আৰম্ভ কৰে।

১১ আগষ্ট ঃ নবীন বৰদলৈ হলত অনুষ্ঠিত গুৱাহাটী জিলা তেল শোধনাগাৰ অভিৱৰ্তনে দ্বিতীয় তেল শোধনাগাৰ দাবীত অহা ২৩ আগষ্টৰ দিনা গুৱাহাটী মহকুমাৰ বিভিন্ন অঞ্চলত সৰ্বাত্মক হৰতাল পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

১২ আগষ্ট ঃ গুৱাহাটীৰ পৰা ৪০ মাইল পশ্চিমে অৱস্থিত ব্ৰহ্মপুত্ৰৰ চৰ এলেকাৰ গ্ৰেজিঙৰ পৰা পাঁচশৰো অধিক লোকে ৪০০ৰো অধিক ম'হ বলপূৰ্বকভাৱে ম'হ ৰখীয়াসকলৰ পৰা খেদি নিয়ে আৰু কেইবাজনো ম'হৰখীয়াক মাৰধৰ কৰে।

২৩ আগষ্ট ঃ দ্বিতীয় তেল শোধনাগাৰৰ দাবীত অসমজুৰি হৰতাল পালন কৰা হয়।

২৪ আগষ্ট ঃ ২২জন সদস্যৰে গঠিত স্বায়ত্তশাসিত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলা পৰিষদৰ ভাৰ শাসনাধিষ্ঠ পিপলছ ডেমক্ৰেটিক দলৰ হাতৰ পৰা কংগ্ৰেছৰ হাতলৈ আহে।

২৭ আগষ্ট ঃ বিধানসভাত পুনৰ

সাধাৰণ সম্পাদক দিলীপ কুমাৰ ভট্টাচাৰ্যই প্ৰতিষ্ঠাৰ দিনৰে পৰা সন্থাই গ্ৰহণ কৰা কাৰ্যসূচীবোৰৰ বিষয়ে সভাক অৱগত কৰাইছিল। আদৰণী সমিতিৰ সভাপতি জীৱন বৰাই প্ৰতিনিধি তথা অতিথিসকলক আদৰণি জনাইছিল। হিল ইউনাইটেড ফ্ৰণ্ট (ষ্টুডেণ্টছ)ৰ সভাপতি ই বি এম ৰয় আৰু যুটীয়া সম্পাদক এ চাংমাই এই অধিৱেশনত অংশগ্ৰহণ কৰিছিল।

৮ আগষ্টত আছুৰ সংবিধান গৃহীত হয় আৰু অধিৱেশনে আছুৰ ক্ষেত্ৰাধিকাৰ সমগ্ৰ অসম ৰাজ্যতে নিৰ্ণয় কৰি দিয়ে। এই সংগঠনটোৰ গাঁথনিটো নিম্নোক্ত ধৰণে ঠিক কৰি দিয়া হৈছিল—

(১) আছুৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰাথমিক বা স্থানীয় গোটবোৰ গঠন কৰা হ'ব। বিভিন্ন ছাত্ৰ সম্পাদকৰ দ্বাৰা গঠিত এখন কাৰ্যবাহী কমিটীৰ দ্বাৰা এই গোট পৰিচালিত হ'ব।

(২) আঞ্চলিক ছাত্ৰ সন্থা, স্থানীয় বা প্ৰাথমিক গোটবোৰৰ দ্বাৰা গঠিত হ'ব। এনে আঞ্চলিক কমিটীৰ ক্ষেত্ৰাধিকাৰ মহকুমা আৰু জিলা সন্থাৰ সৈতে আলোচনা কৰি ৰাজ্যিক কাৰ্যনিৰ্বাহক কমিটীয়ে নিৰ্ণয় কৰি দিব। আঞ্চলিক কাৰ্যনিৰ্বাহক কমিটীখন স্থানীয় গোটবোৰৰ কাৰ্যনিৰ্বাহকৰে গঠিত হ'ব। এনে আঞ্চলিকসমূহৰ নাম সেই অঞ্চলবোৰৰ নাম অনুসৰি হ'ব।

(৩) এটা মহকুমাৰ অন্তৰ্গত আঞ্চলিক পৰিষদৰ দ্বাৰা মহকুমা ছাত্ৰ সন্থা গঠিত হ'ব আৰু ইয়াৰ ক্ষেত্ৰাধিকাৰ গোটেই মহকুমাতে বিস্তৃত হ'ব। মহকুমা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক কমিটী আঞ্চলিক পৰিষদৰ কাৰ্যনিৰ্বাহকৰে গঠিত হ'ব। মহকুমাৰ নাম অনুসাৰে গোটটোৰ নামকৰণ হ'ব।

(৪) জিলা ছাত্ৰ সন্থা মহকুমা ছাত্ৰ সন্থাৰ দ্বাৰা গঠিত হ'ব। প্ৰতিখন জিলাৰ আঞ্চলিক পৰিষদৰ প্ৰতিনিধিৰ দ্বাৰা জিলাৰ কাৰ্যনিৰ্বাহক কমিটী গঠিত হ'ব। এই গোটটোৰ নাম জিলাৰ নামেৰে হ'ব।

গঠনৰ শেহতীয়া প্ৰস্তাৱ অগ্ৰাহ্য ঃ অসমৰ পুনৰ গঠন সম্পৰ্কীয় ভাৰত চৰকাৰৰ শেহতীয়া প্ৰস্তাৱ অসম বিধানসভাই আজি নিশা সৰ্বসন্মতিক্ৰমে অগ্ৰাহ্য কৰে। সদনৰ উভয় পক্ষৰ সদস্যসকলে এই মনোভাব প্ৰকাশ কৰে যে কেন্দ্ৰৰ শেহতীয়া প্ৰস্তাৱটো অসমৰ বিভাজনতকৈও বেছি অনিষ্টকৰ, কাৰণ এই প্ৰস্তাৱেৰে আচল মৌলিক অধিকাৰৰ ওপৰত আক্ৰমণ চলোৱা হৈছে। এনে এক একপক্ষীয় সিদ্ধান্ত লোৱাৰ বাবে অসম বিধানসভাৰ সদস্যসকলে ভাৰত চৰকাৰক তীব্ৰভাৱে দোষাৰোপ কৰে আৰু কয় যে ভাৰত চৰকাৰে অসমৰ পুনৰ গঠন কৰিবৰ সময়ত উত্তৰ-পূব অঞ্চলৰ এই ৰাজ্যখনৰ নিৰাপত্তা আৰু অখণ্ডতাৰ বিষয়টো গুৰুত্বসহকাৰে বিবেচনা কৰিব লাগিব। বিধানসভাত গ্ৰহণ কৰা প্ৰস্তাৱটোত কোৱা হয় ঃ 'অসম ৰাজ্যৰ ভিতৰতে সংযুক্ত খাছীয়া আৰু জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰক লৈ আৰু অন্যান্য পাৰ্বত্য জিলাসমূহক স্বেচ্ছাই বাছনিৰ সুযোগ দি এখন স্বায়ত্তশাসিত ৰাজ্য সৃষ্টি কৰি বা তাৰ বিকল্পে সংযুক্ত খাছীয়া আৰু জয়ন্তীয়া পাহাৰ আৰু গাৰোপাহাৰক লৈ এখন আৰু মিজো পাহাৰক জিলাক লৈ আন এখন — মুঠ দুখন কেন্দ্ৰীয়শাসিত অঞ্চল সৃষ্টি কৰি অসমক পুনৰ গঠন কৰাৰ যি শেহতীয়া প্ৰস্তাৱ ভাৰত চৰকাৰে লৈছে সেই বিষয়ে মুখ্যমন্ত্ৰীৰ মুখৰ পৰা শুনাৰ পিচত এই বিধানসভাই সৰ্বসন্মত অভিমত প্ৰকাশ কৰিছে যে এই প্ৰস্তাৱে সমস্যাৰ সমাধান নকৰে আৰু এই প্ৰস্তাৱ পাহাৰ অৰু ভৈয়াম উভয়ৰে স্বাৰ্থৰ পৰিপন্থী আৰু সেয়ে এই প্ৰস্তাৱ সদনৰ কাৰণে গ্ৰহণযোগ্য নহয়।'

- হৰেশ্বৰ গোস্বামীৰ মৃত্যুৰ পিচত আজি বিধানসভাৰ অধ্যক্ষ নিৰ্বাচনত উপাধ্যক্ষ মহীকান্ত দাসে বিৰোধী পক্ষৰ প্ৰাৰ্থী লক্ষ্যধৰ চৌধুৰীক পৰাজিত কৰি অধ্যক্ষ নিৰ্বাচিত হয়।

২৮ আগষ্ট ঃ এটা চৰকাৰী প্ৰস্তাৱৰ বিৰুদ্ধে প্ৰতিবাদ জনাই আজি সন্ধিয়া বিধানসভাত মিজো পাহাৰৰ এজন

প্ৰথম পৰ্যায়ৰ সভাপতিসকল	
লক্ষ্মীকান্ত শইকীয়া	১৯৬৬-৬৭
তিলক গগৈ	১৯৬৭-৬৮
প্ৰদীপ দেৱান	১৯৬৯-৭১
পুলকেশ বৰুৱা	১৯৭১-৭২
লালন প্ৰসাদ সিং, প্ৰবীণ ডেকা	১৯৭৩-৭৪
	অন্তৰ্ৱৰ্তীকালীন সময়ৰ বাবে সভাপতি হৈছিল
বৃন্দাবন গোস্বামী	১৯৭৫-৭৭

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰথম পৰ্যায়ৰ সম্পাদকসকল	
দিলীপ কুমাৰ ভট্টাচাৰ্য	১৯৬৬-৬৭
ভাৰত লোহাৰ	১৯৬৭-৬৯
অতুল বৰা	১৯৬৯-৭১
প্ৰসন্ন নাৰায়ণ চৌধুৰী	১৯৭১-৭২
যতীন চৌধুৰী	১৯৭৩-৭৪
দ্বীপেন দত্ত, গৌতম বৰা	অন্তৰ্ৱৰ্তীকালীন সময়ৰ বাবে সম্পাদক হৈছিল
দ্বীপেন দত্ত, তাজমুল হক	১৯৭৫-৭৭

সদৌ অসম ছাত্ৰ সন্থাৰ তেজপুৰ অধিৱেশনে ইয়াৰ সাংবিধানিক লক্ষ্য হিচাপে সমতা, স্বাধীনতা, ন্যায় আৰু মৈত্ৰীৰ কথা দোহাৰিছিল। অধিৱেশনত সিদ্ধান্ত লোৱা হয় যে আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক কমিটীত

নিৰ্দলীয় সদস্যৰ বাদে সমগ্ৰ বিৰোধী পক্ষই সদন ত্যাগ কৰি ওলাই যায়। এই প্ৰস্তাৱযোগে কেতবোৰ কৰ ৰাজ্য চৰকাৰৰ হৈ কেন্দ্ৰীয় চৰকাৰক সংগ্ৰহ কৰাৰ কৰ্তৃত্ব দিয়া হৈছে। খেতিৰ মাটিৰ ক্ষেত্ৰত সম্পত্তি কৰ সংগ্ৰহৰ কৰ্তৃত্ব এই প্ৰস্তাৱযোগে কেন্দ্ৰীয় চৰকাৰৰ হাতত দিয়া হয়। সংযুক্ত বিধায়িনী দলৰ দলপতি গৌৰীশংকৰ ভট্টাচাৰ্যই কয় যে সংবিধানৰ ২৫২ নং ধাৰা অনুযায়ী যদি এই কৰ্তৃত্ব এবাৰ কেন্দ্ৰক দিয়া হয় তেতিয়াহ'লে তাক আৰু ঘূৰাই পাব পৰা নহ'ব।

৩১ আগষ্ট ঃ বৰদলৈ ট্ৰফীৰ অসম পুলিচ আৰু ইষ্টাৰ্ণ ৰে'লৱেৰ মাজত হোৱা প্ৰথম ছেমিফাইনেলৰ অন্তত স্বগৃহলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ ওলোৱা দৰ্শকৰ ওপৰত চেণ্ট্ৰেল ৰিজাৰ্ভ পুলিচ বাহিনীয়ে আকস্মিকভাৱে গুলী, লাঠী আৰু বেয়নেটৰে আক্ৰমণ চলোৱাত এগৰাকী ১১ বছৰীয়া কিশোৰে প্ৰাণ হেৰুৱায় আৰু ৫০জন লোক আহত হয়।

২ ছেপ্টেম্বৰ ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ বিৰুদ্ধে বিৰোধী পক্ষই উত্থাপন কৰা এটা অনাস্থা প্ৰস্তাৱ অসম বিধানসভাত ৩৭-৬৭ ভোটত অগ্ৰাহ্য হয়।

৫ ছেপ্টেম্বৰ ঃ অসমৰ সকলো জিলাৰ পৰা কেন্দ্ৰীয় ৰিজাৰ্ভ পুলিচ বাহিনীক আঁতৰাই নিবলৈ আজি ৰাজ্য বিধানসভাত বিৰোধী দলৰ সদস্যসকলে একমুখে দাবী জনায়। চি আৰ পি এফৰ জোৱানে থলুৱা লোকৰ প্ৰতি হিংসাত্মক আচৰণ কৰিছে বুলি বিৰোধী দলৰ সদস্যসকলে লগতে অভিযোগ উত্থাপন কৰে।

৬ ছেপ্টেম্বৰ ঃ ৰাজ্যিক চৰকাৰে কাবুলীসকলক অসম ত্যাগ কৰাৰ জাননী দিবলৈ সিদ্ধান্ত লৈছে বুলি অসম বিধানসভাৰ প্ৰশ্নোত্তৰ কালত মুখ্যমন্ত্ৰী চলিহাই সদনক জনায়। ১৯৫৪ চনৰ পিচত অহা কাবুলীসকলক ব্যৱসায় বন্ধ কৰি ৰাজ্য এৰি যাবলৈ ইতিমধ্যে জাননী দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। টকা সুতলৈ ধাৰে দিয়া যিসকল বিদেশীয়ে বিনিময়ত অতিৰিক্ত সুত

প্ৰতিখন জিলাৰ পাঁচজনকৈ প্ৰতিনিধি থাকিব। ১৯৬৭ চনৰ তেজপুৰ অধিৱেশনত পূৰ্ণ ৰূপ লাভ কৰা সদৌ অসম ছাত্ৰ সন্থা নামৰ সংগঠনটো পৰৱৰ্তী সময়ত অসমৰ প্ৰতিটো ৰাজনৈতিক, সামাজিক অথবা আৰ্থিক পৰিঘটনাৰ সৈতে জড়িত হৈ পৰিল আৰু এক অৰ্থত অসমৰ সমাজ-ৰাজনীতিৰ আটাইতকৈ নিৰ্ণায়ক শক্তিলৈ ৰূপান্তৰিত হ'ল।

আদায় কৰে সেইসকলক আৰু অধিক দিন থকাৰ বাবে অনুমতি দিয়া নহ'ব বুলি তেওঁ সদনক অৱগত কৰে।

৯ ছেপ্টেম্বৰ ঃ সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে আহ্বান কৰা হৰতাল আজি পুৱাৰ পৰা আবেলি ৩ বজালৈকে শ্বিলঙত শান্তিপূৰ্ণভাৱে পালন কৰা হয়। সুকীয়া পাৰ্বত্য ৰাজ্যৰ দাবীত কৰা এই হৰতালৰ সময়ত চহৰখনৰ সকলো শিক্ষানুষ্ঠান, বাণিজ্য সংস্থা, চৰকাৰী কাৰ্যালয় আৰু পথ পৰিবহণ বন্ধ থাকে।

১১ ছেপ্টেম্বৰ ঃ অসম পুনৰ্গঠনৰ চূড়ান্ত ঘোষণা ঃ অসম ৰাজ্যৰ ভিতৰতে স্বায়ত্তশাসিত ৰাজ্য এখন গঠন কৰাৰ চূড়ান্ত সিদ্ধান্ত ভাৰত চৰকাৰে আজি নতুন দিল্লীত ঘোষণা কৰে। পোনতে গাৰো আৰু খাছী আৰু জোৱাই (জয়ন্তীয়া) পাৰ্বত্য জিলাক লৈ স্বায়ত্তশাসিত ৰাজ্যখন গঠিত হ'ব। স্বায়ত্তশাসিত জিলা মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰে তেওঁলোকৰ নিজা জিলা পৰিষদৰ দুই-তৃতীয়াংশ ভোটৰ সংখ্যাগৰিষ্ঠতাৰ জোৰত এই স্বায়ত্তশাসিত ৰাজ্যখনত যোগ দিয়াৰ স্বেচ্ছা বাছনি কৰিব পাৰিব। আইন-শৃংখলাজনিত কাৰণৰ বাবে মিজো জিলাৰ ক্ষেত্ৰত এনে স্বেচ্ছা বাছনিৰ সুবিধা দিয়া হোৱা নাই। আঁচনিখনৰ মতে ৰাজহুৱা শৃংখলা আৰু পুলিচ বিষয়ক দায়িত্ব অসম চৰকাৰৰ হাততে থাকিব। আনহাতে সংবিধান অনুসৰি গাঁও আৰু টাউন পুলিচ বিষয়ক দায়িত্ব জিলা পৰিষদসমূহৰ হাতত থাকিব। ভাৰত চৰকাৰৰ এই আঁচনিৰ প্ৰস্তাৱসমূহ এনেধৰণৰ— প্ৰস্তাৱিত স্বায়ত্তশাসিত ৰাজ্যখনৰ এখন নিজা বিধানসভা আৰু এখন মন্ত্ৰী পৰিষদ থাকিব। এজন মুখ্যমন্ত্ৰীৰ নেতৃত্বত মন্ত্ৰী পৰিষদখন গঠিত হ'ব। স্বায়ত্তশাসিত ৰাজ্যখনকে ধৰি অসমৰ পাৰ্বত্য অঞ্চলকেইটাই অসম বিধানসভাতো প্ৰতিনিধিত্ব কৰিব পাৰিব। অসম মন্ত্ৰীসভাৰ মন্ত্ৰী বাছনি কৰোঁতে স্বায়ত্তশাসিত ৰাজ্য আৰু অন্যান্য পাৰ্বত্য অঞ্চলক যথাবিহিত প্ৰতিনিধিত্ব দিয়া হ'ব। অসম আৰু স্বায়ত্তশাসিত ৰাজ্যৰ ৰাজধানী শ্বিলঙেই থাকিব। শ্বিলঙৰ

কমিউনিষ্ট পাৰ্টীৰ বিভাজন

ভাৰতবৰ্ষত কমিউনিষ্ট দলৰ সম্প্ৰসাৰণৰ শক্তিশালী ভেটি ৰচনা হৈছিল ১৯৫২ চনৰ ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচনত আৰু এই নিৰ্বাচনত ভাৰতৰ কমিউনিষ্ট পাৰ্টীয়ে (CPI) ভাৰতীয় জাতীয় কংগ্ৰেছৰ পিচতে স্থান লাভ কৰি সংসদৰ প্ৰধান বিৰোধী গোটৰ মৰ্যাদা পায়। আন্তৰ্জাতিক পৰ্যায়ত কোৰিয়া, ভিয়েটনাম আদিত সাম্ৰাজ্যবাদী শক্তিৰ পৰাজয় ঘটাৰ সমান্তৰালভাৱে ভাৰতবৰ্ষৰ প্ৰান্তে প্ৰান্তে কৃষক আন্দোলন, জমিদাৰী বিলোপৰ বাবে আন্দোলন আদিয়ে ভাৰতবৰ্ষৰ সমাজ-ৰাজনীতি উত্তাল কৰি ৰাখিছিল।

কেণ্টনমেণ্ট আৰু পৌৰ এলেকাৰ প্ৰশাসন অসম চৰকাৰে চলাই থাকিব। উমৈহতীয়া বিষয়সমূহৰ প্ৰশাসনৰ বাবে অসম চৰকাৰক পৰামৰ্শ দিবলৈ স্বায়ত্তশাসিত ৰাজ্য আৰু অন্যান্য পাৰ্বত্য অঞ্চলৰ এম এল এসকলক লৈ অসম বিধানসভাৰ এখন ষ্টেণ্ডিং কমিটী থাকিব। ৰাজ্যপাল, উচ্চ ন্যায়ালয় আৰু লোকসেৱা আয়োগ অসম তথা প্ৰস্তাৱিত স্বায়ত্তশাসিত ৰাজ্যখনৰ বাবে একেই থাকিব। ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডো একেখনেই থাকিব আৰু অসম আৰু নাগালেণ্ডৰ ৰাজ্যপালক চেয়াৰমেন হিচাপে লৈ অসম, নাগালেণ্ড আৰু স্বায়ত্তশাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰীকেইজন, প্ৰতিখন ৰাজ্যৰ পৰা এজনকৈ মন্ত্ৰী লৈ আৰু এই অঞ্চলৰ কেন্দ্ৰীয়শাসিত অঞ্চলবোৰৰ চীফ কমিছনাৰসকলক লৈ এখন উত্তৰ-পূৰ্বাঞ্চলিক পৰিষদ গঠন কৰা হ'ব।

১৫ ছেপ্টেম্বৰ ঃ ভাৰতৰ ভিতৰত প্ৰথম জাপানী আৰ্হিৰ ডিজেলচালিত ফেৰীখন গুৱাহাটীৰ উজান বজাৰত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজত চলিব লগা 'পানচৈ' নামৰ জাহাজখন উদ্বোধন কৰে অসম আৰু নাগালেণ্ডৰ মুখ্য ন্যায়াধীশ শৰৎ কুমাৰ দত্তই।

১৮ ছেপ্টেম্বৰ ঃ অসম পুনৰ গঠনৰ বাবে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা আঁচনিখন অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে।

১৯ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মীসকলে আহ্বান কৰা ২৪ ঘণ্টাজোৰা প্ৰতীক ধৰ্মঘটৰ ফলত অসম, মণিপুৰ, ত্ৰিপুৰা আৰু নেফাক লৈ সমগ্ৰ পূৰ্বাঞ্চলত ৰে'ল, ডাক, তাঁৰ আৰু টেলিফোন সেৱা বিকল হৈ পৰে। মৰিয়নী ৰে'ল ষ্টেচনত পুলিচে গুলীচালনা কৰাৰ ফলত এজন ৰে'লকৰ্মী নিহত আৰু আন এজন লোক আহত হয়।

২৩ ছেপ্টেম্বৰ ঃ বকুলবনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা অসম সাহিত্য সভাৰ বৰপেটাত বহিবলগীয়া ৩৬ সংখ্যক অধিৱেশনৰ কাৰণে সভাপতি নিৰ্বাচিত হয়।

২ অক্টোবৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ে

এই সময়তে ১৯৫৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ আবাদী অধিৱেশনত কংগ্ৰেছে 'সমাজবাদী আৰ্হিৰ সমাজ' (Socialistic Pattern of Society) গঠনৰ নীতি ঘোষণা কৰে। ইয়াৰ পিচতে ১৯৫৭ চনৰ পৰা ১৯৬১ চনৰ ভিতৰত কমিউনিষ্ট পাৰ্টীৰ আভ্যন্তৰীণ ভাগত আদৰ্শগত বিষয়ক লৈ তীব্ৰ সংঘাতৰ সৃষ্টি হ'বলৈ ধৰে। পাৰ্টীৰ ভিতৰত সংশোধনবাদীসকলে মত প্ৰকাশ কৰিলে যে ভাৰতৰ পুঁজিপতিসকল দুই ভাগত বিভক্ত হৈছে। একচেটিয়া পুঁজিপতিসকল সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ সহযোগী। আনহাতে কংগ্ৰেছৰ নেতৃত্বত যিসকল পুঁজিপতি আছে সেইসকল সাম্ৰাজ্যবাদ আৰু সামন্তবাদৰ বিৰোধী, সেয়েহে এইসকল পুঁজিপতিৰ লগত সহযোগ কৰি কমিউনিষ্ট আন্দোলন আগুৱাই যাব লাগে। উল্লেখ্য যে ১৯৫৪ চনৰ ছেপ্টেম্বৰত অনুষ্ঠিত কেন্দ্ৰীয় কমিটীৰ সভাই এই নীতি প্ৰত্যাখ্যান কৰিছিল আৰু ভাৰতীয় পুঁজিপতিৰ মাজত শ্ৰেণীদ্বন্দ্ব গা কৰি উঠা বুলি উপস্থাপিত ব্যাখ্যা প্ৰত্যাখ্যান কৰিছিল।

১৯৫৬ চনৰ এপ্ৰিল মাহত কেৰালাৰ পালঘাটত পাৰ্টীৰ চতুৰ্থ কংগ্ৰেছ সভা অনুষ্ঠিত হয়। এই কংগ্ৰেছত কেন্দ্ৰীয় কমিটীৰ খচৰা প্ৰস্তাৱত পুনৰ শ্ৰেণী সহযোগিতাৰ বিষয়টো উত্থাপন কৰা হয় যদিও কংগ্ৰেছ নেতৃত্বাধীন জাতীয় বুৰ্জোৱাসকলৰ সৈতে লগ লাগি কমিউনিষ্ট আন্দোলন ত্বৰান্বিত কৰা ধাৰণাটোক নাকচ কৰি পাৰ্টীৰ এচামে এটা বিকল্প প্ৰস্তাৱ দাঙি ধৰে। শ্ৰেণী সহযোগী নীতিক তীব্ৰভাৱে সমালোচনা কৰা হোৱা দেখি মূল প্ৰস্তাৱটোত কিছু সংশোধনী ঘটোৱা হয়। এই সংশোধিত প্ৰস্তাৱটোত শ্ৰেণী সহযোগী নীতিত বিশ্বাসীসকল সন্তুষ্ট হ'ব পৰা নাছিল বাবে পুনৰায় প্ৰস্তাৱটো পাৰ্টী কংগ্ৰেছত উত্থাপন কৰা হয়। কংগ্ৰেছৰ এক তৃতীয়াংশ প্ৰতিনিধিহে শ্ৰেণী সহযোগী নীতিত বিশ্বাসী আছিল। ফলত আদৰ্শগত স্থিতিক লৈ কমিউনিষ্ট পাৰ্টীৰ মাজত বিভাজন হোৱাৰ সম্ভাৱনা দলটোৰ মাজত স্পষ্ট হৈ পৰিল।

মহাত্মা গান্ধীৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি 'মহাত্মা গান্ধী আসন' আৰম্ভণ কৰাৰ সিদ্ধান্ত লৈছে। বিশ্ববিদ্যালয়খনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী ড° ভি ভেংকট ৰাওৱে এই আসনখনৰ বাবে নিজৰ জীৱনজোৰা সঞ্চিতপুঁজি এক লাখ টকা বিশ্ববিদ্যালয়লৈ আগবঢ়াইছে।

১৪ অক্টোবৰ ঃ স্বায়ত্তশাসিত ৰাজ্য গঠনৰ প্ৰতিবাদত তথা এখন পূৰ্ণ পৰ্যায়ৰ ৰাজ্য গঠনৰ দাবীত খাছীয়া জয়ন্তীয়া ছাত্ৰ সংগঠনে শ্বিলঙত ক'লা পতাকা প্ৰদৰ্শন কৰে।

১৫ অক্টোবৰ ঃ তুৰাত বহা সৰ্বদলীয় পাৰ্বত্য সন্মিলনৰ নেতৃবৃন্দই অসমৰ পুনৰ্গঠনৰ বিষয়ত কেন্দ্ৰই লোৱা সিদ্ধান্তক সৰ্বসন্মতিৰে গ্ৰহণ কৰে।

২০ অক্টোবৰ ঃ অসমৰ প্ৰাক্তন সাংসদ পি চি বৰুৱা নেতৃত্বাধীন বৰুৱা কমিটীয়ে চাহৰ ওপৰত থকা ৰপ্তানি শুল্ক উঠাই দিয়াৰ পৰামৰ্শ প্ৰদান কৰে। চাহৰ ৰপ্তানি বৃদ্ধি কৰাৰ স্বাৰ্থত তথা বিদেশী মুদ্ৰা আহৰণৰ স্বাৰ্থত চাহৰ ওপৰত শুল্ক কৰৰ উপৰি ৰপ্তানি কৰো থকাটো উচিত নহয় বুলি কমিটীয়ে মতামত প্ৰদান কৰে।

২৩ অক্টোবৰ ঃ অসমৰ প্ৰথম শ্ৰেণীৰ ফৰেষ্ট ব্লকবোৰত বিগত দহ-বাৰ বছৰে বাহাল থকা বন্যজন্তু গুলী কৰি মৰা নীতি আজি শিথিল কৰি দিয়া হয়। বন মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ সভাপতিত্বত ৱাইল্ডলাইফ ব'ৰ্ডৰ এক সভাত এই সিদ্ধান্ত লোৱা হয়। অসমলৈ পৰ্যটকক আকৰ্ষণ কৰিবলৈ তথা বিগত সময়ত দ্ৰুতহাৰত বৃদ্ধি হোৱা হৰিণাৰ সংখ্যালৈ লক্ষ্য ৰাখি ব'ৰ্ডে এই সিদ্ধান্ত লয়।

১২ নৱেম্বৰ ঃ দৰং জিলাত 'চিলাৰায় সেনা' নামৰ এটা নতুন সেনা দলৰ আত্মপ্ৰকাশ। এই দলটোকে ধৰি অসমত থকা সেনা দলৰ সংখ্যা দহলৈ বৃদ্ধি।

- গোৱালপাৰা জিলা আৰু বৰপেটা মহকুমাত বিগত ছয় সপ্তাহৰ ভিতৰত কলেৰাত আক্ৰান্ত হৈ ২২০জন লোকৰ মৃত্যু হোৱা বুলি এক চৰকাৰী সূত্ৰই প্ৰকাশ কৰে।

১৭ নৱেম্বৰ ঃ অসম বিধানসভাৰ

১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পিচত কেৰালাত কমিউনিষ্ট পাৰ্টীৰ চৰকাৰ প্ৰতিষ্ঠা হোৱাক লৈ কংগ্ৰেছ দলটো শংকিত হৈ পৰিছিল। স্বাধীনতাৰ সময়ত কংগ্ৰেছ দলৰ পৰা দেশবাসীৰ সন্মুখত যিবোৰ প্ৰতিশ্ৰুতি ৰখা হৈছিল সেইবোৰত ক্ৰমাগতভাৱে কংগ্ৰেছ দল ব্যৰ্থ হোৱা বুলি ইতিমধ্যে প্ৰমাণ হৈছিল আৰু কংগ্ৰেছৰ বিকল্প হিচাপে কমিউনিষ্ট আৰু আন গণতান্ত্ৰিক শক্তিসমূহৰ চমকপ্ৰদ উত্থান ঘটা পৰিলক্ষিত হৈছিল। ইয়াকে লৈ আমেৰিকা যুক্তৰাষ্ট্ৰ শংকিত হৈ পৰে। ১৯৫৭ চনৰ ছেপ্টেম্বৰ মাহত জন ফোষ্টাৰ ডালছে কৈছিল যে ভাৰতবৰ্ষ আৰু ইণ্ডোনেছিয়াৰ স্থানীয় নিৰ্বাচনসমূহত কমিউনিষ্টৰ বিজয় হৈছে এক ভয়ানক কথা। কমিউনিষ্টে ৰাজনৈতিক ক্ষমতা নিজৰ দখললৈ নিয়াটো এক ভয়ংকৰ প্ৰৱণতা বুলিও আমেৰিকান কূটনীতিবিদজনে মত ব্যক্ত কৰিছিল।

কমিউনিষ্ট পাৰ্টীৰ মাজত বিভাজনৰ অংকুৰণ ঘটা এই সময়ছোৱাতে কেইবাটাও গুৰুত্বপূৰ্ণ ঘটনা সংঘটিত হয়। ১৯৫৯ চনত কেৰালা চৰকাৰ ভংগ কৰি দিয়া হয় আৰু ইয়াৰ পিচতে পাৰ্টীৰ সংশোধনবাদীসকলে স্পষ্টভাৱে কংগ্ৰেছৰ লগত সহযোগেৰে কমিউনিষ্ট আন্দোলনৰ প্ৰসাৰ চলাই নিয়াৰ পোষকতা কৰিবলৈ ধৰে। উল্লেখ্য যে সেই সময়ছোৱাত আন্তৰ্জাতিক প্ৰেক্ষাপটতো কমিউনিষ্টসকলে আদৰ্শগতভাৱে বিভাজিত হৈ পৰাটো দেখা গৈছিল। ছোভিয়েট ইউনিয়নৰ কমিউনিষ্ট পাৰ্টী (CPSU) আৰু চীন কমিউনিষ্টৰ (CPC) আদৰ্শগত স্থিতিক সমৰ্থন কৰাক লৈ ৰুছপন্থী আৰু চীনাপন্থী এই দুই শিবিৰত কমিউনিষ্টসকল বিভাজিত হৈছিল। পৰৱৰ্তী সময়ত ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ সময়ত ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ যিসকলে আলোচনাৰ মাধ্যমত চীন-ভাৰত সীমা সমস্যা সমাধান কৰিব লাগে বুলি কৈছিল সেইসকলক চীনাপন্থী বুলি আখ্যা দিয়া হৈছিল। ভাৰত-চীন যুদ্ধৰ সময়ত এনে চীনাপন্থী বুলি আখ্যায়িত কমিউনিষ্টসকলক কংগ্ৰেছ চৰকাৰে নিৰ্বিবাদে গ্ৰেপ্তাৰ কৰিছিল। অসমৰ বিপ্লৱী শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক

অধ্যক্ষ হৰেশ্বৰ গোস্বামীৰ মৃত্যুৰ পিচত খালী হোৱা ছয়গাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থী এ এন আক্ৰাম হুছেইনে কংগ্ৰেছ প্ৰাৰ্থী হৰেন্দ্ৰ নাথ তালুকদাৰক ৩২০টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে।

১৮ নৱেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰে অসমে উত্থাপন কৰা দ্বিতীয় শোধনাগাৰৰ দাবী নাকচ কৰে। অসমত ৰাজহুৱা খণ্ডত দ্বিতীয় শোধনাগাৰ প্ৰতিষ্ঠা কৰিব লাগে বুলি কৰা দাবীটো কেন্দ্ৰীয় চৰকাৰে আজি নাকচ কৰে। লোকসভাত অসমৰ সাংসদ হেম বৰুৱাৰ এটা প্ৰশ্নৰ উত্তৰত পেট্ৰ'লিয়াম আৰু ৰসায়ন দপ্তৰৰ ৰাজ্যমন্ত্ৰী কে ৰঘুৰামায়াই কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ কথা ঘোষণা কৰে। মন্ত্ৰীজনে লোকসভাক অৱগত কৰে যে যদিও কেন্দ্ৰীয় চৰকাৰে অসমৰ এই দাবীটো সম্পৰ্কে ভালদৰে জ্ঞাত তথাপি পৰ্যাপ্ত পৰিমাণত অতিৰিক্ত খাৰুৱা তেলৰ অভাৱৰ বাবে চৰকাৰে এই দাবীটো কাৰ্যকৰী কৰাৰ কথা বিবেচনা কৰা নাই। আন এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীজনে ডিগবৈৰ তেলৰ পুংবোৰৰ উৎপাদন ক্ষমতা হ্ৰাস পোৱা বুলি কৈ উল্লেখ কৰে যে ১৯৫০ চনৰ ২,৫১,৫৩০ টনৰ পৰা ১৯৬৮ চনত এই উৎপাদন ১,২০,০০০ টনলৈ হ্ৰাস পাইছে। তেল উৎপাদন বৃদ্ধি কৰিবলৈ অসম অইল কোম্পানীয়ে আন কিছুমান ব্যৱস্থা হাতত লোৱাৰ কথা তেওঁ উল্লেখ কৰে।

১৯ নৱেম্বৰ ঃ অসমৰ উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাই সাংবাদিকৰ আগত জনায় যে ভাৰত চৰকাৰে চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত অসমত এটা পেট্ৰ'কেমিকেল প্ৰকল্প, এটা পেপাৰ আৰু পাল্প (pulp) উদ্যোগ আৰু এটা চিমেণ্ট কাৰখানা খোলাৰ প্ৰস্তাৱক অনুমোদন জনাইছে।

২৮ নৱেম্বৰ ঃ অসমৰ বিশিষ্ট শিল্পী তথা তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক বিষ্ণুপ্ৰসাদ ৰাভাক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি। ৮ ডিচেম্বৰত তেওঁক বিমানেৰে মুম্বাইৰ টাটা কেঞ্চাৰ ইনষ্টিটিউটলৈ স্থানান্তৰিত কৰা হয়।

১ ডিচেম্বৰ ঃ অসম সাহিত্য সভাৰ

উক্ত সময়ছোৱাতে কঁকালত জৰীৰে বান্ধি জে'ললৈ প্ৰক্ষেপ কৰা হৈছিল। কমিউনিষ্ট পাৰ্টীৰ সংশোধনবাদীসকলৰ হাততে সেই সময়ত দলীয় নেতৃত্ব আছিল, অথচ চৰকাৰৰ এই দমন নীতিৰ তেওঁলোকে বিৰুদ্ধাচৰণ কৰা নাছিল আৰু বহুক্ষেত্ৰত গ্ৰেপ্তাৰবৰণ কৰা নেতাসকলৰ মুক্তিৰ বাবে বিশেষ পদক্ষেপো হাতত লোৱা নাছিল।

১৯৬১ চনত বিজয়ৱাড়াত হোৱা কমিউনিষ্ট দলৰ ষষ্ঠ কংগ্ৰেছতো আদৰ্শগত বিৰোধিতাক লৈ কোনো সমাধানসূত্ৰ বাহিৰ নোলাল। এই কংগ্ৰেছতে এছ এ ডাংগে, যোশী আৰু অধিকাৰীৰ ফালৰ পৰা পাৰ্টী কাৰ্যসূচীৰ খচৰা দাঙি ধৰা হয়, য'ত কোৱা হৈছিল যে বিপ্লৱ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ ক্ষেত্ৰত পাৰ্টীয়ে শ্ৰেণী সহযোগিতাৰ পথ গ্ৰহণ কৰিব লাগে আৰু জাতীয় বুৰ্জোৱাসকলক অৱজ্ঞা কৰি সংগ্ৰাম পৰিচালিত হ'ব নালাগে। এই কাৰ্যসূচীত কংগ্ৰেছ দলক এক প্ৰগতিবাদী দল হিচাপে উল্লেখ কৰা হৈছিল।

এনেধৰণৰ সংঘাতৰ পিচতো কিন্তু দলটোক সংঘবদ্ধ কৰাৰ প্ৰচেষ্টা যে চলোৱা হোৱা নাছিল এনে নহয়। ১৯৬৩ চনৰ অক্টোবৰ মাহত অনুষ্ঠিত পাৰ্টীৰ জাতীয় পৰিষদৰ সভাত কমৰেড এম বাসবপুনিয়াই দলক সংঘবদ্ধ কৰিবলৈ এক পদক্ষেপ হাতত লৈছিল। অৱশ্যে তেওঁৰ প্ৰস্তাৱটিক পাৰ্টীৰ ভিতৰত আলোচনা নকৰাকৈ প্ৰত্যাখ্যান কৰা হয়। এই সময়তে আন্তৰ্জাতিক কমিউনিষ্ট আন্দোলনত দুটা মতবাদে গভীৰ ৰূপ ধাৰণ কৰে। ছোভিয়েট ইউনিয়নৰ কমিউনিষ্ট পাৰ্টীয়ে ঘোষণা কৰিছিল যে শান্তিপূৰ্ণ সহযোগিতা, শান্তিপূৰ্ণ প্ৰতিযোগিতা আৰু শান্তিপূৰ্ণ উপায়েৰেহে সমাজ ধনতন্ত্ৰৰ পৰা সমাজতন্ত্ৰলৈ উত্তৰিত হ'ব। ইয়াৰ বিপৰীতে চীনৰ কমিউনিষ্ট পাৰ্টীয়ে কিউবা বিপ্লৱৰ উদাহৰণ দি কৈছিল যে একমাত্ৰ শান্তিপূৰ্ণ উপায়েৰে সমাজ সমাজতন্ত্ৰলৈ উত্তৰিত হোৱাটো হৈছে এক অমাৰ্ক্সীয় মতবাদ। এই দুই মতবাদক লৈ পাৰ্টীৰ ভিতৰত আলোচনা হোৱাটো কামনা কৰা হৈছিল আৰু শ্ৰেণী সংগ্ৰামত বিশ্বাসী সদস্যসকলে এই আলোচনা পাৰ্টীৰ সৰ্বস্তৰত হ'ব লাগে

তেজপুৰ অধিৱেশনৰ সভাপতি জ্ঞাননাথ বৰাৰ ৭৫ বছৰ বয়সত মৃত্যু হয়।

৯ ডিচেম্বৰ ঃ আঞ্চলিক শক্তি উন্নয়ন আঁচনিৰ হিতাধিকাৰী হিচাপে অসমে শক্তি উৎপাদনৰ মুলধন বিনিয়োজনত অংশীদাৰ হ'ব লাগে বুলি কেন্দ্ৰীয় চৰকাৰে দিয়া প্ৰস্তাৱটো অসম চৰকাৰে অগ্ৰাহ্য কৰে। অসম চৰকাৰে পূৰ্বাঞ্চলৰ যিকোনো ৰাজ্যৰ পৰা নিৰ্দিষ্ট নিৰিখত শক্তি ক্ৰয় কৰিব যদিও এনে আঁচনি কাৰ্যকৰী কৰাত জড়িত নহ'ব বুলি মত প্ৰকাশ কৰে। লোকটক প্ৰকল্পক অসম চৰকাৰে আদৰণি জনায় যদিও মূলধনী প্ৰক্ৰিয়াত নিজৰ অংশগ্ৰহণৰ অপাৰগতা প্ৰকাশ কৰে। অসম চৰকাৰে এই প্ৰকল্প কেন্দ্ৰৰ খৰচত নিৰ্মাণ হ'ব লাগে তথা ইয়াৰ উৎপাদিত বিদ্যুৎ নিৰ্দিষ্ট নিৰিখত ৰাজ্যসমূহৰ বাবে উপলব্ধ হ'ব লাগে বুলি পৰামৰ্শ আগবঢ়ায়।

১০ ডিচেম্বৰ ঃ অসমৰ ভিতৰতে এখন স্বায়ত্তশাসিত ৰাজ্য গঠনৰ বাবে বিধেয়ক প্ৰণয়ন কৰিবলৈ সংসদক যথাযথ বিধায়িনী ক্ষমতা প্ৰদান কৰিবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰী ৱাই বি চৱনে লোকসভাত সংবিধান সংশোধনী বিধেয়ক উত্থাপন কৰে।

১৮ ডিচেম্বৰ ঃ পাকিস্তান পিপলছ পাৰ্টীৰ জে এ ভুট্টোৱে পাকিস্তানে অসমৰ সৈতে এক বিশেষ সম্পৰ্ক ৰক্ষা কৰাটো উচিত বুলি মত ব্যক্ত কৰে। পাকিস্তানৰ বিশেষকৈ পূব প্ৰান্তত বিতৰণ কৰা এক পুস্তিকাযোগে ভুট্টোৱে কয় যে যিহেতু ভাৰতবৰ্ষৰ অসমৰ ওপৰত কাৰো ঐতিহাসিক অধিকাৰ নাই আৰু অঞ্চলটোৰ ভূগোল, জনগোষ্ঠী আদিৰ সৈতে পাকিস্তানৰ এক নিকট সম্পৰ্ক আছে সেয়েহে পাকিস্তানে এই সম্পৰ্কৰ প্ৰতি মনোনিবেশ কৰা উচিত।

বুলি দাবী উত্থাপন কৰিছিল। তেতিয়া পাৰ্টীৰ সভাপতি ডাংগে তথা শ্ৰেণী সহযোগত বিশ্বাসী জাতীয় পৰিষদৰ নেতৃত্বই এই প্ৰস্তাৱ অগ্ৰাহ্য কৰে। এই অৱস্থাত শ্ৰেণী সংগ্ৰামত বিশ্বাসী জাতীয় পৰিষদৰ ৩২জন সদস্যই ১৯৬৪ চনৰ ১১ এপ্ৰিলত জাতীয় পৰিষদৰ সভা ত্যাগ কৰে। ১৪ এপ্ৰিলত তেওঁলোকে যৌথভাৱে এখন আবেদন কৰে। এই আবেদনত ডাংগে নেতৃত্বাধীন সংশোধনবাদীসকলৰ সৈতে কি কাৰণত সংশ্ৰৱ ত্যাগ কৰিব বিচৰা হৈছে তাক বিস্তৃতভাৱে ব্যাখ্যা কৰা হৈছিল।

জাতীয় পৰিষদৰ ৩২ সদস্যৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ১৯৬৪ চনৰ ৭ জুলাইৰ পৰা ১১ জুলাইলৈ অন্ধ্ৰ প্ৰদেশৰ তেনালীত পাৰ্টীৰ অভিৱৰ্তন অনুষ্ঠিত হয় আৰু এই অভিৱৰ্তনে পাৰ্টীৰ ৭ম কংগ্ৰেছ ১৯৬৪ চনৰ অক্টোবৰ মাহৰ ২৪ তাৰিখৰ পৰা ৩১ তাৰিখলৈ কলিকতাত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। এই কলিকতা অধিৱেশনতে নতুনকৈ গঠন হ'ব লগা দলটোৰ কৰ্মসূচী আৰু সংবিধান গ্ৰহণ কৰা হ'ব বুলি তেনালী অধিৱেশনত প্ৰস্তাৱ লোৱা হয়। ছেপ্টেম্বৰ মাহৰ ভিতৰতে ৰাজ্যিক সন্মিলনসমূহ শেষ কৰাৰ নিৰ্দেশনা তেনালী অধিৱেশনে দিছিল।

সেই সময়ত অসমৰ কমিউনিষ্ট পাৰ্টীৰ নেতৃত্বত আছিল ডাংগেপন্থীসকল। সেয়েহে মূল দলৰ পৰা ফালৰি কাটি আন এটা দলৰ প্ৰস্তুতি চলোৱাটো আছিল এক প্ৰত্যাহ্বানমূলক কাম। এই প্ৰত্যাহ্বান গ্ৰহণ কৰি ১৯৬৪ চনৰ ২৭ আৰু ২৮ জুনত গুৱাহাটীৰ চানমাৰিত এখন অভিৱৰ্তন আয়োজন কৰা হয়। নন্দেশ্বৰ তালুকদাৰ, অনিল ৰায়চৌধুৰী, উমা শৰ্মা, হৰিমোহন তালুকদাৰ, ধূৰ্জটি শৰ্মা, ধনীৰাম বেজ, উপেন বৈশ্য, পূৰ্ণ কোচ, প্ৰভাত শৰ্মা, ভূপেন মেধি, নিশিথৰঞ্জন দাস আদি পাৰ্টীৰ সদস্যসকলৰ উদ্যোগত চানমাৰিত অভিৱৰ্তন অনুষ্ঠিত হয়। এই অভিৱৰ্তনত অসমৰ ৭ খন জিলাৰ পৰা ৭৭জন পাৰ্টী সদস্য উপস্থিত আছিল। অভিৱৰ্তনে জুলাই মাহত হ'ব লগা তেনালী অধিৱেশনৰ বাবে অসমৰ পাঁচজন প্ৰতিনিধি নিৰ্বাচিত

১৯৬৯

৮ জানুৱাৰী ঃ গুৱাহাটীৰ প্ৰধান ডাকঘৰত নৈশ ডাক সেৱা আৰম্ভ কৰা হয়। নৈশ ডাকঘৰটো উদ্বোধন কৰে ৰাধাগোবিন্দ বৰুৱাই।

১৮ জানুৱাৰী ঃ অসম চৰকাৰে ৰাজ্যখনৰ বিত্তীয় সম্পদ টনকিয়াল কৰাৰ উদ্দেশ্যে লটাৰী খেল আৰম্ভ কৰাৰ সিদ্ধান্ত লয়।

২৮ জানুৱাৰী ঃ গোৱালপাৰা জিলা স্বায়ত্ত শাসনৰ খচৰা আঁচনি গৃহীত ঃ গোৱালপাৰা-ধুবুৰী আৰু কোকৰাঝাৰ— এই তিনিওখন জিলাক লৈ কংগ্ৰেছ কমিটীয়ে দাবী কৰা গোৱালপাৰা জিলা স্বায়ত্ত শাসনৰ খচৰা আঁচনিখন কোকৰাঝাৰত বহা কংগ্ৰেছ কমিটীৰ মুকলি অধিৱেশনত সৰ্বসন্মতিক্ৰমে গৃহীত হয়। শৰৎ চন্দ্ৰ সিংহ, ধৰণীধৰ বসুমতাৰী, এছ পি আৰু জিলাখনৰ প্ৰায় সকলো কংগ্ৰেছী এম এল এ-নেতাই গোৱালপাৰা জিলাৰ পশ্চাদপদ অৱস্থাৰ বাবে দুখ প্ৰকাশ কৰি ৰাজ্য চৰকাৰে অনুসৰণ কৰা নীতিত অসন্তুষ্টি প্ৰকাশ কৰে। আঁচনিখনত জিলাখনৰ অনুন্নত অৱস্থাৰ কথা বিবেচনা কৰি জিলা পৰ্যায়ত নিৰ্বাচিত প্ৰতিনিধিৰে স্বায়ত্তশাসিত জিলা পৰিষদ আৰু গোৱালপাৰা-ধুবুৰী আৰু কোকৰাঝাৰত মহকুমা পৰ্যায়ত নিৰ্বাচিত প্ৰতিনিধিৰে আঞ্চলিক পৰিষদ গঠন কৰি বিশেষ উন্নয়নমূলক ব্যৱস্থা কাৰ্যকৰী কৰিব পৰাৰ ব্যৱস্থা ৰখা হয়। ১৯৬৮ চনৰ এপ্ৰিল মাহত ধুবুৰীত বহা তিনিওখন জিলা কংগ্ৰেছ কমিটীৰ যুটীয়া কাৰ্যনিৰ্বাহক বৈঠকত গৃহীত এটা প্ৰস্তাৱক ভিত্তি কৰি এই স্বায়ত্ত শাসনৰ প্ৰস্তাৱটো যুগুত কৰা হয়। ভূতপূৰ্ব এম এল এ খগেন্দ্ৰনাথ নাথৰ সভাপতিত্বত এই যুটীয়া বৈঠক অনুষ্ঠিত হয়।

২ ফেব্ৰুৱাৰী ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে অসম পুনৰ গঠনৰ বাবে সংবিধান সংশোধনী (দ্বাবিংশতম) বিল সম্পৰ্কত কেইবাটাও সংশোধনীৰ পৰামৰ্শ আগবঢ়ায়।

৭ ফেব্ৰুৱাৰী ঃ অসম সাহিত্য সভাৰ ৩৬ সংখ্যক অধিৱেশন সত্ৰ নগৰী বৰপেটাত আৰম্ভ হয়।

কৰে। অচিন্ত্য ভট্টাচাৰ্যক আহ্বায়ক হিচাপে লৈ অসমৰ বাবে এখন সমন্বয়ৰক্ষী কমিটী গঠন কৰা হয়।

ভাৰতৰ কমিউনিষ্ট (মাৰ্ক্সবাদী) বা চি পি আই এম দলৰ ভেটি অসমত স্থাপন হোৱাৰ সময়ত অসমৰ কাছাৰৰ জিলা কমিটীৰ গৰিষ্ঠসংখ্যক সদস্যই চি পি আই দল ত্যাগ কৰি চি পি আই এমত যোগ দিয়ে। ইয়াৰ আগতে ৰাজ্যভাষা আন্দোলনত চি পি আই দলে শেষ সময়ছোৱাত অসমীয়া ভাষাক ৰাজ্যভাষা কৰাৰ দাবীৰ প্ৰতি সমৰ্থন দিছিল বাবে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ কমিউনিষ্টসকলৰ মাজত এক প্ৰত্যক্ষ বিৰোধে দেখা দিছিল। বৰাকৰ সৰহভাগ কমিউনিষ্টে চি পি আই এমত যোগ দিয়াৰ বিপৰীতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কমিউনিষ্টসকল চি পি আই দলত থাকি গ'ল। ডাংগেৰ সংশোধনবাদী আদৰ্শতকৈও এইক্ষেত্ৰত যে ভাষিক জাতীয়তাবাদৰ বিষয়টোৱে বেছি গভীৰভাৱে ক্ৰিয়া কৰিছিল তাক নুই কৰিব নোৱাৰি। বৃহত্তৰ কামৰূপ জিলাখন দুভাগ হোৱাৰ লগতে মূলতঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ শীৰ্ষ বাওঁ নেতৃবৃন্দ চি পি আই দলত থাকি গৈছিল। তেওঁলোকৰ ভিতৰত ধীৰেশ্বৰ কলিতা, প্ৰমোদ গগৈ, ফণী বৰা, দুলাল খাউণ্ড, কেহো হাজৰিকা, শূল বৰা, ৰামেশ্বৰ পেগু, বিষ্ণু ৰাভা, শৰৎ ৰাভা, ফণী চক্ৰৱৰ্তী, জগন্নাথ ভট্টাচাৰ্য, অৰবিন্দ ঘোষ আৰু দধি মহন্ত।

ব্ৰহ্মপুত্ৰ উপত্যকাত চি পি আই দলৰ স্থিতি জৰুৰীকালীন অৱস্থালৈ প্ৰায় অক্ষত অৱস্থাত আছিল বুলি ক'ব পাৰি। শিৱসাগৰ, গোলাঘাট আদি অঞ্চলত চি পি আয়ে শক্তিশালী সংগঠন গঢ়ি তোলাৰ বিপৰীতে চি পি আই এম দলে নামনি অসমৰ কিছু অঞ্চলতহে খোপনি পুতিব পাৰিছিল। ১৯৭৫ চনৰ জৰুৰীকালীন শাসনৰ পিচতহে চি পি আই এম দলৰ সম্প্ৰসাৰণ ব্ৰহ্মপুত্ৰ উপত্যকাত ব্যাপক হৈ পৰে।

চি পি আই (এম) দলৰ অসম ৰাজ্যিক সন্মিলন তেনালী অধিৱেশনৰ পিচতে যোৰহাটত অনুষ্ঠিত হয়। সন্মিলনে কলিকতাত হ'ব লগা

১১ ফেব্ৰুৱাৰী ঃ ৰাজ্যজুৰি দ্বিতীয় তেল শোধনাগাৰ দিৱস পালন।

১৩ ফেব্ৰুৱাৰী ঃ অসমীয়া কাব্য সাহিত্যৰ অন্যতম মহিলা কবি পদ্মশ্ৰী উপাধি লাভ কৰা নলিনীবালা দেৱীক তেওঁৰ 'অলকানন্দা' নামৰ কবিতা পুথিখনৰ বাবে ১৯৬৮ চনৰ সাহিত্য অকাদেমীৰ বঁটাৰ বাবে মনোনীত কৰা হয়।

১৫ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় চহৰৰ পৰা ১৭ কিলোমিটাৰ নিলগত অৱস্থিত লেপেটকটাত আকাশবাণীৰ ডিব্ৰুগড় কেন্দ্ৰ উদ্বোধন। কেন্দ্ৰটো উদ্বোধন কৰে অসম আৰু নাগালেণ্ডৰ ৰাজ্যপাল ব্ৰজ কুমাৰ নেহৰুৱে।

২১ ফেব্ৰুৱাৰী ঃ অসম বিধানসভাৰ ৰাজ্যপালৰ ভাষণৰ বিষয়ে হোৱা বিতৰ্কৰ কালত বিৰোধী সদস্য প্ৰমোদ গগৈয়ে অসমত দ্বিতীয় তেল শোধনাগাৰ স্থাপনৰ যুক্তি প্ৰদৰ্শন কৰি কয় যে এতিয়ালৈ ৮০টা তেলখাদ খন্দা হৈছে যদিও দ্বিতীয়টো শোধনাগাৰৰ প্ৰশ্নটোক আওকাণ কৰাৰ বাবে এই খাদবোৰৰ মাথোঁ সোতৰটা খাদৰ পৰাহে তেল উলিওৱা হৈছে আৰু বাকীবোৰ বন্ধ ৰখা হৈছে। তেওঁ এই কাৰ্যক ষড়যন্ত্ৰমূলক বুলি আখ্যা দিয়ে।

২৭ ফেব্ৰুৱাৰী ঃ স্বায়ত্তশাসিত ৰাজ্য সংবিধানবিৰোধী ঃ অসম পুনৰ গঠন সম্পৰ্কীয় সংবিধান (দ্বাবিংশতম) সংশোধনী বিল সম্পৰ্কত অসম প্ৰজা ছচিয়েলিষ্ট দলৰ মতামত দাঙি ধৰি দলৰ প্ৰাদেশিক সম্পাদক বিশ্ব গোস্বামীয়ে এক বিবৃতিত কয় যে অসম প্ৰজা ছচিয়েলিষ্ট দলৰ মতে অসম ৰাজ্যৰ ভিতৰত এখন স্বায়ত্তশাসিত ৰাজ্য গঠনৰ প্ৰস্তাৱ কৰি এই বিলত সংসদক যি ক্ষমতা দিয়া হৈছে তাৰ ফলত সংবিধান অনুসৰি ৰাজ্যক দিয়া ক্ষমতাত হস্তক্ষেপ কৰা হ'ব। তদুপৰি সংবিধানৰ ৩৬৮ অনুচ্ছেদৰ ব্যৱস্থা অনুসৰণ নকৰাকৈ স্বায়ত্তশাসিত ৰাজ্যখনক আৰু অধিক কি ক্ষমতা দিয়া হ'ব সেই বিষয়ে সিদ্ধান্ত ল'বলৈ সংসদক ক্ষমতা দিয়াৰ পৰা পৃথককামী শক্তিক তেওঁলোকৰ পৃথকতাবাদী আন্দোলনত অধিক উৎসাহিত কৰা হ'ব বুলি তেওঁ মত প্ৰকাশ কৰে। এই ব্যৱস্থা অসমৰ স্বাৰ্থৰ পৰিপন্থী বুলি গোস্বামীয়ে মত

৭ম কংগ্ৰেছলৈ ৫জন প্ৰতিনিধি নিৰ্বাচন কৰে। অচিন্ত্য ভট্টাচাৰ্য, নন্দেশ্বৰ তালুকদাৰ, উমা শৰ্মা, বীৰেশ মিশ্ৰ, গোপেন ৰায়, যজ্ঞেশ্বৰ দাস, শ্বাহ চৈয়দ, সুৰেন হাজৰিকা, নৃপেন দে', সুকুমাৰ চক্ৰৱৰ্তী, নৰেন দত্ত (শিৱসাগৰ) বিপিন দৈমাৰী আৰু অমল ঘোষ দস্তিদাৰক লৈ চি পি আই (এম)ৰ অসম ৰাজ্যিক কমিটী গঠন হয়। এই ৰাজ্যিক কমিটীৰ প্ৰথমজন সম্পাদক হিচাপে নিৰ্বাচিত হয় অচিন্ত্য ভট্টাচাৰ্য। ১৯৬৪ চনৰ কলিকতাত বহা ৭ম পাৰ্টী কংগ্ৰেছৰ পিচত আনুষ্ঠানিকভাৱে চি পি আই এম দলৰ কৰ্মসূচী আৰু সংবিধান গৃহীত হোৱাৰ পিচত গোটেই দেশজুৰি এই নৱগঠিত দলটোৰ বিৰুদ্ধে কংগ্ৰেছ চৰকাৰে দমন নীতি আৰম্ভ কৰিছিল। স্বাভাৱিকতে অসমৰ কংগ্ৰেছ চৰকাৰখনো এইক্ষেত্ৰত পিচপৰি থকা নাছিল। কমিউনিষ্ট পাৰ্টীৰ মাজত থকা এই আদৰ্শগত বিৰোধৰ মুকলি উন্মেষ পৰৱৰ্তী সময়ত জৰুৰীকালীন শাসন কালছোৱাত স্পষ্টভাৱে দেখা গৈছিল।

ব্যক্ত কৰে।

৫ মাৰ্চ ঃ অসম বিধানসভাৰ বিৰোধী পক্ষৰ কমিউনিষ্ট সদস্য গোৱিন্দ কলিতাই গুৱাহাটী মেডিকেল কলেজ আৰু হাস্পতালৰ পৰিচালনাৰ বেমেজালিসমূহৰ তদন্ত কৰিবৰ বাবে এখন উচ্চ ক্ষমতাসম্পন্ন কমিটী গঠন কৰিব লাগে বুলি এটা প্ৰস্তাৱ উত্থাপন কৰে।

৬ মাৰ্চ ঃ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই অসমৰ চতুৰ্থ পাঁচ বছৰীয়া পৰিকল্পনাৰ বাবে ২২৫.৫৩ কোটি টকা ধাৰ্য কৰা হৈছে বুলি বিধানসভাক জনায়। ইয়াৰে ২২০ কোটি টকা কেন্দ্ৰীয় বিত্তীয় সাহায্য হিচাপে আৰু বাকী ৫.৫৩ কোটি টকা জীৱন বীমা কৰ্পৰেচনৰ পৰা আহিব বুলি কয়।

৭ মাৰ্চ ঃ অসম চৰকাৰে চতুৰ্থ পাঁচবছৰীয়া পৰিকল্পনাৰ প্ৰথম বছৰটোত (১৯৬৯-৭০ বিত্তীয় বৰ্ষ) মুঠতে ৩৪ কোটি ২১ লাখ টকা ব্যয়

চকুৰ পচাৰতে বাজেটখন

ৰাজহৰ আয়	৯৯,৪৬,৪০,০০০ টকা
মূলধন আয়	১,১৬,৪২,৫৩,০০০ টকা
উপনিমিত্ত পুঁজি শিতানৰ আয়	১,০০,০০,০০০ টকা
ৰাজহুৱা হিচাপ শিতানৰ আয়	৪,৪২,৯৫,২৮,০০০ টকা
মুঠ আয়	**৬,৩৯,৮৪,২১,০০০ টকা**
যোৱা বছৰৰ ঘাটি (১৯৬৮-৬৯ চনৰ বিত্তীয় বছৰটোৰ)	**১৫,৫৮,৯৪,০০০ টকা**
ৰাজহ ব্যয়	১,০৭,৭৬,৯৫,০০০ টকা
মূলধন ব্যয়	১,৪৪৭২৫৪,০০০ টকা
ৰাজহুৱা হিচাপ শিতানৰ ব্যয়	৪,২১,৭৬০৬,০০০ টকা
মুঠ ব্যয়	**৬,৮৯,৮৪,৪৯,০০০ টকা**
মুঠ ঘাটিৰ পৰিমাণ	৫০,০০,২৮,০০০ টকা

উদয়াচল আৰু আহোম ৰাজনীতি

ষাঠিৰ দশকৰ আৰম্ভণিৰ পৰা আহোম আৰু বড়োসকলে স্বায়ত্ত শাসনৰ দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰে। স্বাধীনতাৰ পিচত সম-অধিকাৰ আৰু সমবিকাশৰ আশা লৈ দুয়োটা জনগোষ্ঠীয়ে কংগ্রেছৰ মূল সুঁতিত ভৰি দিছিল। কিন্তু দুয়োটাৰেই ভুল ভাগিছিল তাৰ কিছুদিনৰ পিচতে।

কংগ্রেছ হৈ পৰিছিল এচাম হিন্দু উচ্চ বৰ্ণৰ নেতাৰ দল, য'ত আছিল মাথোঁ দুজনমান মুছলমান আৰু তাতোকৈ কম জনগোষ্ঠীয় নেতা। জনগোষ্ঠীয় আৱেগ আৰু চিন্তাধাৰাক গোপীনাথ

কৰাৰ সিদ্ধান্ত লয়। অসম বিধান সভাত উক্ত বৰ্ষৰ বাবে দাখিল কৰা বাজেটত এই কথা বিত্ত মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে উল্লেখ কৰে।

● অসম উপত্যকাৰ জনজাতীয় লোকসকলৰ কল্যাণ সম্পৰ্কীয় উপদেষ্টা পৰিষদে ১৯৫৪ চনৰ ২৭, ২৮ আৰু ২৯ এপ্ৰিলত বহা এখন বৈঠকত বৃহত্তৰ গুৱাহাটীক জনজাতীয় বেল্টৰ বহিৰ্ভূত কৰিবলৈ যি প্ৰস্তাৱ দিছিল সেই সম্পৰ্কে অসম বিধানসভাত আলোচনা হয় আৰু ৰাজ্য চৰকাৰে উপদেষ্টা পৰিষদৰ পৰামৰ্শ আৰু ৰাজহ বিভাগৰ দৃষ্টিভংগী বিবেচনা কৰি বৃহত্তৰ গুৱাহাটী আৰু উত্তৰ লখিমপুৰ টাউনৰ সীমাৰ পৰা ২ মাইললৈকে জনজাতীয় বেল্ট উঠাই দিবলৈ সিদ্ধান্ত লয়।

১০ মাৰ্চ ঃ অসমৰ প্ৰশাসনত অধিক ভাৰতীয় প্ৰশাসনীয় সেৱাৰ লোকক মকৰল কৰা, অসমৰ ঔদ্যোগিক বিকাশৰ বাবে ৰাজ্যৰ বাহিৰৰ লোকক লাইচেঞ্চ আৰু আন সুবিধা দিয়াৰ উপৰি উদ্যোগ গঢ়ি তুলিবলৈ অসমলৈ তেনে লোকক মাতি অনাৰ বিৰুদ্ধে কংগ্ৰেছ সদস্য দেৱেশ্বৰ শৰ্মাই চৰকাৰক তীব্ৰ সমালোচনা কৰে। 'বনৰীয়া বোন্দাই পহু মাৰি নুখুৱায়' ফকৰাটিৰ উদ্ধৃতি দি তেওঁ কয় যে বাহিৰৰ লোকসকল অসমৰ উন্নয়নৰ প্ৰতি তেনেই উদাসীন। তেওঁলোকে অসম চৰকাৰৰ পৰা সুবিধা আৰু সুযোগ আদায় কৰি অসমৰ সম্পদৰাজিক অসমৰ বাহিৰলৈ নিছে আৰু নিজকহে মাথোঁ ধনী কৰি তুলিছে।

২৪ মাৰ্চ ঃ অসমত চৰকাৰী খণ্ডত দ্বিতীয় শোধনাগাৰ স্থাপনৰ দাবী জনাই বিধানসভাৰ সন্মুখত বিৰোধী সদস্যসকলে অনশন কৰে।

২৮ মাৰ্চ ঃ অসম আৰু নাগালেণ্ডৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শৰৎ কুমাৰ দত্ত, ন্যায়াধীশ সেন আৰু ন্যায়াধীশ পাঠকৰ সৈতে গঠিত এক বিশেষ আদালতে প্ৰেমধৰ বৰুৱা আৰু আন দুজনৰ ভাৰতীয় সংবিধানৰ ২২৬ অনুচ্ছেদ অনুযায়ী দাখিল কৰা তিনিখন আৱেদনপত্ৰৰ শুনানিক্ৰমে ৰায় দি কয় যে অসম চৰকাৰে যি তিনি মাহৰ জাননী দি আৱেদনকাৰীসকলক বাধ্যতামূলক

বৰদলৈৰ পিচৰ চাম কংগ্ৰেছ নেতাই সম্পূৰ্ণভাৱে উপেক্ষা কৰিলে। তাৰেই ফলত বড়ো আৰু আহোমসকলে নিজৰ অধিকাৰ বিচাৰি আগুৱাই আহিল। আহোমসকলৰ দাবীটো বৰ বেছি আগুৱাব নোৱাৰিলে কিন্তু বড়োসকলৰ দাবীটো সজোৰে উত্থাপন হ'ল।

প্ৰথমে আহোঁ বড়োসকলৰ কথালৈ। বড়োসকলৰ জাতীয় চেতনাবোধ প্ৰথম পৰিস্ফুট হৈছিল কালীচৰণ ব্ৰহ্মৰ কৰ্মৰাজিত। কালীচৰণ ব্ৰহ্মাই ধৰ্মীয় মতবাদৰ পৰা সামাজিক কথাত বড়ো সমাজক এক দিশ দেখুৱাবলৈ সক্ষম হৈছিল।

বড়োসকলৰ প্ৰকৃত পিতৃপুৰুষ আছিল কালীচৰণ ব্ৰহ্ম। তেওঁ ছাইমন কমিছনৰ আগত বড়োসকলৰ হৈ এক স্মাৰকপত্ৰ প্ৰদান কৰিছিল। ১৯২৮ চনৰ ১৪ ছেপ্টেম্বৰত অসম কছাৰী যুৱক সন্মিলনৰ ফালৰ পৰাও কমিছনৰ আগত এখন স্মাৰকপত্ৰ দিয়া হৈছিল আৰু ইয়াত চহী কৰিছিল সন্মিলনীৰ সম্পাদক যাদব চন্দ্ৰ খাখলাৰীয়ে।

তেওঁলোকে বিচাৰিছিল অসম বিধান সভা বা তেতিয়াৰ ব্যৱস্থা পৰিষদত বড়োসকলৰ সুকীয়া স্থান, সৈন্য-বাহিনীত বড়ো ৰেজিমেণ্ট আৰু কোকৰাঝাৰ বা হল্টুগাঁৱৰ নামত এটা মহকুমা। সেয়া আছিল বড়োসকলৰ প্ৰথম আশা-আকাংক্ষাৰ এক দলিল।

গোৱালপাৰাৰ বড়ো, ৰাভা আৰু গাৰোসকলৰ হৈ ছাইমন কমিছনৰ আগত হৰিশ চন্দ্ৰ দাসেও ১৯২৮ চনৰ ৮ আগষ্টত আন এখন স্মাৰকপত্ৰ প্ৰদান কৰিছিল।

জনজাতীয়সকলৰ নেতৃত্বত প্ৰথমটো ৰাজনৈতিক অনুষ্ঠান বা দল 'সদৌ অসম ট্ৰাইবেল লীগ'ৰ জন্ম হয় নগাঁও জিলাৰ ৰহাত ১৯৩৩ চনৰ ১৭ এপ্ৰিলত । ১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনত চাৰিওটা জনজাতীয় লোকেৰে পুষ্ট সমষ্টিত লীগে প্ৰাৰ্থিত্ব দিয়ে আৰু চাৰিওটাতে জয়লাভ কৰে।

হিচাপে চাকৰিৰ পৰা যিদৰে অৱসৰ দিছে সেই পদ্ধতি অসাংবিধানিক।

২৯ মাৰ্চ ঃ মাটিহীন খেতিয়কক মাটি দিয়াৰ দাবী লৈ আজি পুৱা ৩ বজাত প্ৰায় দুহেজাৰ কৃষকে গুৱাহাটীৰ চাৰ্চ ফিল্ডৰ পৰা পদব্ৰজে ৰাজধানী শ্বিলঙলৈ যাত্ৰা কৰে। কমিউনিষ্ট পাৰ্টী আৰু কামৰূপ কৃষি শ্ৰমিক সংঘৰ উদ্যোগত হোৱা এনে সমদল ভাৰতৰ ভিতৰতে প্ৰথম বুলি কোৱা হৈছে। প্ৰায় ৬৪ মাইল অতিক্ৰম কৰি এই কৃষক দলটোৱে ৩১ মাৰ্চত অসম বিধানসভাৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিব। উত্তৰ আৰু দক্ষিণ কামৰূপৰ ভিতৰুৱা গাঁও-ভূঁইৰ পৰা এই পদযাত্ৰাত যোগ দিয়া কৃষকসকলে এই পথছোৱা অতিক্ৰম কৰিবলৈ দুদিন সময় ল'ব বুলি আশা কৰা হৈছে।

৩১ মাৰ্চ ঃ শ্বিলঙৰ অসম বিধানসভাৰ সন্মুখত প্ৰায় দুহেজাৰ থলুৱা ভূমিহীন খেতিয়কে বিক্ষোভ প্ৰদৰ্শন কৰে। মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই ভূমিহীন খেতিয়কসকলৰ মাজত মাটি কিদৰে বিতৰণ কৰিব পাৰি সেই বিষয়ে চলিত বিধানসভাত খৰচি মাৰি আলোচনা কৰিব বুলি খেতিয়কসকলক আশ্বাস প্ৰদান কৰে। আনহাতে ভূমিহীন খেতিয়কৰ সমস্যা সম্পৰ্কে আলোচনা কৰিবৰ বাবে বিৰোধী সদস্য ফণী বৰাই এটা সভাস্থগিত প্ৰস্তাৱ আনে যদিও অধ্যক্ষ মহীকান্ত দাসে ৰুলিং দান ১ এপ্ৰিললৈ স্থগিত ৰাখে।

৪ এপ্ৰিল ঃ বান নিয়ন্ত্ৰণৰ বাবে অসমলৈ কেন্দ্ৰই ৩ কোটি টকাৰ ঋণ আগবঢ়ায়। চৈধ্যখন ৰাজ্যৰ ভিতৰত অসমকে সৰ্বোচ্চ পৰিমাণৰ ঋণ দিয়া হৈছে বুলি জানিব পৰা গৈছে। জম্মু আৰু কাশ্মীৰ, বিহাৰে নব্বৈ লাখ আৰু উত্তৰ প্ৰদেশে ৯০.৬০ লাখ টকা পাইছে। এই ঋণ বছৰি শতকৰা ৫.৭৫% সুদত শোধাব লাগিব।

১০ এপ্ৰিল ঃ অসম পুনৰ্গঠন সম্পৰ্কত সংবিধান সংশোধনী বিলখন আজি পুনৰ লোকসভাত উত্থাপিত হয়। এইক্ষেত্ৰত জনসংঘৰ তৰফৰ পৰা যথেষ্ট বিৰোধিতা কৰা হৈছিল যদিও তেওঁলোক সফল হ'ব নোৱাৰিলে।

১৪ এপ্ৰিল ঃ অসমৰ পাৰ্বত্য এলেকাবিলাকক লৈ 'পূৰ্ণ পৰ্যায়ৰ

জয়লাভ কৰা প্ৰাৰ্থীসকল আছিল— ৰূপনাথ ব্ৰহ্ম (গোৱালপাৰা জিলা), ৰবিচন্দ্ৰ কছাৰী (কামৰূপ আৰু দৰং জিলা), ধীৰ সিং দেউৰী (নগাঁও জিলা) আৰু কাৰ্ক চন্দ্ৰ দলে (শিৱসাগৰ জিলা)। ইয়াৰ বাহিৰেও লীগৰ সাধাৰণ সম্পাদক ভীমবৰ দেউৰীও ব্যৱস্থা পৰিষদলৈ নিৰ্বাচিত হয়।

ছাদুল্লা চৰকাৰৰ পতন ঘটুৱাই ট্ৰাইবেল লীগে কংগ্ৰেছৰ লগত চৰকাৰ কৰে। চৰকাৰ গঠন কৰাৰ আগতে কংগ্ৰেছ আৰু ট্ৰাইবেল লীগৰ জনগোষ্ঠীয় আশা-আকাংক্ষাবোৰ সমাধানৰ কাৰণে পূৰ্ণ চৰ্তাৱলীৰ চুক্তিত চহী কৰা হয়।

১৯৪০ চনৰ পৰা ১৯৪৬ চনৰ সময়ছোৱাত ট্ৰাইবেল লীগক লৈ মুছলিম লীগ আৰু কংগ্ৰেছৰ মাজত টনাটনি লাগি থকাৰ পিচত ঠিক স্বাধীনতাৰ আগে আগে ট্ৰাইবেল লীগ কংগ্ৰেছৰ কায চাপে আৰু বৰদলৈ মন্ত্ৰীসভাত ভীমবৰ দেউৰীক অন্তৰ্ভুক্ত কৰা হয়।

অৱশ্যে ব্ৰিটিছ কেবিনেট মিছনৰ আগত ১৯৪৬ চনৰ ২৬ এপ্ৰিলত ট্ৰাইবেল লীগে ভৈয়ামৰ জনজাতীয়সকলৰ কাৰণে অসম ব্যৱস্থা পৰিষদত চাৰিখন আসনৰ ঠাইত ১৬খন আসনৰ প্ৰস্তাৱ দিয়ে।

এই স্মাৰকপত্ৰত চহী কৰিছিল মদাৰাম ব্ৰহ্ম, ৰূপনাথ ব্ৰহ্ম আৰু সীতানাথ ব্ৰহ্ম চৌধুৰীয়ে।

কংগ্ৰেছে প্ৰথমটো বিশ্বাসঘাতকতা কৰিলে সংবিধান সভাত (Constituent Assembly) অংশগ্ৰহণৰ সময়ত। অসম ব্যৱস্থা পৰিষদৰ পৰা সংবিধান সভালৈ ১০জন সদস্যক বিচৰা হৈছিল। ট্ৰাইবেল লীগৰ মনোনীত সদস্য ভীমবৰ দেউৰীক উপেক্ষা কৰি কংগ্ৰেছে নিজ দলৰ নেতা ধৰণীধৰ বসুমতাৰীক মনোনীত কৰে। সেয়া আছিল ১৯৪৬ চনৰ ১৬ জুলাই।

সেই বিশ্বাসঘাতকতাক কান্ধত লৈ ১৯৪৭ চনৰ ২০ মাৰ্চতে ট্ৰাইবেল লীগে ভৈয়ামৰ জনজাতীয় গোষ্ঠীসমূহৰ কাৰণে সংবিধানৰ পঞ্চম দফাৰ

ৰাজ্য' এখন গঠনৰ দাবী জনাই পাৰ্বত্য লোক গণতান্ত্ৰিক দলৰ দ্বিতীয় পৰ্যায়ৰ আন্দোলন কাৰ্যসূচী অনুসৰি তিনিজন নেতাই শ্বিলঙৰ ৰাজভৱনৰ সন্মুখত অনিৰ্দিষ্ট কাললৈ অনশন আৰু ২২জন স্বেচ্ছাসেৱকে ১২ ঘণ্টাজুৰি অনশন ধৰ্মঘট কৰে।

১৫ এপ্ৰিল ঃ অসমৰ ভিতৰতে পাহাৰী জনগণৰ এখন স্বায়ত্তশাসিত উপৰাজ্য গঠন কৰিবৰ কাৰণে পথ প্ৰশস্ত কৰিবলৈ লোকসভাই আজি সংবিধান সংশোধনী বিলখন ৩৬৯-২৮টা ভোটৰ ব্যৱধানত গ্ৰহণ কৰে।

২৫ এপ্ৰিল ঃ ভাৰতীয় গণৰাজ্যৰ ৰাষ্ট্ৰপতি হিচাপে অসমৰ দুৱাৰমুখ তথা প্ৰধান নগৰ গুৱাহাটীত ড° জাকিৰ হুছেইনৰ প্ৰথম আগমন। ৰাষ্ট্ৰপতিলৈ গুৱাহাটীৰ ৰাইজে অভূতপূৰ্ব আদৰণি যাচে।

৩০ এপ্ৰিল ঃ অসমৰ ভিতৰতে এখন স্বায়ত্তশাসিত পাৰ্বত্য ৰাজ্য গঠনৰ বাবে পথ প্ৰশস্ত কৰিবলৈ তোলা সংবিধানৰ ২২সংখ্যক সংশোধনী বিলখন আজি সংসদে অনুমোদন দিয়ে। পোনতে লোকসভাত গ্ৰহণ কৰাৰ পিচত ৰাজ্যসভায়ো আজি ১৭৫-৮টা ভোটৰ বিপুল ব্যৱধানত বিলখনত অনুমোদন জনায়।

১০ মে' ঃ আমবাৰীৰ পুৰাতাত্ত্বিক খনন কাৰ্য চলি থকা ঠাইখিনি ভাৰতৰ ৰিজাৰ্ভ বেংকৰ পৰা অধিগ্ৰহণ কৰিবলৈ অসম মন্ত্ৰীসভাই সিদ্ধান্ত লয়।

১৯ মে' ঃ অসমৰ নামৰূপত এটা পেট্ৰ'কেমিকেল উদ্যোগ স্থাপনত কেন্দ্ৰ চৰকাৰে অনুমোদন জনায়। অসমৰ উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাই এখন সংবাদমেলত এই কথা ঘোষণা কৰি এই প্ৰকল্পটো ৰাজ্য চৰকাৰ আৰু বেচৰকাৰী খণ্ডৰ যুটীয়া সহযোগত প্ৰতিষ্ঠা হ'ব বুলি জনায়।

২০ মে' ঃ পূৰ্বোত্তৰ সীমান্ত ৰে'লৱেৰ ২০নং নামনিমুৱা যাত্ৰী ৰে'লৰ এটি দবাত নিশা প্ৰায় ২ বাজি ৩০ মিনিটত এক বিস্ফোৰণ সংঘটিত হয়। গুৱাহাটীৰ পৰা প্ৰায় ৭০ কিলোমিটাৰ পূবে ধৰমতুল আৰু ঔজুৰিৰ মাজত সংঘটিত এই বিস্ফোৰণত ৪জন লোকৰ মৃত্যু আৰু ২০জন লোক আহত হয়।

২৫ মে' ঃ ধৰমতুলৰ ওচৰত ২০নং নামনিমুৱা যাত্ৰীবাহী ৰে'লৰ তৃতীয়

অধীনত এক অনুসুচিত এলেকা বিচাৰে। কিন্তু কংগ্ৰেছে ধৰণীধৰ বসুমতাৰীৰ সহযোগত সেই দাবীক আওকাণ কৰিবলৈ সক্ষম হয়।

স্বাধীনতাৰ ৰ'দ কাঁচলিত গোপীনাথ বৰদলৈৰ নেতৃত্বত ভৈয়ামৰ জনগোষ্ঠীয় আৱেগক কিছু সন্মান দিয়া হৈছিল যদিও স্বাধীন ভাৰতৰ জাতীয় চেতনাৰ ঢৌৱে ট্ৰাইবেল লীগৰ প্ৰয়োজনীয়তাকে অপ্ৰাসংগিক কৰি তুলিছিল।

সেই কাৰণেই ট্ৰাইবেল লীগ ভংগ কৰি দিয়া হয় আৰু তাৰ সদস্যসকল বেলেগ বেলেগ দললৈ গুচি যায়। ৰূপনাথ ব্ৰহ্মাই কংগ্ৰেছত যোগদান কৰে আৰু পৰৱৰ্তী ৩০ ধৰি বছৰ ভৈয়াম জনজাতিৰ অবিসম্বাদী নেতা হিচাপে কংগ্ৰেছ চৰকাৰৰ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে।

ট্ৰাইবেল লীগ ভংগ কৰি দিয়াৰ সিদ্ধান্ত ভৈয়ামৰ জনজাতিসকলৰ এক মাৰাত্মক ভুল সিদ্ধান্ত আছিল আৰু স্বাধীনতাৰ প্ৰথমটো দশক পাৰ হৈ যোৱাৰ লগে লগেই ইয়াৰ প্ৰয়োজনীয়তা বড়ো যুৱ সমাজৰ মাজত বাৰুকৈয়ে প্ৰতিফলিত হৈছিল।

জনগোষ্ঠীয় লোকসকলৰ কোনো উমৈহতীয়া মঞ্চ নথকাৰ সুযোগ আন আন ৰাজনৈতিক দলবোৰে গ্ৰহণ কৰি জনগোষ্ঠীয়সকলক বঞ্চনা কৰি গৈ থাকিল। পুঞ্জীভূত ক্ষোভ লৈ আগবাঢ়িছিল বড়ো যুৱ সমাজ।

বড়োসকলৰ পুনৰ অভ্যুত্থান হ'ল বড়ো সাহিত্য সভাৰ যোগেৰে। ১৯৫২ চনৰ ১৬ নৱেম্বৰত বাসুগাঁৱত বড়ো সাহিত্য সভাৰ জন্ম হ'ল আৰু কিছুদিনৰ পিচতেই বড়ো বসতিপ্ৰধান অঞ্চলৰ স্কুলত বড়ো মাধ্যমত পঢ়োৱাৰ দাবী বড়ো সাহিত্য সভাই উত্থাপন কৰিলে

তদনীন্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে কিন্তু এই দাবীক বৰ গুৰুত্ব নিদিলে আৰু পাঠ্যপুথিত মাথোঁ দুখনমান বড়ো পুথি সন্নিৱিষ্ট কৰিব বিচাৰিলে। সেই প্ৰস্তাৱক বড়ো সাহিত্য সভাই অগ্ৰাহ্য কৰিলে।

বিমলা প্ৰসাদ চলিহা বড়ো আৰু ভৈয়াম জনজাতি বিষয়ত বিষ্ণুৰাম মেধিতকৈ উদাৰ আছিল। তেওঁৰ উদ্যোগতে তৃতীয় শ্ৰেণীলৈকে শিক্ষাৰ

শ্ৰেণীৰ দবাত হোৱা বিস্ফোৰণৰ কাৰণ সম্পৰ্কত বিশেষজ্ঞসকলে এই বিস্ফোৰণ এটা হাত বোমাৰ পৰা ঘটে বুলি প্ৰাথমিক তদন্তত প্ৰকাশ পায়। সন্দেহ কৰা হয় এজন মানুহে এখন মোনাত হাতবোমাটো কঢ়িয়াই আনিছিল আৰু তেওঁ গুৰুতৰভাৱে আহত হয়। মানুহজনে মাছ মাৰিবৰ কাৰণে এই বোমা অনা বুলি বিশ্বাস কৰা হৈছে।

২৬ মে' ঃ পূৰ্বোত্তৰ সীমান্ত ৰে'লৱেৰ অসমত থকা প্ৰায় চাৰিশ কিলোমিটাৰ ৰে'লপথ অমিতব্যয়ী আৰু সেইছোৱা ৰে'লপথ উঠাই দিয়াৰ আশংকা আছে বুলি প্ৰকাশ পাইছে। চৰকাৰী হিচাপ পৰীক্ষক কমিটীৰ প্ৰতিবেদনত অসমৰ এই অমিতব্যয়ী ৰে'লপথৰ কথা উল্লেখ কৰা হৈছে।

২৭ মে' ঃ ৰে'লৱে ডিভিজন আঁচনি বিৰোধী কৰ্ম পৰিষদে ৰে'ল কৰ্তৃপক্ষৰ অকৰ্মণ্যতাৰ বাবেই অসমৰ শাখা ৰে'লপথকেইটাই লোকচান ভৰিছে বুলি মত প্ৰকাশ কৰে। ৰে'লৱে দপ্তৰৰ উপমন্ত্ৰী ৰোহণ লাল চতুৰ্বেদীক দিয়া এখন স্মাৰকপত্ৰত পৰিষদে অসমৰ শাখা ৰে'লপথ বন্ধ নকৰিবলৈ দাবী জনায়।

১ জুন ঃ নলবাৰী ৰে'লৱে ষ্টেচনৰ ওচৰত নামনিমুৱা মালবাহী ৰে'ল এখনৰ পাঁচিশটা দবা লাইনচ্যুত হোৱাত পুৱা ৪ বজাৰ পৰা দেশৰ বাকী অংশৰ লগত অসমৰ ট্ৰেইন সংযোগ বিচ্ছিন্ন হৈ পৰে।

৭ জুন ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তিনিচুকীয়াত অনুষ্ঠিত অধিৱেশনত ভূমি সমস্যা সম্পৰ্কে বিশদভাৱে আলোচনা চলে। আলোচনা কালত কংগ্ৰেছ কমিটীয়ে প্ৰকৃত মাটিহীন লোক আৰু বন্দৱস্তি দিব পৰা মাটিৰ তালিকা এখন যুগুত কৰাৰ পৰামৰ্শ দিয়ে।

১২ জুন ঃ অসমৰ বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মধৰ চলিহাৰ দেহাৱসান ঘটে।

১৭ জুন ঃ অসমৰ খাৰুৱা তেলৰ বাবদ ১২৬ কোটি টকাৰ বৈদেশিক মুদ্ৰা ৰাহি হৈছে বুলি দুলীয়াজানত অনুষ্ঠিত অইল ইণ্ডিয়াৰ দশম বাৰ্ষিক সাধাৰণ সভাত অইল ইণ্ডিয়াৰ চেয়াৰমেন দেৱকান্ত বৰুৱাই সদৰী কৰে।

মাধ্যম হিচাপে বড়ো অঞ্চলত বড়ো ভাষা প্ৰৱৰ্তন কৰা হ'ল।

বড়ো সাহিত্য সভাই প্ৰথমে সন্মত হৈছিল যদিও প্ৰায়োগিক অসুবিধাৰ সন্মুখীন হোৱা কাৰণে বড়ো মাধ্যম ষষ্ঠ শ্ৰেণীলৈ বিচাৰিলে। বিচৰা কাৰ্যটো লাহে লাহে এক আন্দোলনলৈ পৰিৱৰ্তিত হ'ল। চৰকাৰে প্ৰথমতে এই দাবী মানি ল'বলৈ টান পালে।

কংগ্ৰেছৰ ভিতৰত থকা বড়ো নেতৃবৃন্দই লাহে লাহে বুজিবলৈ আৰম্ভ কৰিছিল যে বড়োসকলে কংগ্ৰেছৰ পৰা কোনোদিনেই প্ৰকৃত ন্যায় নাপাব।

সেই কাৰণেই ১৯৬৭ চনৰ অসম বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ ভিতৰৰ পৰাই এচামে কংগ্ৰেছৰ বিৰোধিতা কৰি নিৰ্বাচনত নামি পৰিল। চৰণ নাৰ্জাৰীয়ে প্ৰথমবাৰৰ বাবে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে থিয় দিলে। নাৰ্জাৰী কংগ্ৰেছৰ ৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰীৰ হাতত পৰাস্ত হয় যদিও বড়ো ৰাজনৈতিক শক্তিৰ পুনৰ উত্থানৰ বাট মুকলি কৰি দিয়ে।

ঠিক তাৰ কিছুদিন পিচতেই ইন্দিৰা গান্ধীয়ে ফেডাৰেল গাঁথনিৰে অসমৰ পুনৰ গঠনৰ কথা ঘোষণা কৰে। সেয়া আছিল ১৯৬৭ চনৰ ১৩ জানুৱাৰী। লগে লগেই বড়োসকলৰ মাজতো ইয়াৰ প্ৰভাৱ পৰিল। বড়োসকলে ইয়াৰ সুবিধা লৈ নিজৰ আশা-আকাংক্ষা প্ৰতিফলিত হ'ব পৰাকৈ এক শাসন ব্যৱস্থা বিচাৰিলে।

সমৰ ব্ৰহ্ম চৌধুৰী, প্ৰসেনজিৎ ব্ৰহ্ম আৰু চৰণ নাৰ্জাৰীৰ নেতৃত্বত ১৯৬৭ চনৰ ২৭ ফেব্ৰুৱাৰীত এক বড়ো জাতীয় অভিৱৰ্তন অনুষ্ঠিত হ'ল।

মদাৰাম ব্ৰহ্মৰ সভাপতিত্বত বহা এই জাতীয় অভিৱৰ্তনে মিজো আৰু খাছীসকলৰ নিচিনাকৈ বড়োসকলৰো স্বকীয় মৰ্যাদা ৰক্ষা কৰি স্বায়ত্ত শাসন বিচাৰিছিল।

সেই অভিৱৰ্তনতে বড়োসকলৰ দাবীক সাকাৰ ৰূপ দিবলৈ অসম ভৈয়াম জনজাতি পৰিষদ বা Plains Tribal Council of Assam (PTCA)

২০ জুন ঃ অসমৰ জাতীয় জীৱনৰ প্ৰবাদপ্ৰতিম পুৰুষ বিষ্ণুপ্ৰসাদ ৰাভাৰ দেহাৱসান। ৰাজ্যজুৰি শোকৰ বন্যা।

২৩ জুন ঃ কামৰূপৰ ৰঙিয়াত ডিভিজনেল ৰে'লৱে কাৰ্যালয় এটা স্থাপন কৰিবলৈ ৰে'ল মন্ত্ৰী দপ্তৰৰ সিদ্ধান্ত।

২৪ জুন ঃ অসমৰ বান পৰিস্থিতিয়ে ভয়াৱহ ৰূপ ধাৰণ কৰে। বানপানীৰ বাবে আজি আবেলিৰ পৰা ভাৰতৰ অন্যান্য অংশৰ লগত অসমৰ ৰে'ল যোগাযোগ সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰে।

৭ জুলাই ঃ ফৰিদাবাদ ঘোষণা কাৰ্যকৰী কৰা আৰু ৰঙিয়াত ৰে'ল ডিভিজন কাৰ্যালয় পতা সম্পৰ্কত স্পষ্ট আশ্বাস বিচাৰি ৰে'লৱে ডিভিজন আঁচনি বিৰোধী কৰ্ম পৰিষদে পূৰ্বোত্তৰ ৰে'লৱেৰ জেনেৰেল মেনেজাৰৰ কাৰ্যালয়ৰ দুৱাৰডলিত প্ৰায় ১০ ঘণ্টা সময় অৱস্থান ধৰ্মঘট কৰে।

১৮ জুলাই ঃ ৰে'লৱে ডিভিজন আঁচনিৰ সম্পৰ্কত 'ফৰিদাবাদ সিদ্ধান্ত' কাৰ্যকৰী নকৰাৰ প্ৰতিবাদত ১২ ঘণ্টীয়া অসম বন্ধ পালন।

১ আগষ্ট ঃ শিক্ষা মন্ত্ৰী জে বি হাগজেৰে কটন মহাবিদ্যালয়ৰ বিভিন্ন বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খুলিবলৈ অসম চৰকাৰে সিদ্ধান্ত লোৱা বুলি কলেজখনৰ ছাত্ৰসকলৰ এটা সঁজাতী দলৰ আগত প্ৰকাশ কৰে।

৪ আগষ্ট ঃ অসম বিধানসভাত চলিহা মন্ত্ৰীসভাই অসমৰ ৰাইজক প্ৰৱঞ্চনা কৰিছে বুলি এক অনাস্থা প্ৰস্তাৱ উত্থাপিত হয়। বিৰোধী পক্ষৰ ফণী বৰা, লক্ষ্যধৰ চৌধুৰী আৰু শৈলেন মেধিয়ে অসম মন্ত্ৰীসভাৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱটোৰ পাতনি মেলি কমিউনিষ্ট নেতা ফণী বৰাই ৰাজ্য চৰকাৰে অসমৰ বিভিন্ন সমস্যাৰ ক্ষেত্ৰত প্ৰকৃত সত্য ঢাকি ৰাখি ৰাইজক বিশ্বাসঘাতকতা আৰু প্ৰৱঞ্চনা কৰা বুলি অভিযোগ তোলে।

৫ আগষ্ট ঃ চলিহা মন্ত্ৰীসভাৰ বিৰুদ্ধে উত্থাপিত অনাস্থা প্ৰস্তাৱটো সদনে ৬২-৩০টা ভোটত অগ্ৰাহ্য কৰে।

৭ আগষ্ট ঃ সংযুক্ত বিধায়িনী দলৰ নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই অসম বিধানসভাত বিধায়িনী, কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ পৃথকীকৰণৰ

নামৰ এটা ৰাজনৈতিক সংগঠনৰ জন্ম হয়।

১৯৬৭ চনৰ ৮ এপ্রিলত দৰঙৰ এডেনবাৰীত বহা দ্বিতীয়খন সভাত ভৈয়াম জনজাতি উন্নয়ন পৰিষদৰ সংবিধান গ্ৰহণ কৰা হয়। সেই সভাতেই ভৈয়ামৰ জনজাতিসকলৰ কাৰণে সম্পূৰ্ণ স্বায়ত্ত শাসন দাবী কৰা হয়।

স্বায়ত্ত শাসনৰ দাবী জোৰদাৰ কৰিবলৈ পৰিষদৰ এটা সঁজাতী দলে সমৰ ব্ৰহ্ম চৌধুৰী আৰু চৰণ নাৰ্জাৰীৰ নেতৃত্বত দিল্লী যাত্ৰা কৰি ৰাষ্ট্ৰপতি ড° জাকিৰ হুছেইনক ১৯৬৭ চনৰ ৯ জুনত প্ৰথমখন স্মাৰকপত্ৰ প্ৰদান কৰে। পিচদিনাখন গৃহমন্ত্ৰী ৱাই বি চৱন আৰু উদ্যোগ মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদকো লগ ধৰে।

ইয়াৰ পিচত আহে তেওঁলোকৰ প্ৰথমটো নিৰ্বাচনকেন্দ্ৰিক পদক্ষেপ— যিয়ে বড়ো সমাজক প্ৰথমবাৰৰ বাবে একগোট কৰাই নহয় বৰঞ্চ আৱেগিক কৰি তুলিব বিচাৰিছিল। এই সুবিধা আহিছিল অপ্ৰত্যাশিতভাৱে।

ৰূপনাথ ব্ৰহ্মই কোকৰাঝাৰ লোকসভাৰ পৰা বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিল যদিও ১৫ দিনৰ ভিতৰতে বিধানসভাৰ সদস্য পদৰ পৰা পদত্যাগ কৰিবলৈ সক্ষম নোহোৱাত লোকসভাৰ উপ-নিৰ্বাচনৰ দৰকাৰ হৈছিল। এই সুযোগৰ পূৰ্ণ সুবিধা লৈছিল বড়ো নেতৃবৃন্দই।

ভৈয়াম জনজাতি পৰিষদে ১৯৬৭ চনৰ ৩০ জুন আৰু ১ জুলাইৰ এটা সিদ্ধান্তমতে এই নিৰ্বাচন বৰ্জন কৰি এক বৃহৎ আন্দোলন গঢ়ি তোলে। নিৰ্বাচনৰ পৰিৱৰ্তে বিচাৰে ভৈয়াম জনজাতিৰ কাৰণে স্বায়ত্ত শাসন।

লগে লগে ই সমগ্ৰ অবিভক্ত গোৱালপাৰা জিলাতে বিয়পি গ'ল। কংগ্ৰেছ দল আৰু ভাৰত চৰকাৰকো এই বৰ্জনৰ বিষয়ে জনোৱা হ'ল।

নিৰ্বাচন অৱশ্যে বন্ধ কৰিব বা পিচুৱাব পৰা নগ'ল। ১৯৬৮ চনৰ ১৯ মে'ত নিৰ্বাচন অনুষ্ঠিত হৈ গ'ল। চৰকাৰে নিৰ্বাচনত বাধা দিব পাৰে বুলি PTCAৰ কেইবা হাজাৰো সমৰ্থকক গ্ৰেপ্তাৰ কৰিছিল।

নিৰ্বাচন হৈ গ'ল। কিন্তু ১৯৬৮ চনৰ ২২ মে'ৰ দিনা PTCAৰ

প্ৰশ্নটো উত্থাপন কৰে।

৮ আগষ্ট ঃ অসম বিধানসভাত অভূতপূৰ্ব উত্তেজনা ঃ বিধানসভাৰ প্ৰশ্নোত্তৰ কালত আজি পুৱা ৯.২০ বজাৰ পৰা ১০.২০ বজালৈ এই এঘণ্টা কালছোৱাত অভূতপূৰ্ব উত্তেজনাৰ সৃষ্টি হয়। বিৰোধী পক্ষৰ বিপ্লৱী কমিউনিষ্ট দলৰ সদস্য ছামছুল হুদাই অধ্যাপক চৈয়দ আব্দুল মালিকৰ এটা ছপাখানাৰ বাবে আৱেদন জনোৱা ঋণ কিয় দিয়া নহ'ল বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাই দিয়া এক উত্তৰৰ পৰাই বিধানসভাত তুমুল তৰ্ক-বিতৰ্ক, হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। হুদাৰ প্ৰশ্নৰ উত্তৰত শৰ্মাই কৈছিল যে যোৱা বছৰৰ ১৭ জানুৱাৰীত অধ্যাপক মালিকে প্ৰেছ খুলিবৰ বাবে ঋণ বিচাৰি দিয়া আৱেদনপত্ৰ নাকচ কৰা হয়। পুলিচেনো তেওঁৰ প্ৰতিকূলে কিয় প্ৰতিবেদন দিলে বুলি সোধা প্ৰশ্নৰ উত্তৰত শৰ্মাই যেতিয়া মালিকৰ ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপ আছে বুলি পুলিচে প্ৰতিবেদন দিয়া বুলি ক'লে তেতিয়া বিৰোধী পক্ষৰ সদস্যসকল খণ্ডত জাণ্ডুৰ খাই উঠে। গৌৰীশংকৰ ভট্টাচাৰ্য, ফণী বৰা, প্ৰমোদ গগৈ, দুলাল বৰুৱা প্ৰমুখ্যে বহুতো বিৰোধী সদস্যই এই প্ৰসংগত প্ৰশ্ন কৰে যে যিজন অধ্যাপক চৈয়দ আব্দুল মালিকৰ কথা কোৱা হৈছে সেইজনেই অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক তথা যোৰহাট জে বি কলেজৰ অসমীয়াৰ অধ্যাপক নেকি? যেতিয়া উদ্যোগ মন্ত্ৰীজনে 'নাজানো' বুলি উত্তৰ দিয়ে তেতিয়া বিৰোধী পক্ষৰ সদস্যসকল স্তম্ভিত হৈ পৰে আৰু ১৫জনমান সদস্যই একেলগে থিয় দি উদ্যোগ মন্ত্ৰীক সমালোচনা কৰিবলৈ ধৰে। গৌৰীশংকৰ ভট্টাচাৰ্যই অসমীয়া সাহিত্য-সংস্কৃতিলৈ অনবদ্য অৱদান আগবঢ়োৱা এজন ব্যক্তিক অসম পুলিচে ৰাষ্ট্ৰবিৰোধী বুলি আখ্যা দিয়াক ধিক্কাৰ দিয়ে আৰু পুলিচৰ প্ৰতিবেদন বিধানসভাত পঢ়ি শুনোৱাৰ দাবী তোলে। এনেদৰে এঘণ্টামান কাল তৰ্ক-বিতৰ্ক চলাৰ পিচত হঠাতে বিৰোধী পক্ষৰ মাইক্ৰ'ফোন বিকল হৈ পৰাত বিৰোধী পক্ষৰ সদস্য আক্ৰাম হুছেইনে চিঞৰি চিঞৰি ইয়াক এক

হাজাৰ হাজাৰ সমৰ্থক নিৰ্বাচনৰ দিনা গ্ৰেপ্তাৰ হোৱা সতীৰ্থসকলৰ মুক্তিৰ দাবী কৰি কোকৰাঝাৰৰ মহকুমাধিপতিৰ কাৰ্যালয়লৈ শান্তিপূৰ্ণভাৱে প্ৰতিবাদী সমদল কৰি আগুৱাই গৈছিল।

সেই বিশালসংখ্যক প্ৰতিবাদীয়ে হিংসাত্মক ৰূপ লোৱা দেখি পুলিচে তেওঁলোকৰ ওপৰত গুলীবৰ্ষণ কৰে আৰু তাৰ ফলত প্ৰায় ১২জন প্ৰতিবাদকাৰী আহত হয়।

এই ঘটনাই ভৈয়াম জনজাতিসকলৰ স্বায়ত্ত শাসনৰ আন্দোলনক আৰু বেছি তীব্ৰতৰ কৰি তোলে। উল্লেখযোগ্য যে প্ৰতিবাদৰ কাৰণে ২৮৪টা ভোট কেন্দ্ৰৰ ভিতৰত ১৭৭টা ভোট কেন্দ্ৰতহে ভোট গ্ৰহণ সম্ভৱ হয়। ১০৭টা ভোট কেন্দ্ৰত পুনৰবাৰ ভোট গ্ৰহণ কৰিবলগীয়া হয়।

১৯৬৮ চনৰ জুলাই মাহত PTCAৰ প্ৰায়বোৰ নেতাকে কাৰাগাৰৰ পৰা মুক্তি দিয়া হয়। কিন্তু তেতিয়ালৈকে ভৈয়াম জনজাতিসকলৰ মাজত স্বায়ত্ত শাসনৰ দাবীটোৱে অন্তৰ চুই গৈছিল। সকলোৱে বুজিছিল যে স্বায়ত্তশাসনৰ প্ৰয়োজনীয়তা কিমান। ভৈয়ামৰ সকলো ভৈয়াম জনজাতিয়ে বুজিছিল যে আন ৰাজনৈতিক দলবোৰে বিভিন্ন উপায়েৰে তেওঁলোকক বঞ্চনা কৰি থাকিব। সকলোৱে বুজিছিল যে স্বায়ত্ত শাসনহে একমাত্ৰ বিকল্প।

এক কথাত ক'বলৈ গ'লে ষাঠিৰ দশকৰ মাজভাগৰ পৰা ভৈয়ামৰ জনজাতিসকলৰ গৰিষ্ঠসংখ্যকে উচ্চ বৰ্ণৰ অসমীয়াৰ পৰা ক্ৰমান্বয়ে আঁতৰি আহিছিল আৰু তাৰ কাৰণে অসমীয়াৰ গোড়ামিয়েই আছিল বেছিকৈ দায়ী। নামনি অসমত ভৈয়ামৰ জনজাতিসকলৰ স্বায়ত্ত শাসনৰ দাবীটোৱে সত্তৰৰ দশকত উদয়াচলৰ নাম লৈছিল।

আহোম জাতীয়তাবাদ

একেধৰণৰ জাতীয়তাবাদী চিন্তাধাৰা আহিছিল আহোমসকলৰ মাজতো। সুদীৰ্ঘকাল অসম শাসন কৰাৰ পিচত ব্ৰিটিছৰ দিনৰে পৰা

চৰকাৰী ষড়যন্ত্ৰ বুলি আখ্যা দিয়ে। বিৰোধী পক্ষৰ আন সদস্যসকলে ক্ৰোধান্বিত হৈ মাইক্ৰ'ফোন দলিয়াই পেলাবৰ চেষ্টা কৰে আৰু তেনে অৱস্থাতে অধ্যক্ষই সদনৰ কাম স্থগিত ৰাখে। সদন এঘণ্টা দহ মিনিটৰ পিচত আৰম্ভ হয় আৰু এইবেলি বিৰোধী পক্ষৰ দুলাল বৰুৱাই পুলিচে দাখিল কৰা প্ৰতিবেদন প্ৰত্যাহাৰ কৰাৰ দাবী তোলে। তেওঁ লগতে কয় যে অসম সাহিত্য সভাৰ সম্পাদক এজনক অপমান কৰাৰ বাবে চৰকাৰে দুখ প্ৰকাশ কৰিব লাগে। যিসকল পুলিচ বিষয়াই এই প্ৰতিবেদন দিছে তেওঁলোকক কঠোৰ শাস্তি দিয়াৰো তেওঁ দাবী তোলে। অধ্যক্ষই এই প্ৰতিবেদন দাখিল কৰা-নকৰা সন্দৰ্ভত নিজৰ ৰুলিং দিম বুলিও শেষত বিৰোধী সদস্যসকলৰ চিঞৰ-বাখৰ আৰু সদনৰ উত্তপ্ত পৰিস্থিতিৰ বাবে ৰুলিং দিব নোৱাৰিলে। ফলত বিষয়টো অমীমাংসিতভাৱে সমাপ্ত হয়।

১১ আগষ্ট ঃ বিধানসভাৰ বিৰোধী পক্ষৰ ২৫ জন সদস্যই আজি বিধানসভাৰ অধ্যক্ষ মহীকান্ত দাসৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰে। প্ৰস্তাৱটোত কোৱা হয় যে সদনৰ মৰ্যাদা, শৃংখলা আৰু শালীনতা ৰক্ষা কৰাৰ ক্ষেত্ৰত পক্ষপাতিত্ব, অসমৰ্থতা আৰু ব্যৰ্থতাৰ অভিযোগত অধ্যক্ষৰ প্ৰতি অসম বিধায়িনী সভাই আস্থা হেৰুৱাৰ মনোভাব প্ৰকাশ কৰিছে।

১৬ আগষ্ট ঃ অসম বিধানসভাত আইন মন্ত্ৰী আব্দুল মতলিব মজুমদাৰে অসম ন্যায়পালিকা আৰু কাৰ্যপালিকা পৃথকীকৰণ বিলখন সদনত আলোচনাৰ বাবে উত্থাপন কৰে যদিও বিৰোধী পক্ষৰ বিপ্লৱী কমিউনিষ্ট সদস্য ছামছুল হুদাই বিলখনৰ বৈধতাৰ প্ৰশ্ন তোলাত অধ্যক্ষই বিলখন আলোচনাৰ বাবে উত্থাপন কৰিব পৰা নহয় বুলি ৰুলিং দিয়ে।

২৪ আগষ্ট ঃ ১৯৬৯-৭০ চনৰ পৰা ১৯৭৩-৭৪ চনলৈ এই পাঁচ বছৰৰ বাবে পঞ্চম বিত্ত আয়োগে অসমৰ বাবে ১৯৫.২১ কোটি টকা অনুমোদন কৰে।

২৫ আগষ্ট ঃ ব্ৰহ্মপুত্ৰ উপত্যকাত বান নিয়ন্ত্ৰণৰ কাম কাৰ্যকৰী কৰা আৰু পৰিকল্পনাৰ বাবে ব্ৰহ্মপুত্ৰ বান

আহোমসকলৰ গুৰুত্ব অসমৰ সমাজত কমি আহিল। প্ৰথম চাম শিক্ষিত আহোমৰ মাজত এই চিন্তাই দকৈ বিয়পি গৈছিল। সেই কাৰণেই ত্ৰিশৰ দশকত জন্ম হ'ল আহোম সভাৰ। পিচলৈ ইয়াক সদৌ অসম আহোম সভা নামকৰণ কৰা হৈছিল আৰু ১৯৪১ চনৰ লোক পিয়লত ছাদুল্লা চৰকাৰে বিচৰা ধৰণে আহোমসকলক নিজকে হিন্দু বুলি চিনাক্ত নকৰি এটা বেলেগ ঠাল হিচাপে ৰাখিলে।

অৱশ্যে পিচলৈ সৰহসংখ্যক সমাজ সচেতন আহোম লোকে আহোম মহাসভাৰ পৰা আঁতৰি কংগ্ৰেছত যোগদান কৰি স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিছিল।

কিন্তু আহোম মহাসভা ব্ৰিটিছৰ লগতেই থাকিল আৰু ভাৰত ত্যাগ আন্দোলনৰ বিৰোধ কৰি থাকিল।

১৯৪৩ চনত ব্যৱস্থা পৰিষদৰ সদস্য সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞিয়ে পৰিষদত আহোমসকলক সংখ্যালঘু হিচাপে ঘোষণা কৰিব লাগে বুলি প্ৰস্তাৱ আনিছিল। স্বাধীনতাৰ সময়ত এই দাবী প্ৰবল হ'ল যদিও ভাৰতীয় সংবিধানে আহোমসকলক সংখ্যালঘু হিচাপে মানি নল'লে কাৰণ আহোমসকল আছিল এক বিশাল বুৰঞ্জী আৰু সামাজিকভাৱে আগবঢ়া জনগোষ্ঠী।

অৱশ্যে এই দাবীৰ জনক সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞি ১৯৪৬ চনৰ নিৰ্বাচনত পৰাভূত হ'ল। তেওঁৰ নেতৃত্বত আহোম সভাই ছাদুল্লা নেতৃত্বাধীন মুছলিম লীগৰ কাষ চপাৰ কাৰণে বেছিভাগ আহোম লোকেই আহোম সভাৰ নেতৃত্বৰ ওপৰত বিতুষ্ট হৈ পৰিছিল আৰু কংগ্ৰেছৰ কাষ চাপিছিল।

স্বাধীনতাৰ পিচৰে পৰা ক্ৰমান্বয়ে আহোম জাতীয়তাবাদী মনোভাব কমি আহে যদিও ১৯৬৭ চনত ই আকৌ এবাৰ গা কৰি উঠে।

আহোমসকলৰ পৌৰাণিক ৰাজধানী গড়গাঁৱত অনুষ্ঠিত এখন অভিৱৰ্তনে ১৯৬৭ চনত এখন স্বায়ত্তশাসিত আহোম ৰাজ্যৰ হকে প্ৰস্তাৱ লয়। এই অভিৱৰ্তনৰ পৰা জন্ম হোৱা অনুষ্ঠানটোৰ নাম হয়গৈ আহোম-তাই

নিয়ন্ত্ৰণ ব'ৰ্ড নামেৰে এটা স্বায়ত্তশাসিত সংস্থা গঠন কৰাৰ প্ৰস্তাৱ এটা বিবেচনাধীন হৈ আছে বুলি লোকসভাত জলসিঞ্চন আৰু শক্তি মন্ত্ৰী ডঃ কে এল ৰাওৱে জানিবলৈ দিয়ে।

২৮ আগষ্টঃ অসমৰ বৰ্ধিত নিবনুৱা সমস্যা আৰু ইয়াৰ আশু সমাধানৰ প্ৰতি ৰাইজৰ লগতে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইকেইখন জিলাৰ ছাত্ৰ-ছাত্ৰীসকলে বৃহস্পতিবাৰে স্কুল-কলেজ-বিশ্ববিদ্যালয় আদিত উপস্থিত থকাৰ পৰা বিৰত থাকে।

৩০ আগষ্ট ঃ পূৰ্বাঞ্চলত অগ্ৰাধিকাৰ ভিত্তিত পথ পৰিবহণ ব্যৱস্থাৰ সা-সুবিধাৰ অৰ্থে ইণ্ডিয়ান ইনষ্টিটিউট অব ৰোড ট্ৰেন্সপ'ৰ্টে যোৰহাট আৰু ইম্ফলৰ মাজত ৰাষ্ট্ৰীয় পথ নিৰ্মাণৰ বাবে অনুমোদন জনায়।

২ ছেপ্টেম্বৰ ঃ কলিকতাৰ মহমেদান স্প'ৰ্টিং আৰু ইষ্ট বেংগল ক্লাবৰ মাজত হোৱা লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ অষ্টাদশ ফাইনেল খেলৰ দ্বিতীয়াৰ্ধত দৰ্শকে খেলপথাৰত প্ৰৱেশ কৰাত এক অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হয়। এই পৰিস্থিতিৰ বাবে খেলখন পৰিত্যক্ত হয় আৰু নিশাৰ ভাগত বহা টুৰ্নামেণ্ট কমিটীৰ সভাই ৰেফাৰীৰ প্ৰতিবেদনৰ আধাৰত মহমেদান স্প'ৰ্টিং ক্লাবক বিজয়ী বুলি ঘোষণা কৰে। উল্লেখ্য যে খেল পৰিত্যক্ত হোৱাৰ আগলৈকে মহমেদানে ২-০ গ'লৰ অগ্ৰগতি লাভ কৰিছিল।

৬ ছেপ্টেম্বৰ ঃ ভাৰতৰ জলসিঞ্চন আৰু শক্তি মন্ত্ৰী ড° কে এল ৰাওৱে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ বাবে বিশেষ আৰ্থিক অনুদান দিয়াৰ বাবে আহ্বান জনায়। প্ৰধানমন্ত্ৰীৰ লগত বহা এক দীঘলীয়া আলোচনাত ৰাওৱে অসমত ব্ৰহ্মপুত্ৰ নদীয়ে সৃষ্টি কৰা বানপানীৰ এক সবিশেষ ছবি দাঙি ধৰে আৰু ৰাজ্যিক আঁচনিত আগবঢ়োৱা ২ৰ পৰা ৩ কোটি টকা বানপানী নিয়ন্ত্ৰণৰ বাবে যথাযথ নহয় বুলি মত প্ৰকাশ কৰে।

১২ ছেপ্টেম্বৰ ঃ শৰৎ সিংহৰ সভাপতিত্বত গুৱাহাটীৰ কংগ্ৰেছ ভৱনত অনুষ্ঠিত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাত ভাৰতবৰ্ষৰ ঔদ্যোগিক উন্নয়ন দপ্তৰৰ মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদে

মংগোলীয় ৰাজ্য পৰিষদ। এই পৰিষদে ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি এক আচুতীয়া ৰাজ্যৰ দাবী উত্থাপন কৰিছিল।

ইয়াৰ পৰাই উৎপত্তি হয় উজনি অসম ৰাজ্য পৰিষদৰ দাবী। পি টি চি এৰ নিচিনাকৈ চুতীয়া আৰু মটকসকলৰ পৰাও বিচাৰিলে সমৰ্থন। অৱশ্যে চুতীয়া আৰু মটকসকলে বৰকৈ সঁহাৰি নজনালে।

১৯৭১ চনৰ লোকসভা নিৰ্বাচনত তিনিটা সমষ্টিত পৰিষদৰ ফালৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা হৈছিল যদিও আটাইকেইটাতে দলটোৱে শোচনীয়ভাৱে পৰাজয় বৰণ কৰে।

অৱশ্যে ১৯৭২ চনত হোৱা বিধানসভা নিৰ্বাচনত ৰাজ্য পৰিষদে এটা সমষ্টিত জিকিবলৈ সক্ষম হৈছিল। সেইটো আছিল সোণাৰি, য'ত সেই সময়ত আহোমসকলৰ সংখ্যা আছিল সৰ্বাধিক।

পি টি চি এৰ 'উদয়াচল' আৰু আহোমসকলৰ 'উজনি অসম ৰাজ্য পৰিষদ'ৰ দাবী দেখাত একে হ'লেও কিন্তু বড়োসকলৰ উদয়াচলৰ দাবীৰ পিচত এক ব্যাপক জনসমৰ্থন আছিল। সেই হিচাপে কিন্তু উজনি অসম ৰাজ্য পৰিষদৰ তেনেকুৱা ব্যাপক জনসমৰ্থন নাছিল। তাৰ মূল কাৰণ হ'ল আহোমসকলৰ শাসনৰ ইতিহাস। ভৈয়ামৰ জনজাতিৰ নিচিনা তেওঁলোক নাছিল উপেক্ষিত। ব্ৰিটিছ অহাৰ পিচতহে তেওঁলোকৰ গুৰুত্ব কমি আহিছিল। শেষলৈ আহোম নেতৃত্বই কংগ্ৰেছৰ পৰা আঁতৰি ছাদুল্লাৰ লগ লগা কাৰণে বেছিভাগ সাধাৰণ আহোম ৰাইজেই বেয়া পাইছিল যাৰ কাৰণে পৰৱৰ্তী পৰ্যায়তো নেতৃবৃন্দক সাধাৰণ আহোম ৰাইজে বৰকৈ বিশ্বাসত নল'লে আৰু দাবীটোও নিস্তেজ হৈ আহিল।

অসমৰ কংগ্ৰেছীসকলক প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ সপক্ষত অৱস্থান কৰিবলৈ আহ্বান জনায়। তেখেতে দলটোৰ সৰ্বভাৰতীয় নেতৃত্বৰ ক্ষেত্ৰত প্ৰকট হোৱা দ্বন্দ্বৰ এক আভাস দাঙি ধৰি ইতিমধ্যে গ্ৰহণ হোৱা নীতিসমূহৰ সফল ৰূপায়ণৰ স্বাৰ্থত ইন্দিৰা গান্ধীক সমৰ্থন দিয়াটো জৰুৰী বুলি মত ব্যক্ত কৰে।

১৫ ছেপ্টেম্বৰ ঃ শোধনাগাৰ সংগ্ৰাম পৰিষদৰ আহ্বানত আয়োজিত প্ৰথম পৰ্যায়ৰ সত্যাগ্ৰহ আন্দোলন আৰম্ভ। ৰাজহুৱা খণ্ডত দ্বিতীয় এটা তেল শোধনাগাৰৰ দাবীত কৰা এই আন্দোলনত বিভিন্ন জিলাত কেইবা লাখ লোকক গ্ৰেপ্তাৰ।

২ অক্টোবৰ ঃ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিজয় চন্দ্ৰ ভাগৱতীয়ে অসমৰ জনসাধাৰণক দ্বিতীয় এক শোধনাগাৰৰ বাবে কৰা আন্দোলনৰ পৰিসমাপ্তি ঘটাবৰ বাবে আৱেদন জনায়। তেওঁলোকে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক এইক্ষেত্ৰত এক ইতিবাচক সঁহাৰি দিবলৈও অনুৰোধ জনাব। সংগ্ৰাম পৰিষদে অৱশ্যে এই আহ্বানক নাকচ কৰে।

৪ অক্টোবৰ ঃ ৰাজহুৱা খণ্ডৰ দ্বিতীয়টো শোধনাগাৰৰ বাবে চলি থকা আন্দোলনৰ প্ৰেক্ষাপটত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে প্ৰধানমন্ত্ৰী, পেট্ৰ'লিয়াম মন্ত্ৰী আৰু সংসদৰ আন সদস্যসকলৰ সৈতে আলোচনা কৰিবৰ বাবে এটা সঁজাতী দল নতুন দিল্লীলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

৫ অক্টোবৰ ঃ এগৰাকী মটৰচাইকেল আৰোহীক প্ৰহাৰ কৰি হত্যা কৰাৰ ফলত সমগ্ৰ নামৰূপতে হিংসাত্মক পৰিৱেশৰ সূচনা। ইয়াৰ পিচতে উপায়ুক্তই সমগ্ৰ নামৰূপতে কাৰ্ফিউ জাৰি কৰে। ১২ অক্টোবৰপৰ্যন্ত হিংসাত্মক কাণ্ডত তিনিজন লোকৰ মৃত্যু আৰু ৬১জন লোক আহত হয়।

১৫ অক্টোবৰ ঃ বৰপেটাৰ কাৰৈমাৰী ৰিজাৰ্ভত চৰকাৰৰ উচ্ছেদকাৰী কৰ্মচাৰী আৰু বেদখলকাৰী ভূমিহীন কৃষকৰ মাজত হোৱা সংঘৰ্ষত সাতজন লোক আহত হয়।

১৬ অক্টোবৰ ঃ হাজোৰ ওচৰৰ শগুণগুছিত এখন দলঙত হোৱা

খাদ্য আন্দোলন

স্বাধীনতাৰ পিচৰ কালছোৱাত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত খাদ্য সংকটে দেখা দিছিল আৰু ঠায়ে ঠায়ে ই দুৰ্ভিক্ষৰ ৰূপ লৈছিলগৈ। চল্লিশৰ দশকত বংগত হোৱা দুৰ্ভিক্ষৰ প্ৰভাৱ পঞ্চাশৰ দশকলৈ আছিল। স্বৰাজোত্তৰ সময়ছোৱাত ধানবন্ধা কল, জোটদাৰ আৰু খাদ্য মজুতকৰ্তাসকলৰ অভিসন্ধিৰ ফলতে এনে সংকটে দেখা দিছিলহি। বংগৰ নিচিনা ৰাজ্যত এনে লোকসকলে গাঁৱৰ উৎপাদন ব্যৱস্থাটোৰ ওপৰত কৰ্তৃত্ব স্থাপন কৰিব পাৰিছিল আৰু এনে এক অৱস্থা ভাৰতৰ বেছিভাগ ৰাজ্যতে দৃশ্যমান হৈছিল। উল্লেখ্য যে ১৯৪৩ চনত বংগত হোৱা দুৰ্ভিক্ষ প্ৰাকৃতিক কাৰণত নহয়

দুৰ্ঘটনাত ২৫ ফুট খাদ এটাত বাছ এখন পৰি যোৱাত কুৰিজনৰো অধিক লোকৰ মৃত্যু।

১৮ অক্টোবৰ ঃ অসমত চৰকাৰী খণ্ডত দ্বিতীয় তেল শোধনাগাৰৰ দাবীত হোৱা আন্দোলন প্ৰত্যাহাৰ নকৰালৈকে ভাৰত চৰকাৰে সেই দাবী সন্দৰ্ভত কোনো সিদ্ধান্ত নলয় বুলি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে মত ব্যক্ত কৰে। অসম কংগ্ৰেছৰ প্ৰতিনিধি দলটোৱে এই প্ৰশ্নৰ ক্ষেত্ৰত ততালিকে এক সিদ্ধান্ত ল'বলৈ কেন্দ্ৰীয় চৰকাৰক সৈমান কৰিবলৈ প্ৰয়াস কৰিছিল যদিও এইক্ষেত্ৰত দলটোৱে সফলতা লাভ কৰিব নোৱাৰিলে। ইপিনে সদৌ অসম তেল শোধনাগাৰ সংগ্ৰাম পৰিষদৰ যুটীয়া আহ্বায়ক বিশ্ব গোস্বামী, প্ৰমোদ গগৈ আৰু বি এল হানছাৰিয়াই অসমৰ ৰাইজৰ ন্যায়সংগত দাবী পূৰণ কৰা নহয় মানে শোধনাগাৰ আন্দোলন প্ৰত্যাহাৰ কৰা নহয় বুলি প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰে।

২১ অক্টোবৰ ঃ অসমত চৰকাৰী খণ্ডত দ্বিতীয় তেল শোধনাগাৰ পতা সন্দৰ্ভত ইন্দিৰা গান্ধীয়ে যি বিবৃতি দিছিল সেই বিবৃতিৰ প্ৰতি সমৰ্থন প্ৰকাশ কৰি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই ২৭ অক্টোবৰত আহ্বান জনোৱা দ্বিতীয় পৰ্যায়ৰ গণ সত্যাগ্ৰহ আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ ৰাইজলৈ আবেদন জনায়।

২৩ অক্টোবৰ ঃ চৰকাৰী খণ্ডত অসমত দ্বিতীয় তেল শোধনাগাৰ স্থাপনৰ দাবীত চলা আন্দোলন পৰিহাৰ কৰিবলৈ প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী চলিহাই জনোৱা আহ্বান তেল শোধনাগাৰ সংগ্ৰাম পৰিষদে প্ৰত্যাখ্যান কৰে। আনহাতে মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু অসম তেল শোধানাগাৰ সংগ্ৰাম পৰিষদৰ প্ৰতিনিধি দল এটাৰ মাজত ৩৬ মিনিট কাল গভীৰভাৱে হোৱা আলোচনাৰ অন্তত চলিহাই আগবঢ়োৱা পৰামৰ্শমতে শোধনাগাৰ সম্পৰ্কে প্ৰধানমন্ত্ৰীৰ লগত আলোচনা কৰিবলৈ সঁজাতী দলে সন্মতি প্ৰকাশ কৰে।

২৬ অক্টোবৰ ঃ অসমত দ্বিতীয়টো তেল শোধনাগাৰ পতাৰ সম্পৰ্কত বিশেষজ্ঞ কমিটীয়ে দিয়া প্ৰতিবেদনখন যত্নসহকাৰে আৰু সহানুভূতিৰে

বৰঞ্চ মানৱসৃষ্ট আছিল বুলি পৰৱৰ্তী সময়ৰ গৱেষক-বিশ্লেষক আদিয়ে তথ্যসহকাৰে প্ৰমাণ কৰি দেখুৱাইছে। বংগত পঞ্চাশৰ দশকৰ বিভিন্ন সময়ত যেনে — ১৯৫৬, ১৯৫৮ আৰু ১৯৫৯ চনত মূলতঃ বামপন্থী দলৰ নেতৃত্বত কেইবাটাও খাদ্য আন্দোলন সংঘটিত হয় আৰু শেষৰ বছৰটোত হোৱা আন্দোলনটোৰ প্ৰভাৱ সমগ্ৰ দেশতে বিয়পি পৰে। ১৯৫৯ চনত হোৱা এই আন্দোলনে পশ্চিম বংগত বাওঁ দলৰ প্ৰভাৱ শক্তিশালী কৰিব পাৰিছিল আৰু এই আন্দোলনৰ কিঞ্চিৎ ৰেঙণি অসমৰ নিচিনা ৰাজ্যলৈও বিয়পিছিল। এই আন্দোলনত প্ৰায় এহেজাৰ লোক নিৰুদ্দিষ্ট হৈছিল আৰু আৰক্ষীৰ নিৰ্মম প্ৰহাৰত প্ৰায় তিনি হাজাৰ লোকে গুৰুতৰভাৱে আঘাত পাইছিল। বংগৰ কংগ্ৰেছ চৰকাৰৰ আমোলত হোৱা এই নিৰ্মম পুলিচী দমনৰ পিচত অচিনাকি বহু লোকৰ মৃতদেহ গংগাত ভাহি উঠা দেখা গৈছিল। ইয়াৰ পিচতে ১৯৬৬ চনত বংগত আন এক শক্তিশালী খাদ্য আন্দোলন গঢ় লৈ উঠে আৰু এই আন্দোলনৰ সমান্তৰালভাৱে ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যত ভীষণ খাদ্য সংকটে দেখা দিয়েহি।

স্বাধীনতাৰ পিচতে ভাৰতবৰ্ষৰ গণতান্ত্ৰিক চৰকাৰখনে মুখ্যতঃ দুটা আৰ্থিক প্ৰত্যাহ্বানৰ মুখামুখি হৈছিল। পৃথিৱীৰ দ্বিতীয় বৃহৎ জনবহুল এই ৰাষ্ট্ৰখনৰ সন্মুখত থকা এই দুই আৰ্থিক প্ৰত্যাহ্বান আছিল— (১) খাদ্যৰ ক্ষেত্ৰত সুৰক্ষিত আৰু স্বাৱলম্বী হোৱা আৰু (২) দৰিদ্ৰতা নিৰ্মূল কৰা। দেশখনৰ ৩০ কোটি (পঞ্চাশৰ দশকত দেশখনৰ জনসংখ্যা ৩০ কোটি আছিল) জনসাধাৰণৰ খাদ্য সংকট নোহোৱা কৰিবলৈ পঞ্চাশ আৰু ষাঠিৰ দশকত ভাৰত চৰকাৰে নতুন কৃষি নীতি ল'বলৈ বাধ্য হৈ পৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে পঞ্চাশৰ দশকত ৰাজহুৱা বিতৰণ ব্যৱস্থাটোৱে ঠন ধৰি উঠা নাছিল বাবে খাদ্য যোগান আৰু বিতৰণ প্ৰক্ৰিয়াত মিল মালিক, দালাল চক্ৰই আধিপত্য চলাইছিল আৰু ইয়াৰ বাবে সঘনে খাদ্য সংকটে দেখা দিছিলহি। পঞ্চাশ আৰু ষাঠিৰ দশকৰ কৃত্ৰিম তথা স্বাভাৱিক খাদ্য

বিবেচনা কৰা হ'ব বুলি শোধনাগাৰ সংগ্ৰাম পৰিষদৰ আগত প্ৰধানমন্ত্ৰীয়ে আশ্বাস দিয়াৰ পিচত ২৭ অক্টোবৰৰ পৰা হ'ব লগা আন্দোলন স্থগিত ৰখা হয়।

২৭ অক্টোবৰ ঃ অসমৰ ১৯৭০-৭১ চনৰ বাৰ্ষিক পৰিকল্পনাত ৩৬.২৫ কোটি টকা ধাৰ্য কৰা হৈছে। আগেয়ে এইক্ষেত্ৰত ৩৪.২ কোটি টকাহে ধাৰ্য কৰা হৈছিল।

২৮ অক্টোবৰ ঃ তেজপুৰৰ পৰা ৫৭ মাইল দূৰৈৰ ধনশিৰি চাহ বাগিচাত পুলিচৰ গুলীত ৪জন লোক নিহত। চাহ বাগিচাৰ বনুৱা আৰু পুলিচৰ মাজত হোৱা সংঘৰ্ষৰ ফলতে উক্ত ঘটনা ঘটে।

৬ নৱেম্বৰ ঃ পুনেত সমাপ্ত হোৱা ভাৰতৰ ৰাষ্ট্ৰীয় স্কুল গেম্ছৰ শৰৎকালীন অনুষ্ঠানত অসম স্কুল দলে ফুটবলৰ চেম্পিয়নশ্বিপ অৰ্জন কৰে। ফাইনেলত অসমে বংগক ৫-১ গ'লত পৰাজিত কৰে। সৰ্বভাৰতীয় পৰ্যায়ৰ খেল-ধেমালিত এয়া প্ৰথমবাৰৰ বাবে অসমৰ ৰাজ্যিক দলে চূড়ান্ত সন্মান লাভ কৰিছে।

৭ নৱেম্বৰ ঃ অসম সাহিত্য সভাৰ ৩৮তম অধিৱেশনত সভাপতিত্ব কৰিবলৈ প্ৰবীণ সাহিত্যিক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু নিৰ্বাচিত হয়।

১০ নৱেম্বৰ ঃ অসম পুনৰ গঠন বিলখন অসম ৰাজ্যিক মন্ত্ৰীসভাৰ এখন বৈঠকত গৃহীত হয়। বিশেষ কটকীৰ জৰিয়তে নতুন দিল্লীলৈ বিলখন ১২ তাৰিখে প্ৰেৰণ কৰা হ'ব।

১৫ নৱেম্বৰ ঃ অসম কংগ্ৰেছ বিধায়িনী দল আৰু প্ৰদেশ কংগ্ৰেছ কমিটীৰ শনিবাৰে গুৱাহাটীত বহা এখন জৰুৰী যুটীয়া সভাই সৰ্বসন্মতিক্ৰমে এটা প্ৰস্তাৱ গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ বিৰুদ্ধে দিয়া বহিষ্কাৰৰ নিৰ্দেশ শীঘ্ৰে প্ৰত্যাহাৰ কৰিব লাগে বুলি দাবী জনায়। বৈঠকত গ্ৰহণ কৰা প্ৰস্তাৱটো সৰ্বসন্মত হ'লেও যোগেন শইকীয়া আৰু দেৱেশ্বৰ শৰ্মাই তেওঁলোকৰ সুদীৰ্ঘ ভাষণত প্ৰধানমন্ত্ৰীৰ কাৰ্যকলাপক বিশেষভাৱে কটাক্ষ কৰে। ফলত বৈঠকত এক হৈ-চৈৰ পৰিৱেশ হয়।

১৮ নৱেম্বৰ ঃ অসমত পোৱা খাৰুৱা তেলৰ ৰয়েল্টী প্ৰতি মেট্ৰিক টনত ১২.৫০ টকালৈ বঢ়াব লাগে বুলি

সংকটৰ জোৰা মাৰিবলৈ ভাৰত চৰকাৰে পি এল ৪৮০ চুক্তি অনুসাৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা খাদ্য গ্ৰহণ কৰিব লগাত পৰিছিল। কৃষিজাত আমদানিৰ ওপৰত দেশখনে বেছি নিৰ্ভৰশীল হ'ব লগা হোৱা হেতুকে ভাৰত চৰকাৰে জাতীয় স্বতন্ত্ৰতা, সুৰক্ষা আৰু ৰাজনৈতিক স্থিৰতাৰ স্বাৰ্থত খাদ্য উৎপাদনৰ বাবে 'সেউজ বিপ্লৱ'ৰ (Green Revolution) আঁচনি গ্ৰহণ কৰে। ষাঠিৰ দশকৰ অভূতপূৰ্ব খাদ্য আন্দোলনৰ পৰিপ্ৰেক্ষিতত ৰচিত হোৱা এই সেউজ বিপ্লৱৰ ফলতে পৰৱৰ্তী দশকবোৰত দেশখনে ক্ৰমাগতভাৱে খাদ্য উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বী হ'বলৈ সক্ষম হৈছিল।

ভাৰতবৰ্ষৰ খাদ্য উৎপাদনৰ ক্ৰমাগত বিৱৰ্তনৰ এখন ছবি তলত উল্লেখ কৰা হৈছে—

বছৰ	খাদ্য উৎপাদন (মিলিয়ন টন হিচাপত)
১৯৫০-৫১	৫০.৮ মিলিয়ন টন
১৯৬০-৬১	৮২ মিলিয়ন টন
১৯৭০-৭১	১০৮.৪ মিলিয়ন টন
১৯৮০-৮১	১২৯.৬ মিলিয়ন টন
১৯৯০-৯১	১৭৬.৪ মিলিয়ন টন
২০০০-২০০১	১৯৬.৮ মিলিয়ন টন
২০১১-২০১২	২৫৭ মিলিয়ন টন

উৎস ঃ *কৃষি মন্ত্ৰণালয়, ভাৰত চৰকাৰ*

অসমৰ পটভূমিত খাদ্য উৎপাদনৰ ধাৰাটো সৰ্বভাৰতীয় ধাৰাতকৈ কিছু পৃথক দেখা গৈছিল। ১৯৫০-৫১ চনত প্ৰতি একৰত উৎপাদন হিচাপত সৰ্বভাৰতীয় উৎপাদনতকৈ অসমৰ প্ৰতি একৰ মাটিৰ উৎপাদন বহু বেছি

অসমৰ সদস্যসকলে দাবী উত্থাপন কৰে যদিও পেট্ৰ'লিয়াম মন্ত্ৰী ডঃ ত্ৰিগুণা সেনে এই দাবী অগ্ৰাহ্য কৰে।

২২ নৱেম্বৰ ঃ নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ এখন সভাত অসমে এক সুকীয়া স্থান লাভ কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি বিজয় চন্দ্ৰ ভাগৱতীয়ে তুমুল হৰ্ষধ্বনিৰ মাজত তলবী অধিৱেশনৰ সভাপতি হিচাপে ইন্দিৰা গান্ধীৰ নাম প্ৰস্তাৱ কৰে। অসমৰে আন এজন সদস্য কেন্দ্ৰীয় ঔদ্যোগিক উন্নয়ন মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদে অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে সদস্যসকলক আদৰণি জনায়। নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ মজিয়াত ভাষণ দিয়া আজিৰ প্ৰথমজন ব্যক্তি আছিল বিজয় চন্দ্ৰ ভাগৱতী। তেওঁ শোকাভিভূত হৈ গান্ধী-নেহৰু পৰিয়ালৰ অৱদানৰ কথা সভাক আৱেগিকভাৱে সোঁৱৰাই দিয়ে।

২৬ নৱেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি বিজয় চন্দ্ৰ ভাগৱতীয়ে অসমৰ কংগ্ৰেছী লোকসকলক চি সুব্ৰমণিয়ামৰ নেতৃত্বাধীন কংগ্ৰেছ অনুষ্ঠানটোক সমৰ্থন জনাবলৈ আহ্বান জনায়।

৩ ডিচেম্বৰ ঃ অসম ৰাজ্যৰ ভিতৰত স্বায়ত্তশাসিত পাৰ্বত্য ৰাজ্যখন সৃষ্টি কৰিবলৈ উত্থাপন কৰিব খোজা বিলখনৰ খচৰাত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত আজি অনুমোদন দিয়া হয়।

- অসমৰ ৫০০ তকৈ অধিক ক্ষুদ্ৰায়তন উদ্যোগ যাতে বন্ধ নহয় তাৰ বাবে অসমক বিলেট আৰু তীখাৰ প্লেটৰ অস্থায়ী কোটা দিবলৈ কেন্দ্ৰীয় চৰকাৰে সন্মতি প্ৰদান কৰে।

৯ ডিচেম্বৰ ঃ অসমৰ নিৰ্দলীয় সাংসদ জি জি ছোৱেল আজি বিনা প্ৰতিদ্বন্দ্বিতাৰে লোকসভাৰ উপাধ্যক্ষ নিৰ্বাচিত হয়।

১৫ ডিচেম্বৰ ঃ লোকসভাত গৃহ দপ্তৰৰ ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী বিদ্যাচৰণ শুক্লাই অসম পুনৰ গঠন বিলখন উত্থাপন কৰে। তদুপৰি ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ বাবে এখন পৰিষদ গঠন কৰিবলৈ 'উত্তৰ-পূৰ্বাঞ্চল পৰিষদ বিল' নামেৰে দ্বিতীয় এখন বিলো লোকসভাত উত্থাপন কৰা হয়।

আছিল। পঞ্চাশ আৰু ষাঠিৰ দশকত অসমৰ খাদ্য উৎপাদন সৰ্বভাৰতীয় স্তৰতকৈও বেছি হোৱাৰ পিচতো কিন্তু অসমৰ বিশেষতঃ চহৰ অঞ্চলত ভীষণ খাদ্য সংকটে দেখা দিছিল। খাদ্য যোগানকাৰীসকলৰ ওপৰত চৰকাৰৰ নিয়ন্ত্ৰণহীন অৱস্থা আৰু অসম চৰকাৰৰ অবিবেচক নীতিৰ বাবেই এই সংকট ঘনীভূত হৈছিল।

ষাঠিৰ দশকৰ প্ৰাৰম্ভৰে পৰা অসমৰ প্ৰায় সকলো ঠাইতে খাদ্য শস্যৰ নাটনি আৰু মূল্যবৃদ্ধিয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিবলৈ আৰম্ভ কৰে। ১৯৬৫ চনত খাদ্য শস্যৰ মূল্যবৃদ্ধি অধিক শোচনীয় হৈ পৰে। ১৯৬৫ চনৰ 'সাদিনীয়া নৱযুগ'ৰ সংবাদ সমীক্ষাত উক্ত বৰ্ষৰ মে' আৰু আগষ্ট মাহৰ ভিতৰত ঘটা মূল্যবৃদ্ধিৰ পৰিসংখ্যা নিম্নোক্ত ধৰণে দাঙি ধৰা হৈছিল।

১৯৬৫ চন	মে' মাহ	আগষ্ট মাহ
(১) মিঠাতেল (১৫ কিলো ২০০ গ্ৰামৰ টিন)	৪৮ টকা	৬০ টকা
(২) বাদাম তেল (মোনে)	৯০ টকা	১২০ টকা
(৩) নাৰিকল তেল (মোনে)	১৯৩ টকা	২২৬ টকা
(৪) মচুৰ দাইল (কুইণ্টল)	৯৫ টকা	১২২ টকা
(৫) মগু দাইল (কুইণ্টল)	১১০ টকা	১৪৭ টকা
(৬) ৰহৰ দাইল (কুইণ্টল)	১১৬ টকা	১৪৭ টকা
(৭) বনস্পতি ঘিউ (চাৰে ১৬ কিলোৰ টিন)	৫১ টকা	৬৮ টকা
(৮) মাটি মাহ (কুইণ্টল)	৪৪ টকা	৬১ টকা
(৯) হালধি (কুইণ্টল)	৫৫ টকা	৬০ টকা

***উৎস ঃ** সাদিনীয়া নৱযুগ, ১ ছেপ্টেম্বৰ, ১৯৬৫*

এনে এক মূল্যবৃদ্ধিলৈ লক্ষ্য ৰাখি অসমৰ বিভিন্ন প্ৰগতিশীল ৰাজনৈতিক দল আৰু ব্যক্তিসকলৰ এক সন্মিলন গুৱাহাটীত অনুষ্ঠিত

১৬ ডিচেম্বৰ ঃ গুৱাহাটীলৈ খান আব্দুল গফৰ খানৰ আগমন। জজ খেলপথাৰত প্ৰায় ৩০ হাজাৰ লোকৰ সমাবেশত ভাষণ দি সীমান্ত গান্ধী খ্যাত গফৰ খানে সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে আহ্বান জনায়।

২৪ ডিচেম্বৰ ঃ মেঘালয় সৃষ্টিত অনুমোদন ঃ অসমৰ ভিতৰতে তিনিখন পাৰ্বত্য জিলাক লৈ 'মেঘালয়' নামে এখন স্বায়ত্ত ৰাজ্য গঠনৰ বিলখন আজি সংসদে অনুমোদন জনায়। লোকসভাই গ্ৰহণ কৰাৰ তিনি ঘণ্টাৰ ভিতৰতে ৰাজ্যসভায়ো কেতবোৰ কাৰ্যবিধি স্থগিত ৰাখি অসম পুনৰ গঠন বিলখন আলোচনা কৰে আৰু পিচত গ্ৰহণ কৰে। এই ঘটনাই সংসদত নতুন ইতিহাস ৰচনা কৰে। ইয়াৰ আগেয়ে কেতিয়াও বিল এখন উভয় সদনতে একেদিনাই গৃহীত হোৱা নাছিল। লোকসভাত জনসংঘই বিলখনৰ বিৰোধিতা কৰি বহুসংখ্যক সংশোধন উত্থাপন কৰিছিল যদিও অৱশেষত বিনা বিৰোধিতাৰে বিলখন গৃহীত হয়।

৩০ ডিচেম্বৰ ঃ আজি মাজনিশা ম্যাদ উকলিবলগীয়া নিবাৰক নিৰোধ আইনৰ পৰিৱৰ্তে সংবিধানৰ সপ্তম সূচী অনুসৰি অসম আৰু নাগালেণ্ডৰ ৰাজ্যপালে 'অসম নিবাৰক নিৰোধ অধ্যাদেশ' জাৰি কৰে।

৩১ ডিচেম্বৰ ঃ অসম-পূব পাকিস্তান সীমাৰ গোৱালপাৰা জিলাৰ গোলকগঞ্জৰ এখন সীমান্তৱৰ্তী গাঁৱত ২৫জনীয়া পাকিস্তানী সশস্ত্ৰ দুৰ্বৃত্তৰ দ্বাৰা ডকাইতি।

- অসম আৰু নাগালেণ্ডৰ ৰাজ্যপালৰ দ্বাৰা 'অসম নিবাৰক নিৰোধ অধ্যাদেশ' জাৰি।
- অসম চৰকাৰৰ শিক্ষা বিভাগে উচ্চ মাধ্যমিক স্কুলৰ পাঠ্যক্ৰম ৮ম মানৰ পৰা প্ৰত্যাহাৰ কৰি হাইস্কুলবিলাকত চলোৱাৰ সিদ্ধান্ত লয়।

হয়। এই সন্মিলনীৰ সিদ্ধান্ত অনুযায়ী ২৩ আগষ্টৰ পৰা ৩১ আগষ্টলৈকে অসমজুৰি 'খাদ্যৰ সংকট আৰু মূল্যবৃদ্ধি প্ৰতিৰোধ সপ্তাহ' পালন কৰা হয়। এই সন্মিলনে নিম্ন উল্লিখিত দাবীবোৰ চৰকাৰৰ ওচৰত উপস্থাপন কৰে—

(১) ব্যক্তিগত এজেঞ্চীৰ পৰিৱৰ্তে সমবায় আৰু চৰকাৰী এজেঞ্চীৰ জৰিয়তে তথা জনসাধাৰণৰ খাদ্য কমিটীৰ তত্ত্বাৱধানত চৰকাৰে খাদ্য বস্তু বিতৰণ কৰিব লাগে।

(২) খেতিয়ক আৰু জনসাধাৰণৰ স্বাৰ্থত চৰকাৰে ন্যূনতম বেচা দাম আৰু ঊৰ্ধ্বতম কিনা দাম বান্ধি দিব লাগে আৰু এই নিৰ্ধাৰিত দাম কঠোৰভাৱে বলৱৎ হ'ব লাগে।

(৩) চোৰাং বেপাৰী আৰু মজুতকাৰীসকলক কঠোৰ শাস্তি বিহিব লাগে।

(৪) অসমৰ প্ৰতিখন নগৰৰ প্ৰতিটো ৱাৰ্ডত জনসংখ্যা অনুপাতে চৰকাৰী খাদ্য যোগান কেন্দ্ৰ খুলিব লাগে। প্ৰত্যেক গাঁওসভাতো তেনে কেন্দ্ৰ খুলিব লাগে।

(৫) চাউলৰ প্ৰতি কিলোত ৫০ পইচা দাম চৰকাৰে বান্ধি দিব লাগে আৰু খাদ্য সামগ্ৰীৰ দামৰ লগত সামঞ্জস্য ৰাখি অন্যান্য বস্তুৰ দামো চৰকাৰে নিৰ্ধাৰণ কৰিব লাগে।

(৬) খেতি চপোৱাৰ আগতেই আগধন দি আধামূলীয়াকৈ ধান কিনা পদ্ধতি আৰু খাদ্য মজুতৰ ক্ষেত্ৰত বেংকলগ্নী বে-আইনী বুলি ঘোষণা কৰিব লাগে আৰু তেনে কৰিলে উপযুক্ত শাস্তি বিধানৰ ব্যৱস্থা কৰিব লাগে।

(৭) খেতিয়কসকলৰ পৰা কিনা ধানৰ মোনে প্ৰতি ন্যূনতম ১৫ টকাকৈ ধাৰ্য কৰিব লাগে।

১৯৬৫ চনত অসমত চাউলৰ দাম বৃদ্ধি হোৱাৰ ক্ষেত্ৰত আন

১৯৭০

৬ জানুৱাৰী : অসমৰ ভিতৰতে পহিলা এপ্ৰিলৰ পৰা সৃষ্টি হ'ব লগা নতুন স্বায়ত্তশাসিত ৰাজ্য 'মেঘালয়'ত ৰাজ্য বিধানসভাৰ বাবে নিৰ্বাচন মাৰ্চ মাহত অনুষ্ঠিত হ'ব বুলি সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনৰ চেয়াৰমেন কেপ্টেইন উইলিয়ামছন চাংমাই ঘোষণা কৰে।

৭ জানুৱাৰী : চাহ বাগিচা কিনিবলৈ ক্ৰয় আয়োগ গঠন কৰাৰ পৰামৰ্শ। যোৰহাটত হোৱা চাহ কৰ্মচাৰীৰ এখন সভাই চৰকাৰক বাগিচাসমূহ কিনিবৰ বাবে 'ক্ৰয় আয়োগ' গঠন কৰিবৰ বাবে আহ্বান জনায়। প্ৰস্তাৱত কোৱা হয় যে চৰকাৰ আৰু ৰাইজৰ সমান অংশ লৈ এটা লিমিটেড কোম্পানীৰ দৰে 'ক্ৰয় আয়োগ' গঠন কৰিব লাগে আৰু ব্ৰিটিছ কোম্পানীসমূহে বিক্ৰী কৰিবলৈ আগবঢ়োৱা সকলো বাগিচা 'ক্ৰয় আয়োগে' কিনি পৰিচালনা কৰিব লাগে। এই ক্ৰয় আয়োগত চাহ বনুৱাৰ অংশ কিনিবলৈ বনুৱাৰ ভৱিষ্য নিধিৰ পুঁজিত জমা থকা টকাৰ পৰা প্ৰত্যেক বনুৱাৰ নামত ১০০ টকাকৈ কাটি দিবলৈ সভাই চৰকাৰক পৰামৰ্শ আগবঢ়ায়।

১০ জানুৱাৰী : তিনিটা আন্তঃৰাজ্যিক পথত বয়বস্তু পৰিবহণ কৰিবৰ বাবে তিনি কুৰি পৰিবহণ পত্ৰৰ ব্যৱস্থাত সন্মতি জনাই অসম আৰু পশ্চিম বংগই এখন চুক্তি কৰে। পূৰ্বাঞ্চলত এটা সংগঠিত পথ পৰিবহণ নীতি উদ্ভাৱন কৰিবলৈ পূৰ্বাঞ্চল আঞ্চলিক পৰিবহণ মন্ত্ৰীসকলৰ শ্বিলঙত এখন বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত অসম আৰু পশ্চিম বংগই কলিকতা-ডিব্ৰুগড়, কলিকতা-গুৱাহাটী আৰু শিলিগুৰি-গুৱাহাটী পথত মাল পৰিবহণৰ অনুমতি পত্ৰ দিবলৈ ৰাজ্য দুখনে সন্মতি প্ৰকাশ কৰে।

- অসমত প্ৰস্তাৱিত ১২ বছৰীয়া স্কুল আৰু দুবছৰীয়া প্ৰাক্-বিশ্ববিদ্যালয় পাঠ্যক্ৰম আৰু আসন সংখ্যা নিয়ন্ত্ৰণৰ আঁচনি শীঘ্ৰে প্ৰত্যাহাৰ কৰিবলৈ আৰু নতুনকৈ স্কুল-কলেজ খুলিবলৈ সদৌ অসম ছাত্ৰ অভিৱৰ্তনে দাবী জনায়।

১১ জানুৱাৰী : অসম-নাগালেণ্ড সীমা বিবাদ : নাগালেণ্ড উন্নয়ন বিভাগৰ

এটা কাৰকেও ক্রিয়া কৰিছিল বুলি কোৱা হয়। ১৯৬৪ চনত অসম চৰকাৰৰ পৰিসংখ্যা বিভাগে অসমত ধানৰ উৎপাদন বহু বেছি হোৱা বুলি হিচাপ উলিওৱাৰ ফলত হঠাতে ১৯৬৫ চনত কেন্দ্রীয় গুদামৰ পৰা অসমলৈ চাউল অনাটো বন্ধ কৰি দি সেই চাউল ভাৰতবৰ্ষৰ আন আন অভাৱগ্রস্ত ৰাজ্যসমূহলৈ প্রেৰণ কৰা হ'ল। ইতিমধ্যে আমি সেই সময়ছোৱাত ৰাষ্ট্রজুৰি খাদ্য অনাটনৰ কাৰণ ইয়াত উল্লেখ কৰিছোঁ।

কেন্দ্রীয় গুদামৰ পৰা অসমলৈ অহা ধান আৰু গমৰ হিচাপ (হাজাৰ টন হিচাপত)			
বছৰ	**চাউলৰ পৰিমাণ**	**গমৰ পৰিমাণ**	**মুঠ**
১৯৫৬	২১	—	২১
১৯৫৭	৫২	১৪	৬৬
১৯৫৮	৩৭	৭৭	১১৪
১৯৫৯	২৭	৭২	৯৯
১৯৬০	২৯	৭৪	১০৩
১৯৬১	২	৯০	৯২
১৯৬২	৫০	১০৯	১৫৯
১৯৬৩	৭৫	১৫৬	২৩১
১৯৬৪	১৪	৯৩	১০৭

(জুলাই মাহপৰ্যন্ত)

১৯৬৫ চনত কেন্দ্রীয় গুদামৰ পৰা চাউল অনা বন্ধ কৰি আন ৰাজ্যলৈ চাউল প্রেৰণ কৰা প্রক্রিয়াটো ১৯৬৬ চনতো অব্যাহত হোৱাৰ কথা আছিল। কিন্তু কিছু পৰিমাণৰ চাউল পঠোৱাৰ পিচতে অসমত বানপানীয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰে। অসম চৰকাৰে আশা কৰিব পৰা ধৰণে চাউল

ৰাজ্যমন্ত্ৰী কোৰমাও জমিৰে কেন্দ্ৰই আয়োগ এটা গঠন কৰি অসম-নাগালেণ্ড সীমা বিবাদ মীমাংসা নকৰিলে ইয়াৰ পৰিণাম গুৰুতৰ হ'ব বুলি সাৱধানবাণী শুনায়। সীমান্ত পৰিস্থিতিৰ চৰজমিন অধ্যয়ন কৰি ক'হিমালৈ প্ৰত্যাৱৰ্তন কৰা জমিৰে অসম পুলিচে ডুবাই উপত্যকাৰ নগা গাঁওবোৰত ঘৰ আৰু সা-সম্পত্তি ধ্বংস কৰা বুলি অভিযোগ উত্থাপন কৰে। অসম পুলিচে নাগালেণ্ডৰ এলেকা বলপূৰ্বকভাৱে দখল কৰাৰো গুৰুতৰ অভিযোগ আনে।

১৬ জানুৱাৰী ঃ শোধনাগাৰৰ প্ৰশ্নত সংগ্ৰাম পৰিষদৰ সিদ্ধান্ত। অসমত চৰকাৰী খণ্ডত দ্বিতীয় তেল শোধনাগাৰ স্থাপন কৰাৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে দিয়া ঘোষণা সম্পৰ্কত আলোচনা কৰিবৰ বাবে গুৱাহাটীৰ বি বৰুৱা কলেজত নিবাৰণ বৰাৰ সভাপতিত্বত সদৌ অসম তেল শোধনাগাৰ সংগ্ৰাম পৰিষদৰ এখন বৈঠক অনুষ্ঠিত হয়। উক্ত তেল শোধনাগাৰ স্থাপন কৰাৰ সমৰ্থনকল্পে ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে স্পষ্টকৈ ঘোষণা কৰিব লাগে বুলি বৈঠকত দাবী জনোৱা হয়। অসমৰ ডেকাসকলক তেল, পেট্ৰ'-কেমিকেল, কাকতৰ কাৰখানা আদি কাৰিকৰী বিদ্যাত প্ৰশিক্ষণ দি তুলিবলৈও বৈঠকে দাবী জনায়।

- উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মালিগাঁও সদৰ কাৰ্যালয়ত অটোমেচন প্ৰৱৰ্তনৰ বিৰোধিতা কৰিবলৈ অসম প্ৰগ্ৰেছিভ ষ্টুডেণ্ট ইউনিয়ন আৰু অসম ছাত্ৰ পৰিষদৰ অসমবাসীলৈ আহ্বান। স্বয়ংক্ৰিয় যন্ত্ৰপাতিৰ ব্যৱহাৰে ৰে'লৱেত সংস্থাপনৰ ৰাস্তা বন্ধ কৰিব বুলি ছাত্ৰ সংগঠন দুটাৰ শংকা।
- ভুটান চৰকাৰে অসমৰ পৰা বিদ্যুৎ ক্ৰয় কৰাৰ সিদ্ধান্ত লয়। অসমৰ পৰা ক্ৰয় কৰা বিদ্যুৎ শক্তি গেলেমপুং, ছাৰভাংগ আৰু ছামদ্ৰুপকে ধৰি পাঁচখন প্ৰধান নগৰত যোগান ধৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

১৭ জানুৱাৰী ঃ অসম গড়কাপ্তানী বিভাগৰ বান নিয়ন্ত্ৰণ শাখাটো শ্বিলঙৰ পৰা গুৱাহাটীলৈ স্থানান্তৰ কৰাৰ ব্যৱস্থা গ্ৰহণ। শ্বিলঙৰ কাৰ্যালয় ঘৰটো মেঘালয় ৰাজ্যৰ সচিবালয়ৰ বাবে নিৰ্ধাৰণ।

সংগ্ৰহ কৰিব নোৱাৰি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব লগা হ'ল যাতে কেন্দ্ৰই অসমলৈ পৰ্যাপ্ত চাউল প্ৰেৰণ কৰে। ইয়াৰ উপৰি মিল মালিক তথা খাদ্যশস্য মজুতকাৰীসকলে কৃত্ৰিমভাৱেও এক সংকটৰ সৃষ্টি কৰিলে। যদিওবা চৰকাৰে ধানৰ ন্যূনতম বিক্ৰী মূল্য ধাৰ্য কৰি দিছিল আৰু এই ক্ৰয়ৰ দায়িত্ব সমবায়সমূহৰ ওপৰত অৰ্পণ কৰিছিল। কিন্তু বাস্তৱত ইয়াৰ ফল ওলোটাহে হ'লগৈ। খেতিয়কসকলে সমবায়ত ধান বেচি পোৱা টকাৰে আৱশ্যকীয় সামগ্ৰীসমূহ ক্ৰয় কৰিব পৰা নাছিল, কিয়নো ধানৰ বাদে আন সামগ্ৰীৰ মূল্য নিৰ্ধাৰণত চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাছিল। ইপিনে চৰকাৰৰ এই প্ৰচেষ্টা ব্যৰ্থ কৰিবলৈ খোলা বজাৰত ধানৰ দাম ঊৰ্দ্ধমুখী কৰা হৈছিল। ফলত খেতিয়কসকলে বেছি দাম পোৱাৰ আশাত সমবায়ৰ হাতত ধান বিক্ৰী কৰাতকৈ মুকলি বজাৰতে ধান বিক্ৰী কৰিবলৈ ল'লে। ভাৰত চৰকাৰৰ 'এগ্ৰিকালচাৰেল পাৰচেজ কমিছন'ৰ নিৰ্দেশ অনুযায়ী অসম চৰকাৰে ধানৰ দৰ প্ৰতি কুইণ্টলত ৩৪ টকা ৭৮ পইচা বা মোনে প্ৰতি ১৩ টকা ৫০ পইচা ধাৰ্য কৰি দিছিল যদিও আন দ্ৰব্যৰ মূল্যবৃদ্ধিৰ বাবে এই মূল্য যথাযথ নহয় বুলি বিবেচিত হৈছিল। ভাৰত চৰকাৰে বান্ধি দিয়া মূল্য আছিল একেবাৰে নিম্ন আৰু সেইবাবে বিভিন্ন ৰাজনৈতিক দলৰ পৰা অভিযোগ উত্থাপিত হ'ল যে অসম চৰকাৰে ন্যূনতম মূল্যত সমবায়সমূহক ধান সংগ্ৰহ কৰিবলৈ নিদি এটা উচিত মূল্যৰ কথা বিবেচনা কৰিব লাগিছিল। সমবায়সমূহে এনে এক মূল্যত ধান কিনিব লগা হোৱাত একপ্ৰকাৰ শ'লঠেকত পৰিল। বৰঞ্চ এই ব্যৱস্থাই আটাইতকৈ বেছি লাভান্বিত কৰিলে মিলৰ মালিক তথা মজুতকাৰীসকলক। তেওঁলোকে সমবায়সমূহে ক্ৰয় কৰিব লগা মূল্যতকৈ সামান্য মূল্য বেছি দি ব্যাপক পৰিমাণৰ ধান কিনিবলৈ ল'লে আৰু খেতিয়কসকলেও মূল্য বেছি পোৱাৰ স্বাৰ্থত সমবায়ৰ সলনি সেইসকল লোকৰ হাততে ধান বিক্ৰী কৰিলে। ইয়াৰ ফলত উক্ত বছৰতে চাউলৰ নাটনি হোৱাত ধনী খেতিয়ক তথা ধান মজুতকাৰীসকলে নিৰ্ধাৰিত ১৩ টকা ৫০ পইচাৰ ঠাইত মোনেপ্ৰতি ২৫

● লোকসভাৰ উপাধ্যক্ষ জি জি ছোৱেলে মেঘালয়ক এখন স্বতন্ত্ৰ ৰাজ্য হিচাপে ব্যাখ্যা কৰে। অসমৰ ভিতৰত থাকিলেও মেঘালয় এখন সম্পূৰ্ণ সুকীয়া ৰাজ্য বুলি কৈ তেওঁ শ্বিলঙক দুয়ো ৰাজ্যৰ ৰাজধানী হিচাপে ৰখা উচিত বুলি মত পোষণ কৰে।

১৮ জানুৱাৰী : কমিউনিষ্ট দলৰ আহ্বানত ৭ হাজাৰতকৈও অধিক ভূমিহীন খেতিয়কে বৰপেটা জিলাৰ কাৱৈমাৰী সংৰক্ষিত চৰণীয়া পথাৰত প্ৰৱেশ কৰি হাল বাই বিক্ষোভ প্ৰদৰ্শন কৰে।

১৯ জানুৱাৰী : শ্বিলঙত বহা বিধানসভাৰ চমু বৈঠকত ৰাজ্যপাল বি কে নেহৰুৱে অসমীয়াত উদ্বোধনী ভাষণ দি ইতিহাস ৰচনা কৰে। অসম বিধানসভাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৰাজ্যপাল এজনে ৰাজ্যিক ভাষাত ভাষণ প্ৰদান কৰে।

● তেল সম্পদ ৰাষ্ট্ৰীয়কৰণ কৰাৰ দাবীত সংযুক্ত ছচিয়েলিষ্ট দলে জানুৱাৰী মাহত আৰম্ভ কৰিব খোজা সত্যাগ্ৰহ আন্দোলন এমাহৰ বাবে স্থগিত কৰাৰ ঘোষণা কৰে। দলৰ অসম শাখাৰ ৰাজ্যিক চেয়াৰমেন নিবাৰণ বৰাই এই সিদ্ধান্ত প্ৰকাশ কৰে।

২০ জানুৱাৰী : ন্যায়াধীশ পাৰ্বতী কুমাৰ গোস্বামীক অসম আৰু নাগালেণ্ডৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি। ৩১ জানুৱাৰীৰ পৰা তেখেতৰ কাৰ্যকাল আৰম্ভ।

● অসম বিধানসভাত সংবিধান সংশোধনী বিল সম্পৰ্কীয় প্ৰস্তাৱ গৃহীত : সংসদৰ উভয় সদনে গ্ৰহণ কৰা ১৯৬৯ চনৰ সংবিধান (২৩ সংখ্যক সংশোধনী) বিলখন বিত্ত মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে অনুমোদন জনাবৰ বাবে উত্থাপন কৰা প্ৰস্তাৱটো অসম বিধানসভাই আজি গ্ৰহণ কৰে। এই বিলখনত অনুসূচিত জনজাতি আৰু এংলো-ইণ্ডিয়ানসকলৰ বাবে আসন সংৰক্ষণৰ ম্যাদ আৰু ১০ বছৰ বৃদ্ধি কৰাৰ ব্যৱস্থা লোৱা হয়। প্ৰস্তাৱটোৰ ওপৰত আলোচনা কৰি সংযুক্ত বিধায়িনী দলৰ নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই কয় যে সংবিধান ৰচনা কৰা সময়ত দেশত বিশেষ ধৰণৰ সামাজিক, ধৰ্মীয় আৰু ৰাজনৈতিক অসমতা আছিল বাবে কেতবোৰ বিশেষ সংৰক্ষণৰ ব্যৱস্থা

টকাৰ পৰা ৩০ টকাপৰ্যন্ত ধান বিক্ৰী কৰা ঘটনা সংঘটিত হ'ল।

১৯৬৬ চনৰ জুন মাহত অসম চৰকাৰে সমবায় ভিত্তিত ধান ক্ৰয় কৰাত ব্যৰ্থতা প্ৰকাশ কৰি প্ৰায় মুকলিভাৱে ধান-চাউলৰ সংগ্ৰহ আৰু বিতৰণ ব্যৱস্থা মিল মালিক আৰু একচেটিয়া ব্যৱসায়ীসকলৰ ওপৰত অৰ্পণ কৰিলে। ফলত বজাৰত ধান-চাউল যি সামান্য পৰিমাণে আছিল, সিও নোহোৱা হৈ পৰিল। ৰাজ্যখনৰ যি সামান্যসংখ্যক লোকে আৱশ্যকতকৈ কম পৰিমাণে হ'লেও নিৰ্ধাৰিত মূল্যত কিছু চাউল পাইছিল সেইটো বন্ধ হৈ পৰিল আৰু মুকলি বজাৰত চাউলৰ দাম প্ৰতিকিলোত ডেৰ টকাৰ পৰা দুটকাপৰ্যন্ত বৃদ্ধি হ'ল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল— অসমত সমবায় এপেক্স মাৰ্কেটিং ছ'চাইটীৰ হাতত ধান সংগ্ৰহৰ একচেটিয়া অধিকাৰ থকাৰ পিচতো মিল মালিক আৰু খাদ্য মজুতকাৰীসকলে লাখ লাখ মোন ধান-চাউল গোপনে মজুত কৰি ৰাখিব পাৰিছিল। ১৩ৰ পৰা ১৪ টকা মোনে ধান সংগ্ৰহ কৰি এইসকল ব্যৱসায়ীয়ে ধান-খুদ-শিলগুটি আদি মিহলাই প্ৰতি মোন চাউল ৩৭-৩৮ টকাত বিক্ৰী কৰিছিল। ইয়াৰ লগতে অভিযোগ আহিছিল যে সমবায় তথা চৰকাৰৰ দুৰ্নীতিখোৰ কিছুসংখ্যক বিষয়াৰ সহায়ত দুষ্টচক্ৰৰ ব্যৱসায়ীসকলে দৰিদ্ৰ বহুসংখ্যক খেতিয়কৰ হাতৰ পৰা চৰকাৰী নিৰ্ধাৰিত মূল্যতকৈও কম দামত ধান কিনিছিল। এনে এক পৰ্যায়ত বিৰোধী দলসমূহৰ পৰা চৰকাৰৰ ওচৰত ভালেমান গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰা হ'ল। গোলাপ বৰবৰাৰ নিচিনা নেতাই মুকলিভাৱে চৰকাৰৰ ওচৰত নিম্নোক্ত দাবীবোৰ উত্থাপন কৰিলে—

(ক) অসমত ধান-চাউল সংগ্ৰহ আৰু বিতৰণ ব্যৱস্থাত দেখা দিয়া চৰম ব্যৰ্থতাৰ তদন্ত কৰিবলৈ এটা উচ্চ ক্ষমতাসম্পন্ন তদন্ত আয়োগৰ গঠন আৰু আয়োগৰ ৰায় অনুসৰি দোষীক উপযুক্ত শাস্তি প্ৰদানৰ ব্যৱস্থা কৰা।

(খ) অসমৰ পৰা যাতে চোৰাংভাৱে চাউল বাহিৰলৈ ওলাই যাব নোৱাৰে তাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অসমৰ এখন জিলাৰ পৰা আনখন জিলালৈ ধান-চাউল সৰবৰাহ কৰাত যি বাধা-নিষেধ

কৰা হৈছিল। এই অসমতা দূৰ কৰিবৰ বাবে ১০ বছৰ সময় নিৰ্ধাৰণ কৰা হৈছিল যদিও ১০ বছৰৰ পিচতো এই অসমতা বৰ্তি থকাটো দুৰ্ভাগ্যজনক আৰু সেইবাবে আৰু ১০ বছৰ সময় দিবলৈ সিদ্ধান্ত লোৱা হৈছে।

● নিবাৰক নিৰোধ আইন ৰদ কৰাৰ উদ্দেশ্য ৰাজনৈতিক বুলি গৌৰীশংকৰ ভট্টাচাৰ্যৰ অভিযোগ ঃ অসম বিধানসভাৰ সংযুক্ত বিধায়িনী দলৰ নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই আজি অসম বিধানসভাত নিবাৰক নিৰোধ অধ্যাদেশখন সন্দৰ্ভত ৰাজ্যপালৰ ভাষণৰ বিতৰ্কত অংশগ্ৰহণ কৰি কয় যে ইন্দিৰা গান্ধীৰ চৰকাৰে জনসাধাৰণৰ প্ৰতি দৰদ থকাৰ কাৰণেহে যে নিবাৰক নিৰোধ আইনখন প্ৰত্যাহাৰ কৰিছে এনে নহয়, বৰঞ্চ সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ বাবেহে এনে কাম কৰা হৈছে। ভট্টাচাৰ্যই কয় যে আইনখনৰ ম্যাদ উকলি যোৱাৰ পিচতো ৰাজ্য চৰকাৰখনে ইন্দিৰা গান্ধীৰ প্ৰিয়ভাজন হ'বলৈ অধ্যাদেশৰ আশ্ৰয় লৈছে। তেওঁ আঙুলিয়াই দিয়ে যে অধ্যাদেশ জাৰি কৰা ৬খন ৰাজ্যৰ ভিতৰত ৫ খনতেই ইন্দিৰাপন্থী চৰকাৰ আছে আৰু বাকীখনত (বিহাৰ) ইন্দিৰা স্বতন্ত্ৰৰ ষড়যন্ত্ৰ আছে। যেতিয়াই কংগ্ৰেছত বিভাজন ঘটিল আৰু ইন্দিৰা গান্ধীয়ে কমিউনিষ্ট দল, মাৰ্ক্সবাদী কমিউনিষ্ট দল আৰু ডি এম কে দলৰ সহায় ল'ব লগা হ'ল তেতিয়াই এই দলবোৰৰ পৰা সহায় লাভৰ স্বাৰ্থত আইনখনৰ ম্যাদ বঢ়াই দিয়াটো উচিত নহয় বুলি গান্ধীয়ে ভাবিলে বুলি ভট্টাচাৰ্যই মন্তব্য আগবঢ়ায়। দুজনমান কংগ্ৰেছী সদস্যই নক্সালপন্থীসকলক নিয়ন্ত্ৰিত কৰাৰ ক্ষেত্ৰত এই অধ্যাদেশ প্ৰয়োগ কৰা হৈছে বুলি বিধানসভাত মত দাঙি ধৰাত ইয়াৰ প্ৰত্যুত্তৰত কয় যে নক্সালপন্থীৰ দ্বাৰা কেৰালা আৰু পশ্চিম বংগ সৰ্বাধিক আক্ৰান্ত হৈছে যদিও ৰাজ্য দুখনত কোনো অধ্যাদেশৰ আশ্ৰয় লোৱা হোৱা নাই। কাৰ্যতঃ কেন্দ্ৰৰ দ্বাৰা আৰু সৈন্য বাহিনীৰ দ্বাৰা শাসিত মিজো পাহাৰত চলি থকা অশান্তিৰ বাবে অসম চৰকাৰখনে অধ্যাদেশখন জাৰি কৰা বুলি ভট্টাচাৰ্যই মন্তব্য কৰে আৰু ইয়াত কেন্দ্ৰই

আছে তাক প্ৰত্যাহাৰ কৰা।

(গ) ধানৰ কাৰ্যকৰী ন্যূনতম মূল্য নিৰ্ধাৰণ কৰি দিয়াৰ লগতে চৰকাৰে বজাৰত বেচা চাউলৰ উচ্চতম মূল্য নিৰ্ধাৰণ কৰিব লাগে।

(ঘ) চৰকাৰে নিজাকৈ কিছু ধান সংগ্ৰহ কৰি চহৰ, শ্ৰমিকপ্ৰধান অঞ্চল আৰু অভাৱগ্ৰস্ত গাঁওবিলাকত নিৰ্ধাৰিত মূল্যৰ দোকানৰ যোগেদি ৬২ পইচা কিলো দৰত চাউল দিয়াৰ ব্যৱস্থা কৰিব লাগে।

(ঙ) ২০ জুন (১৯৬৬ চনৰ) আগৰ ধানৰ নিৰ্ধাৰিত দৰ আৰু প্ৰচলিত দৰৰ মাজৰ পাৰ্থক্যখিনি চৰকাৰে ক্ষতিপূৰণ হিচাপে খেতিয়কক আদায় দিব লাগে।

(চ) গাঁও অঞ্চলত চলি থকা সৰু 'হলাৰ'বিলাক চৰকাৰী নিৰ্দেশমৰ্মে বন্ধ কৰি থোৱাৰ ফলত গাঁৱৰ ক্ষুদ্ৰ বেপাৰীয়ে ধান কিনিব নোৱৰা হৈছে আৰু ইয়াৰ সুবিধা লৈছে ধানৰ বৃহৎ বেপাৰীসকলে। ইয়াৰ ফলত সাধাৰণ খেতিয়কে নিজৰ ব্যৱহাৰৰ কাৰণে ধান বানিবলৈ হ'লে পূৰ্বৰ আঢ়ৈ বা তিনি টকাৰ ঠাইত মোনেপ্ৰতি আন মিলত ৭/৮ টকা দিব লগাত পৰিছে। গতিকে সৰু সৰু হলাৰ মিলবিলাক চলিবলৈ দিয়াৰ লগতে সৰু বেপাৰীবোৰক নিৰ্দিষ্ট পৰিমাণে ধান কিনাৰ অনুমতি প্ৰদান কৰিব লাগে।

(ছ) ৰাজ্যৰ বিভিন্ন অঞ্চলত খেতিয়কসকলৰ ওপৰত দিয়া উচ্ছেদ নটিচ সোনকালে প্ৰত্যাহাৰ কৰিব লাগে। চাহ বাগানৰ ফ্ৰী ছেম্পল গ্ৰাণ্ট, চৰকাৰী পতিত মাটি আদি অতি শীঘ্ৰে মাটিহীন খেতিয়কসকলক খুলি দিয়াৰ ব্যৱস্থা কৰিব লাগে। খেতিয়কসকলক খেতিৰ সঁজুলি, উত্তম বীজ, ঋণ আদি দি উৎপাদন বৃদ্ধিৰ বাবে দাবী তোলা হয়।

খাদ্য মজুতকাৰী, মিল মালিক আৰু সমবায়ৰ অসৎ কৰ্মচাৰীসকলৰ বিৰুদ্ধে অতি কম দিনৰ ভিতৰতে অসমজুৰি বিক্ষিপ্ত ঘটনা সংঘটিত হ'বলৈ আৰম্ভ কৰিলে। অসম চৰকাৰে খাদ্য সমস্যা নিয়ন্ত্ৰণ কৰিব নোৱৰাৰ প্ৰতিবাদত বিৰোধী ৰাজনৈতিক দলসমূহৰ লগতে অসমৰ ছাত্ৰ সমাজেও স্বতঃস্ফূৰ্তভাৱে

ভালখিনিৰ কাৰণে নিজে কৃতিত্ব লোৱা আৰু বেয়াখিনিৰ বাবে অসমৰ ওপৰত দোষ জাপি দিয়াৰ প্ৰৱণতা প্ৰবল বুলি তেওঁ অভিমত আগবঢ়ায়।

● কেন্দ্ৰীয় ঔদ্যোগিক উন্নয়ন দপ্তৰৰ ৰাজ্যমন্ত্ৰী কে ভি ৰঘুনাথ ৰেড্ডিয়ে 'অসম-১৯৭০ ঃ উদ্যোগ মেলা' উদ্বোধন কৰে। জজ আৰু চাৰ্চ ফিল্ডত আয়োজন কৰা এই মেলাত অসম আৰু অসমৰ বাহিৰৰ প্ৰায় ৮২টা প্ৰতিষ্ঠানে যোগদান কৰে।

২১ জানুৱাৰী ঃ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই পদত্যাগ কৰিলে সেই পদৰ বাবে প্ৰাৰ্থী হিচাপে নিজকে থিয় কৰাব বুলি অসমৰ ৰাজহ মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ দিল্লীত ঘোষণা। আনহাতে মুখ্যমন্ত্ৰী পদৰ আনজন সম্ভাব্য প্ৰাৰ্থী প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিজয় চন্দ্ৰ ভাগৱতীয়ে শ্বিলঙত কয় যে চলিহাই পদত্যাগ কৰিলে দলৰ সংহতি অক্ষুণ্ণ ৰাখি সৰ্বসন্মতভাৱে এগৰাকী উত্তৰাধিকাৰী বাছনি কৰা হ'ব।

● অসমত অসমীয়া ৰাজ্যভাষা কৰাত অসম চৰকাৰে অৱহেলাৰ মনোভাব প্ৰদৰ্শন কৰিছে বুলি অসম সাহিত্য সভাৰ সম্পাদক চৈয়দ আব্দুল মালিকৰ অভিযোগ। ১৯৫০ চনতে অসমীয়া ভাষা ৰাজ্যভাষা হ'ব লাগিছিল যদিও অসম চৰকাৰে তাক বলৱৎ নকৰাত ১৯৬০ চনত ভাষা আন্দোলন সৃষ্টি হয় বুলি মালিকে কয়। যদিহে চৰকাৰৰ উদাসীন মনোভাব অব্যাহত থাকে তেন্তে অতি শীঘ্ৰে অসমত পুনৰ এক ভাষা আন্দোলন গঢ়ি উঠিব বুলি তেওঁ সকীয়াই দিয়ে।

● ইণ্ডিয়ান এয়াৰলাইন্‌ছে অসমৰ পৰাই সৰ্বাধিক ৰাজহ পায় যদিও এই এয়াৰলাইন্‌ছত এজনো অসমীয়া চাকৰিয়াল নাই বুলি বিধানসভাৰ সদস্য হীৰালাল পাটোৱাৰীয়ে এক বিবৃতিযোগে অভিযোগ উত্থাপন কৰে। অসমৰ পৰা প্ৰতিষ্ঠানটোৱে বছৰি ১.৩৮ কোটি ৰাজহ পায় যদিও বিমানত এখনো অসমীয়া বাতৰিকাকত পঢ়িবলৈ পোৱা নাযায় বুলি পাটোৱাৰীয়ে আক্ষেপ প্ৰকাশ কৰে।

২২ জানুৱাৰী ঃ ব্যক্তিগত ভূমি পৰিমাণ নিৰ্ধাৰক বিল অগ্ৰাহ্য ঃ অসম বিধানসভাত কমিউনিষ্ট সদস্য গোবিন্দ

আন্দোলনত অংশগ্ৰহণ কৰিলে। ১৯৬৬ চনত গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত বিৰোধী ৰাজনৈতিক দলসমূহে খাদ্য সমস্যা সম্পৰ্কত এখন অভিবৰ্তন আয়োজন কৰে। এই অভিবৰ্তনত সংযুক্ত ছচিয়েলিষ্ট পাৰ্টী (অসম), চি পি আই, চি পি আই (এম), আৰু চি পি আই আদি দলসমূহে অংশ লয় আৰু সন্মিলিতভাৱে খাদ্য আন্দোলন চলাই নিয়াৰ সংকল্প লয়। অসমৰ ছাত্ৰ সমাজে সন্মিলিতভাৱে এই আন্দোলনত অংশগ্ৰহণ কৰাটো আছিল এক তাৎপৰ্যমূলক ঘটনা।

আন্তঃকলেজ ছাত্ৰ ইউনিয়নৰ আহ্বানক্ৰমে ১৯৬৬ চনৰ ৪ আগষ্টত গুৱাহাটীৰ সকলো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে চাউলৰ চোৰাং বেপাৰী, লাভখোৰ মজুতকাৰী আদিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ ধ্বনি দি গুৱাহাটীত এক দীঘলীয়া সমদল বাহিৰ কৰে। 'চোৰাং বেপাৰীক ফাঁচি দিয়ক', ধ্বনিৰে কৰা সমদলে সমগ্ৰ গুৱাহাটীৰ ৰাইজক সচেতন কৰি তোলাৰ লগতে ইয়াৰ প্ৰভাৱ ৰাজ্যব্যাপী পৰাটো পৰিলক্ষিত হৈছিল। ছাত্ৰ সমাজৰ নেতৃত্বত হোৱা সমদলৰ সঁহাৰি দি ডিব্ৰুগড়তো ছাত্ৰসকলে সমদল বাহিৰ কৰে। ডিব্ৰুগড়ত আন্দোলন দমন কৰিবলৈ আৰক্ষীয়ে লাঠীচালনা আৰু সান্ধ্য আইন জাৰি কৰে। শ শ লোকক গ্ৰেপ্তাৰ কৰা হয়। ডিব্ৰুগড়ৰ পিচতে যোৰহাটতো ছাত্ৰসকলে আন্দোলন কৰে আৰু তাতো সান্ধ্য আইন জাৰিৰ লগতে লাঠীচালনা কৰা হয়। যোৰহাটৰ পিচত ডিমৌ, নগাঁও, গোলাঘাট, সোণাৰি, নাজিৰা, নুমলীগড়, ৰহা, দেৰগাঁও, ফৰকাটিং আদিতো ছাত্ৰসকলে বিক্ষোভ প্ৰদৰ্শন কৰাৰ সম্ভাৱনালৈ লক্ষ্য ৰাখি ১৪৪ ধাৰা জাৰি কৰা হৈছিল।

এই আটাইবিলাক ঘটনাৰ ভিতৰত প্ৰতিবাদৰ আটাইতকৈ শোকাৱহ ঘটনাটি সংঘটিত হৈছিল শ্বিলঙত। ১৯৬৬ চনৰ ১০ আগষ্টত ছাত্ৰসকলে উলিওৱা সমদলৰ ওপৰত পুলিচ বাহিনীয়ে নিৰ্বিচাৰে গুলীবৰ্ষণ কৰাৰ ফলত চৰকাৰী হিচাপ অনুযায়ী ৪জন লোকৰ মৃত্যু হয়। মৃত্যু হোৱাসকলৰ ভিতৰত শ্বিলঙৰ ছেইণ্ট এডমাণ্ডছ কলেজৰ ছাত্ৰ শংকৰ দে' পুৰকায়স্থ

কলিতাই উত্থাপন কৰা ভূমি পৰিমাণ নিৰ্ধাৰক বিলখন সন্দৰ্ভত আজি অসম বিধানসভাত বিভাজন হয়। নিজৰ হাতত ৰাখিব পৰা ভূমিৰ পৰিমাণ সম্পৰ্কীয় (সংশোধনী) বিলখনত ব্যক্তিগতভাৱে এজন লোকে ৬০ বিঘা ভূমিহে নিজৰ হাতত ৰাখিব পৰাকৈ সীমা বান্ধি দিয়া হৈছিল। ১৯৫৫ চনৰ ১২ নৱেম্বৰৰ পৰাই এই ব্যৱস্থা বলৱৎ কৰাৰো ইয়াত পোষকতা কৰা হৈছিল। প্ৰচলিত বিধি অনুযায়ী এজন লোকে ১৫০ বিঘা নিজৰ হাতত ৰাখিব পৰা ব্যৱস্থাৰ সংশোধনী ঘটাই ভূমিৰ পৰিমাণ কমাই আনিব খোজা এই বিলখন প্ৰত্যাহাৰ কৰিবৰ বাবে চৰকাৰী পক্ষৰ পৰা অনুৰোধ কৰা হৈছিল। কিন্তু বিৰোধী সদস্যসকলে বিলখন উত্থাপন কৰাৰ প্ৰতি সমৰ্থন জনায় আৰু প্ৰস্তাৱিত বিলখন প্ৰত্যাহাৰ নকৰাত বিলখন বিবেচনাৰ বাবে উত্থাপন কৰা প্ৰস্তাৱটোৰ সম্পৰ্কত বিভাজন হয় আৰু ৪৮-২৩ ভোটত প্ৰস্তাৱটো অগ্ৰাহ্য হয়।

- অসম বিধানসভাৰ চমু অধিৱেশনত ডিব্ৰুগড় বিশ্ববিদ্যালয় (সংশোধনী) বিল গৃহীত। কংগ্ৰেছী সদস্য দেৱেশ্বৰ শৰ্মাই উত্থাপন কৰা এই বিলখনে প্ৰশাসনিক আৰু আৰ্থিক ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ কাম-কাজ উন্নত কৰাৰ বিচাৰিছে।
- উচ্চ ন্যায়ালয়বোৰত আঞ্চলিক ভাষাৰ প্ৰচলনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহক নিজমতে চলাৰ সুবিধা দিবলৈ আজি কেন্দ্ৰীয় মন্ত্ৰীসভাই সিদ্ধান্ত লয়। আদালতসমূহৰ ভাষা সম্পৰ্কীয় চৰকাৰী ভাষা আইনৰ সপ্তম অনুচ্ছেদ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কিমানদূৰ অগ্ৰসৰ হৈছে সেই সম্পৰ্কত কেন্দ্ৰীয় মন্ত্ৰীসভাই পৰ্যালোচনা কৰোঁতে এই সিদ্ধান্ত লোৱা হয়।

২৩ জানুৱাৰী ঃ বিধানসভাত ১৯৬৯ চনৰ হিচাপ প্ৰতিবেদন দাখিল ঃ প্ৰতিবেদন অনুসৰি হিচাপত পোৱা ত্ৰুটি আৰু বিসংগতিৰ কথা ৰাজ্যিক প্ৰশাসনত থকা বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰা হৈছে। কোনো ব্যৱস্থা নোলোৱাকৈ ৰখা হিচাপৰ ছমহীয়া প্ৰতিবেদনৰ ক্ষেত্ৰত ব্যৱস্থা আৰু খৰতকীয়া মীমাংসা গ্ৰহণৰ বাবে বিভাগীয় মুৰব্বীলৈ প্ৰতিবেদন প্ৰেৰণ। আসোঁৱাহ থকা বিভাগবোৰ হ'ল

আৰু শ্বিলং কলেজৰ ছাত্ৰ গোপেন দাসো আছিল। চাউলৰ কাৰণে আন্দোলন কৰি মৃত্যুবৰণ কৰা এইটোৱেই আছিল অসমৰ ইতিহাসৰ একমাত্ৰ ঘটনা। উল্লেখ্য যে পুলিচৰ লাঠীচালনাত প্ৰায় দুশৰো অধিক লোকে আঘাত পাইছিল। প্ৰায় ৫০০০ ছাত্ৰই সমদল কৰি আহি যেতিয়া অসম চৰকাৰৰ সচিবালয়ৰ ওচৰ পাইছিল তেতিয়া আৰক্ষীৰ দলে তেওঁলোকক বাধা প্ৰদান কৰে। খাদ্য আন্দোলনত অংশ লোৱা ছাত্ৰসকলৰ মূল দাবী আছিল ডিব্ৰুগড়ত গ্ৰেপ্তাৰ হোৱা ছাত্ৰসকলক মুক্তি প্ৰদান আৰু অসৎ খাদ্য বেপাৰীসকলক নিৰ্মূল কৰা। সমদলটো প্ৰায় ১১ বজাত আৰম্ভ হৈছিল আৰু সচিবালয় পোৱাৰ সময়ত সচিবালয়ত মুখ্য সচিবৰ লগতে চাৰিজন মন্ত্ৰী ক্ৰমে ৰূপনাথ ব্ৰহ্ম, কমল কুমাৰী বৰুৱা, গিৰীন্দ্ৰ নাথ গগৈ আৰু দেৱেন হাজৰিকা উপস্থিত আছিল। আন্দোলনকাৰীয়ে মুখ্য সচিবৰ লগত কথা-বতৰা পতাৰ পিচত মুখ্য সচিবে আন্দোলনৰ দাবীসমূহ মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰাৰ প্ৰস্তাৱ ৰাখে যদিও তেওঁ এই বিষয়ে কোনো আলোচনা নকৰিলে। ফলত ছাত্ৰসকল ক্ষুব্ধ হৈ পৰে আৰু ইয়াৰ ফলত ছাত্ৰসকলক দমন কৰিবলৈ আৰক্ষীয়ে গুলীচালনা আৰু লাঠীচালনাৰ ঘটনা সংঘটিত কৰে।

শ্বিলঙৰ এই ঘটনাৰ পিচতে অসমৰ বিভিন্ন ঠাইত ছাত্ৰসকলৰ নেতৃত্বত তথা সমাজবাদী-বাওঁপন্থী ৰাজনৈতিক দলসমূহৰ নেতৃত্বত দ্ৰব্যমূল্য নিয়ন্ত্ৰণ, সুষম খাদ্য দ্ৰব্য বিতৰণ, সমবায়সমূহক দুৰ্নীতিমুক্ত কৰি শক্তিশালী কৰা আদি দাবীসমূহক লৈ আন্দোলন অব্যাহত থাকিল। কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰখনে কাৰ্যতঃ খাদ্যদ্ৰব্যৰ মূল্য নিয়ন্ত্ৰণ কৰাত একেবাৰে ব্যৰ্থতা প্ৰদৰ্শন কৰিলে। একেদৰে বিতৰণ ব্যৱস্থাৰ পয়ালগা স্বৰূপটোৰো কোনো পৰিৱৰ্তন সাধন নহ'ল। ১৯৬৭ চনৰ ৬ মে'ত চাউলৰ বিক্ৰীক লৈ গুৱাহাটীত এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'ল। ফাঁচীবজাৰ টেক্সি ষ্টেণ্ডৰ কাষত এদল সৰু সৰু বেপাৰীয়ে মুকলিভাৱে চাউল বিক্ৰী কৰি আছিল। এনেতে জনতাই

গড়কাপ্তানী, কৃষি, গৃহ, ৰাজহ, সমূহীয়া উন্নয়ন, পৰিবহণ, যোগান আৰু সাহায্য আৰু পুনৰ সংস্থাপন বিভাগ। গড়কাপ্তানী বিভাগত ধন দিয়াৰ ক্ষেত্ৰত প্ৰমাণ সাপেক্ষে লোৱা ভাউচাৰ দাখিল নকৰাৰ কাৰণে ১,০৪৬ লাখ টকাৰ আসোঁৱাহ। বিভাগটোৰ বিৰুদ্ধে এনে ৩২ হাজাৰ আসোঁৱাহ প্ৰতিবেদনত উল্লেখ কৰা হয়। ১৯৬৯ চনৰ হিচাপ প্ৰতিবেদন অনুসৰি ১৯৬৮ চনৰ মাৰ্চ মাহৰ শেষলৈকে ৰাজ্য চৰকাৰৰ ঋণৰ পৰিমাণ ২৫০ কোটিলৈ বৃদ্ধি। সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে বিধানসভাত এই প্ৰতিবেদন দাখিল কৰে।

২৪ জানুৱাৰী ঃ অসম নিবাৰক নিৰোধ আইনখন ৰাজনৈতিকভাৱে বিৰোধী লোকসকলৰ বিৰুদ্ধে ব্যৱহাৰ কৰাৰ উদ্দেশ্যেই হাতত লোৱা হৈছে বুলি এই সম্পৰ্কীয় অধ্যাদেশখন অগ্ৰাহ্য কৰিবৰ বাবে অসম বিধানসভাত সংযুক্ত বিধায়িনী দলৰ নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই প্ৰস্তাৱ উত্থাপন কৰে। অসম বিধানসভাৰ চমু অধিৱেশনৰ সমাপ্তি।

- মইনুল হক চৌধুৰীৰ এটা বক্তৃতা বিকৃত কৰাৰ অভিযোগত 'হিন্দুস্থান ষ্টেণ্ডাৰ্ড' নামৰ বাতৰিকাকতখনৰ শ্বিলঙৰ সংবাদদাতা আৰু সেই বাতৰি কাকতৰ সম্পাদক আৰু প্ৰকাশকৰ বিৰুদ্ধে অনা অভিযোগ অসম বিধানসভাৰ অধ্যক্ষ মহীকান্ত দাসে আজি বিশেষাধিকাৰ কমিটীলৈ প্ৰেৰণ কৰে।

- গুজৰাট আৰু অসমৰ তৈলক্ষেত্ৰৰ পৰিমাণ নিৰ্ধাৰণ কৰাত তেল আৰু প্ৰাকৃতিক গেছ আয়োগক সহায় কৰিবলৈ সোনকালে এখন মাৰ্কিন বিশেষজ্ঞ উপদেষ্টা প্ৰতিষ্ঠানৰ সেৱা কামত লগোৱা হ'ব বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু ৰসায়ন সামগ্ৰীৰ মন্ত্ৰী ড° ত্ৰিগুণা সেনৰ ৰৰোদাত ঘোষণা।

২৭ জানুৱাৰী ঃ অসম কৃষি বিশ্ববিদ্যালয়লৈ কৃষি গৱেষণা পৰিষদৰ পৰা ২০ লাখ টকাৰ মঞ্জুৰি।

২৮ জানুৱাৰী ঃ অসমৰ পৰা খাৰুৱা তেল সৰবৰাহ নোহোৱা বাবে বাৰাউনী তেল শোধনাগাৰৰ তৃতীয় গোটটো নিষ্ক্ৰিয় হৈ পৰে। অসমৰ এক নিযুত টন ৰাহি হোৱা খাৰুৱা তেল ব্যৱহাৰ

ডেৰ টকা দৰত প্ৰতিকিলো চাউল বিক্ৰী কৰিবলৈ বেপাৰীসকলক বাধ্য কৰায়। এনে ধৰণে ২২ বস্তা চাউল ঘেৰাও কৰি ডেৰ টকা কেজিত বিক্ৰী কৰা হয়। ইয়াৰ আগতে সেই ঠাইত চাউল দুটকাৰ পৰা তিনি টকা দৰত বিক্ৰী কৰি থকা হৈছিল। এই ঘেৰাও কৰা চাউলৰ বিক্ৰী চলি থকা অৱস্থাতে কেইবাবস্তাও চাউল অন্তৰ্ধান হয় আৰু ইয়াকে লৈ পৰিস্থিতি অশান্তিজনক হৈ পৰে। উজানবজাৰত চাউল নাপাই এদলে শিলগুটি নিক্ষেপ কৰিবলৈ লয় আৰু ফলত এজন লোকে আঘাত পায়।

৬ মে'ত অসম বিধানসভাৰ বিৰোধী দলসমূহে চোৰাং ব্যৱসায়ী, লাভখোৰ মিল মালিক আৰু মহাজনসকলে ৰখা ধান জব্দ কৰিব লাগে বুলি এখন স্মাৰকপত্ৰৰ যোগেদি অসম চৰকাৰক পৰামৰ্শ আগবঢ়ায়। অসম বিধানসভাৰ সংযুক্ত বিৰোধী দলৰ নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই দলসমূহৰ হৈ বিৰোধী দলৰ কোঠাত উপস্থিত থকা ৰাজহ মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰী, যোগান মন্ত্ৰী ৰমেশ চন্দ্ৰ বৰুৱা আৰু কৃষি মন্ত্ৰী লক্ষ্মীপ্ৰসাদ গোস্বামীৰ হাতত উক্ত স্মাৰকপত্ৰ দাখিল কৰে। স্মাৰকপত্ৰত পৰামৰ্শ আগবঢ়োৱা হয় যে উৎপাদনকাৰীৰ হাতত মজুত থকা ধানৰ পৰিমাণ ১০০ মোনলৈ আৰু ডাঙৰ পৰিয়ালৰ ক্ষেত্ৰত ১২৫ মোনলৈ বৃদ্ধি কৰিব লাগে। ১০০ মোনতকৈ কম পৰিমাণৰ ধান থকা খেতিয়কসকলে ঘোষণা কৰিব নালাগে আৰু আন খেতিয়কসকলৰ ক্ষেত্ৰত শীতকালীন খেতি চপোৱাৰ সময়লৈ ধানৰ পৰিমাণ সম্পৰ্কে ঘোষণা কৰিবলৈ দিব লাগে। উৎপাদনকাৰীসকলৰ পৰা ৰাহি ধান প্ৰতিমোনে ২৫ টকাকৈ কিনিব লাগে বুলি স্মাৰকপত্ৰত কোৱা হয়। স্মাৰকপত্ৰত পৰামৰ্শ আগবঢ়োৱা হয় যে জনপ্ৰিয় খাদ্য কমিটীৰ তত্ত্বাৱধানত গ্ৰাহক সমবায় নাইবা সুলভ মূল্যৰ দোকানৰ যোগেদি প্ৰতিজন প্ৰাপ্তবয়স্কলৈ সপ্তাহত কমেও ২০০০ গ্ৰাম চাউল আৰু ১০০০ গ্ৰাম আটা সুলভ মূল্যত বিতৰণ কৰিব লাগে। অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য কৃষিজাত সামগ্ৰীৰ মূল্যলৈ চাই সুলভ মূল্যত নিৰ্ধাৰণ কৰিব লাগে।

কৰাৰ উদ্দেশ্যেই বাৰাউনী শোধনাগাৰৰ তৃতীয় গোটটো স্থাপন কৰা হৈছিল যদিও অসমত দ্বিতীয় তেল শোধনাগাৰ এটা স্থাপনৰ বাবে চৰকাৰে লোৱা সিদ্ধান্তৰ বাবেই এই তৃতীয় গোটটো অপ্ৰয়োজনীয় হৈ পৰে।

৩০ জানুৱাৰী ঃ অসম-নাগালেণ্ড সীমান্তত অৱস্থিত ডিচৈ সংৰক্ষিত বনাঞ্চলত নাগালেণ্ডৰ সশস্ত্ৰ দলৰ প্ৰৱেশ। প্ৰায় দুশ নাগা লোকে এই সশস্ত্ৰ লোকসকলৰ নেতৃত্বত প্ৰৱেশ কৰে। অসম চৰকাৰৰ বিষয়ববীয়াসকলৰ অনুৰোধ সত্বেও এইসকলে উভতি যাবলৈ অমান্তি প্ৰকাশ কৰে।

৩১ জানুৱাৰী ঃ খাছী পাহাৰ জিলা কংগ্ৰেছ কমিটীয়ে খাছীয়া-জয়ন্তীয়া আৰু গাৰো পাহাৰক লৈ এখন পৃথক পূৰ্ণ পৰ্যায়ৰ ৰাজ্যৰ দাবী তোলে। গাৰ বলেৰে স্বায়ত্তশসিত ৰাজ্য গঠন কৰিব বিচৰাটো এক অন্যায়মুলক কথা বুলি কমিটীয়ে উল্লেখ কৰে।

- কেন্দ্ৰীয় কৃষি দপ্তৰৰ ৰাজ্যমন্ত্ৰী আন্না চাহেব শ্বিণ্ডেই অসমত বজাৰ ব্যৱস্থা নতুন ঠাচত গঢ় দিবলৈ ৰাজ্য চৰকাৰক পৰামৰ্শ আগবঢ়ায়। অসমৰ কৃষি উন্নয়নত আধি দিয়া প্ৰথাক মুখ্য অন্তৰায় বুলি এই প্ৰথা সম্পূৰ্ণৰূপে বিলুপ্ত কৰাৰ তেওঁ পোষকতা কৰে।

২ ফেব্ৰুৱাৰী ঃ সাংগঠনিক কংগ্ৰেছৰ সভাপতি এছ নিজলিংগাপ্পাই আজি অসম কংগ্ৰেছৰ সভাপতি বিজয় চন্দ্ৰ ভাগৱতীক দলৰ পৰা বহিষ্কাৰ কৰে। সংসদীয় ব'ৰ্ডৰ অনুমোদন নোলোৱাকৈ তেজপুৰ সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব খোজাৰ কাৰণে ভাগৱতীক বহিষ্কাৰ কৰা হয়।

- উত্তৰ কাছাৰ পাহাৰ জিলা আনুষ্ঠানিকভাৱে মুকলি। সংযুক্ত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলাৰ উত্তৰ কাছাৰ অংশ পৃথক কৰি সৃষ্টি কৰা উত্তৰ কাছাৰ পাহাৰ জিলাখন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। জিলাখন উদ্বোধন কৰে জনজাতীয় কল্যাণ মন্ত্ৰী ছত্ৰছিং টেৰণে। মুখ্য অতিথি হিচাপে যোগদান কৰে ৰাজহ মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে। এই জিলাখনৰ ফলত অসমত মুঠ জিলাৰ সংখ্যা হ'লগৈ ১৩খন।
- অসম পুলিচৰ তিনিজন উচ্চপদস্থ

খাদ্য দ্ৰব্যক লৈ চলা এইধৰণৰ আন্দোলন সত্তৰৰ দশকলৈ চলি থাকিল। চৰকাৰে মূল্য নিয়ন্ত্ৰণ আৰু খাদ্য দ্ৰব্যৰ সুষম বিতৰণৰ ক্ষেত্ৰত কিছু পৰিমাণে পদক্ষেপ ল'লে যদিও সি পৰ্যাপ্ত নাছিল। আকাল আৰু দুৰ্ভিক্ষৰ ঘটনা অসমৰ প্ৰান্তে প্ৰান্তে সংঘটিত হৈ থাকিল। পৰৱৰ্তী সময়ত সেউজ বিপ্লৱৰ জৰিয়তে পঞ্জাব-হাৰিয়ানাত অধিক ধান উৎপাদন হোৱাৰ পিচত অসমৰ বজাৰত চাউল কিছু পৰিমাণে উভৈনদী হৈ পৰিল। চহৰাঞ্চলৰ নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্তসকলৰ চাহিদা পূৰণ হ'ল অথচ গ্ৰামাঞ্চলৰ বহু লোকে অভাৱ-অনাটনৰ মাজেৰেই দিন অতিবাহিত কৰিব লগা হৈ থাকিল। বিনামূলীয়া আৰু সুলভ মূল্যৰ খাদ্যদ্ৰব্য যোগানৰ বহু আঁচনি অসম চৰকাৰে গ্ৰহণ কৰিলে যদিও সেইবোৰ কাৰ্যকৰী হোৱা দেখা নগ'ল। বাস্তৱত খাদ্য অনাটনৰ জুইকুৰা অসমৰ গাঁৱে-ভূঞে উমি উমি জ্বলি থাকিল।

বিষয়াৰ অধীনত ৬০০জন অসম পুলিচ বাহিনীৰ লোকে সশস্ত্ৰভাৱে মোককচাং জিলাত অনধিকাৰ প্ৰৱেশ কৰি নাগালেণ্ড সীমাৰ পৰা ১১ মাইলৰ ভিতৰত শিবিৰ পাতিছে বুলি অভিযোগ তুলি নাগালেণ্ডৰ মুখ্যমন্ত্ৰী হোকিশে চেমাই প্ৰধানমন্ত্ৰীলৈ তাঁৰবাৰ্তা প্ৰেৰণ কৰে।

৪ ফেব্ৰুৱাৰী ঃ অসম আৰু নাগালেণ্ডৰ মাজত তথাকথিত সীমা বিবাদ মীমাংসা কৰিবৰ বাবে সীমা আয়োগ পাতি দিব লাগে বুলি নাগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে কৰা দাবীৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ নেতিবাচক সঁহাৰি। দুয়োখন ৰাজ্যৰ ৰাজ্যপালৰ দ্বাৰাই সীমা বিবাদ সমস্যা উমৈহতীয়াভাৱে সমাধান কৰা সম্ভৱ বুলি কেন্দ্ৰীয় চৰকাৰৰ মতামত পোষণ।

৬ ফেব্ৰুৱাৰী ঃ কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন কৰা সংশোধিত চতুৰ্থ পাঁচ বছৰীয়া পৰিকল্পনাত ৰাজ্যসমূহৰ উন্নয়নমূলক ব্যয়ৰ শিতানত ৮ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। অসমৰ ভাগত পৰিছে ২৬১.৭৫ কোটি টকা।

৭ ফেব্ৰুৱাৰী ঃ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই স্বাস্থ্যজনিত কাৰণত দাখিল কৰা পদত্যাগপত্ৰ কংগ্ৰেছৰ সভাপতি জগজীৱন ৰামে গ্ৰহণ কৰে। ২৩ ফেব্ৰুৱাৰীত অসম কংগ্ৰেছ বিধায়িনী দলৰ নতুন দলপতি নিৰ্বাচন কৰাৰ সিদ্ধান্ত।

- শিৱসাগৰ-নগা পাহাৰৰ মাজত ১৯২৫ চনৰ জিলা সীমাক স্বীকৃতি দিয়া নাগালেণ্ড আইনত থকা ব্যৱস্থাতকৈ আৰু একো বেছি কথাত অসম-নাগালেণ্ড সীমা বিবাদৰ ক্ষেত্ৰত অসম চৰকাৰে সন্মতি নজনায় বুলি অসম চৰকাৰৰ স্পষ্ট ইংগিত।

৮ ফেব্ৰুৱাৰী ঃ অনুসূচিত জাতিৰ সমস্যালৈ ড° ভূপেন হাজৰিকাৰ দৃষ্টি আকৰ্ষণ ঃ ড° ভূপেন হাজৰিকাই অনুসূচিত জতি আৰু জনজাতিৰ উন্নয়ন সম্পৰ্কীয় অধ্যয়নকাৰী সংসদীয় কমিটীৰ সভাপতি ধৰণীধৰ বসুমতাৰীলৈ তাঁৰবাৰ্তাযোগে অসমৰ মাটিহীন অনুসূচিত জাতিৰ লোকসকলৰ মাজত প্ৰতিখন জিলাৰে সংৰক্ষিত মাটি বিতৰণ কৰিবৰ কাৰণে অনুমোদনৰ দাবী জনায়। তাঁৰ বাৰ্তাটোত ড° হাজৰিকাই কয় যে ৰাজহ বিভাগৰ তৰফৰ পৰা জিলালৈ

১৯৬৮ চনৰ ভূমিনীতি

১৯৫৮ চনৰ ২৫ ছেপ্টেম্বৰত অসম চৰকাৰে ভূমিনীতি গ্ৰহণ কৰাৰ ৯ বছৰ উকলি যোৱাৰ পিচত ১৯৬৮ চনৰ ২০ জানুৱাৰীত চৰকাৰৰ ফালৰ পৰা পুনৰ এক ভূমিনীতি গ্ৰহণ কৰা হয়। ইতিমধ্যে স্বায়ত্তশাসিত জিলা পৰিষদ গঠন হোৱাৰ বাবে অসম চৰকাৰৰ কৰ্তৃত্বৰ পৰা মুঠ মাটিকালিৰ বৃহৎসংখ্যক মাটি স্বায়ত্তশাসিত জিলা পৰিষদৰ অন্তৰ্গত হৈছিল বাবে ভূমিহীন খেতিয়কৰ সংস্থাপনৰ বিষয়টো অসম চৰকাৰৰ বাবে এক ডাঙৰ সমস্যা হৈ দেখা দিলে। যিহেতু অসমৰ মুঠ মাটিকালি ৪৭,২৫৭ বৰ্গমাইল এলেকাৰ ২২,৭৩২ বৰ্গমাইল এলেকা স্বায়ত্তশাসিত জিলা

যোৱা আদেশ আদি জিলা পৰ্যায়ৰ (ৰাজহ) বিষয়াসকলে প্ৰায়ে অৱজ্ঞা কৰি চলে আৰু সেয়েহে এই ব্যৱস্থা বন্ধ কৰাৰ তেওঁ দাবী তোলে। অনুসূচিত জাতিৰ প্ৰাৰ্থীসকলৰ চাকৰি আৰু প্ৰমোচনৰ ক্ষেত্ৰত থকা বৰ্তমানৰ অন্যায়-অবিচাৰ পন্থা দূৰ কৰিবৰ বাবে অসম লোকসেৱা আয়োগত অনুসূচিত জাতিৰ পৰা সদস্য অন্তৰ্ভুক্ত তথা অনুসূচিত জাতিৰ সৰ্বাংগীণ কল্যাণৰ কাৰণে অসমত এটা সুকীয়া সঞ্চালকালয় খোলাৰো তেওঁ দাবী জনায়। কৈৱৰ্ত গাঁওবোৰে দ্বিধাহীনভাৱে যাতে পানী ব্যৱহাৰ কৰিব পাৰে আৰু বিভেদকামী আৰু স্বাৰ্থজড়িত প্ৰতিক্ৰিয়াশীল লোকৰ হাতৰ মুঠিৰ পৰা অনুসূচিত লোকসকলক মুক্ত কৰি ৰখাৰো এক আহ্বান তেওঁ ৰাখে।

● শৰাইঘাট দলঙৰ মূৰত নিশাৰ ভাগত শোকাৱহ বাছ দুৰ্ঘটনা সংঘটিত। ৬জন নিহত আৰু ২২জন আহত।

১০ ফেব্ৰুৱাৰী ঃ ডাক আৰু তাঁৰ বিভাগৰ চাকৰিত অনা-অসমীয়াক প্ৰাধান্য দিয়াক লৈ তুমুল বিতৰ্ক। ডাক আৰু তাঁৰ বিভাগৰ অসম চাৰ্কোলৰ জেনেৰেল ব্ৰাঞ্চ, আৰ এম এছ আৰু টেলিসংযোগ শাখাত আমোলা আৰু শ্বাৰ্টাৰ নিযুক্তিৰ উদ্দেশ্যে প্ৰকাশিত নিয়োগ তালিকাৰ ১৬০জনৰ ভিতৰত মাথোঁ ৪৫জন প্ৰাৰ্থীহে অসমীয়া, ৭০জন প্ৰাৰ্থী বিহাৰ আৰু উত্তৰ প্ৰদেশৰ।

● গুৱাহাটী তেল শোধনাগাৰ কৰ্মী সন্থাৰ উদ্যোগত নুনমাটিত অনুষ্ঠিত এখন সভাত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু ৰাসায়নিক দপ্তৰৰ মন্ত্ৰী ড° ত্ৰিগুণা সেনে কয় যে অসমৰ খাৰুৱা তেল অসমতে শোধন কৰিব লাগিব আৰু তাৰ বাবে আৱশ্যক হ'লে এটা কিয় এটাতকৈও বেছি শোধনাগাৰ চৰকাৰী খণ্ডত অসমত পাতিব লাগিব।

১১ ফেব্ৰুৱাৰী ঃ অসমত নিজৰ হাতত ৰাখিব পৰা ভূমিৰ পৰিমাণ বৰ্তমানৰ ১৫০ বিঘাৰ পৰা ৭৫ বিঘালৈ হ্ৰাস কৰিবৰ বাবে ৰাজ্য বিধানসভাত আগন্তুক বাজেট অধিবেশনত এখন বিল উত্থাপন কৰিবলৈ অসম কংগ্ৰেছ বিধায়িনী দলৰ কাৰ্যনিৰ্বাহক কমিটীৰ এখন বৈঠকত সিদ্ধান্ত লোৱা হয়।

● প্ৰতিশ্ৰুত শোধনাগাৰ তথা পেট্ৰ'-

পৰিষদৰ এক্তিয়াৰৰ ভিতৰলৈ গৈছিল আৰু মাথোঁ ২৪,৫২৫ বৰ্গমাইল এলেকাৰ সমতলৰ ৭খন জিলাহে অসম চৰকাৰৰ হাতত ৰৈছিলগৈ, সেয়েহে ভূমিহীন খেতিয়কৰ মাজত মাটি বিতৰণ কৰা প্ৰক্ৰিয়াটোত ভালেমান প্ৰত্যাহ্বানে দেখা দিলে। ১৯৬০-৬১ চনত অসমত চলোৱা জাতীয় জৰীপ (National Sample Survey) অনুযায়ী ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ প্ৰায় ১৫ শতাংশ পৰিয়ালৰ হাতত কোনো কৃষিভূমি নাছিল। ভূমিহীন লোকৰ সংখ্যাবৃদ্ধি নিম্নোক্ত কাৰকৰ বাবেও হৈছিল—

(১) ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত প্ৰতিবছৰে অব্যাহত থকা ব্যাপক পৰিসৰৰ গৰাখহনীয়াৰ বাবেও বহুলোক গৃহহীন তথা ভূমিহীন হৈছিল।

(২) প্ৰতিৰক্ষা, ৰে'লৰে সম্প্ৰসাৰণ, তৈল খাদ উদ্‌ঘাটন তথা অন্যান্য ৰাজহুৱা কাৰণত ব্যাপক পৰিমাণৰ মাটি স্বৰাজোত্তৰ কালত অধিগ্ৰহণ কৰা হৈছিল আৰু এই প্ৰক্ৰিয়াই ভূমিহীন লোকৰ সংখ্যা বৃদ্ধি ঘটাইছিল।

(৩) ১৯৬৩-৬৪ চনৰ ভিতৰত অসমলৈ পূব পাকিস্তানৰ পৰা বৃহৎসংখ্যক শৰণাৰ্থীৰ অনুপ্ৰৱেশ ঘটিছিল। এইসকল শৰণাৰ্থীৰ সংস্থাপনৰ বাবে অসম চৰকাৰে প্ৰায় ৫২,০০০ বিঘা পতিত মাটি এৰি দিব লগা হৈছিল। শৰণাৰ্থী সংস্থাপনৰ ৰাষ্ট্ৰীয় নীতি অনুসৰণ কৰাৰ নামত অসম চৰকাৰে আনকি কেইবাখনো গুৰুত্বপূৰ্ণ ৰিজাৰ্ভৰ সংৰক্ষণ নীতি উঠাই লৈছিল।

ভূমিহীন লোকৰ সমস্যা তথা আবণ্টন দিব লগা ভূমি সংস্কৰণৰ বিষয়টো অধ্যয়ন কৰিবলৈ অসম চৰকাৰে এখন কমিটী গঠন কৰে। এই কমিটীখনত এজনকৈ কৃষি বিশেষজ্ঞ, ভূমি বিশেষজ্ঞ আৰু জলসিঞ্চন অভিযন্তা আছিল। এই কমিটীখনক নিম্নোক্ত বিষয়সমূহ অনুসন্ধান কৰিবলৈ দায়িত্ব দিয়া হৈছিল—

(১) তাৎক্ষণিকভাৱে খেতি কৰিবলৈ উপযুক্ত হৈ থকা পতিত মাটি।

(২) তাৎক্ষণিকভাৱে নহ'লেও যিবোৰ মাটি দৈহিক শ্ৰমৰ জৰিয়তে

কেমিকেল উদ্যোগ চক্ৰ স্থাপনৰ বাবে ৰাজ্যখনক সমৰ্থ কৰি তুলিবলৈ ১০০ কোটি টকাৰ সাহায্যৰ বাবে কেন্দ্ৰক অনুৰোধ জনোৱা হয়।

১২ ফেব্ৰুৱাৰী ঃ উচ্চতম ন্যায়ালয়ে দেৱকান্ত বৰুৱাৰ নিৰ্বাচন বৈধ বুলি ঘোষণা কৰে। ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত বৰুৱা চামগুৰি সমষ্টিৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল যদিও পৰাজিত প্ৰাৰ্থী গোলোক চন্দ্ৰ বৰুৱাই অসম আৰু নাগালেণ্ড উচ্চ ন্যায়ালয়ত এক গোচৰ ৰুজু কৰে। গোলোক চন্দ্ৰ বৰুৱাৰ বিৰুদ্ধে দেৱকান্ত বৰুৱাৰ সন্মতিক্ৰমে এক কুৎসা ৰটনা কৰি প্ৰচাৰপত্ৰ প্ৰকাশ কৰা হৈছিল বুলি অভিযোগ আনি ইয়াক দুৰ্নীতিমূলক কাৰ্য বুলি গোচৰটোত কোৱা হৈছিল। উচ্চ ন্যায়ালয়ে এনে অভিযোগৰ ভিত্তিত নিৰ্বাচন অবৈধ বুলি ঘোষণা কৰাত দেৱকান্ত বৰুৱাই উচ্চতম ন্যায়ালয়ত আপীল কৰে। উচ্চতম ন্যায়ালয়ে দেৱকান্ত বৰুৱাৰ বিৰুদ্ধে কৰা অভিযোগৰ সংক্ৰান্তত পোৱা তথ্যবোৰ অগ্ৰাহ্য কৰি জন আইন অনুসৰি দেৱকান্ত বৰুৱাই কোনো দুৰ্নীতিমূলক কাম কৰা নাই বুলি ৰায় দিয়ে।

- পাৰ্বত্য জন-গণতান্ত্ৰিক দলৰ ২২০জন স্বেচ্ছাসেৱকে মেঘালয় ৰাজ্যৰ পৰিৱৰ্তে এখন পূৰ্ণাংগ পৰ্যায়ৰ পাৰ্বত্য ৰাজ্যৰ দাবী জনাই খাছী পাহাৰ জিলা পৰিষদৰ কাৰ্যালয়ৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰে।

১৩ ফেব্ৰুৱাৰী ঃ অসম সাহিত্য সভাৰ ৩৭ সংখ্যক বাৰ্ষিক অধিৱেশনখন ধিঙৰ ৰত্নগৰত আৰম্ভ।

- অসম আৰু নাগালেণ্ড সীমা বিবাদ সম্পৰ্কত যোৰহাট চাৰ্কিট হাউছত ৰাজ্য দুখনৰ মুখ্যমন্ত্ৰী দুজনৰ মাজত আলোচনা আৰম্ভ। আলোচনা মুকলি কৰে ৰাজ্যপাল বি কে নেহৰুৱে। আলোচনাত দুয়ো পক্ষই নিজৰ পূৰ্বঘোষিত স্থিতিতে অটল থকাৰ সিদ্ধান্ত দোহাৰে।

১৫ ফেব্ৰুৱাৰী ঃ তেল আৰু তেলজাত সামগ্ৰীৰ দাম উৎসভিত্তিক হোৱা উচিত বুলি ইংগিত দি তেলৰ দাম নিৰ্ধাৰক নীতি সম্পৰ্কীয় শান্তিলাল শ্বাহ কমিটীৰ প্ৰতিবেদনৰ ওপৰত জনোৱা অনুমোদনাৱলী পেট্ৰ'লিয়াম আৰু

কৃষিৰ বাবে উপযুক্ত কৰি ল'ব পৰা যায়।

(৩) যিবোৰ মাটি কাৰিকৰী প্ৰক্ৰিয়াৰ জৰিয়তেহে খেতিৰ বাবে উপযুক্ত কৰি ল'ব পৰা যায়।

(৪) যিবোৰ মাটি কৃষিৰ বাবে একেবাৰে উপযুক্ত নহয়।

সমীক্ষাৰ পিচত কমিটীয়ে দাখিল কৰা পৰিসংখ্যা আছিল এনেধৰণৰ—

(১) কৃষিৰ বাবে উপযুক্ত হৈ থকা ১৫ বিঘা বা ততোধিক মাটিৰ ব্লকৰ সংখ্যা ৪৫২৩টা

(২) মাটিকালি (বিঘাৰ হিচাপত) ৯,৪১,৯৬২

(৩) অবৈধভাৱে দখল হোৱা মাটি (বিঘাৰ হিচাপত) ২,০২,৬৩৬

(৪) তাৎক্ষণিকভাৱে সংস্থাপন দিব পৰা মাটিৰ পৰিমাণ ৯০,৯৮৬ বিঘা

(৫) কায়িক শ্ৰমৰ জৰিয়তে মোকলাব পৰা মাটি ১,০৬,৩৫৮ বিঘা

(৬) কাৰিকৰীভাৱে মোকলাব পৰা মাটি ১,৭৪,৮৬৬ বিঘা

(৭) কৃষিৰ বাবে অনুপযুক্ত মাটিৰ পৰিমাণ ৩,৬৭,১১৬ বিঘা

এই সমীক্ষাৰ পিচত অসম চৰকাৰে লক্ষ্য কৰিলে যে কেৱল ৯০,০০০ বিঘা মাটিতহে ভূমিহীন খেতিয়কক সংস্থাপন দিব পৰা যায়। ৩ৰ পৰা ৪ লাখ বিঘা মাটি কৃষিৰ বাবে অনুপযুক্ত বুলি ঠাৱৰ কৰা হৈছিল তথা দেখা গৈছিল যে অবৈধভাৱে দখল কৰা সৰহভাগ ভূমিয়েই আছিল কৃষি উপযোগী। কৃষি উপযোগী মাটিৰ সংকোচনৰ লগতে অসম চৰকাৰৰ বাবে আন এক সমস্যায়ো প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল।

সেই সময়ৰ ৰাষ্ট্ৰীয় নীতি অনুসৰি একোখন ৰাজ্যৰ সৰ্বমুঠ মাটিকালিৰ অতি কমেও ৪০ শতাংশ এলেকাত সংৰক্ষিত বনভূমি থাকিব লাগে বুলি ঘোষণা থকাৰ পিচতো অসমৰ সৰ্বমুঠ মাটিকালিৰ ১৬,১২২ বৰ্গ মাইলতহে সংৰক্ষিত বনাঞ্চল আছিল আৰু এই পৰিমাণ আছিল ৰাজ্যখনৰ মুঠ মাটিৰ মাথোঁ ১৩.৩৪ শতাংশ। এনে এক পটভূমিত সংৰক্ষিত বনাঞ্চলৰ মাটি ভূমিহীন

ৰসায়ন দপ্তৰে কেন্দ্ৰীয় মন্ত্ৰীসভালৈ প্ৰেৰণ কৰিছে বুলি কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু ৰসায়ন মন্ত্ৰী ড° ত্ৰিগুণা সেনে গুৱাহাটীত প্ৰকাশ কৰে।

১৬ ফেব্ৰুৱাৰী ঃ দুলীয়াজানত সৰ্বভাৰতীয় পেট্ৰ'লিয়াম সন্মিলন আৰম্ভ। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু ৰসায়ন দপ্তৰৰ মন্ত্ৰী ত্ৰিগুণা সেনে এই সন্মিলন মুকলি কৰে।

- ৰাজ্যিক মন্ত্ৰীসভাই গোৱালপাৰা জিলাৰ যোগীঘোপাত ২১০ টন উৎপাদনক্ষম কাগজ মণ্ড কাৰখানা এটা স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই কাৰখানাত ১২০ মেট্ৰিক টন মণ্ড আৰু ৯০ মেট্ৰিক টন কাগজ গোট থাকিব তথা ই ১৯৭২ চনৰ ভিতৰত মুকলি হ'ব বুলি মন্ত্ৰীসভাই সিদ্ধান্ত লয়।
- মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ আমন্ত্ৰণক্ৰমে তেওঁৰ বাসভৱনত অসম কংগ্ৰেছ বিধায়িনী দলৰ নেতৃত্বৰ সম্ভাব্য প্ৰতিদ্বন্দ্বী দুগৰাকী ক্ৰমে বিজয় চন্দ্ৰ ভাগৱতী আৰু ৰাজহ মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰী সন্মিলিত হয়।

১৭ ফেব্ৰুৱাৰী ঃ অসমৰ মুখ্যমন্ত্ৰী পদৰ বাবে প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিজয় চন্দ্ৰ ভাগৱতীয়ে নিজৰ প্ৰাৰ্থিত্ব ঘোষণা কৰে।

১৬-১৭ ফেব্ৰুৱাৰী ঃ পশ্চিম মিজো পাহাৰ জিলাৰ মাৰাপাৰা অঞ্চলত বিদ্ৰোহী মিজোৰ সৈতে হোৱা এক সংঘৰ্ষত ভাৰতীয় সেনাবাহিনীৰ এজন মেজৰ আৰু নিৰাপত্তা বাহিনীৰ ছজন জোৱান নিহত হয়।

১৮ ফেব্ৰুৱাৰী ঃ ইন্দিৰা গান্ধীয়ে অসমৰ বিত্ত মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীৰ লগত অসম কংগ্ৰেছ বিধায়িনী দলৰ নেতৃত্বৰ প্ৰশ্নটো আলোচনা কৰে।

১৯ ফেব্ৰুৱাৰী ঃ কেন্দ্ৰৰ অনুৰোধত মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ পদত্যাগপত্ৰ প্ৰত্যাহাৰ। কংগ্ৰেছৰ হাইকমাণ্ডৰ ইচ্ছানুসৰি চলিহাই পূৰ্বৰ পদত্যাগৰ সিদ্ধান্ত সলনি কৰি মুখ্যমন্ত্ৰীৰ দায়িত্ব চমজি ল'বলৈ সিদ্ধান্ত লয়। সেয়েহে ২৩ ফেব্ৰুৱাৰীত বহিবলগীয়া অসম কংগ্ৰেছ বিধায়িনী দলৰ সাধাৰণ সভা কংগ্ৰেছ সভাপতিৰ নিৰ্দেশক্ৰমে বাতিল কৰা হয়।

২০ ফেব্ৰুৱাৰী ঃ মিকিৰ পাহাৰ জিলাৰ ১৬জনীয়া জিলা পৰিষদৰ বিশেষ

লোকৰ মাজত বিতৰণ কৰি দিয়াৰ ক্ষেত্ৰতো আহুকালে দেখা দিছিল।

এনে এক সমস্যালৈ লক্ষ্য ৰাখি অসম চৰকাৰে কম মাটিত অধিক শস্য উৎপাদনৰ বাদে আন এক বিকল্প পথৰ কথা অসম্ভৱ বুলি বিবেচনা কৰিলে। সেই সময়তে অসম চৰকাৰৰ ৰাজহ বিভাগৰ ফালৰ পৰা সমস্যাটো সমাধানৰ বাবে নিম্নোক্ত প্ৰস্তাৱসমূহ উত্থাপন কৰা হ'ল—

(ক) চৰকাৰৰ হাতত থকা পৰ্যাপ্ত পতিত মাটি, বৃত্তিগত চৰণীয়া পথাৰ আৰু গাঁৱলীয়া চৰণীয়া পথাৰৰ পৰা ভূমি আবণ্টন দিয়া হ'ব।

(খ) চাহ বাগিচাসমূহৰ পৰা পৰ্যাপ্ত কৃষিযোগ্য ভূমি অধিগ্ৰহণ কৰি আবণ্টন দিয়া।

(গ) কৃষি বিভাগৰ সহায়ত ভূমি মোকলোৱা বা পুনৰুদ্ধাৰ আঁচনি গ্ৰহণ।

(ঘ) কৃষি বনুৱা আৰু শ্ৰমিকৰ পুনৰ সংস্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ সহায় লোৱা।

(ঙ) অ'ত-ত'ত সিঁচৰতি হৈ থকা অনাৱশ্যকীয় সংৰক্ষিত বনাঞ্চল উঠাই লোৱা।

অসম চৰকাৰে এনে এক পটভূমিত লোৱা ভূমি আবণ্টন নীতিৰ মূল উপবন্ধবোৰ আছিল এনেধৰণৰ—

(১) পৰিয়াল ভিত্তিত ভূমি আবণ্টন দিয়া হ'ব আৰু একেটা পূৰ্বপুৰুষৰ উত্তৰাধিকাৰী যিসকলে একেলগে খায় তেওঁলোকক এটা পৰিয়াল বুলি গণ্য কৰা হ'ব। বেলেগ বেলেগ খোৱাঘৰ থাকিলেও পতি, পত্নী আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীকে (বিবাহিত ছোৱালীক বাদ দি) ধৰি এটা পৰিয়াল বুলি ধৰা হ'ব।

(২) যিসকলে প্ৰকৃতপক্ষে খেতি কৰে কেৱল সেইসকল লোককহে চৰকাৰী কৃষিভূমি প্ৰদান কৰা হ'ব আৰু এনে আবণ্টন সাধাৰণ কৃষিৰ বাবেহে দিয়া হ'ব।

অধিৱেশনত ১৪-০ ভোটত নতুন স্বায়ত্তশাসিত জিলা মেঘালয়ত যোগ নিদিবলৈ স্থিৰ কৰে। পাৰ্বত্য নেতা সম্মিলনৰ সমৰ্থক এজনে ভোটগ্ৰহণৰ পূৰ্বেই সভাঘৰ ত্যাগ কৰে আৰু চেয়াৰমেনে ভোটদানৰ পৰা বিৰত থাকে। বাকী চৈধ্যজন সদস্যই মিকিৰ পাহাৰক অসমৰ জিলা হিচাপে ৰখাৰ সপক্ষে ভোট দিয়ে।

২১ ফেব্ৰুৱাৰী ঃ ১৯৭১ চনৰ জানুৱাৰী মাহৰ পৰা অসমৰ প্ৰাথমিক স্কুলৰ পাঠ্যক্ৰম চাৰি বছৰীয়া হ'ব বুলি অসম চৰকাৰৰ পাঠ্যপুথি প্ৰকাশন আৰু গৱেষণা পৰিষদে ঘোষণা কৰে।

২২ ফেব্ৰুৱাৰী ঃ উত্তৰ কাছাৰ স্বায়ত্তশাসিত পাৰ্বত্য জিলাই নতুন মেঘালয় ৰাজ্যত যোগ নিদি অসমৰ ভিতৰতে থাকিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। হাফলঙৰ সদৰ কাৰ্যালয়ত অনুষ্ঠিত উত্তৰ কাছাৰ পাৰ্বত্য জিলা পৰিষদৰ এখন বিশেষ বৈঠকে ১৫-০ ভোটেৰে নতুন মেঘালয় ৰাজ্যত যোগ নিদি অসমত থকাৰ সিদ্ধান্ত লয়।

● অসম চৰকাৰে ১৯৫৮ চনত ৰাজ্যিক বিদ্যুৎ ব'ৰ্ড গঠন হোৱাৰে পৰা তাত খটুওৱা ৫৯.৬৩ কোটি টকাৰ অংশ হিচাপে কোনো লাভ পোৱা নাই বুলি অসম চৰকাৰৰ ব্যয়ৰ ১৯৬৯ চনৰ অডিট ৰিপ'ৰ্টত প্ৰকাশ। চৰকাৰে খটুওৱা টকাৰ উপৰি ব'ৰ্ডে বণ্ডৰ যোগেদি আৰু এল আই চিৰ পৰা মুঠ ৪.৬২ কোটি টকা ঋণ হিচাপে সংগ্ৰহ কৰে আৰু এনেদৰে ব'ৰ্ডত বিনিয়োগ কৰা মুঠ ধনৰ পৰিমাণ ৬৪.২৫ কোটি হৈছে বুলি ৰিপ'ৰ্টত উল্লেখ কৰা হয়।

● অসমৰ বিভিন্ন ৰাজ্যিক ক্ৰীড়া সংস্থাসমূহৰ সম্পাদকসকলে ক্ৰীড়া সঞ্চালকালয় বিভাগটোৰ বিলুপ্তি সাধনৰ বিৰোধিতা কৰি শীঘ্ৰে এই বিভাগটো নকৈ প্ৰৱৰ্তন কৰাৰ দাবী তোলে।

২৭ ফেব্ৰুৱাৰী ঃ অসমে কেন্দ্ৰক বিগত বছৰত ৭৩,০০০ হাজাৰ টন চাউল যোগান ধৰা বুলি যোগান মন্ত্ৰী ৰমেশ চন্দ্ৰ বৰুৱাই সাংবাদিকক অৱগত কৰায়।

২৮ ফেব্ৰুৱাৰী ঃ গুৱাহাটীত অনুষ্ঠিত চিকিৎসা শিক্ষা উন্নয়নৰ ভাৰতীয় সন্থাৰ এখন সভাত গুৱাহাটীত মেডিকেল বিশ্ববিদ্যালয় পতাৰ দাবী তোলা হয়। এক প্ৰস্তাৱযোগে এই

(৩) নিজৰ নামত অথবা পৰিয়ালৰ যিকোনো সদস্যৰ নামত যদিহে ইতিমধ্যে ১০ বিঘাতকৈ অধিক মাটি আছে তেন্তে তেনে লোকে খেতিৰ বাবে চৰকাৰী মাটিৰ আবণ্টন নাপাব।

(৪) ১০ বিঘাতকৈ কম মাটি থকা লোকৰ ক্ষেত্ৰত পোনতে একেবাৰে মাটি নথকা লোকক, তাৰ পিচতে ৫ বিঘাতকৈ কম মাটি থকা লোকক, তাৰ পিচত ৫-৮ বিঘা মাটি থকা লোকক আৰু একেবাৰে শেষত ৮ বিঘাতকৈ অধিক মাটি থকা লোকক ভূমি আবণ্টন দিয়া হ'ব। ইয়াৰ উপৰি গৃহহীন গ্ৰাম্য পৰিয়ালক উল্লিখিত খেতিৰ মাটিতকৈ ২ বিঘা মাটি ঘৰ-বাৰীৰ বাবে দিয়া হ'ব। তদুপৰি যিসকল লোকে ইতিমধ্যে বানপানী, গৰাখহনীয়া, ভূমি অধিগ্ৰহণ আদিৰ ফলত ভূমিহীন হৈ পৰিছে সেইসকল লোকে আন ভূমিহীন লোকতকৈ অগ্ৰাধিকাৰ লাভ কৰিব।

(৫) পঞ্চায়ত আইনৰ অধীনত প্ৰতিখন গাঁও সভাই ভূমিহীন খেতিয়কৰ এখন পেনেল গঠন কৰিব আৰু গাঁৱৰ এলেকাত কোনো লোকক ভূমি আবণ্টন দিবৰ বাবে এই পেনেলৰ সৈতে আলচ কৰিব লাগিব। অৱশ্যে বানপানী, গৰাখহনীয়া আদিত আক্ৰান্ত লোকৰ সুবিধাৰ্থে চৰকাৰে নিৰ্দিষ্ট ভূমি সংৰক্ষণ কৰি ৰাখিব পাৰিব।

(৬) বৃত্তিগত চৰণীয়া পথাৰ, গাঁৱৰ চৰণীয়া পথাৰসমূহ সংৰক্ষণ কৰি ৰাখিবলৈ প্ৰতিখন গাঁওসভাত এখন সৰু কমিটী থাকিব আৰু গাঁওবুঢ়া অথবা গাঁও সভা এলেকাৰ কোনো এজন গাঁওবুঢ়া এই কমিটীৰ সভাপতি হ'ব। এই কমিটীয়ে বৃত্তিগত চৰণীয়া পথাৰ বা গাঁৱৰ চৰণীয়া পথাৰত অবৈধ দখল হ'লে তাক তাৎক্ষণিকভাৱে অৱগত কৰাব।

(৭) অবৈধ দখলকাৰীক উচ্ছেদ কৰা হ'ব আৰু সেইসকল লোক যদি ভূমি আবণ্টন পোৱাৰ বাবে উপযুক্তও হয় তথাপি ঘৰ-বাৰীৰ বাবে ২ বিঘা মাটি পোৱাৰ বাদে তেওঁলোকে আন দাবী কৰিব নোৱাৰিব।

(৮) Assam Land Revenue Manualৰ কাৰ্যবাহী নিৰ্দেশৰ ৬

সভাই অসম চৰকাৰৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰক এই বিষয়ত বিবেচনা কৰিবলৈ অনুৰোধ জনায়।

১ মাৰ্চ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ পাৰ্বত্য অঞ্চলৰ বাবে ৫ লাখ টকাৰ ব্যয়ত এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবে ১৯৭০-৭১ চনৰ বাজেটত ব্যৱস্থা গ্ৰহণ।

২ মাৰ্চ ঃ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সংসদীয় সদস্য বিজয় চন্দ্ৰ ভাগৱতীৰ তেজপুৰ সমষ্টিৰ উপ-নিৰ্বাচনত বিপুল ভোটত জয়লাভ। বিধানসভাৰ কমিউনিষ্ট সদস্য বিষ্ণু প্ৰসাদ ৰাভাৰ মৃত্যুত বিধানসভাৰ তেজপুৰ সমষ্টিৰ আসনখন খালী হয়। ভাগৱতীয়ে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী ৰমেশ চন্দ্ৰ শৰ্মাক ৯,৩৪৫টা ভোটত পৰাজিত কৰে।

৩ মাৰ্চ ঃ ভাৰতৰ চিমেণ্ট নিগমে অসমত দুই লাখ টন উৎপাদনক্ষম চিমেণ্ট কাৰখানা স্থাপন কৰাৰ কথাত কেন্দ্ৰীয় চৰকাৰৰ সন্মতি প্ৰদান।

৫ মাৰ্চ ঃ মাৰ্ক্সবাদী কমিউনিষ্ট সদস্য সুব্ৰমণিয়াম মেননে ৰাজ্যসভাত অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰাৰ দাবী তোলে। অসমৰ উগ্ৰপন্থীসকলে চীন আৰু পাকিস্তানৰ পৰা অস্ত্ৰ সাহায্য লাভ কৰা বুলি গৃহ মন্ত্ৰীয়ে স্বীকাৰ কৰাৰ পিচত তেওঁ এই দাবী তোলে।

৮ মাৰ্চ ঃ অসমত চোৰাং কাৰবাৰ আৰু কৰ ফাঁকি ৰোধৰ বাবে অসম অঞ্চলৰ শুল্ক আৰু কেন্দ্ৰীয় আবকাৰী বিভাগে ক্ষিপ্ৰ ব্যৱস্থা হাতত লয়।

১০ মাৰ্চ ঃ ভাৰত চৰকাৰে চতুৰ্থ পৰিকল্পনাত দহটা শাখাৰ মিটাৰ গজ ব্ৰডগজলৈ ৰূপান্তৰ কৰা আঁচনিত ৰঙাপৰা-নৰ্থ তেজপুৰ পথছোৰা সন্নিৱিষ্ট কৰা হৈছে বুলি ৰে'লৰে মন্ত্ৰী গুলজাৰিলাল নন্দই লোকসভাত জনায়।

১২ মাৰ্চ ঃ ৰাজ্যখনৰ পথ পৰিবহণ সেৱাৰ পৰিচালনাৰ ভাৰ ল'বলৈ অসম চৰকাৰে এটা নিগম গঠনৰ সিদ্ধান্ত লয়।

১৫ মাৰ্চ ঃ অসম বিধানসভাত ১৯৭০-৭১ চনৰ বাজেট দাখিল।

- অসম বিধানসভাত বাজেট উত্থাপন ঃ অসম বিধানসভাত বিত্ত মন্ত্ৰী ত্ৰিপাঠীয়ে ১৯৭০-৭১ চনৰ বাজেট উত্থাপন কৰে।

নং ক্ৰম অনুযায়ী জিলা উপায়ুক্তৰ অনুমতি অবিহনে কোনো বৃত্তিগত খেতিয়কৰ হাতৰ পৰা অ-খেতিয়কৰ হাতলৈ ভূমি হস্তান্তৰ কৰাত বাধা নিষেধ আৰোপ কৰা হৈছে। ১৯১৯ৰ পিচত ধাৰ্য কৰা সকলো পিৰিয়ডিক লীজত (periodic lease) এই নীতি বলৱৎ কৰা হৈছিল যদিও কাৰ্যতঃ এই নীতি ফলপ্ৰসূ হোৱা নাই। দেখা গৈছিল যে এক বৃহৎ পৰিসৰৰ মাটি ইতিমধ্যে অ-খেতিয়কৰ হাতলৈ হস্তান্তৰিত হৈছে। চৰকাৰে নতুন নীতি অনুযায়ী জিলা উপায়ুক্তক এনে হস্তান্তৰৰ অনুমতি নিদিবলৈ নিৰ্দেশ দিয়ে আৰু কৰ্তব্যৰত বিষয়াৰ অনুসন্ধানৰ পিচতহে এনে অনুমতি নিশ্চিত কৰাৰ নিৰ্দেশ দিয়ে।

(৯) একচনীয়া মাটিক ম্যাদী মাটিলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত আগতীয়াকৈ প্ৰিমিয়াম বা কিস্তি দিব লাগে বাবে এই বিষয়টোৱে এক ডাঙৰ বাধা সৃষ্টি কৰিছে বুলি অসম চৰকাৰে অনুভৱ কৰিছিল। দেখা গৈছিল যে ৪৯,২৬,৬১২ বিঘা একচনীয়া মাটিত সেই পৰ্যন্ত ম্যাদ প্ৰদান কৰা হোৱা নাছিল। চৰকাৰে সেয়েহে এই নীতিৰ জৰিয়তে ৫টা কিস্তিত ধন পৰিশোধ কৰাৰ প্ৰস্তাৱ ৰাখে আৰু ধন সম্পূৰ্ণৰূপে পৰিশোধ কৰাৰ আগতেই ম্যাদ প্ৰদান কৰাৰ সিদ্ধান্ত লয়। অৱশ্যে এইক্ষেত্ৰত বিধিগত আইন আৰু নিয়ম অনুসৰিহে একচনীয়া মাটি ম্যাদী হ'ব পাৰিব বুলি কোৱা হৈছিল।

(১০) ভূমি সংস্কাৰৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল যে অসম চৰকাৰে ইতিমধ্যে Assam State Acquisition of Zamindaries Act বা অসম ৰাজ্যিক জমিদাৰী ভূমি অধিগ্ৰহণ বিধিৰ অধীনত প্ৰায় ৫০ লাখ বিঘা মাটি, Assam Fixation of Ceiling on Land Holdings Actৰ অধীনত প্ৰায় ১,১৬,০০০ বিঘা মাটি আৰু Assam State Acquisition of Lands Belonging to Religious of Charitable Institutions of Public Nature Actৰ অধীনত ৰাজ্যখনত ৭৬টা ধৰ্মীয় অনুষ্ঠানৰ হাতৰ পৰা প্ৰায় ১,৪৬,২০০ বিঘা মাটিৰ স্বত্ব অধিগ্ৰহণ কৰিছে। অসম চৰকাৰে ইয়াৰ উপৰি চিলিং আইনৰ অধীনত

বাজেটখনত সাময়িকভাৱে ৪১ কোটি ৮৬ লাখ ৪৮ হাজাৰ টকাৰ ঘাটি দেখুওৱা হৈছে। বিত্ত মন্ত্ৰীয়ে দাখিল কৰা বাজেট অনুসৰি ১৯৭০-৭১ চনৰ বিত্তীয় বছৰটোত ৰাজহৰ আয় ১১১ কোটি ৩ লাখ ৪২ হাজাৰ টকা, মুলধন আয় ১১৫ কোটি ২৭ লাখ ২৯ হাজাৰ টকা ধাৰ্য কৰা হৈছে আৰু মুঠ আয়ৰ পৰিমাণ ৬৮৮ কোটি ৮৯ লাখ ৪৫ হাজাৰ টকা হ'ব বুলি অনুমান কৰা হৈছে। বাজেটত অতিৰিক্ত সম্পদ আহৰণৰ উদ্দেশ্যে কৰ প্ৰৱৰ্তনৰ ব্যৱস্থা লোৱা হৈছে।

১৭ মাৰ্চ ঃ পূৰ্ণানন্দ চেতিয়া আৰু ইমন সিং চাংমাৰ ৰাজ্যসভাৰ সদস্য হিচাপে কাৰ্যকালৰ ম্যাদ ওকলাৰ পিচত খালী হোৱা এই দুখন আসনৰ বাবে আঠজন প্ৰাৰ্থীয়ে মনোনয়নপত্ৰ দাখিল কৰে।

১৮ মাৰ্চ ঃ চৰকাৰী সংৰক্ষিত বনাঞ্চল আৰু আন আন চৰকাৰী মাটিৰ পৰা ভূমিহীন লোকসকলক উচ্ছেদ কৰা আৰু সেই লোকসকলৰ ওপৰত পুলিচে চলোৱা অত্যাচাৰৰ বিষয়টো আলোচনা কৰিবৰ বাবে বিধানসভাত কমিউনিষ্ট গ্ৰুপৰ নেতা ফণী বৰাই এটা সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰে।

২০ মাৰ্চ ঃ মেঘালয়ৰ অস্থায়ী বিধানসভাৰ ৩৮খন আসনৰ ভিতৰত সৰ্বদলীয় নেতা সন্মিলনে ৩০খন আসন লাভ কৰে। সন্মিলনে কেপ্টেইন চাংমাক সৰ্বসন্মতিক্ৰমে মেঘালয় ৰাজ্যৰ প্ৰথম মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচন কৰে।

২২ মাৰ্চ ঃ ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদে সাধাৰণ সন্মতিৰে অনুমোদন জনোৱা ১৯৬৯-৭৪ চনৰ সংশোধিত চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাত অসমে ৩৬ কোটি টকা অধিককৈ লাভ কৰে।

২৪ মাৰ্চ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ে চলোৱা অধ্যয়নৰ প্ৰতিবেদনত গুৱাহাটীলৈ ব্ৰডগজ ৰে'ললাইন সম্প্ৰসাৰণ কৰাটো বাঞ্ছনীয় বুলি মতামত প্ৰকাশ।

- অসমৰ ৰাজ্যপাল ব্ৰজ কুমাৰ নেহৰুৱে স্বায়ত্তশাসিত পাৰ্বত্য ৰাজ্য মেঘালয়ত চৰকাৰ গঠন কৰিবলৈ সৰ্বদলীয় পাৰ্বত্য সন্মিলনৰ বিধায়িনী দলৰ নেতা কেপ্টেইন উইলিয়ামছন চাংমাক আমন্ত্ৰণ জনায়।

২৫ মাৰ্চ ঃ মেঘালয়ৰ ৫জনীয়া

১৯৬৮ চনৰ ভূমিনীতি

চিলিং উদ্বৃত্ত মাটিৰ পৰিমাণ ১৫০ বিঘাৰ পৰা ১০০ বিঘালৈ সংকোচন কৰাৰ সিদ্ধান্ত লয়, অৰ্থাৎ সেই সময়ৰ পৰা চিলিঙৰ সীমাৰেখা হৈছিল ১০০ বিঘা। অসম চৰকাৰে এই নীতি অনুযায়ী আধিয়াৰসকলৰ সুৰক্ষাৰ বাবে আধিয়াৰ সম্পৰ্কীয় বিধিখনৰ সংশোধনৰ প্ৰসংগও উত্থাপন কৰিছিল। ইয়াৰ বাবে প্ৰয়োজনীয় প্ৰশাসনীয় সংস্কাৰৰ বিষয়টোতো অসম চৰকাৰে গুৰুত্ব আৰোপ কৰিছিল।

মন্ত্ৰীসভা ঘোষণা। ২ এপ্ৰিলত কাৰ্যভাৰ গ্ৰহণ কৰিব লগা এই মন্ত্ৰীসভাৰ পাঁচোজন সদস্যৰ নাম অসম আৰু মেঘালয়ৰ ৰাজ্যপাল বি কে নেহৰুৱে অনুমোদন কৰে। মন্ত্ৰীকেইজন হ'ল— কেপ্টেইন চাংমা (মুখ্যমন্ত্ৰী), বি বি লিংডো (বিত্ত মন্ত্ৰী), ষ্টেনলী নিকল্‌ছ ৰয় (কৃষি মন্ত্ৰী), এডউইন (গড়কাপ্তানী) আৰু ছানফোৰ্ড মাৰাক (শিক্ষা)।

২৬ মাৰ্চ ঃ অসম আৰু নাগালেণ্ড উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পি কে গোস্বামীক লৈ গঠিত একক আদালতে এটা নিৰ্বাচনী গোচৰৰ ৰায় দি আজি নাগালেণ্ডৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী টি এন আংগামীৰ নিৰ্বাচন দুৰ্নীতিমূলক ব্যৱস্থাৰে অনুষ্ঠিত বুলি এই নিৰ্বাচন অবৈধ ঘোষণা কৰে।

● অসম বিধানসভাত বিত্ত মন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে 'অসম বিত্ত বিল ১৯৭০'খন উত্থাপন কৰে আৰু সদনত আলোচনা হোৱাৰ পিচত মৌখিক ভোটত এই বিধেয়ক গৃহীত হয়।

২৮ মাৰ্চ ঃ কোকৰাঝাৰ জিলা বড়ো সাহিত্য সভাই বড়ো ভাষাৰ কাৰণে ৰোমান লিপি গ্ৰহণ কৰাৰ বিৰোধিতা কৰিছে আৰু তাৰ পৰিৱৰ্তে অসমীয়া লিপিকে চলাই থকাৰ পোষকতা কৰিছে।

৩০ মাৰ্চ ঃ শ্বিলঙত অসম বিধানসভাৰ সন্মুখত ৰাজ্যৰ বিভিন্ন ঠাইৰ প্ৰায় ৬০০ ছাত্ৰ-ছাত্ৰী আৰু যুৱকে নিবনুৱা সমস্যা সমাধানৰ দাবীত বিক্ষোভ প্ৰদৰ্শন কৰে।

১ এপ্ৰিল ঃ ভূমিৰ সৰ্বোচ্চ পৰিমাণ বৰ্তমানৰ ১৫০ বিঘাৰ ঠাইত ৭৫ বিঘা কৰিবৰ কাৰণে ৰাজহ মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে আজি বিধানসভাত 'অসমৰ ভূমিৰ সৰ্বোচ্চ পৰিমাণ নিৰ্ধাৰক বিল (সংশোধন) ১৯৭০' নামৰ বিলখন উত্থাপন কৰে।

২ এপ্ৰিল ঃ মেঘালয় ৰাজ্যৰ শুভ উদ্বোধন ঃ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে শ্বিলঙৰ গেৰিছন পথাৰত স্বায়ত্তশাসিত মেঘালয় ৰাজ্য উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানৰ আগতে ৰাজ্যপাল বি কে নেহৰুৱে মেঘালয়ৰ মুখ্যমন্ত্ৰী কেপ্টেইন উইলিয়ামছন চাংমাকে ধৰি আন মন্ত্ৰীসকলক শপত গ্ৰহণ কৰায়। শপতগ্ৰহণ অনুষ্ঠানৰ পিচত মুখ্যমন্ত্ৰী কেপ্টেইন উইলিয়ামছন

স্বায়ত্তশাসিত অসমৰ ৰাজ্য

স্বাধীনতাৰ পিচৰে পৰা পাহাৰীয়া জনজাতিসকলে অসমৰ প্ৰভুত্ব ভাল নোপোৱা হৈ আহিছিল। শিক্ষা, নেতৃত্ব, আন্তঃগাঁথনি বা সাংস্কৃতিক ক্ষেত্ৰত এই জনজাতীয় লোকসকল পিচপৰা কাৰণে অসমৰ ৰাজনৈতিক আৰু সামাজিক নেতৃত্বই জনজাতীয় লোকসকলক সদায়েই হেয়জ্ঞান কৰি আহিছিল বুলি তেওঁলোকৰ মনত এটা ভাব সোমাই গৈছিল আৰু কিছু সময়ত সেয়া সত্যও আছিল। স্বৰাজোত্তৰ কালছোৱাত অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক নেতৃত্ব উচ্চবৰ্ণৰ হাতলৈ গুচি গ'ল আৰু পাহাৰীয়া আৰু জনজাতীয় নেতাসকলে বেছিকৈ তাক উপলব্ধি

চাংমাই অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ শুভেচ্ছাবাণী পাঠ কৰি শুনায়। স্বাস্থ্যজনিত কাৰণত চলিহা অনুষ্ঠানত উপস্থিত থাকিব পৰা নাছিল। অসম কংগ্ৰেছ বিধায়িনী দলৰ উপ-দলপতি, ৰাজহ মন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰীয়ে চলিহাৰ পৰিৱৰ্তে অনুষ্ঠানত প্ৰতিনিধিত্ব কৰে আৰু অসম চৰকাৰে ঐতিহাসিক দিনটোত অসম চৰকাৰ আৰু জনসাধাৰণৰ তৰফৰ পৰা নতুন স্বায়ত্তশাসিত ৰাজ্যখনৰ জনসাধাৰণক তথা চৰকাৰখনক শুভেচ্ছা জনায়। মেঘালয় ৰাজ্যৰ সৃষ্টিয়ে দেশত গণতন্ত্ৰই দৃঢ়ভাৱে গা কৰি উঠাৰ দৃষ্টান্ত দাঙি ধৰিছে বুলি প্ৰধানমন্ত্ৰী গান্ধীয়ে মত পোষণ কৰে।

৪ এপ্ৰিল ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ গুৱাহাটীত বহা এক অধিৱেশনত প্ৰস্তাৱযোগে অসম প্ৰদেশ কমিটী শাসক কংগ্ৰেছৰ লগত থকাৰ সিদ্ধান্ত কৰে। সভাত সভাপতিত্ব কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি বিজয় চন্দ্ৰ ভাগৱতীয়ে।

- ৰাজ্যত উল্লেখযোগ্য ঔদ্যোগিক উন্নয়ন কৰাৰ অৰ্থে বিবিধ পেট্ৰ'-কেমিকেল জাতীয় সামগ্ৰী প্ৰস্তুত কৰিব পৰাকৈ অসমৰ কাৰণে প্ৰস্তাৱিত পেট্ৰ'-কেমিকেল উদ্যোগ চক্ৰৰ সংহত আঁচনিখন ল'ব লাগে বুলি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসম চৰকাৰে দাবী জনায়। অসমত কেৱল পলিষ্টাৰ ফাইবাৰ প্ৰস্তুত কৰিব পৰাকৈহে প্ৰস্তাৱিত পেট্ৰ'-কেমিকেল উদ্যোগ চক্ৰ আৰু শোধনাগাৰ স্থাপনৰ বাবে কেন্দ্ৰ চৰকাৰে থিৰ কৰিছে বুলি ওলোৱা বাতৰিৰ পিচত অসম চৰকাৰে কেন্দ্ৰৰ ওচৰত এনে দাবী জনায়।

৬ এপ্ৰিল ঃ অসমৰ ঔদ্যোগিক উন্নয়নৰ নিমিত্তে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে যি 'পেকেজ আঁচনি' ঘোষণা কৰিছিল তাক কাৰ্যকৰী নকৰাৰ প্ৰতিবাদস্বৰূপে সমগ্ৰ অসমৰ ৰাইজে সভা, শোভাযাত্ৰাৰে আজি 'প্ৰতিবাদ দিৱস' পালন কৰে।

৯ এপ্ৰিল ঃ ৰাজ্য বিধানসভাত কংগ্ৰেছ সদস্য দেৱেশ্বৰ শৰ্মা আৰু বিৰোধী পক্ষৰ কেইবাজনো সদস্যই চৰকাৰৰ নিয়োগ নীতিৰ তীব্ৰ সমালোচনা কৰে। বাৰাউনী তেল শোধনাগাৰৰ নিয়োগ নীতিৰ প্ৰসংগত দেৱেশ্বৰ শৰ্মাই কয়

কৰিবলৈ ধৰিলে।

বিধানসভাতো পাহাৰীয়া জিলাকেইখনৰ নামমাত্ৰ সভ্য থকাৰ কাৰণে পাহাৰীয়া জনজাতিসকলে নিজৰ অধিকাৰ বিচাৰিবলৈ সুবিধা কৰিব নোৱাৰিছিলেই। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ নেতৃত্বই পাহাৰীয়া জনজাতিসকলৰ ক্ষুদ্ৰ আশাবোৰ সদায় দমন কৰি ৰাখিব বিচাৰিছিল।

সেই কাৰণেই পঞ্চাশৰ দশকৰ পৰাই অসমৰ পৰা এই জিলাকেইখন আঁতৰি অহাৰ মানসিকতা আৰম্ভ হৈছিল। নগা পাহাৰ, ত্ৰিপুৰা, মণিপুৰ, লুছাই পাহাৰৰ আৰু খাছী পাহাৰ কোনেও বিচৰা নাছিল অসমৰ প্ৰভুত্ব। ত্ৰিপুৰা আৰু মণিপুৰৰ কথা আছিল সম্পূৰ্ণভাৱে সুকীয়া। কাৰণ দুয়োখনৰে আছিল এক গৌৰৱময় ইতিহাস।

পঞ্চাশৰ দশকৰ শেষৰফাললৈ সেই ভাব সম্পূৰ্ণ প্ৰকট হৈ পৰিছিল আৰু পাহাৰীয়া জনজাতিবোৰে নিজৰ স্বকীয়তা বিচাৰি আন্দোলন কৰিবলৈ আৰম্ভ কৰি দিছিল। বেলেগে বেলেগে আন্দোলন নকৰি পাহাৰীয়া নেতাসকল ১৯৬০ চনত All Party Hill Leaders Conferenceৰ অধীনত গোট খাইছিলহি।

প্ৰথমতে স্বায়ত্ত শাসন বিচাৰি আৰু পিচলৈ সুকীয়া ৰাজ্য বিচাৰি নেহৰুলৈ স্মাৰকপত্ৰ দিছিল APHLC-এ। ১৯৬০ চনৰ ভাষা আন্দোলনৰ পিচত পাহাৰীয়া জনজাতিসকলৰ অসম বিদ্বেষ আৰু বাঢ়ি গৈছিল আৰু তেওঁলোকে অসমীয়াক জনজাতিবিৰোধী বুলি ধৰি লৈছিল।

পাহাৰীয়া জনজাতিবোৰে ধৰি লৈছিল যে অসমীয়া ৰাজ্যভাষাৰ নামত এতিয়া পাহাৰীয়া জনজাতিসকলক অসমীয়া পঢ়িবৰ কাৰণে বাধ্য কৰোৱা হ'ব। তাৰ কাৰণে অৱশ্যে পাহাৰীয়া নেতা সকলে কিছু ৰাজনীতিও কৰিছিল। সেয়েহে ভাষা আন্দোলনে পাহাৰত সাংঘাতিক বিৰূপ ৰূপ ধাৰণ কৰে।

ভাষা আন্দোলনে দুই উপত্যকাত যি জুই জ্বলালে, তাৰ ফিৰিঙতি

যে উক্ত শোধনাগাৰৰ দহ মাইল ব্যাসাৰ্ধৰ ভিতৰৰ লোককেই ৫০০ টকাৰ তলৰ আটাইবোৰ চাকৰি দিয়া হৈছে। গুৱাহাটীৰ তেল শোধনাগাৰৰ ক্ষেত্ৰত সেই একেই নীতি কিয় প্ৰযোজ্য নহ'ব তাক লৈ শৰ্মাই প্ৰশ্ন তোলে।

● চতুৰ্থ পৰিকল্পনাৰ প্ৰথমছোৱাত অসমৰ উদ্যোগসমূহত ৩৬,৪০০ চাকৰিৰ ব্যৱস্থা হ'ব বুলি ৰাজ্যিক উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাই বিধানসভাত জনায়।

১০ এপ্ৰিল ঃ ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা আলোচনাৰ শেষত ভোট গ্ৰহণৰ পিচত বিধানসভাৰ অধিৱেশন ২৬ এপ্ৰিললৈ স্থগিত ৰখা হয়।

● বিধানসভাত সমবায় মন্ত্ৰী লক্ষ্মীপ্ৰসাদ গোস্বামীৰ বিৰুদ্ধে উঠা অভিযোগৰ তদন্ত কৰিবলৈ অধ্যক্ষই উপাধ্যক্ষ আতাউৰ ৰহমানৰ নেতৃত্বত এখন কমিটী গঠন কৰি দিয়ে। বিধানসভাৰ তদন্ত কমিটীয়ে সমবায় বিভাগৰ বিশেষকৈ এপেক্স মাৰ্কেটিং সমবায় সমিতিৰ ক্ষেত্ৰত হোৱা দুৰ্নীতি আৰু সেই সম্পৰ্কত তেওঁৰ বিৰুদ্ধে উত্থাপিত হোৱা অভিযোগসমূহৰ তদন্ত শেষ নকৰাকৈ গোস্বামীয়ে বিভাগটোৰ দায়িত্ব নিজৰ হাতত নাৰাখিব বুলি সদনত ঘোষণা কৰে। বিৰোধী পক্ষৰ সদস্যসকলে অসম এপেক্স মাৰ্কেটিং সমবায় আৰু ধান-চাউল সংগ্ৰহৰ সংক্ৰান্তত কিছুমান কেলেংকাৰিৰ বাবে গোস্বামীৰ বিৰুদ্ধে অভিযোগ আনিছিল আৰু তেওঁ নিজৰ ফালৰ পৰাই বিধানসভাৰ এখন তদন্ত কমিটীৰ দ্বাৰা তদন্ত হোৱাটো কামনা কৰি অনুৰোধ জনাইছিল। বিধানসভাত গোস্বামীয়ে কয় যে ধান-চাউল কেলেংকাৰিৰ ফলত অকল বিধানসভাৰ সদস্যসকলৰে ক্ষতি হৈছে এনে নহয়, ই সমগ্ৰ অসমৰ কাৰণে ক্ষতিকৰ আৰু উদ্বেগৰ বিষয়। তদুপৰি তেওঁ সঁচাকৈয়ে দোষী হয় নে নহয় তাকো অসমৰ ৰাইজে জনাটো উচিত বুলি তেওঁ মত ব্যক্ত কৰে।

১৩ এপ্ৰিল ঃ অসমৰ ৰাজহ মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে অসম আৰু নাগালেণ্ডৰ সীমা বিবাদৰ পৰা উদ্ভৱ হোৱা গুৰুতৰ পৰিস্থিতি সম্পৰ্কে গৃহ মন্ত্ৰী ৰাই বি চৱনৰ লগত

পাহাৰীয়া জিলাবোৰতো পৰিছিলহি। সকলোতে মাথোঁ অসম আৰু অসমীয়া বিদ্বেষ। কাৰণ ভাষা আন্দোলনে প্ৰায় ৫০,০০০ লোকক গৃহহীন কৰিছিল।

১৯৬০ চনৰ ৬ আৰু ৭ জুলাইত অসমৰ স্বায়ত্তশাসিত জিলাসমূহৰ নেতৃত্ব শ্বিলঙত লগ হ'ল আৰু তাতেই APHLC গঠন হ'ল আৰু দলটোৱে অসমীয়া ভাষাক ৰাজ্যভাষা কৰা কাৰণে তীব্ৰ গৰিহণা দিলে।

জনজাতিসকলক অসমীয়াকৰণ কৰাৰ এক চক্ৰান্ত কৰা হৈছে বুলি কোৱাতকৈ অসমীয়া ভাষা প্ৰৱৰ্তনৰ যোগেৰে জনজাতিসকলৰ নিজস্ব ভাষা, বৈশিষ্ট্য আৰু সংস্কৃতিক বিলোপ কৰিব বিচৰা হৈছে বুলি উক্ত সভাত মত পোষণ কৰা হৈছিল। তেওঁলোকে অসমীয়াৰ ঠাইত হিন্দী বা ইংৰাজীকে ৰাজ্যভাষা হিচাপে ঘোষণা কৰিবলৈ অনুৰোধ কৰিছিল।

মিজো পাহাৰ, উত্তৰ কাছাৰ পাহাৰ, গাৰো পাহাৰ আৰু সংযুক্ত খাছী আৰু জয়ন্তীয়া পাহাৰৰ নেতাসকলে এই সভাত যোগদান কৰিছিল। তেওঁলোকৰ দাবীপত্ৰত চহী কৰিছিল চেয়াৰমেন বি এম পুঘ আৰু সাধাৰণ সম্পাদক ষ্টেনলী নিকলছ ৰয়ে।

উল্লেখযোগ্য যে ১৯৪৭ চনতেই গোপীনাথ বৰদলৈ কমিটীৰ পৰামৰ্শমতে খাছী-জয়ন্তীয়া পাহাৰ, গাৰো পাহাৰ, লুছাই পাহাৰ, নগা পাহাৰ, উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰক স্বায়ত্তশাসিত জিলা হিচাপে ঘোষণা কৰা হৈছিল আৰু সেইমতেই সেইবোৰ অঞ্চলত শাসনো চলিছিল।

কিন্তু গোপীনাথ বৰদলৈৰ পিচৰ চাম অসমৰ নেতাৰ লগত পাহাৰৰ নেতাসকলৰ মত নিমিলিল। স্বাধীনতাৰ মাথোঁ আঠ বছৰ পিচতেই অসমত পাহাৰীয়া ৰাজ্যৰ গঠনৰ দাবী আৰম্ভ হ'বলৈ ধৰিলে।

১৯৫৫ চনত ৰাজ্য পুনৰ আয়োগে অসমক খণ্ডিত কৰাৰ বিৰোধিতা কৰিলে। বৰঞ্চ আয়োগে মত পোষণ কৰিলে যে সুকীয়া ৰাজ্য গঠনত সঁহাৰি দিলে পিচলৈ স্বাধীন ৰাষ্ট্ৰৰ দাবী উঠিব পাৰে। কিয়নো ইতিমধ্যে সমগ্ৰ পাহাৰ এই দাবীত উত্তাল হৈ পৰিছিল। সেই কাৰণেই সুকীয়া ৰাজ্যৰ দাবীক গুৰুত্ব

আলোচনা কৰে।

১৫ এপ্ৰিল ঃ ২ এপ্ৰিলৰ দিনা জন্ম লাভ কৰা মধ্যৱৰ্তী মেঘালয় চৰকাৰৰ পোনপ্ৰথমবাৰৰ বাবে এদিনীয়াকৈ বিধানসভা বহে।

১৭ এপ্ৰিল ঃ পূৰ্বাঞ্চলত গেছ আয়োগৰ কাৰ্যাৱলীৰ সমালোচনা ঃ লোকসভাত পেট্ৰ'লজাত সামগ্ৰীৰ মন্ত্ৰী দপ্তৰৰ বাজেট মঞ্জুৰিৰ দাবী সম্পৰ্কত হোৱা আলোচনাকালত এজন সদস্যই তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ পূৰ্বাঞ্চলৰ সদৰ কাৰ্যালয়ৰ তীব্ৰ সমালোচনা কৰে আৰু এই সম্বন্ধে চৰকাৰে অনুসন্ধান চলাব লাগে বুলি দাবী জনায়। অসমৰ সাংসদ বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে গুৱাহাটী শোধনাগাৰ সম্পৰ্কত চৰকাৰে লোৱা নীতিৰো সমালোচনা কৰে। গুৱাহাটী শোধনাগাৰৰ উৎপাদন বৃদ্ধিৰ পৰিকল্পনা চৰকাৰে কিয় গ্ৰহণ কৰা নাই সেই সম্বন্ধেও শাস্ত্ৰীয়ে প্ৰশ্ন তোলে। অসমৰ ধীৰেশ্বৰ কলিতাই বিতৰ্ক কালত ভাষণ দিওঁতে দেশৰ সাৰ উৎপাদন ব্যৱস্থাৰ সমালোচনা কৰে আৰু সাৰৰ ক্ষেত্ৰত স্বাৱলম্বী হ'বলৈ চৰকাৰে সাৰ নীতিৰ পৰিৱৰ্তন সাধিব লাগে বুলি পৰামৰ্শ আগবঢ়ায়।

১৯ এপ্ৰিল ঃ কাছাৰ জিলাৰ ধলা ই সংৰক্ষিত সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত। অসম বিধানসভাৰ সদস্য যতীন্দ্ৰ বৰভূঞাৰ মৃত্যুৰ কাৰণেই এই আসনখন খালী হৈছিল।

২০ এপ্ৰিল ঃ ৰাজ্য বিধানসভাৰ ধলা ই সমষ্টিৰ উপ-নিৰ্বাচনত শাসক কংগ্ৰেছৰ প্ৰাৰ্থী শিৱপ্ৰসাদ বৈদ্যৰ জয়লাভ।

- অসম বিধানসভাৰ পুথি ভঁৰালটো থকা এসময়ৰ ৰাজ্য পৰিষদৰ ভৱনত মেঘালয় বিধানসভাৰ অধিৱেশন পুনৰ আৰম্ভ হয়।

২২ এপ্ৰিল ঃ ৰাজ্য চৰকাৰৰ নিৰ্বিচাৰ উচ্ছেদ নীতিৰ বিৰুদ্ধে আৰু খেতিয়কৰ স্বাৰ্থত ক্ষিপ্ৰভাৱে ভূমি সংস্কাৰ কৰাৰ দাবীত চি পি আই দলৰ ৰাজ্যজুৰি গণ-সত্যাগ্ৰহ পালন। বিভিন্ন জিলাত এঘাৰশৰো অধিক সত্যাগ্ৰহী গ্ৰেপ্তাৰ।

২৩ এপ্ৰিল ঃ মিজো জিলাৰ ব্যাপক অঞ্চলত উৎকট খাদ্য সংকটৰ সৃষ্টি।

২৪ এপ্ৰিল ঃ লোকসভাত কেন্দ্ৰীয় গৃহ মন্ত্ৰী ৱাই বি চৱনে অসমত স্বাধীন

দিয়া নহ'ল।

কিন্তু অসম ৰাজ্যভাষা আইন প্ৰযোজ্য হোৱাৰ লগে লগে যেতিয়া অসমীয়া বাধ্যতামূলক হোৱাৰ পৰিস্থিতি সৃষ্টি হ'ল তেতিয়া ছেগা-চোৰোকাকৈ আহি থকা সুকীয়া ৰাজ্যৰ দাবী প্ৰবল হ'বলৈ আৰম্ভ কৰিলে।

অৱশ্যে এয়া সত্য আছিল যে অসম ৰাজ্যভাষা আইনে স্বায়ত্তশাসিত জিলাবোৰত নিজৰ নিজৰ ভাষাসমূহক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিবলৈ যথেষ্ট সুবিধা দিছিল। কিন্তু APHLCৰ নেতাসকলে অসমীয়া বিদ্বেষী ভাবটো পাহাৰীয়া জিলাসমূহত বিয়পাবলৈ এই আইনখনক ব্যৱহাৰ কৰিলে আৰু ভাষা আন্দোলনৰ হিংসাত্মক কাৰ্যকলাপে এই জুই বেছিকৈ বহলাই দিলে।

APHLCৰ নেতাসকলে সুকীয়া ৰাজ্যৰ দাবী তুলি এক স্মাৰকপত্ৰ ১৯৬০ চনৰ ২১ আগষ্টৰ দিনা ৰাষ্ট্ৰপতিক প্ৰদান কৰে। সেয়াই আৰম্ভণি। সেই স্মাৰকপত্ৰৰ ভিত্তিতে সেই চনৰে নৱেম্বৰ মাহত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ঘোষণা কৰিলে যে স্বায়ত্তশাসিত জিলাসমূহক অধিক ক্ষমতা দিয়াটো প্ৰয়োজনীয়, কিন্তু সেয়া অসমক পুনৰ খণ্ডিত কৰি নহয়।

উল্লেখযোগ্য যে APHLCত কিন্তু নগা পাহাৰ, মণিপুৰ আৰু ত্ৰিপুৰা সন্নিৱিষ্ট নাছিল। এক গৌৰৱময় ৰাজকীয় ইতিহাস থকাৰ কাৰণে মণিপুৰ আৰু ত্ৰিপুৰা আগৰে পৰাই সুকীয়া প্ৰদেশ হিচাপে বিবেচিত হৈ আহিছিল আৰু নগা পাহাৰক সুকীয়া ৰাজ্য নালাগিছিল, লাগিছিল সুকীয়া ৰাষ্ট্ৰ। গতিকে APHLC মূলতে খাছী, জয়ন্তীয়া, গাৰো, মিজো আৰু কাৰ্বি ৰাইজৰ নেতৃত্বহে আছিল।

১৯৬১ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী নেহৰুৱে এই স্বায়ত্তশাসিত জিলাকেইখনৰ শাসন ব্যৱস্থা উন্নীতকৰণৰ কাৰণে ব্ৰিটেইনৰ 'স্কটিছ মডেল'ৰ প্ৰস্তাৱনা কৰে, যাৰ দ্বাৰা আৰু অধিক স্বায়ত্ত শাসন এই জিলাকেইখনক দিব পাৰি।

APHLC-এ এই মডেল প্ৰত্যাখ্যান কৰাৰ বিপৰীতে APHLCৰ পৰা

চৰকাৰ গঠনৰ আঁচনি সম্পৰ্কে কোনো তথ্য লাভ কৰা নাই বুলি মত ব্যক্ত কৰে। আত্মগোপনকাৰী নগা আৰু বিদেশী এজেণ্টৰ সহযোগত উগ্ৰপন্থীসকলে এনে পৰিকল্পনা ৰচা বিষয়ত চৰনে এই মন্তব্য প্ৰকাশ কৰে।

২৫ এপ্ৰিল ঃ নাগালেণ্ডৰ মুখ্যমন্ত্ৰী হোকিশ্বে চেমাই নাগালেণ্ড আৰু অসমৰ মাজত সীমা বিবাদ আলাপ-আলোচনাৰ ভিত্তিত সমাধান হ'ব লাগে বুলি নতুন দিল্লীত মন্তব্য কৰে। ৰাজ্য চৰকাৰৰ ভূমি নীতিৰ প্ৰতিবাদত ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ অসম ৰাজ্যিক কমিটীয়ে গোটেই ৰাজ্যজুৰি তিনিদিন ধৰি আৰম্ভ কৰা গণ সত্যাগ্ৰহ আন্দোলনৰ শেষ দিনা ৰাজ্যৰ বিভিন্ন ঠাইত তিনি হাজাৰ সত্যাগ্ৰহীয়ে গ্ৰেপ্তাৰ বৰণ কৰে।

২৬ এপ্ৰিল ঃ চতুৰ্থ পৰিকল্পনাত অসমৰ এহেজাৰ সাতত্ৰিশ কিলোমিটাৰ পথ ৰাষ্ট্ৰীয়কৰণ কৰাৰ প্ৰস্তাৱ লোৱা হয়। ইয়াৰ বাবদ প্ৰায় ৪ কোটি ৮২ হাজাৰ টকা খৰচ ধাৰ্য কৰা হৈছে। পৰিকল্পনাত অসমৰ ভৈয়াম অঞ্চলৰ ১১টা নতুন পথৰ মুঠ ৮৩৭ কিলোমিটাৰ আৰু পাৰ্বত্য অঞ্চলৰ (মেঘালয়কে ধৰি) দুটা পথৰ মুঠ ২০০ কিলোমিটাৰ ধৰা হৈছে।

● উত্তৰ কামৰূপৰ খাটিকুছি, নীলপুৰ আৰু দলুৱা অঞ্চলৰ ৫৯জন নক্সালপন্থীক পুলিচে গ্ৰেপ্তাৰ কৰে।

২৭ এপ্ৰিল ঃ কৰিমগঞ্জ মহকুমাক বানৰ পৰা ৰক্ষা কৰিবলৈ ভাৰতীয় সীমাৰ ভিতৰত কুশিয়াৰা নৈত চৈধ্য কিলোমিটাৰ দৈৰ্ঘ্যৰ বান্ধ নিৰ্মাণ কৰিবলৈ ৰাজ্য চৰকাৰে বিবেচনা কৰে। পাকিস্তানে নদীখনত এটা ৩০ কিঃমিঃ দৈৰ্ঘ্যৰ বান্ধ নিৰ্মাণ কৰাৰ ফলত কৰিমগঞ্জ মহকুমা প্ৰতিবছৰে বানত প্লাৱিত হোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে এনে সিদ্ধান্ত লয়।

● অসমত পোনপ্ৰথমবাৰৰ কাৰণে চাহ বিক্ৰীৰ কেন্দ্ৰ এটা খুলিবৰ কাৰণে ৰাজ্য চৰকাৰে সিদ্ধান্ত লয়।

২৮ এপ্ৰিল ঃ বিৰোধী দলৰ নেতা লক্ষ্যধৰ চৌধুৰীয়ে গোৱালপাৰা জিলাৰ লক্ষীপুৰত হৈ যোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ বিষয়ে আলোচনাৰ কাৰণে বিধানসভাৰ

ফাটি যোৱা Assam Hill Peoples Convention (AHPC)-এ কিন্তু এই মডেলক সমৰ্থন কৰিছিল। AHPCত বেছিভাগ কংগ্ৰেছৰ নেতা আছিল বাবে নেহৰুৰ মডেল মানি লৈছিল। নেহৰুৰ স্কটিছ মডেল মতে এখন পৃথক বিশ্ববিদ্যালয় আৰু জিলাকেইখনৰ বিধায়কসকলেৰে এখন সুকীয়া আঞ্চলিক বিধান পৰিষদ থাকিব, যাৰ হাতত সকলো আইন প্ৰণয়নৰ ক্ষমতা থাকিব আৰু তাৰ পিচতহে আইনবোৰ অসম বিধানসভাই গৃহীত কৰিব পাৰিব।

নেহৰুৰ এই প্ৰস্তাৱক কিন্তু সাধাৰণ অসমীয়া আৰু কংগ্ৰেছ কোনেও ভাল চকুৰে নাচালে।

ইয়াৰ মাজতে ১৯৬১ চনৰ ১৭ আৰু ১৮ মে'ত APHLC-এ প্ৰধানমন্ত্ৰী নেহৰুৰ লগত দুইলানি আলোচনাত মিলিত হয়। APHLCৰ হৈ কেপ্টেইন উইলিয়ামছন চাংমা, নিকল্‌ছ ৰয়, বি বি লিংডো, প্ৰফেছাৰ ৰাধন লিংডো আৰু লালমাৱইয়াই যোগদান কৰে।

নেহৰুৱে কিন্তু অসমক খণ্ডিত কৰিব নিবিচাৰিলে। APHLCৰ নেতাসকলে একো একোটা বিভাগক কিদৰে অধিক ক্ষমতা দি স্বায়ত্তশাসিত জিলাৰ ভিতৰলৈ আনিব পাৰি তাৰ বিস্তৃত ব্যাখ্যা বিচাৰিছিল। নেহৰুৰ প্ৰস্তাৱত সম্পূৰ্ণ সন্তুষ্ট নহ'ল পাহাৰৰ নেতাসকল। তেওঁলোকৰ সন্দেহ থাকি গ'ল যে বিধায়িনী ক্ষমতা অসম বিধানসভাৰ হাতত থকাৰ কাৰণে জিলা পৰিষদসমূহক মূৰকত বিভাগীয় ক্ষমতা অসম চৰকাৰে নিদিব। তেওঁলোকে পাহাৰৰ কাৰণে এক বেলেগ সচিবালয়ো বিচাৰিলে।

দুয়োপক্ষৰ চিঠিৰ আদান-প্ৰদান চলি থাকিল যদিও সুকীয়া ৰাজ্যৰ দাবী আগ নাবাঢ়িল। বৰঞ্চ প্ৰধানমন্ত্ৰী নেহৰুৱে সাংসদ জি জি শ্বোৱেললৈ ১৯৬৩ চনৰ ২৪ ছেপ্টেম্বৰত একেখিনি কথাকে চিঠি আকাৰে বহলাই লিখি পঠিয়ালে।

পাহাৰৰ নেতাসকলে ধৰি লৈছিল যে নেহৰুৰ প্ৰস্তাৱমতে আগবাঢ়িলে পাহাৰৰ জনজাতিসকলে অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰীজনৰ

সদনত এটা সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰে।

• গুৱাহাটীৰ আমবাৰীৰ যি ঠাই খণ্ডত প্ৰাচীন কীৰ্তিচিহ্নৰ ভগ্নাৱশেষ আৱিষ্কৃত হৈছে সেই ঠাইডোখৰ ৰাজহুৱা উদ্দেশ্যত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰাতত্ত্ব বিভাগলৈ হস্তান্তৰিত কৰা হৈছে।

৩০ এপ্ৰিল ঃ শাসনাধিষ্ঠিত নাগালেণ্ড নেচনেলিষ্ট অৰ্গেনাইজেচনে কেন্দ্ৰৰ ওচৰত এখন স্মাৰকপত্ৰযোগে নাগালেণ্ডৰ গাতে লাগি থকা অসমৰ এহেজাৰ বৰ্গমাইল অঞ্চল দাবী কৰে।

১ মে'ঃ কেন্দ্ৰীয় বান নিয়ন্ত্ৰণ মন্ত্ৰী ড° কে এল ৰাও, মহেন্দ্ৰ মোহন চৌধুৰী আৰু অসমৰ উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাৰ মাজত অনুষ্ঠিত বৈঠকত ব্ৰহ্মপুত্ৰ নদী আয়োগৰ কাৰণে তিনি তৰপীয়া প্ৰশাসনীয় গাঁথনি গঠন কৰা হয়। এই তিনি তৰপীয়া প্ৰশাসনীয় গাঁথনিকেইটা হ'ল— ব্ৰহ্মপুত্ৰ নদী আয়োগ, ব্ৰহ্মপুত্ৰ ব'ৰ্ড আৰু ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ ব'ৰ্ড।

২ মে' ঃ লামডিঙৰ অসমীয়া হাইস্কুলৰ ওচৰৰে বন্ধ ঘৰ এটাত বোমা বিস্ফোৰণ। কোনো লোক হতাহত নহ'ল।

৪ মে'ঃ পঞ্চায়তসমূহে চলোৱা সমীক্ষা অনুসৰি অসমত মুঠতে ২ লাখ ২৮ হাজাৰ ৮৩৩টা ভূমিহীন পৰিয়াল আৰু ৮ বিঘালৈকে মাটি থকা ১ লাখ ৭ হাজাৰ ৫৬৮টা পৰিয়াল আছে বুলি প্ৰকাশ।

৫ মে' ঃ গোৱালপাৰা জিলাৰ অভয়াপুৰীত এজন জোতদাৰক হত্যা। নক্সালপন্থীয়ে এই হত্যা কৰিছে বুলি পুলিচৰ সন্দেহ প্ৰকাশ।

৭ মে'ঃ ৰাজ্যক অধিক বিত্তীয় ক্ষমতাৰ প্ৰয়োজন বুলি অসম বিধানসভাত বাজেট বিতৰ্কত গৌৰীশংকৰ ভট্টাচাৰ্যৰ মন্তব্য ঃ সংযুক্ত বিধায়িনী দলৰ নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰি কয় যে ৰাজ্য চৰকাৰে যদি ৰাজ্যখনৰ জনসাধাৰণক প্ৰকৃতপক্ষে সেৱা কৰিব লাগে তেন্তে ৰাজ্য চৰকাৰৰ হাতত অধিক বিত্তীয় ক্ষমতা থাকিব লাগিব। কেন্দ্ৰীয় তালিকা আৰু উমৈহতীয়া তালিকাৰ বিষয়সমূহক একেলগ কৰি যদি

সদায়েই কৃপাধন্য হৈ থাকিব লাগিব আৰু স্বকীয়তা নাথাকিব। ১৯৬৩ চনৰ ৪ অক্টোবৰত নেহৰুৰ লগত হোৱা আন এলানি বৈঠকত নেহৰুৱে 'স্কটিছ' শব্দটো গুচাই সম্পূৰ্ণ স্বায়ত্ত শাসন দিবৰ কাৰণে এখন আয়োগ গঠনৰ পোষকতা কৰে, যিয়ে প্ৰতিটো বিভাগৰ সাংবিধানিক আৰু বিধায়িনী নিয়মবোৰ পৰীক্ষা কৰি আসোঁৱাহবোৰ দূৰ কৰিব অসম ৰাজ্যৰ ভিতৰতে থাকি এই জিলাকেইখনক কেনেদৰে সৰ্বাধিক স্বায়ত্তশাসনৰ ক্ষমতা দিব পাৰি।

কিন্তু আয়োগ গঠনৰ সিদ্ধান্ত লোৱাৰ আগতেই নেহৰুৰ পৰলোক হ'ল। সেয়েহে এই আলোচনাৰ প্ৰক্ৰিয়াটোত কিছু যতি পৰিছিল যদিও ১৯৬৪ চনৰ ১১ ডিচেম্বৰত তদনীন্তন প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ APHLCৰ নেতৃবৃন্দৰ লগত আলোচনা হয়।

এই সভাত APHLCৰ হৈ কেপ্টেইন উইলিয়ামছন চাংমা, সাংসদ জি জি শ্বোৱেল, নিকল্‌ছ ৰয় আৰু প্ৰাক্তন সাংসদ হুভাৰ হিনেট্ৰাই যোগদান কৰে।

এই সভাখনৰ মূল উদ্দেশ্য আছিল প্ৰস্তাৱিত আয়োগৰ বিষয়ে অনতি পলমে ঘোষণা দিয়া। এই সভাৰ সিদ্ধান্তমৰ্মেই অসম চৰকাৰৰ লগত আলোচনা কৰি ভাৰত চৰকাৰে ১৬ মাৰ্চ, ১৯৬৫ চনৰ দিনা তিনিজনীয়া এক আয়োগৰ ঘোষণা কৰে যাৰ মূল উদ্দেশ্য আছিল কেনেকৈ অসমক আৰু ভাগ নকৰি পাহাৰীয়া স্বায়ত্তশাসিত জিলাকেইখনক সৰ্বাধিক ক্ষমতা প্ৰদান কৰিব পাৰি।

এই তিনিজনীয়া আয়োগৰ সদস্যকেইজন হ'ল—

(১) এইচ ডি পাটস্কাৰ, অধ্যক্ষ

(২) শংকৰ প্ৰসাদ, সদস্য

(৩) জি এছ ৰাও, সদস্য

এই আয়োগক ১৯৬৬ চনৰ ৩১ মাৰ্চৰ ভিতৰত তেওঁলোকৰ প্ৰতিবেদন দিবলৈ কোৱা হ'ল। আয়োগৰ প্ৰতিবেদন নেহৰুৰ প্ৰস্তাৱিত মডেলৰ নিচিনাই হ'ল আৰু নিশ্চিতভাৱে পাহাৰীয়া জিলাকেইখনৰ নেতাসকলক সন্তুষ্ট

ৰাজ্যিক তালিকাৰ বিষয়সমূহক তাৰ সৈতে তুলনা কৰা হয় তেন্তে ৰাজ্য চৰকাৰৰ পৰিসৰ অতি নগণ্য হ'ব বুলি তেওঁ মত ব্যক্ত কৰে। বিত্ত বিষয়ক ক্ষমতাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ হাতলৈ অধিক ক্ষমতা আহিব লাগে বুলি ভট্টাচাৰ্যই মত প্ৰকাশ কৰে। অসমে বিত্ত বিষয়ত অধিক সুবিধা পোৱাৰ যে যোগ্য তাক কেন্দ্ৰীয় নেতৃবৰ্গৰ ওচৰত ৰাজ্য চৰকাৰে প্ৰতিপন্ন কৰিব লাগে বুলিও তেওঁ মত প্ৰকাশ কৰে। তেওঁ কয় যে ব্ৰিটিছৰ দিনৰে পৰা কিছুমান ৰাজ্যই কেন্দ্ৰৰ পৰা অধিক বিত্তীয় সাহায্য পাই আহিছে আৰু এইক্ষেত্ৰত অসম সদায় অৱহেলিত হৈ আহিছে।

৮ মে' ঃ অসম উপত্যকাত ব্ৰহ্মপুত্ৰ নদীৰ বানপানী নিয়ন্ত্ৰণ ব্যৱস্থাৰ অনুসন্ধান কৰা, পৰামৰ্শ দিয়া আৰু তাক কাৰ্যকৰী কৰাৰ বাবে ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ আয়োগৰ বাবে দিয়া তিনি তৰপীয়া প্ৰস্তাৱটো অসম চৰকাৰে গ্ৰহণ কৰে।

১১ মে' ঃ অসম, মেঘালয়, মণিপুৰ আৰু ত্ৰিপুৰাৰ উন্নয়ন আৰু নিৰাপত্তাৰ ক্ষেত্ৰত একীভূত প্ৰচেষ্টা চলাবলৈ 'পূৰ্বোত্তৰ পৰিষদ' এখন গঠন কৰাৰ বাবে লোকসভাত বিল এখন গৃহীত হয়। পৰিষদৰ সদস্যসকল হ'ব — অসমৰ ৰাজ্যপাল (চেয়াৰমেন), অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীদ্বয়, একোজনকৈ মন্ত্ৰী, মণিপুৰ আৰু ত্ৰিপুৰাৰ প্ৰশাসক আৰু মুখ্যমন্ত্ৰীসকল আৰু অসমৰ ৰাজ্যপালৰ জনজাতীয় অঞ্চলৰ পৰামৰ্শদাতাজন।

১৭ মে' ঃ ড° কে এল ৰাওৰ নেতৃত্বত ৯জনীয়া সদস্যৰ ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ ব'ৰ্ড গঠন।

২০ মে' ঃ অসমৰ দৰে পিচপৰা ঔদ্যোগিক অঞ্চলৰ বিকাশক উৎসাহ দিয়াৰ বাবে অসম চৰকাৰে দিয়া পৰামৰ্শাৱলীৰ সৰহভাগকে কেন্দ্ৰই গ্ৰহণ কৰিছে বুলি উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাই বিধানসভাক অৱগত কৰায়। সদনত উদ্যোগ আৰু বিদ্যুৎ বিভাগৰ ৭টা শিতানত মুঠতে ৫ কোটি ৮৬ লাখ ৩ হাজাৰ ৫০০ টকাৰ মঞ্জুৰি মৌখিক ভোটত গৃহীত হয়।

২৬ মে' ঃ কমিউনিষ্ট সদস্য গোবিন্দ কলিতাই বিধানসভাত আইন মন্ত্ৰী

কৰিব নোৱাৰিলে। কিদৰে স্বায়ত্ত শাসনৰ ক্ষমতা বঢ়োৱা হ'ব তাৰ সাংবিধানিক ব্যাখ্যা আগবঢ়ালেও আয়োগে ভৈয়ামৰ লোকসকলে বা নেতাসকলে ইচ্ছাকৃতভাৱে পাহাৰীয়া জিলাবোৰৰ উন্নতিত বাধা দিয়া অভিযোগৰ কোনো প্ৰমাণ নোপোৱাৰ কথা ঘোষণা কৰিলে।

আনহাতে অসম কংগ্ৰেছে পাটস্কাৰ আয়োগৰ পৰামৰ্শৱলী ১৯৬৬ চনৰ ১১ আৰু ১২ মে'ত বহা কাৰ্যনিৰ্বাহকৰ যোগেদি মানি লয়।

পাটস্কাৰ আয়োগে পাহাৰীয়া নেতাসকলক সন্তুষ্ট কৰিব নোৱৰা দেখি ১৯৬৬ চনৰ জুন মাহত জি এল নন্দই শ্বিলং ভ্ৰমণলৈ আহি পাৰ্বত্য নেতাসকলক সাক্ষাৎ কৰে। দীৰ্ঘকালীন আলোচনাৰ অন্তত নন্দই এক উপ-ৰাজ্য (sub-state) আঁচনিৰ প্ৰস্তাৱ ৰাখে। এই আঁচনি অনুসাৰে পাহাৰীয়া এলেকাবোৰৰ বাবে এক সুকীয়া বিধান মণ্ডল আৰু মন্ত্ৰী পৰিষদ থাকিব যদিও ই অসম ৰাজ্যৰ অন্তৰ্গত হ'ব বুলি কোৱা হ'ল। পাৰ্বত্য নেতাসকলে এই প্ৰস্তাৱক পোনছাটেই নাকচ কৰে আৰু লগতে অসমৰ ৰাজনৈতিক নেতৃবৃন্দও এই আঁচনিক লৈ সৰৱ হৈ উঠিল।

কিন্তু পাটস্কাৰ আয়োগৰ পৰামৰ্শাৱলীৰ ওপৰত ভাৰত চৰকাৰে এক আনুষ্ঠানিক সিদ্ধান্ত লোৱাৰ আগতেই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ১৯৬৬ চনৰ ২৭ ছেপ্টেম্বৰত শ্বিলঙত ৰাজহুৱাভাৱে ঘোষণা কৰিলে যে ফেডাৰেল গাঁথনিৰে এই জিলাকেইখনক লৈ অসমৰ ভিতৰতে এখন সুকীয়া ৰাজ্য গঠন কৰা হ'ব। অৰ্থাৎ ৰাজ্যৰ ভিতৰত ৰাজ্য। এই সিদ্ধান্ত অনুসাৰে ১৯৬৭ চনৰ ১১, ১২ আৰু ১৩ জানুৱাৰীত নতুন দিল্লীত প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী, আন কেবিনেট মন্ত্ৰী, অসমৰ মুখ্যমন্ত্ৰী আৰু তেওঁৰ সতীৰ্থ, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি আৰু এ পি এইচ এল চিৰ নেতাসকলৰ এলানি আলোচনা অনুষ্ঠিত হয়। এই আলোচনাৰ অন্তত ১৯৬৭ চনৰ ১৩ জানুৱাৰীত ভাৰত চৰকাৰে অসমৰ পুনৰ্গঠনৰ ঘোষণা আগবঢ়ায় আৰু ভাৰত চৰকাৰে অসমৰ ভিতৰতে এখন স্বায়ত্তশাসিত ৰাজ্য গঠনৰ বিধিগত প্ৰস্তুতিপৰ্ব আৰম্ভ

আব্দুল মতলিব মজুমদাৰৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ তুলি সদনৰ কাৰ্য পৰিচালনা বিধিৰ ১৫৯ নং ধাৰা অনুসৰি এটি প্ৰস্তাৱ উত্থাপন কৰে।

২৮ মে’ ঃ অসমৰ ৰাজধানী শ্বিলঙতে থাকিব বুলি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই অসম বিধানসভাৰ প্ৰশ্নোত্তৰ প্ৰসংগত বিধানসভাক অৱগত কৰায়।

২৯ মে’ ঃ ১৯৬৯-৭০ বিত্তীয় বৰ্ষৰ শেষত অসম চৰকাৰে ২৭ কোটি ২৬ লাখ ৪০ হাজাৰ ৫১০ টকা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ঘূৰাই দিয়ে। বিত্তীয় বছৰটোত বিভিন্ন শিতানত সময়মতে আঁচনিবোৰত খৰচ কৰিবলগীয়া ধন ৩১ মাৰ্চৰ আগতে খৰচ নোহোৱাৰ বাবেই এই ধন কেন্দ্ৰীয় চৰকাৰক ঘূৰাই দিয়া হয়।

- ভাৰতৰ ৰিজাৰ্ভ বেংকে বিদেশী কোম্পানীসমূহে তেওঁলোকৰ ভাৰতত থকা সম্পত্তিসমূহ বিক্ৰী কৰিব খুজিলে ৰিজাৰ্ভ বেংকৰ আগতীয়া অনুমতি ল’ব লাগিব বুলি দিয়া নিৰ্দেশত অসমৰ চাহ বনুৱাৰ সন্তোষ প্ৰকাশ।
- অসমক তেলৰ ৰয়েল্টী প্ৰতি টনত ১০ টকাকৈ দিয়াৰ সিদ্ধান্ত।

৩১ মে’ ঃ মিকিৰ পাহাৰলৈ অধিক ক্ষমতা প্ৰদান ঃ মিকিৰ পাহাৰ জিলা পৰিষদক অধিক স্বায়ত্ত শাসন দিবলৈ অসম চৰকাৰে আজি সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে অসম পুনৰ গঠন আঁচনি অনুসৰি নতুন মেঘালয় ৰাজ্যৰ লগত চামিল হোৱাৰ পৰিৱৰ্তে অসমৰ ভিতৰতে থাকিবলৈ মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ জিলাই মত প্ৰকাশ কৰিছিল। জিলা পৰিষদৰ হাতত হস্তান্তৰ কৰা বিষয়বোৰ হৈছে সামাজিক কল্যাণ, সামূহিক উন্নয়ন, সাধাৰণ শিক্ষা, স্বাস্থ্য, কুটীৰ শিল্প, পথ আৰু নিৰ্মাণ, ক্ষুদ্ৰ জলসিঞ্চন, পশুপালন, গাখীৰ যোগান, বন, ভূমি সংৰক্ষণ, মীন মহল, পানী যোগান ইত্যাদি। ১ জুনৰ পৰা কাৰ্যকৰী হ’ব লগা এই ক্ষমতা হস্তান্তৰ প্ৰক্ৰিয়াত কেন্দ্ৰীভূত নিয়ন্ত্ৰণৰ প্ৰয়োজন হোৱা আঁচনিবোৰহে ৰাজ্য চৰকাৰে নিজৰ সৈতে ৰাখিছে। এইবোৰ বিভাগত কাম কৰা জিলা পৰ্যায়ৰ সকলো বিষয়া-কৰ্মচাৰীয়ে ১ জুনৰ পৰা জিলা পৰিষদৰ নিয়ন্ত্ৰণত থাকিব। কাৰ্যনিৰ্বাহক কমিটীত মুখ্য সচিব হিচাপে কাম কৰিবলৈ জিলা

কৰে। প্ৰস্তাৱিত এই স্বায়ত্তশাসিত ৰাজ্যখনত গাৰো, খাছী আৰু জয়ন্তীয়া স্বায়ত্তশাসিত জিলাসমূহৰ অন্তৰ্ভুক্তি ঘটোৱাৰ লগতে মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ পাহাৰ কাৰ লগত থাকিব সেই সম্পৰ্কে সিদ্ধান্ত ল'বলৈ স্বাধীনতা প্ৰদান কৰা হ'ল। এই স্বায়ত্তশাসিত ৰাজ্যখনত এখন বিধানসভা আৰু মন্ত্ৰী পৰিষদ ৰখাৰ ব্যৱস্থা ৰখা হৈছিল।

এই ঘোষণাত পাহাৰীয়া জিলাকেইখন উৎফুল্লিত হ'ল যদিও ভৈয়ামত তথা বিৰোধী ৰাজনৈতিক দলবোৰে ইয়াৰ প্ৰতিবাদ কৰি ইয়াক এক হঠকাৰী সিদ্ধান্ত হিচাপে ঘোষণা কৰিলে।

চৰকাৰে এই বিৰোধৰ পিনে লক্ষ্য ৰাখি ১৯৬৭ চনৰ ৮ আৰু ৯ জুলাইত অশোক মেহতাক চেয়াৰমেন হিচাপে লৈ এক ১১জনীয়া আয়োগৰ ঘোষণা কৰে। এই আয়োগৰ সদস্যসকল আছিল— বিমলা প্ৰসাদ চলিহা, ছত্ৰছিং টেৰণ, হেম বৰুৱা, এ চাংমা, ষ্টেনলী নিকল্‌ছ ৰয়, অৰুণ চন্দ্ৰ গোস্বামী, ফণী বৰা, গৌৰীশংকৰ ভট্টাচাৰ্য আৰু চামচুল হুদা। অৱশ্যে চাংমা আৰু নিকল্‌ছ ৰয়ে এই কমিটী বৰ্জন কৰিছিল।

১৯৬৭ চনৰ ৩০ আগষ্টত দিয়া পৰামৰ্শাৱলীত মেহতা আয়োগে ফেডাৰেল গাঁথনিৰে অসমক খণ্ডিত কৰাটো প্ৰথমেই নস্যাৎ কৰে। এই আয়োগে জিলা পৰিষদৰ বিলোপ ঘটাই বিধান পৰিষদ গঠনৰ পৰামৰ্শ দিয়ে। এই বিধান পৰিষদত ৪০জন সৰ্বাধিক সদস্য আৰু ২০জন সৰ্বনিম্ন সদস্যৰ কথা কোৱা হ'ল। এই পৰিষদখন এজন মুখ্য কাৰ্যবাহী পৰিষদে নেতৃত্ব দিয়াৰ কথা পৰামৰ্শত কোৱা হয়।

উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰৰ নেতাসকলে মেহতা আয়োগৰ পৰামৰ্শাৱলী মানি লোৱাৰ বিপৰীতে গাৰো পাহাৰ, সংযুক্ত খাছী আৰু জয়ন্তীয়া পাহাৰৰ নেতাসকলে ইয়াক মানি নল'লে।

১৯৬৯ চনৰ এপ্ৰিল মাহত সংবিধানৰ ২২ নং সংশোধনী বিধেয়ক (The Constitution Amendment Bill, 22nd Amendment Bill)

পৰিষদক ৰাজ্য চৰকাৰে প্ৰবীণ বিষয়া এগৰাকী আৰু সচিব হিচাপে তিনিজন বিষয়া দিছে।

● কাছাৰ জিলা, জোৰাই মহকুমা, মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ জিলা, শিৱসাগৰ জিলাৰ ১১খন সংৰক্ষিত বন ১ জুনৰ পৰা আৰু এবছৰৰ বাবে অশান্ত অঞ্চল বুলি অসম চৰকাৰে ঘোষণা কৰে।

১ জুন ঃ আগষ্ট মাহৰ পৰা গুৱাহাটীত চাহৰ নিলাম বজাৰ আৰম্ভ কৰিবলৈ অসম চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ।

● নক্সালপন্থীৰ নামত একো বাছ-বিচাৰ নকৰাকৈ জধে-মধে নিৰীহ লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি অভিযোগ তুলি বিধানসভাত বিৰোধী পক্ষৰ ফালৰ পৰা এক সভাস্থগিত প্ৰস্তাৱৰ যোগেদি বিষয়টো আলোচনা কৰিব বিচৰা হয়। কমিউনিষ্ট দলৰ নেতা ফণী বৰাই সভাস্থগিত প্ৰস্তাৱটো উত্থাপন কৰে।

২ জুন ঃ অসমৰ চাহ বাগিচাসমূহৰ দায়িত্ব পৰ্যায়ক্ৰমে ল'বলৈ ৰাজ্যখনত এটা নিগম গঠন কৰিবলৈ চৰকাৰে এখন কমিটী গঠন কৰিব বুলি বিধানসভাত উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাই আশ্বাস প্ৰদান কৰে।

৩ জুন ঃ ৰাজধানী স্থানান্তৰৰ দাবী পুনৰ উত্থাপন ঃ অসমৰ ৰাজধানী শ্বিলঙৰ পৰা উঠাই আনি ভৈয়ামৰ কেন্দ্ৰীয় স্থলত পাতিব লাগে বুলি বিৰোধী পক্ষৰ কমিউনিষ্ট দলৰ নেতা ফণী বৰা, বিপ্লৱী কমিউনিষ্ট দলৰ সদস্য ছামছুল হুদা আৰু সংযুক্ত ছচিয়েলিষ্ট দলৰ সদস্য সোণেশ্বৰ বৰাই যুটীয়াভাৱে সদনত এটি প্ৰস্তাৱ উত্থাপন কৰে। ফণী বৰাই চৰকাৰে দুই-চাৰিটা কাৰ্যালয় গুৱাহাটীলৈ অপৰিকল্পিতভাৱে স্থানান্তৰ কৰা কাৰ্যৰ চোকা সমালোচনা কৰে আৰু এই কাৰ্যই চৰকাৰী প্ৰশাসন আৰু অধিক বেয়াহে কৰি তুলিব বুলি কয়। ৰাজধানী শ্বিলঙৰ পৰা ভৈয়ামলৈ স্থানান্তৰ কৰাৰ বাবে সিদ্ধান্ত লোৱাত পলম নকৰিবলৈ বৰাই চৰকাৰলৈ আহ্বান জনায় আৰু ভৈয়ামত এখন পৰিকল্পিত নগৰ গঢ়াৰ প্ৰস্তাৱ দিয়ে।

● সকলো একচনা মাটি ম্যাদী মাটিলৈ ৰূপান্তৰিত কৰিব লাগে বুলি বিধানসভাত উত্থাপিত পৰামৰ্শ ৰাজহ

লোকসভাত উত্থাপন কৰা হয়। মেঘালয় নামৰ স্বায়ত্তশাসিত ৰাজ্যখনৰ জন্মৰ প্ৰস্তাৱ ৰখা এই বিলখন ১৯৬৯ চনৰ ২৪ ডিচেম্বৰত লোকসভাত গৃহীত হয় আৰু উক্ত দিনাখনেই বিধেয়কখনে ৰাজ্যসভাৰ অনুমোদন লাভ কৰে। ১৯৭০ চনৰ ফেব্ৰুৱাৰী মাহত মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰে মেঘালয় নামৰ স্বায়ত্তশাসিত ৰাজ্যখনৰ পৰা ওলাই অহাৰ সিদ্ধান্ত লয়। ১৯৭০ চনৰ ২ এপ্ৰিলত মেঘালয় স্বায়ত্তশাসিত ৰাজ্যৰ আনুষ্ঠানিক শুভ উদ্বোধন হয়।

অসমৰ ভিতৰত এখন সুকীয়া স্বায়ত্তশাসিত ৰাজ্য লাভ কৰাৰ পিচতো কিন্তু পাৰ্বত্য নেতাসকল সন্তুষ্ট হ'ব পৰা নাছিল। ১৯৭০ চনৰ ২১-২২ ছেপ্টেম্বৰত এ পি এইচ এল চিৰ ২২সংখ্যক অধিৱেশনত পূৰ্ণ পৰ্যায়ৰ ৰাজ্যৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। একেদৰে উক্ত বৰ্ষৰ ছেপ্টেম্বৰ মাহত মেঘালয় বিধানসভাতো একেধৰণৰ এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এনে দাবীৰ পৰিপ্ৰেক্ষিতত ১৯৭১ চনৰ অক্টোবৰ মাহৰ শেষৰ ফালে North Eastern Areas (Re-organisation) Bill খন লোকসভাত উত্থাপন কৰা হয়। এই বিধেয়কখনৰ জৰিয়তে মণিপুৰ, ত্ৰিপুৰা আৰু মেঘালয়ক পূৰ্ণ পৰ্যায়ৰ ৰাজ্য তথা মিজোৰাম আৰু অৰুণাচল প্ৰদেশক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে গঠন কৰাৰ পথ প্ৰশস্ত হৈ পৰে।

আনহাতে মিজোৰামত লালডেংগাৰ নেতৃত্বত চলি অহা সুকীয়া ৰাষ্ট্ৰৰ আন্দোলনক ভোটা কৰিবলৈকো এই একেই অস্ত্ৰ ব্যৱহাৰ কৰি মিজোৰামক এক সুকীয়া পৰিচয় দিয়া হয়। অৱশ্যে মিজো ইউনিয়নে ১৯৬৬ চনৰ শেষৰ ফালৰ পৰাই পাহাৰীয়া নেতাসকলৰ আন্দোলনৰ সংগ এৰি পেলাইছিল।

এনেদৰেই এটা দশকৰ যুঁজ-বাগৰৰ পিচত বৃহত্তৰ বৰ অসমক টুকুৰা-টুকৰি কৰি ভাগ কৰি দিয়াৰ ব্যৱস্থা কৰা হ'ল।

মন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে অগ্ৰাহ্য কৰে। তেওঁ কয় যে মালিকীস্বত্ব স্থায়ীভাৱে দিয়া হ'লে সেই মাটিত খেতি কৰা দুখীয়া খেতিয়কসকলেই সৰ্বাধিক ক্ষতিগ্ৰস্ত হ'ব। কিয়নো ধনী অথচ খেতি নকৰা লোকসকলে তেওঁলোকক সেই মাটি অধিক দামত বেচাত হেঁচা দিব পাৰে। তেতিয়া এই দুখীয়া খেতিয়কসকল পুনৰ ভূমিহীন হৈ পৰিব পাৰে বুলি তেওঁ শংকা ব্যক্ত কৰে।

৪ জুন ঃ অসম-নাগালেণ্ড সীমা বিবাদৰ এটা সমাধান উলিওৱাৰ ক্ষেত্ৰত কেন্দ্ৰক আঁতৰাই ৰখাটো উচিত বুলি অসম বিধান সভাৰ বিৰোধী পক্ষৰ কেইবাজনো সদস্যই মত প্ৰকাশ কৰে।

৫ জুন ঃ অসমত ৰাসায়নিক বিজ্ঞানাগাৰ স্থাপন কৰিবলৈ অসম চৰকাৰৰ প্ৰস্তাৱ গ্ৰহণ।

৭ জুন ঃ অসম প্ৰকাশন পৰিষদে অসমীয়া ভাষাত এখন বৃহৎ বিশ্বকোষ প্ৰণয়ন কৰাৰ আঁচনি গ্ৰহণ কৰে। বাৰটা খণ্ডৰ এই বিশ্বকোষখনৰ বাবে প্ৰায় পোন্ধৰ বছৰ সময় লাগিব বুলি পৰিষদৰ সচিব চন্দ্ৰপ্ৰসাদ শইকীয়াই সাংবাদিকক জানিবলৈ দিয়ে।

৮ জুন ঃ ৰাজ্যখনত থকা কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়সমূহত আৰু বিভাগসমূহত অসমৰ থলুৱা প্ৰাৰ্থীসকলক নিযুক্তিৰ ক্ষেত্ৰত বঞ্চিত কৰা হয় বুলি বিৰোধী পক্ষৰ সদস্যসকলে বিধানসভাত অভিযোগ উত্থাপন কৰে আৰু এইক্ষেত্ৰত চৰকাৰক চোকা ভাষাৰে সমালোচনা কৰে।

৯ জুন ঃ মুখ্যমন্ত্ৰী, বিত্ত মন্ত্ৰী, উদ্যোগ মন্ত্ৰী আৰু চাহৰ উৎপাদনকাৰী, ক্ৰেতা আৰু বিক্ৰেতাসকলৰ মাজত শ্বিলঙত বহা এখন বৈঠকত অসমৰ চাহৰ বাবে প্ৰস্তাৱিত নিলাম বজাৰৰ এক চূড়ান্ত ৰূপ দিয়া হয়।

১১ জুন ঃ বছৰটোৰ আৰম্ভণিৰ পৰা ৩০ এপ্ৰিললৈ অসমলৈ পূব পাকিস্তানৰ পৰা ৪,৩৫০জন ভগনীয়া আহিছে বুলি মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই বিৰোধী পক্ষৰ সদস্য ভদ্ৰকান্ত গগৈৰ প্ৰশ্নৰ উত্তৰত জনায়।

১২ জুন ঃ অসম ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডৰ কৰ্মীসকলৰ ৰাজ্যজুৰি ধৰ্মঘট

পালন। ৰাজ্যজুৰি স্থবিৰ অৱস্থা। পানী যোগান, বাতৰি কাকত আৰু আন সেৱা সম্পূৰ্ণৰূপে ব্যাহত।

১৪ জুন ঃ সামৰিক বাহিনীৰ ইঞ্জিনীয়াৰসকলে অসম ৰাজ্যিক বিদ্যুৎ বৰ্ডৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিয়ে। গুৱাহাটীৰ বিদ্যুৎ যোগান ব্যৱস্থাৰ সামান্য উন্নতি। কৰ্মীসকলৰ ধৰ্মঘট অব্যাহত।

১৯ জুন ঃ অসমত বিজুলী যোগান অত্যাৱশ্যকীয় সেৱা ৰূপে ঘোষণা ঃ কেন্দ্ৰীয় জলসিঞ্চন, বিদ্যুৎ দপ্তৰৰ মন্ত্ৰী কে এল ৰাওৱে অসমৰ বিদ্যুৎ শক্তিক এটা অত্যাৱশ্যকীয় সেৱা ৰূপে ঘোষণা কৰাৰ লগে লগে অসম চৰকাৰৰ বিদ্যুৎ দপ্তৰৰ মন্ত্ৰী বিশ্বদেৱ শৰ্মাই অসম ৰাজ্যিক বিদ্যুৎ বৰ্ডৰ ধৰ্মঘটকাৰী কৰ্মচাৰীসকলক কামত যোগ দিবৰ বাবে ৭২ ঘণ্টাৰ সময়সীমা বান্ধি দিয়ে। এখন অধিসূচনাযোগে কেন্দ্ৰীয় জলসিঞ্চন আৰু বিদ্যুৎ মন্ত্ৰীদপ্তৰে এই ঘোষণা কৰাৰ পিচত অত্যাৱশ্যকীয় সেৱা ৰক্ষা আইন অনুসৰি এই সেৱাৰ ক্ষেত্ৰত ধৰ্মঘট নিষিদ্ধ কৰি এক আদেশ জাৰি কৰা হয়। কৰ্মচাৰীসকলক অসম চৰকাৰে ২২ জুনৰ ভিতৰত কামত যোগ দিবলৈ নিৰ্দেশ দিয়ে।

২০ জুন ঃ অসম ৰাজ্যিক বিদ্যুৎ যোগান কৰ্মচাৰী ইউনিয়নে আজি নিশা সাদিনীয়া ধৰ্মঘট প্ৰত্যাহাৰ কৰে। ৰাজ্যিক উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাৰ এক আবেদনৰ প্ৰতি সঁহাৰি জনাই ইউনিয়নে এই সিদ্ধান্ত গ্ৰহণ কৰে।

● কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু বাৰ্ষিকী ৰাজ্যজুৰি পালন। গুৱাহাটীৰ বিষ্ণু ৰাভা সোঁৱৰণী সমিতিৰ দ্বাৰা ৰবীন্দ্ৰ ভৱনত আয়োজিত আলোচনাচক্ৰত সভাপতি অতুল চন্দ্ৰ হাজৰিকাই ৰাভাই সৃষ্টি কৰি থৈ যোৱা পুথি-পাঁজি, গীত-মাতবোৰ একত্ৰিত কৰি সংকলন কৰি উলিয়াবলৈ তথা তেওঁৰ সুদীৰ্ঘ সংগ্ৰামপূৰ্ণ জীৱনক লৈ এখন জীৱন চৰিত্ৰ ৰচিবলৈ আৰু এই আটাইবোৰৰ দায়িত্ব ল'বলৈ প্ৰকাশন পৰিষদক অনুৰোধ কৰে।

২১ জুন ঃ ৰাজ্যজুৰি হোৱা বিদ্যুৎ কৰ্মীৰ ধৰ্মঘটত বন্দী কৰা ৪০০ কৰ্মীক মুক্তি দিয়া হয়।

২৩ জুন ঃ পূৰ্বোত্তৰ সীমান্ত

ৰে'লৱেৰ অসম এলেকাত পাতিব খোজা তৃতীয় ৰে'লৱে ডিভিজিনৰ প্ৰধান কাৰ্যালয়টো উত্তৰ কামৰূপৰ ৰঙিয়াত পাতিবৰ কাৰণে চূড়ান্ত সিদ্ধান্ত লোৱা হৈছে বুলি ৰেল'ৱে দপ্তৰৰ মন্ত্ৰী গুলজাৰিলাল নন্দই গুৱাহাটীৰ সাংবাদিকৰ আগত প্ৰকাশ কৰে।

২৪ জুন ঃ ব্ৰহ্মপুত্ৰ উপত্যকাত বানৰ সংহাৰ। প্ৰায় ৮০ হাজাৰ লোক ক্ষতিগ্ৰস্ত।

২৬ জুন ঃ ৰাজ্য চৰকাৰে যোগীঘোপাত পাতিব খোজা প্ৰস্তাৱিত কাগজ কলটোৰ নাম 'অশোক পেপাৰ মিল' ৰখাৰ সিদ্ধান্ত লয়।

৩০ জুন ঃ নাগালেণ্ডৰ ক্ষেত্ৰত বাহাল থকা যুদ্ধবিৰতি এমাহৰ বাবে সম্প্ৰসাৰিত কৰাৰ ঘোষণা।

৩ জুলাই ঃ জুন মাহৰ শেষৰ পৰা হোৱা প্ৰলয়ংকৰী বানপানীত অসমৰ প্ৰায় যাঠি হাজাৰ লোক গৃহহাৰা হোৱাৰ সম্ভাৱনা বুলি চৰকাৰী সূত্ৰত প্ৰকাশ।

৪ জুলাই ঃ লখিমপুৰ জিলাৰ অন্তৰ্গত ধেমাজি অঞ্চলটোক মহকুমা মৰ্যাদালৈ উন্নীত কৰিবলৈ অসম মন্ত্ৰীসভাৰ সিদ্ধান্ত গ্ৰহণ।

৫ জুলাই ঃ ৰেষ্ট্ৰিকটেড এৰিয়া ৰেগুলেচন বিধি ভংগ কৰাৰ অপৰাধত এসপ্তাহ আগতে গ্ৰেপ্তাৰ হোৱা ব্ৰিটিছ সাংবাদিক জন আৰজেনক খাছীয়া আৰু জয়ন্তীয়া পাহাৰ জিলা ন্যায়াধীশে মুকলি কৰি দিয়ে।

৭ জুলাই ঃ অহা বছৰৰ পৰা বিশদ বাজেট প্ৰণয়ন পদ্ধতি বা পাৰফৰমেঞ্চ বাজেটিং পদ্ধতি প্ৰৱৰ্তন কৰিবলৈ অসম চৰকাৰৰ সিদ্ধান্ত গ্ৰহণ।

৮ জুলাই ঃ কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু কেমিকেলৰ দ্বাৰা নিযুক্ত অধ্যয়নকাৰী দলে ৰাজ্যখনত অতিৰিক্ত শোধনাগাৰ নিৰ্মাণক অনুমোদন জনায়।

১০ জুলাই ঃ ১০০ কোটি ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া শোধনাগাৰটো গুৱাহাটীত স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ। কেন্দ্ৰীয় পেট্ৰ'লিয়াম দপ্তৰৰ কেবিনেট মন্ত্ৰী ড° ত্ৰিগুণা সেন, ৰাজ্যমন্ত্ৰী ডি আৰ চৱন আৰু অসম চৰকাৰৰ উদ্যোগ মন্ত্ৰী বিশ্বদেৱ শৰ্মাৰ মাজত নতুন দিল্লীত হোৱা তিনিদিনীয়া আলোচনাৰ অন্তত এই সিদ্ধান্ত লোৱা হয়।

১২ জুলাই ঃ আজি পুৱাৰে পৰা অল ইণ্ডিয়া ৰেডিঅ'ৰ সকলো অসমীয়া ভাষাৰ অনুষ্ঠানতে 'আকাশবাণী' শব্দটো অসমীয়াত উচ্চাৰণ আৰম্ভ। ইয়াৰ আগতে শব্দটো হিন্দী বা সংস্কৃতৰ অনুকৰণত 'আকাচবাণী' ৰূপে উচ্চাৰণ কৰা হৈছিল।

১৩ জুলাই ঃ অসম আৰু পূব পাকিস্তানৰ মাজত ৬২০ মাইল সীমান্তৰ ২৩০ মাইল সীমান্তৰ নষ্ট হৈ যোৱা বা নোহোৱা হোৱা খুঁটিৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ বাবে দুয়োখন দেশৰ সীমান্তৱৰ্তী জিলাধিকাৰসকলৰ আলোচনা অনুষ্ঠিত হয়।

১৫ জুলাই ঃ নাগালেণ্ডৰ বাবে এজন পৃথক ৰাজ্যপাল নিয়োগ কৰিবলৈ কেন্দ্ৰৰ সন্মতি প্ৰকাশ। এতিয়ালৈকে নাগালেণ্ডৰ কাৰণে অসমৰ সৈতে এজন উমৈহতীয়া ৰাজ্যপাল আছে।

● পাগলাদিয়া নৈৰ বাঢ়নী পানীয়ে নলবাৰী আৰু ঘগ্ৰাপাৰৰ মাজৰ ৰে'ল লাইন বুৰাই পেলোৱাত দেশৰ বাকী অংশৰ সৈতে অসমৰ ৰে'ল সংযোগ বিচ্ছিন্ন হয়।

১৯ জুলাই ঃ অসমত বৰ্তমানে থকা মাটিহীন খেতিয়কসকলে মাটি নোপোৱালৈকে যাতে অসমত ভগনীয়া সংস্থাপনৰ ব্যৱস্থা লোৱা নহয় তাৰ বাবে মণ্ডলদৈ জিলা কৃষক সভাৰ কাৰ্যকৰী সমিতিৰ বৈঠকে অসম চৰকাৰৰ ওচৰত দাবী জনায়।

● অসমৰ বানপানীত লক্ষাধিক লোক ক্ষতিগ্ৰস্ত। সাহায্য অভিযানত সামৰিক বাহিনীৰ জোৱান নিয়োগ। ৬ কোটিৰো অধিক মূল্যৰ সা-সম্পত্তি নষ্ট।

২০ জুলাই ঃ গুৱাহাটী আৰু দিল্লীত চাহৰ নতুন নিলাম কেন্দ্ৰ স্থাপনৰ সিদ্ধান্তক ১৫জনীয়া সাংসদৰ দল এটাই বিৰোধিতা কৰে। চি পি আই (এম), কংগ্ৰেছ (আৰ), আৰ এছ পি আৰু এছ ইউ চিৰ সদস্যভুক্ত এই সাংসদসকলে কলকাতাৰ ১০০ বছৰীয়া চাহ নিলাম কেন্দ্ৰটোৰ ব্যৱসায়িক ঐতিহ্য ধূলিসাৎ কৰাৰ ই এক পৰিকল্পিত অভিসন্ধি বুলি মত ব্যক্ত কৰে।

২৪ জুলাই ঃ ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ পৰিষদ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে কেন্দ্ৰীয় খাদ্য আৰু কৃষি মন্ত্ৰী ফখৰুদ্দিন

আলী আহমেদে।

● অসমৰ দুগৰাকী চি পি আই দলৰ নেতা ধীৰেশ্বৰ কলিতা (সাংসদ) আৰু গোবিন্দ কলিতাই (বিধায়ক) অসমত চাহ নিলাম কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত অসম চৰকাৰক তাৎক্ষণিক আৰু দৃঢ় পদক্ষেপ ল'বলৈ আহ্বান জনায়।

● কেন্দ্ৰীয় খাদ্য আৰু কৃষি দপ্তৰৰ মন্ত্ৰী ফখৰুদ্দিন আলী আহমেদে গুৱাহাটীত ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ আয়োগ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী সভাৰ সভাপতিত্ব কৰে কেন্দ্ৰীয় জলসিঞ্চন আৰু বিদ্যুৎ দপ্তৰৰ মন্ত্ৰী ড° কে এল ৰাওৱে।

৩১ জুলাই ঃ অসমৰ খ্যাতনামা অভিনেতা, নাট্যকাৰ আৰু চিত্ৰ পৰিচালক ফণী শৰ্মাৰ গুৱাহাটী মেডিকেল কলেজত মৃত্যু। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৬০ বছৰ।

৯ আগষ্ট ঃ অসমত থকা কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয় তথা বেচৰকৰী প্ৰতিষ্ঠানত শতকৰা ৮০ ভাগ পদত থলুৱা লোক মকৰল কৰিব লাগে বুলি অসম জাতীয়তাবাদী যুৱক সমাজৰ দাবী।

১২ আগষ্ট ঃ নেফাক 'অৰুণাচল প্ৰদেশ' বুলি নতুনকৈ নামকৰণ কৰিবলৈ নেফা এজেঞ্চী কাউঞ্চিলে পৰামৰ্শ আগবঢ়ায়।

১৩ আগষ্ট ঃ নেফা এজেঞ্চী কাউঞ্চিলে নেফাত শিক্ষাৰ মাধ্যম অসমীয়াৰ পৰিৱৰ্তে ইংৰাজী কৰাৰ পৰামৰ্শ আগবঢ়ায়।

২৭ আগষ্ট ঃ নামৰূপত পেট্ৰ'কেমিকেল উদ্যোগ স্থাপন কৰাৰ কাৰণে যুগুত কৰা ৫ কোটি টকাৰ আঁচনিখনৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমতি প্ৰদান কৰে।

২৮ আগষ্ট ঃ শ্বিলঙত মেঘালয়ৰ বাবে সুকীয়া ৰাজধানী হ'ব বুলি মেঘালয়ৰ মুখ্যমন্ত্ৰী কেপ্টেইন উইলিয়ামছন চাংমাই ঘোষণা কৰে।

৩০ আগষ্ট ঃ অসমীয়া কথাছবি 'ডক্টৰ বেজবৰুৱা'ই ১৯৬৯ চনৰ শ্ৰেষ্ঠ আঞ্চলিক চলচ্চিত্ৰৰ পুৰস্কাৰ লাভ কৰে।

১ ছেপ্টেম্বৰ ঃ কটন কলেজৰ চৌহদত কলেজৰ অধীক্ষকৰ বাসভৱনত ১৯৬২ চনৰ পৰা থকা সামৰিক ছাব

এৰিয়া কমাণ্ডৰ কাৰ্যালয়টো স্থানান্তৰ কৰিবৰ বাবে কটন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট কৰে।

৪ ছেপ্টেম্বৰ ঃ অসম তেল শোধনাগাৰ সংগ্ৰাম পৰিষদৰ যুটীয়া আহ্বানত অসম বন্ধ পালন।

১১ ছেপ্টেম্বৰ ঃ খাছী নেচনেল দৰবাৰ হলত বহা এখন ৰাজহুৱা সভাত শ্বিলঙক মেঘালয়ত অন্তৰ্ভুক্ত কৰা আৰু ইয়াক মেঘালয়ৰ পূৰ্ণ পৰ্যায়ৰ ৰাজধানীত পৰিণত কৰা সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণ কৰে।

১৩ ছেপ্টেম্বৰ ঃ পেট্ৰ'-কেমিকেল উদ্যোগ চক্ৰসহ চৰকাৰী খণ্ডত ২ নিযুত টন শোধন ক্ষমতাসম্পন্ন দ্বিতীয় শোধনাগাৰ এটাৰ দাবীত ৩ নৱেম্বৰৰ পৰা অনিৰ্দিষ্ট কালৰ বাবে আইন অমান্য আন্দোলন চলাবলৈ অসম তেল শোধনাগাৰ সংগ্ৰাম পৰিষদে সিদ্ধান্ত লয়।

১৫ ছেপ্টেম্বৰ ঃ অসম কংগ্ৰেছ বিধায়িনী দলৰ কাৰ্যনিৰ্বাহকত ৰাজধানী স্থানান্তৰৰ দাবীৰ প্ৰতি সঁহাৰি। ৰাজহ মন্ত্ৰী আৰু কংগ্ৰেছ বিধায়িনী দলৰ উপ-দলপতি মহেন্দ্ৰ মোহন চৌধুৰীৰ সভাপতিত্বত বহা অসম কংগ্ৰেছ বিধায়িনী দলৰ বৈঠকত অসমৰ ৰাজধানী শ্বিলঙৰ পৰা স্থানান্তৰ কৰাত এক মত হয়। ৰাজহ মন্ত্ৰী আৰু কংগ্ৰেছ বিধায়িনী দলৰ উপ-দলপতি মহেন্দ্ৰ মোহন চৌধুৰীৰ সভাপতিত্বত বহা এই বৈঠকে মেঘালয়ৰ পূৰ্ণ পৰ্যায়ৰ ৰাজ্যৰ মৰ্যাদা লাভৰ বাবে শেহতীয়াভাৱে উত্থাপন কৰা দাবীৰ পৰিপ্ৰেক্ষিতত শ্বিলং চহৰৰ ভৱিষ্যৎ সন্দৰ্ভত অনিশ্চয়তা ব্যক্ত কৰে তথা ৰাজধানী স্থানান্তৰৰ বাবে অসমৰ জনসাধাৰণে চলোৱা আন্দোলন উপযুক্ত হৈছে বুলি মত প্ৰকাশ কৰে। যিহেতু কেন্দ্ৰৰ সিদ্ধান্তৰ ফলতেই মেঘালয়ৰ সৃষ্টি হৈছে, সেয়েহে ৰাজধানী স্থানান্তৰৰ ব্যয় কেন্দ্ৰই বহন কৰিব লাগিব বুলি বৈঠকে মত পোষণ কৰে।

২০ ছেপ্টেম্বৰ ঃ গুৱাহাটীত চাহৰ নিলাম বজাৰ মুকলি ঃ অসমৰ চাহ উদ্যোগৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনাস্বৰূপে গুৱাহাটীত প্ৰথমবাৰৰ বাবে চাহৰ নিলাম বজাৰখন মুকলি কৰা হয়। অসমৰ বিত্ত মন্ত্ৰী কামাখ্যা

প্ৰসাদ ত্ৰিপাঠীয়ে মুকলি কৰা এই নিলাম বজাৰৰ প্ৰথম দিনাখন অসমৰ ৮০জন, কলকাতাৰ ২০জন ক্ৰেতাই অংশগ্ৰহণ কৰে আৰু আছাম টী ব্ৰ'কাৰ্ছ, ইণ্ডিয়ান টী ব্ৰ'কাৰ্ছ আৰু ইষ্টাৰ্ণ টী ব্ৰ'কাৰ্ছ এই তিনিটা প্ৰতিষ্ঠানে দালাল হিচাপে কাম কৰে। ৬০খন চাহ বাগিচাই অংশ লোৱা এই নিলাম বজাৰৰ উদ্বোধনীত ৫২খন বাগিচাৰ চাহ বিক্ৰী হয়। নিলাম বজাৰত ৫,৪৩০ বাকচ চাহ ডাকত দিয়া হয়। ইয়াৰ ভিতৰত ৫,১০৫ বাকচ চাহ বিক্ৰী হয়। ৩২৫ বাকচ চাহ জমা থাকে। নিলাম বজাৰৰ প্ৰথম ডাকৰ চাহখিনি আগবঢ়াইছিল সৰুচৰাই চাহ বাগানৰ স্বত্বাধিকাৰী হেমেন্দ্ৰ প্ৰসাদ বৰুৱাই। প্ৰথম বিক্ৰীৰ মূল্যখিনি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়োৱা হয়। নিলাম বজাৰৰ প্ৰথম ডাকৰ চাহ কিনি লয় ডায়মণ্ড আছাম কোম্পানীৰ হৈ জফৰ আলীয়ে।

২১ ছেপ্টেম্বৰ ঃ মেঘালয় ৰাজ্যৰ বাজেট অধিৱেশনত প্ৰথমবাৰৰ বাবে বিত্ত বাজেট উত্থাপন কৰে মেঘালয়ৰ বিত্ত মন্ত্ৰী বি বি লিংডোৱে। এই বাজেটখনত বছৰটোত মুঠতে ৬০ লাখ ৪৬ হাজাৰ টকা ঘাটি দেখুওৱা হৈছে।

২২ ছেপ্টেম্বৰ ঃ মেঘালয় ৰাজ্যত যিকোনো ধৰণৰ জুৱা খেল নিষিদ্ধ কৰি মুখ্যমন্ত্ৰী কেপ্টেইন উইলিয়ামছন চাংমাই মেঘালয় বিধানসভাত এখন বিল উত্থাপন কৰে।

২৫ ছেপ্টেম্বৰ ঃ ভাৰতৰ কমিউনিষ্ট পাৰ্টীৰ অসম ৰাজ্যিক শাখাই সমগ্ৰ অসমতে মাটি দখল আন্দোলন আৰম্ভ কৰে। মাটিৰ মহাজন, সংৰক্ষিত বনাঞ্চল আৰু চাহ বাগিচাৰ উদ্বৃত্ত মাটি এই আন্দোলনৰ সময়ত দখল কৰা হ'ব বুলি অসম বিধানসভাৰ কমিউনিষ্ট সদস্য গোবিন্দ কলিতাই সাংবাদিকক জনায়।

২ অক্টোবৰ ঃ ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে আজি অসম ভ্ৰমণৰ উদ্দেশ্যে গুৱাহাটীত উপস্থিত হয়হি। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণকালত শোধনাগাৰ সন্দৰ্ভত এক সিদ্ধান্ত লোৱাৰ কথা।

৩ অক্টোবৰ ঃ গোৱালপাৰা জিলাৰ যোগীঘোপাৰ ওচৰৰ চেদামাৰীত প্ৰায়

২৩ কোটি টকা ব্যয় সাপেক্ষ অশোক কাগজ কলটোৰ আধাৰশিলা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে স্থাপন কৰে।

২২ অক্টোবৰ ঃ অসমৰ বঙাইগাঁৱত কেন্দ্ৰীয় চৰকাৰে ১০০ কোটি টকা ব্যয় সাপেক্ষে এটা শোধনাগাৰ তথা পেট্ৰ'-কেমিকেল চক্ৰ স্থাপনৰ সিদ্ধান্ত লয় আৰু কেন্দ্ৰই লোৱা এই সিদ্ধান্ত সম্পৰ্কত ভাৰত চৰকাৰে অসম চৰকাৰৰ পৰা চৰকাৰী উত্তৰ বিচাৰে।

২৩ অক্টোবৰ ঃ অসম সাহিত্য সভাৰ মাকুম অধিৱেশনৰ বাবে তীৰ্থনাথ শৰ্মাক সভাপতি নিৰ্বাচন।

৩০ অক্টোবৰ ঃ অসম কংগ্ৰেছ (শা) বিধায়িনী দলৰ উপ-দলপতি মহেন্দ্ৰ মোহন চৌধুৰী সৰ্বসন্মতভাৱে বিমলা প্ৰসাদ চলিহাৰ ঠাইত দলৰ নেতা আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী ৰূপে নিৰ্বাচিত হয়। ইয়াৰ পিচতে অসুস্থ অৱস্থাত থকা চলিহাই অসমৰ ৰাজ্যপাল ব্ৰজ কুমাৰ নেহৰুৰ ওচৰত তেওঁৰ মন্ত্ৰীসভাৰ পদত্যাগপত্ৰ দাখিল কৰে আৰু চৌধুৰীক নতুন মন্ত্ৰীসভা এখন গঠন কৰাৰ বাবে আমন্ত্ৰণ জনাবলৈ ৰাজ্যপালক অনুৰোধ জনায়।

৬ নৱেম্বৰ ঃ মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰী সহিতে অসমৰ ২৬জনীয়া নতুন মন্ত্ৰীসভাই শ্বিলঙৰ ৰাজভৱনত শপত গ্ৰহণ কৰে। অসম আৰু নাগালেণ্ডৰ ৰাজ্যপাল ব্ৰজ কুমাৰ নেহৰুৱে শপত গ্ৰহণ কৰায়।

৭ নৱেম্বৰ ঃ মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীৰ মন্ত্ৰীসভাৰ দপ্তৰ বণ্টন। মন্ত্ৰীসভাত ১৫জনক কেবিনেট পৰ্যায়ৰ, ৮জনক ৰাজ্য পৰ্যায়ৰ আৰু ৩জনক উপমন্ত্ৰী হিচাপে লোৱা হৈছে।

- গোলাঘাটৰ এখন ৰাজহুৱা সভাই অসমৰ ৰাজধানীৰ কাৰ্যালয়সমূহ শ্বিলঙৰ পৰা আনি গুৱাহাটীৰ আশে-পাশে প্ৰতিষ্ঠা কৰাত আক্ষেপ প্ৰকাশ কৰি এই কাৰ্য শীঘ্ৰে বন্ধ ৰাখিবলৈ চৰকাৰক অনুৰোধ জনায়। অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো দিশৰ পৰা বিবেচনা কৰি ৰাজধানী গোলাঘাটত পতাৰ প্ৰস্তাৱ সভাই উল্লেখ কৰে।

১০ নৱেম্বৰ ঃ দেশৰ বিংশতিতম ৰাজ্য হিচাপে মেঘালয়ক পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা দিবলৈ কেন্দ্ৰৰ সিদ্ধান্ত ঃ পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদাৰ বাবে দেশৰ পূব প্ৰান্তৰ মেঘালয়ে তোলা দাবীক

কেন্দ্ৰীয় চৰকাৰে নীতিগতভাৱে মানি লয়। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে লোকসভাত কেন্দ্ৰৰ এই সিদ্ধান্ত ঘোষণা কৰাৰ লগে লগে ভাৰতত ৰাজ্যৰ সংখ্যা কুৰিখনলৈ বৃদ্ধি হ'ল। শ্বিলঙক ৰাজধানী হিচাপে লৈ মেঘালয়ে পূৰ্ণ পৰ্যায়ৰ ৰাজ্যৰ ৰূপ লোৱাৰ লগে লগে অসমৰ নতুন ৰাজধানী নিৰ্মাণৰ বাবে প্ৰয়োজনীয় অৰ্থ সাহায্যৰ কথা প্ৰধানমন্ত্ৰী গান্ধীয়ে সহানুভূতিৰে বিবেচনা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ সাংবিধানিক পৰিৱৰ্তনৰ কথা বিবেচনা কৰাৰ পৰিপ্ৰেক্ষিতত তথা অঞ্চলটোৰ উন্নয়ন আৰু নিৰাপত্তাৰ সমস্যাৰ প্ৰতি এক সমন্বয়মূলক দৃষ্টিভংগীৰ প্ৰয়োজন জৰুৰী হৈ উঠা বুলিও গান্ধীয়ে মত পোষণ কৰে। আনহাতে মেঘালয়ক পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা দিবলৈ ভাৰত চৰকাৰে সিদ্ধান্ত লোৱা বুলি আৰু এই সিদ্ধান্ত লওঁতে অসম চৰকাৰক আগধৰি কোনো কথা নজনোৱা বুলি ওলোৱা বাতৰিৰ ফলত অসম বিধানসভাত উদ্বিগ্ন পৰিস্থিতিৰ সৃষ্টি হয়। বিধানসভাত মইনুল হক চৌধুৰীয়ে মেঘালয় অসমৰ পৰা বিচ্ছিন্ন হৈ যোৱাৰ পিচত এতিয়া কাছাৰ আৰু মিজো পাহাৰকো স্বায়ত্ত শাসন দিব লাগে বুলি মত পোষণ কৰে। মিজো পাহাৰ আৰু কাছাৰক স্বায়ত্ত শাসন দিব লাগে শীৰ্ষক বক্তব্যই বিধানসভাত তুমুল বিতৰ্কৰ সৃষ্টি কৰে।

১১ নৱেম্বৰ ঃ মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰী আৰু তেওঁৰ সতীৰ্থসকলৰ লগত আলোচনা কৰিয়েই কেন্দ্ৰই মেঘালয় ৰাজ্য গঠনৰ সিদ্ধান্ত লৈছে বুলি লোকসভাত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে স্পষ্টীকৰণ দিয়ে।

- বঙাইগাঁৱত চৰকাৰী খণ্ডত দ্বিতীয় শোধনাগাৰ স্থাপন কৰিবলৈ কেন্দ্ৰই লোৱা সিদ্ধান্ত আৰু অসম চৰকাৰে সেই সিদ্ধান্তক গ্ৰহণ কৰাৰ প্ৰতিবাদত শিৱসাগৰৰ প্ৰায় ২০ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত উপস্থিত থকাৰ পৰা বিৰত থাকে। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ আহ্বানক্ৰমে হোৱা এই শ্ৰেণীবৰ্জন কাৰ্যসূচীৰে তৈলক্ষেত্ৰৰ ওচৰত শোধনাগাৰ নিৰ্মাণ কৰিবলৈ দাবী জনায়।

১২ নৱেম্বৰ ঃ নৱগঠিত চৌধুৰী

মন্ত্ৰীসভাৰ বিৰুদ্ধে উত্থাপিত দুটা অনাস্থা প্ৰস্তাৱ আজি অসম বিধানসভাই ৬১-৩৮টা ভোটৰ ব্যৱধানত নাকচ কৰে। প্ৰথম অনাস্থা প্ৰস্তাৱটো উত্থাপন কৰি সংযুক্ত বিধায়িনী দলৰ নেতা গৌৰীশংকৰ ভট্টাচাৰ্যই কয় যে মুখ্যমন্ত্ৰীয়ে তেওঁৰ মন্ত্ৰীসভাৰ পৰিসৰ ১৯জন সদস্যৰ পৰা ২৬জনলৈ সম্প্ৰসাৰণ কৰাৰ উদ্দেশ্যে যি ব্যাখ্যা দাঙি ধৰিছে সেইটো গ্ৰহণযোগ্য নহয়। দ্বিতীয়টো অনাস্থা প্ৰস্তাৱ উত্থাপন কৰে লক্ষ্যধৰ চৌধুৰীয়ে।

১৫ নৱেম্বৰ ঃ মণিপুৰক সোনকালেই পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা দিব লাগে বুলি মণিপুৰ শাসক কংগ্ৰেছৰ ছজনীয়া সঁজাতী দল এটাই কেন্দ্ৰৰ নেতৃবৰ্গক অনুৰোধ জনায়।

১৭ নৱেম্বৰ ঃ মাটিৰ সৰ্বোচ্চ পৰিমাণ ৭৫ বিঘালৈ হ্ৰাস ঃ ব্যক্তিগত মালিকীস্বত্বত মাটিৰ পৰিমাণ ১৫০ বিঘাৰ পৰা ৭৫ বিঘালৈ হ্ৰাস কৰাৰ ব্যৱস্থা থকা ১৯৭০ চনৰ অসম ভূমি নিৰিখ নিৰ্ধাৰণ (সংশোধনী) বিলখন আজি সদনে গ্ৰহণ কৰে। বিলৰ সম্পৰ্কত চলা আলোচনাকালত কংগ্ৰেছ আৰু বিৰোধী পক্ষৰ পৰা বিভিন্ন মতামত প্ৰকাশ কৰা হয়। চাহ বাগিচাৰ মাটি সম্পৰ্কত ভালেখিনি বিবাদৰ সূত্ৰপাত হয়। চাহ বাগিচাসমূহে ন্যূনতম ৭৫ বিঘা মাটিৰ উপৰি আনুষংগিক কামৰ কাৰণে অধিক পৰিমাণৰ মাটি পাব বুলি বিলখনত উল্লেখ আছে। চাহ উদ্যোগৰ বাবে ৮ প্ৰকাৰৰ ৰেহাইৰ সুবিধা দিয়া হৈছে। এগৰাকী বিৰোধী সদস্যই এই উদ্যোগৰ সম্প্ৰসাৰণৰ বাবে ৰেহাইৰ আৰু দুটা প্ৰকাৰ বিচাৰিছিল যদিও বিৰোধী পক্ষৰ আন সদস্যসকলে ইয়াৰ বিৰোধিতা কৰে।

গৌৰীশংকৰ ভট্টাচাৰ্যই উত্থাপন কৰা এটা সংশোধনী প্ৰস্তাৱ সম্পৰ্কত সদনত বিভাজনৰ সৃষ্টি হয়। আনুষংগিক কামৰ বাবে সংৰক্ষিত মাটি চাহ খেতিৰ বাবে আবাদ কৰা মাটিৰ শতকৰা পঁচিশ ভাগৰ বেছি হোৱা উচিত নহয় বুলি তেওঁ পৰামৰ্শ দিয়ে যদিও বিৰোধী পক্ষ এই প্ৰস্তাৱ সম্পৰ্কত ২১-৪৪ ভোটৰ ব্যৱধানত পৰাজিত হয়। মুখ্যমন্ত্ৰী চৌধুৰীয়ে কয় যে যদিহে ভট্টাচাৰ্যৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হয় তেন্তে ক্ষুদ্ৰ

চাহ বাগিচাবোৰ ক্ষতিগ্ৰস্ত হ'ব আৰু ডাঙৰ বাগিচাবোৰ উপকৃত হ'ব। কংগ্ৰেছী সদস্য দেৱেশ্বৰ শৰ্মাই চাহ উদ্যোগে সৰ্বমুঠ ৫ লাখ লোকক সংস্থাপন আৰু ৩২ কোটি টকাৰ পাৰিতোষিক দিয়া বুলিও সদনক অৱগত কৰায়।

১৯ নৱেম্বৰ ঃ অসমৰ বঙাইগাঁৱত ১০০ কোটি টকাৰে এটা তেল শোধনাগাৰ আৰু এটা পেট্ৰ'-কেমিকেল উদ্যোগ স্থাপন কৰিবলৈ কেন্দ্ৰই আগবঢ়োৱা প্ৰস্তাৱ অসম চৰকাৰে গ্ৰহণ কৰে।

২২ নৱেম্বৰ ঃ দৰং জিলাৰ লেহুগাঁৱত উদ্যোগমন্ত্ৰী বিশ্বদেৱ শৰ্মাই উত্তৰ অসম সমবায় চেনিকলৰ আধাৰশিলা স্থাপন কৰে।

৪ ডিচেম্বৰ ঃ অসম চৰকাৰৰ এক বিশেষ গেজেটযোগে প্ৰকাশ কৰা সিদ্ধান্ত অনুসৰি আজিৰে পৰা চৰকাৰী সকলো কাম-কাজতে তথা সচিবালয় পৰ্যায়ৰ সকলো চৰকাৰী কামত অসমীয়া ভাষা ব্যৱহাৰ কৰাৰ নিৰ্দেশ দিয়া হয়।

১০ ডিচেম্বৰ ঃ ১৯৭০ চনৰ আগষ্ট মাহলৈকে ১ লাখ ৫৩ হাজাৰ ৯৪জন পাকিস্তানৰ পৰা অসমলৈ অহা ভগনীয়াক নাগৰিকত্বৰ প্ৰমাণপত্ৰ দিয়া হৈছে বুলি মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে বিধানসভাত জনায়।

১৪ ডিচেম্বৰ ঃ ১৯৬১-৭১ দশকৰ ভিতৰত প্ৰায় এক লাখ নেপালী লোক অসমত প্ৰৱেশ কৰে বুলি মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীয়ে বিধানসভাক জনায়।

২৪ ডিচেম্বৰ ঃ গুৱাহাটীৰ আমবাৰী খনন কাৰ্যত 'বামন' বুলি অসমীয়া লিপিত লিখা এটি মূৰ্তি উদ্ধাৰ।

৩১ ডিচেম্বৰ ঃ অসমৰ তেজপুৰ, কোকৰাঝাৰ আৰু শিলচৰত আকাশবাণীৰ তিনিটা নতুন কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি কেন্দ্ৰীয় তথ্য আৰু অনাতাঁৰ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী আই কে গুজৰালে সাংবাদিকক জনায়। ■


অংকুৰ এজেন্সী